# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া

# মহাবিদ্যালয় আলোচনী

২০২২-২০২৩ বৰ্ষ



সম্পাদকঃ দেৱজিত বৰা

# মহাবিদ্যালয় সংগীত

কথা-সুৰ ঃ যুগান্ত গগৈ

(১)


পোহৰৰ সন্ধান দিলা তুমি
সোৱণশিৰিৰ পাৰতে বৈ,
ধন্য কৰিলা আমাৰ জীৱন
পোহৰৰে হাত শিৰত থৈ।

(২)

জীৱনৰ ছন্দ
পালোঁ বিচাৰি
মধুময় পৰশত,
জ্বলিব লাগিছে
অৰ্বুদ চাকি
তোমাৰ সুলভ আৱেশত
জীৱন উৰ্ব্বৰ কৰি আছা নিতে
পোহৰৰ নৈ হৈ ।

(৩)

ন-পুৰণি অভিনৱ চিন্তাৰ
মেলিলা সোণালী দুৱাৰ
কৌটিকলীয়া এলান্ধু আঁতৰাই
আনিছা নৱ জোৱাৰ
দিগন্ত বিয়পি পৰিছে খিয়াতি
থাকিবা সেউজীয়া হৈ ।



# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

## ২০২২-২০২৩ বৰ্ষ

৩৩ সংখ্যা

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

।। তমসো মা জ্যোতিৰ্গময় ।।

স্থাপিত ঃ ১৯৭৭

প্ৰতি,

........................................................................

........................................................................

দেৱজিত বৰা
সম্পাদক



**প্ৰচ্ছদ কথা**

সময় গতিশীল। এই প্ৰৱাহত জীৱনলৈ আহি পৰা ভিন্ন প্ৰতিবন্ধকতাৰ একমাত্ৰ পৰিত্ৰাণ শিক্ষা। মানৱ সভ্যতাৰ আদিম স্তৰৰ পৰাই এই প্ৰতিকূলতা অতিক্ৰম কৰাৰ কচৰত চলিয়েই আহিছে। সময়ৰ বুকুতে লুকাই আছে মানৱ জীৱনৰ এই বৌদ্ধিক উত্তৰণৰ প্ৰয়াস। সময়েই সত্য।


**LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE**

Annual Magazine of Students' Union, L.T.K. College, Edited by Debajit Borah, Printed at Gigabyte offset, North Lakhimpur, Assam.

33rd Issue, 2022-2023


# সম্পাদনা সমিতি

## Editorial Board


| | |
|---|---|
| মুখ্য উপদেষ্টা ঃ | Chief Advisor |
| ড° বুবুল কুমাৰ শইকীয়া | Dr. Bubul Kumar Saikia |
| উপদেষ্টা ঃ | Advisor |
| শ্ৰী ৰুমী দত্ত | Mrs. Rumee Dutta |
| শ্ৰী বিজু কুমাৰ সোণোৱাল | Mr. Biju Kumar Sonowal |
| ড° ভাস্কৰজিৎ বৰা | Dr. Bhaskarjit Borah |
| ড° প্ৰাঞ্জল দাস | Dr. Pranjal Das |
| শ্ৰী ভনিতা কলিতা | Miss Bhanita Kalita |
| তত্ত্বাৱধায়ক ঃ | Prof. in-charge |
| শ্ৰী জুলি গোহাঁই নেওগ | Mrs. Jully Gohain Neog |
| ড° বিনীতা চহৰীয়া | Dr. Binita Saharia |
| সম্পাদক ঃ | Editor |
| শ্ৰী দেৱজিত বৰা | Sri Debajit Borah |
| ছাত্ৰ সদস্য ঃ | Student Member |
| শ্ৰী সেৱাব্ৰত দত্ত | Sewabrat Dutta |
| শ্ৰী মানস ৰঞ্জন বৰুৱা | Manash Ranjan Baruah |



প্ৰকাশক ঃ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

অংগসজ্জা ঃ পাৰ্থপ্ৰতীম শইকীয়া, দেৱজিত বৰা

বেটুপাত ঃ পাৰ্থপ্ৰতীম শইকীয়া

অক্ষৰ বিন্যাস আৰু মুদ্ৰণ ঃ গিগাবাইট অফচেট, কে. বি. ৰোড, উত্তৰ লক্ষীমপুৰ



(কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি তেওঁলোকৰ লেখনিত কোনো লেখক বা ইণ্টাৰনেটৰ পৰা হুবহু কপি কৰিছে, তেন্তে সম্পাদনা সমিতি দায়ী নহয়।)

# শ্ৰদ্ধাঞ্জলি



নীলমণি ফুকন
জ্ঞানপীঠ বঁটা বিজয়ী কবি-সাহিত্যিক



সুদক্ষিণা শৰ্মা
বিশিষ্ট সংগীত শিল্পী



শৰৎ বৰকটকী
বিশিষ্ট ৰাজনীতিবিদ




অতুলানন্দ গোস্বামী
বিশিষ্ট সাহিত্যিক



নীলপৱন বৰুৱা
বিশিষ্ট চিত্ৰশিল্পী



ড° বীৰেন্দ্ৰ নাথ দত্ত
লোক-সংস্কৃতিৰ গৱেষক,
বিশিষ্ট শিক্ষাবিদ



এম. এছ. স্বামীনাথন
সেউজ বিপ্লৱৰ জনক



ৰণজিত গুহ
বিশিষ্ট বুৰঞ্জীবিদ



বশিষ্ট দেৱশৰ্মা
বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ



নিপন গোস্বামী
বিশিষ্ট অভিনেতা



ড° শিৱনাথ বৰ্মন
বিশিষ্ট চিন্তাবিদ



পুলক গগৈ
প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক

# অভিনন্দন



শকুন্তলা চৌধুৰী
পদ্মশ্ৰী সন্মান, ২০২২



ধনেশ্বৰ ইংতি
পদ্মশ্ৰী সন্মান, ২০২২



মনোজ কুমাৰ গোস্বামী
সাহিত্য অকাডেমি বঁটা, ২০২২



ড° জুৰি দত্ত
সাহিত্য অকাডেমি অনুবাদ বঁটা, ২০২২



দিগন্ত ওজা
শিশু সাহিত্য অকাডেমি বঁটা, ২০২২



প্ৰদ্যুম্ন কুমাৰ গগৈ
সাহিত্য অকাডেমি যুৱ বঁটা, ২০২২



ৰামকুইৰাংবে জেন
পদ্মশ্ৰী সন্মান, ২০২৩



হেমচন্দ্ৰ গোস্বামী
পদ্মশ্ৰী সন্মান, ২০২৩



হেমপ্ৰভা চুতীয়া
পদ্মশ্ৰী সন্মান, ২০২৩



ৰথীন্দ্ৰ নাথ গোস্বামী
শিশু সাহিত্য অকাডেমি বঁটা, ২০২৩



জিন্তু গীতাৰ্থ
যুৱ সাহিত্য অকাডেমি বঁটা, ২০২৩



ডাঃ ৰবি কান্নান
সন্মানীয় ৰমন মেগছেছে বঁটা, ২০২৩




ড° বুবুল কুমাৰ শইকীয়া

অধ্যক্ষ




শ্ৰীযুতা ৰুমী দত্ত

উপাধ্যক্ষ

# সম্পাদনা সমিতি



ড° বুবুল কুমাৰ শইকীয়া
মুখ্য উপদেষ্টা



শ্ৰী ৰুমী দত্ত
উপদেষ্টা



শ্ৰী বিজু কুমাৰ সোণোৱাল
উপদেষ্টা



ড° ভাস্কৰজিৎ বৰা
উপদেষ্টা



ড° প্ৰাঞ্জল দাস
উপদেষ্টা



শ্ৰী ভনিতা কলিতা
উপদেষ্টা



শ্ৰী জুলি গোহাঁই নেওগ
তত্ত্বাৱধায়ক



ড° বিনীতা চহৰীয়া
তত্ত্বাৱধায়ক



শ্ৰী দেৱজিত বৰা
সম্পাদক



শ্ৰী সেৱাব্ৰত দত্ত
ছাত্ৰ সদস্য



শ্ৰী মানস ৰঞ্জন বৰুৱা
ছাত্ৰ সদস্য

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭
৯৯৫৪৭০৩৮



## শুভেচ্ছাবাণী

লক্ষীমপুৰ জিলাৰ আজাদস্থিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰিছে বুলি জানিবলৈ পাই সুখী হৈছোঁ।

মাত্ৰ ১৭ বছৰ বয়সতে শান্তিৰ নোবেল বঁটা পোৱা সক্ৰিয় শিক্ষাকৰ্মী মালালা ইউছাফজাই কৈছিল-"এটি শিশু, এজন শিক্ষক, এখন কিতাপ আৰু এটা কলমে পৃথিৱীখন সলনি কৰিব পাৰে।"

এখন অঞ্চলৰ লগতে দেশৰ শৈক্ষিক উত্তৰণৰ মূল আধাৰ শিক্ষানুষ্ঠান এক বিৰাট সম্ভাৱনাৰ প্ৰতীক। শিশু বা শিক্ষাৰ্থী, শিক্ষক, কিতাপ আৰু কলমৰ মাজেৰে এনে সম্ভাৱনা বিকশিত হয়। আমি ইয়াক উপলব্ধি কৰি শৈক্ষিক ক্ষেত্ৰখনত আগুৱাই যাব লাগিব। একাগ্ৰতা আৰু সাধনাৰ মাজেৰে অৰ্জন কৰা বিদ্যা, ইচ্ছাশক্তি আৰু আত্মবিশ্বাসৰ ভেটিত গঢ় দিয়া চৰিত্ৰই যিকোনো অসম্ভৱ কামকো সম্ভৱ কৰি তুলিব পাৰে। আশা কৰোঁ শিক্ষানুষ্ঠানৰ সমূহ পৰিয়ালে এই নীতিৰ মাজেৰে পৰিচালিত হৈ মানৱ সম্পদ গঢ় দিয়াত আগভাগ ল'ব।

বাৰ্ষিক আলোচনীখনে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক প্ৰতিভা প্ৰতিভাত কৰক। ছাত্ৰ একতা সভা তথা সম্পাদনা সমিতিৰ সদস্যসকলৰ এই প্ৰয়াসৰ সফলতা কামনাৰে শুভেচ্ছা জনাইছোঁ। শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যত আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

ড° পৰমানন্দ সোনোৱাল
পঞ্জীয়ক

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩১
ইমেইল ঃ registrar@dibru.ac.in



## *শুভেচ্ছা বাণী*

বিগত ১৯৭৭ খ্ৰীষ্টাব্দত উত্তৰ লক্ষীমপুৰ নগৰৰ আজাদত প্ৰতিষ্ঠিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰি উলিয়াবলৈ চলোৱা প্ৰস্তুতিৰ বাৰ্তাটিয়ে আমাকো স্বাভাৱিকতে আনন্দিত কৰিছে, কাৰণ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে প্ৰকাশ কৰি অহা বাৰ্ষিক আলোচনীসমূহে পালন কৰা ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। আমি আশা ৰাখিছোঁ যে মহাবিদ্যালয়খনৰ এইবাৰৰ আলোচনীখনে আশানুৰূপ সংখ্যক নতুন প্ৰতিভা জন্ম দিবলৈ সক্ষম হ'ব।

জ্ঞান-বিজ্ঞানভিত্তিক বিবিধ সু-ৰুচিসম্পন্ন মান-বিশিষ্ট তথা সুখপাঠ্য লেখাৰ লগতে অন্যান্য ভালেমান মূল্যবান তথ্য-পাতি আদিৰে সু-সমৃদ্ধ হৈ আলোচনীখন অতি সুন্দৰকৈ প্ৰকাশ পাওক আৰু পাঠকৰ সমাজখনেও প্ৰকাশটিক আদৰেৰে আঁকোৱালি লওক—তাৰ বাবে আমাৰ শুভ কামনা থাকিল।

সম্পাদনা সমিতিৰ প্ৰতিগৰাকী সদস্যৰ উপৰিও যিসকল ব্যক্তিৰ পৰিশ্ৰম আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত আলোচনীখনে এই প্ৰকাশিত ৰূপটি পাবলৈ সক্ষম হৈ উঠিছে তেখেতসকললৈও আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

দিনাংক ঃ ৬ ডিচেম্বৰ, ২০২৩

(পৰমানন্দ সোনোৱাল)



# শুভেচ্ছাবাণী

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী বিভিন্ন প্ৰতিভাৰে সমৃদ্ধ। শিক্ষানুষ্ঠানত পঢ়া-শুনাৰ লগতে ভিন ভিন প্ৰতিভাসমূহৰ বিকাশৰ সুযোগ থাকে। কিছুমান ছাত্ৰ-ছাত্ৰীৰ লেখনৰ প্ৰতিভা থাকে। লেখনৰ সুন্দৰ শৈলী আচলতে পূৰ্ব প্ৰস্তুত হৈ নাথাকে। তাৰবাবে লাগে নিৰন্তৰ অনুশীলন, কঠোৰ শ্ৰম আৰু অসীম ধৈৰ্য্য। বাতৰিকাকত বা আলোচনীসমূহ আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ লেখনশৈলী অনুশীলনৰ মাধ্যম। আশা কৰিছোঁ, লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ এই আলোচনীখনেও ছাত্ৰ-ছাত্ৰীৰ লেখনশৈলী অনুশীলনৰ সুযোগ দি প্ৰতিভাৰ বিকাশ ঘটোৱাত অৰিহণা যোগাব। আশীৰ্বাদ আৰু শুভেচ্ছাৰে-

অমিয়া ৰাজবংশী
সভাপতি
মহাবিদ্যালয় পৰিচালনা সমিতি
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
আজাদ, উত্তৰ লক্ষীমপুৰ



# অধ্যক্ষৰ একলম

সাহিত্য হৈছে মানুহৰ সৃজনীশীল মনৰ বহিঃ প্ৰকাশ আৰু সাহিত্যিকসকল সমাজৰ দাপোণ। সুস্থ সবল সমাজ এখন গঢ়ি তুলিবলৈ সাহিত্য চৰ্চাই হৈছে প্ৰধান আহিলা। সাহিত্য চৰ্চাৰ যোগেদি বিশ্বৰ বিভিন্ন জাতিসমূহৰ জাতীয় বৈশিষ্ট্য, সাংস্কৃতিক চেতনাক জাগ্ৰত কৰিব পাৰি। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ বিভিন্ন গ্ৰন্থ আৰু আলোচনীসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ মানসিক-বৌদ্ধিক উত্তৰণ আৰু ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ উত্তম মাধ্যম হৈছে মহাবিদ্যালয়ৰ আলোচনী। ছাত্ৰ-ছাত্ৰী সকলে আলোচনীৰ জৰিয়তে লিখা-মেলাৰ বাবে অনুপ্ৰেৰণা পায় আৰু একাগ্ৰতাৰে এই চৰ্চা কৰিলে ভৱিষ্যতে এগৰাকী প্ৰতিষ্ঠিত লেখক হ'ব পাৰে। মানৱ জীৱনত ছাত্ৰাৱস্থাৰ সময়ছোৱা অতি মধুময় আৰু গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰী সকলে এই সময়ছোৱাৰ সদ্ ব্যৱহাৰ কৰি নিজস্ব প্ৰতিভাসমূহ বিকাশ কৰিলে নিজৰ লগতে দেশৰো উন্নতি সাধন হয়; লাগে মাথোঁ ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস আৰু সাধনা।

নৱপ্ৰজন্ম হৈছে দেশৰ ভৱিষ্যত। নৱ প্ৰজন্মক জাতিটোৰ ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ প্ৰতি আকৃষ্ট কৰিব পাৰিলেহে তেওঁলোকক সুস্থ সবল মানসিকতাৰে গঢ়ি তুলিব পৰা হ'ব, লগতে আমাৰ ভাষা সংস্কৃতিও জীয়াই থাকিব। এনে বৌদ্ধিক উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয়ৰ পৰা প্ৰকাশ কৰা হয় মহাবিদ্যালয়ৰ আলোচনী। আশা কৰিছোঁ, মহাবিদ্যালয়ৰ আলোচনীখনে এক অগ্ৰণী ভূমিকা লৈ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব। শেষত আলোচনী প্ৰকাশৰ লগত জড়িত সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু শুভকামনা যাচিছোঁ আৰু আলোচনী খনৰ দীৰ্ঘায়ু কামনাৰে......।

(ড° বুবুল কুমাৰ শইকীয়া)
অধ্যক্ষ
এল. টি. কে. মহাবিদ্যালয়
আজাদ, উত্তৰ লক্ষীমপুৰ




# যুৱ প্ৰজন্ম আৰু গ্ৰন্থ অধ্যয়ন

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত কোনো তথ্যৰ প্ৰয়োজন হ'লে বা কোনো নজনা কথা জানিবৰ বাবে কোনোবা বিজ্ঞ এজনৰ ওচৰ নচপাকৈয়ো বা বিশেষ সহায় নোলোৱাকৈয়ো আমাৰ হাতত থকা ম'বাইলটোৰ জৰিয়তেই সকলো তথ্য লাভ কৰিব পাৰোঁ। কিন্তু, ইমান সুবিধা থকাৰ পিছতো আমাৰ মাজত সঠিক তথ্য বা সঠিক জ্ঞানৰ অভাৱ হয়। কিয়নো, ইন্টাৰনেটত পোৱা প্ৰত্যেকটো তথ্য সম্পূৰ্ণ শুদ্ধ বুলি আমি ক'ব নোৱাৰোঁ। ইন্টাৰনেটৰ সঠিক তথ্য বিচাৰিবৰ বাবেও আমাক প্ৰয়োজন হয় জ্ঞানৰ।

প্ৰাচীন কালৰে পৰা মানৱ সমাজে সদায় নতুন নতুন তথ্যৰে সমৃদ্ধ হৈ আগবাঢ়ি আহিছে। অতীজতে মানৱ সমাজত বৰ্তমানৰ দৰে সুবিধাবোৰ নাছিল যদিও মানুহে জ্ঞানৰ পোহৰ নোপোৱাকৈ থকা নাছিল। সেই সময়ত এখন গ্ৰন্থৰ যিমান প্ৰভাৱ আছিল, বৰ্তমান সিমান নাই যেন অনুভৱ হয়। কাৰণ, আমাৰ নৱ-প্ৰজন্মই বৰ্তমান এখন কিতাপ অধ্যয়ন কৰাতকৈ ইন্টাৰনেটৰ জগতত হে অধিক সময় দিয়া দেখা যায়।

মুদ্ৰিত মাধ্যম সমূহ হৈছে আটাইতকৈ প্ৰাচীন গণমাধ্যম। গতিকে গ্ৰন্থ সমূহ বৰ্তমানৰ আন তথ্য প্ৰযুক্তিৰ পূৰ্বৰ সৃষ্টি। গ্ৰন্থসমূহে মানৱ জীৱনৰ বহুক্ষেত্ৰত অৰিহণা যোগাই আহিছে। প্ৰত্যেকৰে জীৱনত গ্ৰন্থৰ প্ৰভাৱ বেলেগ বেলেগ হয়, কাৰোবাৰ জীৱনত হয়তো ইয়াৰ প্ৰভাৱ বেছি আৰু কাৰোবাৰ জীৱনত কম। কিন্তু ব্যক্তিজীৱনত গ্ৰন্থ অধ্যয়নৰ ইতিবাচক প্ৰভাৱেই বেছি। বিজ্ঞান প্ৰযুক্তিয়ে যিমানেই তথ্যৰ যোগান নধৰক কিয়, তাৰ সৰহ সংখ্যক মুদ্ৰিত মাধ্যমৰ ওপৰতেই নিৰ্ভৰশীল। গতিকে, নিৰ্ভৰযোগ্য তথ্য প্ৰাপ্তিৰ বাবে গ্ৰন্থ হৈছে উপযুক্ত গণমাধ্যম।

বৰ্তমান যুৱ প্ৰজন্মৰ সৰহ সংখ্যক প্ৰতিনিধিয়েই সামাজিক যোগসূত্ৰৰ মাধ্যম (Social Networking Site) তে বেছি সময় অতিবাহিত কৰা দেখা যায়। ফলত নিয়মীয়াকৈ কিতাপ পঢ়া বা কিতাপ পঢ়ি আনন্দ পোৱা লোকৰ সংখ্যা তুলনামূলকভাৱে কমি অহা দেখা গৈছে। আজিৰ পৰা কিছু বছৰ আগলৈকে আজৰি সময় কটোৱাৰ ক্ষেত্ৰতে হওক বা অন্যান্য ক্ষেত্ৰতে হওক, মানুহে কিতাপৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। কিন্তু বৰ্তমান সময়ত কিতাপৰ সলনি সামাজিক মাধ্যম সমূহে বহুতৰ বাবে কিতাপৰ মূল্য কমাই আনিছে। বৰ্তমান সময়ত দেখা যায় যে বহুসংখ্যক ছাত্ৰ-ছাত্ৰী কেৱল পাঠ্যক্ৰমৰ মাজতে সীমাবদ্ধ। কিন্তু ইয়াৰ কিছু সংখ্যক শিক্ষাৰ্থী আছে, যিসকলে পাঠ্যক্ৰমৰ লগতে আন বহুতো বাহিৰা কিতাপ অধ্যয়ন কৰে। বহুসংখ্যক কিতাপে মানৱ মনৰ অন্তৰ্নিহিত ভাৱ-অনুভূতি সমূহ জাগ্ৰত কৰিব পাৰে, ফলত পাঠকে তাৰপৰা নতুন সৃষ্টিৰ কাৰণে প্ৰেৰণা লাভ কৰিব পাৰে। বহুসংখ্যক কিতাপে মানুহক ছাঁৰ দৰে সংগ দিয়ে। ব্যক্তিমনৰ হতাশা দূৰ কৰিবলৈও বহু সময়ত গ্ৰন্থ অধ্যয়নে সহায় কৰে।

মুঠৰ ওপৰত, গ্ৰন্থ অবিহনে মানৱ জীৱন সম্পূৰ্ণ বুলি ক'ব নোৱাৰি। শেষত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ ভাষাৰেই ক'ব পাৰি—

'কিতাপ জীৱনৰ সঞ্জীৱনী সুধা'।

দেৱজিত বৰা
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

# ।। সূ. চী. প. ত্ৰ.।।

**অধ্যক্ষৰ একলম-** ১
**সম্পাদকীয়-** ২

<u>সাহিত্য-সমাজ-সংস্কৃতি</u>
**ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা' ঃ এটি আলোচনা**
জ্যোতিস্ময় কুমাৰ নাথ- ৭
**অসমীয়া সংস্কৃতিত ঢেঁকী**
জোনমনি নাথ- ১০
**নাৰী সুৰক্ষা আৰু বৰ্তমানৰ সমাজ**
ছোনীয়া দাস- ১২
**মানৱ জীৱনত সংগীতৰ প্ৰয়োজনীয়তা**
কৰিস্মা কলিতা- ১৩
**নাৰীবাদী সমাজ আৰু লিংগ বৈষম্য**
উদেষ্ণা শইকীয়া- ১৪
**ভাৰতবৰ্ষৰ ৰাজনীতিত মহিলাৰ সৱলীকৰণ**
পল্লৱী বৰা- ১৭
**বাস্তৱ সমাজৰ চিত্ৰ ঃ এক আলোকপাত**
নিৰ্মালী নাথ- ১৯
**বৰ্তমান ভাৰতীয় সমাজত নাৰীৰ স্থান**
তপন শইকীয়া- ২০
**Women Empowerment: A Need of the Hour**
Junmi Dutta- ২১

<u>তথ্য-বীথিকা</u>
**সামূহিক বিজ্ঞানৰ শিক্ষা আৰু ইয়াৰ প্ৰয়োগ**
পলি বৰা- ২২
**জোনৰ দেশত ভাৰতবৰ্ষ**
শান্তি বৰুৱা- ২৪
**কুটিৰ শিল্প হিচাপে মৌ পালন**
ঝৰণা বৈৰাগী- ২৬
**অসমৰ শিক্ষা ব্যৱস্থাত দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা**
জ্যোতি ভূএগ্ৰা- ২৯
**স্বচ্ছতা আৰু সু-স্বাস্থ্য**
অংকিতা দত্ত- ৩১
**দেশপ্ৰেমী অদম্য সাহসী বীৰ লাচিত বৰফুকন আৰু শৰাইঘাট যুদ্ধ**
যোগানন্দ হাজৰিকা- ৩৩
**মহাত্মা গান্ধীৰ অহিংসাৰ ধাৰণা**
পল্লৱী বৰা- ৩৫
**বৰ্তমান যুগত শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত তথ্য আৰু প্ৰযুক্তিৰ ভূমিকা**
জ্যোতি ভূএগ্ৰা- ৩৬
**ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)**
অৰূপ নাথ- ৩৭
**NDA ( नेशनल डिफेंस एकेडमी)**
Rajib Ghor ৪০
**মানৱ জীৱনত ভিটামিনৰ প্ৰয়োজনীয়তা**
জয়শ্ৰী কলিতা- ৪২
**সাম্প্ৰতিক সময়ত সংবাদ জগত**
দেৱাশিষ তামুলী- ৪৫
**Group of Twenty (G20)**
Manash Ranjan Boruah- ৪৮
**Story of Mathematics**
Jimpi Borah- ৫০
**Development of Science and Technology in Modern India**
Mriganka Bora- ৫১
**National Education Policy 2020**
Priyanka Saikia- ৫৪

<u>চিন্তা-প্ৰৱাহ</u>
**যুৱ উচ্ছৃংখলতাৰ বাবে দায়ী স্মাৰ্টফোন নে স্মাৰ্টফোনধাৰী যুৱক-যুৱতীৰ স্মাৰ্ট মানসিকতা—** লিপিকা শইকীয়া- ৫৬
**ডাইনী হত্যা**
দ্বীপশিখা দাস- ৫৮
**উচ্ছৃংখল যুৱ মানসিকতা**
মানস ৰঞ্জন বৰুৱা- ৬০
**কণমানি শিশুৰ ওপৰত ম'বাইলৰ কু-প্ৰভাৱ**
ইন্দ্ৰাণী ফুকন- ৬২
**ঘৰখনেই শিশুৰ শিক্ষাৰ কঠিয়াতলী**
ছোনীয়া দাস - ৬৩
**ড্ৰাগছ ঃ এক সামাজিক সমস্যা**
ৰশ্মিৰেখা দাস- ৬৫
**মানৱতা কোন দিশে**
জ্যোতি ভূএগ্ৰা- ৬৭

**বাল্য বিবাহ**
বৰষা বৰা- ৬৮
**Excessive of everything is Harmful**
Shaswati Boruah- ৭০

**গল্প**

| | | |
|---|---|---|
| **মৰীচিকা** | অবিনাশ হাজৰিকা | ৭২ |
| **কোলাহলৰ নিৰ্জনতা** | পূজা বৰুৱা | ৭৩ |
| **নাৰী** | মেৰী কলিতা | ৭৬ |
| **পৰিণতি** | পলিজা বৰা | ৭৭ |
| **দশভূজা** | হেনাশ্ৰী দত্ত | ৭৮ |
| **এভঙা সপোন** | ভূৱন গগৈ | ৭৯ |
| **অকৃতজ্ঞ পুত্ৰ** | পল্লৱী বৰুৱা | ৮২ |
| **আত্মবিশ্বাস** | ভাৰতজ্যোতি শইকীয়া | ৮৪ |
| **এনাজৰী** | মানস ৰঞ্জন বৰুৱা | ৮৫ |
| **আত্ম পৰিচয়** | ভাগ্যশ্ৰী কাকতি | ৮৭ |

**গ্ৰন্থ-সমালোচনা**
**বকুল ফুলৰ দৰে**
জিম্পী বৰা- ৮৮
**মায়াবৃত্ত ঃ সোণসেৰীয়া সময়ৰ দলিল**
জিম্পী বৰা- ৯০
**ভাৰণ্ড পক্ষীৰ জাক ঃ এক আলোচনা**
পাৰ্থ প্ৰতীম শইকীয়া - ৯২
**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'**
কৃষ্ণা বৰা- ৯৪
**পাটকাইৰ ইপাৰে মোৰ দেশ**
প্ৰণীতা বৰা- ৯৮
**কলিজাৰ আই**
হীমাশ্ৰী কলিতা- ১০৪
**'মেৰেং' এক অদ্বিতীয় সত্তা**
হেনাশ্ৰী দত্ত- ১০৯
**ড° মামণি ৰয়ছম গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'**
দ্বীপশিখা দাস- ১১১

**আধ্যাত্মিক চিন্তন**
**মাধৱদেৱৰ নামঘোষাত প্ৰতিফলিত আত্মলঘিমা ঃ এটি অধ্যয়ন**
অৰুণজ্যোতি নাথ- ১১২
**আধ্যাত্মিক শিক্ষাৰ প্ৰাসংগিকতা**
দেৱাশিষ তামুলী- ১১৬

**জীৱন আৰু ব্যক্তিত্ব**
**স্বামী বিবেকানন্দ ঃ দৃষ্টিৰ পৰা উত্তৰাধিকাৰীলৈ**
তৃষ্ণামনি বৰা- ১১৭
**মিছাইল মেন ড° এ.পি.জে আব্দুল কালাম**
প্ৰণীতা বৰা- ১১৯
**অৰণ্য মানৱ যাদৱ পায়েং**
সুনিতা দলে- ১২১
**Short Biography of Elon Musk**
Partha Protim Bhuyan- ১২৩

**খেল-জগত**
**খেল হৈছে স্বাস্থ্য ৰক্ষাৰ এক সৰ্বোৎকৃষ্ট মহৌষধ**
ডিম্পল নাথ- ১২৬
**Cricket**
Partha Protim Bhuyan- ১২৮

**জনগোষ্ঠীয় আভা**
**ৰাভা সমাজত প্ৰচলিত জন্ম সম্পৰ্কীয় লোকবিশ্বাস**
তপন শইকীয়া- ১৩০
**মিচিং সমাজ জীৱনত নৈপৰীয়া পৰিৱেশৰ প্ৰভাৱ**
তপন পায়েং- ১৩৪
**অসমৰ পটভূমিত কোচ ৰাজবংশীৰ বিৱৰ্তন**
ধীৰাজ কোচ- ১৩৬

**পৰিৱেশ প্ৰজ্ঞা**
**অৰ্কিড**
অংকিতা শইকীয়া- ১৩৮
**পৰিৱেশ সংৰক্ষণত নাৰীৰ ভূমিকা**
টুইঙ্কল শইকীয়া- ১৪০
**গোলকীয় উষ্ণতা বৃদ্ধি**
ডলী সোণোৱাল- ১৪২

**কবিতা**

| | | |
|---|---|---|
| **স্বদেশ ৰক্ষাৰ আমি একতাৰ যুঁজাৰু** | মেৰী কলিতা | ১৪৪ |
| **জীৱনৰ গতি আৰু শান্তি** | কৃষ্ণ দাস | ১৪৫ |
| **ব্যৰ্থতা** | হাৰুণ আলী | ১৪৫ |
| **মোৰ প্ৰথম প্ৰেম দেউতা** | মেৰী কলিতা | ১৪৬ |
| **চেনেহৰ আই** | হেনাশ্ৰী দত্ত | ১৪৭ |
| **সেঁউজ** | মানৱজ্যোতি নাথ | ১৪৮ |
| **আপোন মহাবিদ্যালয়খনি** | পিংকী কুলী | ১৪৮ |
| **মা** | প্ৰণৱজ্যোতি মুছাহাৰী | ১৪৯ |
| **চকুপানী** | ছোনীয়া দাস | ১৪৯ |
| **জীৱন মায়া** | মধুস্মিতা চেতিয়া | ১৫০ |
| **অৰ্থ** | পাৰ্থ দাস | ১৫০ |
| **ৰণুৱা** | হিৰন্ময় দাস | ১৫১ |
| **বন্ধু** | কুন্তল দত্ত | ১৫১ |

| | | |
|---|---|---|
| শব্দ কথাৰে | কৌশিক দত্ত | ১৫২ |
| এটি ভাল লগা সপোন | ৰবী নাথ | ১৫৩ |
| জীৱনৰ সংজ্ঞা | পল্লৱী বৰা | ১৫৩ |
| হে নাৰী | জিম্পী বৰা | ১৫৪ |
| জীৱন | জ্যোতিষ্ময় নাথ | ১৫৪ |
| ফাগুনৰ অনুভৱ | তনয়া বৰা | ১৫৫ |
| দুখৰ সময় | দেৱজিত বৰা | ১৫৫ |
| ফাগুন | জয়শ্ৰী শইকীয়া | ১৫৬ |
| শৰতৰ আগমন | মৃদুস্মিতা ভূঞা | ১৫৬ |
| শিক্ষাগুৰু | সন্তোষ সোণোৱাল | ১৫৭ |
| মোৰ দেশ | মাইকেল পেগু | ১৫৮ |
| নাৰী | গীতিকা বৰা | ১৫৮ |
| বতাহজাক আহে | জুবিন কলিতা | ১৫৯ |
| শিক্ষক | সন্তোষ সোণোৱাল- | ১৫৯ |
| **Lessons from Therapy** | Amlanjyoti Gogoi | ১৬০ |
| **The world** | Amlanjyoti Gogoi | ১৬০ |
| **My LTK College** | Sumi Borah | ১৬১ |
| **Mother** | Jashmina Begum | ১৬২ |
| **Life** | Palash Gogoi | ১৬৩ |
| **First love** | Shaswati Boruah | ১৬৩ |
| शायद तुम्हें पता नहीं | Amarjyoti Dutta | ১৬৪ |

অনুভৱৰ দলিচা

**মৰমৰ মা**
ইলু বৰুৱা- ১৬৫
**সোণালী দিনৰ সোঁৱৰণ**
পুৰবী দত্ত- ১৬৭
**মোৰ দৃষ্টিত মহাবিদ্যালয়খন**
দেৱজানি গগৈ- ১৬৮
**টিমিৰ টেক যাত্ৰা- সমস্যা সমাধানৰ পৰা বিশ্ব সলনি কৰালৈকে**
কৃষ্ণ দাস- ১৭০
**আপোন মহাবিদ্যালয়খনৰ চমুকৈ একলম**
মেৰী কলিতা - ১৭২

নাটক

**ফেঁহুজালি**
ঋতুপৰ্ণা দত্ত - ১৭৩

ভ্ৰমণ বিলাস

**মনোমোহা শ্বিলংত এদিন**
অনুপম বৰুৱা- ১৭৬
**TRAVELOGUE**
Koustav Borah- ১৭৮
**Kedarnath: A Sacred Pilgrimage in the Himalayas**
Nilutpal Dutta- ১৮০
**The enchanting Natural Beauty of Khonsa**
Preety Chetry- ১৮১

অণুগল্প-

**স্বস্তিৰ নিশ্বাস, বেদনা**
নিলুৎপল দত্ত- ১৮৩
**মৰ্মান্তিক**
প্ৰণৱজ্যোতি মুছাহাৰী- ১৮৩

ব্যংগ

**চফ্‌ট লেণ্ডিং**
অনন্যা সেনাপতি - ১৮৪
**আঁঠুৱা**
অনন্যা সেনাপতি - ১৮৪

চলচ্চিত্ৰ

**Avengers: Infinity War- A Critical Analysis**
Santosh Sonowal- ১৮৫

**লিমাৰিক-** ১৮৭

**সাক্ষাৎকাৰ-** ১৮৮

**কাৰ্টুন-** ১৯১

**প্ৰতিবেদন শিতান (২০২২-২০২৩ বৰ্ষ)** - ১৯৩-২০৯

**মহাবিদ্যালয় সপ্তাহৰ ফলাফল** - ২১০

**স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ তালিকা-** ২১৪

**লেখক পৰিচিতি-** ২১৭



।ৰ মন্ত্ৰ অহোৰাত্ৰ মাতে সুন্দৰ যি ফুল
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে ।


– ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

# ৰবীন্দ্ৰনাথ ঠাকুৰৰ
## 'কাবুলিৱালা' ঃ এটি আলোচনা

জ্যোতিস্ময় কুমাৰ নাথ

**স**কলো দিশৰ পৰা অদ্বিতীয় গুণসম্পন্ন ৰবীন্দ্ৰনাথ ঠাকুৰ (১৮৬১-১৯৪১) পৃথিৱীৰ সৃষ্টিশীল প্ৰতিভাসম্পন্ন ব্যক্তিসকলৰ অন্যতম। তেওঁ একেধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, প্ৰৱন্ধকাৰ, ঔপন্যাসিক আৰু চুটিগল্প লেখক। তেওঁ হ'ল বাংলা সাহিত্যৰ প্ৰকৃত চুটিগল্পৰ স্ৰষ্টা।

গল্পকাৰ হিচাপে ৰবীন্দ্ৰনাথে আত্মপ্ৰকাশ কৰে কৈশোৰতে লিখা 'ভাৰতী' পত্ৰিকাত প্ৰকাশিত 'ভিখাৰিণী' (১৮৭৭) নামৰ গল্পৰ যোগেদি। তাৰ পাছত 'হিতবাদী' কাকতত প্ৰকাশিত হয় 'দেনাপাওনা', 'পোষ্টমাষ্টাৰ', 'গিন্নী', 'ৰমাকানাইয়েৰ নিৰ্বুদ্ধিতা', 'ব্যৱধান', 'খাতা', 'তাৰা প্ৰসন্নেৰ কীৰ্তি' ইত্যাদি। তাৰ পৰৱৰ্তী 'সাধনা' কাকতত ৰবীন্দ্ৰনাথে নিৰিচ্ছিন্নভাৱে গল্প লেখিবলৈ লয়। ১৮৯১ চনৰ পৰা ১৯০১ চনৰ ভিতৰত ৰবীন্দ্ৰনাথৰ গল্প প্ৰতিভা এক অনন্য ৰূপত প্ৰতিভাত হয়। এই সময়ৰ গল্পসমূহ হ'ল - 'কংকাল', 'একৰাত্ৰি', 'ত্যাগ', 'কাবুলিৱালা', 'নিশিথে', 'বিচাৰক', 'মানভঞ্জন', 'ক্ষুধিত পাষাণ', 'দুৰাশা', 'ৰাজটীকা',



'নষ্টনীড়', 'মেঘ ও ৰৌদ্ৰ', 'শান্তি', 'সমাপ্তি' ইত্যাদি। ইয়াৰ প্ৰায়বোৰ গল্পতেই উত্তৰ বংগৰ গাঁৱলীয়া প্ৰকৃতি আৰু জীৱন-যাত্ৰাৰ প্ৰতিচ্ছবি অপৰূপ সৌন্দৰ্যৰে মহিমামণ্ডিত। এই ক্ষেত্ৰত ভূদেৱ চৌধুৰীৰ মন্তব্য উল্লেখ কৰিব পাৰি। তেওঁ লিখিছে — 'সকলো গল্পৰ দেহ-মনত কবিমনটো পৰিস্ফুট, সেয়া কিন্তু উত্তৰ বংগৰ গাঁৱৰ প্ৰকৃতি আৰু গাঁৱলীয়া মানুহৰ প্ৰতি বিস্ময় আৰু অপাৰ শ্ৰদ্ধা-অনুৰাগেৰে ৰঞ্জিত। ১৯১৪ চনত প্ৰকাশিত 'সবুজপত্ৰ' আলোচনীত প্ৰকাশিত হয় 'হালদাৰ গৌষ্ঠী', 'স্ত্ৰীপত্ৰ' ইত্যাদি গল্প। এই গল্পসমূহৰ মানৱীয় মূল্যবোধৰ ৰূপান্তৰৰ ইঙ্গিত, ব্যক্তি স্বতন্ত্ৰতাৰ প্ৰতি স্পৃহা আৰু এক বিদ্ৰোহৰ সুৰ শুনিবলৈ পোৱা যায়। ইয়াৰ পাছৰ পৰাই ৰবীন্দ্ৰনাথে সম্পূৰ্ণ আধুনিক দৃষ্টিভংগীৰে গল্প লেখিবলৈ লয়।

ৰবীন্দ্ৰনাথৰ গল্পসমূহত বিষয়বস্তুৰ ভিন্নতা লক্ষ্য কৰা যায়। গল্পসমূহ শিল্পগুণৰ ফালৰ পৰা যিমান উৎকৃষ্ট সিমানে বঙালীৰ গ্ৰামীন তথা নাগৰিক




গল্পটিৰ নামকৰণো বিশেষ তাৎপৰ্যপূৰ্ণ। গল্পটিত 'কাবুলিৱালা'ৰ প্ৰকৃত নাম ৰহমত যদিও 'কাবুলিৱালা' শব্দটোৱেই সুদূৰ আফগানিস্তানৰ পৰা পৰিয়াল বা আত্মীয় স্বজন এৰি থৈ জীয়াই থকাৰ তাড়নাত ভাৰতলৈ ব্যৱসায় বাণিজ্য কৰিবলৈ অহা এগৰাকী প্ৰবাসী লোকৰ কথা ব্যঞ্জিত কৰিছে।

চিত্ৰ হিচাপেও তাৰ মূল্য অসাধাৰণ। বঙালী সমাজ জীৱনৰ আধাৰত ৰচিত হ'লেও গল্পসমূহৰ মাজত বিচাৰি পোৱা যায় মানুহৰ চিৰন্তন সুখ-দুখ, হাঁহি- কান্দোন, আকাংক্ষা-অভীপ্সাৰ প্ৰতিচ্ছবি।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্প সমূহত মানুহ, প্ৰকৃতি তথা ৰহস্যলোকৰ অতিপ্ৰাকৃত ভাৱৰ বিশেষ প্ৰভাৱ দেখা যায়। গ্ৰাম্য সাধাৰণ জীৱনৰ নানা ছবি, পাৰিবাৰিক বিৰোধ, স্নেহ-প্ৰেমৰ সংঘাত তথা সংকট, নানাধৰণৰ ধৰ্মীয়, সামাজিক আৰু ব্যক্তিগত সংস্কাৰৰ লগত মানৱধৰ্মৰ বিৰোধ, শেষত মানৱধৰ্মৰ জয় ইত্যাদি বঙালী গ্ৰাম্য জীৱনৰ অনেক চিত্ৰৰে তেওঁৰ গল্পসমূহ সমুজ্জ্বল। ৰবীন্দ্ৰনাথৰ প্ৰেমৰ গল্প সমূহত প্ৰেম, সৌন্দৰ্য্য তথা কল্পনাৰ বিচিত্ৰ সমন্বয় ঘটিছে। উদাহৰণ স্বৰূপে, 'একৰাত্ৰি', 'দুৰাশা', 'শেষেৰ ৰাত্ৰি', 'মধ্যবৰ্তিনী' ইত্যাদি গল্পৰ কথা ক'ব পাৰি। ইয়াৰ উপৰিও দৈনন্দিন জীৱনক কেন্দ্ৰ কৰি ৰচিত হৈছে 'পোষ্টমাষ্টাৰ', 'কাবুলিৱালা', 'বাসমণিৰ ছেলে', 'ছুটি, 'দিদি' প্ৰভৃতি গল্প। এই গল্পসমূহ ৰবীন্দ্ৰনাথৰ উৎকৃষ্ট গল্পসমূহৰ অন্যতম। আন কিছুমান গল্পত অংকিত হৈছে ৰহস্যময় প্ৰকৃতিৰ চমৎকাৰ মূৰ্তি। মানুহৰ লগত প্ৰকৃতিৰ নিবিড় সম্পৰ্ক অপূৰ্ব ব্যঞ্জনাময় ভাষাৰে প্ৰকাশিত হৈছে 'মেঘ ও ৰৌদ্ৰ', 'অতিথি', 'আপদ' প্ৰভৃতি গল্পত। আনহাতে 'ক্ষুধিত পাষাণ', 'নিশীথে', 'মনিহাৰা' ইত্যাদি গল্প ভৌতিক সংস্কাৰৰ ওপৰত প্ৰতিষ্ঠিত। ভৌতিক পৰিবেশৰ মাজেৰে মানৱ জীৱনৰ অপাৰ ৰহস্য তথা অশৰীৰি ব্যঞ্জনা এনেদৰে চিত্ৰিত হৈছে যে ইয়াত প্ৰাকৃত-অতিপ্ৰাকৃতৰ ভেদ লুপ্ত হৈ গৈছে। বিশ্বৰ শ্ৰেষ্ঠ অতিপ্ৰাকৃত গল্পসমূহৰ ভিতৰত ৰবীন্দ্ৰনাথৰ গল্পসমূহেও প্ৰশংসনীয় স্থান লাভ কৰিছে।

জীৱনৰ শেষৰ ফালে ৰবীন্দ্ৰনাথে ভালেমান আশ্চৰ্য বুদ্ধিদীপ্ত গল্পত আধুনিক জীৱনৰ অৱতাৰণা কৰিছে। 'ৰবিবাৰ', 'শেষকথা', 'ল্যাবৰেটৰি' ইত্যাদি গল্পত আধুনিক জীৱনৰ নানা ব্যক্তিগত সমস্যাৰ অৱতাৰণা কৰি বৰ্তমান সমাজ জীৱনৰ প্ৰতি সজীৱ কৌতূহলৰ পৰিচয় দিছে।

'কাবুলিৱালা' গল্পটিত পিতা-পুত্ৰীৰ চিৰন্তন মমতাৰ চিত্ৰ প্ৰস্ফুটিত হৈছে। গল্পটোৰ কাহিনীভাগত 'মিনি' পাঁচ বছৰ বয়সৰ এগৰাকী সৰু ছোৱালী। অনৰ্গলভাৱে কথা কৈ হাঁহি তামাচা কৰি থকা মিনিয়ে এদিন তেওঁলোকৰ পদূলিয়েদি গৈ থকা ৰহমত 'কাবুলিৱালা'ক 'কাবুলিৱালা' বুলি চিঞৰি মাতিলে। মিনিৰ মাত শুনি কাবুলিৱালা সঁচাকৈয়ে তেওঁলোকৰ ঘৰলৈ অহা দেখি মিনি ভয়তে পলাই পত্ৰং দিলে। কিয়নো, কাবুলিৱালাই সৰু ল'ৰা-ছোৱালী ধৰি মোনাত ভৰাই নিয়ে বুলি এটা অমূলক ভয় সৰু ল'ৰা-ছোৱালীৰ মাজত গঢ় লৈ উঠিছিল। মিনিৰ দেউতাকে তাইক মাতি আনি কাবুলিৱালাৰ লগত চিনাকি কৰি দিলে। কাবুলিৱালা ৰহমতে মোনাৰ পৰা কিচমিচ উলিয়াই দিয়ে আৰু এনেদৰে দুয়োৰে মাজত আন্তৰিকতাই গঢ় লৈ


উঠে। ৰহমতে মিনিৰ মাজত নিজৰ কণমানি জীয়েকক বিচাৰি পায়। ঘটনাক্ৰমে ৰহমত জেললৈ যাবলগীয়া হয় আৰু দীৰ্ঘদিন ধৰি মিনিহঁতৰ লগত বিচ্ছিন্ন হ'বলগীয়াত পৰে। কেইবাবছৰৰ পিছত যেতিয়া মিনিৰ শুভ-বিবাহৰ ক্ষণ উপস্থিত হয়, তেতিয়াই ৰহমত কাবুলিৱালাও জেলৰ পৰা মুক্ত হৈ মিনিহঁতৰ ঘৰত উপস্থিত হয়। বিয়াখনত সকলোৰে আপত্তি স্বত্বেও মিনিৰ দেউতাকে ৰহমতক মিনিক দেখা কৰিবলৈ অনুমতি দিয়ে আৰু বিয়াৰ অতিৰিক্ত দুই এটা খৰচ কম কৰি প্ৰবাসী ৰহমতৰ জীয়েকৰ বাবে থকা ব্যাকুলতা দূৰ কৰিবলৈ নিজৰ দেশলৈ যোৱাৰ সুবিধা কৰি দিয়ে।

গল্পটিত এগৰাকী প্ৰবাসী কাবুলিৱালাৰ নিজৰ কন্যা সন্তানৰ প্ৰতি থকা অপত্য স্নেহ আৰু সেই স্নেহৰ অপূৰ্ণতাৰ ফলস্বৰূপে তেওঁৰ হৃদয়জগতত তোলপাৰ লগোৱা বিভিন্ন ভাব অনুভূতিয়ে প্ৰাধান্য লাভ কৰিছে। 'কাবুলিবালা'ৰ অন্তৰত পুঞ্জীভূত প্ৰেম আৰু বেদনাই ব্যক্তিগত সীমা চেৰাই গৈ নৈব্যক্তিক ৰূপ লাভ কৰিছে আৰু ই পাঠকৰ হৃদয়ত সহানুভূতিৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

কাবুলিৱালা হ'ল গল্পটিৰ কেন্দ্ৰীয় চৰিত্ৰ। মিনি আৰু মিনিৰ দেউতাক হ'ল গল্পটিৰ আন দুটি চৰিত্ৰ, যাৰ যোগেদি 'কাবুলিবালা'ৰ হৃদয়ৰ গভীৰত সঞ্চিত হৈ থকা প্ৰেম আৰু মানৱতাৰ ভাৱনাক গল্পকাৰে কলাত্মক ৰূপ প্ৰদান কৰিছে। মিনিৰ দেউতাকে মিনিৰ পিতৃত্বৰ লগতে আন এগৰাকী সমবয়সীয়া কন্যাৰ পিতৃত্বৰ মমতা উপলব্ধি কৰিছে। ৰহমতে এখন কাগজত সযতনে সাঁচি ৰখা নিজ কন্যাৰ অকণমানি এখন হাতৰ চাপৰ মাজেদি। অৰ্থাৎ এগৰাকী সমবয়সীয়া কন্যাৰ পিতৃ হোৱা বাবেই দুয়োৰে অন্তৰত সহজাত পিতৃত্বৰ মমতাই গভীৰভাৱে ক্ৰিয়া কৰিছে। এনেদৰেই সহজাত পিতৃত্বৰ চিৰন্তন মমতাই দেশ-কাল, জাতি, ধৰ্মৰ সীমা অতিক্ৰম কৰি মানৱীয় মমতাবোধেৰে সকলোকে ঐক্যসূত্ৰত বান্ধি পেলাইছে। এনে বিশাল মানবীয় আবেদনেই 'কাবুলিৱালা' গল্পটিৰ আকৰ্ষণৰ মূল কাৰণ।

গল্পটিৰ নামকৰণো বিশেষ তাৎপৰ্যপূৰ্ণ। গল্পটিত 'কাবুলিৱালা' ৰ প্ৰকৃত নাম ৰহমত যদিও 'কাবুলিৱালা' শব্দটোৱেই সুদূৰ আফগানিস্তানৰ পৰা পৰিয়াল বা আত্মীয় স্বজন এৰি থৈ জীয়াই থকাৰ তাড়নাত ভাৰতলৈ ব্যৱসায় বাণিজ্য কৰিবলৈ অহা এগৰাকী প্ৰবাসী লোকৰ কথা ব্যঞ্জিত কৰিছে। তেওঁৰ আন যি নামেই নাথাকক, অন্ততঃ কলিকতাৰ ব্যস্ত জনজীৱনত তেওঁৰ এটাই পৰিচয় 'কাবুলিৱালা'।

গল্পটোত পিতা-পুত্ৰীৰ মাজত থকা আত্মিক সম্পৰ্কৰ গাঢ়তা আৰু স্নেহ বন্ধনে ব্যক্তিগত সম্পৰ্কৰ সীমা অতিক্ৰম কৰি গভীৰ মানৱীয় জীৱনবোধৰে পাঠকক আপ্লুত কৰি তোলে। মানুহৰ সহজাত এই মানবীয় জীৱনবোধেই গল্পটিক শ্ৰেষ্ঠ গল্পৰ শাৰীলৈ উন্নীত কৰিছে। মানৱীয় স্নেহ মমতাৰ এনে চিৰন্তন ৰূপ ৰবীন্দ্ৰনাথৰ অন্যান্য গল্পতো পোৱা যায়।



# অসমীয়া সংস্কৃতিত ঢেঁকী

জোনমনি নাথ

**আৰম্ভণি ঃ**

ধান বনা, পিঠাগুৰি খুন্দা, চিৰা খুন্দা, সান্দহ খুন্দা, কোমল চাউল খুন্দা আদি বিভিন্ন কামত ঢেঁকীয়ে অসমীয়া জনজীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

**প্ৰচলন ঃ**

অসমৰ লগতে ওচৰ-চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গত ঢেঁকীৰ প্ৰচলন দেখা যায়। বাংলাদেশতো ঢেঁকীয়ে কিছু ব্যাপকতা লাভ কৰিছিল।

বিভিন্ন সমল তথা গৱেষকৰ তথ্যৰ ভিত্তত ক'ব পৰা যায় যে, ঢেঁকী হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা অতীজৰ বাসিন্দা সকলৰ এক উল্লেখযোগ্য অৱদান। অসমৰ দৰে ব্যাপক ভাৱে ঢেঁকীৰ ব্যৱহাৰ পৃথিৱীৰ কোনো ঠাইতে কৰা নহয় বুলি ক'ব পাৰি। পুৰণি সময়ত ধান বানিবলৈ বেলেগ উপায় নথকাৰ বাবে অসমৰ প্ৰায় প্ৰতিঘৰ মানুহতে ঢেঁকী আছিল।

**ব্যৱহাৰ ঃ**

ঢেঁকীৰ ব্যৱহাৰৰ কথা ক'বলৈ গ'লে প্ৰথমেই ক'ব লাগিব যে, ই কৃষিৰ লগত সম্বন্ধ থকা এবিধ সজুঁলি। বহু পূৰ্বৰে পৰা ঢেঁকীত ধান, ঘেঁহু, আদি খুন্দি চাউল, আটা বা চিৰা তৈয়াৰ কৰা হৈছিল। চাউল খুন্দি পিঠাগুৰি তৈয়াৰ কৰা ঢেঁকীৰ অন্যতম কাম। অসমীয়া সমাজত বিহু উৎসৱ অহাৰ লগে লগেই ঢেঁকীৰ গুৰুত্ব বাঢ়ি যায় আৰু ঢেঁকীটোৱে অকনো ৰ'বলৈ সময় নাপায়। ঘৰৰ জীয়ৰী-বোৱাৰীহঁতে ৰাতি বহুপৰলৈকে লগ লাগি ঢেঁকী দিয়ে।

বিহুত ব্যৱহাৰ হোৱা প্ৰায় প্ৰতিটো খাদ্যই খুন্দি তৈয়াৰ কৰা হয়। পিঠাগুৰি, চিৰা, সান্দহ, কোমল চাউল, উখুৱা চাউল খুন্দি আপ্যায়ন কৰা হয়। ইয়াৰ বাহিৰেও মছলা জাতীয় খাদ্য, যেনে- জিৰা, জলকীয়া, ধনীয়া, হালধি বা অন্য মছলা খুন্দিবৰ বাবেও ঢেঁকীৰ ব্যৱহাৰ কৰা হয়।

**ঢেঁকীঘৰ বা ঢেঁকীশাল ঃ**

যিটো ঘৰত বা যি টুকুৰা ঠাইত ঢেঁকী ৰখা হয়, সেই ঠাই টুকুৰাক ঢেঁকীঘৰ বা ঢেঁকীশাল বুলি কোৱা হয়। অসম এখন সংস্কৃতিবান ঠাই। ইয়াত প্ৰতিটো বস্তুকে মৰ্যাদা সহকাৰে স্থান দিয়া হয়। ঢেঁকীয়েও অসমীয়া সংস্কৃতিত এক মৰ্যাদাসম্পন্ন স্থান লাভ কৰি আছে। ঢেঁকীশালত ঢেঁকীৰ লগত জড়িত আনুষংগিক সকলো বস্তু হাততে পোৱাকৈ ৰখা হৈছিল। ঢেঁকীৰ লগত সম্পৰ্ক থকা বস্তু বিলাকৰ ভিতৰত খৰাহী, পাচী, চালনী, কুলা, দুলি, ডলা আদিয়েই প্ৰধান।

ঢেঁকীশালখন খেৰৰ চালি দি তৈয়াৰ কৰা হৈছিল। সাধাৰণতে বৰঘৰৰ দাঁতিতে সুবিধাজনকভাৱে এই ঢেঁকী-শালখন পতা হয়।

**ঢেঁকীৰ অংশসমূহঃ**

ঢেঁকীৰ প্ৰত্যেকটো অংশৰে এটা নাম আছে। অৱশ্যে ঠাইভেদে এই অংশসমূহৰ নাম বেলেগ বেলেগ হোৱা দেখা যায়। সাধাৰণভাৱে এটা ঢেঁকীত থকা

অংশ সমূহ হ'ল-

ক) মূল ঢেঁকী

খ) থোৰা

গ) গুলচ বা গুল বা খামা

ঘ) খুবলি

ঙ) থলুৱা মাৰি

চ) কঁতৰা

ছ) বৰণি মাৰি

জ) ঢেঁকী ঘৰ ইত্যাদি।

**ঢেঁকী সজাৰ জোখ-মাখঃ**

ঢেঁকী সাজিবলৈ যথেষ্ট অভিজ্ঞতাৰ প্ৰয়োজন। জোখ-মাখ নাজানি ঢেঁকী সাজিলে ঢেঁকী দিয়াজনৰ শাৰীৰিক ক্ষতি হোৱাৰ লগতে খাদ্য সামগ্ৰীও নষ্ট হোৱাৰ সম্ভাৱনা অধিক থাকে। এটা সময়ত কোনো আউল নলগাকৈ ঢেঁকী সজাৰো অসমীয়া ডেকাৰ কৃতিত্বৰ পৰিচায়ক আছিল। ঢেঁকী সাজিবলৈ সাধাৰণতে কেইটামান কথাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। যেনে-

ক) ঢেঁকীৰ মূল অংশটো দীঘলে সাতৰ পৰা ন-ফুট হ'ব লাগে।

খ) ভৰি দিয়াৰ পৰা কঁতৰা সংযোগী শলখা ডালৰ দূৰত্ব তিনি ফুট।

গ) থোৰাটোৰ দৈৰ্ঘ্য সাধাৰণতে প্ৰায় দুই ফুট মান ৰখা হয়।

ঘ) গুল বা গুলচ বা খামাৰ ব্যাসাৰ্ধ্য হ'ল চাৰি পাছ ইঞ্চি।

ঙ) খুৰলীটো সাধাৰণতে পাঁচ ইঞ্চিমান দকৈ খন্দা হয়।


**ঢেঁকীৰ গঠনঃ**

মূল ঢেঁকীটো ভাল কাঠৰ পৰা তৈয়াৰ কৰা হয়। যেনে- নাহৰ, শিলিখা, শাল, কঁঠাল বা আজাৰ আদি। ভৰিৰে হেঁচা অংশটো কিছু চেপেটাকৈ আৰু আনটো মূৰ কিছু ডাঙৰকৈ ৰখা হয়, এই অংশটোক ঢেঁকীমূৰ বুলি কোৱা হয়।

খুবলিটোকো মূল ঢেঁকীৰ সমানেই গুৰুত্ব দিয়া হয়। খুবলিটো যিটো অংশত থাকে, তাক গাঁৰিশীল বুলি কোৱা হয়। গাঁৰিশীলটো শিল বা কাঠেৰে তৈয়াৰী। ইয়াক মাটিৰ সমান্তৰালকৈ ওপৰভাগটো ৰাখি পুতি ৰখা হয়। ইয়াৰ সোঁমাজতে পাঁচ ইঞ্চিমান দকৈ আৰু সুবিধানক ভাৱে বহলকৈ খুৰলীটো খোলা হয়।

ঢেঁকীৰ মূৰৰ পৰা কিছু তললৈ থোৰা লগোৱা হয়। থোৰা সাধাৰণতে উৎকৃষ্ট কাঠৰ পৰাহে সঁজা হয়। নহ'লে থোৰা ভাঙি দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা থাকে।

কঁতৰাযোৰ সাধাৰণতে কাঠ বা ভলুকা বাঁহৰ দ্বাৰাই তৈয়াৰ কৰা হয়। থোৰাৰ দৰে কঁতৰাযোৰ ঢেঁকীৰ লগত স্থায়ীভাৱে সংযুক্ত হৈ নাথাকে। খুৰলীৰ পৰা থোৰাৰে সৈতে ঢেঁকীটো ডাঙি ৰাখিবলৈ ঢেঁকী জং সজা হয়। ঢেঁকীত তৈয়াৰ কৰা সামগ্ৰীসমূহ খুৰলীৰ পৰা উলিয়াবৰ সময়ত ঢেঁকী ডাঙৰ সহায়ত মূৰৰ অংশতো দাঙি ৰখা হয়। ঢেঁকী দিয়াৰ সময়ত প্ৰয়োজন হোৱা আন এটা সামগ্ৰী হৈছে- বহনি মাৰি।





# নাৰী সুৰক্ষা আৰু বৰ্তমানৰ সমাজ

ছোনীয়া দাস

নাৰী হ'ল সৃষ্টিৰ প্ৰধান আধাৰ। নাৰীৰ অবিহনে সৃষ্টিৰ গতিশীলতা বজাই ৰখাটো অসম্ভৱ। কিয়নো পৃথিৱীৰ সমগ্ৰ সৃজন প্ৰক্ৰিয়াৰ প্ৰাথমিক আধাৰ নাৰীৰ গৰ্ভতেই নিহিত হৈ থাকে। সেয়েহে নাৰীক জগত মাতৃৰ লগত তুলনা কৰা হয়। কেৱল হিন্দু ধৰ্মতেই নহয়, খ্ৰীষ্টান ধৰ্মতো নাৰীক উচ্চস্থান দিয়া হৈছে।

এনে এক নাৰীকেই যেতিয়া আমাৰ পুৰুষ প্ৰধান সমাজে অকথ্য মানসিক-শাৰীৰিক নিৰ্যাতন, আশালীন আচৰণেৰে তেওঁলোকৰ পবিত্ৰতা, আত্ম গৌৰৱ চূৰমাৰ কৰে তেতিয়াই নাৰী সবলীকৰণ, নাৰী অধিকাৰ আদি সম্পৰ্কত সন্দেহৰ সৃষ্টি হয়। গণতন্ত্ৰত নাৰীসকলক পুৰুষৰ সমানেই ৰাজনীতিৰ ক্ষেত্ৰকে ধৰি বিভিন্ন দিশত আগবাঢ়ি যোৱাৰ সুবিধা দিয়া হয়। কিন্তু বাস্তৱ পটভূমিত যদি আমি ভালদৰে বিশ্লেষণ কৰি চাওঁ, তেন্তে ইয়াৰ বিপৰীত ৰূপটোহে দেখা পাওঁ। নাৰীসকলক পুৰুষতকৈ দুৰ্বল হিচাপে গণ্য কৰা হয়। এই দুৰ্বল নাৰীক সমাজে সুৰক্ষা দান কৰাৰ বিপৰীতে বিভিন্নভাৱে শাৰীৰিক, মানসিক নিৰ্যাতন চলোৱাহে পৰিলক্ষিত হৈছে।

ভাৰতবৰ্ষত ঘটা ডাইনী হত্যাই সমগ্ৰ বিশ্বকে চুই যাবলৈ সক্ষম হৈছিল। বৰ্তমান সমাজত ধৰ্ষণকে ধৰি শিশুকন্যা বধ তথা যৌতুক দাবী আদি কাৰণত বহুতো নাৰীয়ে হাৰাশাস্তিত ভুগিব লগা হৈছে, বহুতে মৃত্যুকো আকোঁৱালি লৈছে। গতিকে এইবিলাক কৰ্মকাণ্ড নাশ কৰি সমাজত নাৰী সুৰক্ষা কৰি তুলিবৰ বাবে আমি সকলোৱে মাৰবান্ধি থিয় হোৱা উচিত। অন্যথা ফুলৰ দৰে কোমল তথা পৱিত্ৰ জাতিটো অকালতে মৰহি যাব।



# মানৱ জীৱনত সংগীতৰ প্ৰয়োজনীয়তা

কৰিস্মা কলিতা

সংগীত মানৱ জীৱনৰ অন্য এক প্ৰেম। কাৰণ মনৰ শব্দই যেতিয়া প্ৰাণ পাই উঠে, ই সংগীতৰ ৰূপ লয়। কথাতে কয় নহয় সংসাৰ মৰুভূমিত হেনো সংগীত সৰোবৰ। সংগীত দেৱতাৰ দান। পৰম ঈশ্বৰে নাৰী সৃষ্টি কৰি পৃথিৱীলৈ যেনেদৰে পূৰ্ণতা আনিলে, ঠিক তেনেদৰে সংগীত সৃষ্টি কৰি তাত ৰহন সানিলে। কবি ভট্টদেৱে কৈছিল- যাৰ অন্তৰত সংগীত নাই, যি সংগীত ভাল নাপায়, তেওঁ নেজ আৰু শিংহীন সাক্ষাৎ পশু। জীৱনত আমি যেতিয়া বহু সময়ত অকলশৰীয়া অনুভৱ কৰা হয়, তেতিয়া এই সংগীতৰ আশ্ৰয় লৈয়ে আমি জীৱনটো জীয়াবলৈ প্ৰেৰণা পাওঁ। সংগীতে সদায় নিসংগতাবোৰ দূৰ কৰি জিলিয়ে আন্ধাৰক কোৱাৰ দৰে ক'ব পাৰে যে- সংগীতৰ লগতে মোৰ প্ৰেম আৰু ভালপোৱা, সংগীতৰ সুৰে বৰষুণে মনটোক ধুই নিয়াৰ দৰে ধুই পখালি আকৌ উজলাই তোলে।

সুখৰ সময়ত সেই পৰিৱেশটো অধিক সুখময় কৰি তুলিবৰ বাবে আমি সংগীতৰে আশ্ৰয় লওঁ। ঠিক সেইদৰে দুখৰ সময়তো আমাৰ হতাশাগ্ৰস্ত মন এটাক সতেজ কৰি তুলিবৰ বাবে এটা সংগীতৰ সুৰে যথেষ্ট। সংগীতৰ ভাষা সকলোৱে বুজি পায়। ই আমাৰ শৈশৱৰ সোণোৱালী স্মৃতিৰ লগতে যৌৱনৰ বৰ্ণিল মুহূৰ্তখিনিকো ঘূৰাই দিব পাৰে। এই সংগীতৰ কোনো জাতি আৰু ধৰ্ম নাই। এনেদৰেই সংগীত যাতে চিৰ জীৱন আমাৰ মাজত অমৃতৰ বাণী হৈ বিয়পি থাকে।

# নাৰীবাদী সমাজ আৰু
# লিংগ বৈষম্য

উদেষ্ণা শইকীয়া

নাৰীৰ সমৰ্থক হিচাপে স্ত্ৰী, ৰমনী, মহিলা, নিতম্বনী, কামিনী ইত্যাদি প্ৰতি শব্দৰ ব্যৱহাৰ কৰা হয়। নাৰী মানেই কাৰোবাৰ মাতৃ, কাৰোবাৰ ভগ্নী, কাৰোবাৰ কন্যা। এই নাৰী শব্দটোতেই যেন লুকাই আছে পৃথিৱীৰ সমস্ত সুখ, স্নেহ-মমতা, প্ৰীতি আৰু ভালপোৱাৰ অমৃত।

মানৱ প্ৰজাতিৰ দুটি সত্বা-নাৰী আৰু পুৰুষ। জন্মতেই শিশু এটি নাৰী পুৰুষ হিচাপে জন্ম লৈ নাহে। মানৱ শিশু হিচাপেহে মাতৃ গৰ্ভৰ পৰা এই পৃথিৱীত ভূমিষ্ঠ হয়। শাৰীৰিক ভিন্নতাৰ ভিত্তিত মাথোন সেই নৱ শিশুক ল'ৰা সন্তান আৰু কন্যা সন্তান হিচাপে চিহ্নিত কৰা হয়। কিন্তু সেই সন্তানটিক লাহে লাহে নাৰী অথবা পুৰুষ হ'বলৈ শিকায় পৰিয়ালে, সমাজে। আমাৰ সমাজত নাৰী পুৰুষৰ যি পাৰ্থক্য, সেইয়া যিমান প্ৰাকৃতিক বা বৈজ্ঞানিক, তাতকৈ হাজাৰ গুণে বেছি সামাজিক। নাৰী হৈ কোনেও জন্ম লৈ নাহে। বৰং এই নাৰীক গঢ় দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয় জন্মৰ পিছৰ পৰা। পুৰুষ শাসিত এই সমাজত এটি শিশু জৈৱিকভাৱে তাৰ জন্ম লগ্নৰ পৰাই চিকাৰ হয় লিংগ বৈষম্যৰ। জন্মৰ পিছতহে লিংগভেদে শিশুটিৰ বাঢ়ি অহা প্ৰতিটো যাত্ৰাতেই জাপি দিয়া হয় সমাজৰ নানা আইন কানুন।

শিশু এটিয়ে জন্ম লৈ যেতিয়া এই পৃথিৱীখনক চিনিবলৈ শিকে, অনুভৱ কৰিবলৈ শিকে, তাৰ আগতেই সমাজে সেই শিশুটিৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰি দিয়ে কিছু নীতি-নিয়ম, কিছু প্ৰথা। সিয়ে লাহে লাহে শিশুটিৰ মনত প্ৰভাৱ পেলায় আৰু এটা সময়ত সেই শিশুৱে পৰিয়াল বা সমাজে নিৰ্ধাৰণ কৰি দিয়া মতেই নিজকে গঢ় দিয়ে বা দিবলৈ শিকে। প্ৰথমতে যদি মন কৰা হয় খেলাৰ উপকৰণ হিচাপে এটি শিশুৰ হাতত আমি কি তুলি দিও? যদি ল'ৰা সন্তান হয়, তেওঁৰ হাতত তুলি দিওঁ বন্দুক, বল, বেট, স্পৰ্টচ কাৰ। এই খেলাৰ সামগ্ৰীবোৰে তাৰ মনত বোধ জন্মায় ক্ষমতাৰ প্ৰতিযোগিতাৰ, সাহসিকতাৰ। চিনেমাৰ নায়কৰ দৰেই সি অভিনয় কৰে হাতত খেলনা বন্দুক লৈ, হাতত বেট, বল লৈ সি ক্ৰিকেটাৰৰ দৰে খেলিব বিচাৰে,



স্কুটাৰ, গাড়ীখন হাতত লৈ, সি তাৰ ওপৰত উঠিবলৈ বিচাৰে, চলাবলৈ বিচাৰে। আনহাতে কন্যা শিশুটিৰ হাতত তুলি দিয়া হয় পুতলা, পুতলাৰ ঘৰ। শিশুটিয়ে পুতলাটিক সজাই সন্তানৰ দৰে আদৰ কৰিবলৈ শিকে, বাচন-বৰ্তনেৰে শিশুটিয়ে ৰন্ধা-বঢ়া কৰে। পুতলা খেলাৰ যোগেদি প্ৰমাণ কৰা হয় যে তাই নাৰী হৈও ইচ্ছা কৰিলে পুৰুষৰ দৰে ঘৰৰ বাহিৰলৈ যাব নোৱাৰে। উচ্চস্বৰে কথা ক'ব নোৱাৰে, ডাঙৰকৈ হাঁহিব নোৱাৰে, জেদি হ'ব নোৱাৰে। তাইৰ পোছাক, খেলাৰ, সামগ্ৰী, খেলাৰ ঠাই সকলো ভিন্ন। এই ভিন্নতাৰ বাবে দায়ী শিশুটিৰ লিংগ। নাৰী হৈ জন্ম হোৱাৰ কাৰণেই শিশুটিৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, হাঁহি-তামসা, চিন্তন মনন সকলোতে সমাজৰ কঠোৰ নীতি-নিয়ম মানি তাই দিনে দিনে বাঢ়ি আহে।

কন্যা শিশু এগৰাকী যেতিয়া অলপ ডাঙৰ হৈ কৈশোৰ কাল পায়, তেতিয়া লাহে-লাহে তাইৰ বাবে বাহিৰৰ জগতখন আৰু সৰু হৈ যায়। তাইৰ খেলা ধূলাৰ ঠাই নিৰ্দিষ্ট হৈ পৰে। ঘৰৰ ভিতৰতে মাক-দেউতাকে খেলিবলৈ শিকায়। ল'ৰা-সন্তানটিৰ দৰে তাই মুক্ত মনেৰে লগ-সমনীয়াৰ সৈতে খেলিবলৈ, দৌৰিবলৈ নোৱাৰে। অলপমান ডাঙৰ হ'লেই ছোৱালীজনীক মাকে ঘৰতেই ৰন্ধা-বঢ়া শিকায়, কাপোৰ চিলাবলৈ শিকায়, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰা, আলহী-অতিথি আহিলে কেনেকৈ আপ্যায়ন কৰিব, সেই শিক্ষা দিয়ে। মাতৃগৰাকীক দেখি কন্যা সন্তানটিয়ে কাম-কাজ কৰা, মাকৰ দৰে সাজ-পোছাক, আ-অলংকাৰ পিন্ধিবলৈ ভালপায়। এনেদৰেই সময়ৰ লগে লগে, নিজৰ অজ্ঞাতে কন্যা শিশুটি লাহে লাহে এগৰাকী নাৰীলৈ পৰিণত হয়।



**কন্যা শিশু এগৰাকী যেতিয়া অলপ ডাঙৰ হৈ কৈশোৰ কাল পায়, তেতিয়া লাহে-লাহে তাইৰ বাবে বাহিৰৰ জগতখন আৰু সৰু হৈ যায়। তাইৰ খেলা ধূলাৰ ঠাই নিৰ্দিষ্ট হৈ পৰে।**

বয়ঃসন্ধিকালত ঋতুস্ৰাৱৰ পিছৰ পৰা এগৰাকী ছোৱালীৰ জীৱন আৰু বেছি জটিল হৈ পৰে। ঋতুস্ৰাৱৰ সময়ত তলপেটৰ বিষ, ৰক্তক্ষৰণ, স্বতঃস্ফূৰ্তভাৱে চলা মেলা কৰিব নোৱাৰা, গাটো গধুৰ-গধুৰ লগা আদি ভাৱে নিজৰ শৰীৰ সম্পৰ্কে ছোৱালীজনীক বিৰক্ত কৰি তোলে। নিজৰ শাৰীৰিক গঠন নিজৰ ওচৰতেই অস্বস্তিকৰ হৈ পৰে। তেনে অৱস্থাত ছোৱালীজনীক আৰু বেছি অসহায় কৰি তোলা হয়। ছোৱালীৰ চাল-চলনৰ ক্ষেত্ৰত নানা বাধা আৰোপ কৰা দেখা যায়। তাইৰ মনত সোমোৱাই দিয়া হয় যে ঋতুস্ৰাৱ এক শাৰীৰিক ব্যাধি। ই নিষিদ্ধ লজ্জাজনিত বিষয়। গতিকে আন কাৰো আগত এই সম্পৰ্কত কোনো কথা পতাটো লজ্জাজনক কাম। বিশেষকৈ মুছলমান সমাজত ঋতুস্ৰাৱ যেন নিষিদ্ধ, লজ্জাজনিক কোনো ঘটনা, সেই প্ৰৱণতা বেছি। ছোৱালীজনীয়ে দোকানৰ পৰা 'ন্যাপকিন' কিনিবলৈ যোৱাটো যেন লজ্জাজনক বিষয়। ক'লা পলিথিনৰ মাজত কাগজেৰে মেৰিয়াই আনে গম নোপোৱাকৈ। যেন অবৈধ, লজ্জাকৰ, নিষিদ্ধ কোনো ষড়যন্ত্ৰ চলিছে ছোৱালীৰ দেহাটোৰ মাজত।

ছোৱালী এজনীৰ শাৰীৰিক গঠনৰ পৰিৱৰ্তন দেখা দিলেই পিতৃ-মাতৃ সচকিত হৈ উঠে। তাইৰ বুকুৰ ওপৰত দিয়া হয় দীঘল উৰণি। বুকুৰ পৰা ওৰণি সামান্য খহি পৰিলেই যেন মহাভাৰত অশুদ্ধ হয়। ৰাস্তাত ওলালে, বাছ-ট্ৰেইন আনকি নিজৰ ঘৰৰ ভিতৰতো পিতৃ-মাতৃৰ আগত খুব সাৱধানে পৰ্দাৰ মাজত চলিবলগীয়া হয়। বুকুৰ ওখ অংশ যেন কোনেও দেখা নাপায়, তাৰ বাবে কিমান যে সজাগ হৈ থাকিবলগীয়া হয়।

প্ৰবাদত আছে "প্ৰত্যেকগৰাকী

সফল পুৰুষৰ আঁৰত থাকে এগৰাকী নাৰীৰ হাত"। ইয়াতো নাৰীৰ কাম সেৱামূলক। পুৰুষে প্ৰতিযোগিতাত নামিব, সাফল্যৰ জয় গান গাব আৰু নাৰী তুমি অনবৰতে তাৰ পিছফালে থাকি, স্বামীক সেৱা কৰি যোগাই থাকিবা অনুপ্ৰেৰণা। মঞ্চৰ পৰ্দাৰ পিছফালেই তোমাৰ স্থান, মঞ্চত তোমাৰ আৰ্বিভাৱ কেতিয়াও নহয়। তুমি নিজে কেতিয়াও সফল হোৱাৰ সপোন নেদেখিবা। তুমি কেৱল পুৰুষক কৰি তুলিবা সফল, কৰ্মোদয়। কাৰণ তোমাৰ অন্য ত্যাগী, পুৰুষৰ নামত নিজকে ত্যাগ কৰাটোৱেই তোমাৰ জীৱনৰ সাৰ্থকতা। সমাজে তোমাৰ ওচৰত তাৰেই প্ৰত্যাশা কৰে।

ছোৱালীজনী ডাঙৰ হৈ অহাৰ লগে-লগে পিতৃ-মাতৃৰ দুঃচিন্তা আৰু বাঢ়ি যায়। কেতিয়া ছোৱালীজনীক উপযুক্ত পাত্ৰৰ হাতত গতাই দিব পাৰিব, এই চিন্তাতেই বহু পিতৃ-মাতৃ থকা দেখা যায়। ছোৱালীজনী উচ্চ শিক্ষাৰে শিক্ষিতা হওঁক, নিজেও সমাজত উচ্চ স্থান পাওঁক, স্বাধীনভাৱে ছোৱালীজনী সমাজত প্ৰতিষ্ঠা লাভ কৰক, এনে কামনা বহুতৰ মাজতেই দেখা নাযায়। বৰঞ্চ উচ্চ মাধ্যমিক অথবা স্নাতক পৰ্যায়লৈকে পঢ়িলেই বা তাৰ আগতেই বহুত পঢ়া বুলি ভাবি ছোৱালীজনীৰ বাবে শিক্ষিত, সু-প্ৰতিষ্ঠিত, স্বাৱলম্বী পাত্ৰ সন্ধানত ব্যস্ত হৈ পৰে। নাৰীক এক বিকলাংগ প্ৰাণী হিচাপেই ধৰি লোৱা হয়, যি কেতিয়াও স্বয়ং সম্পূৰ্ণ নহয়, যাৰ জীৱনৰ প্ৰতিটো পদক্ষেপত কোনো এজন পুৰুষৰ ছত্ৰ-ছায়াত প্ৰতিপালিত হ'ব লগা হয়। সেই পুৰুষজন হয়তো নাৰীগৰাকীৰ পিতৃ, ভাতৃ, স্বামী, পুত্ৰ সন্তানো হ'ব পাৰে। বিয়াৰ বজাৰত সুন্দৰী ছোৱালীৰ দাম উঠে অনেক ওপৰত। পাত্ৰীৰ ক্ষেত্ৰত সুন্দৰ হোৱাটো প্ৰথম চৰ্ত। ইয়াৰে বাদেও কন্যা গৰাকী হ'ব লাগিব নম্ৰ, ঘৰৰ জ্যেষ্ঠজনৰ আগত চকু তুলি কথা নকয়, ছোৱালীজনী হ'ব লাগিব ঘৰৰ লখিমী, জানিব লাগিব ঘৰৰ সকলো কাম। যিখন সমাজত কন্যা সন্তানক বোজা বুলি ভবা হয়, বিয়া দি উলিয়াই দিলেই সকলো দায়িত্ব শেষ হোৱা বুজায়, সেইখন সমাজত নাৰীৰ স্থান কিমান উন্নত সহজেই অনুমান কৰিব পাৰি। নাৰীৰ কল্যাণ কেৱল শুভবিবাহ, সুখৰ সংসাৰ, সন্তান লালন - পালনতেই নহয়, এইকথা অভিভাৱক তথা নাৰীয়ে নিজেও উপলব্ধি কৰা উচিত।

গ্ৰাম্য বিচাৰৰাজিত দেখা যায় যে, ধৰ্ষিতা নাৰীৰ ধৰ্ষণৰ সমাধান হৈছে আজীৱন তাইক ধৰ্ষণ কৰিব সুযোগ কৰি দি ধৰ্ষণকাৰীৰ লগত বিয়া দিয়া। অৰ্থাৎ নাৰীৰ পৰিণতি যেন এটাই -বিয়া। নাৰীৰ প্ৰতি সমাজৰ নানা বৈষম্যৰ প্ৰতি লক্ষ্য কৰি সেয়ে হয়তো প্ৰখ্যাত নাৰীবাদী লেখক সিমোন দ্য বোজেয়াৰে 'The second sex' নামৰ গ্ৰন্থত মত পোষণ কৰিছে এনেদৰে- 'নাৰী হৈয়ে কেউ জল নেয় না, বৰং কেউ নাৰী হয়ে উঠে"। এই গ্ৰন্থৰ মাধ্যমেৰে লেখকে সমগ্ৰ পৃথিৱীত নাৰীবাদী তত্ত্বৰ এক নতুন প্ৰতিবাদী জোৱাৰ গঢ়ি তুলিবলৈ সক্ষম হয়।

সাম্প্ৰতিক সমাজৰ প্ৰতি লক্ষ্য ৰাখি পুৰুষ আৰু নাৰী এই উভয় শ্ৰেণীকে সম-সুবিধা, সম-সুযোগ প্ৰদান কৰা উচিত। যিহেতু বৰ্তমান সময়ৰ সমাজত নাৰী আৰু পুৰুষ উভয়ে সকলো ক্ষেত্ৰতে সমান।

According to Oxford Dictionary," Women's Studies is an academic courses in Sociology, History,Literature and Psychology which focuses on the experience and achievements of women's in society.


# ভাৰতবৰ্ষৰ ৰাজনীতিত মহিলাৰ সবলীকৰণ

পল্লৱী বৰা




ভাৰবৰ্ষৰ ৰাজনীতিৰ লগত মহিলাৰ সম্পৰ্ক অতি প্ৰাচীন। ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাত ৰজাৰ অবৰ্তমানত ৰাজ্য পৰিচালনা কাৰ্যত নাৰীয়ে মূল ভূমিকা পালন কৰিছিল। বিখ্যাত ঝান্সীৰ ৰাণী লক্ষ্মীবাই, মূলাগাভৰুৰ দৰে বীৰাঙ্গনা সতীয়ে যুদ্ধক্ষেত্ৰত হাতত তৰোৱাল লৈ দেশ ৰক্ষাৰ অৰ্থে আত্মবলিদান দিয়া কাহিনীয়েও বিশ্বৰ ৰাজনীতিৰ ইতিহাসত আলোড়নৰ সৃষ্টি কৰিছিল। সময়ৰ পৰিৱৰ্তনৰ সোঁতত ভাৰতৰ শাসন ব্যৱস্থাৰো পৰিৱৰ্তন ঘটিল। ভাৰতবৰ্ষৰ পূৰ্বৰ ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাৰ পৰিৱৰ্তে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ উত্থান ঘটিল। সময়ৰ পৰিৱৰ্তনত শাসন ব্যৱস্থাৰ প্ৰকৃতিৰ, আৰ্হিৰ পৰিৱৰ্তন হ'ল। কিন্তু মহিলাৰ শাসন ব্যৱস্থাত যি ভূমিকা, সেয়া পূৰ্বৰ দৰেই বাহাল থাকিল। এখন সমাজৰ তথা এখন ৰাষ্ট্ৰৰ সৰ্বতোমুখী বিকাশ তথা উন্নয়ন সম্পূৰ্ণৰূপে ৰাজনীতিৰ ওপৰত নিৰ্ভৰশীল আৰু ৰাষ্ট্ৰসমূহৰ ৰাজনৈতিক ব্যৱস্থাও মানৱজাতিৰ মূল স্তম্ভস্বৰূপ পুৰুষ মহিলা উভয়ৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰত নিৰ্ভৰ কৰে।

বৰ্তমান বিশ্বৰ প্ৰায়বোৰ দেশেই গণতান্ত্ৰিক আৰ্দশ গ্ৰহণ কৰিছে। অৰ্থাৎ বিশ্বৰ প্ৰায়বোৰ দেশেই গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰচলন হৈ আছে। ভাৰতবৰ্ষ হৈছে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক



দেশ। ভাৰতীয় নাৰীসকলে এই গণতান্ত্ৰিক ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা হোৱাত বিশেষ ভূমিকা পালন কৰি আছে। তদুপৰি ভাৰতবৰ্ষৰ সৰ্ববৃহৎ দলিল ভাৰতীয় সংবিধানেও ভাৰতীয় ৰাজনীতিত মহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে বিশেষ কিছুমান ব্যৱস্থাৱলী প্ৰদান কৰিছে, যিহেতু গণতান্ত্ৰিক শাসনৰ সফলতা সম্পূৰ্ণৰূপে জনসাধাৰণ সক্ৰিয় অংশ গ্ৰহণৰ ওপৰত নিৰ্ভৰ কৰে। ভাৰতীয় সংবিধানৰ অন্তৰ্গত মৌলিক অধিকাৰ এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰোপৰি সংবিধানৰ অন্তৰ্ভুক্ত আসন সংৰক্ষণ ব্যৱস্থায়ো মহিলাসকলক ৰাজনীতিত অংশগ্ৰহণ কৰাত বিশেষভাৱে সহায় কৰিছে। ভাৰতবৰ্ষত অনুষ্ঠিত হোৱা নিৰ্বাচন সমূহত যেনে- লোকসভা আৰু বিধানসভাত, স্বায়ত্ব শাসনৰ বিভিন্ন নিৰ্বাচনত মহিলাসকলৰ বাবে প্ৰায় ৩৩ শতাংশ আসন সৰংক্ষন কৰি ৰখা হৈছে। এনেদৰেই ভাৰতীয় সংবিধান আৰু বিভিন্ন সময়ত ভাৰতীয় সংসদে প্ৰণয়ন কৰা আইন সমূহেও মহিলাসকলক ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণত সহায় কৰিছে। ইয়াৰ ফলশ্ৰুতিতে বিশিষ্ট ৰাজনীতিবিদ প্ৰতিভা দেৱী সিং পাটিল, দ্ৰৌপদী মূৰ্ম, ইন্দিৰাগান্ধীয়ে ভাৰতীয় ৰাজনীতিৰ তথা বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশখনৰ শাসনৰ বাঘজৰী পুৰুষৰ হাতৰ পৰা কাঢ়ি আনিবলৈ সক্ষম হৈছে। তদুপৰি মীৰা কুমাৰী, সুষমা স্বৰাজ, সৰোজিনী নাইডু, বিজয়া চক্ৰৱৰ্তী, ৰেণুপমা ৰাজখোৱা, মমতা বেৰ্নাজী, জয়ললিতা, মায়াদেৱী, অলকা শৰ্মা আদি বিশিষ্ট মহিলাই ভাৰতৰ ৰাজনীতিত অংশগ্ৰহণ কৰি সমগ্ৰ দেশখনৰ ৰাজনৈতিক সমস্যা সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বৰ্তমান বিংশ শতিকাত ভাৰতবৰ্ষৰ ৰাজনীতিৰ প্ৰেক্ষাপটত শাসনৰ ক্ষমতা আহৰণ কৰি নাৰী সকলে ভাৰতীয় ৰাজনীতি জগতত বহু ৰাজনৈতিক নেতাৰ চকুৰ টোপনি হৰণ কৰিবলৈ সক্ষম হৈছে। লগতে ভাৰতীয় ৰাজনীতিত এক আধিপত্যৰ সূচনা কৰিবলৈ সক্ষম হৈছে।

ৰাজনীতিত নাৰীৰ অংশগ্ৰহণ অতি প্ৰয়োজন, কাৰণ নাৰী বিবৰ্জিত গণতান্ত্ৰিক দেশত ৰাজনীতি কেতিয়াও সম্ভৱ নহয়। প্ৰত্যেকখন ৰাষ্ট্ৰতে বা সমাজতেই উদ্ভৱ হোৱা সকলোবোৰ সমস্যা সমাধানৰ লগত পুৰুষৰ লগতে মহিলায়ো বিশেষ ভূমিকা পালন কৰে। গতিকে ভাৰতীয় ৰাজনীতিৰ মঞ্চখনত মহিলাৰ অংশগ্ৰহণ অতীৱ আৱশ্যকীয়। যেতিয়া প্ৰতিগৰাকী নাৰীয়ে ৰাজনৈতিক ভাৱে সচেতন হৈ ৰাষ্ট্ৰখনৰ উন্নয়নৰ বাবে ৰাজনীতিত অংশ গ্ৰহণৰ বাবে ওলাই আহিব, তেতিয়াই ৰাষ্ট্ৰখনৰ সৰ্বতোমুখী বিকাশ সম্ভৱ হৈ উঠিব, লগতে নাৰীসকলৰ ৰাজনৈতিক সৱলীকৰণে সফলতা লাভ কৰিব।



# বাস্তৱ সমাজৰ চিত্ৰ ঃ এক আলোকপাত

নিৰ্মালী নাথ

আমাৰ সমাজ-ব্যৱস্থাত সচৰাচৰ কিছুমান ভুল প্ৰত্যক্ষ কৰি আহিছোঁ। যেনে, ওচৰ-চুবুৰীয়া বা অন্য কোনো ব্যক্তি ঘৰলৈ আহিলে নানাধৰণৰ আলোচনাৰ সময়ত ঘৰৰ সৰু ল'ৰা-ছোৱালীয়ে জ্যেষ্ঠসকলৰ সৈতে সমানে বহি অংশীদাৰ হয়। ত্ৰুটি খুচৰি ফুৰা অভ্যাস সৰ্বজন বিদিত। কিছুমান মাক-দেউতাকে ল'ৰা-ছোৱালীক পঢ়িবলৈ কৈ হয় বাহিৰত চুবুৰীয়াৰ লগত পৰচৰ্চা কৰিব, হয় টিভিৰ ভলিয়ম বঢ়াই লৈ নিজে উপভোগ কৰিব। কিন্তু তাৰ পৰিৱৰ্তে যদি মাক-দেউতাকে সন্তানৰ পঢ়া টেবুলৰ কাষত বহি সময় অতিবাহিত কৰে, তেতিয়া বৰ্তমান ছাত্ৰ সমাজে ম'বাইল, ফেচবুক, ৱাটচএপ আদিৰ প্ৰভাৱৰ পৰা আঁতৰি থাকিবলৈ অলপ হলেও যত্ন কৰিব। গ্ৰাম্যঞ্চলত বহুতো মাক-দেউতাকে ল'ৰা ছোৱালীক বিদ্যালয়লৈ পঠোৱাতকৈ ঘৰৰ কৃষি কৰ্মত নিয়োজিত কৰে। তেওঁলোকৰ অভিমত-পঢ়ি শুনি কেইজন মানুহ ডাঙৰ হৈছে।

বৰ্তমান সমাজত এফালে মূল্যবোধৰ অৱক্ষয়, যুৱ উশৃংখলতা, সন্ত্ৰাস, নাৰী নিৰ্যাতন, লুণ্ঠন, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, সন্ত্ৰীয়া উপভোগ আদিৰ দৰে পাশৱিক সমস্যাবোৰে জীৱনৰ প্ৰত্যেক খোজতে সমাজখনক কাঠফুলাৰ দৰে গ্ৰাস কৰি আৰু ৰঘুমলাৰ দৰে চানি ধৰি গোটেই সমাজখনক কলুষিত কৰি তুলিছে। সাম্প্ৰতিক কালত প্ৰতিটো ক্ষণ আমাৰ বাবে হৈ পৰিছে দুৰ্বিসহ। আধুনিকতাৰ কবলত পৰি মানুহ হৈ পৰিছে স্বাৰ্থান্বেষী, মানৱীয় আৱেগ অনুভূতিবোৰ যেন মৰহি শুকাই যাবলৈ আৰম্ভ কৰিছে আৰু সংস্কৃতিৰ নামত অপসংস্কৃতিয়ে গ্ৰাস কৰিছে।

আমি সকলোৱে বৰ্তমান নিজ কৰ্তব্যৰ পৰা ফালৰি কাটি আহি নামি পৰিছোঁ এক অঘোষিত প্ৰতিযোগিতাত। শিক্ষা অৰ্জনৰ নামত সৰহ নম্বৰ গোটাই কেৱল পৰীক্ষাত বিশেষ স্থান দখল কৰি ভৱিষ্যতে ডাক্তৰ, ইঞ্জিনীয়াৰ নতুবা বিষয়া হোৱা, বিলাসী গাড়ী, বেংক বেলেঞ্চ ইত্যাদিৰ ভোগত মনোনিৱেশ কৰিছোঁ। তাৰ উপৰি কিছুমান শিক্ষাৰ্থীয়ে অভিভাৱকক প্ৰৰোচনা কৰি বাইক, ম'বাইল দাবী কৰিছে। কেৱল আমিবোৰ নিজক লৈ ব্যস্ত, এইয়া জানো শিক্ষাৰ প্ৰকৃত অৰ্থ। আমিবোৰ জানো প্ৰকৃততে শিক্ষাৰ্থী?

শেষত আমি নিজকে বা জাতিটোক আৰু দেশখনক আগবঢ়াই নিবলৈ হ'লৈ সূক্ষ্ম পৰিধিৰ মাজৰ পৰা ওলাই আহি নিজৰ কৰ্তব্যৰ প্ৰতি অধিক সচেতন হৈ আৰু লগতে সমাজ জীৱনৰ প্ৰতি পালন কৰিবলগীয়া দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিব পাৰিলেহে অনাগত সময়ছোৱাত উন্নতিৰ এখন বাস্তৱ ছবি প্ৰতিফলিত হ'ব।



# বৰ্তমান ভাৰতীয় সমাজত নাৰীৰ স্থান

তপন শইকীয়া

নাৰীৰ মৰ্যাদাই এটা জাতিৰ সামাজিক, অৰ্থনৈতিক আৰু মানসিক অৱস্থাৰ চিত্ৰণ কৰে। আমাৰ শাস্ত্ৰত নাৰীক আধ্যাত্মিকতাৰ প্ৰতীক হিচাপে গণ্য কৰা হৈছে। তথাপিও প্ৰাচীন ভাৰতীয় সভ্যতাত নাৰীক অধিকাৰ আৰু সমতাৰ পৰা বঞ্চিত কৰা হৈছিল। যৌতুক, সতী-ব্যৱস্থা, বাল্য বিবাহ আদি সামাজিক দুষ্টতা প্ৰাথমিক যুগত বহুলভাৱে প্ৰচলিত আছিল। মহিলাসকলৰ মাজত শিক্ষা আৰু আত্ম সচেতনতাৰ বিস্তাৰৰ ফলত এই সময়ছোৱাত তেওঁলোকৰ অগ্ৰগতি হৈছে। আজিৰ নাৰী সবল, লগতে মহিলাসকলে প্ৰতিটো ক্ষেত্ৰতে উন্নতি আৰু সফলতা লাভ কৰিছে। প্ৰকৃত নাৰীয়ে স্বাধীনতা তেতিয়াহে লাভ কৰিব যেতিয়া মানুহে নাৰী সম্পৰ্কে নিজৰ নিষিদ্ধ মনোভাৱ আৰু মানসিকতা সলনি কৰিব।

সমগ্ৰ জাতিটোৰ স্বাধীনতা আন্দোলনৰ বিকাশৰ পিছত সমাজৰ মহিলাসকলে ওলাই আহিবলৈ ধৰিলে। বৃহৎ অংশৰ মহিলাক পঢ়া-শুনা আৰু শিক্ষা বিচাৰিবলৈ সুযোগ দিবলৈ ধৰিলে। বৰ্তমান ভাৰতত চিকিৎসা, কাৰিকৰী, শিক্ষকতা, আইনী বা আন কোনো বৃত্তিতে মহিলাৰ অভাৱ নাই। ভাৰতত বিভিন্ন কাৰ্যালয় আৰু সংগঠনত উচ্চ পদবীত অধিষ্ঠিত ক্ষমতাশালী মহিলাৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছে।

বৰ্তমান নাৰীয়ে বিভিন্ন বৃত্তিত জড়িত হৈ পুৰুষৰ সৈতে প্ৰযুক্তি, আইন, প্ৰশাসন, শিক্ষকতা ইত্যাদি বিভিন্ন শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। পৰম্পৰাগত বৃত্তিৰ বাহিৰেও আমাৰ ক্ৰীড়াত লাভৱান হোৱা মহিলা আছে, যেনে- পি.টি উষা, ছানিয়া মিৰ্জা, পি.ডি সিন্ধু, মিতালী ৰাজ, মেৰী কম, ছাইনা নেহৱাল, দীপা কৰ্মকাৰ আদিয়ে ভাৰতৰ বহু আকংক্ষিত ক্ৰীড়াবিদক প্ৰতিনিধিত্ব কৰি অনুপ্ৰাণিত কৰিছে। আমাৰ এনে মহিলাও আছে, যিয়ে শিল্প আৰু মনোৰঞ্জন উদ্যোগত আৰম্ভণিৰে পৰাই যথেষ্ট প্ৰভাৱ পেলাইছে, লগতে বহু শিল্প বিদ্যালয়ৰ সাংস্কৃতিক আইকন। ইন্দিৰা গান্ধী, বিজয় লক্ষ্মী পণ্ডিত, এনি বেসান্ত, মহাদেৱী ভাৰ্মা, সচেত কৃপালনী, অমৃতা প্ৰীতম, সুষমা স্বৰাজ, পদ্মজা নাইডু, কল্পনা চাওলা, মাদাৰ টেৰেছা, সুভদ্ৰা কুমাৰী চৌহান আদি ভাৰতীয় মহিলা নেত্ৰী, সামাজিক সংস্কাৰক, সমাজকৰ্মী, প্ৰশাসক আৰু সাহিত্যিক ব্যক্তিত্ব যিয়ে মহিলাৰ মৰ্যাদা যথেষ্ট সলনি কৰিছে।

পূৰ্ব যুগৰ তুলনাত নাৰীৰ মৰ্যাদাৰ ধাৰাবাহিক পৰিৱৰ্তন ঘটিছে। আজিৰ মহিলাসকলে ৰাজনীতি, মৰ্যাদা, সামৰিক খণ্ড, অৰ্থনৈতিক সেৱা, প্ৰযুক্তি খণ্ড আদি ক্ষেত্ৰত সম্পূৰ্ণৰূপে অংশগ্ৰহণ কৰে। তদুপৰি তেওঁলোকে ক্ৰীড়াতো সম্পূৰ্ণৰূপে অৰিহণা যোগাইছে। এইদৰে নাৰীয়ে সমাজত এক মৰ্যাদাপূৰ্ণ স্থান দখল কৰিছে। অৱশ্যে নাৰীৰ বিৰুদ্ধে অপৰাধৰ অন্ত পেলোৱাটো এতিয়াও এক প্ৰত্যাহ্বান। ভাৰতত নাৰীৰ অধিকাৰৰ ক্ষেত্ৰত যথেষ্ট উন্নতিৰ পাছতো তেওঁলোকক ধৰ্ষণ, যৌন বৈষম্য ইত্যাদি বিভিন্ন ধৰণে শোষণ, হাৰাশাস্তি আৰু নিৰ্যাতন কৰা হয়। এই আধুনিক সমাজত প্ৰতিগৰাকী নাৰীৰে কৰ্তব্য আৰু দায়িত্ব আছে। তেওঁলোকে নিজে আগবাঢ়ি যোৱাৰ লগতে আনকো আগুৱাই নিয়া উচিত।

# Women Empowerment: A Need of the Hour

Junmi Dutta



Women empowerment means increasing the self-confidence of women and empowering women in most aspects of their life such as spiritual, political, social and economic aspect. In a democratic society, it is very important for both men and women to be educated. However, in some regions of India, women's education has not been prioritised, which has led to barriers for women's education. Education helps to empower women and lead a prosperous life in society. In different media such as newspapers and social media, it is being highlighted that women are gets oppressed, and deprived of their rights. The constitution of our country provides protection, equal rights, equal dignity to women but do women get everything? The main objective of celebrating International Women's Day is to respect women, enjoy equal rights, and empower women both mentally and physically in their day-to-day activities. For the progress of society, it is essential that women participate equally with men in different activities of society. Women need to give more employment opportunities so that they can take appropriate decisions for the upliftment of the family and society. Women need to give more opportunities to enjoy their social rights which ultimately helps them to develope a good personality and healthy,  political environment in society.

# সামূহিক বিজ্ঞানৰ শিক্ষা আৰু ইয়াৰ প্ৰয়োগ

পলি বৰা

সামূহিক বিজ্ঞান বিষয়ৰ দ্বাৰা বিভিন্ন দিশত জ্ঞান অৰ্জন কৰিব পাৰি। সামূহিক বিজ্ঞানৰ উদ্দেশ্য হৈছে আমাৰ সমাজত ইতিবাচক প্ৰভাৱ পেলাব পৰা প্ৰয়োজনীয় নীতিবোৰৰ বিষয়ে মানুহক ভালদৰে বুজি পোৱাটো নিশ্চিত কৰা। সামূহিক বিজ্ঞানৰ এটা প্ৰাথমিক উদ্দেশ্য হৈছে স্বাস্থ্য আৰু শিক্ষাৰ ওপৰত গুৰুত্ব দি মানুহৰ জীৱনৰ মানদণ্ড উন্নত কৰা। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োজনীয় দিশ যেনে- খাদ্য, বস্ত্ৰ, বাসস্থান, গৃহসজ্জা, স্বাস্থ্য বিজ্ঞান, সন্তান ধাৰণ, জন্ম আৰু লালন-পালন, পৰিয়ালৰ সম্পদৰ সু-ব্যৱহাৰ আদিৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰে। সামূহিক বিজ্ঞানে জ্ঞান আৰু দক্ষতাৰ ক্ষেত্ৰত মানুহৰ আচৰণ প্ৰভাৱিত কৰে আৰু ইতিবাচক পৰিৱৰ্তন আনি দিয়ে আৰু এনেদৰে ই জীৱনৰ মানদণ্ড বৃদ্ধি কৰে। ইয়াৰ উদ্দেশ্য হ'ল ব্যক্তিসকলক এখন সমাজৰ স্বাৱলম্বী আৰু উৎপাদনশীল সদস্য কৰাৰ বাবে তেওঁলোকৰ ক্ষমতা বৃদ্ধি কৰা।

বৰ্তমান যুগৰ লগত নিজকে খাপ খুৱাই লবলৈ হ'লে কেৱল এজন উপাৰ্জনকাৰী হ'লেই নহ'ব। নিত্য প্ৰয়োজনীয় বস্তুৰ চ'ৰা দামৰ বা বিজ্ঞানৰ নতুন আৱিস্কাৰ সমূহৰ ব্যৱহাৰৰ ফলত পোৱা, আজৰি সময়ৰ বাবে আজিকালি প্ৰায়ে সকলো পুৰুষ বা মহিলাই সমানেই পৰিয়ালৰ আয় বৃদ্ধিৰ বাবে যিকোনো কাম কৰিবলৈ লৈছে।

> সামগ্ৰিকভাৱে সামূহিক বিজ্ঞানে সমাজৰ ব্যক্তি সকলক শিক্ষিত কৰি তোলাৰ লগতে সমাজত প্ৰচলিত ক্ষতিকাৰক আৰু বৈজ্ঞানিক কাৰ্যকলাপ, কু-সংস্কাৰ আদিৰ প্ৰতি সজাগতা সৃষ্টি কৰি বৈজ্ঞানিক কাৰ্যকলাপত উৎসাহিত কৰে।

সামূহিক বিজ্ঞান শিক্ষা হৈছে এক ব্যৱহাৰিক শিক্ষা, যাৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বৃদ্ধি হোৱাৰ লগতে আত্ম নিয়োগৰ সুযোগ দিয়ে; যাৰ ফলত তেওঁলোকৰ জীৱনৰ মানদণ্ড উন্নত হয়। সামূহিক বিজ্ঞানক যদি কেৱল পৰিয়ালৰ আয় বৃদ্ধি কৰাৰ এক উপায় হিচাপে গণ্য কৰা, তেনেহ'লে ভুল কৰা হ'ব। কিয়নো এই শিক্ষাৰ দ্বাৰা আহৰণ কৰা জ্ঞান, কৰ্ম নিপুৰ্ণতা, কৌশল সমূহে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে সফল উদ্যোগী হোৱাত যথেষ্ট সহায় কৰে। অৰ্থাৎ সামূহিক বিজ্ঞান শিক্ষা লাভ কৰি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে স্ব-নিয়োজনৰ দ্বাৰা সমাজত নিজক প্ৰতিষ্ঠা কৰিব পাৰে। উদাহৰণস্বৰূপে, সামূহিক বিজ্ঞান শিক্ষা লাভ কৰা ব্যক্তিয়ে ঘৰতে

বিভিন্ন ধৰণৰ খোৱা বস্তু প্ৰস্তুত কৰি সেইবোৰ বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰে। ৰেষ্টুৰেন্ট, হোটেল আদি খুলিব পাৰে বা বেকাৰী উদ্যোগও খুলিব পাৰে। তাৰোপৰি বতৰৰ ফলমূল আদি সংৰক্ষণ কৰি (জাম, জেলী, আচাৰ, ফলমূলৰ ৰস আদি তৈয়াৰ কৰি) এইবোৰ বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰি। তাৰোপৰি ডে কেয়াৰ চেন্টাৰ, প্ৰাক্‌বিদ্যালয় আদি খুলি নিয়োজনৰ পথ উলিয়াব পাৰে। বৰ্তমান যুগত আভ্যন্তৰীণ গৃহ সজ্জা প্ৰত্যেক গৃহ নিৰ্মাণত অপৰিহাৰ্য হৈ পৰিছে। আভ্যন্তৰীণ গৃহ সজ্জাৰ কাৰ্য আদিৰ দ্বাৰাও স্ব-নিয়োজিত হ'ব পাৰি।

বিভিন্ন স্কুল, কলেজ আৰু প্ৰতিষ্ঠানত সামূহিক বিজ্ঞান এটা বিষয় হিচাবে অন্তৰ্ভুক্ত হৈছে। ভাৰতবৰ্ষৰ লগতে অসমৰ বিভিন্ন স্কুল, কলেজ আদিত এই বিষয়টো স্কুলীয়া পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। কলেজ পৰ্যায়তো এই বিষয়টো বিজ্ঞান আৰু কলা দুই বিভাগৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পাৰে। ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ বিশ্ববিদ্যালয়ে সামূহিক বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান কৰে। স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান বিভিন্ন দিশ আছে। সেইবোৰ হ'ল-

খাদ্য বিজ্ঞান আৰু পুষ্টি। ই হৈছে অধ্যয়নৰ ওতঃপ্ৰোতভাৱে সম্পৰ্কিত ক্ষেত্ৰ যি খাদ্য আৰু মানৱ স্বাস্থ্যৰ ওপৰত খাদ্যৰ প্ৰভাৱ অনুসন্ধান কৰে। অধ্যয়নৰ এই ক্ষেত্ৰখনে সমাজ আৰু ৰাষ্ট্ৰীয় বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি গ্ৰহণ কৰা খাদ্যৰ পৰা পুষ্টি প্ৰাপ্ত কৰোঁ, যি আমাক স্বাস্থ্যৱান হৈ থকাত সহায় কৰে। সেয়েহে, আমি গ্ৰহণ কৰা খাদ্য আমাৰ সামগ্ৰিক স্বাস্থ্যৰ বাবে সুৰক্ষিত আৰু উপকাৰী হ'ব লাগে। খাদ্য বিজ্ঞান হৈছে অধ্যয়নৰ এক বহুমুখী ক্ষেত্ৰ, যি খাদ্য, ইয়াৰ গঠন, উৎপাদন প্ৰক্ৰিয়াকৰণ, সংৰক্ষণ, প্ৰস্তুতি আৰু মানদণ্ড নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিয়ে। খাদ্য বিজ্ঞানে খাদ্যৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক সমৃদ্ধি বুজিবলৈ বিভিন্ন শাখা যেনে- ৰসায়ন বিজ্ঞান, জৈৱ ৰসায়ন, পুষ্টি, অনুজীৱ বিজ্ঞান আৰু অভিযান্ত্ৰিকৰ পৰা নীতিবোৰ প্ৰয়োগ কৰে।

মানৱ বিকাশ আৰু পাৰিবাৰিক অধ্যয়ন (এইচ. ডি. এফ. এছ) হৈছে অধ্যয়নৰ এক আন্তঃশাখা ক্ষেত্ৰ, যি ব্যক্তি, পৰিয়াল আৰু সম্প্ৰদায়ৰ বুজাবুজি আৰু বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়ে আৰু পৰিয়াল আৰু সম্প্ৰদায়ৰ পৰিপেক্ষিতত মানৱ বিকাশ, বিকাশ আৰু সম্পৰ্কৰ জটিলতাবোৰ অন্বেষণ কৰে। এইচ. ডি.এফ. এছে মানৱ জীৱনৰ বিভিন্ন দিশ বুজাৰ ওপৰত গুৰুত্ব দিয়ে। ই মানৱ বিকাশ, সম্পৰ্ক, পাৰিবাৰিক গতিশীলতা আৰু সামাজিক নিয়মৰ ওপৰত এক বিস্তৃত দৃষ্টিভংগী প্ৰদান কৰিবলৈ মনোবিজ্ঞান, সমাজবিজ্ঞান, নৃতত্ব আৰু শিক্ষাকে ধৰি বিভিন্ন শাখাৰ উপাদানবোৰ একত্ৰিত কৰে।

সম্পদ ব্যৱস্থাপনা আৰু উপভোক্তা অধ্যয়ন হৈছে সামূহিক বিজ্ঞানৰ অধ্যয়নৰ পৰিপূৰক ক্ষেত্ৰ, যি সমাজত সম্পদ আৰু ব্যৱহাৰৰ বাবে অধিক বহনক্ষম আৰু দায়িত্বশীল কাম কৰে। এলেকাটোৰে পৰিয়াল আৰু সম্প্ৰদায়ৰ বাবে উপলব্ধ সম্পদৰ ব্যৱহাৰ, পৰিকল্পনা, সংগঠিত কৰা, নেতৃত্ব দিয়া, নিয়ন্ত্ৰণ কৰা আৰু মূল্যাংকন কৰাৰ ব্যৱস্থাপনৰ প্ৰক্ৰিয়া ওপৰত গুৰুত্ব দিয়ে।

বস্ত্ৰ আৰু পোছাক ডিজাইনিং হৈছে এক সৃষ্টিশীল ক্ষেত্ৰ, য'ত কাপোৰ, পোছাক আৰু অন্যান্য বস্ত্ৰ সামগ্ৰীৰ ডিজাইন, বিকাশ আৰু উৎপাদন অন্তৰ্ভুক্ত থাকে। ইয়াৰ বিভিন্ন দিশ, যেনে কাপোৰ বাছনি, ৰঙৰ আঁচনি, পেটাৰ্ণ নিৰ্মাণ, পোছাক নিৰ্মাণ আৰু ফেশ্বনৰ প্ৰৱণতা অন্তৰ্ভুক্ত থাকে। এই ক্ষেত্ৰখনে দৃষ্টিশক্তি পূৰ্ণ আৰু কাৰ্যকৰী বস্ত্ৰ সামগ্ৰী সৃষ্টি কৰিবলৈ কলাত্মক দক্ষতা, কাৰ্যকৰী জ্ঞান আৰু গ্ৰাহকৰ পছন্দৰ বুজাবুজি একত্ৰিত কৰে।

সামূহিক বিজ্ঞানৰ আন এটা মূখ্য শাখা হৈছে সম্প্ৰসাৰণ শিক্ষা আৰু যোগাযোগ ব্যৱস্থাপনা। জ্ঞান, দক্ষতা আৰু মনোভাৱৰ ক্ষেত্ৰত আচৰণৰ পৰিৱৰ্তন প্ৰভাৱিত কৰাৰ বাবে এই শাখাই সমাজৰ সদস্যসকলক বৈজ্ঞানিক আৰু প্ৰযুক্তিগত তথ্যৰ কাৰ্যকৰী যোগাযোগ আৰু প্ৰচাৰ কৰ্ম কৰে। কৃষি, স্বাস্থ্য, শিক্ষা আৰু স্বাস্থ্য সেৱাৰ দৰে বিভিন্ন ক্ষেত্ৰত সামূহিক বিকাশৰ বাবে ই অত্যাৱশ্যকীয়।

সামগ্ৰিকভাৱে সামূহিক বিজ্ঞানে সমাজৰ ব্যক্তি সকলক শিক্ষিত কৰি তোলাৰ লগতে সমাজত প্ৰচলিত ক্ষতিকাৰক আৰু বৈজ্ঞানিক কাৰ্যকলাপ, কু-সংস্কাৰ আদিৰ প্ৰতি সজাগতা সৃষ্টি কৰি বৈজ্ঞানিক কাৰ্যকলাপত উৎসাহিত কৰে।



# জোনৰ দেশত ভাৰতবৰ্ষ

শান্তি বৰুৱা

চন্দ্ৰযান ৩ ৰ জৰিয়তে চন্দ্ৰৰ বিষয়ে বিভিন্ন ধৰণৰ তথ্য লাভ কৰিব পৰা গৈছে। উদ্ভাৱন আৰু অন্বেষণৰ মনোভাৱৰ লগতে অন্যান্য দেশৰ সৈতে বৈজ্ঞানিক ক্ষেত্ৰত সমানে ফেৰ মাৰিব পৰা হৈছে।

**আৰম্ভণি ঃ**

চন্দ্ৰযান হৈছে ভাৰতৰ আটাইতকৈ স্মৰণীয় চন্দ্ৰ অনুসন্ধান অভিযান। ভাৰতৰ বাবে ই এক বৃহৎ সাফল্য আছিল, কাৰণ ভাৰতে আমেৰিকা, ৰাছিয়া, চীনৰ পিছত চন্দ্ৰত উপস্থিত হোৱা চতুৰ্থখন দেশ হিচাপে নিজকে গঢ়ি তুলিবলৈ সক্ষম হৈছে। এই অভিযানে মহাকাশ উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতৰ ক্ষমতা প্ৰদৰ্শন কৰিছিল আৰু অতিৰিক্ত মহাকাশ অনুসন্ধানৰ বাবে নতুন প্ৰৱেশদ্বাৰ মুকলি কৰিছিল।

চন্দ্ৰযান- ৩ হৈছে (ভাৰতৰ অভিলাষী আৰু সফল চন্দ্ৰ অভিযান) ইয়াৰ পূৰ্বৰ চন্দ্ৰযান ১ আৰু চন্দ্ৰযান ২ পদাংক অনুসৰণ কৰি ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO) ৰ দ্বাৰা চন্দ্ৰত অনুসন্ধানৰ বাবে প্ৰস্তুত কৰা তৃতীয় চন্দ্ৰ অভিযান। চন্দ্ৰযান- ২ ৰ দৰেই চন্দ্ৰযান- ৩ টো বিক্ৰম নামৰ এখন লেণ্ডাৰ আৰু প্ৰজ্ঞান নামৰ এখন ৰভাৰ আছে। কিন্তু ইয়াত অৰ্বিটাৰ নাই।

চন্দ্ৰযান- ৩ খন ২০২৩ চনৰ ১৪ জুলাই, শুক্ৰবাৰে ভাৰতীয় মান সময়মতে দুপৰীয়া ২.৩৫ বজাত শ্ৰীহৰিকোটাৰ সতীশ ধৱন মহাকাশ কেন্দ্ৰৰ পৰা সফলতাৰে উৎক্ষেপণ কৰা হয়। এই অভিযানৰ ব্যয় ৭৪.৬ মিলিয়ন ডলাৰ বুলি অনুমান কৰা হৈছে। চন্দ্ৰযান- ৩ মহাকাশযানখনৰ সমগ্ৰ বোজা ৩৯০০ কিলোগ্ৰাম।

**চন্দ্ৰযান -৩ ৰ লক্ষ্য ঃ**

চন্দ্ৰযান ৩ ৰ মূল লক্ষ্য হ'ল চন্দ্ৰৰ দক্ষিণ ধ্ৰুৱ ক্ষেত্ৰত বিক্ৰম নামৰ লেণ্ডাৰ এখন আৰু প্ৰজ্ঞান নামৰ ৰভাৰ এখন অৱতৰণ কৰা। কিন্তু এই অৱতৰণৰ মুখ্য উদ্দেশ্য হ'ল কোমল অৱতৰণ কৰা (Soft Landing) । চন্দ্ৰযান -৩ মিছনে চন্দ্ৰৰ দক্ষিণ ধ্ৰুৱ ক্ষেত্ৰত অধ্যয়ন কৰিব, যি এতিয়ালৈকে কোনো দেশৰ দ্বাৰা সম্পন্ন হোৱা নাই। এই অভিযানে নৱ প্ৰজন্মক বিজ্ঞান প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিতত কেৰিয়াৰ গঢ়িবলৈ অনুপ্ৰাণিত কৰিব।

**চন্দ্ৰযান- ৩ ৰ তাৎপৰ্য ঃ**

চন্দ্ৰযান ৩ হৈছে ভাৰত আৰু বিশ্বৰ বাবে বহু বৈজ্ঞানিক আৰু কৌশলগত প্ৰভাৱ থকা এক উল্লেখযোগ্য অভিযান। এই অভিযানৰ দ্বাৰা চন্দ্ৰৰ দক্ষিণ মেৰুটো অন্বেষণ কৰা, যিটো বৈজ্ঞানিক আগ্ৰহ আৰু সাম্ভাব্য সম্পদৰ অঞ্চল। দক্ষিণ মেৰুত এনেকুৱা ক্ৰেটাৰ আছে, যিবোৰত সূৰ্যৰ পোহৰৰ পৰা স্থায়ীভাৱে ছাঁ পৰে আৰু ইয়াত পানী বৰফ আৰু অন্যান্য খনিজ পদাৰ্থ আছে। চন্দ্ৰ মাটি, শিল, উষ্ণতা আৰু বিকিৰণৰ বিষয়ে অধ্যয়ন কৰিবলৈ এই ৰভাৰখনে পৰীক্ষা নিৰীক্ষা চলায়। এই অভিযানৰ দ্বাৰা ভৱিষ্যতে চন্দ্ৰ অভিযানৰ বাবেও নতুন প্ৰযুক্তি পৰীক্ষা কৰা হ'ব, যেনে- বিপদ পৰিহাৰ, স্বায়ত্তশাসিত নেভিগেচন ইত্যাদি। তদুপৰি এই প্ৰযুক্তি সমূহ অন্যান্য গ্ৰহ অন্বেষণ অভিযানৰ বাবেও উপযোগী হ'ব।

**চন্দ্ৰযান ৩ ৰ সৈতে জড়িত বিজ্ঞানী-সকল ঃ**

ভাৰতৰ শ্ৰী হৰিকোটাৰ ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ISRO (Indian Space Research Organisation) ৰ বিজ্ঞানীসকলে চন্দ্ৰৰ দক্ষিণ মেৰুত উপনীত হোৱা প্ৰথমখন দেশ হিচাপে চিহ্নিত কৰি ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকক গৌৰৱান্বিত কৰি তুলিছে। এই চন্দ্ৰযান- ৩ ৰ মূল বিজ্ঞানী ঃ P Veeramuthuvel, মিছন সঞ্চালকঃ Srikant, সহযোগী প্ৰকল্প পৰিচালকঃ Kalpana, পৰিচালক ঃ M. Sankaran.

এই চন্দ্ৰযান ৩ ৰ জড়িত ISRO ৰ বিজ্ঞানীসকলৰ মাজত অসমৰ কেইবাগৰাকীও বিজ্ঞানী আছিল। তেওঁলোক হৈছে লক্ষীমপুৰৰ চয়ন দত্ত, তিনিচুকীয়াৰ নিধি শৰ্মা, বিশ্বনাথৰ উদ্দীপনা কলিতা, থাৰ্মাল কন্টল টিম (Thermal Contral team) ৰ যুৱ বিজ্ঞানী ৰাই বিশাল সিংহ ইত্যাদি অন্যতম।

**সামৰণি ঃ** চন্দ্ৰযান ৩ ৰ জৰিয়তে চন্দ্ৰৰ বিষয়ে বিভিন্ন ধৰণৰ তথ্য লাভ কৰিব পৰা গৈছে। উদ্ভাৱন আৰু অন্বেষণৰ মনোভাৱৰ লগতে অন্যান্য দেশৰ সৈতে বৈজ্ঞানিক ক্ষেত্ৰত সমানে ফেৰ মাৰিব পৰা হৈছে।

**ISRO**- The full form ISRO is Indian Space Research Organisation.ISRO was established in August,1969.It is the space agency of the Indian government and has its headquarters in the Bengaluru Region. The goal is to develop space exploration for national growth while researching space science & planet exploration.Sreedhara Panicker Somanath is the present chairman of ISRO.



# কুটিৰ শিল্প হিচাপে মৌ পালন

ঝৰণা বৈৰাগী

মৌ-মাখি পালন এটি কৃষিভিত্তিক উদ্যোগ, ইয়াক অতিৰিক্ত আয়ৰ উপায় হিচাপে কৃষকসকলে ল'ব পাৰে। মৌ-মাখিবিলাকে ফুলৰ অন্তঃস্থ মৌ ৰসক মৌলৈ পৰিৱৰ্তন কৰে আৰু ইয়াক মৌচাকৰ খলপবিলাকত জমা কৰি ৰাখে। আদিম কালৰ পৰাই জংঘলৰ পৰা মৌ সংগ্ৰহ কৰা প্ৰক্ৰিয়া চলি আহিছে। মৌ আৰু তাৰ উপজাত দ্ৰৱৰ ক্ৰমবৰ্দ্ধিত বজাৰৰ বাবে মৌ-মাখি পালনক এটি কাৰ্যকৰী উদ্যোগলৈ পৰিণত কৰিছে। মৌ আৰু ম'ম হ'ল মৌ মাখি পালনৰ পৰা পোৱা দুটা অৰ্থনৈতিকভাৱে গুৰুত্বপূৰ্ণ উপজাত পদাৰ্থ।

উৰ্পাজনৰ পথ হিচাপে মৌ-মাখি পালন কৰাৰ সুবিধাসমূহ এয়ে যে মৌ-মাখি পালনত সময়, অৰ্থ আৰু আন্তঃগাঁথনিত কম বিনিয়োগৰ প্ৰয়োজন। কৃষি কৰ্মৰ বাবে মাটিৰ মূল্য কম থকা অঞ্চলত মৌ আৰু ম'ম উৎপাদন কৰিব পৰা যায়। মৌ-মাখিয়ে অইন কোনো কৃষি উদ্যোগৰ লগত সম্পদৰ বাবে প্ৰতিদ্বন্দিতা নকৰে। মৌ মাখি পালন কাৰ্য্যৰ পৰিৱেশৰ প্ৰতি ইতিবাচক ভূমিকা আছে। বহু পুষ্পবৃক্ষৰ পৰাগ সংযোগত মৌ মাখিবিলাকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, যাৰ ফলত নিৰ্দিষ্ট কিছুমান শস্য যেনে সূৰ্যমুখী আৰু বিভিন্ন ফুলৰ উৎপাদন বাঢ়ে।

মৌ এটি অত্যন্ত সু-স্বাদু আৰু পুষ্টিকৰ খাদ্য। পৰম্পৰাগতভাৱে মৌ আহৰণৰ ফলত বহুল সংখ্যাত মৌ-মাখিৰ বন্য উপনিৱেশ নষ্ট হৈ যায়। বাকচত মৌ মাখি পালন





এজন মৌপালকে এটা ৰহঘৰা থকা মৌবাহঁৰ পৰা বছৰি ২৪ কিলোগ্ৰাম মৌ ৰস সহজতে সংগ্ৰহ কৰিব পাৰে। ৰহঘৰা এটাতকৈ বেছি থাকিলে সেইমতে বাঢ়ি যাব। এটা বাকচত সাতটাকৈ ৰহঘৰা দিব পাৰি।

---

কৰি আৰু ঘৰতে মৌ উৎপাদন কৰি এনে নষ্ট প্ৰতিহত কৰিব পৰা যায়। ব্যক্তিগতভাৱে বা গোটত মৌ-মাখি পালন আহৰণ কৰিব পৰা যায়। মৌ আৰু ম'মৰ সম্ভাব্য বজাৰ খুবেই ভাল। উৎপাদন পদ্ধতি পামত বা ঘৰত বাকচত মৌ-মাখি পালন কৰিব পৰা যায়।

মৌচাকখনত ওপৰফালে কেইটামান দীঘল কাঠৰ টুকুৰা দি ঢকা এটা সাধাৰণ দীঘল বাকচ । বাকচৰ আকাৰ দৈৰ্ঘ্য ১০০ চে. মি, বহল ৪৫ চে. মি. আৰু উচ্চতা ২৫ চে.মি.। বাকচটো দুই চে.মি ডাঠ হ'ব লাগে আৰু চাকটো আঠা আৰু স্ক্ৰু দি লগাই ল'ব লাগে, যাতে সুমুৱাৰ বাবে এক চে.মি. বহল ছিদ্ৰ থাকে। দীঘল কাঠৰ টুকুৰা বিলাকৰ দৈৰ্ঘ্য চাকটোৰ বহলৰ সমান হ'ব লাগে যাতে ভালকৈ খাপ খাই থাকে আৰু গধুৰ মৌ-চাক ধৰি ৰাখিবৰ বাবে ই ১.৫ চে.মি. ডাঠ হ'লেই যথেষ্ট। মৌমাখিবিলাকে ওপৰৰ প্ৰতিটো খলপাত বেলেগ বেলেগ সহজতে এটাকৈ চাক তৈয়াৰ কৰিব পৰাকৈ স্বাভাৱিক স্থান দিবলৈ ৩.৩ চে.মি. হিচাপত বহল স্থান ৰাখিব লাগে। স্মোকাৰটো এটা সৰু টিনেৰে তৈয়াৰ কৰি ল'ব পৰা যায়। মৌ-মাখিৰ কামোৰৰ পৰা বাচিবলৈ আৰু ইহঁতক নিয়ন্ত্ৰণ কৰিবলৈ স্মোকাৰ ব্যৱহাৰ কৰা হয়। মৌ-মাখি শালাৰ ওপৰত কাম কৰাৰ সময়ত নিজৰ চকু আৰু নাক মৌমাখিৰ শুংৰ পৰা বচাবলৈ কাপোৰ ব্যৱহাৰ কৰা হয়। মৌচাকৰ ওপৰৰ খণ্ডবিলাক পৃথক কৰিবলৈ আৰু মৌৰ বাহ বিলাক কটাৰ বাবে পিৰি ব্যৱহাৰ কৰা হয়। মৌচাকৰ পৰা মৌমাখি আঁতৰাবলৈ পাখি ব্যৱহাৰ কৰা হয়।

আমাৰ ভাৰতবৰ্ষত চাৰি প্ৰকাৰৰ মৌ-মাখি পোৱা যায়। ৰ'কবী নামৰ প্ৰজাতিৰ মৌ-মাখি বিলাক ভাল মৌ সংগ্ৰাহক আৰু ইহঁতৰ এটা উপনিৱেশৰ পৰা গড় ৫০-৮০ কিলোগ্ৰাম মৌ পোৱা যায়। লিট'ল নামৰ মৌ-মাখি বিলাকে কম পৰিমাণৰ মৌ উৎপন্ন কৰে আৰু প্ৰতিটো উপনিৱেশৰ পৰা প্ৰায় ২০০-৯০০ গ্ৰাম মৌ পোৱা যায়। ইণ্ডিয়ান মৌমাখিৰ প্ৰতিটো উপনিৱেশৰ পৰা গড় ২৫-৪০ কে.জি মৌ পোৱা যায়। এই চাৰিবিধৰ উপৰিও আন এবিধ শুংবিহীন মৌ কেৰেলাত পোৱা যায়। ইহঁত প্ৰকৃততে শুংবিহীন নহয়, আচলতে শুংবিলাক পূৰ্ণ বিকশিত নহয়। ইহঁতে বছৰেকত প্ৰায় ৩০০-৪০০ গ্ৰাম মৌ উৎপাদন কৰে।

ব্যৱসায়িক ভিত্তিত মৌ পালনৰ জৰিয়তে লাভজনক উপাৰ্জন কৰিবলৈ হ'লে সঠিক সময়ত সঠিক ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন। মৌ বাহৰ প্ৰতিপালনৰ অভাৱ তথা প্ৰয়োজন অনুসৰি ব্যৱস্থা গ্ৰহণ নকৰিলে আশা কৰা ধৰণে উৎপাদন লাভ কৰিব নোৱাৰি।

মৌ-পালনৰ ক্ষেত্ৰত কলনি বিভাজন মৌ পালনৰ বাবে অতি গুৰুত্বপূৰ্ণ। সঠিক সময়ত কলনি বিভাজন নকৰিলে মৌ বাহৰ পৰা মৌ ৰস উৎপাদন হ্ৰাস পায়। তদুপৰি কলনি বিভাজনৰ ক্ষেত্ৰত মৌ পালক সকলে বহুতো ভুল কৰা দেখা যায়। ফলত লোকচানৰ সন্মুখীন হয় মৌ পালকসকল।

যিবোৰ মৌ-মাখিৰ শক্তি কমি যায়, তেতিয়া মৌ-মাখিৰ পৰা ৰস উৎপাদন হ্ৰাস পায়। তেতিয়াই মৌ পালকৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰে কলনি বিভাজন। পৰাপক্ষত এই বাহবোৰ ২-৩ বাৰকৈ বিভাজন কৰিব লাগে আৰু প্ৰত্যেক বাহক একোজনীকৈ নতুন ৰাণী দিব লাগে।

বসন্ত আৰু গ্ৰীষ্মকালত বেছিকৈ মৌ ৰস প্ৰস্তুত কৰিব পাৰে। মৌ মাখিয়ে এই সময়ত সঠিক উপাৰ্জনৰ বাবে মৌ পালকে পূৰ্ণাংগ আৰু পোৱালিৰ সৈতে আঁতৰাব পাৰে। দুটা বাহৰ পৰা আঁতৰোৱা এনে তিনি বা চাৰিখন মৌচাক লৈ নতুন এটা বাহ গঠন কৰিব পাৰে।

বসন্ত কালত মৌ পালকে বিশেষকৈ মৌ মাখিৰ জাক উৰুৱা ৰোধ কৰা লগতে কলনি বিভাজনৰ জৰিয়তে মৌ বাহৰ

সংখ্যা বৃদ্ধি কৰাতো অধিক গুৰুত্ব দিব লাগে। এই সময়তে মৌ পালক সকলে লাভ উৰ্পাজনৰ বাবে মৌ ৰসৰ উপৰিও মৌ ম'ম, মৌ সিতা, মৌ আঠা আদি বজাৰত বিক্ৰী কৰিব পাৰে।

মৌ-মাখিৰ সমগ্ৰ শৰীৰটোক প্ৰধানকৈ তিনিটা ভাগত ভগোৱা হৈছে। মূৰৰ অংশ, বুকু অংশ আৰু পেটৰ অংশ। মূৰৰ অংশত তিনিটা চকু, এখন জিভা, চকুৰ কাষত এন্টেনাৰ সদৃশ দুডাল নোম, এখন মুখ, দুটা দাঁত আৰু দাঁতৰ উপৰি অংশত পাত্ৰ সদৃশ দুটা সৰু অংগ থাকে। মৌমাখিৰ চকু তিনিটা স্থিৰ আৰু স্থিৰ চকু কেইটাৰে ইহঁতে ইফালে সিফালে যিকোনো কাৰ্য পৰিদৰ্শন বা পৰ্যবেক্ষণ কৰোঁতে শৰীৰৰ সমগ্ৰ মূৰৰ অংশটোৰেই সঞ্চালন কৰিবলগীয়া হয়। কপালৰ মাজত থকা চকুটোৰ সহায়ত মৌ-মাখিয়ে প্ৰকৃতিৰ যিকোনো যেনে- বতাহ, বৰষুণ অহাৰ আগজাননী, ভাগি যোৱা মৌগুটিক আয়ত্বলৈ আনিবলৈ বজোৱা কাঁহৰ বাতিৰ ধ্বনি আদি সহজে অনুমান কৰি লোৱাত সহায় কৰে। মৌ-মাখিৰ দৃষ্টি শক্তি অতি প্ৰখৰ। যাৰ বাবে বহু দূৰলৈ আঁতৰি গ'লেও ইহঁতে সহজতে থকা ঠাইলৈ পুনৰ ঘূৰি আহিব পাৰে। মৌ-মাখিৰ জিভাখনৰ দৈৰ্ঘ্য প্ৰায় ৫ মিলিমিটাৰ। জিভাৰে মৌ মাখিয়ে ফুলৰ পানী, ৰস আদি অনাত ব্যৱহাৰ কৰে। পোৱালীক আহাৰ খুৱাবৰ বাবেও ইহঁতে জিভাখন ব্যৱহাৰ কৰে। মৌ-মাখিৰ দুকাষে থকা চকু দুটাৰ কাষৰফালে দুডাল এন্টেনাৰ বা নোম আছে। এই নোম দুডালৰ দৈৰ্ঘ্য প্ৰায় ৫ মিলিমিটাৰ। এই নোম দুডালৰ সহায়ত বহু দূৰদূৰণিত ফুলা ফুলৰ সম্ভেদ লয় আৰু প্ৰকৃতিৰ পৰিৱৰ্তনৰ অনুমানো কৰিব পাৰে। মৌ-মাখিৰ মাজৰ অংশটো বুকু, ভৰি আৰু পাখিৰে গঠিত। বুকুৰ অংশত থকা ৬ খন ভৰিৰ প্ৰথম দুখনেৰে ৰেণু সংগ্ৰহ কৰে, পাৰি থোৱা কণী ইফালে-সিফালে কৰাত ব্যৱহাৰ কৰে আৰু পেটৰ পৰা ওলোৱা মম জাতীয় পদাৰ্থ সংগ্ৰহ কৰি চাক বনোৱাত সহায় কৰে। মাজৰ ভৰি দুখন সাধাৰণতে ইহঁতে বহিবৰ সময়ত খোপনি ল'বৰ বাবে ব্যৱহাৰ কৰে। শেষৰ ভৰি দুখনত ৰেণু সংগ্ৰহ কৰাৰ বাবে দুটা মোনা থাকে। ভৰি দুখন সৰু সৰু নোমেৰে আবৃত্ত আৰু মানুহৰ ভৰিৰ দৰে ইহঁতৰ ভৰিতো গাঁঠি আছে। প্ৰথমৰ ভৰি দুখনতকৈ মাজৰ ভৰি দুখন কিছু দীঘল আৰু মাজৰ দুখনতকৈ শেষৰ দুখন আৰু কিছু দীঘল হয়। শেষৰ ভৰি দুখনৰ কাষৰ দুটা ৰেণু সংগ্ৰহৰ বাবে মোনা থাকে আৰু মোনাত ৰেণু ভৰাওঁতে প্ৰথম ভৰি দুখন ব্যৱহাৰ কৰে।

মৌমাখিৰ শত্ৰু বহুত। কদু, পৰুৱা, জিঁয়া, জেঠী, পইতাচোৰা, ভেকুলী, পোক পতংগ, চৰাই, শিয়াল আদিয়েই হৈছে মৌ মাখিৰ প্ৰধান শত্ৰু। সচেতন মৌপালকে অৱস্থা বুজি এই বিলাকৰ আক্ৰমণ সহজতে ৰোধ কৰিব পাৰে।

সাধাৰণ দৃষ্টিত মৌপালন এক সহজ ব্যৱসায় যদিও সকলো লোকেই এই ব্যৱসায়ত সফলতা লাভ কৰিব নোৱাৰে। সফল মৌপালক হ'বলৈ হ'লে তেওঁৰ কেইটামান গুণৰ আৱশ্যক। সেইকেইটা হ'ল- সাহস, ধৈৰ্য্য, বুদ্ধি, মৰম আৰু শ্ৰদ্ধা ও শুশ্ৰূষা।

বহুতো বস্তু উৎপাদনতে মৌসিতা এক সহযোগী উপাদান হিচাপে ব্যৱহাৰ কৰা হয়। প্ৰসাধন সামগ্ৰী, মমবাতি, আটাজাতীয় বস্তু , প্ৰেছত ব্যৱহাৰ কৰা চিয়াঁহী, জোতা পলিচ, কাঠৰ আচবাব পলিচ, দাঁতৰ সাজ আদি তৈয়াৰ কৰোঁতে মম বা মৌসিতা ব্যৱহাৰ কৰা হয়। যুদ্ধৰ আহিলাপাতি আৰু কিছুমান বৈজ্ঞানিক যন্ত্ৰ-পাতি নিৰ্মাণটো মৌ সিতাৰ ব্যৱহাৰ হয়।

মৌ পালনৰ বিভিন্ন গুণাগুণ উল্লেখ কৰাৰ লগতে ইয়াৰ পৰা আৰ্থিক দিশটো কেনেকৈ লাভৱান হ'ব পাৰি, সেয়া উল্লেখ কৰা হ'ল। সাধাৰণ মানুহে হাঁহ, ছাগলী, কুকুৰা আদি পুহি একো একোটা পৰিয়াল পোহপাল দিয়াৰ দৰে মৌ-পালনৰ জৰিয়তেও আৰ্থিক দিশ সবল কৰি তুলিব পাৰে। মৌপালনৰ বাবে বিশেষ মূলধনৰ প্ৰয়োজন নহয়। প্ৰকৃতিয়ে বিনামূলীয়াকৈ যোগান ধৰা সম্পদৰ পৰাই অতি কম সময়ৰ ভিতৰত, কম খৰচত, কম পৰিশ্ৰমত, কম মূলধনেৰে এই ব্যৱসায় আৰম্ভ কৰিব পাৰি। মৌ-মাখিয়ে প্ৰকৃতিৰ বুকুৰ ফল-ফুলৰ গছৰ পৰাই নিজৰ আহাৰ সংগ্ৰহ কৰি আমাক মৌৰসৰ যোগান ধৰি অৰ্থনৈতিকভাৱে সবল হোৱাত সহায় কৰে।

এজন মৌপালকে এটা ৰহঘৰা থকা মৌবাহঁৰ পৰা বছৰি ২৪ কিলোগ্ৰাম মৌৰস সহজতে সংগ্ৰহ কৰিব পাৰে। ৰহঘৰা এটাতকৈ বেছি থাকিলে সেইমতে বাঢ়ি যাব। এটা বাকচত সাতটাকৈ ৰহঘৰা দিব পাৰি, যদিহে পৰ্যাপ্ত পৰিমাণৰ ফল ফুলৰ যোগান থাকে। অৱশ্যে সেইমতে মৌ-মাখিৰ সংখ্যাও বৃদ্ধি কৰিব লাগিব। এজন মৌ পালকে যদি সপ্তাহত দুই কিলোগ্ৰামকৈ মৌৰস পায়, তেন্তে তেওঁৰ এমাহত আয় হ'ব পাৰে ৮০০ ৰ পৰা ১০০০ টকাৰ ভিতৰত। মৌবাকচ যদি তিনিটা বা চাৰিটা মান থাকে, তেন্তে আয়ৰ পৰিমাণো সেই পৰিমাণে বৃদ্ধি পাব। তাৰোপৰি, মৌৱাণী বিক্ৰী কৰি, মৌসিতাৰ পৰা তৈয়াৰ কৰা মম বিক্ৰী কৰিও আয় কৰিব পাৰি।এইদৰে এবাকচ মৌ-মাখিৰ পৰা মাহত কমেও ৪০০০/৫০০০ টকা আয় কৰিব পৰা যায়। অৱশ্যে তাৰ বাবে লাগিব উপযুক্ত পৰিৱেশ আৰু মৌপালকৰ একাগ্ৰতা আৰু দক্ষ পৰিচালনা।

# অসমৰ শিক্ষা ব্যৱস্থাত দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা

জ্যোতি ভূএগ্গ




এজন শিক্ষাৰ্থীয়ে দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ কথা পঢ়ি থকা অৱস্থাত হয়তো অনুভৱ নকৰে, কিন্তু শিক্ষিত হৈ উঠাৰ পাছত যেতিয়া হাতত ডিগ্ৰী বা ডিপ্লমাৰ চাৰ্টিফিকেটখন লৈ এটা চাকৰিৰ বাবে হাহাকাৰ কৰি ফুৰিব লগা হয়, তেতিয়া নিশ্চিতভাৱেই প্ৰয়োজন অনুভৱ কৰে দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ বিষয়ে।

মানৱ জীৱনৰ ধাৰাবাহিকভাৱে প্ৰৱাহিত হৈ থকা গতিটোৰেই হ'ল শিক্ষা। যিহেতু সময় গতিশীল আৰু সময়ৰ লগত সমাজো পৰিৱৰ্তনশীল। সেয়েহে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন আৰু সাল-সলনি হোৱাৰ লগে লগে শিক্ষাৰ অৰ্থও সলনি হৈ আহিছে। এটা সময়ত গুৰুৱে শিক্ষাৰ্থীক যুদ্ধৰ শিক্ষা নতুবা শাস্ত্ৰৰ শিক্ষা প্ৰদান কৰিছিল। কিন্তু সেই শিক্ষা ব্যৱস্থা আজি আমাৰ বাবে ইতিহাস। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আনুষ্ঠানিক শিক্ষাৰ শ্ৰেণীকোঠাত পৰম্পৰাগত প্ৰক্ষেপিত আৰু অপ্ৰক্ষেপিত সঁজুলিৰ পৰিৱৰ্তে আহি পৰিল আধুনিক প্ৰযুক্তিৰ দৃশ্য শ্ৰব্য সঁজুলি। কিন্তু এতিয়া কথা হ'ল- গুৰুৱে অৰণ্যত

যুদ্ধৰ শিক্ষা দিয়াৰ পৰা ইমান দূৰ পৰ্যায় পোৱাৰ পাছতো শিক্ষা ব্যৱস্থাই শিক্ষাৰ প্ৰকৃত লক্ষ্য পূৰণত সফল হৈছেনে?

শিক্ষাৰ উদ্দেশ্যই জ্ঞান আহৰণৰ যোগেৰে ব্যক্তিৰ বিকাশ সাধন কৰা। শিক্ষাই মানৱক মানৱোত্তৰ পৰ্যায়লৈ উত্তৰণ ঘটাই প্ৰত্যেকজন ব্যক্তিক দক্ষ কৰি তোলে। শিক্ষাই মূল লক্ষ্যত তেতিয়া উপনীত হয়, যেতিয়া শিক্ষা আহৰণৰ দ্বাৰা এজন খেলুৱৈয়ে জানিব কেনেকৈ খেলিলে এখন খেলত জয়লাভ কৰিব পাৰি, এগৰাকী ৰান্ধনীয়ে জানিব কিদৰে সুস্বাদ্য খাদ্য তৈয়াৰ কৰিব পাৰি বা এগৰাকী চিত্ৰশিল্পীয়ে জানিব কিদৰে এখন সুন্দৰ চিত্ৰ তৈয়াৰ কৰি উলিয়াব পাৰি। গ্ৰীক শিক্ষাবিদ হাৰ্বাৰ্ট স্পেনচাৰৰ মতে, 'শিক্ষা হৈছে সম্পূৰ্ণ জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা এক প্ৰক্ৰিয়া।' এই ক্ষেত্ৰত বৰ্তমান সময়ৰ যান্মাসিক পদ্ধতিৰ পুথিৰ তত্ত্বসমূহে শিক্ষাৰ্থীক বাস্তৱ জীৱনত দেখা দিয়া জীৱন যুদ্ধ বা সন্মুখ সমৰত দেখা দিয়া প্ৰত্যাহ্বান প্ৰতিৰোধৰ বাবে কিমান প্ৰস্তুত কৰি তুলিছে, সেইয়া আমাৰ বাবে এক ডাঙৰ প্ৰশ্নবোধক?

বৰ্তমানৰ শিক্ষা ব্যৱস্থাই বহু মানৱ সম্পদ গঢ়ি তুলিছে, সেই কথাক আমি নুই কৰিব নোৱাৰোঁ। এই শিক্ষা ব্যৱস্থা যদিও উন্নত মানৰ তথাপি দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ অপ্ৰয়োগৰ কথা আমি উল্লেখ কৰিব লাগিব। দক্ষতাভিত্তিক পাঠ্যক্ৰম হৈছে, শিক্ষাৰ্থীৰ তাত্ত্বিক দিশৰ লগতে চাহিদা পূৰণৰ উদ্দেশ্যে প্ৰণোদিত কৰা পাঠ্যক্ৰমৰ ব্যৱস্থা। দক্ষতাভিত্তিক পাঠ্যক্ৰমত এনেবোৰ বিষয়ক অন্তৰ্ভুক্ত কৰা হয়, য'ত এজন সাহিত্য বিভাগৰ ছাত্ৰই নিজ সাহিত্যজগতখনক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় বা এজন পদাৰ্থ বিজ্ঞানৰ ছাত্ৰই গৱেষণাগাৰত সোমাই নিজ গৱেষণাৰ দ্বাৰা প্ৰযুক্তিবিদ্যাক আগুৱাই নিবলৈ সক্ষম হয়। এই পাঠ্যক্ৰমৰ দ্বাৰাই এজন অৰ্থনীতি বিভাগৰ ছাত্ৰই জানিব, কিয় আৰু কি কাৰণত অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি পায়। এনে ধৰণৰ বিষয়ক সন্নিবিষ্ট কৰি মানুহৰ যি নিজ প্ৰতিভা আছে, সেইবোৰক সৰ্বাংগীনভাৱে বিকাশৰ যি স্বতন্ত্ৰ প্ৰক্ৰিয়া, সেইয়াই হৈছে দক্ষতাভিত্তিক পাঠ্যক্ৰম। বৰ্তমান সময়ৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰ্যায় বা স্নাতক পৰ্যায়ত যদিও বিষয় বাচনি কৰাৰ সুবিধা আছে, কিন্তু সেই বিষয়সমূহ কোনো দক্ষতাসম্পন্ন বিষয় নহয়। যদি এই বিষয় বাঁচনি প্ৰক্ৰিয়াৰ লগতে শিক্ষাৰ্থীয়ে নিজৰ দক্ষ অনুসৰি অৰ্থাৎ নৃত্য গীতৰ আগ্ৰহী শিক্ষাৰ্থীয়ে নৃত্য-গীতৰ বিশেষ পাঠ্যক্ৰম প্ৰধানতঃ ছাত্ৰীৰ বাবে ৰন্ধন প্ৰকৰণ, চিলাই, সাজ-পাৰ তৈয়াৰৰ পাঠ্যক্ৰম আৰু ছাত্ৰৰ বাবে উপযোগীকৈ সাতুৰবিদ্যা, পৰ্যটন শিক্ষা, গাড়ী চালক, মীন পালন ইত্যাদি শিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিয়ে শিক্ষাৰ্থীক স্বাৱলম্বী তথা আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিলেহেঁতেন।

এজন শিক্ষাৰ্থীয়ে দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ কথা পঢ়ি থকা অৱস্থাত হয়তো অনুভৱ নকৰে, কিন্তু শিক্ষিত হৈ উঠাৰ পাছত যেতিয়া হাতত ডিগ্ৰী বা ডিপ্লমাৰ চাৰ্টিফিকেটখন লৈ এটা চাকৰিৰ বাবে হাহাকাৰ কৰি ফুৰিব লগা হয়, তেতিয়া নিশ্চিতভাৱেই প্ৰয়োজন অনুভৱ কৰে দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ বিষয়ে। এটা উদাহৰণৰ সহায়ত আমি যদি কওঁ তেন্তে দেখিম যে, অসমৰ সাম্প্ৰতিক অৱস্থাত যদি আকাশৰ ফালে এটা শিলগুটি দলিয়াই দিওঁ আৰু সেই শিলগুটিটো যদি আহি তলত পৰে, তেন্তে সেইটো নিশ্চয় কোনো বি. এ. বা এম. এ ডিগ্ৰীধাৰী এজন শিক্ষিতৰ মূৰত পৰিব, কিন্তু এইখন অসমতে দক্ষতা সম্পন্ন ব্যক্তিৰ অভাৱৰ ফলস্বৰূপে ডিগবৈ তেল শোধনাগাৰত বহিৰ্ৰাজ্যৰ পৰা যুৱক আনি নিযুক্তি দিব লগা হয়।

অসমৰ শিক্ষা ব্যৱস্থা বৰ্তমান সম্পূৰ্ণ ৰূপেই এক নগৰকেন্দ্ৰিক পৰীক্ষা ব্যৱস্থা বা নিৰ্দিষ্ট পাঠ্যক্ৰমৰ তাত্ত্বিক কাৰাগাৰৰ মাজত আৱদ্ধ কৰি ৰখা এক প্ৰক্ৰিয়া। এই শিক্ষা ব্যৱস্থাই নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীক উৎপাদন কৰে। কিন্তু কৰ্মক্ষম কৰি নহয়। বৰ্তমান শিক্ষা ব্যৱস্থাত সকলো ধৰণৰ প্ৰতিভাক আকোঁৱালি লৈ সবল মনৰ নাগৰিক গঢ়ি তোলাৰ প্ৰতি চকু দিয়া নহয়। কিন্তু এনে এক দৃষ্টিভংগীৰ পৰা আঁতৰি প্ৰত্যেক প্ৰতিভাকে সমান্তৰালভাৱে বিকাশৰ সুবিধাৰ বাবেই দক্ষতাভিত্তিক পাঠ্যক্ৰমখনৰ প্ৰয়োজনীয়তা অত্যাধিক।

বৰ্তমান অসমৰ পৰিস্থিতি অনুসাৰেই অসমত প্ৰকৃত শিক্ষিত তথা একো একোজন দক্ষ ব্যক্তি গঠন কৰাৰ নিমিত্তে শিক্ষাৰ পাঠ্যক্ৰমত পৰম্পৰাগত আইন বিষয়ৰ উপৰি দক্ষতামূলক বিষয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তৰ প্ৰয়োজন।



# স্বচ্ছতা আৰু
# সু-স্বাস্থ্য

অংকিতা দত্ত

**আৰম্ভণি ঃ**

'দেহা থাকিলেহে বেহা'- অসমীয়া ভাষাত প্ৰায়ে শুনিবলৈ পোৱা এনে প্ৰবচনৰ মূল গূঢ়াৰ্থ হৈছে মানুহৰ স্বাস্থ্য ভাল হৈ থাকিলেহে ব্যৱসায় বাণিজ্যৰ লগতে অন্যান্য ক্ষেত্ৰত উন্নতি সাধন কৰিব পাৰি। প্ৰকৃততে মানুহৰ সকলো ধন-সম্পত্তিৰ তুলনাত স্বাস্থ্যই সবাতোকৈ প্ৰয়োজনীয়। শৰীৰ সুস্থ হৈ থকা অৱস্থাটোকে সু-স্বাস্থ্য বোলা হয়। স্বাস্থ্যই হৈছে সকলো আনন্দৰ উৎস। স্বাস্থ্য আনে দিব পৰা বস্তু নহয়। স্বাস্থ্য ভাল নহ'লে বহু ধন-সম্পত্তি বা পঢ়া শুনা থাকিলেও মিছা হৈ পৰে।

আনহাতে স্বচ্ছতা হৈছে এনে এক আহিলা, যিয়ে ব্যক্তিৰ মন মগজুত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। এখন ৰাষ্ট্ৰৰ উন্নতি হ'বলৈ হ'লে ব্যক্তি বিশেষৰ উন্নতি হোৱাতো অতি প্ৰয়োজনীয়। এখন নিকা আৰু স্বাস্থ্যসন্মত পৰিৱেশে মানুহৰ মানসিক আৰু শাৰীৰিক উভয় দিশতে এক ইতিবাচক প্ৰভাৱ পেলায়, যিয়ে ৰাষ্ট্ৰৰ প্ৰগতিৰ পথ মুকলি কৰাৰ ক্ষেত্ৰত সবল অৰিহণা যোগাব পাৰে।

**বিশ্লেষণঃ**

স্বচ্ছতা আৰু সু-স্বাস্থ্য এটা আনটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। এক সু-স্বাস্থ্যৰ গৰাকী হ'বলৈ হ'লে স্বচ্ছতাৰ বিশেষ প্ৰয়োজন হয়। পৰিষ্কাৰ- পৰিচ্ছন্নতাই সু-স্বাস্থ্যৰ মূল চাবিকাঠী। আমি সদায় কাপোৰ কানি, খোৱা খাদ্য তথা বাচন-বৰ্তন পৰিষ্কাৰ কৰি লোৱা দৰকাৰ। আমাৰ ঘৰৰ চৌপাশ সদায় পৰিষ্কাৰ-পৰিছন্ন হৈ থকাটো বাঞ্চনীয়। কিয়নো প্ৰায়বোৰ ব্যাধি লেতেৰা পৰিৱেশৰ বাবেই বিয়পে। সু-স্বাস্থ্যৰ বাবে নিয়মিত শাৰীৰিক, মানসিক পৰিশ্ৰমৰ দৰকাৰ। ইয়াৰ উপৰি, প্ৰত্যেক ব্যক্তিয়ে খাদ্যপ্ৰাণ যুক্ত খাদ্য আৰু বীজাণুমুক্ত পানী খাব লাগে। খাদ্য আৰু পানীৰ ওপৰতে মানুহৰ স্বাস্থ্য বহুখিনি নিৰ্ভৰ কৰে।

আমাৰ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশখনৰ লোকসকলক স্বচ্ছতা সম্পৰ্কে জ্ঞাত কৰিবলৈ ভাৰত চৰকাৰৰ উদ্যোগত 'স্বচ্ছ ভাৰত অভিযান' নামৰ এখনি আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ মূল উদ্দেশ্য আছিল দেশৰ সকলো নাগৰিককে দ্ৰুতগতিত সাৰ্বজনীন অনাময় ব্যৱস্থাৰ আওতালৈ অনা আৰু লগতে ব্যক্তিগত অনাময় ব্যৱস্থাৰ আৱশ্যকতা আৰু দেশখনক চাফ-চিকুণ কৰি ৰখাৰ প্ৰয়োজনীয়তাৰ প্ৰতি মানুহক সচেতন কৰি তোলা। নিৰ্বিচাৰভাৱে শৌচ-প্ৰস্ৰাৱ কৰা, য'তে ত'তে জাবৰ জোথৰ পেলোৱা, থু-খেকাৰ পেলোৱা আদি কৰ্মই আমাৰ পৰিৱেশ তথা স্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। এনেবোৰ কাৰ্যক নিৰ্মূল কৰিবলৈকে ২০১৪ চনৰ ২ অক্টোবৰৰ 'গান্ধী-জয়ন্তী' দিনটোত আমাৰ দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নতুন দিল্লীৰ ৰাজঘাটত চৰকাৰী নিয়মেৰে এই আঁচনিখন মুকলি কৰে। বৰ্তমান এই আঁচনিৰ অধীনত জনসমাজ স্বচ্ছতাৰ দিশে এখোজ আগুৱাবলৈ সক্ষম হৈছে।

'স্বচ্ছভাৰত' আঁচনিৰ মূল উদ্দেশ্য হৈছে পৰিৱেশ সুৰক্ষিত কৰি ব্যক্তিৰ সু-স্বাস্থ্য নিশ্চিত কৰা। সেয়েহে আমি সু-স্বাস্থ্য বৰ্তাই ৰখাৰ উদ্দেশ্যে অস্বাস্থ্যকৰভাৱে মুক্ত পৰিৱেশত শৌচ কৰা বন্ধ কৰা, খোৱাৰ আগত ভালদৰে চাবোনেৰে হাত ধোৱা, নখ, চুলি সদায় পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা, য'তে ত'তে জাবৰ জোথৰ পেলোৱা বন্ধ কৰা, নিজৰ ঘৰ, বিদ্যালয় তথা চুবুৰীৰ চৌপাশ চাফ-চিকুণ কৰা ইত্যাদি ক্ষেত্ৰত গুৰুত্ব দিব লাগে। লগতে নিজৰ অঞ্চলত ইয়াৰ বিষয়ে জনসজাগতা সৃষ্টি কৰি এখন নিৰ্মল, নিকা, স্বচ্ছ ভাৰতবৰ্ষ গঢ়িবলৈ নিজকে এজন সু-স্বাস্থ্যৰ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব।

**সামৰণি ঃ**

স্বাস্থ্যই আমাক দীৰ্ঘায়ু কৰে। স্বাস্থ্যই আমাক সুখ আৰু আনন্দ দিয়ে, ভাল স্বাস্থ্যৰ অধিকাৰী হ'লে আমাৰ মন ভালে থাকে। স্বাস্থ্যবান মানুহ সকলো কামতে উদ্যমী হয়। স্বাস্থ্যবান লোকসকল আমাৰ দেশৰ মানৱ সম্পদ। সেয়েহে আমি সকলোৱে দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সকলো ধৰণৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ নিয়ম-নীতি পালন কৰি দেশৰ উন্নতিত সেৰা আগবঢ়াই আমাৰ দেশক বিশ্বৰ এখন আগশাৰীৰ দেশত উপনীত কৰিবলৈ সকলো সংকল্পবদ্ধ হ'ব লাগে।

১৯৪৮ চনত বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰথম বিশ্ব স্বাস্থ্য সভা অনুষ্ঠিত হৈছিল। বিশ্ব স্বাস্থ্য সভাই প্ৰতি বছৰে ৭ এপ্ৰিল তাৰিখে বিশ্ব স্বাস্থ্য দিৱস পালন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু ১৯৫০ চনৰ পৰা প্ৰতি বছৰে ৭ এপ্ৰিল তাৰিখটো বিশ্ব স্বাস্থ্য দিৱস হিচাপে পালন কৰা হৈছে।

# দেশপ্ৰেমী অদম্য সাহসী বীৰ লাচিত বৰফুকন আৰু শৰাইঘাট যুদ্ধ




যোগানন্দ হাজৰিকা

অসমৰ ইতিহাসত যিসকল বীৰ সন্তানে দেশমাতৃৰ সেৱাৰ বাবে জীৱন উছৰ্গা কৰি গ'ল, সেই সাহসী বীৰ সন্তানসকলৰ ভিতৰত লাচিত বৰফুকনৰ নাম উল্লেখযোগ্য।এইজনা বীৰ সন্তানৰ জন্ম সম্পৰ্কে সঠিক তথ্য পোৱা নাযায় যদিও তথ্য অনুসৰি ১৬২২ খ্ৰীঃত গৰগাঁৱৰ ওচৰে-পাঁজৰে কোনো ঠাইত জন্ম হৈছিল। তেওঁৰ দেউতাকৰ নাম আছিল শুকুতি। যি জনাই ৰজাৰ ৰাজপ্ৰসাদৰত তামোল পাণৰ যোগান ধৰি পদোন্নতি স্বৰূপে মোমাই তামুলী বৰবৰুৱা নামেৰে জনাজাত হৈ পৰিছিল। সৰুৰে পৰাই লাচিত বৰফুকনে বিভিন্ন দিশত দক্ষতাৰ চিন স্বৰূপে ৰজাৰ ঘৰত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈ ক্ৰমান্বয়ে হাচতি ধৰা তামুলী, শিমলুগুৰীয়া ফুকন, ঘোঁৰা বৰুৱা, দুলীয়াবৰুৱা আৰু লগুৱা ফুকনৰ পদত নিযুক্তি লাভ কিৰবলৈ সক্ষম হৈছিল। বিভিন্ন গুণৰ অধিকাৰী লাচিত বৰফুকনক সেই সময়ত আহোম স্বৰ্গদেউ চক্ৰধ্বংজ সিংহই লাচিত বৰফুকনৰ পাৰদৰ্শিতা প্ৰমাণ কৰিবলৈ বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ কৰাইছিল আৰু লাচিত বৰফুকনেও সকলো পৰীক্ষাত সুখ্যাতিৰে অৱতীৰ্ণ হৈ আহোম শাসন ব্যৱস্থাৰ উচ্চ পদৰ বাবে দাবিদাৰ হৈ পৰিছিল। ফলস্বৰূপে স্বৰ্গদেউ চক্ৰধ্বজ সিংহই তেওঁৰ সাহস, নিয়মানুবৰ্তিতা, সততা আৰু দেশপ্ৰেমৰ নিদৰ্শন দেখি সেনাপতি পদত তেওঁক অধিস্থিত কৰিছিল।

সাম্ৰাজ্যবাদী মোগলসকলে নিজৰ ৰাজ্য বিস্তাৰৰ অংশ স্বৰূপে আহোম ৰাজ্যতো বহুবাৰ আক্ৰমণ চলাইছিল। কিন্তু আহোম সকলক পৰাস্ত কৰি স্থায়ীভাৱে অসম ৰাজ্য দখল কৰিবলৈ সক্ষম হোৱা নাছিল। স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ দিনটো মোগল সম্ৰাট বাদছাহ ঔৰংগজেৱে অসম আক্ৰমণ কৰিবলৈ সুদক্ষ সেনাপতি ৰামসিংহৰ নেতৃত্বত এক বিশাল সৈন্য বাহিনী লৈ অসম আক্ৰমণ কৰিবলৈ আহিছিল। তেনে সময়তে আহোম সৈন্যদলৰ সেনাপতি পদত অধিষ্ঠিত হৈ

আছিল আহোম সৈন্যদলৰ সেনাপতি লাচিত বৰফুকন আৰু তেওঁ মোগলৰ এই আক্ৰমণ প্ৰতিহত কৰিবলৈ স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ নিৰ্দেশ মৰ্মে যৎপৰোনাস্তি চেষ্টা চলাইছিল। মোগলক প্ৰতিহত কৰাৰ পৰিকল্পনা অনুসৰি লাচিত বৰফুকনে এটা গড় নিৰ্মাণৰ বাবে নিৰ্দেশ দিছিল আৰু সেই গড় বনোৱাৰ দায়িত্ব অৰ্পণ কৰিছিল নিজা মোমায়েকৰ ওপৰত। কিন্তু মোগল সৈন্যদলৰ তীব্ৰ অগ্ৰগতি ৰোধ কৰিবৰ বাবে মোগল প্ৰতিৰোধী এই গড় ৰাতিটোৰ ভিতৰতে নিৰ্মাণ কৰাৰ বাবে মোমায়েকক দায়িত্ব অৰ্পণ কৰিছিল। দেশপ্ৰেমৰ ৰক্তেৰে উত্তেলিত লাচিত বৰফুকনে সময়ৰ প্ৰতি লক্ষ্য ৰাখি নিশা যেতিয়া গড় নিৰ্মাণৰ অগ্ৰগতি প্ৰদৰ্শন কৰিবলৈ আহিছিল, তেতিয়া তেওঁ দেখে যে মোমায়েকে গড় বনোৱা কামৰ অৱহেলা কৰি বনুৱাসকলৰ সৈতে শুই থকা দেখা পাই কৰ্ম অৱহেলা কৰাৰ বাবে তীব্ৰ খঙত জ্বলি পকি উঠে আৰু মুহূৰ্ততে খাপৰ পৰা তাৰোৱাল উলিয়াই "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি চিৎকাৰ কৰি মোমায়েকক শিৰচ্ছেদ কৰে। তৎ মুহূৰ্ততে লাচিতৰ এনে অগ্নিশৰ্মা ৰূপ দেখি মূৰ্হুতৰ ভিতৰতে গড় বন্ধা কাৰ্য আৰম্ভ কৰি পুৱাৰ আগতেই নিৰ্মাণ কাৰ্য শেষ কৰে। মোমায়েকক শিৰচ্ছেদ কৰি এই গড় বনোৱা কাম সম্পূৰ্ণ কৰাৰ বাবে এই গড়ৰ নাম মোমাই কটা গড় হিচাপে জনাজাত হৈ পৰে। আনহাতে পুৱাৰ বেলা মোগল সৈন্যবাহিনীয়ে বাধাৰ প্ৰাচীৰ গড় দেখি তবধ মানিলে আৰু যুদ্ধৰ পৰিকল্পনা সলনি কৰিবলৈ বাধ্য হ'ল। তাৰ পাছতেই মোগলসকলে গুৱাহাটীত নামনি অংশইদি আগবাঢ়িবলৈ চেষ্টা কৰি আহোম সৈন্য বাহিনীৰ লগত কেইবাখনো মুখামুখি ৰণ হয় আৰু শেষত শৰাইঘাট নামে ঠাইত আহোম সৈন্য বাহিনীৰ লগত চূড়ান্তভাৱে সমুখ সমৰত লিপ্ত হয় যদিও প্ৰতাপী মোগল সৈন্য বাহিনীৰ আক্ৰমণত আহোম সৈন্য পিছুৱাই যাবলৈ বাধ্য হয়। সেই সময়ত বীৰ সেনাপতি লাচিত বৰফুকন প্ৰচণ্ড জ্বৰত ভূগি আছিল। যেতিয়া আহোম সৈন্য পিছুৱাই যোৱাৰ সংবাদ সেনাপতি লাচিতক অৱগত কৰোৱা হ'ল, প্ৰচণ্ড জ্বৰত ভূগি থকা স্বত্বেও দেশপ্ৰেমী সকলক তেওঁক এখন নাৱত তুলি দিবলৈ আদেশ দিয়ে। নাৱত উঠি আহোম সৈন্যক অনুপ্ৰেৰণা যোগাবলৈ সৈন্যদলক সম্বোধন কৰি ক'লে "হেৰৌ অসমীয়া ৰণুৱা সকল, মই যুঁজিহে মৰিম, নাইবা মোক বঙালে ধৰি লৈ যাওক আৰু তোমালোকে সুখেৰে ঘৰলৈ উভতি যোৱা" লাচিত বৰফুকনৰ এনে ধ্বৰণৰ সৈন্য দলক উৎসাহিত কৰা মন্তব্যই সৈনিকসকলক নতুনকৈ প্ৰেৰণা দিছিল আৰু দুগুণ উৎসাহেৰে যুঁজি দুৰ্দান্ত মোগল বাহিনীক পৰাস্ত কৰি অসমক বিদেশী শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰে। কিন্তু দুখৰ বিষয় যে এনে এজন দেশপ্ৰেমী বীৰ সেনাপতিৰ শৰাইঘাট যুদ্ধ সংঘটিত হোৱাৰ কিছুদিনৰ পাছতেই ১৬৭২ খ্ৰীঃত মৃত্যু হয়।

সময়ৰ দলিল স্বৰূপ ইতিহাসৰ পৃষ্ঠাত যি সকল মহান ব্যক্তিয়ে নিজৰ কৰ্মৰ যোগেদি নাম সোণালী আখৰেৰে খোদিত কৰি থৈ গ'ল, সেইসকলৰ ভিতৰত অসম মাতৃৰ বীৰ সন্তান লাচিত বৰফুকনৰ নাম লেখতলবলগীয়া। সুদুৰ পাৰস্যৰ পৰা আহি সমগ্ৰ মধ্য এছিয়াতে নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰা মোগল সকলক শিৰ নত কৰিবলৈ বাধ্য কৰিছিল এইজনা আহোম বীৰ সন্তানে। আহোমৰ সাহস তথা শৌৰ্য আৰু বীৰ্যৰ প্ৰতীক লাচিত আছিল সমগ্ৰ আহোম জাতিৰ বাবেই গৌৰৱৰ প্ৰতীক। অসম বুৰঞ্জী খ্যাত শৰাইঘাটৰ যুদ্ধৰ সময়ত কৰ্তব্যত অৱহেলা কৰাৰ বাবে নিজ খাপৰ তৰোৱালেৰে দুছেও কৰি অনন্য দেশ প্ৰেমৰ নিদৰ্শন দাঙি ধৰাৰ লগতে নৰীয়া গাৰে যুদ্ধত অৱতীৰ্ণ হৈ আহোম সৈন্য বাহিনীক উৎসাহিত কৰা এইজনা বীৰ সন্তানৰ নাম চিৰদিন ইতিহাসৰ পৃষ্ঠাত জিলিকি থাকিব। কিন্তু এনে এজনা বীৰ সন্তানৰ সুখ্যাতি উপযুক্ত প্ৰচাৰৰ অভাৱত ভাৰত ৰাষ্ট্ৰৰ ইতিহাসত আজিকোপতি স্থান পাবলৈ সক্ষম হোৱা নাছিল। কিন্তু সুখৰ বিষয় যে অসম চৰকাৰৰ দ্বাৰা লাচিতৰ চাৰিশ বছৰীয়া জন্ম জয়ন্তী উদ্যাপনৰ পদক্ষেপে ইতিহাসৰ পাতত লুকাই থকা বীৰ লাচিতক সমগ্ৰ ৰাষ্ট্ৰই সোঁৱৰণ কৰিব বুলি আশা কৰিব পাৰি।



# মহাত্মা গান্ধীৰ অহিংসাৰ ধাৰণা

পল্লৱী বৰা

মহামানৱ মহাত্মা গান্ধীৰ প্ৰকৃত নাম হ'ল- মোহনদাস কৰমচাঁদ গান্ধী। ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দত এইজনা পুণ্যাত্মাই জন্ম লাভ কৰিছিল। গান্ধীজীৰ অহিংসাৰ ধাৰণাটো হৈছে- মানৱীয়, নৈতিকতা আৰু ধৰ্মৰ এক প্ৰাচীন নীতি। তেওঁ এই নীতিটো নিজৰ জীৱনত আখৰে আখৰে পালন কৰিছিল। গান্ধীজীৰ মতে, অহিংসা নীতি বুলিলে কোনো জীৱন্ত প্ৰাণীক আঘাত নকৰা, কু-চিন্তা নকৰা, মিছা কথা নোকোৱা, কাকো হিংসা নকৰা, কাৰো প্ৰতি বিদ্বেষভাৱ পোষণ নকৰা, আনৰ মনত আঘাত নিদিয়া আৰু আনৰ বাবে প্ৰয়োজনীয় বস্তু নিজৰ হাতত নৰখা ইত্যাদিকে বুজায়। এই কথাত, অহিংসাৰ দ্বাৰা গান্ধীজীয়ে সৎ কৰ্ম, সৎ চিন্তা আৰু সৎ কথাক বুজাইছে।

গান্ধীজীৰ মতে- অহিংসা নীতিক দুৰ্বলীৰ অস্ত্ৰ বুলি ভৱা উচিত নহয়। কাপুৰুষ আৰু দুৰ্বল ব্যক্তিয়ে এই নীতিক প্ৰয়োগ কৰিব নোৱাৰে। অহিংসা নীতি কেৱল শক্তিশালী ব্যক্তিৰ অস্ত্ৰ। তেওঁ এই নীতি পালন কৰাৰ মূল কাৰণ হ'ল যে- হিংসাতকৈ অহিংসাই সদায় শ্ৰেষ্ঠ। গান্ধীজীৰ মতে, মহৎ আৰু নৈতিক লক্ষ্য পূৰণৰ বাবে হিংসা বৰ্জনীয়। যিকোনো প্ৰকাৰে হিংসা বৰ্জন কৰিব লাগিব। মহৎ লক্ষ্য সাধনৰ বাবে পন্থা বা উপায় সমূহো নৈতিক আৰু সৎ হ'ব লাগিব। গান্ধীজীৰ মতে, ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম পৰিচালনা কৰোঁতে সদায় অহিংসা নীতি মানি চলিছিল। অহিংসা নীতিৰ ভিত্তিতেই গান্ধীজীয়ে অসহযোগ, আইন-অমান্য আৰু ভাৰত ত্যাগ আন্দোলনৰ আহ্বান কৰিছিল।

গান্ধীজীৰ মতে- ৰাষ্ট্ৰৰ অহিংসা নীতিৰ দ্বাৰা পৰিচালিত হ'ব লাগে আৰু ৰাষ্ট্ৰই কম পৰিমাণেহে শক্তি প্ৰয়োগ কৰিব লাগে। ৰাষ্ট্ৰই বিপ্লৱৰ ক্ষেত্ৰতহে যথেষ্ট পৰিমাণে শক্তি প্ৰয়োগ কৰা উচিত। গান্ধীজীয়ে অহিংস নীতিৰ ভিত্তিত এখন আদৰ্শ ৰাষ্ট্ৰ বা ৰামৰাজ্য গঠনৰ কল্পনা কৰিছিল, যি ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰা হ'ব।

গান্ধীজীৰ এই অহিংসা নীতিটো অপ্ৰাসংগিক আৰু কাল্পনিক বুলিব পৰা নাযায়। বৰ্তমান সময়ত সমাজত যি বিশৃংখলতাই দেখা দিছে, তেনে পৰিস্থিতিত গান্ধীজীৰ অহিংসা নীতিটো সম্পূৰ্ণ ৰূপে মানি চলিব নোৱাৰিলেও ব্যক্তিগত, জাতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত যিমান সম্ভৱ কম শক্তি প্ৰয়োগ কৰা উচিত। তেতিয়াহে পৃথিৱীত শান্তি বিৰাজ কৰিব। অহিংসা নীতি বৰ মূল্যবান আৰু এই নীতিক পালন কৰিব পাৰিলেহে জাতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত শান্তি প্ৰতিষ্ঠাৰ লগতে ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ এনাজৰীডাল কট্‌কটীয়া কৰি তুলিব পৰা যাব।

# বৰ্তমান যুগত শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত তথ্য আৰু প্ৰযুক্তিৰ ভূমিকা

জ্যোতি ভূঞা

তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ শিক্ষাই শিক্ষণ, শিকন পৰিৱেশৰ বিকাশত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তথ্য আৰু যোগাযোগ প্ৰযুক্তি অতি কম দিনৰ ভিতৰতে আধুনিক সমাজৰ গঠনৰ আধাৰ স্বৰূপ হৈ উঠিছে। গঠন, লিখন আৰু সংখ্যাজ্ঞানৰ সমান্তৰালভাৱে আজিকালি তথ্য আৰু যোগাযোগ প্ৰযুক্তি বুজি পোৱা আৰু ইয়াৰ মৌলিক কৌশল অংগ হৈ উঠিছে। UNESCO (United Nations Educational, Scientific and Cultural Organization) ৰ মতে ICT (Information technology) বুলিলে তথ্যৰ সৃষ্টি, অংশীদাৰকৰণ, প্ৰেৰণ, সংৰক্ষণ আৰু আদান-প্ৰদানৰ বাবে ব্যৱহৃত বিভিন্ন প্ৰযুক্তিগত আহিলা আৰু সমলসমূহক বুজায়। এই প্ৰযুক্তিগত আহিলা আৰু সমলসমূহ হৈছে- কম্পিউটাৰ, ইন্টাৰনেট চলন্ত বিৰৰণীৰ প্ৰচাৰৰ প্ৰযুক্তি, সংৰক্ষিত বিৰৰণী প্ৰচাৰৰ প্ৰযুক্তি আৰু দূৰভাষ ইত্যাদি।

শৈক্ষিক ক্ষেত্ৰত বৰ্তমান সময়োপযোগী হিচাপে তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ গুৰুত্বপূৰ্ণ তথা সুবিধাজনক আহিলা বা যতন হিচাপে স্মাৰ্ট ফোনকে ল'ব পাৰি। কাৰণ ইয়াৰ জৰিয়তে এখন ডিজিটেল ছবি প্ৰস্তুত কৰিব পাৰি, যিখনক আমি সংৰক্ষণ আৰু প্ৰয়োজন অনুসাৰে পুনৰ উলিয়াই ল'ব পাৰোঁ। এই ডিজিটেল ছবিখন আমাৰ আৱশ্যক অনুযায়ী সাল-সলনি কৰিব পাৰোঁ, যাক বেলেগৰ সৈতে ভাগ-বতৰা কৰি মতামতো গ্ৰহণ কৰিব পাৰি। সেয়েহে যিকোনো ধৰণৰ সজুঁলি-প্ৰযুক্তি, যিবিলাকৰ দ্বাৰা ডিজিটেল তথ্য, সৃষ্টি, সংৰক্ষণ, পুনৰ উদ্ধাৰ, সাল-সলনি, প্ৰেৰণ আৰু গ্ৰহণ কৰিব পাৰি, এই সকলোবোৰক তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ বৰ্গত ৰখা হয়। শিক্ষকে শিকাৰুৰ শিকন উন্নতিকৰণ কৰাৰ ক্ষেত্ৰত সঠিক পদ্ধতি আৰু তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ আহিলা নিৰ্বাচন কৰাৰ উপৰিও শিকাৰুৰ বুজি উঠাটোও অতি প্ৰয়োজন। শ্ৰেণীকোঠাত ইয়াৰ ব্যৱহাৰৰ বাবে শিকাৰুক বুজি উঠাৰ বাবে চাৰিটা প্ৰয়োজনীয় দিশ হ'ল জনতাত্বিক, সংজ্ঞানাত্মক-পূৰ্বজ্ঞান, ভাৱাত্মক, শাৰীৰিক।

নতুন শিক্ষা নীতিয়ে ডিজিটেল মাধ্যমৰ প্ৰতি মনোযোগী হোৱাৰ যি কথা কৈছিল, তাৰ লগত ক'ভিডৰ সম্বন্ধ নাছিল, আছিল যুক্তিগত অগ্ৰগতিক শিক্ষাদানৰ কামত ব্যৱহাৰ কৰা। কভিডে উত্তৰ পৰিস্থিতিটো অনলাইন অথবা ডিজিটেল পদ্ধতিৰ শিক্ষা দানৰ ব্যৱস্থা কিছু হ'লেও ৰৈ যাবই। ভাৰতৰ শিক্ষাৰ লগত জড়িত ভালেকেইটা চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানে পাঠ্যপুথিৰ সামগ্ৰী, পাঠ আদি অডিঅ' ডিজিটেল মাধ্যমত ইন্টাৰনেটৰ যোগেৰে সকলোৰে সুলভভাৱে পোৱাৰ ব্যৱস্থা কৰিছে। সেয়েহে বৰ্তমান যুগত শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তি নিৰ্বাচন কৰাত আৰু ইয়াৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজিব পৰাৰ লগতে সেইমতে সুবিধা প্ৰদান কৰাটো অন্যতম কৰণীয় তথা লক্ষ্য হোৱা উচিত।




# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)

অৰূপ নাথ

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (National Cadet Corps) হৈছে বিশ্বৰ সৰ্ববৃহৎ ইউনিফৰ্ম পৰিহিত যুৱ সংগঠন, যাৰ জৰিয়তে দেশৰ যুৱক-যুৱতী সকলক অনুশাসিত আৰু দেশপ্ৰেমিক নাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হয়।

১৯৪৮ চনত ভাৰতত এন.চি.চি. গঠন কৰা হৈছিল। সেনাবাহিনীৰ জোৱানৰ অভাৱ পূৰণৰ উদ্দেশ্যেৰে ভাৰতীয় প্ৰতিৰক্ষা আইন ১৯১৭ ৰ অধীনত গঠন হোৱা 'ইউনিভাৰচিটি কৰ্পচ' ৰ পৰাই ইয়াৰ সূত্ৰপাত হোৱা বুলি ধৰা হয়। ১৯৪৮ চনৰ নৱেম্বৰ মাহৰ শেষৰটো দেওবাৰে দিল্লীত প্ৰথম এন. চি. চি. ইউনিট উন্নীতকৰণৰ অনুষ্ঠান আৰম্ভ হৈছিল। এই দিনটোকে পৰম্পৰাগতভাৱে এন.চি.চি. দিৱস হিচাপে পালন কৰা হয়। ১৯৪৯ চনত স্কুল আৰু কলেজলৈ যোৱা ছাত্ৰী সকলক সমান সুযোগ দিয়াৰ উদ্দেশ্যে এন চি চিত ছোৱালী বিভাগ গঠন কৰা হয়।

এন.চি.চি. ৰ মূলমন্ত্ৰ হৈছে- 'ঐক্য আৰু অনুশাসন'। দেশৰ বিভিন্ন প্ৰান্তৰ যুৱক যুৱতী সকলক একত্ৰিত কৰি জাতিটোৰ ঐক্যবদ্ধ আৰু অনুশাসিত নাগৰিক হিচাপে গঢ়ি তোলাই ইয়াৰ মূল উদ্দেশ্য।

দেশৰ ভিতৰৰ ৰাজ্যৰ ৰাজধানী সমূহত মুঠ ১৭ টা সঞ্চালকালয় (Directorate) আছে। দেশত মুঠ ৯৬




টা গ্ৰুপ হেডকোৱাটাৰ আছে। ৭০০ টা সেনাবাহিনীৰ উইং ইউনিট, ৭৩ টা নৌ সেনাৰ উইং ইউনিট আৰু ৬৪ টা বায়ুসেনা উইং ইউনিটৰ ওপৰত নিয়ন্ত্ৰণ কৰে এই গ্ৰুপ হেডকোৱাটাৰ সমূহে।

ভাৰতৰ ১৭ টা সঞ্চালকালয় হৈছে-

১) অন্ধ্ৰ প্ৰদেশ আৰু তেলেংগনা

২) বিহাৰ আৰু ঝাৰখণ্ড

৩) দিল্লী

৪) গুজৰাট, দাদৰা আৰু নগৰ হাঙেলী আৰু দমন আৰু দিউ।

৫) জম্মু - কাশ্মীৰ আৰু লাডাখ

৬) কৰ্ণাটক আৰু গোৱা

৭) কেৰেলা আৰু লক্ষদ্বীপ

৮) মধ্য প্ৰদেশ আৰু ছত্তীশগড়

৯) মহাৰাষ্ট্ৰ

১০) উত্তৰ পূৰ অঞ্চল

১১) ওড়িশা

১২) পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু চণ্ডীগড়।

১৩) ৰাজস্থান

১৪) তামিলনাডু, পুডুচেৰী আৰু আন্দামান আৰু নিকোবৰ

১৫) উত্তৰাখণ্ড

১৬) উত্তৰ প্ৰদেশ

১৭) পশ্চিম বংগ আৰু ছিকিম।

অসমৰ বাসিন্দা হিচাপে ইয়াৰ ভিতৰত উত্তৰ পূৰ অঞ্চলৰ বিষয়ে অলপ আভাস দিয়া হৈছে। উত্তৰ পূৰ অঞ্চলৰ অন্তৰ্গত ৰাজ্য কেইখন হৈছে অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা। উত্তৰ পূব অঞ্চলৰ অন্তৰ্গত মুঠ আঠটা গ্ৰুপ হেডকোৱাটাৰ আছে। সেইকেইটা হৈছে-

ক) গুৱাহাটী

খ) তেজপুৰ

গ) শিলচৰ

ঘ) যোৰহাট

ঙ) ইম্ফল

চ) ডিব্ৰুগড়

ছ) শ্বিলং

জ) কোহিমা

প্ৰতিটো গ্ৰুপ হেডকোৱাটাৰত চাৰি পাঁচ ছয় টাকৈ

ইউনিট আছে, যাৰ জৰিয়তে স্কুল কলেজ সমূহত কেডেটক প্ৰশিক্ষণ দিয়া হয়। এন. চি. চিত যুৱক-যুৱতী সকলৰ দুটা ভাগত ভাগ কৰা হয়। জে ডি/এছ ডি আৰু জে ডব্লিউ/এছ ডব্লিউ। অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ সকলক অৰ্থাৎ স্কুলৰ ছাত্ৰ সকলক জে ডি আৰু ছাত্ৰী সকলক জে ডব্লিউ বুলি কোৱা হয়। আৰু মহাবিদ্যালয়ত এন. চি. চি. কৰা ছাত্ৰ সকলক এছ ডি আৰু ছাত্ৰী সকলক এছ ডব্লিউ বোলা হয়। জে ডি/এছ ডি ৰ অৰ্থ হৈছে জুনিয়ৰ ডিভিজন আৰু ছিনিয়ৰ ডিভিজন আৰু জে ডব্লিউ/এছ ডব্লিউ অৰ্থ হৈছে জুনিয়ৰ উইং আৰু ছিনিয়ৰ উইং।

এন চি চি ত তিনিখন চাৰ্টিফিকেট থাকে। স্কুল পৰ্যায়ত 'A' চাৰ্টিফিকেট প্ৰদান কৰা হয় আৰু এই প্ৰশিক্ষণ দুবছৰীয়া হয়। মহাবিদ্যালয় পৰ্যায়ত 'B' আৰু 'C' চাৰ্টিফিকেট দিয়া হয় আৰু এই প্ৰশিক্ষণ তিনিবছৰীয়া হয়।

**এন. চি. চিৰ সুবিধা সমূহঃ**

ক) আৰক্ষী সেৱা, প্ৰতিৰক্ষা সেৱা, অগ্নিনিৰ্বাপক বাহিনী, বি এছ এফ, পেৰা-মিলিটাৰী বাহিনী, ঔদ্যোগিক নিৰাপত্তা বাহিনী, আৰ্মি আদি সকলো ইউনিফৰ্ম সেৱাত 'B' আৰু 'C' চাৰ্টিফিকেট ধাৰীক অগ্ৰাধিকাৰ দিয়া হয়।

খ) ভাৰতীয় সকলো বিশ্ববিদ্যালয়তে প্ৰায় ৬০ খন অভিযান্ত্ৰিক আসন, ১৬ খন চিকিৎসা আসন, স্নাতকোত্তৰ বাবে প্ৰায় ৬-৭ শতাংশ আসন এন চি চি কেডেটৰ বাবে সংৰক্ষিত।

গ) UPSC আৰু SSC ৰ জৰিয়তে প্ৰতি বছৰে খালী হোৱা বহু পদত কেৱল সাক্ষাৎকাৰ লৈয়ে এন. চি. চি. 'C' চাৰ্টিফিকেটধাৰী সকলক নিযুক্তি দিয়া হয়।

ঘ) সেনা জোৱান নিযুক্তিৰ বাবে এন. চি. চি. কেডেট সকলে বোনাছ নম্বৰ লাভ কৰে।

ঙ) ভাৰতৰ বহু শীৰ্ষ উদ্যোগে নিজৰ কোম্পানীত বিভিন্ন চাকৰিৰ বাবে 'C' চাৰ্টিফিকেটধাৰী কেডেট বিচাৰে।

চ) ইয়াৰ লগতে বিনামূলীয়াকৈ বিভিন্ন ঠাই ফুৰিবলৈ পোৱা, দেশৰ অন্য ছাত্ৰ-ছাত্ৰী সকলৰ লগত কথা বতৰা পতাৰ লগতে সংস্কৃতি আদান-প্ৰদানৰ সুবিধা লাভ কৰা হয়।

**কেম্প ঃ** বিভিন্ন ধৰণৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেম্প সমূহৰ জৰিয়তে এন. চি. চিত কেডেট সকলক অন্য ঠাইৰ কেডেট সকলৰ লগত ভাৱ বিনিময় কৰাৰ সুবিধা দিয়াৰ লগতে বিভিন্ন ধৰণৰ দুঃসাহসিক কাৰ্যবোৰ শিকোৱা হয়। এন. চি. চি. ৰ আটাইতকৈ ডাঙৰ কেম্পটো হৈছে গণৰাজ্য দিৱসৰ কেম্প। ইয়াৰ উপৰিও আৰু বহুতো কেম্প অনুষ্ঠিত কৰা হয়। সেইবোৰ হৈছে-

ক) বাৰ্ষিক প্ৰশিক্ষণ কেম্প (ATC)

খ) অল ইণ্ডিয়া ট্ৰেকিং কেম্প

গ) অল ইণ্ডিয়া মাউণ্টেইনেৰিং এক্সপিডিচন

ঘ) নেচনেল ইনট্ৰিগেচন কেম্প (NIC)

ঙ) লিডাৰচিপ কেম্প

চ) থল সৈনিক কেম্প (TSC)

ছ) নাও সৈনিক কেম্প

জ) বায়ু সৈনিক কেম্প

ঝ) ৰ'ক ক্লাইম্বিক ট্ৰেনিং কেম্প (RCTC)

ঞ) এক ভাৰত শ্ৰেষ্ঠ ভাৰত (EBSB)

এনে ধৰণৰ আৰু বহুতো কেম্পৰ জৰিয়তে কেডেট সকলক লিডাৰ চিপ, টিম ৱৰ্ক, অনুশাসন, একতা আদি শিকোৱা হয়। ইয়াৰ লগতে বহুতো দুঃ সাহসিক (Adventure) প্ৰশিক্ষণ প্ৰদান কৰা হয়। যেনে- পাহাৰ বগোৱা, ঘোঁৰা চলাবলৈ শিকোৱা, সাতোঁৰ শিকোৱা, ট্ৰেকিং, ৰক ক্লাইম্বিং আদি।

ভাৰতৰ উপৰিও আৰু ১০ খন দেশত এন. চি. চি. আছে। সেই সমূহৰ সৈতে YEP (Youth Exchange Programme) ৰ জৰিয়তে কেডেট সকলৰ মাজত সাংস্কৃতিক, ভাষিক আদান প্ৰদান কৰা হয়।

এন. চি. চি. ত কেডেটসকলক ক্ষুদ্ৰ পৰিমাণে অস্ত্ৰ প্ৰশিক্ষণ আৰু ড্ৰিলৰ মৌলিক সামৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইয়াৰ উপৰিও কেডেট সকলৰ মাজত চৰিত্ৰ, সতীৰ্থতা, অনুশাসন, নেতৃত্ব, ধৰ্মনিৰপেক্ষ, দৃষ্টিভংগী, দুঃসাহসিক কৰ্মৰ মনোভাৱ আৰু নিস্বাৰ্থ সেৱাৰ আদৰ্শ বিকাশ কৰি সশস্ত্ৰ বাহিনীত কেৰিয়াৰ গঢ়িব পৰাকৈ গঢ়ি তোলা হয়।

এন চি চি ত যোগদান কৰিবলৈ শাৰীৰিক তথা মানসিক ভাৱে সুস্থ হোৱাটো অত্যন্ত জৰুৰী। 'A' চাৰ্টিফিকেটৰ বাবে ইউনিটবোৰৰ অন্তৰ্গত স্কুল সমূহত দুবছৰীয়া এটা পাঠ্যক্ৰম হয়। অষ্টম, নৱম শ্ৰেণীৰ সময়ছোৱাত ইয়াক ল'ব পাৰি। 'B' আৰু 'C' চাৰ্টিফিকেটৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ইউনিটৰ অন্তৰ্গত মহাবিদ্যালয় সমূহত ভৰ্তি হৈ এই সুবিধা গ্ৰহণ কৰিব পাৰে।

বিশ্বৰ সৰ্ববৃহৎ ইউনিফৰ্ম পৰিহিত এই যুৱ সংগঠন এন. চি. চি. ত অংশীদাৰ হ'ব পৰাটো অতিকৈ সৌভাগ্যৰ কথা। দেশৰ উন্নয়নত এন. চি. চিৰ ভূমিকা গুৰুত্বপূৰ্ণ হওঁক। এন. চি. চি. য়ে দেশৰ বাবে, যুৱক সমাজৰ বাবে সদায় কাম কৰি আহিছে, এই ধাৰা অক্ষুণ্ণ থাকক। এন. চি. চি. দীৰ্ঘজীৱী হওঁক।

জয় হিন্দ।

# NDA
# ( नेशनल डिफेंस एकेडमी)

Rajib Ghor

**NDA** (National Defence Academy) यानी नेशनल डिफेंस एकेडमी हर साल आयोजित की जाने वाली राष्ट्रीय स्तर की प्रवेश परीक्षा है। इस प्रवेश परीक्षा के माध्यम से योग्य उम्मीदवारों को भारतीय नौसेना, भारतीय सेना और वायु सेना के परीक्षण के लिए चुना जाता है। NDA की परीक्षा सरकार यूपीएससी परीक्षण के लिए चुना जाता है। NDA की परीक्षा सरकार UPSC (Union Public Service Commission) द्वारा आयोजित कराई जाती है, यह प्रवेश परीक्षा क्वालीफाई करने के बाद कैंडिडेट्स को SSB (Service Selection Board) इंटरव्यू भी क्वालीफाई करनी होती है । यह कहना बिल्कुल गलत नहीं होगा कि इंडिया दुनिया की बेस्ट अफसरों को ट्रेन करती है, जिसकी चर्चा पूरी दुनिया भर में होती है। NDA में 3 साल गुजारने के बाद हर कैंडीडेट्स को अपने-अपने एकेडमिक्स में फाइनल ट्रेनिंग के लिए भेज दिया जाता है जिसके खत्म होते ही वह अफसर के तौर पर उभर आते हैं। NDA की परीक्षा क्वालीफाई करने के बाद छात्रों का सिलेक्शन SSB इंटरव्यू के लिए होता है। सिर्फ वही कैंडीडेट्स SSB इंटरव्यू के लिए एलिजिबल होंगे जो NDA कट ऑफ क्वालीफाई करेंगे। विभिन्न श्रेणी के उम्मीदवारों के लिए अलग -अलग कटऑफ तय किया जाता है । एसएसबी इंटरव्यू राउंड अलग-अलग में आयोजित की जाती है जो इंटरव्यू 5 दिन तक आयोजित होती है छात्रों का पांचो राउंड क्वालीफाई करना अनिवार्य है। SSB इंटरव्यू एसएसबी इंटरव्यू 5 दिनों तक होता है। पहले दिन छात्रों का स्क्रीनिंग टेस्ट होता है जिसमें सबसे पहले ऑफीसर इंटेलिजेंस रेटिंग टेस्ट होता है जिसमें

छात्रों से बर्बल और नॉन वर्बल रीजनिंग के 50 प्रश्न पूछे जाते हैं जिसके लिए छात्रों के पास सिर्फ 30 मिनट का समय होता है। इसमें गणित के भी प्रश्न पूछी जाती है। पहले दिन वहा यार में चयनित छात्र पीपीडीटी टेस्ट देते हैं इसमें छात्रों को 30 सेकंड तक एक तस्वीर दिखाएं जाते हैं

जिसको देख कर और समझ कर उन्हें एक कहानी लिखनी होती है। यह कहानी उस तस्वीर से जुड़ी होनी चाहिए । दूहरा दिन सबसे कठिन माना जाता हे, इस दिन छात्रों को साईकोलोजीकल टेस्ट, GTO टेस्ट देना होता हे। तीसरा दिन GTO टेस्टीग ओर इंटरव्यू के 5 भाग होते हैं। ग्रुप डिस्काशन, ग्रुप प्लानिंग हॉफ ग्रुप टास्क, अंत मे लिट्चर । चौथे दिन भी टेस्ट लिए जाते हैं। इसमें FGT हौता हे जो आपके ग्रुप टास्क का आखिरी टास्क होता है। SSB इंटरव्यू के आखिरी दिन आपको पुरे पैनल के साथ एक हॅल मे बैठाया जाता है, जिसमे आपको पिछले 4 दिन चले टेस्ट का रिजल्ट सुनाया जाता है। इसमें चयनित छात्रों को मेडिकल के लिए भेजा जाता है। । इसके बाद फाईनल मेरिट लिस्ट मे कुवालिफाईड छात्रों के नाम उभर आते हैं। और कुछ महीने बाद उन्हों NDA का कोलींग लेटर प्रप्त होता है।

अंत हम यह कह सकते हैं कि NDA मे जाना सबकी बस की बात नहीं। बहां केवल वही छत्र जाने के लिए सफल होते हैं जिनके अंदर सच्चे देशभक्ती औन जुनून होता हे, जो अपने घर परिवार को त्यगकर खुदको अपने देश के लिए समरपित कर देते हैं, केवल वही लोग डिफेंस अफसर बनने के लिए NDA मै भर्ती होने में सफल होते हैं। जय हिंद जय भारत

The primary objective of the
NDA(National Defence Academy)
is to train and groom young individuals for
careers in the Indian Army,
Navy and Air Force.




# মানৱ জীৱনত ভিটামিনৰ প্ৰয়োজনীয়তা

জয়শ্ৰী কলিতা

ভিটামিন হৈছে আমাৰ দেহৰ বাবে অতি আৱশ্যকীয় পৰিপোষক। আমাৰ শৰীৰটোক সুস্থভাৱে ৰাখিবলৈ আৰু শ্ৰীবৃদ্ধি ঘটাবলৈ ভাল খাদ্য গ্ৰহণ কৰা উচিত। ভিটামিনে আমাৰ দেহক বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰাৰ লগতে আমাৰ শৰীৰৰ অংগ-পতংগ বিলাক সবল আৰু কাৰ্যক্ষম কৰি ৰাখে। ভিটামিনে আমাৰ শৰীৰৰ ৰোগ-প্ৰতিৰোধক শক্তিবিলাক সবল কৰি ৰাখে। এই ভিটামিনবোৰ দৈনন্দিন ব্যৱহাৰ কৰা খাদ্যৰ তালিকাত পোৱা যায়। আমাৰ শৰীৰৰ লাগতিয়াল ভিটামিনবোৰ হ'ল-A,B,C, D, E আৰু K । আমাৰ খাদ্য তালিকাত যদি এই ভিটামিনবোৰ নাথাকে, তেতিয়া আমাৰ শৰীৰত বিভিন্ন ধৰণৰ ৰোগে আশ্ৰয় লবলৈ সুবিধা পায়। প্ৰ'টিন, অক্সিজেন, কাৰ্বহাইড্ৰেট, পানী, চৰ্বি আৰু কিছুমান নিৰ্দিষ্ট ধাতৱ আৰু অজৈৱ পদাৰ্থ আমাৰ দেহৰ ক্ষমতা ৰক্ষাৰ বাবে অতি লাগতিয়াল। ইয়াৰ উপৰিও আমাৰ শৰীৰত স্বাভাৱিক জৈৱ যৌগ পৰিপোষক অতি আৱশ্যকীয়। এই অতি আৱশ্যকীয় পৰিপোষক শ্ৰেণীৰ নাম হৈছে ভিটামিন।

ভিটামিনবোৰৰ বেছিভাগেই আমাৰ শৰীৰে উৎপন্ন কৰিব নোৱাৰে। ভিটামিনে কোষৰ পেশী গঠন অথবা শক্তি যোগান কোনোটোৰে সহায় নকৰে। তথাপিও মানুহ আৰু জীৱ-জন্তুৰ সু-স্বাস্থ্য অটুট ৰখাত ই বিশেষ ভূমিকা পালন কৰে। ভিটামিন জীৱৰ দেহত সংশ্লেষণ হোৱাৰ বিপৰীতে উদ্ভিদে প্ৰায়বোৰ ভিটামিনেই সংশ্লেষণ কৰিব পাৰে। আকৌ ভিটামিনবোৰ সংশ্লেষিত কৰি বজাৰত পীল বা কেপচুল হিচাপে বিক্ৰী কৰে। কিন্তু ডাক্তৰৰ উপদেশ অবিহনে এই কেপচুল সেৱন কৰা উচিত নহয়। কিয়নো অতিৰিক্ত ভিটামিনে আমাৰ শৰীৰটো ক্ষতি কৰিব পাৰে।

**ভিটামিন আৱিস্কাৰৰ আঁৰৰ কাহিনী ঃ**

১৯১০-১১ চনৰ ছাৰ গাওলেণ্ড হপকিন্সে এন্দুৰৰ ওপৰত এটা পৰীক্ষা চলাইছিল। তেওঁ দেখুৱালে যে- প্ৰ'টিন, কাৰ্বহাইড্ৰেট, চৰ্বি আৰু অজৈৱ পদাৰ্থৰ যোগান ধৰি এন্দুৰবোৰৰ বৃদ্ধি ঘটাব নোৱাৰি, কিন্তু লগতে গাখীৰ যোগান ধৰিলে এন্দুৰবোৰৰ ওজন তিনি গ্ৰাম বাঢ়ে। তেওঁ ধৰিব পাৰিলে যে, আন চাৰিবিধ পৰিপোষকত নথকা বস্তু গাখীৰত নিশ্চয় আছে। গাখীৰত থকা এই পদাৰ্থ বিধৰ বাবেই এন্দুৰবোৰৰ স্বাস্থ্য ভাল হৈ থাকিল আৰু আন পৰিপোষকযুক্ত আহাৰ খাইয়ো এন্দুৰবোৰ বাঢ়িব পৰা নাছিল।

এই পৰীক্ষাটোৰে প্ৰমাণ কৰিলে যে, প্ৰ'টিন, কাৰ্বহাইড্ৰেট, চৰ্বি, অজৈৱ আৰু ধাতৱ পদাৰ্থৰ বাহিৰেও শৰীৰক আন এবিধ অত্যাৱশ্যকীয় পদাৰ্থৰ যোগান লাগে, যাৰ অভাৱত স্বাস্থ্য হানি হয়, এই পদাৰ্থ বিধেই হ'ল ভিটামিন।

কলেৰা, জ্বৰ, মেলেৰিয়া আদি ৰোগ বীজাণুৰ দ্বাৰা হয়। কিন্তু কিছুমান বেমাৰ যে শৰীৰত কিবা বস্তুৰ অভাৱৰ বাবে হয়, ভিটামিনবোৰ আৱিস্কাৰ হোৱাৰ আগেয়ে মানুহে তাক জনা নাছিল। বেৰি-বেৰি, স্কাৰ্ভি, কুকুৰীকণা আদি ৰোগ শৰীৰত কোনোবা নহয় কোনোবা এটা ভিটামিনৰ অভাৱৰ বাবেই হয়। ভিটামিনৰ এই অভাৱ পূৰণ কৰি দিলেই শৰীৰৰ ৰোগবোৰ নিৰাময় হয় আৰু শৰীৰটো সুস্থ হ'বলৈ ধৰে।

ভিটামিনৰবোৰক দুটা ভাগত ভাগ কৰা হৈছে-

ক) চৰ্বিত দ্ৰৱণীয় ঃ- যেনে- ভিটামিন A, ভিটামিন D, ভিটামিন E আৰু ভিটামিন K।

খ) পানীত দ্ৰৱণীয় ঃ- যেনে- ভিটামিন B আৰু ভিটামিন C।

ভিটামিন A

ভিটামিন A ৰ অভাৱত কুকুৰীকণা ৰোগ হয়। এনে অসুখত চকু ৰঙা পৰে আৰু বহুত দিনীয়া হ'লে মানুহ কণা হৈয়ো যাব পাৰে। আকৌ বৃদ্ধিৰ বাবেও ভিটামিন A বৰ আৱশ্যক।

**ভিটামিন A ৰ উৎস ঃ**

আমাৰ শৰীৰে ভিটামিন A দুটা উপায়েৰে পাব পাৰে- প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে। জন্তুৰ লিভাৰ, গাখীৰৰ পৰা তৈয়াৰ কৰা বস্তু যেনে- ঘিঁউ, মাখন আৰু মাছৰ তেল আৰু কণীৰ পৰা খাদ্য হিচাপে প্ৰত্যক্ষভাৱে আমাৰ শৰীৰে ভিটামিন A আহৰণ কৰিব পাৰে। আনহাতে, হালধীয়া, ৰঙচুৱা, সেউজীয়া ৰঙৰ শাক-পাচলি আৰু পকা ফল মূলত থকা কেৰ'টিন নামৰ ৰঙীন পদাৰ্থ বিধৰ পৰা শৰীৰে পৰোক্ষভাৱে ভিটামিন A আহৰণ কৰে।

ভিটামিন A পাবলৈ হ'লে, নিৰামিষভোজী সকলে সততে গাজৰ, কেঁচা শাক-পাচলি, ফল-মূল, মাখন আদি খাব লাগে।

**ভিটামিন** B

এইবোৰ হ'ল- $B_1$ (থায়ামিন), $B_2$ (ৰাইব'ফ্লেভিন), $B_3$ (নিক'টনিক এছিড), $B_5$ (পেন্টাথৈনিক এছিড), $B_6$ (পিৰিডক্সিন), $B_{12}$ (ছায়েন'ক'বাল এমিন), ভিটামিন H (ডায়টিন) আৰু ভিটামিন M (ফ'লিক এছিড)

$B_1$ ভিটামিনৰ আৱিস্কাৰৰ কাহিনী হ'ল- যোৱা শতিকাৰ শেষ ভাগত জাপানী নৌ বাহিনীত বেৰি বেৰি নামে এবিধ বেমাৰে ভয়াবহ ৰূপ ধাৰণ কৰিছিল। এইবোৰৰ লক্ষণ হ'ল- ভৰি অচল হৈ পৰে, গা-দুৰ্বল হয় আৰু অৱশেষত হৃদযন্ত্ৰ আক্ৰান্ত হৈ মৃত্যু মুখত পৰে। টাকাকি নামৰ নৌ-বাহিনীৰে এজন উচ্চ পদস্থ ডাক্তৰৰ মনত খেলালে যে এই বেমাৰৰ উৎস খাদ্যতহে থাকিব পাৰে। তেওঁ ইয়াক প্ৰমাণ কৰিবলৈ দুখন জাহাজ সাজু কৰি এক দীঘলীয়া ন-মহীয়া যাত্ৰাৰ আৰম্ভ কৰিলে। এখনৰ খাদ্যৰ তালিকাত জাপানীৰ প্ৰচলিত খাদ্যকে ৰখা হ'ল আৰু আনখনত চাউলৰ মাত্ৰা কমাই শাক-পাচলি, মাংস আৰু গাখীৰৰ মাত্ৰা বঢ়োৱা হ'ল। তাৰ পাছত দেখা গ'ল যে- প্ৰথম জাহাজখনৰ ১৯৬৯ জনৰ বেৰিবেৰি ৰোগ হ'ল আৰু আনখন জাহাজৰ ১৪ জনৰহে এই ৰোগ দেখা দিলে, তাকো এই বেমাৰ হ'ল তেওঁলোকৰ নিজৰ দোষত।

টাকাকিৰ পৰীক্ষাই এটা ডাঙৰ সত্যৰ সন্ধান দিলে। খাদ্যত বৈষম্যৰ বাবেই যে বেৰিবেৰি ৰোগ বিধ হ'ল, সেই কথা গম পালে। কিন্তু কোনটো পৰিপোষকৰ অভাৱে ৰোগবিধ সৃষ্টি

কৰিলে, তাৰহে কোনো তথ্য পোৱা নগ'ল।

**ভিটামিন $B_1$ ৰ অভাৱত কি কি হয়?**

ভিটামিন $B_1$ ৰ অভাৱত খিংখিঙীয়া স্বভাৱ, এলাহ, ল'ৰা-বুঢ়া সকলৰ পেটৰ অসুখ, কৌষ্ঠ কাঠিন্য, অলপতে ভাগৰ লগা, অনিদ্ৰা, হৃদযন্ত্ৰৰ দুৰ্বলতা, আদি হ'ব পাৰে।

মিলত বনা চাউল, মাটিমাহ, মটৰ মাহ, মচুৰ মাহ, চয়াবিন, মাছ, কণী, মাংস, চিৰা ইত্যাদিয়েই হৈছে এই বেমাৰৰ উত্তম আহাৰ।

**ভিটামিন** $B_2$

এই ভিটামিনৰ অভাৱ হ'লে জিভা ৰঙা পৰি ঘা হয়, চকু ৰঙা পৰে, ওঁঠৰ দুয়ো কোৱাৰি ফাটি ৰঙা পৰে, কাণৰ লতি ৰঙা পৰি তাত খজুৰতি হয়।

ভিটামিন $B_2$ থকা কিছুমান খাদ্য হ'ল- আটা, গাখীৰ, মাংস, কণী, পালেং, শাক, লিভাৰ, পণীৰ, ইষ্ট ইত্যাদি।

**ভিটামিন** $B_3$

এই ভিটামিনৰ অভাৱত হাতৰ ছাল কঠুৱা আৰু শুকান হয় আৰু ৰঙা পৰি উঠে। জিভা ৰঙা পৰে আৰু ঘা লাগে।

এই ভিটামিনৰ খাদ্যৰ তালিকা হ'ল- কল, আম, কঠাল, বেঙেনা, গাখীৰ, মধুৰিয়াম, আম, মাছ, ফুলকবি, আলু, উখোৱা চাউল, ঘেঁহু, লিভাৰ আদি।

**ভিটামিন** C

ভিটামিন C অভাৱত স্কাৰ্ভি নামে এবিধ বেমাৰে দেখা দিয়ে। দীঘলীয়া সমুদ্ৰ যাত্ৰাৰ আটাইতকৈ ভয় লগা ব্যাধি আছিল স্কাৰ্ভি। ভাস্কো-ডা-গামাই ভাৰতবৰ্ষলৈ আহোঁতে, তেওঁৰ লগত অহা দুই তৃতীয়াংশ মানুহৰে স্কাভি নামৰ বেমাৰত মৃত্যু ঘটিল। এই ভিটামিনৰ অভাৱ হ'লে দাঁতৰ গুৰিয়েদি তেজ ওলায়, আলু উখহে, ঘা শুকাবলৈ দেৰি লাগে ইত্যাদি।

ভিটামিন C থকা কিছুমান খাদ্য হ'ল- বিলাহী, নেমু টেঙা, সুমথিৰা, ফুলকবি, তিতা কেৰেলা, গাজী বুটমাহ, গাজী মগুমাহ, আমলখি, বন্ধাকবি ইত্যাদি।

**ভিটামিন D বা কেলছিফেৰল ঃ**

ভিটামিন D ৰ অভাৱত সৰু ল'ৰা-ছোৱালীৰ ৰিকেটচ আৰু পূৰ্ণবয়স্কৰ হ'লে 'অষ্টিয় মেলেৰিয়া' নামৰ এবিধ বেমাৰ হয়। ৰিকেটছ হ'লে ল'ৰা-ছোৱালীৰ পয়া লাগে।

ভিটামিন D য়ে অস্থি সংগঠনত কেলছিয়াম আৰু ফচফৰাছৰ যোগান আৰু পৰিমাণ নিয়ন্ত্ৰণ কৰে। এই ভিটামিনৰ অভাৱ ঘটিলে ল'ৰা-ছোৱালীৰ হাড়বোৰ লেহুকা হয়, মূৰটো ডাঙৰ, ভৰি দুটা ধেনুভিৰীয়া হয়। সূৰ্যৰ পোহৰ বেছিকৈ নেপালেই ৰিকেটছ হয়। ভিটামিন D সকলো বয়সৰে মানুহৰ বাবে অতি প্ৰয়োজন। শিশু, মাতৃ গৰ্ভৱতী তিৰোতাৰ বাবে ই বৰ লাগতিয়াল।

ভিটামিন D থকা কিছুমান খাদ্য হ'ল- মাখন, কণীৰ কুহুম আদি।

**ভিটামিন** E

ভিটামিন E ৰ অভাৱ হ'লে মানুহৰ পেশী দুৰ্বল হ'ব পাৰে।

ভিটামিন E যুক্ত খাদ্যৰ তালিকা হ'ল- ঘেঁহুৰ বীজ, জলফাই তেল, লেটুছ শাক আদি।

**ভিটামিন** K (মেনাডিয়ান)

ভিটামিন K ৰ অভাৱত আমাৰ দেহত কটা-ছিঙা ঠাইত তেজৰ চেকুৰা বান্ধে আৰু তেজ ওলোৱা বন্ধ নহয়। তেজৰ চেকুৰা বন্ধাৰ কাৰণে প্ৰথ্ৰ'ম্বিন (Prothrombin) নামৰ এবিধ প্ৰ'উৎসেচকৰ প্ৰয়োজন। ভিটামিন K য়ে প্ৰথ্ৰ'ম্বিন প্ৰস্তুতকৰণত সহায় কৰে। ভিটামিন K শৰীৰতো উৎপন্ন হয়।

ইয়াৰ খাদ্য তালিকা হ'ল- আলু বিলাহী, বেঙেনা, গাজৰ, পালেং শাক আদি।




এই সংবাদ মাধ্যম সমূহে এখন সমাজৰ প্ৰাণশক্তি

সস্তীয়া জনপ্ৰিয়তাৰ দৌৰত বৰ্তমানৰ সংবাদ মাধ্যমৰ বাক্ স্বাধীনতাৰ উপভোগ

# সাম্প্ৰতিক সময়ত সংবাদ জগত

দেৱাশিষ তামুলী

সময় গতিশীল। সময়ৰ সোঁতত আমিবোৰ প্ৰবাহমান আৰু তাৰ ব্যতিক্ৰম নহয় সংবাদ মাধ্যম সমূহো। সেই গোটেনবাৰ্গৰ ছপাশালত ছপা মাধ্যমে প্ৰাণ পাই উঠাৰ যি এক দীঘলীয়া ইতিহাস, এই ইতিহাসৰ বুকুত নিহিত হৈ আছে ক্ৰমান্বয়ে ছপা মাধ্যম, বৈদ্যুতিক মাধ্যম আৰু সাম্প্ৰতিক সময়ৰ জনপ্ৰিয়তাৰ দৌৰত থকা সামাজিক মাধ্যমৰ এক দীঘলীয়া বৰ্ণনা। সংবাদ মাধ্যম বুলি কোৱাৰ লগে লগেই আমাৰ মন মগজুলৈ প্ৰথমেই অহা কথাষাৰ হৈছে- জনতাৰ সংসদ, কণ্ঠহীনৰ কণ্ঠ, দৰিদ্ৰ আৰু সাধাৰণ শ্ৰেণীৰ বাবে যেন মুখৰ মাত। তাহানিতে অসমত সংবাদ পত্ৰৰ যোগেদি একো একোটা যুগ সৃষ্টি হোৱাৰো প্ৰমাণ আছে- অৰুণোদয় যুগ, জোনাকী যুগ, ৰামধেনু যুগ, আৱাহন যুগ ইত্যাদি।

সংবাদ মাধ্যম এখন গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ, যাৰ নিজস্ব এক স্বাধীনতা আছে। সংবাদ মাধ্যমৰ স্বাধীনতা এক সুস্থ, সবল গণতন্ত্ৰ গঢ়ি তোলাৰ বাবে অত্যন্তপ্ৰয়োজনীয়। তাহানিতে নেপলিয়নেও এষাৰ কথা কৈছিল- 'হাজাৰ তৰোৱালতকৈ কলম শ্ৰেষ্ঠ'।

আজি সমগ্ৰ বিশ্বৰ প্ৰায় বিলাক দেশতেই সংবাদ মাধ্যম আৰু সংবাদকৰ্মী সকলক কিছুমান বিশেষ অধিকাৰ আৰু সংবাদ প্ৰচাৰত স্বাধীনতা প্ৰদান কৰা হৈছে। তাৰ বাবে ৰাষ্ট্ৰ সংঘই হওঁক বা একো একোখন দেশৰ সংবিধানেই হওঁক কেতবোৰ নীতি-নিদেৰ্শনা জাৰি কৰিছে। অৱশ্যে বহু সময়ত জনগণ সংবাদ মাধ্যমৰ প্ৰতি বিতুষ্ট হলেও শেষ আশা ৰূপে বাতৰি কাকত, টেলিভিছন চেনেল আদিৰ ওপৰতে নিৰ্ভৰশীল হোৱা দেখা যায়। প্ৰযুক্তিবিদ্যা, আৰ্থ সামাজিক দিশ আদিৰ পৰিৱৰ্তনে আজিৰ সংবাদ মাধ্যমৰ নিজৰ গতি, প্ৰকৃতিৰ লগতে লক্ষ্য, উদ্দেশ্যৰো বহুখিনি সাল-সলনি কৰা পৰিলক্ষিত হৈছে। ইন্টাৰনেট, ই-মেইল, ৱাৰ্টছআপ, ফেচবুক আদিয়ে এহাতে সংবাদ মাধ্যমলৈ যিদৰে সম্ভাৱনা কঢ়িয়াই আনিছে, ঠিক সেইদৰে তাৰ সমান্তৰালকৈ ভাবুকিও কঢ়িয়াই অনা দেখা গৈছে। কোনোবাখিনিত হেৰাই গৈছে তাহানিৰ দৰে সেই ছপা মাধ্যম আৰু বৈদুতিক মাধ্যমৰ মাদকতা। বহু সময়ত দেখা যায় যে ছপা মাধ্যম আৰু বৈদ্যুতিক মাধ্যমে ছচিয়েল মিডিয়াত প্ৰকাশিত কেতবোৰ মন্তব্য, সমালোচনা আদিৰ আঁত ধৰিয়েই বিভিন্ন প্ৰবন্ধ, বাতৰি, টকশ্ব' আদিৰ আয়োজন কৰে। অৱশ্যে বহুতে ছচিয়েল মিডিয়াক আকৌ বিনোদনৰ বাবেহে ব্যৱহাৰ কৰে। আনহাতে এচামে আকৌ সামাজিক মাধ্যমৰ যোগেদিয়েই অত্যন্ত নেতিবাচক





আলোচনা তথা সাম্প্ৰদায়িক বিবাদ সৃষ্টিকাৰী কথা বতৰাৰে এক অস্থিৰ পৰিৱেশৰো সৃষ্টি কৰে। ব্যক্তিৰ স্বাধীনতা, মত প্ৰকাশৰ অধিকাৰক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু এই স্বাধীনতাৰ অপ প্ৰয়োগে যদি সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, তেন্তে সেয়া কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। বৰঞ্চ ই সমাজৰ বাবে ক্ষতি কাৰকহে হৈ পৰে।

এই সংবাদ মাধ্যম সমূহে এখন সমাজৰ প্ৰাণশক্তি উজ্জীৱিত কৰে, চেতনা জাগ্ৰত কৰে, এক দৃষ্টিভংগী গঢ়ি তোলাত যথেষ্টখিনি সহায় কৰে। ভাৰতবৰ্ষৰ ক্ষেত্ৰতেই যদি আমি চাবলৈ যাওঁ, প্ৰাক্ স্বাধীন কালৰে পৰা সাম্প্ৰতিক সময়লৈকে সংবাদ মাধ্যমে সমকালীন ঘটনা, ৰাজ্যিক সমস্যাৰ উপস্থাপন, বিশ্লেষণ আৰু সমালোচনাত্মক প্ৰবন্ধ, বিভিন্ন আলোচনামূলক অনুষ্ঠান আদিৰ যোগেদি নিজস্ব দায়িত্ব পালন কৰি আহিছে। তেল শোধনাগাৰ আন্দোলন, বিদেশী বহিস্কাৰৰ আন্দোলন, বিভিন্ন দুৰ্নীতি কেলেংকাৰী উন্মোচনৰ পৰা বৰ্তমানৰ নদীবান্ধ আন্দোলন, নাগৰিকপঞ্জী প্ৰস্তুতকৰণ, হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদান, কৰ'নাকালীন সময়ৰ বিভিন্ন বা-বাতৰি প্ৰকাশ আদি বিভিন্ন দিশ সমূহৰ সন্দৰ্ভত জনমত তৈয়াৰ কৰাৰ ক্ষেত্ৰতেই হওঁক জনগণৰ মাজত সজাগতা সৃষ্টি কৰাৰ ক্ষেত্ৰতেই হওঁক, সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকা সঁচাকৈয়ে অপৰিসীম

আৰু প্ৰশংসনীয়। তথাপি সময়ৰ বতাহজাকে যেন বহুখিনি সলনি কৰি দিয়ে নিমিষতে। গতিশীল সময়ৰ বুকুত যেন ধীৰে ধীৰে হ্ৰাস হ'ব ধৰিছে সংবাদ মাধ্যমৰ স্বাধীনতাও। হ্ৰাস হ'ব ধৰিছে সংবাদকৰ্মী সকলৰ স্বাধীনতা, খৰ্ব হ'ব ধৰিছে তেওঁলোকৰ অধিকাৰ। সমাজৰ এচাম শক্তিশালী ব্যক্তিৰ যেন হাতৰ পুতলালৈ পৰিণত হৈছে সংবাদ জগতখন। যাৰ ফলস্বৰূপে সমাজত দিনে দিনে বৃদ্ধি পাইছে সাংবাদিকৰ হত্যা, অপহৰণ, সংবাদ কৰ্মীৰ ওপৰত অত্যাচাৰ আদিৰ দৰে বহু জঘন্য ঘটনা। তদুপৰি সাম্প্ৰতিক সময়ত বহু ৰাষ্ট্ৰতে সংবাদ মাধ্যমে কৰ্পৰেট দৰ্শনেৰে পৰিচালিত হোৱা দেখা যায়। এনে অৱস্থাত সংবাদ জগতখনত সাধাৰণ শ্ৰেণী লোকৰ কথা বতৰাই স্থান লাভ কৰাৰ বিপৰীতে কৰ্পৰেটৰ স্বাৰ্থ সুৰক্ষিত কৰা, বিনোদন, ৰিয়েলিটি শ্ব আদি দিশ বিলাকেহে অধিক গুৰুত্ব লাভ কৰা পৰিলক্ষিত হয়। তাৰ ফলশ্ৰুতিত যেন বহুখিনি প্ৰয়োজনীয় বিষয় আলোচনাৰ পৰা বঞ্চিত হৈছে।

২০২০ চনত প্ৰকাশিত world press freedom index অৰ্থাৎ বিশ্বজুৰি সংবাদ মাধ্যমৰ স্বাধীনতা সূচাংকত ভাৰতে ১৮০ খন দেশৰ ভিতৰত ১৪২ নম্বৰ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ই এক অত্যন্ত চিন্তনীয় বিষয়। সংবাদ মাধ্যম, যাক সমাজৰ দাপোণ আখ্যা দিয়া হয়। সেই বৃত্তিৰ লগত জড়িত ব্যক্তিৰ হত্যা বা তেওঁলোকৰ ওপৰত অত্যাচাৰ মানেই সেই দাপোণ ধ্বংস কৰা। বিভিন্ন সূত্ৰৰ যোগেদি প্ৰকাশিত এক তথ্য অনুসৰি ২০১৮ চনত সাংবাদিকৰ হত্যা হোৱা দেশসমূহৰ তথ্য তালিকাত ভাৰত পঞ্চম স্থানত আছিল। পৃথিবীৰ বৃহত্তম গণতান্ত্ৰিক দেশ সাংবাদিকৰ হত্যা হোৱা দেশ সমূহৰ তালিকাত পঞ্চম স্থানত থকাটো এক অত্যন্ত দুৰ্ভাগ্যজনক তথা লজ্জাজনক কথা আৰু এনে ঘটনা বৰ্তমান সময়ত অধিক হাৰত বৃদ্ধিহে হৈছে। এনেবোৰ ঘটনাই সাংবাদিক সকলৰ মনত ভয়ৰ সৃষ্টি কৰিছে আৰু স্বাধীনভাৱে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত বহুখিনি বাধাৰ সন্মুখীন হৈছে। লগতে ই সংবিধানৰ অনুচ্ছেদ ১৯ (১) (ক) ৰ অন্তৰ্গত মৌলিক অধিকাৰ 'বাক্ স্বাধীনতা'ৰ উপভোগ কৰাৰ ক্ষেত্ৰটো ব্যাঘাত জন্মাইছে। অধিকাৰৰ সমান্তৰালভাৱে আকৌ দায়িত্বৰ কথাও আহি পৰে। বহু সময়ত সংবাদ মাধ্যমে নিজৰ দায়িত্ব সঠিকভাৱে পালন নকৰা বা পালন কৰাত ব্যৰ্থ হোৱাও পৰিলক্ষিত হয়। সস্তীয়া জনপ্ৰিয়তাৰ দৌৰত বৰ্তমানৰ সংবাদ মাধ্যমৰ অধিকাংশই সততে সমাজৰ যিখন ছবি দাঙি ধৰে প্ৰকৃততে তাৰ বহুবোৰেই প্ৰায় অৰ্থহীন। বৰ্তমান সংবাদ মাধ্যমৰ মজিয়াৰ পৰা যেন নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, স্বাস্থ্য, শিক্ষা আদিৰ দৰে বিভিন্ন প্ৰয়োজনীয় বিষয়ৰ ওপৰত আলোচনা বা বাতৰি প্ৰকাশৰ পৰিমাণ হ্ৰাস পাব ধৰিছে আৰু তাৰ পৰিৱৰ্তে লাহে লাহে মন্দিৰ, মছজিদ, হিন্দু-মুছলমান, ৰাজনীতিৰ মেৰপাক আদি কথাবোৰেহে বেছিকৈ ঠাই দখল কৰিছে। গতিকে এইয়া এক চিন্তনীয় বিষয় যে, এখন সমাজৰ উন্নয়নৰ হকে প্ৰকৃততে কোনবোৰ দিশে বেছিকৈ ঠাই দখল কৰিছে, কোনবোৰ দিশ বেছিকৈ প্ৰয়োজনীয়? সেয়েহে সংবাদ মাধ্যম সমূহে নিজৰ দোষবোৰ চালি-জাৰি চাই এই সকলোবোৰ কথাক গুৰুত্ব সহকাৰে লোৱাটো অত্যন্ত প্ৰয়োজনীয়। গণতন্ত্ৰৰ প্ৰতি থকা নিজৰ দায়িত্বক নিষ্ঠা সহকাৰে পালন কৰি নিজ উদ্দেশ্য আৰু লক্ষ্যৰ পৰা বিচলিত নোহোৱাটোৱেই শ্ৰেষ্ঠ।



# Group of Twenty (G20)

Manash Ranjan Boruah




The G20 or Group of 20 is an inter-governmental forum comprising 19 sovereign countries, the European Union (EU), and the African Union (AU). It works to address major issues related to the global economy, such as international financial stability, climate change mitigation and sustainable development.

The G20 is composed of most of the world's largest economies' finance ministries, including both industrialised and developing countries; it accounts for around 80% of Gross World Product (GWO), 75% of international trade, two-thirds of the global population, and 60% of the world's land area.

The G20 was founded in 1999 in response to several world economic crises. Since 2008 it has convened at least once a year, with summits involving each member's head of government or state, finance minister or foreign minister, and other high-ranking officials; the EU is represented by the European Commission and the European Central Bank. Other countries, international organizations, and non-governmental orgnizations

are invited to attend the summits of G20 so that important issues can be discussed in this platform.

In its 2009 summit, the G20 declared itself the primary venue for international economic and financial cooperation. The group's stature has risen during the subsequent decades, and it is recognised by analysts as exercising considerable global influence. It is also criticised for its limited membership, lack of enforcement power, and for alleged undermining of existing international institutions.

In September 2023, at the 18th G20 summit Indian P.M. Narendra Modi announced that the African Union has been included as a member of the G20, making it the member. As of 2023, there are 21 members in the group: Argentina, Australia, Brazil, Canada, China, France, Germany, India, Indonesia, Italy, Japan, Mexico, South Korea, Russia, Saudi Arabia, South Africa, Turkey, United Kingdom, United States, African Union, Europan Union.

In addition to these 21 members, the chief executive officers of several other international forums and institutions participate in meetings of the G20. Some examples of those participants are the managing director and chairman of the International Monetary Fund, the president of the World Bank, and the Chairman of the Development Assistance Committee.

India's G20 presidency has marked a significant milestone in its global leadership role. With India taking the presidency for the first time, steering discussions and initiatives among the world's major economies to address complex challenges were taking place. With its diverse economy, technological prowess, and commitment to sustainable development, India is positioned to bring unique perspectives to the table. During the presidency, India has focused on various issues like inclusive growth, digital innovation, climate resilience and equitable global health access. By leveraging it's presidency, India is fostering collaborative solutions that not only benefit its own population but contribute to the broader global well-being, reinforcing its spirit of "Vasudhaiver Kutumbakam" or the "World is one Family" or "One Earth one family one future".

Y20 Sumit under G20 was held from $17^{th}$ to $20^{th}$ August 2023 under the Presidency of India in Varanasi. Here, 19 Nations and the European Union took part in this Summit.

The 2023 G20 New Delhi Sumit was held between $09^{th}$ and $10^{th}$ September 2023 at Bharat Mandapam International Exhibition Convention Centre in New Delhi.

The G20 New Delhi Leader's Declaration has emphasized on the change of lifestyle for the environment, implementation of sustainable energy transition, and sustainable development goals, addressing plastic pollution, preserving the ocean-based economy, and other issues. The next president of the G20 summit (2023-24) is the head of the state of Brazil.

# Story of Mathematics

Jimpi Borah

Mathematics is one of the common subjects that we study since our childhood. It is generally used in our daily life. Every person needs to learn some basics of it. Even counting money also includes math. Every work is linked with math in some way or the other.

Mathematics can be divided into two parts. The first is pure mathematics, and the second is applied mathematics. In pure mathematics, we need to study the basic concepts and structures of mathematics. On the other side, applied mathematics involves the applications of mathematics to solve problems that arise in various areas e.g. science engineering and so on.

One couldn't imagine the world without math. Math makes our lives systematic, and every invention involves math. No matter what action a person is doing, he should know some basic maths. Every profession involves maths. Our present-day world runs on computers, and even computer runs with the help of maths. Every development that takes place requires math.

Mathematics has a wide range of applications in our daily life. Maths generally deals with numbers. There are various topics in math, such as trigonometry, integration, differentiation, etc. All the subjects such as physics, chemistry, economy, and commerce involve maths in some way or the other. Math is also used to find the relation between two numbers, and math is considered to be one of the most challenging subjects to learn. Math includes various numbers, and many symbols are used to show the relation between two different numbers.

Math is complicated to learn, and one needs to focus and concentrate more. Math is logical sometimes, and the logic needs to be derived. Maths make our lives easier and more straightforward. Math is considered to be challenging and each symbol generally has its significance.

Some of the advantages of Math in our daily life are:

**1) Maraging money:** Counting money and calculating simple interest, compounding interest includes the usage of mathematics.

**2) Cooking:** Maths is even used in cooking as estimating the number of ingredients that have to be used is calculated in numbers.

**3) Home Modelling:** Calculating the area is essential in the construction of the home or home modelling.

**4) Travelling:** Distance between two places and time taken to travel also includes maths.

# Development of Science and Technology in Modern India

Mriganka Bora

Before considering the progress of science and technology in India since independence, it is necessary to understand what do we mean by the term of science and technology. Science can be defined as any systematic activity that seeks to gain knowledge about the physical world. Technology is that activity which seeks to put this knowledge in productive use. As these definitions show, science and technology are clearly interlinked in the present day world.

In India the role of science and technology in national development has been duly recognized by the government. The Second Five Year Plan emphasized that "the most important single factor in promoting economic development is the community's readiness to apply modem science and technology". In 1971, the Department of Science and Technology (DST) was set up to promote new areas of science and technology. Similarly State Councils of Science and Technology have also been established at the state levels. As part of the national policy, the government is promoting various research and development schemes to encourage scientific activities. In this section, we will take up some of the main areas in which scientific knowledge and modem technology have made an impact.

**Agriculture**

It is mainly because of the application of modern science and technology in agriculture that India is able to produce 135 million tonnes of food grains today as compared to 50 million tonnes thirty years ago. These applications range from the cultivation of hybrid seeds to energy management in agriculture and post-harvest technology. In these efforts the Indian Council for Agricultural Research has played a leading role. Through seventy three agricultural, thirty two veterinary, eight agricultural engineering and one dairy colleges, the ICAR has been playing a key role in the scientific education of the farmers as well as others engaged in different sectors of agriculture, animal husbandry, fisheries and forestry. The challenges that lie ahead in agriculture are in the areas of increasing the yields of rice, pulses, oilseeds and many cash crops; initiating plantations and promoting social forestry; and shifting from agriculture based on chemical fertilizers to organic fertilizers.

**Industry**

It is in the field of industry that modern science and technology made its earliest and most revolutionary impact. In India the government has consistently tried

touse modern science and technology for industrial development. Two government organisations- Council for Scientific and Industrial Research (CSIR) and Defence Research and Development Orgnisation (DRDO) cover between them a wide range of science and technology research for civil and defence purposes. A large number of items have emerged from CSIR laboratories for industrial production, suchas, indigenous agricultural machinery, chemicals, drugs and pesticides, products in the areas of food technology, furnished leather goods, glass and ceramics, colour television, and receiver sets. The research carried out in the field of coal, such as, upgrading of coal and extraction ofelectricity from coal has been effectively utilized. In the area of defence, India's own technological capability has increased considerably. The most recent example of such capability is the advanced research that is now being done to produce missiles in India. Some missiles have already been tested for further development.

**Nuclear Energy**

India's aim is to utilise nuclear energy for peaceful purposes. During the last sixty three years, since the establishment of the Atomic Energy Commission in 1948, India has made significant progress in the field of nuclear technology. In 1957, the Bhabha Atomic Research Centre (BARC) was established at Trombay. It is the largest single scientific establishment in the country. Nuclear power stations have already been established at Tarapur (Maharashtra), Kota (Rajasthan), Kalpakkam (Tamil Nadu), Narora (UP) and Kakrapar (Gujarat). Nuclear power in India is the fourth largest source of electricity after thermal, hydroelectric and renewable sources. India has 22 nuclear reactors operating in 8 nuclear power plants. The total installed capacity of nuclear power in India is 6780 MW. This produces 30,292.92 Gwh of electricity. 6 reactors are under construction, which are under construction, which are expected to produce additional 4,300 MW electricity.

**Space Technology**

The Indian space technology sector has seen significant growth and development over the past decades, with the Indian Space Research Organization (ISRO) at the forefront of the country's space program. As of March 2021, ISRO has conducted a total of 82 spacecraft launches including satellites, space probes and experimental payloads. ISRO has developed a range of satellite technologies, including communication, remote sensing, navigation and weather forecasting. ISRO has collaborated with several International Space agencies, including NASA, the European Space Agency (ESA) and the Russian Federal Space Agency (Roscosmos). India has made significant achievements in space exploration and technology since the establishment of the Indian Space Research Organization (ISRO) IN 1969. Some major achievements of the Indian space sector is –Launches of Chandrayaan-1 (2008), Launches of Mars Orbiter Mission (2013), Development of GSLV (Geosynchronous Satellite Launch Vehicle), Launch of Chandrayaan-2 (2019), Launch of PSLV-C51 (2021), Launch of Chandrayaan-3 (2023).

**Electronics**

Since independence, India has acquired the capability to produce a wide variety of electronic goods such as radio and television sets, communication systems, broadcasting equipments, radars, nuclear reactors, power control systems and underwater systems. A very large part of the components required for these are produced indigenously. The production of electronic goods has been growing at the rate of 18 per cent per annum over the past decade. Today we are even exporting electronic goods to different parts of the world. Further, computers have been introduced to improve efficiency and enhance production. Major facilities, recently set up, include the Semi Conductor Limited (Chandigarh), National Computer Centre (Bombay), National Information Centre (New Delhi) and a number of regional computer centres.

**Medical and Health Science**

In the field of medicine there have been many achievements. Major advances have been made in preventing and treating various diseases. Small pox has been eradicated. Treatment of diseases like tuberculosis, malaria, filaria, goitre, and cancer has been considerably improved. Research is being carried out to control communicable diseases. Research based activities have already increased life expectancy appreciably and death rate has declined, while schemes such as the immunization programme have reduced infant mortality considerably. Improved medical facilities in the form of government-run hospitals and dispensaries, research councils, and primary health centres for rural areas are also being provided.

**Ocean Development**

India has many interests in the field of ocean development, such as, exploration of offshore oil, fishery resources to increase food supplies, etc. A department of Ocean Development was established in 1981, under the charge of the Prime Minister, to coordinate and direct India's activities in the field of ocean research. This department has two vessels ORV Sagar Kanya and FORV Sagar Sampada, which have advanced facilities for working in the field of physical, chemical, biological, geological and geophysical oceanography and meteorology. India's achievements during the past few years include sea-bed mining using the research ship Gaveshna and setting up of research station named Dakshin Gangotri on the Antartica.

**Other Areas**

Apart from the major areas mentioned above, India has made much progress in several other fields as well. These include the activities of the Oil and Natural Gas Commission in oil exploration and refining and of the National Committee Environment Planning in environment protection and production of solar energy. A Central Ganga Aurthority has been set up to check pollution in the river Ganga by using sewage treatment plants.

**Evaluation of Progress of Science and Technology**

It is clear that progress of science and technology in India has been quite significant. Many new methods, products and better quality goods have been developed in the country. India has made rapid progress in the frontier areas of science and technology like space research and atomic energy. At present the country has a strong base in modem technology. It also has the third largest scientific and technical manpower in the world.

At the same time there have been some serious shortcomings in this progress. For instance in basic products like textiles and steel, India has been importing foreign technologies. Continuous import of foreign technology shows lack of ability to create new technology to suit our needs and this creates dependence on other countries. Excessive reliance on foreign technology is also visible in the important areas of defence, where the latest weapons are often imported from other countries. Apart from this weakness in creating new technology, India has also lagged behind in developing technology to meet the needs of the poor. In the area of housing for instance, India is yet to develop, low-cost technology to meet the needs of the poor who do not have houses. Advances in the fields of nuclear and space research are praiseworthy but these have not helped the poor people so far. We may say that the progress of modem science and technology have not, as yet, benefited the people of India equally.

# National Education Policy 2020

**Priyanka Saikia**

**Introduction:**

Education is fundamental for achieving full human potential, developing an equitable society, and promoting national development. Providing universal access to quality education is the key to India's continued ascent, and leadership on the global stage in terms of economic growth, social justice and equality, scientific advancement, national integration and cultural preservation. Universal high-quality education is the best way forward for developing and maximizing our country's rising talents and resources for the good of the individual, the society, the country and the world. India will have the highest population of young people in the world over the next decade, and our ability to provide high-quality educational opportunities to them will determine the future of our country.

The new National Education Policy was approved by the Union cabinet on 29 July 2020 to make a change in the country's education system. It will bring transformation reforms in the school and higher education system in the country.

**Features of NEP, 2020:**

* Ensuring universal access at all levels of schooling from preprimary school to Grade 12.
* Ensuring quality early childhood care and education for all children between 3-6 years.
* New curricular and pedagogical structure (5+3+3+4)

**Explanation of 5+3+3+4 structure:**

Children will spend five years in the foundational stage, 3 years in the preparatory stage, 3 years in the middle stage and 4 years in the secondary stage according to the new school education system outlined in NEP 2020.

**The main aim of NEP 2020:**

NEP 2020 aims to ensure that no child loses any opportunities to learn and excel because of the circumstances of birth or background.

**Benefits of New Education Policy:**

* Holistic Development
* Flexible Learning Pathways
* Reduced Curriculum Burden
* Inclusive Education
* Skill Development
* Professional Development Opportunities
* Enhanced Teaching Practices
* Integration of Technology.


**Principles of NEP 2020:**

The policy aims to create good human beings who are capable of rational thought and action and who own compassion and empathy, courage and resilience, scientific temper, and creative imagination with ethical values.

It also aims at building a sense of responsibility amongst the citizens who will help in building up a society that is equally inclusive of all and accepted by all. It also believes in building a good educational system with equipped technology, a stimulating environment, and good physical infrastructure.

**School Education:**

In school education, the policy focuses on the curriculum of experimental learning and critical thinking. The mid-day meal programmes will be introduced to preschool children. According to NEP 2020, the students should be taught in their mother tongue or regional language untill class 5.




**Higher Education:**

There are multiple proposals at the higher education level.

* NEP 2020 proposes a four-year multiple-disciplinary bachelor's degree in an undergraduate program with several exit options.
* M Phill to be discontinued.
* HECI is an education commission to be set up to regulate higher education.
* The National Testing Agency will now be guiding entrance tests like NEET, NET exams.
* To help foreign universities establish campuses in India.

**Conclusion of NEP 2020:**

We need to give more focus on practical learning rather than theoretical learning. Every student can get a quality education irrespective of his/her caste, gender and disability. Different learning techniques and experiments are used by the teachers in order to fulfil the needs of the learners. Freedom of choosing any subject/stream with no boundaries is the key to fulfil the interest of the learner and thereby becoming the human resource of the country.

The policy also proposes that all universities and colleges must aim to become multidisciplinary by 2040. This policy will boost employment in the country and will radically transform our education system.

# যুৱ উচ্ছৃংখলতাৰ বাবে দায়ী স্মাৰ্টফোন নে স্মাৰ্টফোনধাৰী যুৱক-যুৱতীৰ স্মাৰ্ট মানসিকতা

লিপিকা শইকীয়া

বৰ্তমান সময়ৰ সন্ধিক্ষণত থিয় হৈ সমাজখনলৈ চকু ফুৰালে দেখা যায়, এখন আতংকময়, বিপদসংকুল, পতনগামী ৰঙীণ কেনভাচ। তেজৰ ফাঁকুৰে ধুই যোৱা, শোষণৰ তুলিকাৰে সজোৱা, অপসংস্কৃতিৰ ৰঙেৰে জাক-জমকীয়া কৰি তোলা এখন ছবি।

যুৱসমাজ- যাৰ শক্তিক সাহস হিচাপে, যাৰ চিন্তাধাৰাক নতুন দিনৰ আদৰ্শ হিচাপে আৰু যাৰ যৌৱনৰ অফুৰন্ত সম্ভাৱনাক দেশৰ ভৱিষ্যত হিচাপে লৈ সমাজে নতুন পুৱাৰ সংস্কাৰমুখী স্বপ্ন দেখে, এই যুৱ সমাজ আজি বিপথগামী।

সমাজ সৃষ্টিৰ দিন ধৰি ভাল-বেয়া এই দুয়োটা দিশে বিশেষ প্ৰাধান্য পাই আহিছে। সভ্যতাৰ পোহৰে বাহিৰখন জাক জমকীয়া কৰিলেও হৃদয়ৰ কালিমাবোৰ আজিও সেই একেদৰেই আছে। সমাজ সংস্কাৰিত হৈছে সঁচা, কিন্তু এটা সমস্যা সমাধান হোৱাৰ সমান্তৰালভাৱে আন এটা নতুন ব্যাধিয়ে গা কৰি উঠিছে। আগতেও সমাজত হত্যা লুণ্ঠন আদি অভাৱনীয় ঘটনা ঘটিছিল, আজিও ঘটিছে। মাত্ৰ সেই ঘটনাবোৰত কিছু আধুনিকতা আৰু ৰহস্যৰ ছাঁ পৰিছে। কিন্তু সমাজৰ সেই বেয়া বোলা বস্তুবোৰ সমাজতেই আছে। আজি সমাজ সংস্কাৰৰ বাবে যি হাৰত অনুষ্ঠান প্ৰতিষ্ঠান আৰু সমাজ কৰ্মীৰ জন্ম হৈছে, তাৰ সমানুপাতিক হাৰত সমাজ কলুষিত হৈ গৈ আছে। এই সংস্কাৰমুখী প্ৰতিষ্ঠানবোৰৰ ভিতৰৰ চ'ৰা কিমান নিকা ! এই কথা কিন্তু সন্দেহৰ বাহিৰ নহয়। তেন্তে প্ৰকৃতাৰ্থত সমাজ সংস্কাৰিত হৈছেনে?

যুৱ উচ্ছৃংখলতা বৰ্তমান সময়ত

> গতিকে যুৱ মানসিকতা যদি সুস্থ হয়, স্মাৰ্টফোনজাতীয় সামগ্ৰীয়ে কোনো মানুহক বিপথগামী কৰিব নোৱাৰে। যুৱক-যুৱতীসকলৰ সুস্থ মানসিকতা গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰধান দায়িত্ব হ'ল ঘৰখনৰ। এইক্ষেত্ৰত স্কুলীয়া জীৱনৰ শিষ্টাচাৰেও প্ৰাধান্য বিস্তাৰ কৰে যদিও কলেজীয়া জীৱনত কিছু সংখ্যকে স্কুলৰ কঠোৰ শাসনৰ পৰা মুক্ত অনুভৱ কৰি সেই ভাল স্বভাৱ এৰি নষ্ট মানৱৰ শাৰীত থিয় দিয়া সততে দেখা যায়।

অতি দ্ৰুতভাৱে শিপাই যোৱা এক সামাজিক ব্যাধিৰূপে পৰিগণিত হৈছে। যান্ত্ৰিক সভ্যতাৰ এই আধুনিকতাৰ ৰণাঙ্গনত স্মাৰ্টফোনে জনপ্ৰিয়তাৰ এখন সুকীয়া আসন অধিকাৰ কৰিছে। আজি ডেকা বুঢ়া সকলোৰে হাতে হাতে স্মাৰ্টফোন। বৰ্তমান প্ৰেক্ষাপটত যুৱচামৰ বাবে ই এক মৌলিক প্ৰয়োজনৰূপে প্ৰতিফলিত হৈছে।

যুৱ উচ্ছৃংখলতাৰ বাবে বহুতো বস্তুক দায়ী বুলি ভবা হয় যদিও স্মাৰ্টফোনক বিশেষ দোষ দিয়াৰ মূলতে হ'ল- বয়োজ্যেষ্ঠসকলৰ মুখত সঘনে শুনা কিছুমান দায়সৰা মন্তব্য, যেনে- আজিকালি এই ম'বাইল ফোনটোৱে ল'ৰা-ছোৱালীক ধ্বংস কৰিলে ইত্যাদি ইত্যাদি......।

এনে মন্তব্যৰ গভীৰলৈ চকু ফুৰালে এটা প্ৰশ্নৰ উদয় হয়- "এটা যন্ত্ৰই কিদৰে মানুহক বিপথগামী কৰিব পাৰে! স্মাৰ্টফোন মানুহে সৃষ্টি কৰিছে, মানুহৰ নিৰ্দেশতহে যন্ত্ৰ পৰিচালিত হৈছে। তেন্তে ভুল কাৰ? স্মাৰ্টফোনৰ....?" কিন্তু মানুহৰ এই ধাৰণা সম্পূৰ্ণৰূপে ভুল বুলিও কোৱা টান, কিয়নো আজি মানৱে নিজৰ বিচাৰ বুদ্ধিক যন্ত্ৰৰ নিয়ন্ত্ৰণত ৰাখিছে। ফলত নিজৰ বিবেকে ভাল-বেয়া বিচাৰ কৰাৰ সামৰ্থ হেৰুৱাই স্মাৰ্টফোনৰ জৰিয়তে নানা অপকৰ্ম কৰিবলৈ কুণ্ঠাবোধ নকৰে, লগতে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ সময়খিনিৰ অপব্যৱহাৰ কৰে।

আধ্যাত্মিকতাবিহীন তথাকথিত আধুনিক শিক্ষা ব্যৱস্থা, বিশ্বব্যাপী বৰ্দ্ধিত সামাজিক সংযোজন ক্ষেত্ৰসমূহৰ বহুল প্ৰয়োগ, পাৰিবাৰিক তথা সামাজিক চৰম অনুশাসনহীনতা আদিকে যুৱ উচ্ছৃংখলতাৰ জন্মদাতা বুলিব পাৰি। সৌ সিদিনা গুৱাহাটীৰ বেলতলা বজাৰত দিন দুপৰতে বিদেশী যুৱতী যৌন নিৰ্যাতনৰ বলি হোৱা কাৰ্যই আমাৰ দেশৰ গৰিমাতে কালিমা সনা নাইনে? 'অতিথি দেৱো ভৱঃ'- ভাৱনাৰে উদ্বুদ্ধ আমাৰ জাতীয় স্বাভিমানক পদাঘাত কৰা নাইনে? যুৱ উচ্ছৃংখলতাৰ উদাহৰণ দিবলৈ গ'লে দ্বিতীয় এখন মহাভাৰত হ'ব।

গতিকে যুৱ মানসিকতা যদি সুস্থ হয়, স্মাৰ্টফোনজাতীয় সামগ্ৰীয়ে কোনো মানুহক বিপথগামী কৰিব নোৱাৰে। যুৱক-যুৱতীসকলৰ সুস্থ মানসিকতা গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰধান দায়িত্ব হ'ল ঘৰখনৰ। এইক্ষেত্ৰত স্কুলীয়া জীৱনৰ শিষ্টাচাৰেও প্ৰাধান্য বিস্তাৰ কৰে যদিও কলেজীয়া জীৱনত কিছু সংখ্যকে স্কুলৰ কঠোৰ শাসনৰ পৰা মুক্ত অনুভৱ কৰি সেই ভাল স্বভাৱ এৰি নষ্ট মানৱৰ শাৰীত থিয় দিয়া সততে দেখা যায়। এইক্ষেত্ৰত সেয়ে পিতৃ-মাতৃ নাইবা বয়োজ্যেষ্ঠসকল বিশেষ সচেতন হোৱা উচিত। যাতে ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰা আহৰণ কৰা সংস্কাৰেৰে সুস্থ মানসিকতাৰ অধিকাৰী হৈ সু-নাগৰিক হ'ব পাৰে।

এইদৰে যদি প্ৰতিঘৰ মানুহৰ সন্তানে নিজক যুৱ উচ্ছৃংখলতা নামৰ এই ৰোগৰ পৰা বচাই ৰাখি নিজক শুদ্ধ পথেৰে পৰিচালিত কৰে, তেন্তে যুৱ উচ্ছৃংখলতা নামৰ এই সামাজিক ব্যাধি দূৰতে বিদূৰ হ'ব। কোনো লোকে স্মাৰ্টফোনৰ দৰে ইলেক্ট্ৰনিক সামগ্ৰীক দোষ দি নিজৰ দায় সাৰিব লগা অৱস্থাৰ সৃষ্টি নহ'ব।

সেয়েহে আমি উঠি অহা প্ৰজন্মই সংকল্পবদ্ধ হ'ব লাগিব যাতে অপসংস্কৃতিৰ পৰা দূৰত থাকি নিজকে এজন সুস্থ নাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰোঁ। সময়ৰ আহ্বানত, নতুনৰ সন্ধানত আগুৱাই যাওঁতে যাতে আমি আমাৰ সংকল্প আৰু সমাজৰ প্ৰতি থকা দায়িত্বক জলাঞ্জলি দি পথভ্ৰষ্ট নহওঁ, তাৰ প্ৰতি আমি প্ৰত্যেকেই সচেতন হ'ব লাগিব। তেতিয়াহে আমি সাম্য, মৈত্ৰী আৰু ভাতৃত্ববোধৰ সুধাৰে সংপৃক্ত এখন শক্তিশালী সমাজৰ গৰাকী হ'ব পাৰিম।

# ডাইনী হত্যা

**দ্বীপশিখা দাস**

মানুহৰ সভ্যতাৰ ইতিহাস পাতনি মেলি চালে দেখা যায় যে যাদুবিদ্যা বা ঐন্দ্ৰজালিক বিশ্বাসে অতি প্ৰাচীন কালৰে পৰা মানুহৰ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগত আমি বহু আগুৱাই আহিলো, বহু উন্নত হ'লোঁ। কম সময়তে বহু টান কাম সহজে কৰিব পৰা হ'লোঁ। ইন্টাৰনেট ব্যৱহাৰৰ দ্বাৰা মুঠিতে পৃথিৱীখন সোমাই পৰিল। দূৰ-দূৰণিৰ খবৰ নিমিষতে পোৱা হ'ল। কিন্তু ইমান উন্নত হোৱাৰ পিছতো আমি অন্ধবিশ্বাসৰ ভাৰধাৰা আঁতৰ কৰিব পাৰ নাই। ডাইনী হত্যা, ভূতে ধৰা, ঔষধ কৰা আদি কিছুমান শব্দ আমাৰ সমাজৰ পৰা আঁতৰ হোৱা নাই। বিশেষকৈ গাঁও সমূহত ইয়াৰ প্ৰভাৱ বেছি।

'ডাইনী' শব্দটিৰ অভিধানিক অৰ্থ হ'ল নাৰী ভূত। বাংলা ভাষাচাৰ্য সুকুমাৰ সেনে কৈছে যে নাৰী ভূতৰ নাম হ'ল প্ৰেতনী। এই প্ৰেতনীৰ প্ৰসংগতে ডাইনীৰ কথা আহিছে। ডাইনীৰ মাজত মানুহ আছে, গন্ধৰ্ব আছে, দেৱী আছে আৰু প্ৰেতনী আছে। 'ডাইনী' শব্দটো 'ডাকিনী' শব্দৰ পৰা আহিছে, বংগীয় শব্দকোষৰ ব্যাখ্যা অনুসৰি ডাকিনী হৈছে কালীৰ গণবিশেষ, লগতে কোৱা হৈছে যে উপদ্ৰৱকাৰিণী নাৰীয়েই হ'ল ডাকিনী।

ডাইনী হত্যাৰ প্ৰাথমিক যুগ আছিল ১৪৮০ ৰ পৰা ১৭০০ চনৰ ভিতৰত। সমগ্ৰ বিশ্বৰ অনেক সংস্কৃতিত প্ৰাচীন আৰু আধুনিককাল জুৰি ডাইনী হত্যা হৈ আহিছে। মানুহ কুসংস্কাৰত আক্ৰান্ত হৈ ডাইনী বা যি ডাইনী বিদ্যা চৰ্চা কৰে, তাক হত্যা কৰি আহিছে অথবা বৰ্জন কৰি আহিছে। ডাইনী হত্যা বৰ্তমানেও আধুনিক সমাজত চলি আছে। ডাইনী হত্যাৰ ফলত আতঙ্কজনিত কাৰণত আচল ডাইনী বিদ্যা চৰ্চা কৰা লোকৰ সলনি অন্য সন্দেহজনক মানুহকো হত্যা কৰা হয়। প্ৰতিবছৰে বিশ্বত অসংখ্য মানুহ ডাইনী আখ্যা দি হত্যা কৰাৰ লগতে আমাৰ ভাৰতবৰ্ষতো ডাইনী হত্যাৰ নামত অজস্ৰ মানুহক শাৰীৰিক নিৰ্যাতন তথা হত্যা কৰা হয় আৰু এনে অপৰাধৰ অধিকাংশ নথিভুক্ত নহয়। ডাইনী হত্যা ইমানেই ভয়ংকৰ ব্যাধি যে অসমকে ধৰি উড়িষ্যা, ঝাৰখণ্ড, বিহাৰ, ছত্তিশগড়ত ডাইনী হত্যা ৰোধ কৰিবলৈ চৰকাৰে আইন প্ৰণয়ন কৰিবলৈ বাধ্য হৈছে। পিছে কেৱল আইন প্ৰণয়ন কৰি এই সামাজিক ব্যাধি নিৰাময় কৰিব নোৱাৰি।

অসমৰ প্ৰসংগত সাধাৰণতে দেখা যায় যে পিছপৰা গাঁও অঞ্চলত, বিশেষকৈ জনজাতি প্ৰধান এলেকাত কাৰোবাৰ



কোনো নৰিয়া হ'লে নিদান বিচাৰি কোনো স্থানীয় কবিৰাজ, ওজা বা বেজৰ ওচৰ চপা হয়। কবিৰাজে ঐন্দ্ৰজালিক ব্যৱস্থাৰে জৰা-ফুকা কৰি ৰোগী ভাল কৰিবলৈ চেষ্টা কৰি যেতিয়া বিফল হয়, তেতিয়া তেওঁ ৰোগীৰ গাত আন কু-প্ৰবৃত্তিৰ মানুহৰ নজৰ পৰিছে, কোনোবাই ধাৰা লগাইছে, ঔষধ পুতিছে বা সৰহ ক্ষেত্ৰত ডাইনী লম্ভিছে বুলি অপপ্ৰচাৰ চলায়। কবিৰাজৰ অপপ্ৰচাৰত ভোল গৈ মানুহে কোনো নাৰীক ডাইনী বুলি সন্দেহ কৰে আৰু সেই নাৰী গৰাকীক সামাজিকভাৱে অবৰ্ণনীয় অত্যাচাৰ চলায় বা প্ৰায়ে হত্যা কৰা হয়। ভাৰতবৰ্ষৰ প্ৰায়ে সকলো ৰাজ্যতে বিশেষকৈ বিহাৰ, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চুকে কোণে ডাইনীৰ বিশ্বাস এই একবিংশ শতিকাতো প্ৰবল।

বিভিন্ন ঠাইত বিভিন্ন কাৰণত ডাইনী বিশ্বাসৰ ধাৰণাই গঢ় লৈ উঠা মূল কাৰণ কেইটামান হ'ল-

ক) অন্ধবিশ্বাস
খ) শৈক্ষিক অনগ্ৰসৰতা
গ) অৰ্থনৈতিক দুৰাৱস্থা
ঘ) ৰাজনৈতিক চতুৰালী
ঙ) মনস্তাত্ত্বিক
চ) লিংগ বৈষম্য
ছ) অসুচল যাতায়ত ব্যৱস্থা
জ) দৰিদ্ৰতা

ডাইনী বিশ্বাস আৰু তৎজনিত নিগ্ৰহৰ ঘটনা অতীততো ঘটিছিল, আজিও ঘটি আছে আৰু অনাগত দিনতো যে নঘটিব তাক ন দি ক'ব নোৱাৰি। সেয়ে ডাইনী যে নাই, ই এটা ভুল বিশ্বাস। এই সম্পৰ্কে ভুক্তভোগী সমাজত কেনেদৰে সজাগতা আনিব পাৰি, তাৰে আহিলা চিনাক্ত কৰি কাৰ্যক্ষম কৰিব লাগে। ডাইনী বিদ্যাৰ আঁৰত যে কেৱল অন্ধবিশ্বাসেই জড়িত আছে সেয়া নহয়, এচাম লোকে এই বিদ্যাক সহজ উপায়েৰে ধন ঘটাৰ এক কৌশল হিচাপেও অৱলম্বন কৰিছে। অসমৰ ভিতৰুৱা অঞ্চলসমূহত সঘনে ডাইনী হত্যাৰ দৰে নিৰ্মম ঘটনা ঘটি আছে। সেয়ে কোৱা হয় যে এই প্ৰথা কেৱল পিছপৰা তথা অশিক্ষিত লোকসকলৰ মাজতহে বহুলভাৱে প্ৰচলিত এক প্ৰথা। কিন্তু লণ্ডন বা আমেৰিকাৰ দৰে দেশতো ডাইনী প্ৰথাৰ প্ৰচলনে এই কথা ভুল প্ৰমাণিত কৰিছে যে কেৱল পিছপৰা বা অশিক্ষিত লোকৰ মাজতে এই প্ৰথা সীমিত হৈ থকা নাই।

কেৱল অন্ধবিশ্বাসেই ডাইনী হত্যাৰ একমাত্ৰ কাৰণ নহয় বুলি ইতিমধ্যে সমাজ বিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাইছে। এই প্ৰথা গভীৰভাৱে শিপাই থকা এক সামাজিক ব্যাধি। এই প্ৰথাৰ বিৰুদ্ধে ৰাইজৰ সজাগতা আৰু উপযুক্ত গৱেষণামূলক অধ্যয়ন আৰু আলোচনাৰ দ্বাৰাহে নিৰ্মূল কৰিব পৰা যাব।

ডাইনী বিদ্যাৰ উৎপত্তিৰ আঁৰত বহু কাৰণ থাকিলেও মূলত ঃ ধৰ্মকেই প্ৰধান বুলি অভিহিত কৰিব লাগিব। কাৰণ অতীততে পৃথিৱীৰ প্ৰায় সমাজত প্ৰকৃতি পূজাই আছিল ধৰ্ম। অতীতত মানুহে পৃথিৱীক মাতৃ জ্ঞান কৰি প্ৰকৃতিৰ উপাদানসমূহ যেনে- গছ-গছনি, পশু পক্ষী, বায়ু পানীক পূজা কৰিছিল। তেওঁলোকৰ বিশ্বাস আছিল যে প্ৰকৃতিৰ এই উপাদানসমূহক পূজা পাতলৰ দ্বাৰা সন্তুষ্ট কৰি ৰাখিব লাগে, তেতিয়াহে সকলোৰে জীয়াই থাকি জীৱনটো উপভোগ কৰিব পাৰিব। এই প্ৰক্ৰিয়াত সামান্য বিজুতি ঘটা মানেই অশুভ শক্তিৰ প্ৰভাৱ বুলি মানুহে বিশ্বাস কৰিছিল। এই অশুভ শক্তিৰ ৰোধ কৰিবলৈ আন এক পূজা আৰম্ভ কৰে। তেওঁলোকে বিশ্বাস কৰিছিল যে এই অশুভ শক্তিয়ে কোনোবা এজনৰ দেহত প্ৰৱেশ কৰি তেওঁৰ দ্বাৰাই সকলোতে প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে তেওঁলোকৰ মাজতে এজনক এই অপশক্তিৰ বাহক হিচাপে বাছি উলিওৱা হয়, যি শাৰীৰিক ভাৱে অক্ষম বা ৰোগগ্ৰস্ত। তাৰ পাছত এই লোকজনকে ডাইনীৰ ৰূপত কল্পনা কৰি চলোৱা হয় অবৰ্ণনীয় অত্যাচাৰ আৰু শেষত নৃশংসভাৱে হত্যা কৰা হয়, কাৰণ মানুহজনৰ মৃত্যু মানেই ডাইনীৰ মৃত্যু।

একো একোটা ধৰ্মৰ নামত থকা ঈশ্বৰ তন্ত্ৰ বা ধৰ্মীয় প্ৰশাসন ধৰ্মতত্ত্ব, সেই সমাজত প্ৰচলিত আইন ধৰ্মৰ বুৰঞ্জী ইত্যাদি খৰচি মাৰি অধ্যয়ন কৰিলেহে এটা বিদ্যাৰ বিষয়ে বিশদভাৱে জানিব পৰা যাব। কেৱল অন্ধ বিশ্বাসক দোহাই দিয়েই বৰ্তমান সমাজত ডাইনী হত্যাৰ দৰে নাৰকীয় ঘটনা সংঘটিত হৈ থকা নাই। ব্যক্তিস্বাৰ্থ পূৰণৰ অজুহাততো ডাইনী হত্যা চলি আছে। পুনৰ দোহৰাৰ প্ৰয়োজন যে ডাইনী হত্যা আধুনিক সমাজৰ এক কলংক। সামাজিক ব্যাধি স্বৰূপে পৰিগণিত হোৱা এই প্ৰথাই চূড়ান্ত মানৱতাৰ অৱক্ষয়ৰ এক ভয়াবহ নিদৰ্শন দাঙি ধৰে। আধুনিকতাৰ শিখৰত দপ্‌দপাই থাকিও আজিও তথাকথিত মানুহৰ মন অন্ধবিশ্বাসৰ এন্ধাৰে আচ্ছন্ন কৰি ৰাখিছে। যাৰ পৰিণতিত এচাম দুৰ্ভগীয়াই প্ৰাণ দিব লগা হৈছে। আধুনিক সমাজৰ এক অভিশাপ স্বৰূপ এই ব্যাধি নাশিবলৈ সচেতন হওঁ আহক। আজিৰ আধুনিক শিক্ষাৰে শিক্ষিত যুৱচামৰ মাজৰ পৰাই পোখাই উঠক এই সচেতনতাৰ বীজ।



# উচ্ছৃংখল যুৱ মানসিকতা

মানস ৰঞ্জন বৰুৱা

সাম্প্ৰতিক সময়ত আমাৰ সমাজখনত দেখা দিয়া জ্বলন্ত সমস্যা সমূহৰ ভিতৰত উচ্ছৃংখল যুৱ মানসিকতা অন্যতম। কোনো এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে ঘাইকৈ দেশখনৰ যুৱ চামটোৰ ওপৰতেই। যুৱশক্তি এক বৃহৎ শক্তি। এখন দেশৰ যুৱক-যুৱতীসকলে সেই দেশখনৰ বা সমাজখনৰ অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন দিশত বিশেষ ভূমিকা পালন কৰে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে, যুৱক-যুৱতীসকলেই একোখন আদৰ্শ দেশৰ উন্নতিৰ চাবিকাঠি। কিন্তু সম্প্ৰতি আমাৰ দেশৰ যুৱ সমাজৰ ভৱিষ্যত সম্পৰ্কে সচেতন মহলক যথেষ্ট হতাশাত ভোগাইছে। কাৰণ আজিৰ যুৱ মানসিকতাই কিছুদিন ধৰি সমাজখন যথেষ্ট পৰিৱৰ্তনৰ লগতে ক্ষতিসাধন কৰিছে। আধুনিক ভোগ সৰ্বস্ব জীৱনৰ ধামখুমীয়াত আৰু গোলকীকৰণৰ যুগৰ গইনা লৈ পশ্চিমীয়া সংস্কৃতিৰ আদৰ-কায়দাত আজি এচাম যুৱক-যুৱতী উন্মুক্ত আৰু আত্ম নিয়ন্ত্ৰণহীন হৈ পৰিছে। পুৱা বাতৰি কাকতখন মেলি ল'লেই দেখিবলৈ পাওঁ, কেউফালে কেৱল হত্যা, ধৰ্ষণ, লুণ্ঠন, অপহৰণ, বোমা বিস্ফোৰণ আদি বিভিন্ন ধৰণৰ ঘটনা। অৱশ্যে এনেধৰণৰ অপৰাধমূলক ঘটনাৰ লগত জড়িত সৰহ সংখ্যকেই কম বয়সৰ যুৱক-যুৱতী। কিন্তু এই যুৱক-যুৱতীসকল কিয় এনে অপৰাধমূলক কাৰ্যত জড়িত হৈ পৰিছে?

বৰ্তমান যুৱক-যুৱতীৰ উচ্ছৃংখল মানসিকতাৰ কাৰণ হিচাপে প্ৰথমেই ঘৰুৱা আৰু সামাজিক পৰিৱেশক জগৰীয়া কৰিব পাৰোঁ। ঘৰুৱা বা সামাজিক পৰিৱেশ অসুস্থ হ'লে এনে পৰিৱেশৰ কু-প্ৰভাৱ উঠি অহা যুৱ চামৰ ওপৰত পৰা নিশ্চিত। দৰিদ্ৰতা, নিৰক্ষৰতা, পিতৃ-মাতৃৰ উচ্ছৃংখল জীৱন, ঘৰত শাসনৰ অভাৱ বা অতিমাত্ৰা শাসন, ঘৰুৱা মৰম-চেনেহৰ অভাৱ আদি কাৰণৰ হেতুকে যুৱক-যুৱতীসকলে আৱেগিক আৰু মানসিক সংঘাতত ভোগে আৰু ক্ৰমান্বয়ে মনত আৱেগিক স্থিৰতা হেৰুৱাই বিভিন্ন অসামাজিক বা অপৰাধমূলক কামত লিপ্ত হয়। গতিকে আমি প্ৰত্যেকেই

ইয়াক উপলব্ধি কৰা উচিত যে, এক সুস্থ সামাজিক পৰিৱেশেহে এক আদৰ্শবান যুৱ সমাজৰ সৃষ্টি কৰিব পাৰে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নতুন নতুন চমকপদ আৱিস্কাৰে মানুহক সকলো দিশত আগবঢ়াই লৈ গৈছে যদিও কিছুমান ক্ষেত্ৰত ইয়াৰ অপপ্ৰয়োগে নৱ প্ৰজন্মক ক্ষতিসাধনো কৰিছে। যুৱক-যুৱতী সকলে আৱিস্কাৰ সমূহৰ ঋণাত্মকখিনিকহে বেছি ব্যৱহাৰ কৰে। যাৰ ফলত নৱ প্ৰজন্মৰ মানসিকতাক এক প্ৰকাৰৰ যান্ত্ৰিক কৰি তুলিছে।

উচ্ছৃংখল যুৱ মানসিকতাৰ বাবে পশ্চিমীয়া অপসংস্কৃতিৰ প্ৰভাৱকো কিছু পৰিমাণে জগৰীয়া কৰিব পাৰোঁ। টি.ভিৰ যোগে প্ৰচাৰিত পশ্চিমীয়া দেশ বিদেশৰ অনুষ্ঠান, এডাল্ট ফিল্ম, পুৰুষ-নাৰীৰ অৰ্ধনগ্ন নৃত্য সংগীত আদিৰ প্ৰতি সৰহ সংখ্যক যুৱক-যুৱতীৰে এক বিশেষ দুৰ্বলতা আছে। যাৰ অনুকৰণত সৰু বৰ চহৰবোৰত গঢ়ি উঠিছে নাইট ক্লাব, ডিস্কবাৰ, ৰেইন ডান্স আদি ধৰণৰ সংস্কৃতি। বৰ্তমান এনে সংস্কৃতিৰ পয়োভৰ দেখিলে সভ্য মানৱ সমাজ যেন আজি পশুতকৈ অধম স্থানলৈ গতি কৰিছে তেনে বোধ হয়।

বৰ্তমান সময়ত যুৱ সমাজলৈ বিষবাষ্প কঢ়িয়াই অনাত অৰিহণা যোগোৱা এটা উপাদান হ'ল মাদক দ্ৰব্য। য'তে ত'তে গঢ়ি উঠা সৰু বৰ মদৰ দোকান, বাৰ, গুটখা, ভাং, চিগাৰেট, চাদা আদি বিক্ৰী কৰা দোকানসমূহ। যুৱক যুৱতীসকলে সহজতে এই সমূহ সেৱন কৰি ধন সম্পত্তি, স্বাস্থ্যহানি কৰাৰ লগতে পৰিয়াল আৰু সমাজৰ শান্তি বিনষ্ট কৰাৰ উদাহৰণ সততে দেখা যায়।

উচ্ছৃংখল মানসিকতা গঢ়ি উঠাৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা কাৰক সমূহে চহৰে নগৰে কাঠফুলাৰ দৰে গঢ়ি উঠিছে আৰু এটা এটাকৈ সকলো যুৱক-যুৱতীকে মেৰিয়াই ধৰিছে।


গতিকে যুৱ উচ্ছৃংখলতা নিৰাময় কৰিবৰ বাবে প্ৰথমেই কাৰক সমূহৰ সমাধান বিচাৰি উলিয়াব লাগিব আৰু ইয়াক নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থাও কৰিব লাগিব। সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, বেচৰকাৰী সংস্থা, ঘৰৰ অভিভাৱক সকলেও বিভিন্নধৰণৰ পদক্ষেপ হাতত ল'ব লাগিব।

যুৱচামক সুশিক্ষাৰে শৃংখলিত কৰি ৰাখিব পাৰিলেহে দেশৰ ভৱিষ্যত বিকাশ সম্ভৱ হয়। আজিৰ 'যুৱ প্ৰজন্মই অৰ্থাৎ আমি ছাত্ৰ-ছাত্ৰী সকলে মাৰ্ক্স, এঞ্জেলজ, বৰ্ডচৱৰ্থ, শেক্সপীয়েৰ, আব্ৰাহাম লিংকন, মহাত্মা গান্ধী, ৰাধাকৃষ্ণন, আইনষ্টাইন আদি মহান ব্যক্তিসকলৰ জীৱনী জনাটো অতিকৈ প্ৰয়োজন।

উচ্ছৃংখল যুৱ মানসিকতা দূৰীকৰণৰ বাবে আমি সকলো একগোট হৈ এক সুস্থ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰাৰ চেষ্টা কৰিব লাগিব।

"কেতিয়াও নোৱাৰিম বুলি নক'বা, কেতিয়াও নক'বা মই কৰিব নোৱাৰিম। তুমি অনন্ত আৰু সকলো শক্তি তোমাৰ ভিতৰত আছে। তুমি সকলো কৰিব পাৰা।"

— স্বামী বিবেকানন্দ



# কণমানি শিশুৰ ওপৰত ম'বাইলৰ কু-প্ৰভাৱ

ইন্দ্ৰাণী ফুকন

এখন দেশৰ ভৱিষ্যত সু-নাগৰিক, দেশৰক্ষক হৈছে নতুন প্ৰজন্মৰ কণমানি শিশুসকল। এই নতুন প্ৰজন্মক সুৰক্ষা প্ৰদান কৰি, সকলো দিশত আগবঢ়াই নি দেশৰ সম্পদ হিচাপে গঢ় দিয়াতো আমাৰ সকলোৰে প্ৰধান দায়িত্ব আৰু কৰ্তব্য।

বৰ্তমান সময়ত শিশুসকল কৃত্ৰিমতাক গ্ৰাসত ডুবিবলৈ আৰম্ভ কৰিছে। নিজৰ দক্ষতা, বুদ্ধি, চিন্তাশক্তি সকলোবোৰ ত্যাগ কৰি কৃত্ৰিমতাক প্ৰাধান্য দিছে। বৰ্তমান শিশুসকল ম'বাইল ফোনৰ প্ৰতি সততে আসক্ত হোৱা দেখা যায়। আজিকালি প্ৰায়বিলাক মাতৃয়ে শিশু এটিৰ মাত ফুটিব পৰা অৱস্থা হ'লেই শিশুটিক নিচুকাবলৈ ম'বাইল ফোনৰ আশ্ৰয় লয়। খোৱা বোৱা কৰা, খেলা-ধূলা কৰা আদি সকলো সময়তে শিশুসকলৰ হাতত ম'বাইল তুলি পিতৃ-মাতৃ বা অভিভাৱক সকলে সকাহ লয়। এনে কৰাৰ ফলত নিজৰেই শিশুসকলৰ ওপৰত যে কু প্ৰভাৱ পৰে, সেই কথা গমেই নলয়। সৰুৰে পৰাই শিশুসকলক ইমান বেয়াকৈ ম'বাইলৰ প্ৰতি আসক্ত কৰোৱাৰ ফলত বৰ্তমান যুৱ-সমাজৰ ভৱিষ্যত অন্ধকাৰৰ দিশে আগবাঢ়িছে। ইয়াৰ প্ৰমাণ বাতৰি কাকত সমূহত প্ৰায়েই পঢ়িবলৈ পোৱা যায়।

ম'বাইলৰ কু-প্ৰভাৱে আমাৰ শাৰীৰিক-মানসিক দিশত যথেষ্ট প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে—

ক) মানসিক প্ৰভাৱ ঃ অতিৰিক্ত সময় ম'বাইল ফোন ব্যৱহাৰ কৰাৰ ফলত শিশুসকলৰ মগজু বিকাশত বাধা প্ৰাপ্ত হয়। মন মগজু ম'বাইল কেন্দ্ৰিক হৈ পৰাৰ ফলত নিদ্ৰাত বাধাপ্ৰাপ্ত হয়।

খ) শাৰীৰিক সমস্যা ঃ ম'বাইল ফোনে চকু, কাণ আৰু চালৰ ওপৰত কু-প্ৰভাৱ পেলায়।

গ) বুদ্ধিৰ বিলম্ব ঃ অতিৰিক্ত ম'বাইলৰ ব্যৱহাৰে শিশুৰ বৌদ্ধিক বিকাশ, যৌগিক আত্ম-সাধনা আৰু শাৰীৰিক বৃদ্ধিত বাধৰ সৃষ্টি কৰে। গতিকে শিশু সকলৰ ভৱিষ্যতক সুৰক্ষা প্ৰদান কৰাতো অতি আৱশ্যকীয়। এই ক্ষেত্ৰত সকলোতকৈ প্ৰথমে পিতৃ মাতৃ সকল সৰ্তক হোৱাটো বাঞ্চনীয়। ইয়াৰ উপৰি, আমি সকলোৱে আজিৰ শিশুসকলক ঘৰতেই হওঁক বা বিদ্যালয়ত উপযুক্ত শিক্ষা দান কৰিলেহে আমি সুষ্ঠ সবল একো একোজন সু-নাগৰিক গঢ়ি তুলিব পাৰিম, যি সকল হ'ব আমাৰ দেশখন জাতিটোৰ ত্ৰাণকৰ্তা।

# ঘৰখনেই শিশুৰ শিক্ষাৰ কঠিয়াতলী

ছোনীয়া দাস

সন্তান বিপথগামী নহ'বৰ বাবে পিতৃ মাতৃয়ে সৰু অৱস্থাৰ পৰা উপযুক্ত শিক্ষা প্ৰদানেৰে সন্তানক গঢ় দিব লাগে। শিশুক সৎপথ প্ৰদৰ্শনৰ উত্তম স্থান হৈছে ঘৰখনেই। ঘৰখনৰ পিছতহে বিদ্যালয়ৰ কথা আহি পৰে। সেয়েহে হয়তো কোৱা হয়, ঘৰখনেই হৈছে শিশুৰ শিক্ষাৰ কঠিয়াতলী। কঠিয়াতলীখন ভাল হ'লে তাত সিঁচা ধান গজি কঠিয়া লহ্‌পহকৈ বাঢ়ে। তেনে কঠিয়া পথাৰত ৰোপণ কৰি ভাল ফল আশা কৰিব পাৰি। ঠিক তেনেদৰে ঘৰখনৰ সুস্থ পৰিৱেশত ডাঙৰ দীঘল হোৱা সন্তানেও উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ সমাজলৈ অৰিহণা যোগাব পাৰে, সমাজক গঢ়ি দিব পাৰে সুন্দৰ ৰূপত। পিতৃ-মাতৃৰ বাবে নমাই আনিব পাৰে সৰগৰ অমিয়া। শিশুৰ বাবে ভাল কঠিয়াতলী ৰূপে ঘৰখন গঢ়ি তুলি সন্তানক উপযুক্ত শিক্ষা দিবলৈ হ'লে অকল পিতৃ-মাতৃয়ে নহয়, পৰিয়ালৰ আন আন সদস্যসকলো হ'ব লাগিব আত্মত্যাগী, সচেতন আৰু সন্তানক গঢ় দিয়াৰ প্ৰতি আগ্ৰহী।



শিক্ষা হৈছে এক জীৱনযোৱা প্ৰক্ৰিয়া। সেয়ে সৰু কালতেই যে সকলো শিক্ষা ল'ব লাগিব তেনে নহয়। গোটেই জীৱন মানুহৰ শিক্ষা লাভৰ বাবে পথ মুক্ত। কিন্তু এটা কথা

মনত ৰখা প্ৰয়োজন যে ৩ বছৰৰ পৰা ৬ বছৰৰ ভিতৰত শিশুৰ নৈতিক ধাৰণা গঢ় লৈ উঠে। সেয়ে এই কালছোৱাত শিশুৰ মনত ভাল বেয়াৰ এটা স্পষ্ট ধাৰণা জগাই তোলাটো আৱশ্যক। এনে শিক্ষা ঘৰখনেই দিব পাৰিব লাগে।

ঘৰখনত শিশুক নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতাৰ শিক্ষা দিয়াটো একান্ত বাঞ্ছনীয়। নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা আয়ত্ব কৰা শিশুৱে ভৱিষ্যত জীৱন সুন্দৰ ৰূপে যে পৰিচালিত কৰিব পাৰিব, তাত কোনো সন্দেহ নাই।

পৰিষ্কাৰ পৰিচ্ছন্নতাৰ শিক্ষা ঘৰখনতে দিব লাগে। আমি বহু মাক দেউতাকক দেখিছোঁ, যি তামোল এটা কাটি বাকলিবোৰ সিচঁৰতি কৰি পেলাই দিয়ে। মৰ্টন এটা খালে মৰ্টনৰ কাগজখন দলিমাৰি দিয়ে। তেওঁলোকে লক্ষ্য নকৰে যে তেওঁলোকৰ শিশুৱে তেওঁলোকৰ কাৰ্যকলাপ দেখি আছে আৰু সেই শিশুৱে অনুৰূপ কাৰ্যহে কৰিব। কাৰণ শিশু অনুকৰণ প্ৰিয়। সেয়েহে শিশুক উচিত শিক্ষা দিবলৈ হ'লে পিতৃ-মাতৃতেও নিজৰ বেয়া আচৰণবোৰ বিসৰ্জন দিব লাগিব।

একক পৰিয়ালত ডাঙৰ হোৱা সন্তানসকলৰ প্ৰায়ভাগৰে এটা বেয়া অভ্যাস গঠন হয়। খোৱা বস্তু পালে তেওঁলোকে কেতিয়াও ভাগ বটাই খাবলৈ নিবিচাৰে। ঘৰ খনে এই অভ্যাস সংশোধনৰ বাবে মনোযোগ দিয়া একান্ত বাঞ্ছনীয়।

সন্তানৰ অন্তৰৰ সুপ্ত প্ৰতিভা বিকাশৰ সুবিধা ঘৰখনতে দিব লাগে। প্ৰতিভা ঈশ্বৰ প্ৰদত্ত বিভূতি। সেয়েহে সকলো ব্যক্তিয়ে প্ৰতিভাৰ গৰাকী হৈ জন্ম লাভ কৰে। কিন্তু প্ৰতিভা লেৰেলি শুকায়। উপযুক্ত সাৰ-পানীৰ অভাৱত গছ পুলি এটি যেনেদৰে বৃদ্ধি নাপায়, শুকাই যায়, ঠিক তেনেদৰে উপযুক্ত প্ৰয়োগৰ অভাৱত প্ৰতিভাও বিকশিত নহয়। অভিভাৱকসকলে সেয়েহে সন্তানৰ অন্তৰৰ সুপ্ত হৈ থকা প্ৰতিভাসমূহৰ বিকাশৰ সুবিধা দিয়াৰ অতি প্ৰয়োজন।

সন্তানক সময়ৰ উচিত ব্যৱহাৰ কৰিবলৈ সৰুৰে পৰা শিকাব লাগে। সময়মতে শুই উঠা, সময়মতে গা-ধোৱা, সময়মতে পঢ়া আদি অভ্যাস সমূহ সন্তানক শিকাব লাগে। এনে অভ্যাস একেদিনাই গঢ় লৈ নুঠে। ইয়াৰ বাবে অনুশীলনৰ আৱশ্যক। অনুশীলন সন্তানে ভালদৰে কৰিছেনে নাই, সেই কথালৈ চকু ৰখা অভিভাৱকৰ কৰ্তব্য।

সন্তানক ঈশ্বৰমুখী কৰাৰ প্ৰয়াস পিতৃ-মাতৃ আৰু অভিভাৱকে কৰিব লাগে। পুৱা-গধূলি প্ৰাৰ্থনা কৰাৰ অভ্যাস এটা সন্তানৰ মাজত জাগ্ৰত কৰাটো অতিকৈ আৱশ্যকীয় কথা। ঈশ্বৰ বিশ্বাসী সন্তানে আনৰ অনিষ্ট কৰিবলৈ নিবিছাৰে, সত্যৰ আশ্ৰয় লবলৈ শিকে।

ওপৰত উল্লেখ কৰা কথাসমূহ মানি সন্তানক গঢ় দিয়াৰ প্ৰচেষ্টা যদি প্ৰতিখন ঘৰতে কৰা



প্ৰতিভা ঈশ্বৰ প্ৰদত্ত বিভূতি। সেয়েহে সকলো ব্যক্তিয়ে প্ৰতিভাৰ গৰাকী হৈ জন্ম লাভ কৰে।



# ড্ৰাগছঃ এক সামাজিক সমস্যা

ৰশ্মিৰেখা দাস

**আৰম্ভণি ঃ**

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হৈছে যুৱ সমাজ। কিন্তু সম্প্ৰতি এই যুৱ সমাজতেই বিভিন্ন ধৰণৰ সমস্যাই দেখা দিছে। পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত বিপথে গতি কৰিছে আৰু উঠি অহা চামকো বিপথে যাবলৈ উদ্বুদ্ধ কৰিছে। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ সৈতে ফেৰ মাৰিবলৈ গৈ এচাম যুৱ-যুৱতীয়ে আকৌ কৃত্ৰিম সুখানুভুতি লাভৰ বাবে সহজতে মাদকদ্ৰব্য গ্ৰহণ কৰিবলৈ লৈছে। এনে এক মাৰাত্মক বৰবিহস্বৰূপ মাদকদ্ৰব্য হৈছে ড্ৰাগছ। ড্ৰাগছৰ প্ৰভাৱে বৰ্তমানৰ যুৱচামক এক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে।

ড্ৰাগছ আসক্তি বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক ভয়াবহ সমস্যা হিচাপে পৰিগণিত হৈছে। প্ৰথম অৱস্থাত বিশ্বৰ উন্নত দেশবিলাকত ড্ৰাগছ আসক্তি প্ৰচুৰ আছিল যদিও পিছলৈ ই অনুন্নত দেশসমূহতো বিয়পি পৰে। ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত হৈ আছে হাজাৰ হাজাৰ লোক আৰু যথেষ্ট পৰিমাণৰ ধনৰ লেনদেন। চৰকাৰীভাৱে ড্ৰাগছ সৰবৰাহ বন্ধ ঘোষণা

কৰিলেও বৰ্তমান ভাৰতবৰ্ষলৈ অবৈধভাৱে পাকিস্তান, বাৰ্মা, থাইলেণ্ড, আফগানিস্তান আৰু বহুতো লেটিন আমেৰিকান দেশৰ পৰা চোৰাং সৰবৰাহ ঘটি আছে।

সাধাৰণতে ড্ৰাগছ তৈয়াৰ হয় আফিম (আফিং) ৰ পৰা। অৱশ্যে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচাযুক্ত পদাৰ্থও সংযোগ কৰা হয়। বৰ্তমান বজাৰত উপলব্ধ এই মাৰাত্মক বৰবিহস্বৰূপ ড্ৰাগছ বিভিন্ন প্ৰকাৰৰ পোৱা যায়। যেনে- এল. এছ দি, ক'কেইন, চাৰাচ ইত্যাদি। উল্লেখযোগ্য যে এবাৰ ড্ৰাগছ সেৱন কৰিলে, পিছত ইয়াক ত্যাগ কৰা অসম্ভৱ হৈ পৰে। ড্ৰাগছ গ্ৰহণকাৰীয়ে সাধাৰণতে বেজিৰ চিৰিঞ্জৰ দ্বাৰা দেহৰ ৰক্তসিৰাত, ধূমপান নাইবা গিলি খোৱা আদি বিভিন্ন পদ্ধতিৰে গ্ৰহণ কৰে। আমাৰ দেশত ড্ৰাগছৰ আদান প্ৰদান হয় পৰিত্যক্ত ঘৰ, নিৰ্জন ঠাই, হোটেল, পাৰ্ক আদিত। ড্ৰাগছ যিহেতু ব্যয়বহুল নিচাযুক্ত দ্ৰব্য, এই দ্ৰব্য দুখীয়া শ্ৰেণীৰ বাবে সহজসাধ্য নহয়। সেয়ে দেখা যায় যে ড্ৰাগছ ব্যৱসায়ীৰ প্ৰৰোচনাত পৰি সাধাৰণতে অধিক টকা থকা পিতৃ-মাতৃৰ সন্তান সকলেই প্ৰথমে ড্ৰাগছ সেৱনৰ ক্ষেত্ৰত অভ্যস্ত হয়।

**ড্ৰাগছ সেৱনৰ ফলাফল ঃ**

ড্ৰাগছ সেৱনৰ ফলাফল অতি ভয়ানক। এনে আসক্তিৰ ফলশ্ৰুতিত এজন মানুহ তিল-তিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ে। বিশেষকৈ বেজিৰে ড্ৰাগছ লোৱাৰ বাবে এইড্চ লগতে বিভিন্ন ৰোগৰ বীজাণুৰ সংক্ৰমণ ঘটে। সেইদৰে দুৰ্বলতা, পেটৰ বিষ, ক্ষয় ৰোগ, হেপাটাইটিছ, শৰীৰৰ কঁপনি, অস্বাভাৱিক ৰক্তচাপ, যকৃতৰ বিভিন্ন ৰোগ, দৃষ্টিহীনতা, নিদ্ৰাহীনতা, আভোক আদি ৰোগৰ কাৰকে দেহত ঠাই লয়। কেন্সাৰ ৰোগৰ কাৰকেও কেতিয়াবা ড্ৰাগছ সেৱনকাৰীৰ দেহত দেখা দিব পাৰে। ড্ৰাগছ সেৱনৰ ফলত মানসিক দিশতো যথেষ্ট প্ৰভাৱ পৰে। মানসিক দিশৰ সাধাৰণতে আত্মহত্যাৰ প্ৰৱণতা, অকাৰণতে উত্তেজিত হোৱা, হতাশাত ভোগা, উদাসীনতা, অসংযত আচৰণ প্ৰভৃতি কাৰকে দেখা দিব পাৰে।

**ড্ৰাগছৰ কবলত অসমঃ**

সমগ্ৰ বিশ্ব তথা ভাৰতবৰ্ষৰ লগতে সম্প্ৰতি অসমতো বৰবিহস্বৰূপ ড্ৰাগছ সেৱনৰ আসক্তিয়ে ভয়াবহ ৰূপ লোৱাৰ উপক্ৰম হৈছে। অসমত মূলত ঃ ড্ৰাগছ সৰবৰাহ হয় মণিপুৰ সীমান্তইদি। বৰ্তমান অসমত ড্ৰাগছ আসক্তি প্ৰচুৰ নহলেও উঠি অহা যুৱচামৰ মাজত ক্ৰমশঃ ইয়াৰ প্ৰভাৱ বাঢ়ি আহিছে। বিশেষকৈ অসম পুলিচ, ৰেলৱে পুলিচ আদিয়ে মাজে সময়ে ড্ৰাগছসহ ড্ৰাগছ সৰবৰাহকাৰী ধৰা পৰাৰ কথা প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰ হৈ আহিছে। এনেবোৰ দিশলৈ লক্ষ্য ৰাখিলে সহজেই অনুমান কৰিব পাৰি যে বৰ্তমান অসমত ড্ৰাগছৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিছে।

**প্ৰতিকাৰ ঃ**

ড্ৰাগছ আসক্তিয়ে ব্যক্তিগতভাৱে ক্ষতি কৰাৰ লগতে সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলোতে ঋণাত্মক প্ৰভাৱ পেলায়। সুস্থ চিন্তা অবিহনে সুস্থ সমাজ এখন কল্পনা কৰিব নোৱাৰি। ড্ৰাগছৰ দৰে আসক্তিক ৰোধ কৰাৰ প্ৰথম উপায় হৈছে যুৱশক্তিৰ সদায় সৎকৰ্ম, সৎ চিন্তাত প্ৰবৃত্ত কৰি ৰখা। দ্বিতীয়তে, পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক শিক্ষক তথা চৰকাৰখনো সদায় সচেতন হ'ব লাগিব। সেইদৰে আনুষ্ঠানিক শিক্ষাৰ উপৰি সুকুমাৰ কলা, দয়াশীল মনোভাব গঢ় ল'বৰ বাবে যুৱসমাজক উদ্‌গনি যোগাব লাগিব। লগতে আৱেগক সংযত কৰি ৰাখিব লাগিব।

**সামৰণি ঃ**

কৰ্মহীনতাই মনলৈ আলস্যভাৱ আনে। তদুপৰি বিবেকে সৃষ্টিশীল কৰ্মৰ চিন্তাচৰ্চা কৰিব নোৱাৰিলে আপোনা-আপুনি বদ অভ্যাস বা বদ চিন্তা কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে বদ চিন্তাধাৰাই অসৎ পথত খোজ দিবলৈ অনুপ্ৰেৰণা যোগায়। কৰ্মসংস্কৃতিৰে যুৱ প্ৰজন্মক আগবঢ়াই নিয়াৰ দায়িত্ব আমাৰ সকলোৰে। সমাজৰ বুদ্ধিজীৱি সকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যৎ প্ৰজন্মক দিকদৰ্শন কৰি ড্ৰাগছৰ দৰে বৰবিহবিধক ৰোধ কৰিবলৈ ওলাই অহা উচিত। চৰকাৰেও অধিক গুৰুত্ব প্ৰদান কৰি ড্ৰাগছৰ প্ৰচলন সমূলঞ্চে নাশ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা দৰকাৰ। কাৰণ যুৱ মানসত এবাৰ ড্ৰাগছৰ আসক্তিয়ে ঠাই ল'লে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য।

# মানৱতা কোন দিশে

জ্যোতি ভূঞা

সভ্য সমাজত মানুহ দিনে দিনে যান্ত্রিকতাৰ দিশত গতি কৰিছে। মানুহ যিমানেই আগুৱাই যাব ধৰিছে, সিমানেই মানুহৰ মাজত অৱক্ষয় ঘটিছে মানৱীয় প্ৰমূল্যবোধৰ। বৰ্তমান মানৱ নিজক লৈ, নিজৰ পৰিয়াল তথা নিজ সমস্যা সমাধানক লৈ ব্যস্ত। ব্যস্ত সমাজত এতিয়া কাৰো হাতত আহৰি নাই অন্য এজনৰ কথা ভাবিবলৈ। সকলোৱে এক অঘোষিত প্ৰতিযোগিতাত নামি পৰিছে। এনে এক ব্যস্ততাময় জীৱনত মানুহে পাহৰি গৈছে মৰম, ভালপোৱা, বিশ্বাস আৰু মিলা-প্ৰীতি। সঁচা অৰ্থত ক'বলৈ গ'লে, বস্তুবাদী ধ্যান-ধাৰণাৰে পৰিচালিত হৈছে বৰ্তমান সমাজ। য'ত দিনে দিনে মানৱতা বুলি কোৱা শব্দটোৰ মৃত্যু ঘটিছে। মানুহে যন্ত্ৰ মানৱৰ ৰূপ ল'ব ধৰিছে। শিক্ষিত হৈও বহুতো লোকে অমানৱীয় কামকাজ কৰা পৰিলক্ষিত হৈছে। দিনে দিনে মানৱে দানৱীয় ৰূপ লৈছে। আজিৰ যুগত শিক্ষিত এচাম মানুহে নিজ সন্তানক সৰু অৱস্থাৰে পৰা যান্ত্ৰিকতাৰ শিক্ষাৰে শিক্ষিত কৰাত মনোনিৱেশ কৰিছে। কাৰণ সমাজ গঢ়াৰ শিক্ষা দিবলৈ তেওঁলোকৰ সময় অলপো নাই আৰু তেনে কোনো পৰিৱেশো ঘৰখনত নাথাকে। ফলত সৰুৰে পৰা তেওঁলোকে নিজক লৈ ব্যস্ত হ'ব লগা হয়। তেওঁলোকে সমাজ চিনি নাপায়। সমাজৰ সংস্পৰ্শলৈ অহাৰ সুযোগ নাপায় আৰু কালক্ৰমত নিজ পিতৃ-মাতৃকো চিনি নোপোৱা হয়। এনেদৰেই বৰ্তমান সময়ত মানৱতা লুপ্ত হ'ব ধৰিছে। সমাজত উচ্চ আসন গ্ৰহণ কৰি থকা শিক্ষিত কিছুমান লোকে ধনী দুখীয়াৰ মাজত পাৰ্থক্যৰ সৃষ্টি কৰে, উচ্চ-নীচৰ মাজত বিভেদ অনা পৰিলক্ষিত হয়। আজিও, কিছুমান লোক ধনী হৈও দুখীয়াজনক সহায় কৰিবলৈও তেওঁলোকৰ আহৰি নাই, বাটত থকা ভিক্ষাৰী জনক দেখিলে আওকাণ কৰি আঁতৰি যায়, ভোকত কক্-বকাই থাকিলেও তেওঁলোকক এমুঠি অন্ন দান কৰিবলৈও সময় নাই, মাথোঁ নিজৰ প্ৰয়োজনবোৰ চিনি পায় তেওঁলোকে। এনেদৰেই মানৱতা হেৰাই যাব ধৰিছে মানুহৰ মাজৰ পৰা। এতিয়া প্ৰশ্ন হয়, মানৱতা কোন দিশে?



# বাল্য বিবাহ

বৰষা বৰা

বাল্যবিবাহ বা ইংৰাজীত Child Marriage হৈছে এগৰাকী নাবালিকা অৰ্থাৎ ১৮ বছৰ তলৰ এজনী ছোৱালীক এজন প্ৰাপ্তবয়স্ক পুৰুষ বা তাৰ তলৰ পুৰুষলৈ বিয়া দিয়া প্ৰণালী। ভাৰতৰ লগতে অসমতো আজিও বাল্য বিবাহ প্ৰচলিত হৈ আছে। আগৰ কালত বাল্য বিবাহবোৰ অলপ বেলেগ ধৰণৰ আছিল। ল'ৰা-ছোৱালীৰ জন্মৰ সময়তে মাক-দেউতাকে সিহঁতৰ ভৱিষ্যতৰ দৰা কইনা ঠিক কৰি থয়। কিন্তু বিবাহৰ উপযুক্ত বয়স নোহোৱা পৰ্যন্ত ল'ৰা-ছোৱালীৰ মাজত দেখা দেখি নহৈছিল।

কিন্তু আজি কালি এইটো প্ৰথা খুব কম পৰিমাণে দেখা যায়। আইনগত ভাৱে এজন লৰাৰ বিবাহৰ বয়স ২১ আৰু ছোৱালীৰ ১৮ বছৰ। এই বয়সৰ তলত বিবাহ পাশত আৱদ্ধ হ'লে বিবাহক অবৈধ আৰু স্বামীবোৰক অবৈধ স্বামী হিচাপে ঘোষণা কৰা হয়।

**বাল্য বিবাহৰ কাৰণ সমূহ হ'ল-**

ক) দৰিদ্ৰতা ঃ বহু সময়ত দৰিদ্ৰ পিতৃ-মাতৃয়ে নিজ সন্তানৰ লালন-পালন কৰিব নোৱাৰে, কন্যা সন্তানৰ দায়িত্ব ল'ব নোৱাৰা আৰ্থিকভাৱে তেনেই দুৰ্বল আৰু দৰিদ্ৰ হোৱাৰ বাবে ছোৱালীজনীক সৰুতে বিয়া দিব লগা হয়।

খ) নিৰক্ষৰতা ঃ পিতৃ-মাতৃ নিৰক্ষৰ হোৱাৰ বাবে বহুতো ল'ৰা ছোৱালীক উপযুক্ত বয়সতকৈ সোনকালে বিবাহ পাশত আৱদ্ধ কৰা দেখা যায়।

গ) অন্ধ বিশ্বাস ঃ ভাৰতীয় সমাজত প্ৰচলিত অন্ধ বিশ্বাসে বাল্য বিবাহ সৃষ্টিত অহিৰণা যোগায়।

ঘ) যুটীয়া পৰিয়াল ব্যৱস্থা ঃ ভাৰতীয় পিতৃ প্ৰধান সমাজ ব্যৱস্থাত মহিলাৰ কথাই গুৰুত্ব নাপায় আৰু ছোৱালীক বুজা হিচাপে ভাৱে, সেয়ে সৰুতে বিয়া দিয়ে।



**বাল্য বিবাহৰ কু-প্ৰভাৱ ঃ**

বাল্য বিবাহে ছোৱালী বা মহিলাৰ জীৱনত বহু সমস্যাৰ সৃষ্টি কৰে। যেনে-

ক) বাল্য বিবাহৰ ফলত ছোৱালীয়ে সৰুতে বা আধাতে বিদ্যালয় এৰিব লগা হয়।

খ) গৰ্ভৱতী অৱস্থাত মহিলাৰ মৃত্যু সম্ভাৱনীয়তাৰ কাৰণ হৈছে বাল্য বিবাহ।

গ) শাৰীৰিক অপৰিপক্ক বয়সত ছোৱালী বিয়া দিয়াৰ ফলত প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ সৰ্বাধিক হয়।

ঘ) শিশুবোৰ শাৰীৰিক আৰু মানসিকভাৱে অপৰিপক্ক হয়।

ঙ) বাল্য বিবাহে সমাজত কু-প্ৰথাৰ পৰম্পৰাক ধাৰাবাহিক কৰাত সহায় কৰে।

চ) বাল্য বিবাহে মাতৃবোৰক সোনকালে ৰোগীয়া হোৱাত সহায় কৰে।

ছ) বাল্য বিবাহে লিংগ বৈষম্য বৃদ্ধিত অৰিহণা যোগায়।

**বাল্য বিবাহ ৰোধৰ উপায় সমূহ হ'ল-**

বাল্যবিবাহৰ দৰে সমাজত প্ৰচলিত হৈ থকা কু-সংস্কাৰ ৰোধ কৰিবৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব লাগে-

ক) প্ৰথমে অভিভাৱক সকলক স্বাক্ষৰ কৰি তোলা।


খ) কমবয়সীয়া মহিলাসকললৈ অধিক সা-সুবিধা প্ৰদান কৰিব লাগে।

গ) চৰকাৰী আৰু বেচৰকাৰী সংগঠনবোৰে বাল্যবিবাহ নিষিদ্ধ কৰণৰ আইনৰ সফল কাৰ্যকৰীকৰণ ব্যৱস্থা কৰিব লাগে।

ঘ) বাল্যবিবাহ নিষিদ্ধকৰণ আইন উলঙ্ঘাকাৰীক কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব লাগে।

**সামৰণি ঃ**

বাল্য বিবাহ হ'ল এক সামাজিক ব্যাধি বা সমস্যা। আমি সকলোৱে মিলি ইয়াৰ অপকাৰৰ বিষয়ে জ্ঞান দি শিক্ষা প্ৰদান কৰি ছোৱালীক অধিক সা-সুবিধা দি বাল্যবিবাহ ৰোধ কৰাৰ বাবে চেষ্টা কৰিব লাগে। বৰ্তমান অসম চৰকাৰে বাল্য বিবাহৰ ওপৰত বহুত কঠোৰ হোৱা দেখা গৈছে। গতিকে আহক আমি সকলোৱে মিলি বাল্যবিবাহ ৰোধ কৰোঁ আৰু এখন সুস্থ সবল নিকা সমাজ গঢ়ি তোলো।





# Excessive of everything is harmful

**Shaswati Boruah**

Moderation in everything is the safest course in life. The key to lasting happiness is to keep within bounds and discipline one's life. Life is full of beautiful things. Some are good to eat, some are good to smell and some are good for health. But none is good if consumed in excess.

Excess of anything is bad. Too much love is not good, too much money is not good, too much care is not useful and too confidence is also not productive. Most people will agree that anything is excess is harmful in it's own way. Water is required for a ship to sail and the ship cannot sail without water, but excess water when it fills the ship may sink it. The water when it fills the ship, should not come over it . Similarly , if one is in love, it should be in moderation otherwise love become poison, life threatening. Take the love of Romeo Juliet, Heer Ranjha , Laila Majnu, it is excessive love that has killed the lovers. A counter argument it that true lovers can sacrifice life for love. True, but look who is saying this are they alive.

A mother who cares too much for her child spoils them. Those kids who are pampered by parents beyond need turn out to be weaker and less sociable than others who were given the opportunity to grow independently. While a child will need attention and care, too much of them is a spoiler. Better to understand that every child is an individual who has the inherent strength to grow stronger by exercise, children become strong by taking their own decisions independently.

If we speak of money, it is a useful tool for a better life. But it is only a tool, not life. When money

helps in living life, it makes life better. But when life is lived to accumulate money and it goes into the mind of an individual it is of no use. It is harmful and also leads the person in the wrong way. There are examples of the wealthiest people going behind the bars and facing jail terms Because they violated laws only be become richer and wealthier. It turns out that the money is of no use at the end when they undergo jail terms. It is a mistake to attach happiness to money.

Take an example of confidence. It is fine till the time it remains self-confident but as soon as it crosses the boundary and becomes self arrogance, it is counterproductive. It doesn't give strength to the individual but rather makes him weak. A person with arrogance cannot behave normally and therefore is misguided by his sense of over confidence. It harms not only him but his organization and those who are dependent. People in the position of making a decision, when they become arrogant, lose the ability to listen to wise opinions and therefore are limited by their own inability. Their sense of confidence becomes an impermeable wall, preventing possibilities of growing better and wiser.

So too much of anything is not good. It becomes harmful and an individual cannot come out of the greed and lust of accumulation. Find out if you are also on the path of having an obsession with too much in any field.

Limitations are the key to a successful life

# মৰীচিকা

অবিনাশ হাজৰিকা

শাওন মাহৰ ওন্দোলা আকাশ। বৰষুণজাকৰ পিছতো আকাশৰ ক'লা ডাৱৰবোৰ আঁতৰি যোৱা নাই। বতৰ গোমা। হয়তো বৰষুণ এজাক আকৌ আহিব। পথাৰত থকা খেতিয়কবোৰ পুনৰ তিতিব। তথাপি তেওঁলোকৰ তাৰ প্ৰতি ভ্ৰূক্ষেপ নাই। তেওঁলোকে ঘৰলৈও গুচি নাযায়। তিতি বুৰি হ'লেও এইকেইদিনতে হাড়ভঙা পৰিশ্ৰম কৰি খেতিডৰা কৰি ল'ব পাৰিলে বছৰটো সুখেৰে খাব পাৰিব।

নম্ৰতাই শুই উঠি হাতত একাপ চাহ লৈ পিছফালৰ বাৰান্দাতে বহিছে। অমলপ্ৰভাৰ কথা শুনি থাকোঁতেই কালি বহুপৰ হ'ল। আজিও দেৰিকৈ সাৰ পালে। অমলপ্ৰভা এতিয়াও শুই আছে। কিমান দিন চাগৈ ভালকৈ খাবলৈ, শুবলৈ পোৱা নাই তেওঁ। আজিও নম্ৰতাৰ সন্মুখত অমলপ্ৰভাৰ জীৱন বৃত্তান্তৰ প্ৰতিটো দৃশ্য স্পষ্টকৈ ভাঁহি আছে। মনত আছে তাইৰ অমলপ্ৰভাই কোৱা প্ৰতিটো কথা।

বৈবাহিক জীৱনৰ পাতনি মেলাৰে পৰা এগৰাকী শাহু আৰু এজন দেওৰ যে ভালো থাকিব পাৰে, সেই ধাৰণাটোৰে অমলপ্ৰভাৰ মনৰ পৰা হেৰাই গ'ল। অমলপ্ৰভাৰ মতে, এগৰাকী শাহুৰ স্থান পোৱাৰ লগে লগে প্ৰতিগৰাকী নাৰী কেৱল বোৱাৰীয়েকৰ ওপৰত শাৰীৰিক বা মানসিক অত্যাচাৰী হৈ পৰে। তথাপি অমলপ্ৰভাই হুতাকৈ হ'লেও এযাৰি মাত পাইছিল শাহুৱেক আৰু দেওৰ দুজনৰ পৰা। কাৰণ ঘৰখনত একমাত্ৰ চাকৰিয়াল অমলপ্ৰভাৰ স্বামী অৰ্থাৎ ঘৰখনৰ ডাঙৰ ল'ৰা অমৃত। দেউতাক ঢুকোৱাৰ পাছত কাকায়েকৰ তত্বাৱধানত পঢ়া-শুনা কৰিও কিন্তু ককায়েকৰ প্ৰতি থাকিবলগীয়া সামান্যতম সন্মানকণো অমলপ্ৰভাৰ দেওৰ দুজনৰ নাই। কেৱল চাকৰিৰ ধনকেইটাৰ বাবেহে ককায়েকৰ প্ৰয়োজন। কিন্তু ককায়েক অমৃত সম্পূৰ্ণ ওলোটা। অমৃত কেৱল মাক আৰু ভায়েক দুজনৰ মৰমত অন্ধ। প্ৰতিটো মুহূৰ্তত পোৱা অপবাদ আৰু ককৰ্থনাৰ মাজতে অমৃত আৰু অমলপ্ৰভাই পৈতৃক সম্পত্তিৰ ভাগ নোলোৱাকৈ ওলাই আহি কাষৰ গাঁৱতে নতুন ঘৰ সাজি সংসাৰ পাতিলে। অলপ স্বস্তিৰ নিশ্বাস পেলোৱাৰ পিছত অমলপ্ৰভাৰ আহিল এই অভিশপ্ত জীৱনটো। এটা দুৰ্ঘটনাত অমৃত চিৰদিনৰ বাবে আঁতৰি গ'ল, কোলাত দি গ'ল দুটি ফুলকুমলীয়া সন্তান। এক অসহ্য যান্ত্ৰণা, লাঞ্জনা আৰু কলংকৰ সাগৰত তাই অকলশৰীয়া জীৱন কটালে।

অমলপ্ৰভাৰ অৱস্থা শাওনৰ পথাৰৰ খেতিয়কবোৰৰ দৰেই হ'ল। এই জীৱনৰ সকলো তিক্ততা তথা জটিলতা অতিক্ৰম কৰি দুখতো হাঁহি থাকে। ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত একো ত্ৰূটি নৰখাকৈ, সিহঁতৰ নামতে নিজৰ জীৱনটো বিসৰ্জন দিয়ে। পাৰ্যমানে অমলপ্ৰভাই সকলো ত্যাগ কৰি পালন কৰিলে মাক-দেউতাকৰ দায়িত্ব।


- আইজনী, অলপ পানী পাম নেকি? অমলপ্ৰভাৰ মাতত নম্ৰতাৰ তন্ময়তা ভাঙিল। অমলপ্ৰভাই পুনৰ সুধিলেঃ কিবা ভাবি আছিলা?

- নাই একো নাই।

এই গৰাকী অমলপ্ৰভা ষাঠিৰ উৰ্ধৰ এগৰাকী বৃদ্ধা। পুত্ৰই এৰি যোৱা অৱস্থাত পথৰ দাঁতিৰ পৰা নম্ৰতাই অমলপ্ৰভাক উঠাই আনিলে, তাই জীৱনত সুখৰ মুখ দেখা নাপালে। আৱৰ্জনা ৰূপত পথৰ দাঁতিত পৰি থাকিবলগীয়া হ'ল। অমলপ্ৰভাৰ সুখ সদায়ে মৰীচিকা হৈ ৰ'ল। আজি নম্ৰতাই তেওঁক নগৰৰ বৃদ্ধাশ্ৰমত থৈ আহিবগৈ।

# কোলাহলৰ নির্জনতা

পূজা বৰুৱা



কেঁচা তেজৰ টোপোলাবোৰ দেৱালত ছিটিকি পৰিছিল, ৰঙচুৱা হৈ পৰা সেই চিৰি কেইটা, গছবোৰৰ পাতৰ জলঙাৰে সোমাই অহা ৰ'দৰ পোহৰে গোটা বান্ধিছিল তেজমখাক। অস্পষ্ট এখন মুখা, যেন তাইৰফালে আগবাঢ়ি আহিছে। আন্ধাৰ যদিও সেই তীক্ষ্ণ ৰঙা চকু দুটা উজ্বলি উঠিছে, তাই বহুত কাবৌ কৰিছিল, কিন্তু সি তাইৰ কথা ভ্ৰূক্ষেপ নকৰিলে। তাইৰ হাত ভৰিত আঘাতৰ চিন সু-স্পষ্ট। পলাব খুজিও যেন পলাব পৰা নাই, কিবা এটা অজান শক্তিয়ে যেন বান্ধি ৰাখিছে। চাৰিওফালে অন্ধকাৰে আৱৰা সেই কোঠালিটোত এবাৰ চকু ফুৰালে। ইয়াতটো কোনো নাই, কেৱল এক ছেকেণ্ডৰ মূৰে মূৰে ঘড়ীটোৱে শব্দ কৰি আছে।

পুনৰ সেই সপোনটোৰ কথাকে মনলৈ আহি আকৌ এবাৰ তাইৰ গা নোমবোৰ শিয়ঁৰি

উঠিল। হাতখনেৰে ম'বাইলটো খেপিয়াই সময়টো চালে, আবেলি ৪ বাজি ৪৫ মিনিট গৈছে। পুনৰ এক হুলস্থূল তাইৰ কাণত পৰিল। উঠি গৈ খিৰিকীখন খুলি তললৈ চাই দেখিলে, কমেও ৩০/৪০ জন মানুহ গোট খাইছে। ইমান বৰষুণত মানুহবোৰৰ কি হৈছে?

ওচৰে পাজৰে থকা মানুহবোৰো চাপি আহিছে। সকলোৰে হাতত ছাতিও নাই, কিছুমানে বৰষুণতে তিতি বৈ আছে থৰ হৈ। তাইৰ বুকুখন কঁপি উঠিল। তাই আৰু তেনেকৈ চাই থাকিব নোৱাৰিলে। তিনি মহলাৰ ওপৰৰ পৰা তাই চিৰিয়ে নামি গৈ তল পোৱালৈ ঠাইডোখৰত মানুহৰ ভিৰ আৰু বাঢ়িল। বৰষুণ জাক তেতিয়াও কমা নাছিল। তাই ভিৰ ফালি মানুহখিনিৰ মাজেদি যাবলৈ চেষ্টা কৰিছে কিন্তু পৰা নাই। শংকিত মনটো উৎসুকতাৰে ভৰি পৰিল। জানিব খুজিছিল আচল কাৰণটো।

তাইৰ দুচকুৰে কেৱল সেই কাৰণটো বিচাৰি হাবাথুৰি খাই ফুৰিছিল। সময় যিমানে পাৰ হৈছে, বুকুখন সিমানেই বেছিকৈ কঁপিছে।

তেনেতে কিছুমান কথা তাইৰ কাণত পৰিলহি..

— প্ৰেমত বিফল হ'ল চাগে? হ'লেও এনে সিদ্ধান্তনো ল'ব লাগেনে?

— এৰা একো চিন্তা চৰ্চা নাই, পঢ়িবলৈ পঠিয়াইছে পঢ়িব লাগে।

— ব'ল ব'ল, এইবোৰ চাই লাভ নাই।

মহানগৰীত এইবোৰ নিত্য নৈমিত্যিক ঘটনা।

কোনোৱে আকৌ ভিডিঅ কৰি তৃপ্তি লভিছে। বৰষুণ কমিল, ভিৰ ফালি তাই যি দেখিলে সেয়া তাইৰ কল্পনাৰ বাহিৰত। কিবা এটা দুখে তাইক বুকুখন হেঁচা মাৰি ধৰিছে।

ছোৱালীজনীৰ পিন্ধন এটা ৰঙা কুৰ্তি, এটা প্লাজো। তলমূৰ কৰি পৰি থকা তাইৰ নিথৰ শৰীৰটোৰ এটা ভৰি কোচ খাই আছে। এখন হাত চাপ খাই আৰু আনখন হাত দীঘল হৈ আছে। মূৰেদি বৈ অহা তাইৰ তেজখিনি বৰষুণৰ পানীয়ে ধুই নিছে। ফ্ৰ'ৰখন ৰঙা হৈ পৰিছে। ইমান মৰম লগা ছোৱালীজনী। ছোৱালীজনীৰ ওঁঠ জুৰি কঁপি উঠিছে। কিবা ক'ব বিচাৰিছে নেকি বাৰু! ইমানখিনি মানুহ থকাৰ পাছতো ইমান নিচিন্ত হৈ কেনেকৈ শুই আছে। হয়তো সেয়া এক আজীৱন শান্তিৰ টোপনি। তেজ আৰু বৰষুণৰ পানীৰে সান খোৱা সেই চুলিখিনিয়ে তাই মুখৰ আধা অংশ ঢাকিয়েই ৰাখিছে।

তাইৰ ওঁঠ জুৰিলৈ আকৌ লক্ষ্য কৰিলে। হয়, এতিয়াও কঁপি আছে। কিবা ক'ব বিচাৰিছে, যিখিনি কাহিনী কোনো দিন নোকোৱাকৈ ৰৈ গৈছিল।

কিন্তু, কি ক'ব খুজিছে ওঁঠ জুৰিয়ে। মাত ফুটাব পৰা নাই, কি কথা থাকিব পাৰে বাৰু?

— বাইদেউ, এতিয়া আৰু ইয়াত ৰৈ কি পাব। যাওঁক ভিতৰলৈ।

— এটা অচিনাকি মাতত সম্বিত ঘুৰি আহিল তাইৰ। পাছলৈ চাই দেখিলে, হয় ইয়াত দেখোন কোনো নাই। তাৰমানে তাই অথনিৰে পৰা ৰৈয়ে আছিল অকলে অকলে।

কিন্তু, ইমানখিনি মানুহ গ'ল ক'লৈ? আৰু শুই থকা ছোৱালীজনী?

ডেদবডিটো পষ্টমৰ্টেমৰ বাবে পুলিছে লৈ গ'ল।

নিজৰ মাজতে তাই কথাবোৰ ভাবিব ধৰিলে। ছোৱালীজনীটো মোৰ মুখৰ আগতে শুই আছিল। কেতিয়া আহি নিলেহি পুলিছে। তাই ইমান গম নাপালেনে? বিভিন্ন প্ৰশ্নই তাইক উবুৰিয়াই ধৰিলে।

আন্ধাৰে ঘেৰি ধৰা মহানগৰীৰ লাইটবোৰ জ্বলি উঠিল। ৰাস্তাবোৰো জিলিকি উঠিল লাইটৰ পোহৰত। সকলো যেন এক মেচিনৰ দৰে চলি আছে।


ফ্লেটটোৰ চাৰিওফালে আজি নিৰ্জনতাই ঘেৰি আছে। নিজৰ মাজতে কথাবোৰ পাগুলিয়াই লাহে লাহে তাই চিৰিয়েদি ক্ৰমৰ ফালে আগবাঢ়ি গ'ল। দৰ্জাখন দুফাল হৈ আছে, মেলা খিৰিকি মেলাতে আছে। তাৰমানে তাই দৰ্জা খিৰিকি মাৰিবও পাহৰিলে। ভেন্টিলেটৰে সোমাই অহা অকণমান পোহৰে তাই টেবুলত থোৱা কৃষ্ণ মুৰ্ত্তিটোত পৰি জিলিকাই তুলিছিল। দৰ্জাখন জপাই খিৰিকীখনেৰে বাহিৰৰ পৰিৱেশটো এবাৰ চালে। ইমান নিৰ্জন। সকলোৱে নিজৰ নিজৰ লক্ষ্যৰ দিশে ধাৱমান হৈছে।

কিদৰে প্ৰতিটো দিন আৰু ৰাতি এই মানুহবোৰে হিচাপ কৰে পোৱা নোপোৱাৰ সুদীৰ্ঘ তালিকা এখনৰ। য'ত নোপোৱাৰ অগণিত, পোৱাৰ হিচাপবোৰৰ সুখকনো তিলে তিলে নিঃশেষ কৰে। কোনোৱে কাৰোলৈ চাবলৈ আঁহৰি নাই এই যান্ত্ৰিক মহানগৰীত।

ক'ৰবাৰ পৰা অচিনাকি এটা চৰাই তাইৰ কাষেদি উৰি গ'ল। শীতল এছাতি বতাহে তাইৰ গাল খন চুই গ'ল। খিৰিকীৰ পৰ্দাখনতো হয়তো সেই বতাহছাতিয়ে কোবাই গৈছে। লাহেকৈ খিৰিকীখন জপাই তাই লাইটটো অন কৰিলে। ক্ৰমটোত গোটেই কাপোৰ কানিবোৰ ছেদেলি ভেদেলি হৈ পৰি আছে। ঘড়ীটোলৈ চাই দেখিলে ১১ বাজি

গ'লচোন। ফোনটো হাতত লৈ অবাক হৈ গ'ল। ইমান মিছ কল। থাকিবইতো, তাইটো আজি ৰাতিপুৱাৰে পৰা মাকলৈ ফোন কৰিবলৈ পাহৰিলেই।

এখন ভিতৰুৱা গাঁৱৰ সহজ-সৰল ঘৰৰ একমাত্ৰ ছোৱালী সন্ধ্যা। দেউতাকে টানি টুনি স্নাতক ডিগ্ৰীলৈকে পঢ়ুৱালে। মাতৃৰ অৱস্থায়ো সেই সময়ত বেয়া আছিল। সেইবাবেই তাই উচ্চ শিক্ষাৰ কথা দেউতাকৰ আগত ক'বলৈ সাহস নহ'ল। বয়সে গৰকা দেউতাকেনো কিমান আৰু কষ্ট কৰিব। সেয়ে তাই ঘৰখনৰ দায়িত্ব নিজৰ ওপৰত ল'ব লগা হৈছিল।



আচলতে দায়িত্বই হেঁচি ধৰা মানুহখিনিয়ে জীৱন ধাৰণৰ সীমিত সুবিধাৰ মাজতো জীয়াই থাকে। অৰ্থাৎ থাকিবলৈ বাধ্য তেওঁলোক। আচলতে জীয়াই নাথাকে, জীয়াই থকাৰ অভিনয় কৰে এই মহানগৰীত। ওখ ওখ কংক্ৰিটৰ মাজত আবদ্ধ মহানগৰীত থকা বাসিন্দাসকলে বুজে, মুক্ত হোৱাৰ ব্যাকুলতা আৰু বন্দী জীৱনৰ হাহাকাৰবোৰৰ তীব্ৰতা। গাঁওবোৰত কামৰ আকাল, ভাতৰ আকাল। অভাৱ অনাটৰ বাবেই মানুহ নগৰমুখী হয়, কিন্তু ইয়াত আহি কি পায়? যান্ত্ৰিকতা... ছোৱালীজনীৰ মুখ খন বাৰে বাৰে ভাঁহি আছে তাইৰ চকুত। টেবুলখনৰ ফালে আগবাঢ়ি গৈ, কৃষ্ণমূৰ্ত্তিটো হাতত লৈ তাই সুধিলে, পিতাই এনেকুৱা ৰাস্তা কিয় বনালা? যি পথেৰে এবাৰ গ'লে দুনাই ঘূৰি আহিব নোৱাৰে আৰু বিছাৰিও যাব নোৱাৰি, মানুহবোৰ কিয় ইমান হৃদয়হীন পিতাই? জানা, তেজেৰে তিতি থকা ছোৱালীজনীটো ভাল বুলি নকয়েই, কিন্তু মৃত্যুৰ পাছতো এনে আচৰণ কিয়? মানুহৰ বিষয়ে সম্পূৰ্ণকৈ নজনাকৈ, মন্তব্য কৰাতো জানো উচিত?

কোলাহলত সাৰ পোৱা এই মহানগৰীৰ জাঁৰৰ জোথৰবোৰৰ দৰেই কদৰ্য হৈ পৰিছে মানুহৰ মনবোৰো। কিন্তু কি জানা পিতাই? তাই ভুল কৰিলে, মানুহৰ জীৱনলৈ ধুমুহা আহিবই, সেই ধুমুহাৰ লগত যুঁজিবলৈ ভয় কৰি জীৱনৰ পৰা পলাই যোৱাটোতো কেতিয়াও উচিত নহয়। সকলো চিন্তাৰ সাগৰ দেওনা দি তাই গুচি গ'ল। কিন্তু তাইক লৈ জীয়াই থাকিবলৈ শিকা নিথৰুৱা মাক দেউতাক হালৰ ছাগে কি অৱস্থা হৈছে এতিয়া! পাৰিবনে বাৰু, নিজ কন্যাৰ নিথৰ শৰীৰটো চাবলৈ?

ডেউকা মেলি নিজে গঢ়ি লোৱা পৃথিৱীখনৰ পৰা, নিজৰ আত্মীয় স্বজনৰ পৰা চিৰদিনৰ বাবে বিচ্ছিন্ন হৈ যাবলৈ এবাৰো বুকুখন নকপিল নে? এবাৰো নিসহায় মাক, ভনীৰ মুখখন মনলৈ নাহিল নে? নিজৰ বাবেই নিজৰ ইমান ঘৃণা কিয়? পুতৌ নালাগিল নে উশাহটো বন্ধ হৈ যোৱাৰ পিছত শুকান কাঠছটা হৈ পৰি ৰোৱা শৰীৰটোলৈ।

আত্মহত্যা জানো সমস্যাৰ সমাধান হ'ব পাৰে! মানুহবোৰে ভুল তাতেই কৰে। ভাবি লয়, তেওঁৰ কথাবোৰ শুনিবলৈ কোনো নাই। সমস্যাবোৰৰ সমাধান নাই। এই পৃথিৱীত প্ৰতিটো বেমাৰৰ যদি ঔষধ থাকে, ঠিক সেইদৰে প্ৰতিটো সমস্যাৰে সমাধানো থাকে। তাৰ বাবে লাগিব ধৈৰ্য্য, নিজৰ ওপৰত বিশ্বাস আৰু সহায়ৰ বাবে তুমিটো নিশ্চয় আছা পিতাই।

মৃত্যু কেতিয়াও সমস্যাৰ সমাধান নহয়। আমি কেতিয়াবা নিজৰ বাবে নহ'লেও, আনৰ বাবেও জীয়াই থাকিব লাগিব। জীৱন থমকি নৰয়। সূৰ্যাস্ত মানেই জানো অন্ত? নহয়, ই এক নতুন পুৱাৰ প্ৰতিশ্ৰুতি। শেষ হৈও, শেষ হ'ব নোখোজা ই এটি সুৰীয়া কবিতা।

# নাৰী

মেৰী কলিতা



চহৰখনৰ ভিতৰতে নামজ্বলা ব্যক্তি বিকাশ কাকতি। পত্নী পূজা কাকতি আৰু কন্যা তৃষা। ৰাজনীতিৰ জগতখনত এখনি সুকীয়া আসনৰ গৰাকী বিকাশ কাকতিৰ সাংঘাতিক ব্যস্ততাৰ মাজতো কন্যালৈ বহু মৰম। অন্যহাতে, দৰিদ্ৰ পিতৃ গৃহৰ কন্যা পত্নী পূজা কাকতিয়ে স্বামীৰ পৰা কোনোদিনেই যেন লাভ কৰিব নোৱাৰে অলপমান মৰম ভালপোৱা। প্ৰায়ভাগ সময় তেওঁৰ যেন পাৰ হয় বিকাশ কাকতিৰ দাবি ধমকিৰ মাজেৰে। পিতৃ গৃহলৈ ঘূৰি নহাৰ প্ৰতিশ্ৰুতিৰে তেওঁ ৰৈ যায় একমাত্ৰ কন্যাক বুকুত সামৰি। হঠাতে এদিন বিকাশ কাকতিয়ে তেওঁৰ কন্যাক কাষতে বহাই ক'লে, মাজনী, চহৰৰ অতি নামজ্বলা ব্যক্তি হীৰেণ দত্তৰ সৰু পুত্ৰ, পেছাত এজন ডাক্তৰ, তেওঁ আজি আগবঢ়াইছে তোমাৰ বাবে বিয়াৰ প্ৰস্তাৱ। কোনো চিন্তাৰ বিষয় নাই মাজনী, তোমাক বিয়া দিয়াৰ পাছত মাৰকো কোনোবা আশ্ৰমতে ৰখাৰ ব্যৱস্থা কৰি মই কিছুদিন মুক্তি লাভ কৰিম। আৰু অন্যান্য বহু কথা পত্নীৰ প্ৰায় বিৰোধিতা কৰি অনৰ্গলভাৱে কৈ গৈছিল বিকাশ কাকতিদেৱে।

কোনোদিনে চিঞৰি কথা নোকোৱা তৃষা আজিও নিশ্চুপ। দেউতাকলৈ কেৰাহিকৈ চাই তাই উঠি গ'ল। ক্ষন্তেক পাছতে এখন হাতেৰে এটা ট্ৰলী বেগ আৰু আনখন হাতেৰে মাতৃক লৈ তাই ওলাই আহিল ভিতৰৰ পৰা আৰু দেউতাকক ক'লে - মই জানো, তুমি মোক যিমান মৰম দিয়া, তাত কোনো কৃত্ৰিমতা নাই। ঠিক সেইদৰে মাও দেউতাকৰ সিমান মৰমৰ আছিল নিশ্চয়। তুমি মোৰ বাবে চহৰৰ আভিজাত্য ঘৰখনি চোৱাৰ দৰে ককাইও বোধকৰোঁ তোমালৈ গতালে নিজৰ মৰমৰ কন্যাজনীক। মোৰো বিশেষ পাৰ্থক্য কি থাকিব দেউতা, মই আজিৰ নাৰী। মাৰ দৰে মই বন্দীত্বত কটাব নোৱাৰোঁ। নালাগে মাক আশ্ৰমত ৰাখিব। পিতৃগৃহলৈ নি ক'কাৰ বোজা হ'বলৈ নিদিওঁ। জানি ল'বা দেউতা, আজিৰ নাৰী অবলা নহয়। খৰখোজেৰে আগুৱাই গ'ল তৃষা মাকক লৈ। মুখত এক তাইৰ সন্তুষ্টিৰ হাঁহি, হৃদয়ত কিছু যান্ত্ৰণা আৰু দুচকুত যেন তৃষাৰেই জুই।

# পৰিণতি

পলিজা বৰা

প্ৰায় নিশা ১১ মান বাজিছে। জয়ন্ত পঢ়াৰ টেবুলত মগ্ন। হঠাৎ ভাঁহি অহা এটি কোলাহলৰ শব্দই নিস্তব্ধতা ভঙ্গ কৰিলে। ভাঁহি আহিল মৰিলো ঔ...... মৰিলো ঔ.........। অলপ পাছত এটি শিশুৰ সৈতে এগৰাকী নাৰীৰ কাতৰ বিননি।

জয়ন্তই অনুধাৱন কৰিবলৈ চেষ্টা কৰিলে ঘটনাটো ক'ত ঘটিছে। অলপ পাছতেই দীপুৰ অশ্লীল শব্দত গাঁৱৰ মানুহে পথত ওলাই আহি দুজন-চাৰিজন গোট লৈ বু-বু-বা-বা কৰিবলৈ লাগিলে। জয়ন্তই বুজিবলৈ বাকী নাথাকিল, সেয়া মদাহী দীপুৰ পত্নী মৌচুমীৰ কাতৰ বিননি। জয়ন্তই পঢ়াৰ টেবুল এৰি বিছনাত বাগৰ মাৰিলে, কিন্তু তাৰ ক'ত টোপনি ধৰে, দীপুৰ ঘৰত যিহে পৰিৱেশৰ সৃষ্টি হৈছে। সি এবাৰ বিছনাতে কৈ পেলালে, ঐ মদাহী মনে মনে থাক অ'...।

কিন্তু সকলোবোৰ মিছা। তাৰ কথাবোৰ শুনে কোনে। অতীতৰ কথাবোৰে জয়ন্তক জুমুৰি দি ধৰিলে। দীপুৰ স্কুলত এজন মেধাৱী ছাত্ৰ আছিল যদিও কলেজত শিক্ষকৰ চকুত অবাধ্য হৈ পৰিছিল। সি তেতিয়া জয়ন্তৰ লগত একেলগে পঢ়িছিল। প্ৰতিদিনে এপেকেট চিগাৰেট, শিখৰ খোৱাটো তাৰ অভ্যাস। তাৰ যথেষ্ট বন্ধুবৰ্গ আছিল। কাৰণ তাৰ দেউতাক তৰুণ মহাজন আছিল চোৰাং ব্যৱসায়ী আৰু সেইবাবে অজস্ৰ ধন সি ব্যয় কৰিব পাৰিছিল। মাজে সময়ে কলেজত মদ্যপান কৰি ক্লাছত উপস্থিত আছিল। দ্বাদশ শ্ৰেণীত তাৰ মৌচুমীৰ সৈতে প্ৰেম হৈছিল

০০০

কোঠাৰ পৰা ওলাই আহি কণমানি পাহীক দুহাতেৰে সাৱটি ধৰিলে, নিৰ্যাতিতা মৌচুমীয়ে আউলি বাউলী চুলিৰ সৈতে দৌৰি আহি সোমাই পৰিল দেউতাকৰ বুকুৰ মাজত।

০০০

আৰু মাত্ৰ ১৮ বছৰ বয়সতে মৌচুমীক বিয়া কৰাই ঘৰলৈ লৈ আহিছিল। বৰ্তমান জয়ন্ত আৰু দীপুৰ বিস্তৰ পাৰ্থক্য আছে। দীপু হৈছে ছমহীয়া এটি শিশুৰ পিতৃ আৰু জয়ন্ত স্নাতক পঞ্চম ষান্মাসিকৰ ছাত্ৰ।

নিশা ক্ৰমান্বয়ে জয়াল হৈ আহিছে, মদৰ নিচাত দীপুৱে মৌচুমীক জধে-মধে আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিলে। হুলস্থুল ক্ৰমান্বয়ে আৰৌ বৃদ্ধি পালে। মৌচুমীয়ে সদায় সহ্য কৰি অহাৰ দৰে নাথাকি গাঁৱৰ মহিলা সমিতিৰ সম্পাদিকা তৰালী বাইদেউৰ সৈতে ততাতৈয়াকৈ ম'বাইল ফোনেৰে কথা-বতৰা পাতিলে। মাক-দেউতাককো দীপুৱে কৰা উদ্ভণ্ডালিৰ কথা ফোনৰ যোগেৰে জনোৱা হ'ল।

মৌচুমী ভাগি পৰিছে দুখত আৰু দুখতেই যেন কৈ পেলাইছে-

"নিয়তি তুমি নিষ্ঠুৰ নহ'বা,
অকালতে হৃদয়ৰ সেউজীয়া পাতবোৰ
সৰি যোৱাকৈ।"

পাছদিনা পুৱা প্ৰায় ৯ বাজিছে। তৰুণ মহাজনৰ চোতাল অসংখ্য মানুহে ভৰি পৰিল। মহিলা সমিতিৰ আবেদনত উপাযুক্ত সহ সদৰ থানা পুলিছে আহি দীপুক গ্ৰেপ্তাৰ কৰিলে আৰু সকলোৱে একেমুখে গৰিহণা দিলে দীপুক আৰু মদৰ পিপাসু তৰুণ মহাজনক। কোঠাৰ পৰা ওলাই আহি কণমানি পাহীক দুহাতেৰে সাৱটি ধৰিলে, নিৰ্যাতিতা মৌচুমীয়ে আউলি বাউলী চুলিৰ সৈতে দৌৰি আহি সোমাই পৰিল দেউতাকৰ বুকুৰ মাজত। দেউতাকো উচুপি উঠিল, উচুপি উঠিল অসংখ্য মহিলা। হুলস্থূলীয়া পৰিৱেশ নিৰৱতা আৰু অশ্ৰুলৈ পৰিণত হ'ল। মৌচুমীক ক্ষন্তেকৰ বাবেও তাত নাৰাখি দেউতাকে নিজ ঘৰলৈ বুলি আগবাঢ়িলে। অকালতে বৃদ্ধ হৈ গ'ল যেন দুটি যুৱক-যুৱতী। নভৱাকৈয়ে আহি পৰিল ভয়াবহতা, মাদকদ্ৰব্যৰ বলী হ'ল দীপু। মিছাতেই নিৰ্যাতিতা হ'ল মৌচুমী। সম্পৰ্ক গঢ়োতেই শেষ হৈ গ'ল দুটি জীৱন।

# দশভূজা

হেনাশ্ৰী দত্ত

বোৱাৰী পুৱাৰে পৰাই নন্দিতাই টাকুৰি ঘূৰাদি ঘূৰি ঘৰৰ বাহি বন সামৰাৰ পৰা গোঁসাই চাকি দিয়ালৈকে সকলোবোৰ কৰি আছে। ঘৰৰ বাকী সকলো এতিয়াও বিচনাতে। সাঁতমহীয়া কণমানিজনী শুই আছে বুলিহে। বৰ্তমান বিদ্যালয়ৰ পৰা ছুটী লৈ থকা বাবেহে অকণমান শান্তি, নহ'লেতো নন্দিতা আৰু সমস্যাৰ সন্মুখীন হ'ল হয়।

এনেকুৱাতে নন্দিতাৰ শাহুৱেক আহি তাইক চিঞৰিলেহি। আজি চাহ ভাগ্যত নহ'বই নেকি বোৱাৰী। লৰালৰিকৈ গোঁসাই ঘৰত চাকি জ্বলাই নন্দিতা ওলাই আহি পাকঘৰত চাহৰ কেটলিটো তুলি দি আনফালে ভাতৰ যা-যোগাৰ কৰাত লাগিল। তেনেকৈ চাহ কাপ বাকি লওঁতেই অকমানিজনীও সাৰ পায় ঠেনঠেনাবলৈ লাগিল। তাই লৰালৰিকৈ শাহুৱেকক চাহ কাপ বাকি দি, মাইনাজনীৰ কাষলৈ গ'ল আৰু লগতে স্বামী ৰক্তিমকো টোপনিৰ পৰা উঠাই দিলে।

মাইনাজনী আকৌ টোপনি যোৱাত তাইক ঝুলনাখনতে শোৱাই নন্দিতাই পুনৰ ভাতৰ লগতে ৰক্তিমৰ টিফিনটো যোগাৰ কৰাত লাগিল। ৰক্তিমক ভাত দি নন্দিতাই পুনৰ মাইনাক খুৱাই আজৰি কৰি দিলে লগতে ৰক্তিমৰ ঘড়ী, পাৰ্চ আদি যতনাই দি তেওঁক অফিচলৈ পঠিয়ালে। শাহুৱেককো ভাত পানী দি তাই কাপোৰ ধুবলৈ গ'ল। কাপোৰ কেইটা মেলি আহি দেখে ১২ বাজিবৰে হ'ল, তায়ো ল'ৰালৰিকৈ ভাত কেইটা খাব ল'লে, এনেকুৱাতে ওচৰৰ খুড়ী গৰাকী আহি ওলালেহি। তেওঁক মাতবোল কৰি নন্দিতাই চাহ জলপান যতনাই দি মাইনাজনীক কোলাত ল'লে আৰু তাইক পিয়াহ দি নিজেও লৰালৰিকৈ ভাত কেইটা খাই ল'লে।

মাইনাজনীক চাফ-চিকুণ কৰি আজৰি হয় মানে আকৌ সকলোকে আবেলিৰ চাহকণো যতনাই দিলে। পাঁচ বাজিবৰে হ'ল, ৰক্তিমো আহি পালেহি। লৰালৰিকৈ ৰক্তিমক চাহ কাপ দি আঁতৰি যাব বিচাৰোঁতে ৰক্তিমে নন্দিতাক কাষতে বহুৱাই ল'লে আৰু ক'বলৈ ধৰিলে "নন্দিতা, দিনৰ দিনটো সকলোৰে যত্ন লৈছা, নিজে চোন চুলি কোছাও পৰিপাটি কৰা নাই। কিমান আৰু কাম কাম কৰি থাকা। আজি তুমি অকণমান আৰাম কৰা, ৰাতিৰ সাঁজ মই ৰান্ধিম। সঁচাকৈয়ে তোমালোকে নিজৰ পৰিয়ালৰ বাবে ইমান কষ্ট স্বীকাৰ কৰা, সঁচাই তোমালোক অনন্যা, সঁচাকৈয়ে তোমালোক দশভূজা।"

# এভঙা সপোন

ভূৱন গগৈ

টেবুলখনতে সি প্ৰতিটো দিনৰ দৰেই আজিও বস্তু কেইটা সজাই লৈছে। বুঢ়া তামোল কেইটা উলিয়াই সি চুচুক চামাক কৈ কাটিব লৈছে যদিও সি ভালকৈ পৰা নাই । তাৰ বয়সনো কিমান, পঞ্চম শ্ৰেণীৰ এটা কণমানি। বয়সৰ বিপৰীতে তাৰ দায়িত্ব কিম্বা স্বাভিমান উৰ্দ্ধত। মাকক ষ্টেচনৰ দোকানখনত সি কেতিয়াও থিয় হব নিদিয়ে, সন্ধিয়া কাঠৰ আচবাব বনাবৰ বাবে দেউতাকে কাঠ বিচাৰি যায় আৰু সেই সময় খিনিত দেউতাকৰ সলনি দোকান খন খুলি ৰয়। প্ৰতিদিনেই সি অধীৰ আগ্ৰহেৰে দোকানৰ বহনি হোৱালৈ বৈ থাকে, ষ্টেচনটো সৰু বিশেষ দিনবোৰত হে মানুহ হয় । কেতিয়াবা বস্তু সামৰিব লোৱাৰ আগ মুহূৰ্তলৈকে বহনি নহয়। যদিও এই পৰিস্থিতিয়ে তাৰ মুখখন সেমেকাই তোলে, ইয়ে তাক ধৈৰ্য কি শিকাইছে, দহ টকাৰ মূল্য কি তাক শিকাইছে। বহুতো গ্ৰাহকৰ মাজত যেতিয়া কোনো গ্ৰাহকে তাক প্ৰশ্ন কৰে, কি পঢ়ি আছা? ৰোল নং কিমান? সি তপৰাই উত্তৰ দিয়ে-এক। বহুতে মানি লয় আৰু বহুতে অধিক বাৰ প্ৰশ্ন কৰে। আন কোনো কোনো যাত্ৰী মৰমত বলিয়ান হৈ পৰে। বহুতো যাত্ৰী অথবা গ্ৰাহকক সি লগ পাইছে, যিয়ে মৰমতে ভাল কৈ পঢ়িবা বুলি টোপোলাত বান্ধি অনা ভাগৰে মিঠাই খাবলৈ দিয়ে। সি এইবাৰ ক্লাছ ছিক্সত । তাৰ জীৱনলৈ এতিয়া নতুন নতুন অভিজ্ঞতা আহিব ধৰিছে। তেৰ চৈধ্যটাৰ লগৰীয়াৰ সলনি এতিয়া হ'লগৈ যাঠিটা। এতিয়া সি ভিন ভিন শিক্ষকৰ পাঠ দানৰ প্ৰেমত পৰিছে, শাৰী শাৰী নাহৰ বোৰৰ প্ৰেমত পৰিছে। সি স্কুলৰ পৰা আহি ভাত কেইটা খাই অলপ জিৰণি লৈ দোকানলৈ বুলি ঢাপলি মেলিছে। কেতিয়াবা তাক চাহ কৰোঁ বুলি জ্বলাই ৰোৱা ষ্টʼভৰ জুয়ে ভমককৈ তাৰ মুখলে মাৰি পঠিয়াই বুলি দেউতাকে ভয় খায়। সি প্ৰতিটো বৰ্ষতে প্ৰথম হৈ অষ্টম মান শ্ৰেণীলৈ পালে । গাঁৱতেই আকৌ নতুনকৈ এখন দোকান আৰম্ভ হ'ল । পুৰা হ'লে এইখনলৈ আৰু সন্ধিয়া হ'লে সিখনলৈ যায়। তথাপিও অভাৱ বোৰ একেই থাকিল। ওখ ষ্টেচন টোৰ পৰাই সি কোলাহলপূৰ্ণ খেলপথাৰ খনলৈ চাই ৰয়। তাৰো খেলিব মন যায়, কিন্তু মন গ'লেই জানো হ'ব! কেতিয়াবা তাৰ মন যায় লগৰীয়াৰ লগত জংঘলৰ দাঁতিৰ নৈ খনত বহিবলৈ। পোৱা নোপোৱাৰ এই আবেগে তাক বেছি সময় ধৰি থাকিব নোৱাৰে । যি পৰিস্থিতিয়েই তাৰ সন্মুখত নাহক কিয়, সেইয়া সি আদৰি ল'ব শিকিছে । তাৰ দৃষ্টি ভংগীয়ে কয়, নোপোৱাৰ হিচাপ কৰাতকৈ আমি যদি প্ৰত্যেকেই পোৱা বোৰক লৈ সুখী হ'ব শিকোঁ; যি পাইছোঁ তাক উপভোগ কৰিব শিকোঁ, লাগিলে সেইয়া যন্ত্ৰণা দায়ক অথবা মৰ্মান্তিকেই নহওঁক কিয়, আমি যদি সেইয়া গভীৰলৈ উপভোগ কৰি তাক যদি খুঁচুৰিব লওঁ তাৰ পৰাই বহু মণি মুকুতাৰ উদ্ভৱ হ'ব, যিয়ে জীৱন পথত এক উৎকৰ্ষ সাধন কৰিব। এইয়া সেই শিক্ষা, যিয়ে জ্ঞান হৈ পোহৰ বিলাব, যাক আমি আনুষ্ঠানিক শিক্ষাত বিচাৰি নাপাওঁ। প্ৰত্যেক সমস্যা, পৰিস্থিতি আমাৰ বাবে শিক্ষক, ই আমাক জীৱনৰ আদি পাঠ শিকাব । প্ৰয়োজন মাথোঁ আমি কিমান গুণে ইয়াক যোগাত্মক ভাবে ল'ব পাৰিছোঁ। এইবাৰ সি দশম মান পালেগৈ, খুব জোৰ দি পঢ়িব লৈছে। পুৰা কিতাপ এখন লৈ দোকানলৈ বুলি ওলাই যায়। দোকানত ধূপ ডাল জ্বলাই কিতাপ খন মেলি লয় পঢ়িবলৈ আৰম্ভ কৰে। গ্ৰাহকৰ সংখ্যা নিচেই কম । ঘৰৰ খোৱা বোৱা সামগ্ৰীবোৰৰ লগতে পঢ়া শুনাৰ বাবে প্ৰয়োজন খিনি দোকান খনেই পুৰায়। চাৰে সাত মান বজাত গৈ মাকে তাক আজৰি কৰি দিয়ে, কোবাকুবিকৈ ভাত কেইটা খাই সুতা কটা চিলাখন হৈ ভনীয়েকক চাইকেলৰ কেৰীয়া খনত বহাই স্কুল পায়গৈ। স্কুলৰ সি সাধাৰণ সম্পাদক। তাৰ প্ৰতি সকলোৰে মৰম থকাৰ বাবে আটাইতকৈ বেছি ভোট পাই সি এইবাৰ সাধাৰণ সম্পাদকৰ পদত জয়ী হৈছিল। গতিকে সি আঠটা চল্লিশৰ আগতেই স্কুল পোৱাটো বাধ্যতামূলক। সন্ধিয়া দোকান খনৰ পৰা আহি সাত মান বজাত সি পঢ়িবলৈ লয়। দিনটোৰ ভাগৰত তাৰ চকু কেইটা জাপ খাই পৰে। দেউতাক

এতিয়াও আহি ঘৰ সুমুৱাই নাই। হয়তো আজিও অলপ নিচাসক্ত হৈ আহিব। পঢ়া টেবুলৰ পৰা সি ক'বলৈ ধৰে, মা .. দেতা যেতিয়া আহে আহিব, আপুনি মাত নামাতিব । ভাত বাঢ়ি থৈ দিয়ক, আহি খাব। ভয় খাই সি কাজিয়া হয় বুলি । প্ৰথম মুখে মুখে এজনে সিজনক আক্ৰমণ কৰিব তাৰ পিছত মাৰ-পিটলৈ পৰিবৰ্তন হব। দেউতাক মৰমিয়াল, সিহঁতক খুব মৰম কৰে। তথাপিও কিহৰ বাবে মাক আৰু দেউতাকৰ মাজত এনে হৈ ধৰিব নোৱাৰে, ভনীয়েক সৰু যদিও মাজত সোমাই দুয়োকে নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে। সি একো মাতিবকে নোৱাৰে প্ৰচণ্ড খং এটা উঠে তাৰ। হুলস্থুলৰ মাজতেই মাকৰ জীও যাওঁ যাওঁ এটা চিঞৰ । মাকৰ খুঁতৰিটোৰ পৰা ওলোৱা তেজৰে মজিয়া সেমেকিছে। কথা বোৰ ভাবি গোটেই নিশা টোপনি নাহে তাৰ । সি যেন এক ঘোৰ অপৰাধ প্ৰৱণতাত ভুগিছে। কি কৰিব, সি কেনেকৈ ঘৰখন ঠিক কৰিব, যিবোৰ কাৰণত কাজিয়া হয় সেইবোৰত সি কোনোপধ্যেই হস্তক্ষেপ কৰিব নোৱাৰে। বহু কেইটা কাৰকৰ বাবে এনে পৰিস্থিতিৰ সৃষ্টি হয় যদিও তাৰ মনে কয় ভাল দৰে পঢ়ি শুনি যদি সি কিবা এটা কৰি অভাৱ বোৰ শেষ কৰিব পাৰে, তেন্তে সকলোবোৰ ঠিক হ'ব। তাৰ মনলৈ আহে যে অভাৱত থাকিও বহু মানুহ সুখী হৈ আছে। প্ৰয়োজন মাথোঁ এজনে সিজনক অলপ বুজি পোৱাৰ, আন্তৰিকতাৰ এখন সাঁকো থকাৰ । এইখিনি কথা সি এতিয়া তাৰ দেউতাক আৰু মাকক কেনেকৈ বুজাব, তাৰ ৰাস্তা হে বিচাৰি নাপালে। সামাজিক ভাৱে সিহঁতৰ ঘৰ খনক লৈ যি মৰ্যাদা, তাৰ বাবে সি কাৰো সহায়ো লব নোৱাৰিলে। এই অভাৱনীয় পৰিস্থিতিয়ে তাক মানসিক ভাবে জুৰুলা কৰি পেলাইছে। মানসিক ভোকত বহু বাৰ সি কোচ খাই পৰিছে। ঘৰটো অকলৰীয়াকৈ থকাৰ বাবে এইবোৰ কথা কোনো ওচৰ চুবুৰীয়াই নাজানে । কথা বোৰ সি কাক ক'ব? তাক যেন খুলি খুলি খাইছে, কান্দিব খুজিও সি কান্দিব নোৱাৰে। চকুপানী বোৱাৰ সেই কলা বহুবাৰ চেষ্টা কৰিও সি আয়ত্ত কৰিব নোৱাৰিলে। কুমলীয়া বয়সতে বুকুত বিষাদ আঁকোৱালি মুখত এটা পৰিপক্ক হাঁহি অহৰহ বৈ থাকে। অৱশ্যেই অকলশৰীয়াকৈ থাকিলে কথাটো অলপ বেলেগ । বহুবাৰ তাৰ মনলৈ আহিছে, সি ট্ৰেইন খনত উঠি ক'ৰবালৈ গুচি যাব, সি আলফালৈ যাব। মনলৈ কত বাৰ এনেধৰণৰ ভাৱ আহিল যদিও একো কৰিব নোৱাৰিলে। ভনীয়েক জনীৰ মুখ খন মনলৈ অহাৰ লগে লগেই সি স্তব্ধ হৈ ৰয়। মনতে প্ৰশ্ন সোধে, মাৰ কি হ'ব ?

সদায় এনেকৈয়ে মনৰ চাক- নৈয়াৰ মাজতেই জুলাইৰ পৰা ছটা মাহ পাৰ হ'ল। মেট্ৰিক পৰীক্ষালৈ মাজত আছে এটা মাহ। মানসিক চাপে এতিয়া তাক আৰু চেপি ধৰিলে। গোটেই স্কুলখনেই তাৰ পৰা এটা ভাল ফলাফল আশা কৰিছে। কথা বোৰ ভাবি সি আৰু অধিক ক্লান্ত নদীৰ সীমনাত উটি গ'ল। অৱশেষত ফলাফল আহিল। প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল । তাৰ পৰা বিচৰা ফলাফলটো কোনেও নাপালে । এইবাৰ সি বিজ্ঞান বিভাগত পঢ়িবলৈ বুলি চহৰৰ ফালে ওলাই আহিল। তাতো সংগ্ৰামৰ বিপৰীত সৰু সুৰা বহুতো সমস্যাই শাৰী পাতিলে। ছটা বিষয়ৰ ভিতৰত এটা বিষয়ৰ অধ্যাপকেই নাই আৰু এটাৰ থাকিও নথকাৰ দৰে। চৰকাৰৰ শিক্ষা ব্যৱস্থা বহু দূৰ আগ বাঢ়িল যদিও ভিতৰ ফালে এতিয়াও বহু ক্ষেত্ৰত ফোঁপোলা হৈয়ে ৰ'ল। ধনৱন্ত সকলে টিউশ্যনৰ জৰিয়তে পাৰ হৈ যাব। যিসকলে কেৱল আনুষ্ঠানিক শিক্ষকসকলৰ ওপৰত আশাবাদী, তেওঁলোকৰ ভিতৰৰ কিমানৰ চাগে জীৱনত কাল অমাৱস্যা নামি আহিছে। একেই হাঁহি একেই গতিৰে সি বৈ আছে আৰু বৈ থাকিব । সন্ধিয়া ভাড়া ৰুমৰ পাক ঘৰলৈ সোমাই ভাত কেইটা বঢ়াব লৈ ৰুমমেটক ক'লে-

: বিতু দা, চাউল আজিলৈহে হ'ব, কাইলৈৰ বাবে নাই ।

বিতু: উম্ এইবাৰ মই আনিব লাগে, কাইলৈ আনিমগৈ।

: কিমান সময়ত যাবা ঘৰলৈ ?

বিতু : যাম, এঘাৰ মান বজাত গৈ সন্ধিয়া সাত মান বজাত হে আহিম।

মনতে ভাবিছে, কাইলৈ মানে তাৰ আৰু ভাত খোৱা নহয়। ইপিনে হাতত ফুটা কড়ি এটাও নাই। দুপৰীয়া চোলা কাপোৰ কেইটা ধুই পাকঘৰলৈ সোমাই চাইছে, ভোকতে পেটে কলমলিয়াইছে। দেখিলে চুকটোতে পৰি থকা মোনাটোত কেইটামান চাউল আছে। চাই দেখিলে, নিগনিৰ মলে অপৰিষ্কাৰ গোটেইখন। সেইকেইটা পৰিষ্কাৰ কৰি ৰান্ধিবলৈ ল'লে । প্ৰেচাৰ কুকাৰৰ চিটিটোলৈ বুলি সি কাণ খন থিয় কৰি ৰাখিল । কিছু সময়ৰ পিছতেই তাৰ নাকত এটা পুৰা পুৰা গোন্ধই অগা ভেটা কৰিছে। সোমাই দেখিলে প্ৰেচাৰ কুকাৰটো কলা পৰি আছে । তাৰ মুখত নিৰাশাৰ কলা ডাৱৰে আৱৰি পেলালে, তাৰ মাজতেই লুকাই ৰ'ল মুখৰ হাঁহিটি । সি গম পালে, নতুন কৈ ব্যৱহাৰ কৰি চোৱা সৰু কুকাৰটো মানে বেয়া আছিল । এতিয়া আৰু তাৰ ভোক হেৰাল। তাৰ লক্ষ্য মাথোঁ কুকাৰটো কেনেদৰে চাফা কৰিব পাৰি । সন্ধিয়াই বিদায় মাগি নিশা দহ বাজিলে, বিতু দা নাহিল।

পঢ়া টেবুলত ধূপ ডাল জ্বলাই পদাৰ্থ বিজ্ঞানৰ কিতাপখন মেলি বৈছে। এনেতে বিতু দা আহি সোমালহি আৰু ক'বলৈ ধৰিলে, ইমান পঢ়া নে? ফাৰ্ষ্ট ইয়েৰ হে, নপঢ়িলেই হ'ব। পঢ়া, পঢ়া মই ফাৰ্ষ্ট ইয়েৰত পঢ়িয়েই নাপালোঁ । সি ভাবিলে,

জীৱন পথত এনে বহুতো মানুহ লগ পাম, যিয়ে তুমি এখোজ আগুৱাব বিচাৰিলে দুখোজ তোমাক পিছলৈ টানিব। তথাপিও বিতুদাৰ তাৰ বাবে নিজৰ ককায়েকৰ দৰে তেওঁ সকলো বিপদত কাষত থাকে।

এনেকৈ এতিয়া সি স্নাতক পৰ্যায়ত ভৰি দিলে, নতুন নতুন বহুতো সপোন দেখিছে । ভাল কিবা এটা কৰাৰ দুৰ্বাৰ হাবিয়াস তাৰ। সি কোনো কাৰণতে থমকি ৰ'ব নিবিচাৰে। যদিও নতুনকৈ এটা অচিন বেমাৰে সম্ভাষণ জনাইছে। মাহটোত চলিব দিয়া পইচাৰে পাৰে মানে এশ দুশ কৈ বচাই মেডিকেল গৈ দেখে যে কোনো ফালৰে পৰা তাৰ বেমাৰ ধৰা নপৰে। ঔষধ ঠিক মতে লৈছে যদিও ভাল পোৱা নাই । মনটো খেলি মেলি হ'ব ধৰিলে, কি কৰিব এতিয়া সি! বেমাৰলৈ চাব নে পইছালৈ! নে অংক শাস্ত্ৰৰ ডাঙৰ ডাঙৰ কিতাপ বোৰ! এটা কৰিলে এটা বাদ পৰি যায়। বেমাৰলৈ চালে পঢ়া নহয়, পঢ়া লৈ চালে বেমাৰ ঠিক নহয় । আন ফালে চিকিৎসাৰ বাবে পইছাও নাই। ইতিমধ্যে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময় হ'ল। সেই ফালেও পইছাৰ প্ৰয়োজন। কলেজৰ পৰা আহি দুটা টিউশ্যন কৰিব লৈছিল যদিও মাহটোৰ শেষত সি তাৰ প্ৰাপ্যৰ মাননিৰপৰা বঞ্চিত হ'ল। শিক্ষা ব্যৱস্থা বিনামূলীয়া হ'ল যদিও বহু ক্ষেত্ৰত এই ভিতৰুৱা ধন ৰাখিব বাবে বহু মেধা ছাত্ৰ-ছাত্ৰীৰ আধাতেই পঢ়াবলৈ এৰি দিয়া দেখিবলৈ পোৱা যায় । ঘৰখন ধাৰত পোত যাবলৈ ধৰিছে, ঘৰুৱা কন্দলবোৰতো আছেই। ঘৰত বেমাৰৰ কথা কৈছে যদিও ইমান জোৰ দি কোৱা নাই। তল পেটৰ বিষত সি এতিয়া আগৰ দৰে ক্লাছত বহি থাকিব নোৱাৰে । শুক্ৰাশয়কেইটা খুব বিষায় । মনতে ভাবিছে, ভাল দৰে বাহিৰত ক'ৰবাত দেখুৱাব লাগিব । ছেমিষ্টাৰৰ পৰীক্ষাৰ শেষত সি ঘৰলৈ গৈ টিউশ্যন কৰিব ল'লে। টিউশ্যনৰ পইচা কেইটা গোটাই চিকিৎসা কৰিব। ভবা মতেই হ'ল, ডিব্ৰুগড়ৰ ভাল urologist এজনক দেখালে। কতবোৰ যে পৰীক্ষা কৰাৰ উপৰিও মেডিচিন দিলে। পৰীক্ষা মতে সকলো ঠিকেই । কিন্তু ভাল নহয় বেমাৰ। তাৰ এনে লাগিল, পইচা কেইটা যেন এনেই পানীত পৰিল। কলেজ খুলিল, ক্ৰমলৈ আকৌ উভতি আহিল । বিষবোৰ বাঢ়িব ধৰিছে তাৰ । ফোনত যেতিয়া মাকে কৈ ৰয়, বোপাই ভাল পাইছে নে? উমম মা পাইছোঁ বুলি কোনোবা খিনিত যেন কথাকেইটা কৈ সি থমকি ৰয় । ভাল হ'লেই হ'ল আৰু প্ৰভু বুলি কৈ মাকে ফোনটো ৰাখি দিয়ে। প্ৰথম ছেমিষ্টাৰৰ ফলাফল ওলাল। ফলাফল ভাল, A গ্ৰেড পাইছে। এনেকৈ জীৱন বব ধৰিলে । প্ৰফেছাৰ হোৱাৰ সপোন এটা মনতে পুহি ৰাখি পাৰে মানে সি গৈ আছে। এবাৰ এবাৰ কৈ তিনি নম্বৰ বাৰ আকৌ বেমাৰ দেখুৱাবলৈ ডিব্ৰুগড়লৈ বুলি গ'ল। নাই, ভাল নহয়। মেডিকেলৰ কথা ভাবিব এৰি দিলে। কলেজৰ ইমূৰৰ পৰা সিমূৰলৈ ফাগুন হৈ উৰি ফুৰিল। নকৈ কৃষ্ণ চূড়া তলৰ এজনী পখিলাই তাৰ মন চুহিব ধৰিছে। জীৱনৰ সকলো আনন্দই সি ল'ব খোজে। জীৱনৰ সংজ্ঞা বিচাৰিছে । জীৱনৰ হতাশাত গাই ৰৈছে তাৰ প্ৰিয় গায়কজনৰ গানটো,

যদি জীৱনৰ ৰং বোৰে লুকা-ভাকু খেলে
যদি আশাৰ চাকিটি উমি উমি জ্বলে
তথাপি বন্ধু আগুৱাই যোৱা
শেষত সকলো পাবা ।

শ্ৰেণী কোঠাৰ মাজতেই এদিন সি হঠাৎ অচেতন হৈ পৰিল। ততাতৈয়াকৈ মেডিকেলত ভৰ্তি কৰিলে তাক । ডক্তৰৰ মুখেৰে গম পোৱা গ'ল, কিডনীৰ লগতে বহু কেইটা অংগ ক্ৰমাত অৱশ হৈ আহিব ধৰিছে । আমি চেষ্টা কৰিম যিমান পাৰোঁ বুলি ডক্তৰে ক'লে। বহুতৰ প্ৰিয় ছাত্ৰ সি, বহুতৰ প্ৰিয় বন্ধু সি। সকলো নিমাত। কলেজৰ কৃষ্ণ চূড়া জোপাৰ পৰাও এটা ভঙা চিঞৰৰ ভাঁহি আহিছে । আই চি ইউ কোঠা টোৰ পৰা ট্ৰলি খনত তাক বাহিৰলৈ উলিয়াই দিলে । সকলোৱে আবৰি ধৰিলে । জোৰেৰে জোনাক বুলি কেইবাটাও চিঞৰত মেডিকেল কম্পিত হ'ল। সি আৰু নাই । অশ্ৰু সিক্ত নিয়নৰে তাৰ সংগ্ৰামে ডিঙা মেলিলে। সি আৰু উভতি নাহে, কেতিয়াও কাহানিলৈ...।

সমাজক লৈ দেখা, নাহৰ এজাৰে মেলা পতা মাকক ফুৰাবলৈ নিয়া, দেউতাকক এটা নতুন চোলা দিয়া , ভনীয়েকলৈ ইটো সিটো কিনি দিয়াৰ কথা । তাৰ কিমান যে সপোন আছিল। ছয় বজাৰ পিছত বাহিৰত থাকিলে কিবা হ'ল নেকি বুলি আমন জিমন কৰি থকা, ফোনত দুবাৰ কল কৰি নাপায় কান্দি উঠা প্ৰেয়সী জনী, তাই এতিয়া হাজাৰ বাৰ বিচাৰি ৰ'ব। তাইৰ বাৰু কেনে দশা হ'ব! অলপ বিষাইছে বুলি কওঁতেই চকুলো বোৱা, ঘৰৰ দমৰা পোৱালিটো চাৰি দিন নাহোঁতেই খাবলৈ পাহৰা মাক জনীৰ বাৰু কি হ'ব? টোপনিতেই 'দাদা দাদা' বুলি চিঞৰি ৰোৱা ভনীয়েক জনীৰ বাৰু কি হ'ব! নোৱাৰিলেও বিচৰা প্ৰতিটো বস্তুকেই দিবলৈ আপ্ৰাণ চেষ্টা কৰা দেউতাক জনৰ কি হ'ব! যেতিয়া গম পাব পইচাৰৰ বাবে আজি তেওঁৰ ল'ৰাটো হেৰুৱাইছে। আৰু সেই প্ৰিয় বন্ধু বোৰে তাৰ ধেমেলীয়া কথা বোৰ মনত ৰাখিবনে? যাৰ মনত সি সদায় উমলি থাকিব বিচাৰিছিল। সন্ধ্যা ক'লা ডাৱৰখিনিৰ লগতেই ছাই হৈ গ'ল তাৰ সংগ্ৰাম । হেজাৰ চেষ্টা কৰাৰ ফলতো নিয়তিয়ে তাৰ সংগ্ৰাম বোৰ অপৈণত ভাৱে সামৰি ৰাখিলে ।

# অকৃতজ্ঞ পুত্ৰ

পল্লৱী বৰুৱা



অৱশেষত নিজৰাই বৃদ্ধ আশ্ৰমলৈ যোৱাৰ সিদ্ধান্ত ল'লে, কাৰণ তাইৰ ওচৰত আৰু অন্য উপায় নাছিল। পুত্ৰ বোৱাৰীৰ পৰা আৰু কিমান কঠোৰ মাত, গালি-গালাজ শুনিব। ইটো নকৰিব, ইটো নুচুব, ইফালে নাযাব, সিফালে নাযাব, চাৰিওফালে মুঠতে বাধা। উস্ তাইৰ আমনি লাগিছে। নাই, তাই আৰু ঘৰত নাথাকে। নিজৰ পুত্ৰই যেতিয়া তাইৰ ত্যাগ নুবুজিলে, তেন্তে এইখন ঘৰত থাকি তাইৰ লাভ কি? পুত্ৰ-বোৱাৰীৰ শান্তিৰ বাবে তাই ঘৰ এৰি যোৱাৰ সিদ্ধান্ত ল'লে। নিজৰা চহৰৰ এটা মধ্যবিত্ত পৰিয়ালৰ এজনী সহজ সৰল, মৰমলগা ছোৱালী আছিল। নিজ ইচ্ছামতে তাই অবিনাশ শইকীয়াৰ লগত প্ৰেম বিবাহ কৰিছিল। ঘৰৰ মানুহো তাইৰ এই সিদ্ধান্তত মান্তি আছিল। কাৰণ অবিনাশ আছিল এজন ভাল মানুহ। এখন চৰকাৰী হাইস্কুলৰ ইংৰাজী বিষয়ৰ এজন আদৰ্শ শিক্ষক। দুয়ো দুয়োক লৈ বহুত সুখী আছিল। বিয়াৰ দুবছৰৰ পাছত নিজৰা অন্তঃসত্বা হৈছিল। এই কথাটোৱে তেওঁলোকৰ জীৱনলৈ আৰু অধিক আনন্দ কঢ়িয়াই আনিছিল। তাৰ পাছত জন্ম হৈছিল ৰাজৰ। ৰাজক অতি মৰমেৰে নিজৰা আৰু অবিনাশে

ডাঙৰ কৰিছিল। সুখ, হাঁহি ধেমালিৰ মাজেৰে তেওঁলোকে এখন সুখৰ সংসাৰ পাতিছিল। তেওঁলোকৰ এই সুখৰ সংসাৰখন বেছিদিন নাথাকিল। ভগৱানৰ কু-দৃষ্টি পৰিল তেওঁলোকৰ সংসাৰখনৰ ওপৰত। এদিন নিয়তিয়ে ৰাজ আৰু নিজৰাক অকলশৰীয়া কৰি অবিনাশক তেওঁলোকৰ মাজৰ পৰা আঁতৰাই লৈ গ'ল। এটি দুৰ্ঘটনাত অবিনাশৰ মৃত্যু হ'ল। পাঁচ বছৰীয়া ৰাজক বুকুৰ মাজত লৈ তাই চিঞৰি চিঞৰি কান্দিছিল। ভগৱানক তাই পাৰে মানে গালি পাৰিছিল। ওচৰ-চুবুৰীয়া মানুহ আৰু ঘৰৰ মানুহে তাইক নানা পৰামৰ্শ দিছিল। অৱশেষত তাই সকলো ভাবি এখন দোকান খোলাৰ সিদ্ধান্ত ল'লে। দোকানত তাই দিনৰ দিনটো কাপোৰ চিলাইছিল। তাইৰ মাত্ৰ এটাই সপোন আছিল, পুতেক ৰাজক ভাল মানুহ কৰি গঢ়ি তোলা। ৰাজ দিনক দিনে ডাঙৰ হৈ আহিল। তাৰ প্ৰতিটো অভাৱ পূৰণ কৰিবলৈ তাই চেষ্টা কৰিছিল। ফটা কাপোৰ পিন্ধিয়েই তাই ঘূৰি ফুৰিছিল। কিন্তু পুতেকক সদায় ভাল কাপোৰ পিন্ধাইছিল। ৰাজ পঢ়াত ভালেই আছিল। মাকৰ কষ্ট দেখি সি দুখ কৰিছিল। সেয়েহে সি মনপুতি পঢ়িছিল। অৱশেষত সি মেট্ৰিক পৰীক্ষাত ষ্টাৰ সহ পাছ কৰিছিল। সেইদিনা নিজৰা বহুত সুখী হৈছিল। পুত্ৰ ৰাজক লৈ গৌৰৱ কৰিছিল। অবিনাশৰ সপোন পূৰ কৰিবলৈ নিজৰাই তাৰ ওচৰৰ এখন চৰকাৰী কলেজত বিজ্ঞান বিভাগত নাম লগাই দিছিল। নতুন পৰিবেশে ৰাজক পৰিৱৰ্তন কৰিছিল যদিও পঢ়াতো ঠিক ৰাখিলে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত সি ষ্টাৰ সহ পাছ কৰিলে। অবিনাশৰ সপোন আছিল ৰাজক ডাক্তৰ বনোৱা। সেই সপোন পূৰ কৰিবলৈ নিজৰাই বহুত চেষ্টা কৰিছিল। বেছি কষ্ট কৰাৰ ফলত তাইৰ শৰীৰ দুৰ্বল হৈ পৰিছিল। গাত না না বেমাৰে বাহ লৈছিল। ৰাজক এটা সংস্থাই সহায়ৰ হাত আগবঢ়ালে। মেধা ছাত্ৰ হিচাপে তাক পঢ়োৱাৰ দায়িত্ব সেই সংস্থাটোৱে ল'লে। অৱশেষত ৰাজ ডাক্তৰ হ'ল। পুতেকে মাকক এটা ডাঙৰ ঘৰ বনাই দিলে। এইবোৰ দেখি মাক নিজৰাৰ আনন্দ লাগিল। নিজৰাই পুতেকক বিয়া পাতি দিব বিচাৰিছিল। কিন্তু ৰাজে এজনী ছোৱালী কৰ্টত বিয়া পাতি আনি ঘৰ সুমুৱালেহি। তাইৰ নাম আছিল ৰুজী। ৰুজী আছিল এজনী ফেশ্বন ডিজাইনাৰ। তাইৰ নিজৰাক দেখি খং উঠিল। ৰাজক কৈ তাই মাক নিজৰাক ঘৰৰ পাছফালৰ কোঠা এটাত থাকিবলৈ দিলে। বোৱাৰীৰ অত্যাচাৰ বাঢ়ি গ'ল। নিজৰাই অত্যাচাৰ সহিব নোৱাৰা হ'ল। নিজৰা ঘৰ এৰি বৃদ্ধাশ্ৰমত থকাৰ কথা ভাবিলে। মাক নিজৰা ঘৰৰ পৰা ওলাই গ'ল। যাওঁতে এষাৰ কথা কৈ গ'ল- ৰাজ, মোৰ সোণটো, ভালকৈ থাকিবি। তহঁতৰ যাতে মোৰ দৰে অৱস্থা নহয়, তাৰ বাবে ভগৱানক প্ৰাৰ্থনা জনাম। ৰাজে মাকক ৰখাবলৈ চেষ্টা নকৰিলে। নিজৰাই পাছলৈ নোচোৱাকৈ গৈ থাকিল। অকৃতজ্ঞ পুতেকলৈ এবাৰ ঘূৰি চাবলৈ তাইৰ মন নগ'ল।

হাইড্ৰ'কাৰ্বন আৰু নাইট্ৰ'জেন অক্সাইডে অতিবেঙুনীয়া ৰশ্মি আৰু সূৰ্যৰ পোহৰৰ সহায়ত একধৰণৰ আলোক ৰাসায়নিক ধোঁৱলীৰ সৃষ্টি কৰে আৰু ধোঁৱলী যদি কেইবাদিনো কোনো চহৰৰ ওপৰত থাকে তেতিয়া মানুহ আৰু জীৱ-জন্তুক মৃত্যু-যন্ত্ৰনা দিব পাৰে।

# আত্মবিশ্বাস

ভাৰতজ্যোতি শইকীয়া

এপইন্টমেন্ট লেটাৰখন হাতত লৈ ৰীমা থৰ লাগি ৰ'ল। তাইৰ চকুৰে দুধাৰি চকুলো বৈ আহিল। পিছফালৰ চোতালৰ পৰা বাৰাণ্ডালৈ ওলাই অহা মাকে তাইক কোন আহিছিলি, কি দিলে সেইখন আদি কেইবাটাও প্ৰশ্ন সুধি আছে যদিও তাইৰ মুখৰ পৰা এটা শব্দও ওলাই নাহিলে। কিহে জানো তাইক বাকৰুদ্ধ কৰি পেলাইছে, তাই নিজেই নাজানে। চকুৰ আগলৈ ভাঁহি আহিছে সেই বিশেষ দিনটো। হয়, একমাত্ৰ সেই দিনটোয়েই তাইৰ জীৱনৰ গতিপথ সলনি কৰি দিলে। ঘূৰাই আনিলে আত্মবিশ্বাস, দৃঢ়তা আৰু বহু কিবা কিবি। কলেজ এখনত শিক্ষয়িত্ৰী কৰা সেই বাইদেউজনীয়েই আজি তাইক নিজৰ ভৰিত থিয় হোৱাৰ সুবিধাকন দিলে। হাড়ভগা পৰিশ্ৰম কৰি ঘৰখন চলাই নিয়া মাকৰ সপোনবোৰে পূৰ্ণতা পালে।

ৰীমাৰ আজিও মনত আছে নমিতা বাইদেউৰ ঘৰলৈ যোৱাৰ দিনটো। তেতিয়া তাইৰ বয়স ১১ বছৰ মান, ষষ্ঠ শ্ৰেণীত পঢ়ে। মাকৰ পাছে পাছে তাইও ভৰি থৈছিলগৈ বাইদেউৰ ঘৰত। বাইদেৱে ঘৰটো চাফা কৰিবলৈ মাকক মাতি পঠাইছিল। সেইসময়ত বাইদেৱে ছোৱালীজনীক বিশ্ব পৰিৱেশ দিৱস আৰু ৰাভা দিৱস কোন কোন তাৰিখে পালন কৰা হয় সুধি আছিল। বাইদেউৰ সলনি প্ৰশ্নৰ উত্তৰ তপককৈ তাইৰ মুখৰ পৰা ওলাই আহিছিল। বাইদেৱে তাইৰ চকুলৈ থৰ হৈ চাইছিল আৰু আহিবৰ সময়ত নিলিখা বহী আৰু সাধুৰ কিতাপ এখন হাতত দি কৈছিল- "ভালকৈ পঢ়িবা দেই। পঢ়িলে কি হ'বা, ডাঙৰ হ'লে "নিজেই গম পাবা।" সেইদিনাৰ পৰাই তাই আগতকৈ বেছিকৈ পঢ়িবলৈ লৈছিল। মাকৰ লগত গৈ বাইদেউজনীৰ পৰা অন্য শিশু সাহিত্য আনি পঢ়িবলৈ লৈছিল। বাইদেৱে যে ইমান কিতাপ পঢ়ে। তিনিটা আলমাৰি কিতাপেৰে ভৰি আছে। আগতে মাকে তাইক প্ৰায়ে কৈছিল- "আমাৰ দৰে মানুহে পঢ়া-শুনা কৰি একো লাভ নাই। হাত দুখনেহে তোক খুৱাব"। অৱশ্যে স্কুলত দিয়া দুপৰীয়া ভাতসাজৰ আশাতেই চাগৈ মাকে তাইক স্কুললৈ যোৱাত বাধা দিয়া নাছিল।

দেউতাকৰ মৃত্যুৰ পাছত মাকে কিদৰে ঘৰখন চলাই আহিছে, তাই সৰুৰে পৰা দেখি আহিছে। আধিত দিয়া মাটি কেইডৰাৰ ধানেৰে সিহঁত তিনিটা প্ৰাণীৰ পেটৰ ক্ষুধা পূৰণ কৰিলেও আনুষঙ্গিক আন বহুত খৰচ আছে ঘৰখনত। এটা অভাৱ পূৰ হ'লে আন এটা অভাৱে মূৰ দাঙি উঠে। আজি যদি ভায়েকৰ পেন্টটো কিনিলে, দুদিনমানৰ পিছত চেণ্ডেলযোৰ ছিগিল। এনেদৰেই পাৰ হয় ৰীমাহঁতৰ দিনবোৰ অভাৱৰ মাজত।

মেট্ৰিক পৰীক্ষাত তিনিটা বিষয়ত লেটাৰ মাৰ্কসহ ৭৮ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হোৱাৰ পিছত তাইৰ আত্মবিশ্বাসটো আৰু বাঢ়ি গৈছিল। তাতে এজোপা গছ পুলি ৰোৱাৰ বিনিময়ত বিনামূলীয়া নামভৰ্তিৰ চৰকাৰী আঁচনিখনে ৰীমাৰ দৰে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সকললৈ আশাৰ বতৰা কঢ়িয়াই আনিছিল। অভাৱগ্ৰস্ত পিতৃ-মাতৃয়ে বহুখিনি সকাহ পাইছিল। ৰীমাৰ ফলাফলত আনন্দিত হৈ নমিতা বাইদেৱে তাইক কিতাপখিনি কিনি দিয়াৰ লগতে কলেজৰ পুথিভঁৰালৰ পৰা প্ৰসংগ পুথি পঢ়িবলৈয়ো উৎসাহিত কৰিছিল। তাইৰ চেষ্টা আৰু নমিতা বাইদেউৰ দিহা পৰামৰ্শৰ বাবেই তাই উচ্চতৰ মাধ্যমিক পৰীক্ষাতো কলা বিভাগত ৮০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। আৰু আজি অনাকাংক্ষিত ভাৱে পিয়নজনে দি থৈ যোৱা খামটো খুলি ৰীমা হতভম্ব হৈ পৰিল। তাইৰ যেন পোহপাল দি থকা কণমানি সপোনটো পূৰঠ হৈ পৰিল।

ওচৰতে থিয় হৈ থকা মাকক সাৱটি ধৰি ৰীমাই চিঞৰি চিঞৰি ক'লে- "মা, মই চাকৰি পাইছোঁ।" ক্ষন্তেক বিলম্ব নকৰি নমিতা বাইদেউৰ ঘৰলৈ বুলি তাই প্ৰায় দৌৰি যোৱাৰ দৰে গুচি গ'ল।

# এনাজৰী

মানস ৰঞ্জন বৰুৱা



জীনা আৰু মিতালী বৰ নলে-গলে লগা বান্ধৱী আছিল। দুয়ো একেখন স্কুলৰে দশম শ্ৰেণীত পঢ়ে। জীনাৰ ঘৰুৱা অৱস্থা সিমান ভাল নহয়। কিন্তু মিতালীৰ দেউতাক ব্যৱসায়ী, মাকো শিক্ষয়িত্ৰী। সেয়েহে অভাৱ কি বস্তু নাজানিছিল। মিতালী ছোৱালীজনী অলপ অহংকাৰী। নিজৰ ধন সম্পত্তিক লৈ বৰ গৰ্ব কৰে। অহংকাৰী স্বভাৱটোৰ বাবে তাইক বহুতে বেয়া পায়। পঢ়াতো তাই সিমান ভাল নহয়। পৰীক্ষাত যেনে- তেনে পাছ কৰে। কিন্তু দুখীয়াৰ ঘৰত অভাৱৰ মাজেৰে ডাঙৰ হোৱা জীনা সদায় শ্ৰেণীত প্ৰথম হয়। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে তাই মৰমৰ। শ্ৰেণীত সদায় প্ৰথম হোৱা জীনালৈ মিতালীৰ খুব হিংসা হয়। কাৰণ, তাই নিজে শ্ৰেণীত প্ৰায়ে গালি গালাজ খায়। কিন্তু সকলোকে দেখুৱাই জীনাৰ লগত তাই ভালে আছিল। জীনাই বুজি পোৱা নাছিল, মিতালীৰ মাজত থকা তাইৰ প্ৰতি হিংসাৰ কথা। কিন্তু সিদিনা মিতালীৰ কি হ'ল? নিজেতো নামাতিলেই, জীনাই মাতিলতো তাই মুখ বেকেটিয়াই ক'লে- ঐ, আজিৰ পৰা তই মোক

নামাতিবি? ইয়াকে কৈ তাই শ্ৰেণীৰ বাকী কেইজনী ছোৱালীৰ ওচৰলৈ গুচি গ'ল। হঠাতে কি ঘটি গ'ল, জীনাই বুজিবই নোৱাৰিলে। তাই ভাবিলে যে মিতালীয়ে তাইৰ লগত ধেমালিহে কৰিছে। কিন্তু কি তাই গোটেই দিনটো ধেমালিহে কৰিলে নে? কথাযাৰ বুজিবলৈ তাইৰ বেছি সময় নালাগিল। টিনাই তাইক সকলো ক'লে- ঘৰুৱা অৱস্থাৰ আকাশ পাতাল পাৰ্থক্যৰ বাবে মিতালীয়ে জীনাৰ লগত থাকিবলৈ অলপ অসুবিধা পায়।

এমাহ মানৰ পাছত মিতালীৰ জন্মদিন পৰিল। জীনাৰ বাহিৰে শ্ৰেণীৰ আটাইকেইজনী ছোৱালীৰ ঘৰৰ অৱস্থা ভাল আছিল। আটাইকেইজনীকে মিতালীয়ে জীনাৰ আগতে জন্মদিনলৈ মাতিলে। কিন্তু তাইক নামাতিলে। এই কথাত জীনাই বৰ আঘাত পালে। তেতিয়া জীনাই প্ৰতিজ্ঞা কৰিলে যে, তাই ভালদৰে পঢ়া-শুনা কৰি মিতালীক দেখুওৱাব যে ঘৰুৱা অৱস্থাই সকলো নহয়। তেতিয়াৰে পৰা জীনাই মনপুতি পঢ়াশুনা কৰি মেট্ৰিক পৰীক্ষাত ষ্টাৰ মাৰ্ক পায়। ইফালে মিতালী তৃতীয় বিভাগত উত্তীৰ্ণ হ'ল। জীনাৰ দেউতাকে দিন হাজিৰা কৰিহে চাৰিজনীয়া পৰিয়ালটো চলাইছিল। কোনোবা দিনা কাম নাপালে পৰিয়ালটো লঘোণে থাকিব লাগে। তেনেস্থলত তাইক কলেজত পঢ়াবলৈ বুলি শ শ টকা ব্যয় কৰিবলৈ ক'ত পাব? আৰ্থিক অনাটনৰ বাবে যেতিয়া জীনাৰ দেউতাকে কলেজত পঢ়াব নোৱাৰিম বুলি ক'লে, তেতিয়া চুবুৰীয়াৰ মৰমীয়াল মানুহ এজনেই তাইক পঢ়োৱাৰ দায়িত্ব ল'লে।

মানুহজনৰ নিজৰ ল'ৰা-ছোৱালী নাই। কিন্তু উৰ্পাজন বহুত। সেইবাবে তেওঁ কেইটামান দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীক পঢ়াই মনৰ তৃষ্ণা দূৰ কৰে। চোকা-ছোৱালী বাবে তাই কেইবাঘৰতো টিউচন কৰি নিজৰ হাত খৰচ উলিয়ালে। কলেজতো তাই বিশেষ সুখ্যাতি অৰ্জন কৰিলে।

লাহে লাহে মিতালীয়ে ভাবিবলৈ ধৰিলে, যি জীনাক দুখীয়া বুলি হাঁহি তাইৰ লগৰ পৰা আঁতৰি আহিছিল, সেই জীনা আজি গৌৰৱৰ অধিকাৰী। তাই যেনেতেনে জীনাৰ ওচৰত ক্ষমা খুজিব লাগিব। কিন্তু কেনেকৈ? তাইটো আজিকালি জীনাক লগ নাপায়। অৱশেষত তাই এটা উপায় উলিয়ালে। জীনাৰ ভায়েক ঋতুৰাজৰ হাতত এখন চিঠি দি তাই ক্ষমা খুজিলে। কিন্তু চিঠিখন দি মিতালীয়ে যেনেকৈ ভাবিছিল চিঠিৰ উত্তৰ দেৰিকৈ পাব, কিন্তু তাৰ সম্পূৰ্ণ বিপৰীতভাৱে ঋতুৰাজে বায়েকৰ উত্তৰ মিতালীক দিলেহি। লগে লগে তাই চিঠিখন খুলি পঢ়ি চাই আচৰিত হ'ল। জীনায়ে লিখিছে যে তাইতো এইবোৰ কথা মনত ৰাখি থোৱা নাই। মিতালীৰ প্ৰতি জীনাৰ বেয়া ভাৱেই নাই। তাই সিহঁত দুয়োজনীৰ মাজৰ বন্ধুত্ব পুনৰ গজ্‌গজীয়া কৰিব খোজে, যদিহে মিতালীয়ে আগৰ দৰে প্ৰতাৰণা নকৰে। মিতালীয়ে প্ৰতিশ্ৰুতি দিলে আৰু সিহঁতৰ দুয়োজনীৰ মাজৰ বন্ধুত্বৰ এনাজৰীডাল পুনৰ গঢ়ি উঠিল।


# আত্ম পৰিচয়

ভাগ্যশ্ৰী কাকতি

"পঢ়িবলৈ যদি মন আছিল, মাকৰ ঘৰতে পঢ়িব লাগিছিল। ফুলকুমলীয়া বয়সত পলাই আহি এতিয়া কামৰ ভয়ত কলেজলৈ অহা-যোৱা কৰি দেখাইছে। কলেজলৈ গৈ ক'ত বা দাঁত চেলাই থাকে, কোনে জানে? নিজৰ জীৱনটোতো খালেই, মোৰ ল'ৰাটোৰ জীৱনটোও এই কুলক্ষিণীজনীয়ে শেষ কৰিলে"- কলেজৰ পৰা আহি ঘৰ সোমাওঁতেই শাহুয়েকে কোৱা কথা কেইষাৰ অলপ মান সময়লৈকে ৰূপালীৰ কাণত বাজি থাকিল। অৱশ্যে এইবোৰ কোনো নতুন কথা নহয়। যোৱা ন মাহে এইধৰণৰ কটুক্তি তাই শুনিয়েই আহিছে। প্ৰথম অৱস্থাত আঘাত দিছিল, হৰহৰাই চকুলো বৈ আহিছিল। ঘৰলৈ মনত পৰিছিল। মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ দিনা মাকে কোৱা কথাষাৰ বাৰে বাৰে মনলৈ আহিছিল। 'মই কলেজ গচকি নাপালো। তোক সুবিধাটো দিছোঁ। তই সুবিধাখিনি গ্ৰহণ কৰিবি আৰু নিজৰ এটা পৰিচয় গঢ়িবি। বুজিছ, নিজৰ পৰিচয়।' শাহুয়েকৰ কথাখিনি শুনাৰ পাছত শুৱনি কোঠাৰ বিচনাখনত বহুদেৰিলৈকে পৰি আছিল তাই । যেন ভীষণ দুৰ্বল হৈ পৰিছে, হাত-ভৰিকেইটা ধুবলৈ উঠি যাবলৈ যেন তাইৰ শক্তি নাই।

চকুৰ আগত অতীতৰ নানা ছবিয়ে অগা-দেৱা কৰিছে। সেই যে দেওবাৰৰ দিনা মাকে বনাই দিয়া ৰুটি-ভাজি খাই আৰ্টস্কুলত উপস্থিত হোৱা, চুটি কাপোৰত লেপেটা কাঢ়ি বহি বহি ছবি অকাঁ, বিদ্যালয়ৰ বছৰেকীয়া খেল-ধেমালিত চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ গ্ৰহণ কৰা আদি নানা ছবি তাইৰ চকুত ভাঁহি উঠিছিল। তাইটো আৰ্ট ভালেই কৰিছিল। চেষ্টা কৰিলে নিশ্চয় তাই এতিয়াও আৰ্ট কৰিব পাৰিব। এজন আৰ্টিষ্ট হিচাপে প্ৰতিষ্ঠিত নহ'লেও তাই অন্ততঃ কাপোৰত ফেব্ৰিক কৰি নিজৰ জীৱনটো চলিবলৈ প্ৰয়োজন হোৱা উপাৰ্জনখিনি কৰিব পাৰিব। হঠাৎ এক অনন্য দৃঢ়তাৰে ৰূপালী বিচনাৰ পৰা উঠিল।

বাকচৰ চুকত গোপনে ৰং-তুলিকা সাঁচি থোৱা পাঁচশ টকীয়া নোটখন লৈ তাই ওলাই গ'ল ৰং-তুলিকা আনিবলৈ। আত্মপৰিচয় গঢ়াৰ এসাগৰ আশাৰ আভাৰে ৰূপালীৰ মুখখন উজ্জ্বলি উঠিল।



# বকুল ফুলৰ দৰে

জিম্পী বৰা






'বকুল ফুলৰ দৰে' উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি কৈশোৰৰ ভাৱ জগতক উন্মোচন কৰা এক গভীৰ জীৱনবোধৰ উপন্যাস।

সাহিত্য, সংগীত আদি কলা মাধ্যমেৰে সুন্দৰৰ সাধনা কৰা হয়। সাহিত্য কলাত শব্দৰ মাধ্যমেৰে গ্ৰন্থ সৃষ্টি কৰি মানুহৰ জ্ঞানতৃষ্ণা পূৰণ কৰা হয়। গ্ৰন্থ অধ্যয়নে মানুহৰ বৌদ্ধিক বিকাশ ঘটোৱাৰ লগতে পথ প্ৰদৰ্শক হিচাপেও কাম কৰে। সেইবাবে মানুহে বিভিন্ন বিষয়ৰ গ্ৰন্থ অধ্যয়ন কৰা প্ৰয়োজন।

মোৰ জীৱনত খুব কম গ্ৰন্থ পঢ়াৰহে অভিজ্ঞতা হৈছে। সাধু, পৌৰাণিক আখ্যান, ভ্ৰমণ কাহিনী আৰু বিজ্ঞান সম্পৰ্কীয় পুথি পঢ়ি মই ভাল পাওঁ। মই পঢ়া সীমিত কিতাপ কেইখনৰ ভিতৰত মোৰ আটাইতকৈ প্ৰিয় গ্ৰন্থখন হৈছে- ড° মৃণাল কলিতা দেৱৰ শিশু সাহিত্য বঁটা প্ৰাপ্ত 'বকুল ফুলৰ দৰে' উপন্যাসখন। সাম্প্ৰতিক সময়ৰ উপন্যাস সমূহত দেখা পোৱা বিষয়বস্তুৰ দিশলৈ মন কৰিলে- এইখন এখন ব্যতিক্ৰমী উপন্যাস। আপাত দৃষ্টিত মানৱ জীৱনৰ সৰু-সাধাৰণ প্ৰসংগবোৰকে মৃণাল কলিতাই মানৱীয় দৃষ্টিকোণ আৰু সংবেদনশীলতাৰে পঢুৱৈৰ মন আৰু মানৱীয়তা চুব পৰাকৈ সাহিত্যৰ মাজেৰে প্ৰকাশ কৰিছে। সাহিত্য কৰ্মৰ মহত্ব জোখাৰ অন্যতম নিৰ্ণায়ক যদি তাৰ বিষয়বস্তুৰ গভীৰতা, তেনেহ'লে সেই দিশৰ পৰা উপন্যাসখন যথেষ্ট সমৃদ্ধ।

'বকুল ফুলৰ দৰে' উপন্যাসখন ড° মৃণাল কলিতাৰ প্ৰথম উপন্যাস। ২০১৫ চনৰ নৱেম্বৰ মাহত বান্ধৱ প্ৰকাশনে এই উপন্যাসখন প্ৰকাশ কৰে। তাৰ আগত কিশোৰ-কিশোৰী মাহেকীয়া আলোচনী 'বাৰ-ওঠৰ' ত প্ৰকাশ

পায়। উপন্যাসখন আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদিও প্ৰচাৰ কৰা হৈছিল। ২০২১ চনৰ ডিচেম্বৰৰ ৩০ তাৰিখে এই গ্ৰন্থখনৰ বাবে ড° মৃণাল কলিতাদেৱে সাহিত্য অকাডেমীৰ পৰা 'শিশু সাহিত্য বঁটা' লাভ কৰিছিল। উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা সৰল প্ৰকাশ ভংগীৰ কিন্তু গভীৰ জীৱনবোধৰ এক উপন্যাস। উপন্যাসখনৰ কাহিনীত শিক্ষক আৰু ছাত্ৰৰ মাজত থকা সম্পৰ্ক, আবেগ-অনুভূতি অতি সুন্দৰকৈ প্ৰকাশ পাইছে। এজন ভাল শিক্ষক বা ব্যক্তিয়ে কেনেকৈ সমাজখন আগুৱাই নিব পাৰে, এজন ভাল বন্ধুৱে কেনেকৈ আনজনক জীৱন বাটত আগুৱাই যোৱাত নিঃস্বাৰ্থ ভাৱে সহায় কৰিব পাৰে, এই সকলোবোৰ উপন্যাসখনত প্ৰতিফলিত হৈছে। এই উপন্যাসখন শিশু, কিশোৰ, অভিভাৱক আৰু প্ৰতিজন শিক্ষকে পঢ়া উচিত, কিয়নো আমাৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থাত থকা ক্ৰুটি আৰু প্ৰতিকূলতাসমূহ উফৰাই কেনেকৈ সৰলতা, আন্তৰিকতা আৰু শুভবোধৰ মাজেৰে ছাত্ৰ-ছাত্ৰীক মানুহ হিচাপে গঢ় দিব পাৰি, তাৰেই বৃত্তান্ত আগবঢ়োৱা হৈছে। এনেবোৰ কাৰণতে এই গ্ৰন্থখন মোৰ প্ৰিয় হিচাপে পৰিগণিত হৈছে।

এই উপন্যাসখনৰ বিষয়বস্তু এনেধৰণৰ আছিল, এখন হাইস্কুল আৰু তাত অধ্যয়ন কৰা অসীম, নিৰ্মলকে ধৰি ছাত্ৰসকলৰ লগতে তেওঁলোকৰ শিক্ষক আৰু বিদ্যালয়ৰ শিক্ষাদানৰ প্ৰণালী। উপন্যাসৰ কাহিনী ভাগ আৰম্ভ হৈছে বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰা দিনৰ পৰা। বিদ্যালয়ৰ এসময়ত মেধাৱী ছাত্ৰ অসীমে কাণে কাণ মাৰিহে নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ উত্তীৰ্ণ হয়। তাৰ এই ফলাফলে বিশেষভাৱে দুজনক হতাশ কৰি তোলে, এজন বিদ্যালয়ৰ গণিতৰ শিক্ষক 'মহেন্দ্ৰ মাষ্টৰ' আৰু আনজন অসীমৰ বন্ধু 'নিৰ্মল'। সুৰাপায়ী দেউতাকৰ পৰিয়ালটোৰ প্ৰতি অমনোযোগী মনোভাৱ আৰু আৰ্থিক অনাটনৰ বাবে অসীমে পঢ়া বাদ দি অৰ্থ উৰ্পাজনেৰে ঘৰখনক সকাহ দিবলৈ সিদ্ধান্ত লয়। শিলৰ কুৱেৰীত শিলভঙা শ্ৰমিক হিচাপে কাম কৰি ঘৰ চলোৱাৰ দায়িত্ব গ্ৰহণ কৰে। কিন্তু দুৰ্ভাগ্যজনক ভাৱে সেইদিনা শ্ৰেণীত ভাগৰত টোপনিয়াই থকা অসীমক মহেন্দ্ৰ মাষ্টৰে হাতত স্কেলেৰে বৰকৈ কোবায়। আগদিনা শিলে থেতেলা কৰা আঙুলিটোৰ পৰা টোপাটোপে তেজ ববলৈ আৰম্ভ কৰে। বিভিন্ন ঘটনা পৰিঘটনাৰ পাছত সি পঢ়াশুনাৰ পৰা বহু যোজন আঁতৰি আহিল। কিন্তু নতুনকৈ বিদ্যালয়ত যোগদান কৰা অভিনৱ মাষ্টৰে যেন আশাৰ বতৰা কঢ়িয়াই আনিলে। অসীমক বিদ্যালয়মুখী কৰাৰ চেষ্টা পুনৰ আৰম্ভ হ'ল। অভিনৱ মাষ্টৰৰ সমমৰ্মিতা তথা নিৰ্মলৰ অকৃত্ৰিম সাহচৰ্যই তাৰ হেৰুৱা আত্মবিশ্বাস ঘূৰাই আনিবলৈ সক্ষম হয়। অসীমে পুনৰ স্কুলত ভৰি থয়। অৱশেষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভেৰে পুনৰ নিজকে বিদ্যালয়ৰ 'জুৱেল' বুলি মহেন্দ্ৰ মাষ্টৰে দিয়া নামটো সাৰ্থক কৰিবলৈ সক্ষম হয়।

বিশেষকৈ, এই উপন্যাসখনত দুজন শিক্ষকৰ পৃথক শিক্ষাদান প্ৰক্ৰিয়াৰ প্ৰতিনিধিত্ব কৰিছে। এজনে কঠোৰ অনুশাসনেৰে শিক্ষাৰ্থীক আগবঢ়াই নিবলৈ বিচাৰে আৰু আনজনে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শকৰ ভূমিকাৰে তেওঁলোকৰ অন্তৰত সোমাব বিচাৰে। কিন্তু মহেন্দ্ৰ মাষ্টৰৰ দৰে পুৰণি ধ্যান যে শিক্ষাৰ্থীৰ বাবে ক্ষতিকাৰক, সেই কথাকে উপন্যাসখনৰ জৰিয়তে উপলব্ধি কৰাবলৈ বিচাৰিছে।

'বকুল ফুলৰ দৰে' উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি কৈশোৰৰ ভাৱ জগতক উন্মোচন কৰা এক গভীৰ জীৱনবোধৰ উপন্যাস। উপন্যাসখনে সকলো বয়সৰ পাঠকৰ বাবেই ভিন্ন ধৰণৰ অৰ্থ আৰু তাৎপৰ্য বহন কৰিছে। গতিকে উপন্যাসখনক এখন ব্যতিক্ৰমী উপন্যাস বুলি অভিহিত কৰিব পাৰি।

# মায়াবৃত্ত ঃ সোণসেৰীয়া সময়ৰ দলিল

জিম্পী বৰা




মায়াবৃত্ত হৈছে ৰীতা চৌধুৰীৰ ৰচিত এখন উপন্যাস। ড° ৰীতা চৌধুৰী অসমীয়া সাহিত্য জগতৰ এগৰাকী কবি, ঔপন্যাসিক আৰু সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক। তেওঁৰ ৰচিত উল্লেখযোগ্য উপন্যাস সমূহৰ ভিতৰত 'মায়াবৃত্ত' উল্লেখযোগ্য।

এই 'মায়াবৃত্ত' উপন্যাসখনৰ পুতি নামৰ এজনী অকণমানি ছোৱালী হৈছে কাহিনীটোৰ মূল চৰিত্ৰ। যি সময়ত মানুহৰ মনত দয়া মমতা সকলো শেষ হৈ প্ৰকৃতি আইক ধ্বংস কৰাত উন্মাদ হৈ পৰিছে, সেই একে সময়তে মুখ্য চৰিত্ৰ কণমানি পুতি আৰু তাইৰ একমাত্ৰ বন্ধু সুবৰ্ণৰ মনটোৱে কিদৰে প্ৰকৃতি ৰক্ষাৰ বাবে হাহাকাৰ কৰি উঠিছে, সেয়া কাহিনীটোৰ মূল অংশ। মায়াবৃত্ত উপন্যাসখনে অনুভৱী মনক বাৰুকৈয়ে চুই যায়। জীৱন আৰু সময়ৰ চকৰি অতি নিষ্ঠুৰ। 'মায়াবৃত্ত' এক মনস্তাত্ত্বিক বিষয়ক মূল আধাৰ হিচাপে লৈ লিখা ৰীতা চৌধুৰীৰ অন্যতম কালজয়ী উপন্যাস। মূল চৰিত্ৰ 'নীৰা'ই তাহানিৰ 'পুতি'ক নতুনকৈ আৱিস্কাৰৰ মানসেৰে গোমুখলৈ কৰা যাত্ৰাৰে হৈছে উপন্যাসখনৰ আৰম্ভণি। তেওঁ লগতে লৈ গৈছে 'পুতি' ময় হৈ থকা নীৰাৰে এখনি সোণসেৰীয়া সময়ৰ দলিল ডায়েৰীখন। সেই ডায়েৰী খনৰ আঁত ধৰিয়েই উপন্যাসখন আগবাঢ়িছে। স্বাভাৱিকতে কৃষ্ণ বৰণৰ কণমানি পুতিয়ে মনত অহৰহ ৰামধেনু এখন লৈ ফুৰিছিল। কৌতুহলী আৰু অনুভৱী ছোৱালীজনীৰ মনত উদয় হোৱা প্ৰশ্নবোৰৰ সমিধান বিচাৰি মাক-দেউতাকক ব্যতিব্যস্ত কৰিছিল। কিন্তু উত্তৰৰ বিপৰীতে পুতিয়ে পাইছিল ককৰ্থনাৰ খোঁচ আৰু হতাশা। উৰিবলৈ পিন্ধা শৈশৱী ডেউকা সুলকি তাই হাউলি পৰাৰ উপক্ৰম হওঁতেই লগ দিছিলহি সুবৰ্ণই। পুতিক তুলি ধৰি কাষে-কাষে বৈ ছাঁ দিছিল সি। লাহে লাহে পুতি-সুৰ্বণৰ মাজত আত্মীয়তা বাঢ়িছিল। সময়ৰ পকনীয়াত পৰি প্ৰাক্-যৌৱনৰ আলি-দোমোজাত সুবৰ্ণ হেৰাই গৈছিল। নিজ বাটে বৈ থকা সুঁতি দুটা যেতিয়া পুনৰ লগ হৈছিল, বুকুৰে-বুকুৰে সাৰে থকা সপোনবোৰৰ বাদে আন সকলো সলনি হৈছিল। মূল চৰিত্ৰ নীৰাৰ স্বামী ব্ৰজেন আছিল সম্পূৰ্ণ সুকীয়া বস্তুবাদী মানসিকতাৰ। সংসাৰখন জীয়াই ৰখাৰ স্বাৰ্থত কোনো কোনো স্থানত তেওঁক ৰক্ষণশীল যেনো বোধ হয়। ইফালে নীৰা আছিল প্ৰকৃতিৰ ৰূপত মুগ্ধ আৰু আলসুৱা মনৰ, গছ, বতাহ ভালপোৱা সেউজীয়া



পথাৰ ডৰাৰ দৰে। সুৰীয়া বৰ্ণিল হেপাঁহখিনিক পূৰ্ণতা প্ৰদানৰ নিমিত্তে ব্ৰজেনে তাইক আৱদ্ধ কৰি ৰাখিবলৈ গঢ়া অদৃশ্য প্ৰাচীৰ নীৰাই তচ-নচ কৰিবলৈ সক্ষম হৈছিল। সন্তান দুটিৰ সৈতে কৰা কথোপকথনখিনিয়ে নীৰাক এগৰাকী সু-গৃহিণী আৰু মমতাময়ী হিচাপে তুলি ধৰিছে। একে সময়তে স্বামীক কিছু নিৰুদ্বেগ দেখা গৈছে। ইফালে বন্ধুত্বৰ নিচান উৰুৱাই ৰৈ থকা ডেনিয়েল। তাৰ মনৰ কোনোবা এটা কেঁকুৰিত নীৰাৰ বাবে কিছু দুৰ্বলতা আছিল যদিও সেয়া এক অসমতুল সমীকৰণ হিচাপেহে ৰৈ গৈছিল। লেখিকাৰ অধ্যয়নপুষ্ট মনটোৰো উমান পাব পাৰি।

এই 'মায়াবৃত্ত' খন সামগ্ৰিকভাৱে এখন নাৰী কেন্দ্ৰিক উপন্যাস বুলি ক'ব পাৰি। লেখিকাই 'নীৰা' শীৰ্ষক চৰিত্ৰটোৰ মাধ্যমেৰে নাৰী জীৱনৰ কন্টকময় যাত্ৰা আৰু সমাজ-সংসাৰৰ মেৰপাকত দিশহাৰা হৈ পৰা নাৰীৰ স্বকীয়তাক বৰ সুন্দৰকৈ উপস্থাপিত কৰিছে।

'মায়াবৃত্ত' উপন্যাসখনত শৈশৱৰ 'পুতি' য়ে কৈশোৰত 'নীৰা' নামেৰে অলংকৃত হয়। নিজৰ মাক-দেউতাক ক'লা চামৰাৰ অধিকাৰী হোৱা হেতু ফুলকুমলীয়া ছোৱালীজনীৰ ওপৰত চলোৱা অতিশৰ্য্যা বৰ নিৰ্মম। কিন্তু একে সময়তে পুতিৰ তুলনাত বয়সত অলপ ডাঙৰ আৰু নিৰ্মল মনৰ অধিকাৰী সুৱৰ্ণৰ অস্তিত্বই তাইক অলপ সকাহ দিছিল। প্ৰকৃতিপ্ৰেম, জীৱনপ্ৰেমৰ নৈ এখন অনবৰতে নিজৰ হৃদয়ৰ মাজত কঢ়িয়াই ফুৰা শান্ত-সমাহিত পুতিজনী সৰুৰ পৰা অন্যায় আৰু অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিব পৰাকৈ দৃঢ় আছিল। সপোনৰাজ্যত উমলি ফুৰা, বাস্তৱত নিজৰ দায়িত্বৰ পৰা কাহানিও পিছ নোহোৱা, মানুহৰ চকুযুৰিৰে অন্তৰত প্ৰৱেশ কৰিব পৰা পুতিজনীয়ে কালক্ৰমত 'নীৰা' নামৰ এগৰাকী সু-লেখিকা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। আচলতে, নীৰা নামৰ সত্বাটোৰ বীজ শৈশৱতে সুৱৰ্ণই পুতিৰ মাজত ৰোপণ কৰি গৈছিল। শৈশৱতে অংকুৰিত সেই বীজ কৈশোৰত লালিত-পালিত হৈ প্ৰাপ্তবয়স্ক কালত, সম্ভাৱনাৰ ৰূপত ধৰা দিছিল। 'পুতি' ৰ পৰা 'নীৰা' হোৱাৰ যি যাত্ৰা, সেই যাত্ৰা কোনোকালেই মসৃণ নাছিল। মাতৃগৃহৰ লগতে স্বামীগৃহ তথা স্বামী ব্ৰজেনৰ পৰা লাভ কৰা অৱজ্ঞা তথা তিৰস্কাৰে পুতিক নীৰা হোৱাত সহায় কৰিছিল। এগৰাকী কল্পনাপ্ৰৱণ, অন্তৰ্স্ফূৰ্ভী, কিছু পৰিমাণে আত্মবিশ্বাসহীনতাৰে জৰ্জৰিত ছোৱালীজনীৰ এগৰাকী সৱল, কঠোৰ, স্বভিমানী নাৰী হোৱাৰ যি দীঘলীয়া যাত্ৰা, সেই যাত্ৰাৰ মাজেৰে কাহিনী ভাগ আগবাঢ়ি গৈছে।

মূল চৰিত্ৰ পুতি তথা নীৰাই পিতৃ-মাতৃ তথা সহোদৰ আৰু ব্ৰজেনৰ পৰা পোৱা অৱজ্ঞাবোৰৰ বাবে নীৰালৈ পুতৌ জন্মে। একেসময়তে সুৱৰ্ণ, ডেনিয়েল, ৰাজৰ্ষি আৰু জিৰি ৰোহীৰ পৰা পোৱা আবদাৰ তথা মৰমবোৰে নীৰাক ঈৰ্ষাৰ পাত্ৰ কৰি তুলিলে। ৰীতা চৌধুৰীৰ অনন্য কথন আৰু বৰ্ণনাত্মক গুণবিশিষ্ট উপন্যাসখন পঢ়োঁতে কাহিনীৰ বিস্তৃত বৰ্ণনাই এনেকৈ মোহাচ্ছন্ন কৰিছে যেন গোটেই ঘটনা প্ৰবাহ মনৰ চকুৰ সন্মুখত জীৱন্ত হৈ পৰে। প্ৰতিজন পাঠকে যে 'মায়াবৃত্ত' ক অসমীয়া সাহিত্যৰ এক অনন্য সম্পদ হিচাপে স্বীকৃতি দিছে আৰু দিব, সেয়া ন দি ক'ব পাৰি।

# ভাৰণ্ড পক্ষীৰ জাক ঃ
## এক আলোচনা

পাৰ্থ প্ৰতীম শইকীয়া




উমাকান্ত শৰ্মা অসমীয়া সাহিত্যৰ এগৰাকী বলিষ্ঠ ঔপন্যাসিক। তদুপৰি তেখেত গল্পকাৰ, নাট্যকাৰ অনুবাদক, জীৱনীকাৰ আৰু কবি হিচাপেও খ্যাত। তেখেতৰ জন্ম হৈছিল ১৯১৪ চনৰ ২৮ নৱেম্বৰত নলবাৰী জিলাৰ ককয়া গাঁৱত। ২০০৫ চনৰ ১৪ এপ্ৰিলৰ দিনা তেখেতৰ দেহাৱসান ঘটে। তেখেতৰ প্ৰথম খন উপন্যাস হ'ল 'উৰন্ত মেঘৰ ছাঁ।' তেখেতে উপন্যাসত 'পশুপতি ভৰদ্বাজ' শীৰ্ষক ছদ্ম নাম ব্যৱহাৰ কৰিছিল। ১৯৯২ চনত ৰচিত 'ভাৰণ্ড পক্ষীৰ জাক' উপন্যাস খন উমাকান্ত শৰ্মাৰ নামত প্ৰকাশ পায়। অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে শৰ্মাই লাভ কৰিছিল- ভাৰতীয় ভাষা পৰিষদ বঁটা, অসম উপত্যকা সাহিত্য বঁটা, অসম প্ৰকাশন পৰিষদ বঁটা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা।

উমাকান্ত শৰ্মাৰ 'ভাৰণ্ড পক্ষীৰ জাক'উপন্যাখনত প্ৰথমবাৰৰ বাবে জনজাতীয় ৰাজনৈতিক চেতনাক প্ৰতিফলন কৰিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ আগতে কোনো উপন্যাসত ইমান শক্তিশালী ৰূপত জনজাতীয় ৰাজনৈতিক আত্মচেতনাক অংকণ কৰা দেখা পোৱা নাযায়। ঔপন্যাসিকে অসমৰ প্ৰাচীন নৃ-গোষ্ঠী বড়োসকলৰ স্বাধীনতাৰ চেতনাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰিছে যদিও তেওঁলোকৰ সমাজ জীৱনৰ আন দিশবোৰকো ফুটাই তুলিবলৈ যত্ন কৰিছে। সেয়ে ক'ব পাৰোঁ যে বড়ো জনজাতিৰ অস্তিত্ব সংলগ্ন বা আত্মপ্ৰতিষ্ঠা সংগ্ৰামেই উপন্যাসখনৰ পটভূমিৰ অন্তৰালৰ কথা।

উপন্যাসখনত বৰ্ণিত ছেছাখুলি আৰু ছোনাফালি দুটা বড়ো অধ্যুষিত বৃহৎ অঞ্চল। ছেছাখুলিত বড়োৰ লগতে বৰ্ণহিন্দু, মুছলমান, নেপালী আদি বিভিন্ন সম্প্ৰদায়ৰ মানুহে বাস কৰে। ধৰ্ম, জাত আৰু ভাষা

উপন্যাসখন প্ৰধানতঃ এখন ৰাজনৈতিক উপন্যাস। ইয়াত প্ৰব্ৰজনৰ সমস্যাক তুলি ধৰা হৈছে। প্ৰব্ৰজিত নাগৰিকে ভূমি অধিকাৰ কৰিছে। ফলত স্থানীয়লোকৰ মাজত ভূমি সমস্যাৰ দৰে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হৈছে।

বেলেগ বেলেগ হলেও বড়োসকলৰ ধৰ্মীয় সহনশীলতাৰ বাবে ছেছাখুলিৰ মানুহৰ মাজত সমন্বয় আৰু দৃঢ় একতা দেখা যায়। স্থানীয় হিন্দু মন্দিৰৰ পূজাৰী গৌৰীনাথৰ মতে ছেছাখুলিৰ সমাজ মাত্ৰ এখনেই। আনহাতে স্বাধীনতাৰ বহু বছৰৰ পাছতো বড়োসকলৰ কিবা উন্নতি হোৱাৰ সলনি চাৰিওফালৰ পৰা বিভিন্ন জনগোষ্ঠীৰ হেঁচাত বড়োসকলৰ অস্তিত্ব বিপন্ন হোৱাৰ সম্ভাৱনা দেখি নতুন চাম বড়ো যুৱক-যুৱতী ক্ষুব্ধ হৈ উঠিছে। ছেছাখুলি ছোনাফালিৰ বড়ো জনজাতীৰ আৱেষ্টনীৰ মাটি বহিৰাগত শৰণাৰ্থীয়ে দখল কৰিছে, অঞ্চলটোৰ অব্যৱহৃত অৰণ্য অঞ্চলৰ হাবি-বন পুৰি মৈমনচিঙীয়া লোকে স্থায়ীভাৱে বসতি আৰম্ভ কৰিছে। বড়োসকলৰ এই বিপদৰ সময়ত ক্ষুব্ধ যুৱকসকলে ঠায়ে ঠায়ে সংগঠিত হৈ চৰম পন্থা অৱলম্বনৰ যো-জাও চলাইছে। নিজৰ পৰম্পৰাকে সাবতি সৰ্বস্বান্ত হ'বলৈ ওলোৱা বড়োসকলৰ নতুন চামৰ মাজত এনে জাগৰণ দেখি গৌৰীনাথে সন্তোষ লভিছে। নতুন সকলৰ বিপৰীতে পুৰণিচাম লোক বহিৰাগতসকলৰ আগমনত শংকিত হোৱা নাই। এওঁলোকৰ মতে পমুৱা মানুহবোৰে এনেয়ে পৰি থকা মাটিত হাবি জংঘল কাটি খেতি কৰি ভালেই কৰিছে। ছেছাখুলি বজাৰত দোকান-পোহাৰ বাঢ়ি অহাত বয়-বস্তু সহজতে আৰু সস্তাতে পোৱা গৈছে। কিন্তু অলিত-উৰ্মিলাহঁতৰ দৰে নতুন চাম ডেকা-গাভৰুৰ মতে বহিৰাগতৰ এই আগ্ৰাসন আৰম্ভণিতে ৰোধ কৰিব নোৱাৰিলে পাছলৈ সেয়া সম্ভৱ নহ'ব। ইতিমধ্যে বড়ো আৰু বৰ্ণহিন্দুসকলৰ মাজত বিভিন্ন কাৰণত বিভাজনে মূৰ দাঙি উঠিছে। তাৰে এটা কাৰণ হৈছে, অসমৰ ৰাজ্যভাষা অসমীয়া হোৱাটো বড়োসকলেও পোষকতা কৰিছিল, কিন্তু তেওঁলোকৰ সমস্যাৱলী বৰ্ণহিন্দুসকলে কেতিয়াও উপলব্ধি কৰিব নোৱাৰে।

নতুন চাম যুৱক-যুৱতীয়ে দেখা পায় যে বড়োসকলৰ উন্নতিৰ বাবে লোৱা যিকোনো আঁচনিৰ সুফল লাভ কৰিছে অ-বড়োসকলেহে। কৃষিজীৱি বড়োৰ উন্নতিৰ আঁচনিৰ ধনে অ-বড়ো ঠিকাদাৰকহে চহকী কৰিছে। বড়ো বসতিপূৰ্ণ অঞ্চলত পতা শিক্ষানুষ্ঠানতো অ-বড়োয়েহে চাকৰি পায়। ছেছাখুলিত কৰেন্দ্ৰৰ মাটিখিনিত ইটা ভাটা খুলি বলোভদ্ৰ পাঠক কেইবাখনো ট্ৰাকৰ মালিক হৈছে, ব্যৱসায়ী ৰামলালে ছলাহী কথাৰে বহুখিনি চৰকাৰী মাটি দখল কৰি কাৰখানা খুলিছে। ইতিমধ্যে এনেবোৰ কাৰ্য দেখি ক্ষুব্ধ হৈ পৰা নতুন চাম ডেকা-গাভৰুৰ মাজত মত বিৰোধ হোৱাত সিহঁত দুটা শিবিৰত বিভক্ত হৈ পৰিছে। তাৰ ভিতৰত ৰণজিলা ৰমেনৰ দৰে কেইজনমানে দীৰ্ঘকালীন প্ৰস্তুতিৰে বড়োসকলৰ উন্নতিৰ কথা চিন্তা কৰে। আনহাতে অলিত উৰ্মিলাহঁতে বিপ্লৱৰ চৰম পন্থা গ্ৰহণ কৰে। বড়োসকলৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কথা চিন্তা কৰা অধ্যাপক বকুল দৈমাৰীৰ দৰে ব্যক্তিৰ পৰামৰ্শও সিহঁতে গ্ৰহণ নকৰে। বড়োসকলৰ সৰ্বাংগীন উন্নতি কামনা কৰা শিক্ষক ৰমাকান্ত আৰু দেৱকান্ত অ- বড়ো হোৱা বাবেই অলিতহঁতৰ বিৰাগভাজন হয়। ইতিমধ্যে ছেছাখুলি ছোনাফালিৰ চাৰিওফালে হিংসা-প্ৰতিহিংসাৰ জুয়ে এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰে। বৰ্ণহিন্দু অসমীয়া সকলৰ বিৰুদ্ধে বড়ো চৰমপন্থী গোটটোৱে বহিৰাগত পমুৱাহঁতক কামত লগোৱাৰ চেষ্টা কৰে। ছেছাখুলিৰ ঘৰে ঘৰে অচিনাকি বড়ো ডেকাৰ কেম্প হয়। ইয়াৰে অসৎ চৰিত্ৰৰ ডেকাবোৰে গাঁৱৰ ছোৱালীৰ সৈতে বেয়া ব্যৱহাৰ কৰিবলৈ ধৰাত স্থানীয় ডেকাৰ সৈতে সিহঁতৰ মাৰ-পিট আৰু কাজিয়া আৰম্ভ হয়।

ক্ৰমাৎ পৰিস্থিতিয়ে জটিল আৰু ভয়াবহ ৰূপ পাই নিয়ন্ত্ৰণৰ সীমা অতিক্ৰম কৰাত চৰমপন্থী গোটৰ আদৰ্শবাদী নেতা অলিতে কেম্পৰ ডেকাহঁতক বুজনি দিবলৈ যাওঁতে সিয়ো বেয়াকৈ মাৰ খায়। নিজে সৃষ্টি কৰি লোৱা সমস্যাই এইদৰে নিজকে গ্ৰাস কৰাৰ পাছত ভৱিষ্যতক লৈ হোৱা সংশয়ৰ মাজেৰে অলিতৰ আত্মোপলব্ধিৰ উদয় হোৱাৰ মাজেৰে উপন্যাসখন সামৰা হৈছে। উপন্যাসখনত বড়ো সমাজৰ এক সংকটকালীন অৱস্থাত তেওঁলোকৰ মাজত অভ্যুত্থান হোৱা জাতীয় চৈতন্যৰ চিত্ৰ অংকণ কৰা হৈছে।

উপন্যাসখন প্ৰধানতঃ এখন ৰাজনৈতিক উপন্যাস। ইয়াত প্ৰব্ৰজনৰ সমস্যাক তুলি ধৰা হৈছে। প্ৰব্ৰজিত নাগৰিকে ভূমি অধিকাৰ কৰিছে। ফলত স্থানীয়লোকৰ মাজত ভূমি সমস্যাৰ দৰে এটা ডাঙৰ সমস্যা সৃষ্টি হৈছে। নিয়োগৰ সমস্যাটোক দেখুৱা হৈছে। সামাজিক বিকাশৰ দিশবোৰৰ পঁয়ালগা ছবিবোৰ প্ৰতিফলন হৈছে। দুৰ্নীতিয়ে কিদৰে একোটা অঞ্চলৰ সমস্যাবোৰ দিনে দিনে জীয়াই ৰাখিছে, তাক স্পষ্টকৈ তুলি ধৰা হৈছে।



# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ মৃত্যুঞ্জয়

কৃষ্ণা বৰা

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সমান্তৰালভাৱে ঘটা দ্বিতীয় মহাযুদ্ধই দেশত বিভীষিকাময় পৰিৱেশৰ সৃষ্টি কৰিছিল; ইয়াৰ প্ৰেক্ষাপটত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই লিখি উলিয়ায় 'মৃত্যুঞ্জয়' উপন্যাসখন। এই উপন্যাসখনৰ চৰিত্ৰসমূহ হ'ল এনেধৰণৰ- ধনপুৰ, গোঁসাই, ৰূপনাৰায়ণ, মধু কেওঁট, মাণিক বৰা, ভিভিৰাম, জয়ৰাম, দধি মাষ্টৰ, আহিলা কোঁৱৰ, ডিমি, গোঁসানী, অনুপমা, শইকীয়া, দাৰোগা, টিকৌ ইত্যাদি।

স্বাধীনতাৰ শেষৰ আন্দোলনৰ চিৰস্মৰণীয় ঘটনাৱলীৰ আভাস আৰু চিত্ৰণৰ এক সাৰ্থক প্ৰতিলিপিৰ মৃত্যুঞ্জয়ৰ পাতনিত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে অৱগত কৰিছে এনেদৰে- "এই ঘটনাবোৰ আন যুগৰ মানুহে অথবা ঐতিহাসিকে আন ধৰণে চাব। কিন্তু ৰচকে নিজে দেখা সেই মহৎ জাগৰণ তাত লিপ্ত হৈ অনুভৱ কৰা উত্তোলনৰ ভাৱ আৰু তাৰ মাজেদি প্ৰত্যেক্ষ কৰা স্বপ্ন..... সেইবিলাক অভিজ্ঞতা কোৱাৰ অধিকাৰ কেৱল সমকালীন লেখকৰ।" গতিকে স্পষ্ট যে, মৃত্যুঞ্জয় উপন্যাস বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ চাক্ষুস অভিজ্ঞতাৰে ফলশ্ৰুতি। অসমৰ বুকুত ঘটা সেই মহৎ জাগৰণৰ ৰাজনৈতিক দিশৰ আভাস উপন্যাসখনৰ আৰম্ভণিতে দাঙি ধৰিছে।



দেশ মিলিটেৰীৰে ভৰি পৰিছিল। জাপান, মাৰ্কিন, ইংৰাজ, চীনা, অষ্ট্ৰেলিয়া সেনাৰে দেশ তল ওপৰ হ'ল। তদুপৰি যমদূতৰ দৰে দয়ামায়াহীন পুলিচে নকৰিবৰ চকৰি কৰিলে। এদল দেশদ্ৰোহী ঠিকাদাৰ ওলাল। কমিউনিষ্টবোৰেও যুদ্ধৰ বিৰোধিতা নকৰি তাক 'ফেচী বিৰোধী' সংগ্ৰাম বুলি কৰ্মীসকলৰ সেই সিদ্ধান্ত ভুল বুলিলে।

মৃত্যুঞ্জয়ত গান্ধী নেহৰুৰ বৃহৎ অহিংসা আন্দোলনৰ মাজতে স্বাধীনতা প্ৰেমিক সন্ত্ৰাসবাদীসকলক কুটনীতি কাৰ্যৰ হিংসাত্মক পন্থা চিত্ৰিত হৈছে। চল্লিছৰ দশকৰ স্বাধীনতা আন্দোলনৰ চূড়ান্ত পৰ্যায়ত অহিংস পন্থাৰ বৈষও্ৱ আৰু গান্ধীবাদী লোক কেতবোৰেও কেনেকৈ ৰেল এখন বগৰাই দিছিল, তাকে দাঙি ধৰিছে মৃত্যুঞ্জয়ত। এই উপন্যাসতো হিংসাত্মক কাৰ্যৰ যি হ্ৰস্বকালীন উদ্দেশ্য-ৰেল বগৰাই বিদেশী চৰকাৰৰ কাৰ্যাৱলীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা, তাৰ সাময়িক জয় দেখুৱালেও এই হিংসাত্মক পন্থা কেনেকৈ মানৱতাবাদ বিৰোধী অশান্তিৰ পথ তাকো দেখুওৱা হৈছে।

গতিকে দেখা যায় চিন্তাশীল, স্বদেশ প্ৰেমী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেওঁ নিজে ডেকা কালত যোগ দিয়া স্বাধীনতা যুদ্ধৰ হিংসাত্মক আৰু অহিংস দুয়োটা পন্থাৰ আদৰ্শ প্ৰয়োজনীতা, শ্ৰেয়তা আদিক লৈ স্বাধীনতাৰ প্ৰায় কুৰি বছৰৰ পিছলৈকে চিন্তা কৰিছিল আৰু দুয়ো পন্থাৰ মূল লক্ষ্যৰ প্ৰতি দুয়োপন্থী লোকৰ ত্যাগ, নিষ্ঠাৰ প্ৰতি শ্ৰদ্ধাশীল হৈও গান্ধী-নেহৰুৰ অহিংস পন্থাৰ শ্ৰেষ্ঠত্ব মানি লৈছিল আৰু দেখুৱাইছিল। বিয়াল্লিছৰ আন্দোলনত ৰাজনৈতিক নেতাসকলৰ কাৰাৰুদ্ধ হোৱাটো সন্মানীয় কাম হৈ পৰিছিল। মৃত্যুঞ্জয়ে সেই সময়ত কাৰাবৰণ কৰাৰ বিষয়েও এনেধৰণে কৈছে- "কাৰাগাৰ পৰিণত হৈছিল এক তীৰ্থভূমিলৈ।" সংগ্ৰামী পুৰুষ, নাৰী বিশেষে সহ্য কৰিবলগীয়া হৈছিল মিলিটেৰী, পুলিচৰ অবৰ্ণনীয় অত্যাচাৰ।

ফিঙ্গ চাহাবৰ অত্যাচাৰৰ নীৰৱ সাক্ষী এই উপন্যাস ঃ "মহাপুৰুষৰ তিথিৰ দিনাই ফিঙ্গে কামপুৰৰ ভলন্টিয়াৰ সোপাকে ভৰিৰে ফুটবল খেলিলে, গৰকিলে, লাঠিৰে কোবালে।" (পৃঃ৭)

উপন্যাসখনৰ আৰম্ভণিৰ প্ৰথম বাক্যটোৱেই হ'ল- "কেঁচা বৰলক জোকাই ল'লে গা সাৰিবলৈ টান।" ভিভিৰাম নামৰ চৰিত্ৰৰ মুখত দিয়া এই কথাষাৰে আচলতে উপন্যাসখনৰ মূল বক্তব্য। বৃটিছ শাসনে অসমৰ জনগণক জোকাই লৈছে, অসন্তুষ্ট কৰিছে, গতিকে বৃটিছ চৰকাৰ আৰু তেওঁলোকৰ সমৰ্থক সকল ৰাইজৰ ৰোষৰ পৰা সাৰি যাব নোৱাৰিব। মৃত্যুঞ্জয় উপন্যাসখনত ১০ জন সেনাজোৱানৰ দ্বাৰা এগৰাকী ছোৱালী ধৰ্ষিতা হোৱাৰ কথা আৰু ধনপুৰ নামৰ যুৱকজনে ধৰ্ষিতা ছোৱালীজনীক কান্ধত তুলি লৈ যোৱাৰ কথা উল্লেখ আছে। সেই সময়ত নাৰী যে পুৰুষৰ পৰা সুৰক্ষিত নহয়, সেই কথাৰ আভাস দিয়া হৈছে। মৃত্যুঞ্জয় উপন্যাসত অসমৰ ঘৰুৱা পৰিৱেশৰ পৰা কিছুমান উদাহৰণ সঘনাই আলোচনা কৰা হৈছে।

'মৃত্যুঞ্জয়' উপন্যাসত বৰ্ণোৱা ঘটনাৰ কাল ১৯৪২ চন। ইয়াত এই সময়ছোৱাৰ ভাৰতীয় স্বাধীনতা আন্দোলনৰ চিৰস্মৰণীয় ঘটনাৱলীৰ আভাস আৰু চিত্ৰণ আছে। সেই সময়ৰ সমাজ, মানুহৰ চিন্তাধাৰা, ৰীতি-নীতিৰ বৈশিষ্ট্য, স্বাধীনতাৰ প্ৰভাৱে মানুহৰ জীৱনক কিদৰে প্ৰভাৱান্বিত কৰিছিল, তাৰ নিৰ্মোহ প্ৰতিফলন উপন্যাসখনত পোৱা যায়। স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ অহিংস আনোদলনৰ বিপৰীতে দেশজুৰি গা কৰি উঠিছিল সশস্ত্ৰ সংগ্ৰাম। সশস্ত্ৰ সংগ্ৰামত

মৃত্যুঞ্জয় উপন্যাসখনত আমাৰ সমাজ জীৱনৰ বিশেষকৈ জাত-পাত, অন্ধবিশ্বাস,কু-সংস্কাৰ, জনজাতীয় জীৱন, শৈক্ষিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ চিত্ৰ প্ৰতিফলিত হৈছে। ইয়াৰ আধাৰত আমি নিঃসন্দেহে ক'ব পাৰোঁ যে- ৰাজনৈতিক উপন্যাস হ'লেও 'মৃত্যুঞ্জয়' উপন্যাসে আমাৰ সমাজ জীৱনৰ প্ৰায়বোৰ দিশকে স্পৰ্শ কৰিছে।

বিশ্বাসী কৰ্মীসকলে আন্দোলনৰ কাৰ্যাৱলীৰ লগতে সংগতি ৰাখি ওপৰৰ নিৰ্দেশ ক্ৰমে ৰেলগাড়ী বগৰোৱাৰ ঘটনা এটাক আলম কৰিয়েই গোটেই উপন্যাসখনে গতি কৰিছে। মূল ৰেলগাড়ী বগৰোৱাৰ ঘটনাটো প্ৰতিফলন কৰিবলৈকে আন্দোলনৰ সমৰ্থনত গোঁহাই, কোঁচ, কেওঁট, গাৰো, নেপালী নিৰ্বিশেষে পাহাৰ, ভৈয়াম মিলি সকলোৱে প্ৰাণত দেশ স্বাধীন কৰাৰ যি ঐক্য, তাক ঔপন্যাসিকে নিখুঁটভাৱে ফুটাই তুলিছে। প্ৰতীকিগতভাৱে কানিৰ বিৰূপ প্ৰভাৱ, জাতিগতভাৱে সমাজত থকা উচ্চ নীচ ভেদাভেদৰ অৱসান, সেনাবাহিনীৰ অবৰ্ণনীয় অত্যাচাৰ, স্বাধীনতাৰ বাবে উন্মুখ চহা সহজ সৰল প্ৰাণে মৃত্যু ভয়কো জিনি দেশৰ বাবেই আত্মবলিদান দিয়াৰ কথাই সেই সময়ৰ বা-মাৰলিৰ চিন দাঙি ধৰিছে। সামগ্ৰিকভাৱে এই উপন্যাসখনক বিয়াল্লিছৰ স্বাধীনতা আন্দোলনৰ এখন জীৱন্ত দলিল বুলিব পাৰি। এই উপন্যাসত ফুটি উঠা ৰূপ স্বাধীনতাৰ সাধনাকাল। সেই সাধনাৰ মহত্ব আৰু একক অনুভূতিৰ যিসকল অধিকাৰী হৈছিল, সেইসকলৰ আত্মাৰ যৎসামান্য চিনাকি ইয়াত আছে। উপন্যাসখনিৰ আৰম্ভণিতে আমি ধনপুৰ, ভিভিৰাম আৰু মানিক বৰা- এই তিনিটা চৰিত্ৰ পাওঁ। তিনিও স্বাধীনতা আন্দোলনৰ সেনানী। তিনিও মায়াঙৰ দৈ পৰা সত্ৰলৈ ৰাওনা হৈছে- উদ্দেশ্য মহদা গোসাঁইক লগ পোৱা। যাত্ৰা পথত তিনিও আন্দোলনটিৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰি গৈছে। যুদ্ধৰ ভিতৰুৱা খবৰবোৰ ইজনে সিজনক অৱগত কৰাইছে। তাৰে ভিতৰত পুলিচ মিলিটেৰীয়ে অসমীয়া মানুহৰ ওপৰত কেনেদৰে অত্যাচাৰ আৰম্ভ কৰিছে, সেই কথাটোৱে মুখ্য স্থান লাভ কৰিছে। এই অত্যাচাৰ মানৰ অত্যাচাৰতকৈও অমানুষিক। তিলক ডেকাক গুলিয়াই মাৰিলে, সুভদ্ৰাক এটা দুটা নহয় দহোটা মিলিটেৰীয়ে ধৰ্ষণ কৰিলে, গাঁৱে গাঁৱে পাইকাৰী জৰিমনা, ক্ৰোক- এইবোৰ ঘটনাই আন্দোলনকাৰীসকলক আৰু অধিক বিদ্ৰোহী কৰি তুলিছে।

**'মৃত্যুঞ্জয়' উপন্যাসখনিত প্ৰতিফলিত সমাজ জীৱনঃ**

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ বিয়াল্লিছৰ আন্দোলনৰ পটভূমিত ৰচনা কৰা উপন্যাস। ৰাজনৈতিক পটভূমিত গঢ় লৈ উঠা বাবে 'মৃত্যুঞ্জয়' এখনি ৰাজনৈতিক উপন্যাস। কিন্তু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এই উপন্যাসখনিত ৰাজনৈতিক ঘটনাৱলীৰ লগতে সমাজ জীৱনৰ দিশটোও উপেক্ষিত হোৱা নাই। কাৰণ ঔপন্যাসিক ভট্টাচাৰ্য আছিল তীব্ৰভাৱে সমাজ সচেতন ব্যক্তি।

সাহিত্য হ'ল সমাজৰ দাপোণ। সেইবাবে সাহিত্যত সমাজ জীৱনৰ কথা প্ৰকাশ পায়। মৃত্যুঞ্জয় উপন্যাসখনত সেই সময়ৰ অসমৰ ধৰ্মীয়, অৰ্থনৈতিক, শৈক্ষিক, অন্ধবিশ্বাস কু-সংস্কাৰ আদি নানান দিশৰ কথা প্ৰকাশ পাইছে।

'মৃত্যুঞ্জয়' উপন্যাসখনত ধৰ্মীয় পৰিৱেশে আটাইতকৈ বেছি ঠাই অধিকাৰ কৰিছে। উপন্যাসখনৰ বেছিভাগ চৰিত্ৰই বৈষ্ণৱ ভাৱাপন্ন, বৈষ্ণৱ ধৰ্মৰ অনুগামী লোক। মূল চৰিত্ৰ মহদা গোঁসাই দৈপাৰা সত্ৰৰ সত্ৰাধিকাৰ। তেনেদৰে মানিক বৰা, আহিনা কোঁৱৰ আদি চৰিত্ৰৰ মুখত কথাই কথাই কীৰ্তন, নামঘোষা, দশমৰ পদ। বৈষ্ণৱ ধৰ্ম আৰু ইয়াক কেন্দ্ৰ কৰি প্ৰতিষ্ঠিত নামঘৰ, সত্ৰ আদিৰ বিৱৰণ উপন্যাসখনত পোৱা যায়। মহদা গোঁসাই স্বাধীনতা আন্দোলনকো ধৰ্মীয় দৃষ্টিৰে দেখে- "মহাত্মা গান্ধীয়ে নৃ-সিংহৰ দৰে এই যুগতো দৰিদ্ৰ পৰায়ণৰ অৱতাৰ লৈছে।"

শংকৰদেৱ আৰু চৈতন্য পন্থীক কেন্দ্ৰ কৰিও ইয়াত আলোচনা কৰা হৈছে। উপন্যাসৰ চৰিত্ৰ মহদা গোঁসাই কিন্তু ধৰ্মৰ ক্ষেত্ৰত উদাৰ- "ধৰ্মক লৈ তৰ্ক কৰাটো বৃথা। মই চৈতন্যপন্থী হ'ব পাৰোঁ; কিন্তু শংকৰদেৱকো মানো।" অকল পুৰুষ চৰিত্ৰই নহয়, নাৰী সমাজতো নামঘৰ, সত্ৰৰ প্ৰতি শ্ৰদ্ধা অসীম। ৰতনীয়ে স্বামীৰ বাবে অপেক্ষা কৰি থাকোঁতে দেখিছে- দূৰৈত নামঘৰৰ মনিকূটটো জিলিকি আছে, যেন তাইৰ মনৰ মুকুটহে। নামঘৰত নামৰ জাউৰি উঠিছে।" ঔপন্যাসিকে য'তেই সুবিধা পাইছে ত'তেই ধৰ্মীয় জীৱনৰ কথা ব্যক্ত কৰিছে। আনকি হিংসাত্মক ৰণত যোগ দি জীৱ বধ কৰিবলগীয়া হোৱাত কীৰ্ত্তনৰ পদ গাই সান্ত্বনা লভাৰ প্ৰয়াস কৰিছে- "হৰি কীৰ্ত্তনে মহাপাতকীত, যি মতে কৰে নিৰ্মাণ"। দৈপাৰা সত্ৰৰ বিৱৰণো ভক্তি ভৰা। "বাটৰ দুয়ো দাঁতিয়ে দুজোপা প্ৰকাণ্ড অশোক আৰু বকুল গছ। মধুৱে ক'লে, এই দুজোপা প্ৰভুৱে বৃন্দাৱনৰ পৰা আনিছিল। এই উপন্যাসখনিতে শংকৰপন্থী আৰু চৈতন্যপন্থীৰ মাজতনো পাৰ্থক্য কি, তাৰো আভাস ভিভিৰামৰ মুখেৰে প্ৰকাশ কৰিছে। "শংকৰদেৱ গৃহস্থ আছিল, চৈতন্যদেৱ সন্ন্যাসী আছিল। আমাৰ মহাপুৰুষ ছকুৰি বছৰ জীৱিত আছিল। কিন্তু তেৰা আছিল ৪৮ বছৰ। চৈতন্যদেৱৰ ভক্তিও আছিল মধুৰ ভক্তি, আমাৰ দাস্য পন্থা"।

'মৃত্যুঞ্জয়' উপন্যাসখনিত অসমীয়া সমাজৰ ৰীতি-নীতি অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ বিষয়ে ঔপন্যাসিকে যথাযথভাৱে আলোকপাত কৰিছে। উপন্যাসৰ মুখ্য চৰিত্ৰ দৈপাৰা সত্ৰৰ সত্ৰাধিকাৰ মহদা গোঁসাইৰ ঘৰৰ সত্ৰীয়া পৰিৱেশৰ আচাৰ-ৰীতি বিশেষকৈ স্নান, পূজা-পাঠ, ভোজন আদিৰ হুবহু চিত্ৰ দাঙি ধৰিছে। মৃত্যুঞ্জয়ৰ কাহিনীভাগত গোঁসানীয়ে স্বামীক বাহী গাৰে আখলৰ


চাঙৰ পৰা দৰৱ পালি আনি দিবলৈ দ্বিধাবোধ কৰিছে। জাত পাতক লৈ সমাজখন বিভক্ত আছিল। সেই সম্পৰ্কে ধনপুৰৰ নিৰীক্ষণ- "তই মিকিৰৰ ছোৱালী। মই কছাৰী, ডিমি, গাৰো, ৰূপনাৰায়ণ কৈৱৰ্ত্ত মানুহ। ক'ত, আমি দেখোন অসমীয়াকে হ'ব পৰা নাই, মানুহ হ'ম কেতিয়া?" মহদা গোঁসায়েও জাত পাতক লৈ অসন্তুষ্ট "আমাৰ মানুহৰ এটা বেয়া অভ্যাস আছে বৰ কথা পাতে আৰু জাত-পাতৰ কথাক লৈ বৰ চিন্তা কৰে।" মৃত্যুঞ্জয়ত সমসাময়িক সমাজখনত স্নান আৰু ভোজন পৰ্বত গোড়ামী সকলোতকৈ বেছি দেখা গৈছিল। জাত-পাতৰ ব্যৱস্থাটোৰ কিঞ্চিতো গুৰুত্ব নিদিয়া ডেকা ধনপুৰক উদ্দেশ্য কৰি মানিক বৰাই কোৱা কথাষাৰৰ পৰাই এই কথাৰ উমান পাব পাৰি- "মই শুনিছোঁ, তই বোলে মদে মঙহে সকলো খাৱ। জাতি অজাতি, হিন্দু-মুছলমান, খ্ৰীষ্টান সকলোৰে হাতে খাৱ?" আন এঠাইত ডিমি মিকিৰ হোৱা বাবে আহিনা কোঁৱৰে তাইৰ হাতে খাবলৈ কুণ্ঠাবোধ কৰিছে। সেইবাবে ডিমিয়েও গোঁসাইক কৈছে- "তহঁতৰ আকৌ চাক-চিকখন বৰ বেছি।"

মৃত্যুঞ্জয়ৰ সময়ৰ মায়া অঞ্চলৰ মানুহৰ মন অন্ধবিশ্বাসেৰে পৰিপূৰ্ণ আছিল। সেই সূত্ৰে ঔপন্যাসিকে মায়া অঞ্চলৰ তন্ত্ৰ-মন্ত্ৰ আৰু ভূত-প্ৰেতৰ প্ৰতি থকা লোকবিশ্বাস সন্নিবিষ্ট কৰিছে। সুভদ্ৰাই আত্মহত্যা কৰা কাৰ্যক গোঁসানীয়ে অপদেৱতাৰ কাম বুলি ঠাৱৰ কৰিছে— "এইবোৰ অপদেৱতাৰ বন। আশ্ৰমৰ দাঁতিৰ আঁহত গছজোপা বৰ জয়াল। তাত বুঢ়া ডাঙৰীয়া আছে আৰু আন অপদেৱতাও আছে। তাৰে কোনো এটাই পাইছিল।" তেনেদৰে ফেঁচা আৰু হুদু চৰাইক অমংগলীয়া বুলি ভৱা, মুমূৰ্ষ অৱস্থাত পৰি থাকোঁতে গোঁসায়ে শৰ পহুৰ কান্দোন শুনি মৃত্যু সন্নিকট বুলি ভবা, নিয়তি চৰাইটোক অমংগলীয়া বুলি ভাবি গুলি কৰি মৰা আদি ঘটনাৰ যোগেদি সেই সময়ৰ অসমীয়া সমাজৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দিশটোক উদঙাই দিছে।

'মৃত্যুঞ্জয়' উপন্যাসখনত সৰহভাগ চৰিত্ৰই অশিক্ষিত তথা অৰ্ধশিক্ষিত। সেই সময়ত আমাৰ সমাজ, শিক্ষা আৰু অৰ্থনৈতিক দিশটো বৰ পিছপৰা আছিল। চৰিত্ৰসমূহৰ যিখিনি শিক্ষা আছিল- সত্ৰকেন্দ্ৰিক, ধৰ্মীয় শিক্ষা। শিক্ষিত চৰিত্ৰৰ ভিতৰত ৰূপনাৰায়ণ আৰু সৰ্বেশ্বৰ উল্লেখযোগ্য। সিহঁতে ফ্ৰান্স, ৰুছিয়া, চীন আদি বিপ্লৱৰ কথা জানে। দধি গাঁৱৰ বিদ্যালয়খনৰ শিক্ষক। কিন্তু সেই বিদ্যালয়খনো প্ৰায় চাৰিমাহে বন্ধ হৈ আছে। নাৰী শিক্ষাক কেতিয়াও গুৰুত্ব দিয়া নাছিল। অভিভাৱকে ছোৱালীক বিদ্যালয়লৈ পঠিওৱাৰ আৱশ্যকতা অনুভৱ কৰা নাছিল। "ছোৱালীয়ে পঢ়িনো কি কৰিব, সিহঁত জিৰণীয়া মৌ, আজি আছে কালি এঘৰলৈ গুচি যাব, তাৰ পিছত মাক হ'ব। তেতিয়া আৰু পঢ়া-শুনা কেলেই।" তাৰে মাজতে আঁৰতি আৰু অনুপমাই পঢ়াশালি গৰকিছিল। আধুনিক তথা ইংৰাজী শিক্ষাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ ইতিবাচক নাছিল- "বগা বঙালে স্কুল পাতি বিজতৰীয়া শিক্ষা দি ল'ৰাবোৰৰ মূৰ খালে।"

শিক্ষাৰ দৰে আৰ্থিক অৱস্থাও সেই সময়ত দুৰ্বল আছিল। মহদা গোঁসাই, ধনপুৰ, ভিভিৰাম, মানিক বৰা, মধুৰাম, ৰূপনাৰায়ণ, সুভদ্ৰা, কলী বাইদেউ কাৰোৰেই সংসাৰত স্বচ্ছলতা নাছিল। অভাৱ-অনাটনৰ কাৰো অন্ত নাছিল। দৈপাৰা সত্ৰৰ সত্ৰাধিকাৰ যদিও মহদা গোঁসাইয়ে গুড়ৰ চাহহে খাইছে। অনাটনত পৰি ধনপুৰে উচ্চ শিক্ষা লৈ আগবাঢ়িব নোৱাৰিলে। গাঁৱৰ আনবোৰ ল'ৰাৰ ক্ষেত্ৰতো সেই একেই প্ৰযোজ্য। এই সম্পৰ্কত ঔপন্যাসিকৰ মন্তব্য "খেনোৰ ল'ৰাই পুৰাই হাল বাই লঘোনে ভোকে স্কুললৈ আহে।" তাকে আকৌ ভূতৰ ওপৰত দানৰ পৰা দি যুদ্ধই বয় বস্তুৰ দাম বৃদ্ধি কৰিছিল। মূল্য বৃদ্ধিয়ে মানুহৰ দুখ-দৈন্য বঢ়াই তুলিছিল। ডিমিয়ে কৈছে- আচহুৱা ৰণখনৰ বাবে কম দামতে হাঁহ কুকুৰা বেছিব লগা হৈছে। সুভদ্ৰাৰ মাকৰ হাতত ফুটা কড়ি এটাও নাই। সেই কথা জানিও কলী বাইদেৱে তাইক একো সহায় কৰিব পৰা নাই। এইবোৰ ঔপন্যাসিকে নিৰীক্ষণ কৰি ক্ষোভেৰে কৈছে- "ইমান অভাৱৰ মাজত চলিব লাগে মানুহবোৰ।" সেই সময়ৰ সৰ্বসাধাৰণ মানুহৰ অৰ্থনৈতিক অৱস্থাৰ কথা বুজাবলৈ ইয়াতকৈ অধিক উক্তিৰ প্ৰয়োজন নাই। অৱশ্যে যুদ্ধৰ গইনা লৈ একশ্ৰেণীৰ মানুহ যে কম সময়ৰ ভিতৰতে চহকী হৈ উঠিছিল, ঔপন্যাসিকে তাৰ আভাস নিদিয়াকৈ থকা নাই। লয়ৰাম মহাজন উপন্যাসখনৰ তেনে এটা চৰিত্ৰ।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে মৃত্যুঞ্জয় উপন্যাসখনত আমাৰ সমাজ জীৱনৰ বিশেষকৈ জাত-পাত, অন্ধবিশ্বাস, কু-সংস্কাৰ, জনজাতীয় জীৱন, শৈক্ষিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ চিত্ৰ প্ৰতিফলিত হৈছে। ইয়াৰ আধাৰত আমি নিঃসন্দেহে ক'ব পাৰোঁ যে- ৰাজনৈতিক উপন্যাস হ'লেও 'মৃত্যুঞ্জয়' উপন্যাসে আমাৰ সমাজ জীৱনৰ প্ৰায়বোৰ দিশকে স্পৰ্শ কৰিছে।




# পাটকাইৰ ইপাৰে মোৰ দেশ

প্ৰণীতা বৰা

অসমীয়া সাহিত্যত চন্দনা গোস্বামী এক প্ৰসিদ্ধ নাম। চন্দনা গোস্বামীয়ে অসমীয়া সাহিত্যজগতক ভালেকেইখন উপন্যাস উপহাৰ দি গৈছে, সেই উপন্যাসসমূহৰ ভিতৰত 'পাটকাইৰ ইপাৰে মোৰ দেশ' এখন বুৰঞ্জীমূলক উপন্যাস। এটা জাতিসত্তাক প্ৰতিনিধিত্ব কৰা কেইটিমান ঐতিহাসিক চৰিত্ৰক জীৱন্ত ৰূপ দি এক বাস্তৱধৰ্মী কাহিনীক উপহাৰ স্বৰূপে তেওঁ অসমবাসীলৈ আগবঢ়ালে। সেই সময়ৰ মানুহখিনিৰ অন্তৰৰ মৰ্ম-বেদনা, দুখ, সুখ, আনন্দ, অনুভূতি, অনুভৱ আৰু বহুতো জাতি-জনগোষ্ঠীৰ তথ্য সংগ্ৰহেৰে তেওঁ ইতিহাসৰ কিছুমান চৰিত্ৰক পুনৰ জীৱন্ত ৰূপ দি তুলিছে এই উপন্যাসখনিৰ মাজেৰে।

২০১২ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত চন্দনা গোস্বামীৰ 'পাটকাই ইপাৰে মোৰ দেশ' নামৰ গ্ৰন্থখনিৰ কাহিনীভাগ হৈছে ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ অসমৰ বিৱৰণ। অসমৰ ইতিহাসত এই সময়খিনিৰ গুৰুত্ব অত্যাধিক। কিয়নো এই সময়খিনিত পূৰ্বৰ কামৰূপ ৰাজ্যৰ অৱসান ঘটিছিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত খণ্ড বিখণ্ড হৈ বহু সৰু বৰ স্বাধীন পৰাধীন ৰাজ্যই মূৰ দাঙি উঠিছিল। এইখিনি সময়তে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণপাৰেৰে আহি আহোমসকলে অসমত ভৰি দিছিল আৰু লগতে উপত্যকাটোৰ পশ্চিমৰ বংগদেশত আহি থিতাপি লোৱা তুৰ্কী আফগানি নৱাব সেনাই উপৰ্যুপৰি

আক্ৰমণ চলাইছিল। ৰাজনৈতিক অস্থিৰতা, বিদেশী শত্ৰুৰ আক্ৰমণ, পূৰ্বৰ শাসকৰ উত্থান পতনেৰে ব্যতিব্যস্ত হৈ পৰিছিল এই উপত্যকা। কিন্তু সেই সময়তে আহোমসকলৰ আগমনে অসমীয়া জাতিৰ গঠন আৰু উন্নতিৰ ক্ষেত্ৰটো প্ৰচেষ্টা আগবঢ়াইছিল।

আহোম ৰাজ্যৰ প্ৰথমজন ৰজা চুকাফাৰ জন্ম হয় মৌলঙত। মৌলঙ আছিল দয়গাঁওৰঙৰ সিপাৰত অৰ্থাৎ পাটকাই ইপাৰে, যাক সেই সময়ত নৰা ৰাজ্য বুলি কোৱা হৈছিল। সেই বংশত ককাই ভাই বহু হৈ পৰাত ৰাজ্যখন ভাগ ভাগ হৈ পৰিছিল। চুকাফা ৰজাদেউ তেতিয়া ডেকা আছিল। সেই দয়গাঁওৰঙৰ সিপাৰে সুন্দৰ সমতল সেউজীয়াভূমি থকা বুলি জানিব পাৰি তেওঁ তাত ৰাজ্য পাতিলেহি আৰু মৌলঙৰ সংস্কৃতি ত্যাগ কৰি সেই ঠাইৰ মানুহৰ থলুৱা সংস্কৃতি গ্ৰহণ কৰি আহোমৰ বৰ ৰাজ্য প্ৰতিষ্ঠা কৰে। চুকাফা ৰজাদেউ চৰাইদেউত থকাৰ সময়ত বুঢ়াগোঁহাই তাখেৰেও ডাঙৰীয়াৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠে। বয়সৰ পাৰ্থক্য থাকিলেও সকলো কথা ৰজাদেউক তাখেৰেও ডাঙৰীয়াক কৈছিল। সাঁচি গছৰ, অগৰ গছৰ বাকলি এৰুৱাই লিখাৰ উপযোগী তাখেৰেও ডেকাদেউৰে নিজে কৰি লৈছিল। এদিন চুকাফা দেউৰ মৃত্যু হোৱাত ডেকাদেও পিতৃহীন হোৱাৰ দৰে হ'ল। ৰজাদেউৰ মৃত্যুৰ পাছত পুত্ৰ চুতেওফাৰ শাসনত বহে। নিজৰ সমবয়সীয়া চুতেওফাৰ সৈতে ডেকাদেৰে সমগ্ৰ ডেকাকাল উৰ্চগা কৰিলে আহোম ৰাজ্য প্ৰতিষ্ঠাৰ যুঁজত। ইতিমধ্যে ডেকাদেউৰ দুই সন্তান ডাঙৰ হৈ আহিল। পুত্ৰ ৰণত পাৰ্গত হ'ল আৰু সুন্দৰী জীৱ প্ৰেমত পৰিল চুতেওফাৰ পুত্ৰ। কিছুদিনৰ পাছত চুতেওফাৰ নিজ পুত্ৰলৈ ডেকাদেউৰ জীক পাট মাদৈ কৰি আনিলে। পুত্ৰ চুকাফাৰ জন্মৰ পাছতে ডেকাদেউৰ জী-নাতি ৰাজপাতত বহে। চুকাংফা ৰজাদেউৰ বৈবাহিক জীৱনৰ কথা ভাবি ডেকাদেউৰে ৰজাদেউৰ তৃতীয় বিবাহৰ কথা উত্থাপন কৰে। ইতিমধ্যে চুৰা চোৰাই আহি জনালে যে কছাৰী সকল আহোম ৰজাৰ ওপৰত বিক্ষুব্ধ হৈ কমতেশ্বৰৰ লগ লাগি আহোম ৰাজ্য আক্ৰমণ কৰাৰ পাং পাতিলে। ৰাজ্যত বৰমেল বহিল। খেলৰ সামৰণিত সিদ্ধান্ত লোৱা হ'ল যে, আহোম ৰাজ্যক আক্ৰমণ কৰিবলৈ দিয়া নহ'ব। ইয়াৰ পূৰ্বে আহোম সেনাই কমতা আক্ৰমণ কৰিব আৰু তাৰ পাছত কছাৰী ৰাজ্য থাকিব।



কমতাপুৰৰ ৰাজগৃহ, ৰাজগৃহত ব্যস্ততাৰে চলন ফুৰণ কৰিছে ৰাজমাতা কাত্যায়িনী। গুৰুগম্ভীৰ মূৰত উৰণীৰে পৰিহিত ৰাজমাতাক দেখিলে শ্ৰদ্ধা ওপজে। বয়স হৈছে যদিও সকলো ফালৰ পৰা পৰিপুষ্ট ফুটি উঠে ৰাজমাতাৰ ব্যৱহাৰ আৰু কৰ্মত। কাত্যায়নী পুত্ৰ বধু কমতেশ্বৰৰ পত্নী অৱন্তিকা, পুত্ৰ দুলৰ্ভনাৰায়ণ লগতে জী ৰাজনী সহিতে আজি পিতৃগৃহৰ পৰা কমতা অভিমুখে ৰাওনা হৈছে। অৱশেষত তিনিও আহি ৰাজগৃহৰ সন্মুখত থিয় হ'ল। কাত্যায়নীয়ে তিনিওকে সন্মানেৰে আদৰি আনিলে। কমতাৰ ৰজা কমতেশ্বৰে দুই সন্তানক গুণী জ্ঞানী কৰিবৰ বাবে পণ্ডিত

পাটকাই ইপাৰৰ ৰজাদেউৰ দেশখন আজিও আছে বাৰেৰহণীয়া হৈ। সেই দিনবোৰ অতীতৰ বুকুত হেৰাই গ'লেও আমাৰ মাজত ৰৈ গ'ল কিছু অনুভৱ, কিছু উপলব্ধি।

নীলাম্বৰাচাৰ্য্যক দায়িত্ব অৰ্পণ কৰিছিল। নীলাম্বৰাচাৰ্য্য দেৱে কমতেশ্বৰক কৈছিল "ৰাজনীৰ দৰে গুণী জ্ঞানী, মেধাগুণসম্পন্ন কন্যা মোৰ জীৱনত আন কাকো পোৱা নাই। ৰাজন আপুনি ধন্য যে আপুনি ৰাজনীৰ পিতৃ।" ভাদ মাহৰ শেষৰফালে আহোম ৰজা চুকাংফাই সদলবলে আহি কমতা সোমালহি। ইফালে কমতেশ্বৰে এই কথা গম পাই চিন্তিত হ'ল, কিয়নো আহোমৰ লগত যুদ্ধত লিপ্ত হ'ব পৰাকৈ কমতাৰ সৈন্য প্ৰস্তুত নহয়। অৱশেষত অন্য উপায় নাপাই মন্ত্ৰীসকলৰ পৰামৰ্শমতে আহোম ৰজা চুকাংফাক লগ ধৰি নিজ কন্যা ৰাজনীৰ বিবাহৰ প্ৰস্তাৱ আগবঢ়ালে ৰজাদেউৰে। অৱশেষত ভুল বুজাবুজি দূৰ হ'ল আৰু কছাৰী আৰু কমতাৰাজ্যই যে আহোম ৰাজ্য নহয়, তুৰ্কী সেনাক বাধা দিবৰ বাবেহে ৰণসহ্য প্ৰস্তুত কৰিছিল সেই কথা আহোম ৰজাই গম পালে। কমতাৰ ৰাজকন্যা ৰাজনী আৰু আহোম ৰাজ্যৰ ৰজা চুকাফাৰ ধুমধামেৰে বিবাহ হ'ল। ৰাজনীক লগত লৈ চুকাংফা ৰজাদেউ স্বদেশ পালেহি। বয়সৰ কিছু তাৰতম্য থাকিলেও ৰজাদেউ আৰু ৰাজনীকুঁৱৰীৰ সম্বন্ধ আছিল অকৃত্ৰিম। ৰাজনী কুঁৱৰীৰ আগৰ ৰজাদেউৰ প্ৰথমা পত্নীৰ পুত্ৰদ্বয় ডেকা আছিল। দ্বিতীয় কুঁৱৰীয়ে মুখেৰে মাতিব আৰু কাণেৰে শুনিব নোৱাৰে বুলি আইকুঁৱৰীয়ে ৰাজনীক কৈছিল। দ্বিতীয় কুঁৱৰীৰ পুত্ৰ তাওখামথিৰ যত্ন ৰাজনী কুঁৱৰীয়েই লৈছিল। তাৰ পাছত ৰাজনী কুঁৱৰী পুত্ৰ চাওপুলাইৰ জন্ম হ'ল। মাতৃহীন দুই বৰপুত্ৰ আৰু নিজপুত্ৰ চাওপুলাইৰ লগতে তাওখামথিৰ চোৱা চিতা ৰাজনীয়ে কৰিছিল। ৰজাদেউ একমাত্ৰ ভৰষা হৈ পৰিছিল ৰাজনী। দিন বাগৰিল, ৰজাদেউৰ দুই বৰপুত্ৰই বিয়া কৰাই ৰাজ্যৰ কিছু অংশ চোৱা চিতা কৰি ৰাজ্যৰ পৰা দূৰত আছিল। এদিন আইকুঁৱৰী মেলানি মাগিল। ৰজাদেউ বয়সীয়াল হৈ আহিল, ৰাজসভা কাক দিব আলোচনা হ'ল। সকলোৱে ৰাজনীকুঁৱৰীৰ পুত্ৰ চাওপুলাইক ৰজা পতাৰ কথা কৈছিল যদিও ৰাজনীয়ে বৰপুত্ৰ থাকোঁতে সৰুপুত্ৰ ৰজা হোৱাৰ বিৰোধিতা কৰিলে। এই কথা গম পাই চাওপুলাই ৰাজনীকুঁৱৰীৰ সৈতে মাতবোল বন্ধ কৰি দিলে। কিছু দিনৰ পাছত ৰজাদেউ চুকাংফাৰ মৃত্যু হোৱাত বৰপুত্ৰ চুখ্ৰাংক ৰজা পাতেহি। ইফালে চাওপুলাই চিৰদিনৰ বাবে কাৰেং এৰি গুচি গ'ল আৰু চুখ্ৰাংক মৰাৰ গোপন ষড়যন্ত্ৰ ৰচিল। এই কথা জানিব পাৰি চাওপুলাইৰ সমস্ত কৰ্মৰাজিৰ কথা ৰজা চুখ্ৰাংক কোৱাত ৰজাদেউৰে চাওপুলাইক ৰাজ্যৰ পৰা নিৰ্বাসন দিলে। আনফালে তাওখামথিকো বিয়া পাতি দি চাৰিঙৰ শাসনভাৰ চাব দিলে। চাওপুলাইয়ে মোমায়েক দুৰ্লভনাৰায়ণৰ ৰাজ্যত মাতৃক আহোম ৰাজ্যই ষড়যন্ত্ৰ কৰা বুলি মিছা অভিযোগ দি আহোম ৰাজ্য আক্ৰমণৰ বাবে ৰাওনা হ'ল। এই কথা ৰাজনী আইকুঁৱৰীয়ে গম পায় মৰ্মাহত হ'ল। ৰাজনী কুঁৱৰীয়ে নিজ ভাতৃক লগ কৰিবৰ বাবে ৰাতিয়েই ওলাই গ'ল আৰু লগ ধৰি সকলো কথা ক'লে। ৰাজনীৰ মুখৰ পৰা সকলো কথা গম পাই দুৰ্লভনাৰায়ণ কমতালৈ ঘূৰি গ'ল। কিছুদিনৰ পাছত কমতাৰ ৰজা দুৰ্লভনাৰায়ণৰ মৃত্যু হয় আৰু ৰাজপাতত বহে তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ। ভাতৃৰ মৃত্যুৰ শোক নাযাওঁতে বৰপুত্ৰৰ মৃত্যুৰ খবৰ পাই ৰাজনী কুঁৱৰী ভাগি পৰিল। তাৰপাছত চুতুফাক আনি ৰজা পাতে যদিও চুতীয়া ৰজাই ষড়যন্ত্ৰে মতাই চুতুফাকো হত্যা কৰে। সকলোৱে তাও খামথিক আনি ৰাজপাতত বহুৱাই যদিও ইয়াৰ পাছত ৰাজপাতত কোন বহিব তাৰ চিন্তা হয়। কাৰণ তাও আছিল নিঃ সন্তান, সকলোৱে তাওৰ দ্বিতীয় বিবাহৰ কথা কয়, কিন্তু তাওৰ পত্নীয়ে এই কথা মানি নল'লে আৰু ৰাজগড় এৰি গুচি গ'ল। ধুমধামেৰে তাওৰ বিবাহ সম্পন্ন হ'ল। দ্বিতীয় পত্নীৰ সন্তান সম্ভৱাৰ সময়ত বৰকুঁৱৰী আহি কাৰেং ওলালহি আৰু বহু চল-চাতুৰিৰে ৰাজনী কুঁৱৰীক ভতিজী বোৱাৰী অৰ্থাৎ ইন্দ্ৰনাৰায়ণৰ পত্নীক লগ কৰিবলৈ পঠালে। ইফালে ইন্দ্ৰনাৰায়ণক মাৰি চলেৰে আৰিমত্ত সিংহাসনত বহাত নিৰুদ্দেশ ভতিজী বোৱাৰীক বিচাৰি ওলাল ৰাজনী কুঁৱৰী। বহু বিচৰাৰ অন্তত ভতিজী বোৱাৰী অন্তৰাক লগ পায়। তেওঁৰ মুখৰ পৰা ভতিজা ইন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত কিদৰে আৰিমত্তই বন্দী কৰি ৰাখিছিল দুয়ো মাতৃ পুত্ৰ আৰু ইন্দ্ৰনাৰায়ণৰ বন্ধু বৈভৰনাৰায়ণে উদ্ধাৰ কৰি আশ্ৰয় দি নিজ পত্নীৰূপে স্বীকাৰ কৰাৰ কথা ক'লে। তাৰপাছত বৈভৰনাৰায়ণৰ মৃত্যুৰ দুৰ্দশাৰ বিষয়েও জনালে। সকলো কথা গম পাই ৰাজনীকুঁৱৰীয়ে বিবাহৰ সময়ত পিতৃৰ পৰা পোৱা বৈদোৱা অঞ্চল ভতিজী বোৱাৰী অন্তৰা আৰু পুত্ৰ শাংকক গাঁও পাতি দি ঘূৰি আহিল। ৰাজনী কুঁৱৰীৰ অনুপস্থিতিত তাওক বৰকুঁৱৰীয়ে বন্দী কৰি ৰাখে আৰু সন্তান সম্ভৱা সৰু কুঁৱৰীক মৃত্যুদণ্ড দিয়াবলৈ আদেশ দিলে আৰু বৰকুঁৱৰী ৰাজপাতত বহিল। তেওঁৰ শাসনত অতিষ্ঠ প্ৰজাই বৰকুঁৱৰীক খেদি নি ৰাজ্যৰ বাহিৰ কৰে আৰু তাওক হত্যা কৰে। এই সমগ্ৰ ঘটনা আৰু ৰজাবিহীন ৰাজ্যৰ গধুৰ দায়িত্বত ৰাজনী কুঁৱৰী ভাগি পৰাত এদিন বুঢ়াগোঁহাই মুখৰ পৰা সৰু কুঁৱৰীক মৃত্যুদণ্ড নিদি পলুৱাই পঠিওৱাৰ

কথা গম পালে। এই কথা জানি সকলোৱে সৰু কুঁৱৰীক বিচাৰিব ধৰিলে আৰু হাবুংত কুঁৱৰীৰ উমান পালে। কিন্তু তেতিয়া কুঁৱৰীৰ মৃত্যু হৈছিল, পুত্ৰ চুহানক বামুন দম্পতী বেনুধৰ বৃন্দাৰ হাতত এৰি গৈছিল। ৰইলা আৰু বৃন্দাৰ লালন পালনত ডাঙৰ হোৱা চুহানক নিজৰ বুকুত শিল ৰাখি হ'লেও আইকুঁৱৰীৰ কথা মতে ৰজাঘৰীয়াৰ লগত পঠাই দিলে। ইফালে ধূলি বালিৰে খেলা ধূলা কৰা চুহানৰ কাৰেঙত মন নবহাত ৰাজনীকুঁৱৰীয়ে বেনুধৰ বৃন্দা আৰু ৰইলাৰ পৰিয়ালকো কাৰেঙলৈ আনে। তিনিওগৰাকী মাতৃৰ মৰম আৰু গোহাইদেউহঁতৰ ৰাজ্য শিক্ষা আৰু অস্ত্ৰ-শস্ত্ৰত চুহান পাৰ্গত হ'ল আৰু ছমাহৰ ভিতৰতে সকলো গুণ আয়ত্ত কৰিলে। অৱশেষত চুহানৰ ৰাজ অভিষেক হ'ল আৰু সকলো নীতি-নিয়মৰ মাজেৰে চুহান হৈ পৰিল চুডাংফা ৰজাদেউ। ৰাজ্যৰ সকলো অনিয়ম লাহে লাহে নিয়মলৈ পৰিৱৰ্তন কৰাত লাগিল ৰজাদেউ। বহুদিনৰ আহোম ৰাজ্যত বৰমেল আয়োজন কৰিছে। বহু কহাৰ, কমাৰ, তাঁতী, যোগী, খনিকৰ, বাঢ়ৈ আদিক নিমন্ত্ৰণ দিছে আৰু তেওঁলোকৰ সমস্যাবোৰ আলোচনা কৰিছে ৰজাদেউৱে। ৰজাদেউৰ আগত সকলোৱে ৰাজ্যত উৎসৱ পতাৰ কথা উত্থাপন কৰে। ধুমধামেৰে উৎসৱ আৰম্ভ হ'ল। ৰাজ্যৰ সকলো ঠাইৰ পৰা মানুহ আহিল। সেই উৎসৱলৈ তিপামৰ মুখীয়া, জীয়েক নাংচেং কুঁৱৰী আৰু তিপামৰ ডেকা তাইচুলাইও আহিছিল। নাংচেঙ আৰু তাইচুলাইৰ মাজত গভীৰ সম্পৰ্ক আছিল। তাইচুলাই সিংহাসনৰ সপোন দেখি উৎসৱত চুডাংফা ৰজাদেউক মাৰিবৰ বাবে আহে। উৎসৱ সম্পূৰ্ণ ৰীতি নীতিৰে চলি আছে। এফালে বুঢ়ীগোঁসানীৰ পূজা আৰু আনফালে নুনীগছৰ তলত বলি বিধান চলি আছে। চোমদেউৰ পূজালৈ ৰজাদেউ আহিছে, সকলো মানুহৰ লগতে নাংচেঙেও ডিঙিমেলি চাইছে ৰজাদেউক। খাই বৈ উঠি তাইচুলাই আৰু সমনীয়াই কাৰেঙত সোমোৱাৰ বাট বিচাৰিলে আৰু যেতিয়া বাট বিচাৰি পালে তিপামলৈ ঘূৰি যাওঁ বুলি সকলোৰে পৰা বিদায় ল'লে আৰু গোপনে কাৰেংত সোমাল। কাৰেঙৰ বৰঘৰত সোমাব লওঁতে ঘৰৰ ফাঁকত চেলেং আৰু দাখন লাগি ধৰাত তাতে দুয়োটা খুলি থৈ তাইচুলাই চাংখনলৈ নামি আহি চুডাংফা ৰজাদেউক দেখে। ওপৰৰ চাঙত তাইচুলাই, তলত ৰজাদেউ আৰু মন্ত্ৰীসকল। তাইচুলাই যাঠিডাল গাৰ জোৰেৰে তলত থকা ৰজাদেউলৈ মাৰি পঠাওঁতে লাওপানী বিলোৱা লিগিৰীজনৰ গাত লাগিল। হঠাৎ হুলস্থূল লাগিল। তাইচুলাই মুহূৰ্ততে কাৰেঙৰ বাহিৰ ওলাই ঘোঁৰা চেকুৰাই পলাল। বাটতহে মনত পৰিল তাইচুলাইয়ে চাঙৰ ওপৰত এৰি থৈ অহা চেলেং আৰু দাখনলৈ। ইফালে যাঠি ক'ৰ পৰা উফৰি আহিল চাবলৈ কেইজনমান সেনাপতি চাংত উঠিল আৰু চক্ৰান্তকাৰীৰ দা আৰু চেলেং নমাই আনিলে। দা আৰু চেলেং কাপোৰে চক্ৰান্তকাৰী যে তিপমীয়া তাৰ প্ৰমাণ দিলে। লগে লগে মন্ত্ৰীসকল বাহিৰ ওলাল। বাহিৰত মেঘে গৰজিছে, গোমগোমাই আহিছে বতৰ। ঘটনাৰ কথা ভাবি থাকোঁতে ৰজাদেউৰ চিল্‌মিলকৈ টোপনি আহিছিল। হঠাৎ বৰষুণৰ মাতত ৰজাদেউ সাৰ পালে। অতিথি বৃন্দক বাহিৰত শিবিৰত পেলাই শান্তিৰ টোপনি মাৰিব নোৱাৰিলে ৰজাদেউৱে। খৰধৰকৈ কোঠাৰ পৰা ৰজাদেউ বাহিৰ ওলাল আৰু কাৰেঙৰ একাষৰ পৰা শিবিৰবোৰ অক্ষত অৱস্থাত দেখা পালে। ৰজাদেউৱে দিনৰ ভাগত গোসাঁনীক বলি দিয়া নুনীগছজোপাৰ তলত বিজুলী বৰষুণত এটি মানুহ দেখা পাই গছজোপাৰ ফালে চোঁচা ল'লে। গছজোপাৰ তল পাই ৰজাদেউ আচৰিত হ'ল। মুণ্ডহীন কিছুমান মৃতদেহ, দেখাত তেওঁ ভাবিলে যে এই নৰ পাতকীয়ে ইমানবোৰ মানুহ মাৰিলে। ৰজাদেউৱে মানুহজনক জঁপিয়াই গৈ ধৰিলে আৰু কাৰেঙৰ পিৰালিলৈ চোঁচৰাই লৈ আনিলে। তীব্ৰ ঘৃণাৰে মানুহজনে লৈ থকা কাপোৰ ৰজাদেউৱে মাতিত পেলাই দিলে। ৰজাদেউৱে থতমত খাই গ'ল, কাৰণ সেইয়া কোনো পুৰুষ নাছিল, এগৰাকী গাভৰুহে আছিল। গাভৰুৰ গাত যেন থিয় হৈ থাকিবলৈও শক্তি নাই, ৰজাদেউৱে এনে অনুভৱ কৰিলে। হাওলি পৰিব খোজা গাভৰুক হাতত ধৰি বহালে ৰজাদেউৱে। এনে সময়তে ৰজাদেউক বিচাৰি গোঁহাইদেউহঁত তাত ওলালহি আৰু গাভৰুৰ কথা সোধাত ৰজাদেউৱে সমগ্ৰ ঘটনা বুজাই ক'লে। গাভৰুতোলৰ পৰা দুগৰাকী গাভৰু মতাই আনি গাভৰুকলৈ যাবলৈ ক'লে। যাবৰ সময়ত গাভৰুৱে চিঞৰি চিঞৰি কান্দি কৈ গ'ল "সিহঁতে মোৰ পিতাইক মাৰি পেলালে"। গাভৰুৰ কথা শুনি ৰজাদেউৰ বুজিবলৈ আৰু বাকী নাথাকিল। ৰজাদেউৱে খঙেৰে বুঢ়াদেউক ক'লে "প্ৰাণেৰে নামাৰি তিপমীয়া কেইজনক বন্দী কৰি থ'ব পাৰিলেহেঁতেন, পিছেপৰে বিচাৰ হ'লহেঁতেন। ইমান খৰধৰকৈ মূৰ কটোৱাৰ কি প্ৰয়োজন আছিল? কালিলৈ উৎসৱ আৰু নহ'ব, গোঁহাইদেউ সকলোকে বিদায় দিব। পুৰা মৃতদেহৰ সৎকাৰৰ ব্যৱস্থা কৰক।" সেই নিশা অপৰাধবোধত ৰজাদেউ বাটচ'ৰাতে বহি থাকিল। পুৱা গোসাঁইদেউৱে

গাভৰুজনী যে তিপমীয়াৰ জীয়েক আৰু পিতাকৰ বাহিৰে নিজৰ কোনো নাই, সেইকথা জনালে ৰজাদেউক। দুদিন পিছত ৰাজ্যত স্বভাৱিক অৱস্থা ঘূৰি আহিল যদিও ৰজাদেউ নাংচেঙৰ শোকত ম্ৰিয়মান হৈ পৰিল আৰু গাভৰুক বিয়া কৰি ৰাজ্যৰ পাটমাদৈ কৰাৰ কথা ভাবিলে আৰু এই বিষয়ে ৰাজনীয়ৰীক জনালে। ইফালে নাংচেং পিতৃ হত্যাকাৰীৰ ৰাজ্যত এক মূহূৰ্তও থাকিব বিচৰা নাছিল। ইমান নিষ্ঠুৰ এই ৰজাঘৰ আৰু তাইচুলাই সিও তাইক পাহৰিলে, ন'হলেনো ইমান এটা বিপদত সি তাইক উদ্ধাৰ কৰিব নাহিল হয় নে? এইবোৰ ভাবি থাকোঁতে তাই গম পালে যে ৰজাদেউৰ লগত বোলে তাইৰ বিয়া। নাংচেং বলিয়া হোৱাৰ দৰে হ'ল। আকৌ প্ৰৱঞ্চনা, তাইনো কেতিয়া মত দিলে এই বিয়াত। ৰজাঘৰ উদুলি মুদুলি নাংচেঙৰ চকুৰে নৈ বৈ গৈছে। পিতৃৰ মৃত্যুৰ চোতাল আজি তাইৰ বিবাহথলী, মনত ক্ষোভৰ জুঁই, এতিয়াই যেন তাই গুচি যাব ইয়াৰ পৰা। তাইৰ পৰা ৰজাদেউৱে সকলো কাঢ়ি নিলে প্ৰথমে পিতৃ আৰু এতিয়া তাইচুলাই। এনেকৈয়ে দিন বাগৰিল। ৰজাদেউৱে নাংচেঙক মাতে, কিন্তু নাংচেং নামাতে। তাই কেৱল কেতিয়া তাইচুলাইয়ে তাইক উদ্ধাৰ কৰিব, সেই ভাৱনাত ব্যস্ত। আনফালে ৰাজ্যভ্ৰমণ কৰিববৈলে ৰজাদেউ তিপামলৈ ওলাল। তাইচুলাইয়ে ৰজাদেউ আৰু গোসাঁইদেউহঁতৰ চকুত ধূলি দি ধুৰা তুলসীৰ পাত হৈ দেখালে। সেই সময়ৰ তিপামৰ মুখীয়াল আছিল তাইচুলাই। গতিকে বহু বুদ্ধি কৰি তাইচুলাই নাংচেঙক লগ কৰিববৈলে ৰজাদেউৰ লগত আহোমৰ কাৰেঙলৈ ওলাল। ৰজাদেউ লগত তাই অহাৰ খবৰ পাই নাংচেং উত্তেজিত হৈ উঠিল। এতিয়া তাইক তাইচুলাইয়ে উদ্ধাৰ কৰিব, ৰজাদেউৱে অতি আগ্ৰহেৰে নাংচেংক মাতিলে, কিন্তু নাংচেং নামাতিলে। সেই নিশা নাংচেং কুঁৱৰী কাৰেঙৰ কোনোৱে গম নোপোৱাকৈ অতিথিশালত তাইচুলাইক লগ কৰিব যাওঁতে তাইচুলাইয়ে কৈ থকা শুনিলে "সেই দিনা মোৰ যাঠি নালাগি মৰকোচিয়া ৰজা বাচিল, এইবাৰ নাংচেংৰ হতুৱাই খোৱাত বিহ দিয়াই মাৰিম, তেতিয়াহে সিংহাসন মোৰ হ'ব"। কথাবোৰ শুনি নাংচেংৰ আৰু বুজিবৰ বাকী নাথাকিল যে ইমানবোৰ তিপমীয়াৰ মৃত্যুৰ কাৰণ তাইচুলাইহে, ৰজাদেউ নহয়। তাই বৰষুণৰ মাজৰে কাৰেংলৈ খোজ ল'লে। ইফালে কাৰেংত কুঁৱৰীক নেদেখি ৰজাদেউ বাটচ'ৰাৰ ফালে বিচাৰি আহিল। নাংচেংক আহি থকা দেখি ৰজাদেউ থৰ লাগি ৰৈ গ'ল। নাংচেং ৰজাদেউৰ বুকুত সোমাই কান্দিববৈলে ধৰিলে আৰু অতদিনৰ দুখ-কষ্ট, ভুল বুজাবুজি নাইকিয়া হ'ল। ইফালে তাইচুলাইয়ো বিশেষ কাৰণত ৰাতিয়ে তিপামলৈ গুচি গ'ল। নাংচেং কুঁৱৰীৰ জগতখন সম্পূৰ্ণ বেলেগ হ'ল। মনৰ পৰা নাংচেং তাইচুলাইক মুচি পেলালে। ৰজাদেউ হৈ পৰিল তাই জীৱন আৰু কাৰেং হৈ পৰিল নিজৰ। এনেদৰে দিন বাগৰিল। এদিন পুৱাতে পুৰণা কাৰেং এৰি হাতী, ঘোঁৰা সৈন্য সহিতে সুবিশাল সমদলেৰে চৰগোবত নতুন ৰাজধানীলৈ ৰাওনা হ'ল। সেইনিশা শিবিৰতে কটালে সকলো, পিছদিনা পুৱাই ৰজাদেউ শিঙৰিপাতঘৰত উঠাৰ পাছত আবেলিলৈ কাৰেং সোমাব। ৰাজ্যৰ বহুতো কোণৰ নিমন্ত্ৰিত অতিথি আহিল আৰু নীতি নিয়মৰ মাজেৰে ৰজাদেউ আসনত বহিল। তাৰ পাছত সকলো ন কাৰেংত সোমাল। এই কাৰেংত ৰজাদেউৱে নিজৰ শোৱনি কোঠাটো বৰ সুন্দৰকৈ সজাইছে, য'ৰ পৰা প্ৰকৃতিৰ সকলো শোভা দেখা যায়। ৰজাদেউক নেদেখি অভিযানত চকু চলচলিয়া হৈ পৰিছে নাংচেংৰ। ইফালে ৰজাদেউ শিঙৰি পাতঘৰত ডা-ডাঙৰীয়াৰ সৈতে ব্যস্ত। নাংচে ৰজাদেউৰ লিগিৰী কেইজনক দেখি ৰজাদেউৰ খবৰ ল'লে। লিগিৰীকেইজনে এটা টোপোলা নাংচেংলৈ আগবঢ়াই দি ক'লে, এইটো তিপমীয়া ৰজাই আপোনাক দিছে, আমাৰ ৰজাদেউৰ ভালৰ নিমিত্তে আঙুঠিটো ধোৱাই পানী খুৱাব কৈছে। নাংচেং লওঁ নলওঁকৈ টোপোলাটো ল'লে আৰু ৰজাদেউৰ কথা লিগিৰীকেইজনক সোধাত ক'লে- যে ৰজাদেউৱে তিপমীয়া ৰজাৰ লগত কিবা আলোচনা কৰি আছে। তাইচুলাইৰ লগত ৰজাদেউ অকলে থকাৰ খবৰ পাই টোপোলাতো তাতে পেলাই ভয় আৰু আশংকাত নাংচেং কাৰেংৰ বাহিৰলৈ ল'ৰ দিলে। আনফালে ৰজাদেউৱে কাৰেং সোমাই নাংচেংক বিচাৰিলে, এনেতে চোতালত পৰি ৰোৱা টোপোলাটো ৰজাদেউৰ ভৰিত লাগিল। বেজ মতাই ৰজাদেউৱে আঙুঠিটো পৰীক্ষা কৰিলে। বেজে ক'লে যে সেইটো তিপমীয়া ৰজাই দিয়া বুলি কোৱাত ৰজাদেউ ঘোঁৰা চেকুৰাই তাইচুলাইক উচিত শিক্ষা দিবৰ বাবে হেংদাং লৈ ওলাল। ইফালে নাংচেং বলিয়া হৈ হোলোং ঘৰ ওলাল। হোলোং ঘৰত কাকো নেদেখি নাংচেং কুঁৱৰীয়ে ৰজাদেউক চিঞৰিলে। আন্ধাৰৰ মাজৰ পৰা তাইচুলাই আহি নাংচেংক সাবতি ধৰিলে। এনেতে ৰজাদেউ আহি তাত ওলাল। দুয়োকে তেনে অৱস্থাত দেখি নিঠৰ হৈ পৰিল ৰজাদেউ আৰু লগে লগে নাংচেঙৰ প্ৰতি মনত এচমকা ঘৃণা উপজিল। আৰু নাংচেং কিবা কোৱাৰ আগতে ৰজাদেউৱে তীব্ৰ গতিত ঘোঁৰা চেকুৰাই ওলাই গ'ল। হোলোং ঘৰত কান্দি

কান্দি বহি পৰিল নাংচেং। প্ৰেম-আস্থা সকলো শেষ হৈ গ'ল। ৰজাদেউৱে ভুল বুজিলে, তাইক সেই চেগতে তাইচুলাইয়ে নাংচেংক ঘোঁৰাত উঠাই লৈ গ'ল। নাংচেং বহু কাকুতি মিনতি কৰিলে এৰি দিবলৈ, কিন্তু তাইচুলাইয়ে আন্ধাৰৰ মাজে মাজে হাবি বন ভাঙি লৈ গৈ থাকিল নাংচেংক। ইফালে নৈ পাৰত বহি ৰোৱা ৰজাদেউৱে বুজি নাপালে হঠাৎ কি হৈ গ'ল এইবোৰ। বহুপৰ ভাবিলত ৰজাদেউ নাংচেংলৈ মৰম উপজিল আৰু হোলোংঘৰ পালেগৈ। কিন্তু সেইসময়ত তাত কোনো নাছিল। নাংচেঙক বিচাৰি ৰজাদেউ বলিয়াৰ দৰে হ'ল। আকাশ-বতাহ সকলোকে নাংচেংৰ বতৰা সুধিলে। ৰজাদেউ কাৰেঙলৈ আহিল, কিজানি কুঁৱৰী কাৰেঙলৈ গ'ল। কিন্তু আইকুঁৱৰীৰ কথাৰ পৰা নাংচেং যে কাৰেঙত নাই, সেই কথা গম পালে। গোটেই কাৰেং হুৱাদুৱা লাগিল। তিপমীয়া ৰজাৰ লগত নাংচেং কুঁৱৰী পলাই গ'ল। কিন্তু ৰজাদেউ আৰু ৰাজনীকুঁৱৰীয়ে এই কথা বিশ্বাস কৰি ল'ব পৰা নাছিল। নাংচেঙক হেৰুৱাই ৰজাদেউৰ জীৱন স্থবিৰ হৈ পৰিল। ৰজাদেউৰ নাংচেঙৰ সৈতে জীৱন কটাবলৈ সজোৱা কোঠালিটোত চিৰদিনৰ বাবে ডাং লগাই দিছিল। বুঢ়াগোঁহাই আৰু আইকুঁৱৰীদেউতাৰ কথা পেলাব নোৱাৰি ৰজাদেউৱে দ্বিতীয় বিবাহ কৰালে কমতেশ্বৰ গজাঙ্কৰৰ কন্যা ভাজনীক। কিন্তু ৰজাদেউৱে নাংচেংক পাহৰিব পৰা নাছিল। ন-কুঁৱৰী ভাজনী দুইসন্তানৰ মাতৃ হয়। আহিন মাহৰ এদিন ফৰকাল ৰাতিপুৱা ৰাজনীকুঁৱৰীয়ে মেলানি মাগে। লগে লগে এক দীঘলীয়া অধ্যায়ৰ অন্ত পৰে। দইগাওৰংৰ সিপাৰে থকা নৰা ৰাজ্যৰ লগতে আলোচনা কৰিবৰ বাবে ৰজাদেউ চুডাংফাৰ দল আগবাঢ়িল। পাহাৰৰ তলৰ সমতলৰ এটি হ্ৰদৰ পাৰত শিবিৰ পাতিল আৰু নৰা ৰজাৰ লগ লাগি দুখন ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰিলে। হ্ৰদটোৰ নাম থলে নংইয়াং। নংইয়াং মানে সীমা, আছে। সীমা নিৰ্ধাৰিণৰ নামত দুয়ো ৰজাই পাহাৰৰ ওপৰত কুকুৰা কাটি শপত খালে। তাৰ পাছত নৰা ৰজাৰ আমন্ত্ৰণ ৰক্ষা কৰি নৰা ৰাজ্যলৈ গৈ থকাতো বাটতে তাইচুলাইয়ে ৰজাদেউলৈ যাঠি মাৰি পঠালে। আঘাতপ্ৰাপ্ত ৰজাদেউক শিবিৰলৈ আনি চিকিৎসা কৰি থকাৰ সময়তে নাংচেং আহি ওলাল। আৰু ৰজাদেউক তাইৰ জীৱনত ঘটা সকলো কথা ক'লে, কিদৰে তাই তাইচুলাইৰ হাতৰ পৰা মুক্ত হৈ উত্তৰ ব্ৰহ্মদেশৰ বৰখামটি পালেগৈ, ক'ত কেনেকৈ থাকি ৰজাদেউৰ পুত্ৰ চুক জন্ম দি ডাঙৰ দীঘল কৰিছে সকলো কথা। আনন্দতে নাংচেং চুক আনিবলৈ লৰ দিলে। ঘূৰি আহি দেখে যে তাইচুলাইয়ে ৰজাদেউফালে এপাত অস্ত্ৰ লৈ উদ্যত হৈ আছে, তেনেতে নাংচেং ৰজাদেউৰ হেংদাংখন তাইচুলাইৰ পিঠিত ভৰাই দিলে আৰু সেই মুহূৰ্ততে এপাত সৰু অস্ত্ৰৰে তাইচুলাইয়ে নাংচেংক হত্যা কৰিলে। ৰজাদেউৰ মৰমৰ নাংচেং কুঁৱৰী আৰু নাই। পুনৰ বাৰ পাইয়ো ৰজাদেউৱে কুঁৱৰীক হেৰুৱালে। যি সত্য প্ৰমাণ কৰিব নোৱাৰি বুলি নাংচেং ভয় কৰিছিল, নিজৰ মৃত্যুৰে সেই সত্য প্ৰমাণ কৰি থৈ গ'ল। নাংচেংৰ পৱিত্ৰতাৰ সাক্ষী হৈ ৰ'ল বৰ খামটিৰ ৰাইজ। ৰজাদেউ উপহাৰস্বৰূপে চুক দি থৈ গ'ল। অলপ দিনৰ পাছত ভগ্ন হৃদয় আৰু ভগ্ন দেহাৰে চুক লৈ ৰজাদেউ স্বদেশ পালেহি। দুৰ্ঘটনাৰ পাছৰ পৰা ৰজাদেউৰ শৰীৰ মন ঘূণীয়া হৈ পৰিল। নাংচেং কুঁৱৰীৰ বিচ্ছেদৰ যন্ত্ৰণা পুনৰ বেছি যন্ত্ৰণাদায়ক, অসহ্যকৰ হৈ পৰিল। ৰজাদেউৰ জীৱনত তাইচুলাই দিয়া মনৰ ঘাৰ লগতে দেহৰ ঘাইও ৰজাদেউক জীয়াতু ভুগালে। মাথোন একুৰি পাছবছৰ বয়সতে মৰমৰ দেশ এৰি গুচি গ'ল ৰজাদেউ। দেশলৈ এৰি গ'ল তিনিপুত্ৰ। তিনিপুত্ৰক ৰজাদেউৰ আদৰ্শৰে গঢ়িবলৈ ৰাজ কাৰেংত ৰৈ গ'ল ভাজনী কুঁৱৰী।

'পাটকাই ইপাৰে মোৰ দেশ' উপন্যাসখনৰ কাহিনীৰ অন্তৰ পৰশা বাস্তৱধৰ্মী সাৰ্থকতাই সকলো পাঠকৰ মন জয় কৰে। আহোম ৰাজ্যৰ পটভূমিত ত্ৰয়োদশ-চতুৰ্দশ শতিকাত হোৱা ৰাজনৈতিক কন্দল, আবেগ, অনুভূতি আদি সমূহক এখনি উপন্যাসত চন্দনা গোস্বামীদেৱে স্থান দি অসমীয়া সাহিত্যজগতত স্বীকৃতি লাভ কৰাৰ লগতে অসমীয়া সাহিত্যলৈ সুনাম কঢ়িয়াই আনে।

পাটকাই ইপাৰৰ ৰজাদেউৰ দেশখন আজিও আছে বাৰেৰহণীয়া হৈ, সেই দিনবোৰ অতীতৰ বুকুত হেৰাই গ'লেও আমাৰ মাজত ৰৈ গ'ল কিছু অনুভৱ, কিছু উপলব্ধি।

# কলিজাৰ আই

হীমাশ্ৰী কলিতা




অনুপম বৰ্ণনাশৈলীৰে লিখা দিলীপ বৰাৰ 'কলিজাৰ আই' কিতাপখন সচাঁকৈয়ে অতুলনীয়। এই উপন্যাসখনৰ মাজেদি দিলীপ বৰাই খাদ্য আন্দোলনৰ পৰা আৰম্ভ কৰি বৰ্তমান অসম তথা অসমীয়া জাতিটোক জোকাৰি থকা সশস্ত্ৰ সংগ্ৰামৰলৈকে এক বাস্তৱ সন্মত ছবি দাঙি ধৰিছে। উত্তৰ স্বাধীনতা কালত অসমৰ প্ৰতি মুহূৰ্ততে সলনি হৈ থকা ভৌগোলিক, ৰাজনৈতিক, সামাজিক তথা অৰ্থনৈতিক মানচিত্ৰখন যোৱা তিনিটা দশক ধৰি অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ এক জীৱন্ত আৰু স্পৰ্শকাতৰ হৃদয়ৰ উপলব্ধি আৰু অন্তৰ্দ্বন্দৰ ফলস্বৰূপে সৃষ্টি হৈছিল দিলীপ বৰাৰ 'কলিজাৰ আই'। আইন আৰু অৰ্থনীতিৰ কৃতী ছাত্ৰ তথা কেন্দ্ৰীয় লোকসেৱা আয়োগৰ নিযুক্তিপ্ৰাপ্ত দিলীপ বৰাই ছাত্ৰ জীৱনৰে পৰা সময়ৰ পটভূমিত গঢ় লৈ উঠা সমগ্ৰ প্ৰক্ৰিয়াটোতে জড়িত থাকি এক অনন্য দৃষ্টিভংগী লাভ কৰিছে। অসমৰ মাটিৰ স্পৰ্শত লালিত পালিত দিলীপ বৰাৰ শৰীৰ, মন, আত্মা, অসমৰ প্ৰতিটো ঘটনা দুৰ্ঘটনাৰ সৈতে মুখামুখি হ'লেই যে অতিকে স্পৰ্শকাতৰ, তাৰ প্ৰমাণ কলিজাৰ আইৰ প্ৰতিটো পৃষ্ঠাতে। চিন্ময় বৰুৱা সেয়ে কেতিয়াবা হৈ পৰে দিলীপ বৰা নিজে আৰু জন্মভূমি অসম হৈ পৰে তেওঁৰ বাবে প্ৰাণৰো প্ৰাণ, আত্মাৰো আত্মা জন্মদাত্ৰী কলিজাৰ আই।


উপন্যাসখনৰ মূল চৰিত্ৰ তথা চিন্ময় বৰুৱা ওৰফে ৰাতুল মহন্ত নগাঁও জিলাৰ এখন গাঁৱত এটি আঢ্যৱন্ত পৰিয়ালত জন্ম হৈছিল। তেওঁৰ পিতৃয়ে দ্বিতীয় বিবাহ কৰাৰ বাবে সৰুতেই মোমায়েকৰ ঘৰত থাকি পঢ়িবৰ বাবে পঠিয়াই দিছিল। সৰুৰে পৰাই অতি মেধা আৰু তীক্ষ্ণ বিচাৰ বিবেচনা ছাত্ৰ হিচাপে পৰিচয় দিছিল। সুখ্যাতিৰে উচ্চতৰ মাধ্যমিকত অৱতীৰ্ণ হৈ কটন কলেজত পঢ়িবৰ বাবে সুবিধা লাভ কৰিছিল। হাইস্কুলত পঢ়ি থাকোঁতেই হাতত বেনাৰ লৈ অসম চৰকাৰৰ বিৰুদ্ধে থিয় দিছিল। সেইয়া আছিল চিন্ময় বৰুৱাৰ ছাত্ৰ জীৱনত ৰাজনীতিৰ লগত কৰা মিতিৰালিৰ আৰম্ভ, যি যাত্ৰাৰ সমাপ্ত আজিলৈকে হোৱা নাই।

ঐতিহাসিক কটন কলেজৰ হোষ্টেলত থাকিয়েই চিন্ময় বৰুৱাই তেওঁৰ সপোনবোৰ সফল কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাইছিল। ১৯৭১ চনৰ বাংলাদেশ যুদ্ধৰ পিছত গুৱাহাটীৰ মৃদু জীৱন-যাত্ৰাৰ পতন হ'ল। হাজাৰ হাজৰ ভগনীয়াৰে গুৱাহাটীৰ ৰাস্তা আৰু খালী ঠাইবোৰ ভৰি পৰিল আৰু তেনে এটা দিনতে চিন্ময় বৰুৱাৰ চাৰিত্ৰিক পতন হৈছিল। কিছুমান বন্ধুৰ সংগই তেওঁকো নিচাসক্ত জীৱনৰফালে ঠেলি দিছিল। কিন্তু তাতকৈও নৰপিশাচৰ দৰে আচৰণ কৰিছিল তেওঁ আৰু

লগৰ বন্ধুবিলাকে। বাংলাদেশৰ পৰা অহা ভগনীয়া মানুহবোৰে য'তে ত'তে ৰাতিটো কটাইছিল। তাৰে সুবিধা লৈ চিন্ময়হঁতে ভগনীয়া কিছুমান নাৰীৰ সৈতে যৌন মিলনত লিপ্ত হৈছিল। অৱেশ্য পিছত তেওঁ উপলব্ধি কৰিছিল নাৰী নিৰ্যাতনৰ এই মৰ্মান্তিক অধ্যায়। ১৯৭১ চনত উচ্চ ন্যায়ালয়ে ইন্দিৰা গান্ধীক দুৰ্নীতি নিবাৰক আইনৰ অধীনত সাংসদ পদ খাৰিজ কৰিলে। প্ৰথম অৱস্থাত চৰকাৰী কাম কাজসমূহৰ কিছু পৰিৱৰ্তন দেখি সাধাৰণ জনতাই শ্ৰীমতী গান্ধীক দুৰ্গাৰ লগত ৰিজাবলৈ ল'লে। কিন্তু সময়ৰ লগে লগে বহুতো কাৰণত তেওঁক পুতনা ৰাক্ষসীৰ নাম দিবলৈও জনসাধাৰণে কুণ্ঠাবোধ নকৰিলে। অৱশেষত ১৯৭৭ চনত প্ৰথমবাৰৰ বাবে এটা অ-কংগ্ৰেছী চৰকাৰৰ হাতত ক্ষমতা তুলি দি বুৰঞ্জীত নজিৰ ৰাখিলে। এনে সময়তে চিন্ময় বৰুৱাই অসম ৰাজনীতিত সক্ৰিয় ভুমিকা ল'বলৈ আৰম্ভ কৰিলে।

কটন কলেজত পঢ়ি থকা সময়খিনি আছিল চিন্ময় বৰুৱাৰ পূৰ্ণ যৌৱনপ্ৰাপ্তিৰ সময়। স্কুলৰ দিনতেই জুনুমা নামৰ ছোৱালীজনীৰ প্ৰেমত পৰিছিল, কিন্তু জুনুমা আৰু চিন্ময় বৰুৱাৰ ভালপোৱাই পোখা মেলিবলৈ সুবিধাই নাপালে। জনুমাক ভালপোৱাৰ পিছৰে পৰা তেওঁ কাৰো প্ৰেমতে নপৰিছিল। কিন্তু কটনত লগ পোৱা শাৰদী নামৰ ছোৱালীজনীক যেন উপেক্ষা কৰিব পৰা নাছিল। কোনোবা নিজান দুপৰত অকলে শাৰদীৰ চকুত চকু থৈ এৰি অহা সময়ৰ স্মৃতি জোঁকাৰি চাবৰ মন গৈছিল চিন্ময় বৰুৱাৰ।

বিদেশী বিতাড়ন আন্দোলন দিনক দিনে উত্তপ্ত হৈ আহিছিল। স্কুল-কলেজৰ ল'ৰা-ছোৱালীবোৰ আন্দোলনতে লাগি থাকিবলগীয়া হোৱাত শিক্ষাৰ পৰিৱেশ প্ৰায় নোহোৱাৰ নিচিনাই হ'ল। ১৯৮০ চনৰ জাতীয় সংসদৰ নিৰ্বাচনত কংগ্ৰেছৰ পুনৰাৱৰ্তন হোৱাত ১৯৭৮ চনৰ নিৰ্বাচিত লোকসকল ঠেকু চিগা মানুহৰ দৰে হ'ল। অৱশেষত কেন্দ্ৰীয় চৰকাৰে অসমত ৰাষ্ট্ৰপতি শাসন ঘোষণা কৰিলে। কিন্তু বিদেশী বিতাড়নৰ প্ৰশ্নটোত ৰাজনৈতিক দলসমূহে কোনোদিনাই অসমৰ থলুৱা জনসাধাৰণৰ পক্ষত থিয় নোহোৱাৰ অভিযোগ এটা থাকি গ'ল। এনে কিছুমান কাৰণতে চিন্ময় বৰুৱাৰ দৰে বিশ্ববিদ্যালয়ত আৰু কলেজত পঢ়ি থকা ল'ৰাই আন্দোলনৰ নেতৃত্ব লৈছিল। এই আন্দোলনত গাঁৱে ভূএে অসমীয়া চহা-লোকে অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত আন্দোলনটোত জঁপিয়াই পৰিছিল। ১৮৮৩ চনত নিৰ্বাচন ঘোষণা কৰাৰ লগে লগে পৰিস্থিতি অতি বেয়াৰ ফালে ঢাল খালে। নেলী, গহপুৰ আৰু আন দুই চাৰি ঠাইত সংঘটিত হৈ থকা সাম্প্ৰদায়িক তথা গোষ্ঠীগত ঘটনাবিলাকত বহু মানুহৰ প্ৰাণহানি হ'ল। চিন্ময় বৰুৱাৰ সৰু কালৰ প্ৰেয়সী জুনুমাৰে স্বামীৰ আৰু দুটি সন্তানৰ মৃত্যু হ'ল। তাইৰ দৰে বহুতো নাৰী অকলশৰীয়া হ'ল। ইয়াৰ পিচতো কিন্তু চিন্ময় বৰুৱাহঁতৰ আন্দোলন থমকি নৰ'ল।নেলীৰ সাম্প্ৰদায়িক সংঘৰ্ষ, গহপুৰৰ হত্যা আৰু ইন্দিৰা গান্ধী তথা নতুন মুখ্যমন্ত্ৰীজনৰ বুদ্ধিত আন্দোলনটো লাহে লাহে দুৰ্বল হৈ আহিছিল। কিন্তু১৯৬০ আৰু ১৯৭২ চনত ভাষা আন্দোলনত ছাত্ৰ নেতৃত্ব সফল হোৱা বুলি ভাবি লোৱা কাৰণে এইবাৰৰ আন্দোলনতো গভীৰ প্ৰত্যয়েৰে বিশ্বাস কৰিছিল, আমি সফল হমেই বুলি সাধাৰণ ৰাইজে। কিন্তু সফল




কলিজাৰ আই উপন্যাসখনৰ মাজেদি দিলীপ বৰাই খাদ্য আন্দোলনৰ পৰা আৰম্ভ কৰি বৰ্তমান অসম তথা অসমীয়া জাতিটোক জোকাৰি থকা সংগ্ৰাম খনলৈকে বাস্তৱসন্মতভাৱে এখন ছবি দাঙি ধৰিছে।

হোৱাটো দূৰৰে কথা, মুখলজ্জা বচাই আন্দোলনটো সামৰিব পৰাটোৰেই চিন্ময়হঁতৰ কাৰণে এক ডাঙৰ দুঃচিন্তা হৈ পৰিল।

হোষ্টেলৰ ৰুমতে শুই প্ৰবন্ধ পঢ়ি থাকোঁতে হঠাতে চিন্ময়ৰ সৰুৰ পৰাই ঘনিষ্ঠ বন্ধু প্ৰশান্ত আৰু লগৰ দুটা চিন্ময়ৰ ৰূমটোলৈ সোমাই আহিল। তেওঁলোক আছিল সংগঠনৰ সদস্য। প্ৰশান্তই চিন্ময়ক ক'লে সংগঠনৰ উদ্দেশ্য। আন্দোলনৰ বৰ্তমান যি ৰূপ, ক্ৰমাগতভাৱে বাঢ়ি অহা বৈদেশিক প্ৰব্ৰজন, ছাত্ৰ-ছাত্ৰী বিলাকৰো আন্দোলনৰ ব্যৰ্থতা, এইবোৰে জানো অসমৰ অস্তিত্ব ৰক্ষা হ'ব। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ কাৰণে এক সংগ্ৰাম কৰিব লাগিব। প্ৰশন্তৰ কথা খিনিয়ে চিন্ময়ক ভাবিবলৈ বাধ্য কৰালে যে অসমৰ ধ্বংস কথা, অসমৰ অস্তিত্ব ৰক্ষাৰ কথা। অৱশেষত চিন্ময়ো মান্তি হ'ল সংগঠনলৈ যোৱাৰ কথা। সিদ্ধান্ত লোৱাৰ আগত তেওঁ মাক আৰু শাৰদীক লগ কৰিব বিচাৰিলে। নিজৰ প্ৰেমিকাক এৰি থৈ অহা দুখ তেওঁলোকেহে বুজি পায়। নিজৰ মাতৃ, ভাই, ভনীক এৰি অহাৰ দুখ-যান্ত্ৰনাতকৈ আৰু কি হ'ব পাৰে? চিন্ময়ে সংগঠনত যোগ দিলে। তেওঁলোক কেম্পলৈ ওলাল। পাহাৰৰ নামনিৰ পৰা আৰম্ভ হোৱা বাটেৰে খোজ ল'লে। পাহাৰ বগাই এসময়ত কেম্প পালেহি। কেম্পৰ মুখ্য অধীক্ষকক লগ কৰি প্ৰশিক্ষণ ল'বৰ বাবে সাজু হ'ল তেওঁ। অৱশেষত সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত হৈ উঠাৰ পিছতে মধ্য অসমৰ ভাগটো তেওঁ হাতত অৰ্পণ কৰা হ'ল। তেওঁৰ সহযোগী হিচাপে প্ৰশান্তক বিচাৰিলে। তেওঁ অসমলৈ আহি তেতিয়া অনুভৱ কৰিছিল যে অসমখন পৰিৱৰ্তন হৈছে। কিয়নো বিধান সভাৰ নিৰ্বাচনত বিজয়ী হোৱা দলটো কোনোবা নেতৃত্ব দিয়া আন্দোলনকাৰী দল আছিল। ৰাস্তাই ঘাটে বন্দুক-বাৰুদ, লাঠি আদিৰ সলনি গাঁও, চহৰৰ মানুহবোৰে মুকলিমুৰীয়াকৈ ঘূৰিব পাৰিছিল। মধ্য মণ্ডলৰ মুখ্য পৰিচালক হিচাপে চিন্ময়ৰ দায়িত্বত আছিল নগাঁও, মৰিগাঁও, কামৰূপ, দৰং, শোণিতপুৰ আৰু নলবাৰী জিলা।

মধ্য মণ্ডলৰ দায়িত্ব চম্ভালি লৈ চিন্ময়ে আঞ্চলিক সমিতিবোৰ পুনৰ গঠন কৰাৰ কথা ভাবিলে। নতুন চৰকাৰ গঠন হোৱাৰ লগে লগে সংগঠনৰ কিছুমান সদস্য আৰু সমিতিৰ বিষয়ববীয়াই মুকলিমুৰীয়াকৈ গাঁৱে-ভূঞে ফুৰা চকা কৰিবলৈ ধৰিলে। কিন্তু এনেবোৰ কাৰ্যই যে ভৱিষ্যতে সংগঠনৰ মানুহখিনিক শল ঠেকত পেলাব, সেই বিষয়ে চিন্ময়ে অলপ হলেও অনুমান কৰিব পাৰিছিল। ক্ষেত্ৰ ভ্ৰমণ আৰু পৰিদৰ্শনে যেন তেওঁক কিছু নতুন অভিজ্ঞতাৰ সোৱাদ দিলে। সংগঠনত সোমোৱাৰ পাছৰ পৰাহে যেন তেওঁ বৰ অসমৰ লগত চিনাকি হ'ল। অসমৰ আত্মাৰ লগত যেন মুখামুখি হ'ল। ভিন-ভিন জাতি আৰু গোষ্ঠীৰ মানুহবোৰৰ লগত একেলগে খাই শুই তেওঁ নিজৰ আচল পৰিচয় বিচাৰি পালে।

লাহে লাহে সংগঠনত নতুন সদস্যৰ সংখ্যা বাঢ়ি আহিল। চিন্ময়ে সেই সদস্য সকলক বুজাইছিল যে সংগঠনৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণৰ বাবে লাগে অসীম ত্যাগ কৰাৰ ক্ষমতা। সংগঠনৰ কিছুমান সদস্য লাহে লাহে অত্যাচাৰী হৈ উঠিল। গাঁৱৰ সাধাৰণ কিছুমান মানুহক নৈতিক স্খলনৰ বাবে শাস্তি দিব ধৰিলে। বিপ্লৱৰ নামত পলপট্ হৈ পৰিল অনাচাৰী, একনায়কত্ববাদী আৰু ভীষণ অত্যাচাৰী। অৱশেষত ৰাইজে পলপট্‌বোৰক খেদি দেশৰ বাহিৰ কৰিলে। সংগঠনৰ সদস্য যাতে এই বিপ্লৱৰ পথেৰে পৰিচালিত নহয়, তাৰ ব্যৱস্থা কৰিলে। জনসাধাৰণক শাস্তি দিয়াৰ নিচিনা জঘন্য কামত লিপ্ত হোৱা সকলো সদস্যকে প্ৰশিক্ষণৰ বাবে ওপৰলৈ পঠিয়ালে। প্ৰশিক্ষণৰ বাবে যিখিনি অস্ত্ৰ-শস্ত্ৰ আৰু গুলি বাৰুদৰ প্ৰয়োজন আছিল, তাৰ দশাংশৰহে তেতিয়ালৈকে ব্যৱস্থা আছিল। সেয়ে চিন্ময়, প্ৰশান্ত আৰু দহজন সদস্য লগ হৈ শালনা চাহ বাগিছা আক্ৰমণৰ পৰিকল্পনা কৰিলে। আক্ৰমণৰ শেষত পোন্ধৰটা ৰাইফল, চাৰিটা ষ্টেনগান আৰু তিনি বাকচ গুলি লৈ প্ৰশিক্ষণ শিবিৰত উপস্থিত হ'লগৈ। সকলো নিৰীক্ষণ কৰি চিন্ময় বৰুৱা গুৱাহাটীলৈ আহিছিল এখন সভাত বক্তৃতা দিবৰ বাবে। গুৱাহাটীলৈ অহাৰ তিনিদিন পাছত চিঠি আহিল যে সংগঠনত এক বৃহৎ অৰ্থৰ প্ৰয়োজন হৈছে, সেয়ে বেংক লুট কৰিব লাগিব। সংগঠনে দিয়া নিৰ্দেশ মতে, তিনিটা ল'ৰা আৰু প্ৰশান্ত লগ হৈ পৰিকল্পনা অনুসৰি বেংক লুট কৰি ঘূৰি আহিল।

গুৱাহাটীৰ হোটেলত থাকোঁতে চিন্ময় মুখামুখি হৈছিল শাৰদীৰ। মনৰ সকলো আবেগ যেন শাৰদীৰ আগত চিন্ময়ে ঢালি দিব। শাৰদীক লগ পাইয়ো চিন্ময়ে একো ক'ব নোৱাৰিলে। নিজৰ প্ৰিয়জনক এৰি গোটেই জীৱন অকলশৰে থকা সেই কষ্টখিনি সকলোৱে অনুভৱ কৰিব নোৱাৰে। গুৱাহাটীৰ পৰা ঘূৰি গৈ চিন্ময়ে সংগঠনৰ শীৰ্ষ নেতাসকলক লগ কৰিলেগৈ। লক্ষীপথাৰৰ পৰা ঘূৰি অহাৰ প্ৰায় এসপ্তাহ পিছতে প্ৰাইভেট টিভি চেনেলত সংগঠনৰ চেয়াৰমেন, সাধাৰণ সম্পাদক আৰু প্ৰচাৰ সম্পাদকৰ সৈতে লোৱা সাক্ষাৎকাৰ হ'ল। দিশপুৰ আৰু গুৱাহাটীত হুলস্থুল লাগিল। অৱশেষত অসম চৰকাৰৰ নিদেৰ্শত ৰাজ্যৰ আৰক্ষী বিভাগে সংগঠনৰ

সদস্যসকলক বিচাৰি অভিযান চলালে। কেন্দ্ৰীয় চৰকাৰে ১৯৮৯ চনৰ ২৮ নৱেম্বৰ নিশাৰ পৰা সমগ্ৰ অসমক সেনা-বাহিনীৰ হাতত গতাই দিলে। ২৮ নৱেম্বৰ মাজনিশা লক্ষীপথাৰ কেম্পত সেনা বাহিনীৰ প্ৰথম আক্ৰমণ হ'ল।

ৰাষ্ট্ৰপতি শাসন ঘোষণা হোৱাত অসম চৰকাৰৰ প্ৰশাসন সম্পূৰ্ণৰূপে ৰাজ্যপালৰ অধীনলৈ আহিল। ৰাষ্ট্ৰপতিৰ শাসন আৰু সামৰিক অভিযানে সগংঠনৰ সদস্যসকলক ইমানেই ভীত কৰি পেলালে যে নতুন চৰকাৰৰ ক্ষমতা দখল কৰিয়েই সংগঠনৰ সদস্য সকললৈ প্ৰস্তাৱ আগবঢ়ালে। আত্মসমৰ্পণকাৰী প্ৰতি সদস্যক দুই লাখ টকা নগদ দিয়াৰ উপৰিও বেংক বা অন্যান্য বিত্তীয় অনুষ্ঠানৰ সহযোগত তেওঁলোকক ব্যৱসায় বাণিজ্যৰো সুবিধা দিয়া হ'ব। এই ঘোষণাৰ পিছতে সংগঠনৰ বহুকেইজন আগশাৰীৰ নেতা তথা সদস্য চৰকাৰী বাহিনীৰ হাতত ধৰা পৰা আৰু আত্মসমৰ্পণ কৰাৰ ফলত সংগঠনৰ বহুতো ক্ষতি হ'ল। বিশেষকৈ সংগঠনৰ আন্তঃগাঁথনি, সমৰশক্তি, বিত্তীয় পৰিস্থিতি তথা সদস্য সকলৰ বিষয়ে বহুতো তথ্য চৰকাৰৰ হাতত পৰিল। মুখ্যমন্ত্ৰী বৰ চতুৰ ৰাজনীতিক আছিল। সেয়ে তেওঁ সংগঠনৰ পৰা আত্মসমৰ্পণ দিয়া সদস্য সকলক লৈ এটা ঘাটক বাহিনীৰ সৃষ্টি কৰিলে। এই পাকচক্ৰত সোমাই পৰাৰ পিছত চিন্ময়হঁতৰ একালৰ সতীৰ্থসকলেই সিহঁতৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈ পৰিল। লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ আৰু তিনিচুকীয়াৰ বহুকেইজন আগশাৰীৰ সহকৰ্মীয়ে আত্মসমৰ্পণ কৰাৰ ফলত কেইবাঠাইটো সংগঠনৰ নেতা তথা কৰ্মীৰ আশ্ৰয়স্থলবোৰত সেনা আৰু আৰক্ষীয়ে আতংকিতে আক্ৰমণ কৰাৰ সুবিধা পালে। চৰকাৰী আক্ৰমণৰ প্ৰথম ধুমুহাই সংগঠনৰ শীৰ্ষ মহলত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। গাঁৱৰ বহুতো সাধাৰণ মানুহে বহুতো কষ্ট খাব লগা হ'ল। বহু ঠাইত গাভৰু, বোৱাৰীৰ ওপৰত বলাৎকাৰ চলিল। এনে সময়ত থলুৱা সাধাৰণ মানুহখিনিৰ জাতি, ধৰ্ম, গোষ্ঠীৰ চিন-চাব নোহোৱা হ'ল। পৰিচয় মাথোঁ এটাই ইহঁতবোৰ বিচ্ছিন্নতাবাদী- ইহঁত দেশৰ শত্ৰু। গতিকে সংগঠনৰ ওপৰত অত্যাচাৰ চলাব পাৰি।

ঘটনা-দুৰ্ঘটনাবোৰ বাঢ়িবলৈ ধৰিলে। সংগঠনেও প্ৰথম ধামখুমীয়াটো চণ্ডালি লৈ আত্মসমৰ্পণকাৰী সকলক বাছি বাছি হত্যা কৰিবলৈ সিদ্ধান্ত ল'লে। শীৰ্ষ নেতৃত্বৰ সিদ্ধান্ত অনুসৰি এটা পোন্ধৰজনীয়া দলক ইছলামবাদলৈ পঠোৱাৰ ব্যৱস্থা কৰা হ'ল। দলটোৰ উপ অধিনায়ক হিচাপে নিযুক্তি দিয়া হ'ল চিন্ময় বৰুৱাক আৰু দলৰ নেতৃত্ব দিয়া হ'ল গোৱালপাৰাৰ নীলাম্বৰ ৰাভাক। তেওঁলোক ডাউকীৰ পথেৰে বাংলাদেশত উপস্থিত হ'লগৈ আৰু লগে লগে পাকিস্তানৰ বাংলাদেশস্থিত উচ্চায়ুক্তৰ এজন কৰ্মচাৰীয়ে আহি লগ ধৰিলে। তেওঁলোকৰ সহযোগত সংগঠনৰ দলটো পাকিস্তান উচ্চাযুক্তৰ কাৰ্য্যালয়ত উপস্থিত হ'লগৈ। সেই সময়তে চিন্ময়ৰ মনটো উৰা মাৰিছিল তেওঁৰ মাতৃৰ কাষলৈ। মাকে কোৱা অসমৰ বাৰেৰহণীয়া সাংস্কৃতিক জগতখনৰ কথা। ইমানবোৰ জাতি আৰু প্ৰজাতিৰ মনৰ কথা। চিন্ময়েও মাকৰ কথাবোৰ জুখিয়াই চাইছিল। পাৰিব জানো ইমানবোৰ মানুহৰ মনৰ কথা বুজিব, পাৰিব জানো সকলোকে স্বাধীনতা দিব?

ইছলামাবাদত থকা পাকিস্থানী গুপ্তচৰ সন্থাৰ শিবিৰতে চিন্ময়হঁতে এসপ্তাহ কটালে। সেই কেইদিনত পাকিস্থানী সামৰিক বাহিনীৰ কেইবাগৰাকী উচ্চপদস্থ বিষয়াই অসম আৰু পূৰ্বোত্তৰৰ জাতি-জনজাতি, ধৰ্ম আৰু ৰীতি-নীতি, আৰ্থ-সামাজিক ব্যৱস্থা, শিক্ষা আৰু সংস্থানৰ সুবিধা আদি ব্যৱস্থাবিলাকৰ বিষয়ে আলোচনা কৰিলে। আমেৰিকাৰ অফিচাৰজনেও চিন্ময়হঁতৰ লগত সংগঠনৰ কথা পাতিলে। চিন্ময়হঁতে তেতিয়া ন ন অভিজ্ঞতাৰে বিশিষ্ট প্ৰশিক্ষণবিদ সকলৰ পৰা প্ৰশিক্ষণ লৈ আছিল। তেওঁলোকক প্ৰশিক্ষিত যোদ্ধা হিচাপে সীমান্তৰ পৰা ভাৰতলৈ কেনেদৰে ৰছদ পাতি পঠোৱা হয়, সেয়া দেখুৱাবলৈ লৈ গৈছিল। প্ৰায় ডেৰঘন্টামান খোজকাঢ়ি যোৱাৰ পিছত সীমান্তৰ ওচৰ পাওঁতেই বিপৰীত ফালৰ পৰা জাকে জাকে ৰঙা নীলা পোহৰ পেলাই গুলী আহিবলৈ ধৰিলে। লগে লগে দুয়োফালৰ পৰাই আক্ৰমণ আৰম্ভ হ'ল। ইয়াৰ ফলত চিন্ময় বৰুৱাৰ লগত অহা দুই সতীৰ্থই প্ৰাণ হেৰুৱাব লগীয়া হ'ল। এই ঘটনাৰ পোন্ধৰ দিন পিছত পি. আই. এৰ বিমানত উঠি তেওঁলোক ঢাকা বিমান বন্দৰত অৱতৰণ কৰিলে। তেওঁলোক আহি চিটাগং পাৰ্বত্য এলেকাত থকা সংগঠনৰ শিবিৰত উপস্থিত হ'ল। এই তেৰজনীয়া পাকিস্তানী প্ৰশিক্ষণপ্ৰাপ্ত গেৰিলাক সংগঠনৰ মুখ্য সেনাধিনায়কে লগ কৰি পাকিস্তান অভিজ্ঞতাৰ বিষয়ে আলোচনা কৰিলে। চিন্ময় বৰুৱাই মুখ্য সেনাধিনায়ক সুধিছিল যে পাকিস্তানৰ লগত কৰা যোগাযোগ আৰু তেওঁলোকে কৰা সহায়ৰ বিষয়ে অসমৰ খিলঞ্জীয়া জনসাধাৰণে কি ক'ব? কিন্তু মুখ্য সেনাধিনায়কে বুজাই ক'লে যে পাকিস্তানৰ লগত হাত মিলোৱাৰ পিছত সংগঠনৰ উদ্দেশ্যৰ বিষয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ জ্ঞাত হৈছে। ভৱিষ্যতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসম তথা পূৰ্বোত্তৰ ভাৰতৰ স্বাধীনতাৰ বিষয়টো আলোচনা হ'ব। এনেধৰণৰ বহুতো

যুক্তিপূৰ্ণ কথা পাতি সেনাধিনায়কে চিন্ময়ক দায়িত্ব দিলে যে এটা শিবিৰ সাজি উলিয়াব লাগে। ইয়াৰ বাবে চিন্ময়ে প্ৰশান্তক সহযোগী হিচাপে বিচাৰিলে। প্ৰায় এবছৰ চিটাগঙত থাকি কেম্প পৰিচালনাৰ সকলো দায়িত্ব চোৰা চিটা কৰি থাকিল চিন্ময়ে। কিন্তু ১৯৯৫ চনৰ জুন মাহত তেওঁলৈ নিৰ্দেশ আহিল যে, অসমলৈ ঘূৰি যাব লাগে। সংগঠনৰ নিৰ্দেশ অনুসৰি চিন্ময়, প্ৰশান্তহঁত অসমলৈ আহিল।

চিন্ময়হঁত অসমলৈ ঘূৰি আহি দেখিছিল যে অসমখন সেই আগৰ দৰে হৈ থকা নাই। সংগঠনৰ পৰা আত্মসমৰ্পণ কৰা সদস্যসকলে সংগঠন বিৰোধী দল গঠন কৰি সংগঠনৰ বিৰুদ্ধে অভিযান চলাই থাকিল। সেইদিনা চিন্ময়, প্ৰশান্ত, শিৱসাগৰৰ জয়ন্ত আৰু নলবাৰীৰ বিক্ৰম আছিলগৈ নগাঁও আৰু কাৰ্বি আলংঙৰ সীমাৰ বৈঠালাংচু নামৰ সৰু চহৰখনত। কিন্তু কিছুমান বিদ্ৰোহীয়ে সংগঠনৰ সদস্য তাত আছে বুলি গম পাই চিন্ময়হঁত থকা ঘৰটোত জুই লগাই দিছিল। চিন্ময়হঁত পলাইছিল যদিও প্ৰশান্ত পলাব লওঁতেই তাৰ গাত গুলি লাগি গ'ল আৰু তাৰ একালৰ সতীৰ্থ অৰ্থাৎ একেখন কাহীতে ভাত খোৱা সেই লৰাটোৰেই প্ৰশান্তক হত্যা কৰিলে। চিন্ময়ে প্ৰশান্তৰ মৰণকাতৰ চিঞৰ শুনিছিল যদিও আগবাঢ়ি গৈ বচাব নোৱাৰিলে। চিন্ময় আগবাঢ়ি গৈ থাকিল অকলশৰে।

১৯৯০ চনৰ নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য ধুমধামেৰে আৰম্ভ হ'ল। ফলাফল ঘোষণাৰ লগে লগে ঠায়ে ঠায়ে সংগঠনৰ সমৰ্থক কিছুমানে অনাৱশ্যক কামত হাত দিলে। ফলত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'ল। অসম চৰকাৰে আৰক্ষী তথা অৰ্ধ-সামৰিক বাহিনীকো সম্পূৰ্ণৰূপে সেনাৰ অধীনত কাম কৰিবৰ বাবে নিযুক্তি দিয়া হ'ল। ইয়াৰ ফলত সংগঠনৰ শীৰ্ষস্থানীয় সদস্য আৰু সমৰ্থক ধৰা পৰিল। সংগঠনৰ শীৰ্ষ নেতৃত্বই চিন্ময়ক মুখ্য কাৰ্যালয়ত উপস্থিত হ'বলৈ চমন জাৰী কৰিলে। কিন্তু ভূটানলৈ যোৱাটো চিন্ময়ৰ বাবে বৰ বিপদসংকুল হৈ পৰিল। চাৰিওফালে সেনা আৰু আৰক্ষীৰ পহৰা। কিয়নো অসম চৰকাৰে ভূটানৰ মাটিত থকা সংগঠন সমূহক বহিষ্কাৰ কৰাৰ অনুমতি দিছে। ভূটানেও ভাৰত চৰকাৰৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰে। গতিকে চিন্ময়ে কোনো পধ্যে ভূটানেদি যোৱাটো অসম্ভৱ হৈ পৰিল। অৱশেষত চিন্ময়ে প্ৰশিক্ষণ কেন্দ্ৰত থকা দেওধাঙৰ জংঘলৰ ৰাস্তাৰে দৰঙা মেলাত ওলালগৈ। ভূটীয়া বস্তিখন পাৰ হওঁতে চিন্ময়ৰ একালৰ পৰিচায়ক সোনমৰ মামীয়েকৰ ঘৰত থাকিলে। চিন্ময়ৰ মনৰ মাজত হাজাৰ চিন্তাৰ তৰংগৰ ঢৌ। তেওঁৰ বিক্ষিপ্ত মন দেখিছিল অস্পষ্টকৈ মাকৰ মুখখন, শাৰদীৰ মুখখন, প্ৰশান্তৰ মুখখন আৰু... আৰু এখন মানচিত্ৰ। সেইখন হ'ল চিন্ময়ৰ জন্মভূমি অসমৰ মানচিত্ৰ। নতুন পথৰ সন্ধানত চিন্ময় গৈ থাকিল। সংগঠনৰ বাবে মাতৃভূমি অসমৰ বাবে সকলো ত্যাগ কৰিলে তেওঁ। অৱশেষত চলন্ত ৰেলৰ কোনো এটা ডবাত উঠি গৈ থাকিল তেওঁ। চিন্ময় বৰুৱাৰ এই অনিশ্চিত যাত্ৰা কেতিয়াও শেষ নহ'ল।

এই কলিজাৰ আই উপন্যাসখনৰ মাজেদি দিলীপ বৰাই খাদ্য আন্দোলনৰ পৰা আৰম্ভ কৰি বৰ্তমান অসম তথা অসমীয়া জাতিটোক জোকাৰি থকা সংগ্ৰাম খনলৈকে বাস্তৱসন্মতভাৱে এখন ছবি দাঙি ধৰিছে।

# মেৰেং
## এক অদ্বিতীয় সত্ত্বা

হেনাশ্ৰী দত্ত

বিংশ শতিকাৰ অখণ্ড অসমৰ পটভূমিত ৰচিত অনুৰাধা শৰ্মা পূজাৰীৰ এখন অন্যতম নাৰীকেন্দ্ৰিক উপন্যাস হৈছে 'মেৰেং'। বৰ্তমান অৰুণাচলৰ নেফাত বিভিন্ন জনগোষ্ঠীৰ মাজলৈ শিক্ষাৰ পোহৰ কঢ়িওৱাৰ যি এক দুৰ্গম যাত্ৰা, তাৰেই আভাস মেৰেং। উদিত সুৰুযৰ কিৰণৰ দৰে দীপ্তমান শ্ৰীৰ অধিকাৰিণী ইন্দিৰা মিৰিৰ জীৱন যাত্ৰাৰ এক সবল উপস্থাপন মেৰেং। এগৰাকী নাৰী কিমান শক্তিশালী আৰু অদমনীয় হ'লে নিজৰ মৃত্যু সংশয় ত্যাগ কৰি অত্যন্ত পিছপৰা জনজাতীয় লোকৰ বাবে শিক্ষাৰ সুবাস কঢ়িয়াবলৈ চেষ্টা কৰিব, তাৰ আভাস উপন্যাসখনত পোৱা যায়।


প্ৰাক্‌স্বাধীন অসমৰ সামাজিক ভাৱে পিছপৰা জাতিৰ মেৰেঙে কলিকতাৰ স্কটিছ মহাবিদ্যালয়ত গণিত বিষয়লৈ কলা শাখাত স্নাতক ডিগ্ৰী লোৱাৰ উপৰিও শিক্ষা বিভাগত উচ্চ শিক্ষা ল'বৰ বাবে তেওঁ সাত সাগৰ তেৰ নদী পাৰ হৈ উপস্থিত হৈছিলগৈ স্কটলেণ্ডৰ এডিন বৰা বিশ্ববিদ্যালয়ত। শিৱসাগৰ জিলাত ইন্দিৰা মিৰি ওৰফে মেৰেঙৰ জন্ম হয়। শিক্ষাৰ প্ৰতি অতি সচেতন মেৰেঙৰ পিতৃ সোনাধৰ সেনাপতিয়ে সেয়েহে মেৰেঙক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিব বিচাৰিছিল। অসমীয়া মাধ্যমৰ বিদ্যালয় নথকাৰ বাবে প্ৰথমে মেৰেং বাঙালী মাধ্যমৰ বিদ্যালয়ত পঢ়িছিল। যদিও কলিকতাৰ পৰা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ স্কটিছ কলেজত স্নাতক মহলাত নামভৰ্তি কৰিছিল তথাপিও তেওঁ অসমীয়া ভাষাৰ প্ৰতি প্ৰেমৰ নিদৰ্শন দাঙি ধৰি তেওঁ অসমীয়া ভাষাটোক বিষয় হিচাপে নিৰ্বাচন কৰে। স্নাতক ডিগ্ৰী লাভ কৰি মেৰেং অসমলৈ ঘূৰি আহি গুৱাহাটীত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলে যদিও তেওঁ মহীচন্দ্ৰ মিৰি নামে এজন মিচিং সম্প্ৰদায়ৰ যুৱকৰ লগত বিবাহ পাশত আৱদ্ধ হয়। মহীচন্দ্ৰ মিৰি আছিল এজন বন বিষয়া। মহীচন্দ্ৰ মিৰিৰ লগত বিয়াত বহাৰ পিছত মেৰেং ওৰফে ইন্দিৰা সেনাপতিয়ে হৈ পৰে ইন্দিৰা মিৰি। দুটি সন্তানৰে সৈতে সুখেৰেই চলিছিল ইন্দিৰা আৰু মহীচন্দ্ৰ মিৰিৰ সংসাৰ। কিন্তু নিয়তিৰ পৰিকল্পনা আছিল বেলেগ আৰু তাৰ পৰিপ্ৰেক্ষিততে পটপৰিৱৰ্তন হৈছিল ইন্দিৰা মিৰিৰ জীৱন। ক'লা জ্বৰত আক্ৰান্ত হৈ দুদিনতে মহীচন্দ্ৰ মিৰিয়ে সন্তান সম্ভৱা ইন্দিৰা মিৰিক এৰি মৃত্যুৰ কোলাত টোপনি যায়।

> যি সময়ত গাঁৱৰ সমাজত এগৰাকী নাৰী ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ আছিল, তেনে সময়তে ইন্দিৰা মিৰিয়ে স্কটলেণ্ডত উচ্চ শিক্ষা গ্ৰহণ কৰি অসমীয়া নাৰীৰ সাহসৰ নিদৰ্শন ধৰে।

ইয়াৰ পিছতেই বিভিন্ন কষ্টৰ মাজেৰে তিনিটা সন্তানৰ ভৱিষ্যতৰ বাবে তেওঁ অসাধ্য সাধন কৰে আৰু তেওঁৰ অপাৰ মনোবলৰ ভিত্তিতে তিনিটা সন্তানৰ মাতৃ বিধৱা অলংকাৰে আভুষিত ইন্দিৰা মিৰিয়ে নিজৰ সন্তানক ভনীয়েকৰ হাতত গটায় উচ্চ শিক্ষাৰ বাবে স্কটলেণ্ডৰ এডিন বৰা মহাবিদ্যালয়লৈ যায়। তাৰ পৰা ঘূৰি অহাৰ পিছত ইন্দিৰা মিৰিয়ে এগৰাকী শিক্ষা বিষয়া হিচাপে কৰ্মত যোগদান কৰে আৰু দুৰ্গম নেফাত তেওঁ মুখ্য কাৰ্যালয় স্থাপন কৰে। নেফাৰ পিছপৰা বিভিন্ন জনগোষ্ঠীক শিক্ষাৰ পোহৰ বিলাবলৈ তেওঁ এদল শিক্ষক উদ্বুদ্ধ কৰি তোলে। সেইসময়ত নেফাৰ কিছু কিছু ঠাইত এনেকুৱা জনগোষ্ঠীও আছিল, য'ত মানুহৰ মূৰ কটাটো এটা পৰম্পৰা বুলি ভৰা হৈছিল। অচিনাকী মানুহ দেখিলেই দাৰে আক্ৰমণ কৰিব বিচাৰে, তেনে ঠাইও তেওঁৰ শিক্ষাৰ আঁচনিৰ পৰা বাদ পৰি যোৱা নাছিল। নিজে তেনে ঠাইত উপস্থিত হৈ স্কুল স্থাপন কৰিছিল। যাতায়তৰ সু-ব্যৱস্থা নথকা অঞ্চল, হাতী কিম্বা ঘোঁৰাত উঠি দুৰ্গম অঞ্চলৰ গাঁওবোৰলৈ যাত্ৰা কৰিছিল। হাবিতলীয়া ৰাস্তাৰে যাত্ৰা কৰোঁতে জোকে পোকে কামুৰি তেওঁৰ অৱস্থা কাহিল কৰে যদিও তেওঁ কোনো দিন কৰ্মৰ প্ৰতি অৱহেলা কৰা নাছিল। দহবছৰ দিন তেওঁ পাহাৰে পাহাৰে শিক্ষাৰ পোহৰ বিলায় যদিও শিক্ষাখণ্ডৰ পৰিৱৰ্তন আৰু ৰাজনৈতিক অৰাজকতাৰ বাবে তেওঁ নিজে শিক্ষা বিষয়া পদৰ পৰা ইস্তাফা দিয়ে।

মেৰেং মূলত ঃ নাৰী শিক্ষাক উদ্বুদ্ধ কৰিব পৰা এখন উপন্যাস হোৱাৰ লগতে এগৰাকী নাৰীৰ শক্তিৰ উমান পোৱা যায়। কিমান সাহসৰ অধিকাৰিণী হ'লে বিংশ শতিকাতে দুৰ্গম যাতায়ত নথকা ঠাইত হাবিয়ে বননিয়ে শিক্ষাৰ পোহৰ বিলাবলৈ অহোপুৰুষাৰ্থ কৰিব পাৰে। ইয়াৰ লগতে অনুৰাধা শৰ্মা পূজাৰীয়ে সেই সময়ৰ অসমৰ এক জীৱন্ত প্ৰতিচ্ছবিহে যেন পাঠকৰ সন্মুখত দাঙি ধৰিছে। নেফাৰ বাটপথৰ লগতে তাৰ জনজাতিৰ খাদ্যাভাসৰ পৰা আদি কৰি জীৱন নিৰ্বাহৰ প্ৰতিচছবি স্পষ্টকৈ উপন্যাসখনত ফুটি উঠিছে। ইয়াৰ লগে লগে উপন্যাসখনৰ জৰিয়তে প্ৰকাশ পাইছে যে শিক্ষা এটা জাতিৰ বাবে অবিচ্ছেদ্য অংগ। কিন্তু কিছুমান স্বাৰ্থান্বেষী লোকে কেনেকৈ মানুহৰ ভৱিষ্যত বা এখন ঠাইৰ ভৱিষ্যতকলৈ হেতালি খেলিব পাৰে, তাৰো প্ৰকাশ ঘটিছে মেৰেংৰ জৰিয়তে। ১৯৫০ চনৰ বৰভুঁইকপত অসমৰ পৰিস্থিতিৰ উমান পোৱা যায় মেৰেংত।

যি সময়ত গাঁৱৰ সমাজত এগৰাকী নাৰী ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ আছিল, তেনে সময়তে ইন্দিৰা মিৰিয়ে স্কটলেণ্ডত উচ্চ শিক্ষা গ্ৰহণ কৰি অসমীয়া নাৰীৰ সাহসৰ নিদৰ্শন ধৰে। নেফাৰ দৰে অঞ্চলত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি জ্ঞান বিলাবলৈ কৰা অদম্য যাত্ৰাই মেৰেঙক অৰ্থাৎ ইন্দিৰা মিৰিক সাধাৰণতকৈ অনন্য ৰূপত পাঠকৰ আগত ধৰা দিয়ে।






# ড° মামণি ৰয়ছম গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'




দ্বীপশিখা দাস

ড° মামণি ৰছয়ম গোস্বামীৰ প্ৰখ্যাত উপন্যাস সমূহৰ ভিতৰত 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' অন্যতম। উপন্যাসখন ৰচিত হৈছে ১৯৮৪ চনত। দিল্লীৰ ৰাজনৈতিক পটভূমিত সংঘটিত গণহত্যাৰ ওপৰত ভিত্তি কৰি নৰহত্যাৰ কাৰুণ্য ভৰা বিননি উপন্যাসখনৰ ভাৱবস্তু।

এই উপন্যাসখনত হত্যা আৰু ধ্বংসলীলাৰ কথা বৰ্ণিত হৈছে যদিও ইয়াত শিখ আৰু হিন্দুৰ মাজত একতাৰ ডোলেৰে বান্ধ খোৱা এক প্ৰেমৰ কথাও বৰ্ণিত হৈছে। উপন্যাসখনৰ মূল চৰিত্ৰ হ'ল সন্তোখ সিং আচনবী। উপন্যাসখনৰ আৰম্ভণিতে দিল্লীৰ ভয়াবহ দিনৰ কথা কোৱা হৈছে। সন্তোখ সিং নামৰ অট'ৰিক্সা চালকজনৰ সহায়ত লেখিকাই দিল্লীৰ জীৱনৰ এক বিশেষ ছবি আহৰণ কৰিবলৈ সক্ষম হয়। সমগ্ৰ উপন্যাসখনতে খণ্ড বিখণ্ড কেতবোৰ কৰুণ ছবি অংকিত হৈছে। উপন্যাসখনৰ কেতবোৰ বৰ্ণনাই গাৰ নোম শিয়ঁৰাই তোলে।

উপন্যাসখনত সন্তোখ সিঙৰ উপৰি অন্যান্য চৰিত্ৰ সমূহেও বিশেষ বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃততে ঔপন্যাসিকে পৰিৱেশ আৰু পৰিস্থিতিৰ বৰ্ণনাতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। দিল্লীৰ মহানগৰীৰ অলিয়ে গলিয়ে বিভিন্ন ঘটনা সংঘটিত হয়। সৰ্বসাধাৰণ মানুহৰ জীৱন প্ৰবাহৰ এক বাস্তৱ ছবি ঔপন্যাসিকাই সুন্দৰভাৱে ফুটাই তুলিছে। হত্যা কাণ্ডৰ অমানৱীয় বিশ্ব লুণ্ঠনৰ বিভীষিকাময় ৰূপ, তেজেৰে ক্ষত বিক্ষত মৃতদেহ আদিৰ বৰ্ণনাত ঔপন্যাসিকাই বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিয়ে। উপন্যাসখনত ব্ৰিগেডিয়াৰ নাগিয়াল নামৰ আন এটি বিশেষ চৰিত্ৰও ইয়াত উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ ভাষা সাধাৰণতে বৰ্ণনাত্মক উপন্যাসৰ দৰে নহয়। মাজে মাজে কবিতা, মাজে মাজে শ্বায়েৰী আৰু মাজে মাজে হিন্দীৰ ভাষাৰ কথোপকথন পোৱা গৈছে। বিক্ষিপ্ত ঘটনাৰ বৰ্ণনা থাকিলেও উপন্যাসখনৰ মূল বক্তব্য এটাই, সেইয়া হ'ল হিংসা, সন্ত্ৰাস আৰু লুণ্ঠনৰ বিপৰীতে শান্তি আৰু প্ৰেমৰ বাণী কঢ়িয়াই অনা। উল্লেখযোগ্য কথা যে, উপন্যাসখনৰ ধূলিৰে ধূসৰিত পৃষ্ঠাৰ বৰ্ণনাত লেখিকাৰ বিভিন্ন সময়ত বিভিন্ন চৰিত্ৰবোৰৰ লগত এক নিবিড় সম্পৰ্ক স্থাপিত হৈছে। জীৱনত বিভিন্ন সময়ত মানুহে বিভিন্ন লোকৰ সান্নিধ্য লাভ কৰে আৰু সম্পৰ্ক স্থাপিত হয়। কেতিয়াবা দুখ, কেতিয়াবা সুখ, কেতিয়াবা দেশ বা পৰিস্থিতিৰ বাতৰি বিভিন্ন জনৰ পৰা পোৱা যায়। এই উপন্যাসখনত কেৱল দিল্লী বা পঞ্জাৱ আদি ঠাইৰ বৰ্ণনাই উপন্যাসখনৰ প্ৰধান উপজীব্য বিষয় যেন লাগিলেও আন এক বাৰ্তাও ই বহন কৰিছে। সি হ'ল হৃদয়ৰ সংবাদ। মানুহ যিমানেই হিংস্ৰ নহওক কিয়, যিমানেই দুৰ্গন্ধময় জীৱনৰ কলুষতাই মানুহক স্পৰ্শ নকৰক কিয়, কেৱল প্ৰেম আৰু শান্তিয়েহে জীৱন সংস্থাপন কৰিব পাৰে। বহু অভিজ্ঞতা সমৃদ্ধ জীৱনৰ বৰ্ণনাই উপন্যাসখনক বৈচিত্ৰময় আৰু আকৰ্ষণীয় কৰি তুলিছে।

# মাধৱদেৱৰ নামঘোষাত প্ৰতিফলিত আত্মলঘিমা ঃ এটি অধ্যয়ন

অৰুণজ্যোতি নাথ

**১.০ প্ৰস্তাৱনা ঃ**

১৪৮৯ খ্ৰীষ্টাব্দত উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ হৰিশিঙা বৰাৰ ঘৰত মাধৱদেৱৰ জন্ম হয়। তেওঁৰ পিতৃ গোবিন্দগিৰি আৰু মাতৃ মনোৰমা। ১৫২২ খ্ৰীষ্টাব্দত মাজুলিৰ ধুৱাহাট বেলগুৰিত শংকৰ মাধৱৰ মিলন হয়। এই মিলনক মণি কাঞ্চন সংযোগ বোলা হয়। ১৫৬৮ খ্ৰীষ্টাব্দত শংকৰদেৱৰ তিৰোধানৰ পিছত মাধৱদেৱে সুন্দৰীদিয়াত থাকি গুৰুজনাৰ ধৰ্মৰ গুৰুভাৰ বহন কৰে। মাধৱদেৱে সুন্দৰীদিয়াত স্থায়ী সত্ৰ স্থাপন কৰে আৰু নাৰায়ণ ঠাকুৰ আদিৰ সহযোগত বৰপেটাত সত্ৰ স্থাপন কৰে। ইয়াৰ পিছত কোঁচৰজা ৰঘুদেৱৰ ৰোষত পৰাত হাজোত থাকিবলগীয়া হয়। কিন্তু তাতো বেছিদিন নাথাকি শেষত কোচবিহাৰলৈ পলাই যায়। কোঁচৰজা লক্ষীনাৰায়ণে সপৰিয়ালে মাধৱদেৱত শৰণ লয় আৰু ৰজাৰ অনুগ্ৰহতে ভেলা মধুপুৰত সত্ৰ পাতি আছিল। গুৰুজনাৰ যোগ্য উত্তৰাধিকাৰী হিচাপে গুৰুজনাই অৰ্পণ কৰি যোৱা সমস্ত দায়িত্ব পালন কৰি ১৫৯৬ খ্ৰীষ্টাব্দত মাধৱদেৱৰ তিৰোধান হয়।

> নামঘোষাত মাধৱদেৱৰ ভক্ত কাতৰ আকুলতা প্ৰকাশ পাইছে। তেওঁ নিজকে মুৰখমতি, দীন-হীন অনাথ বুলি উল্লেখ কৰিছে। কৃষ্ণভক্তি ৰসেৰে প্লাৱিত, গুৰুৰ প্ৰতি শ্ৰদ্ধাৰে সিক্ত, ৰামকৃষ্ণ নামেৰে মুখৰিত সমগ্ৰ নামঘোষা গ্ৰন্থখন।

**২.০ মাধৱদেৱৰ সাহিত্যিক অৱদান ঃ**

অসমৰ বৈষ্ণৱ সাহিত্যৰ অৱদানৰ ক্ষেত্ৰত শংকৰদেৱৰ পিছতেই মাধৱদেৱৰ নাম ল'ব পাৰি। শংকৰদেৱৰ দৰেই মাধৱদেৱ আছিল বহুমুখী প্ৰতিভাৰ আকৰ। তেওঁ একেধাৰে আছিল ধৰ্ম প্ৰচাৰক, শাস্ত্ৰজ্ঞ, কবি, গায়ক, নাট্যকাৰ আৰু অভিনেতা। আলোচনাৰ সুবিধাৰ বাবে বিষয়বস্তু

অনুসৰি মাধৱদেৱৰ সাহিত্যৰাজিক এনেদৰে ভাগ কৰিব পাৰি-

**অনুবাদমূলক ঃ** আদিকাণ্ড ৰামায়ণ, নাম মালিকা আৰু ভক্তি ৰত্নাৱলী

**কাব্য ঃ** শুক্লধ্বজ ৰজাৰ পৃষ্ঠপোষকতাত 'ৰাজসূয়' কাব্য ৰচনা কৰে।

**নাটক/ঝুমুৰা ঃ** অৰ্জুন ভঞ্জন বা দধিমথন (পূৰ্ণাংগ নাট), চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বিহাৰ, ভূমি লেটোৱা। উল্লিখিত নাটকেইখনৰ বাহিৰেও মাধৱদেৱৰ ভণিতা থকা ব্ৰহ্মামোহন, ৰাস ঝুমুৰা, ভূষণ হৰণ আৰু কোটোৱা খেলা মাধৱদেৱৰ ৰচনা বুলি সমালোচক সকলে স্বীকৃতি দিয়া নাই।

**গীত ঃ** বৰগীত আৰু ভটিমা । চৰিতপুথি মতে, শংকৰদেৱৰ গীতবোৰ বনপোৰা জুয়ে পোৰাত তেৰাৰ আদেশ ক্ৰমে মাধৱদেৱে ন-কুৰি এঘাৰটা গীত ৰচনা কৰে। মাধৱদেৱৰ বৰগীতত দাস্য আৰু বাৎসল্যভাৱেই প্ৰাধান্য লাভ কৰিছে।

**তত্ত্বমূলক ৰচনা ঃ** তত্ত্বমূলক ৰচনাৰ ভিতৰত মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ নামঘোষা, জন্মৰহস্য, ভক্তি ৰত্নাৱলী আৰু নাম মালিকা।

**৪.০ নামঘোষাৰ সামগ্ৰিক বৰ্ণনা ঃ**

মাধৱদেৱৰ সাহিত্যিক আৰু আধ্যাত্মিক জীৱনৰ সৰ্বোচ্চ ৰচনা নামঘোষা। নামঘোষাক মাধৱদেৱৰ মৌলিক গ্ৰন্থ বুলিব নোৱাৰি। ইয়াৰ চাৰিশ মান ঘোষাহে নিজৰ। বাকী ছশমান ঘোষাৰ মূল শ্লোক সংগ্ৰহ কৰিছে প্ৰধানকৈ ভাগৱতৰ পৰা আৰু আন কিছুমান ভগৱদ গীতা, বৃহন্নাৰদীয় পুৰাণ, বামন পুৰাণ, মৎস পুৰাণ, ব্ৰহ্ম পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, বিষ্ণু পুৰাণ আদিৰ পৰা। ইয়াৰ উপৰি ভক্তি ৰত্নাকৰ, বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তি ৰত্নাৱলী আৰু শংকৰাচাৰ্যৰ মোহ মুদ্গৰৰ একোটি শ্লোকৰ কথা একোটি ঘোষাত সন্নিবিষ্ট কৰা হৈছে। গুৰু শংকৰৰ আদেশত মাধৱদেৱে তেওঁৰ শেষ বয়সত গুৰুৰপৰা লাভ কৰা শিক্ষা, জ্ঞান, বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি লাভ কৰা জ্ঞান আৰু নিজৰ সমস্ত জ্ঞান আৰু আদৰ্শৰ সু-সমন্বয়ৰ ভেঁটিত নামঘোষা ৰচনা কৰিছিল। তেওঁৰ শাস্ত্ৰজ্ঞান বা পাণ্ডিত্য, কবিত্ব, ধাৰ্মিক মতবাদ, আধ্যাত্মিক আদৰ্শ আৰু ধৰ্মৰ ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাৰ ই পূৰ্ণ বিকাশ। মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পৰিপূৰ্ণৰূপ নামঘোষাত প্ৰতিফলিত হৈছে। কথা গুৰু চৰিতত থকা মতে, মাধৱদেৱে আতা পুৰুষক কৈছিল- 'মই গুৰু সেৱা কৰি যি পালোঁ, তাকো ঘোষাতে থৈছোঁ আৰু পৰমাত্মা ইষ্টে হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছোঁ। এতেকে পদাৰ্থে, ভাবাৰ্থে, তত্ত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৰা সৈতে, সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণ দেখিব।'

'নামঘোষা'ৰ মূল বিষয় হ'ল ৰসময়ী ভক্তি। নামঘোষাৰ পদে পদে ঘোষিত হৈছে অব্যভিচাৰী, শুদ্ধ ভক্তিৰ মাহাত্ম্য। নামঘোষাৰ অন্যতম বিশেষত্ব হ'ল ইয়াৰ সাৰ্বজনীন আবেদন। বিশ্বজনীনতাৰ সুৰ প্ৰতিধ্বনিত হৈছে নামঘোষাৰ মাজেদি। এক উদাৰ সাৰ্বভৌম মানৱতাবাদী ভক্তি ৰসাত্মক সাহিত্য হৈছে 'নামঘোষা'। জাতি, বৰ্ণ, ধৰ্ম, দল-মত নিৰ্বিশেষে সকলোৱে সমভাগে ৰস বহন কৰিবপৰা ভক্তি কাব্য 'নামঘোষা'।

**৫.০ নামঘোষাত প্ৰতিফলিত আত্মলঘিমা ঃ**

'নামঘোষা'ত সন্নিৱিষ্ট ঘোষাৰ মাজেৰে বিবৃত হৈছে কৃষ্ণ নামৰ মাহাত্ম্য, অৱতাৰবাদ, ঈশ্বৰ তত্ত্ব, ভক্তিৰ শ্ৰেষ্ঠতা, শ্ৰৱণ-কীৰ্তন ভক্তিৰ প্ৰাধান্য, দাস্যভাৱ, সৎসংগৰ মহিমা, সৎগুৰুৰ প্ৰয়োজনীয়তা, নাম আৰু নামীৰ অভেদতত্ত্ব, এক দেৱ এক সেৱ, ব্যভিচাৰী ভক্তিৰ নিন্দা আৰু মাধৱদেৱৰ কাতৰ প্ৰাৰ্থনা ফুটি উঠিছে।

ওপৰত উল্লেখ কৰা কথা আৰু বিষয়বস্তু অনুসাৰে নামঘোষাক মূলতঃ তিনিটা খণ্ডত ভাগ কৰিব পাৰি। ইয়াৰ প্ৰথম খণ্ডত প্ৰতিষ্ঠা কৰা হৈছে নামধৰ্মৰ বৈশিষ্ট্যপূৰ্ণ মতবাদ। দ্বিতীয় খণ্ডৰ শৰণ ছন্দত কবিৰ ঐকান্তিক আৰু আত্মবিলোপন হোৱাৰ ভক্তিভাৱৰ ৰসময়ী প্ৰকাশ আৰু তৃতীয় খণ্ডত কৃষ্ণ নাৰায়ণৰ নামগুণ আৰু মাহাত্ম্য প্ৰকাশ পাইছে। উল্লেখ্য যে, মাধৱদেৱে নামঘোষাত সন্নিবিষ্ট কৰা ঘোষা বা পদ সমূহক বিভিন্ন নামেৰে বিভিন্ন শিতানত ভাগ কৰিছে যদিও একে নামৰ একাধিক খণ্ড বা শিতান আছে আৰু একে কথা একাধিক খণ্ডত আছে।

নামঘোষা আৰম্ভ হৈছে এটি ভজনেৰে। এই ঘোষাটো বিষ্ণুপুৰী সন্ন্যাসীৰ 'ভক্তি ৰত্নাৱলী'ৰ কান্তিমালা মংগলচৰণ টীকাৰ শ্লোকৰ অনুবাদ। ভজনটোত উল্লেখ কৰিছে-

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতৰ নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি। (১)

নামঘোষাৰ এই ভজনতে সেইজন যদুপতি ভগৱন্তৰ বন্দনা কৰা হৈছে, যিজন নিজ ভকতৰ দৃশ্য। নামঘোষাৰ প্ৰাৰ্থনা খণ্ডত ৬০ নং ঘোষাৰপৰা ৭৪ নং পদকেইটাৰ মাজেৰে মাধৱদেৱৰ আত্মলঘিমা ফুটি উঠিছে। নামঘোষাৰ ৬০ নং ঘোষাৰ মাজেৰে উল্লেখ কৰিছে-

"হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত থিতিক লভয়।
তোমাৰ কৃপাত তেৱে
সমস্তে সাধন-শ্ৰমএৰাই সুখী হুইবোহো নিশ্চয়।" (৬০)

মাধৱ পুৰুষে উল্লেখ কৰিছে যে ভগৱন্ত গুৰু তোমাৰ অভয় চৰণ পদ্মত যেতিয়া চঞ্চল মনটোৱে স্থিতি লাভ কৰিব, তেতিয়াহে তোমাৰ কৃপাত তোমাক উপলব্ধি কৰাৰ বাবে কায় মন বাক্যে এক কৰি যি সাধন ভজনৰ শ্ৰম কৰিছিলোঁ, সেইটো উপশম হৈ নিশ্চয় পৰমানন্দ সুখ পাম।

উল্লিখিত ঘোষা কেইফাঁকিৰ জৰিয়তে মাধৱদেৱৰ আত্মলঘিমা স্পষ্টৰূপত ফুটি উঠিছে। মাধৱদেৱে নিজকে মহাপাপী আৰু অনাথ বুলি কৈছে। কবিয়ে দয়ালু ভগৱানক কাতৰ প্ৰাৰ্থনা জনাইছে যাতে তেওঁৰ মনৰপৰা মায়া আঁতৰাই দিয়ে আৰু দয়া কৰি হৰিৰ চৰণত আশ্ৰয় দি ৰাখে—

"অপৰাধ বিনাশন তযু নাম নাৰায়ণ,
জানি নামে পশিলো শৰণে,
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।" (৭১)

অনুগ্ৰহ প্ৰাৰ্থনা (অনুনাথনা) ৰ অন্তৰ্গত ঘোষা কেইফাঁকিৰ জৰিয়তে মাধৱদেৱে এনেদৰে উল্লেখ কৰিছে-

'এতেকে জানিয়া হৰি তোমাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময়।' (৭৪)

'আত্ম নিন্দা'ৰ ঘোষা কেইফাঁকিৰ জৰিয়তে মাধৱদেৱে ক'বলৈ বিচাৰিছে যে তেওঁ শান্ত শুদ্ধ সচ্চিদানন্দ ভগৱানৰ পৰম অমৃতময় চৰণ চিন্তাত নিমগ্ন হৈ পৰম আনন্দ লাভ কৰাৰ পৰিৱৰ্তে নিজৰ বুদ্ধিহীনতা বা অজ্ঞানতাৰ বাবে অসাৰ সংসাৰৰ বিষয় বাসনাত মত্ত হৈ নানান দুখ-বেদনাৰে ভাৰাক্ৰান্ত হৈ পৰিছে আৰু সেইবাবে নিজকে দোষ দিছে-

"শান্ত চিদানন্দ শুদ্ধ অনন্ত মহিমান্বিত
নিৰ্ম্মল তৰংগচয়হীন
হেনয় পৰমানন্দ অমৃত সাগৰে মজি
আচান্ত নকৰে বুদ্ধি ক্ষীণ।" (৯৮)

"হে হৰি সাৰশূন্য মৃগতৃষ্ণাৰ্ণৱ জলে
শ্ৰান্ত হুয়া মহা মোহ পাঞো।
স্নান পান আচমন কৰোহো ৰমণ তাতে
কতোহো উপঙ্গো তল যাঞো।" (৯৯)

ইয়াৰ পিছত প্ৰাৰ্থনাৰ ঘোষা কেইফাঁকিৰ জৰিয়তে কবি মাধৱদেৱৰ আত্মলঘিমা আৰু দাস্যভাৱ প্ৰকাশ কৰিছে। প্ৰাৰ্থনাটো আৰম্ভ কৰিছে-

"তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰি মায়া
কৰা দয়া মোক ভগৱন্ত।" (১৯২)

তেওঁ ভগৱানক দৈন্য, কাৰুণ্য বিগলিত কাতৰ প্ৰাৰ্থনা জনাইছে তেওঁৰ অভয় চৰণত আশ্ৰয় দিবলৈ। ভগৱান হৰিৰ বিভিন্ন গুণ কীৰ্তন কৰি কৈছে ভগৱান পৰম দয়ালু, তেওঁ পতিত পাৱন, পাপহাৰী। আনফালে কবি মুৰুখমতি, দীন, হীন, অনাথ। কবিয়ে নাজানি দিনে ৰাতিয়ে অসংখ্য পাপ, অপৰাধ কৰি আছে, সেইকাৰণে তেওঁক ভগৱানে তেওঁৰ দাস বুলি ভাবি সকলো দোষৰ বাবে ক্ষমা কৰিব লাগে-

"দান্তে তৃণ তুলি লঞো যিমতে সেৱাত ৰঞো
দিয়া মোক সেহি উপদেশ।" (১৩০)

"কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ।" (১৩১)

"দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন।" (১৩৫)

"মোৰ সম পাপী লোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী
ই জানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পাৱে কৰোহো গোহাৰি ।।" (১৩৬)

"এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।" (১৩৯)

'প্ৰাৰ্থনা'ৰ অন্তৰ্গতি আটাই কেইফাঁকি ঘোষাৰ মাজেৰে মাধৱদেৱৰ আত্মলঘিমা ফুটি উঠিছে।

নামঘোষাৰ শৰণ খণ্ড এক গুৰুত্বপূৰ্ণ অধ্যায়। ভগৱান হৰিৰ চৰণত শৰণ বা আশ্ৰয় বিচৰাতো যেন তেওঁৰ প্ৰধান অভিলাষ আছিল। চিৰকুমাৰ মাধৱদেৱে ক'তো কোনোক্ষেত্ৰতে ভগৱানৰ ওচৰত কোনো বস্তু অথবা অন্য কোনো ফলৰ কামনা কৰা নাই। তেওঁ মাথোঁ ভগৱানৰ চৰণত আশ্ৰয় বিচাৰিছে সকলো দুখ- যন্ত্ৰণাৰপৰা আঁতৰি থাকিবলৈ। মাধৱদেৱে নিজকে দুৰাচাৰী বুলি কৈ সকলো সময়তে কৰা অপৰাধৰ বাবে দয়াশীল ভগৱানে ক্ষমা কৰি তেওঁক শৰণ দিব লাগে বুলি কাতৰ প্ৰাৰ্থনা জনাইছে। শৰণ খণ্ডত উল্লেখ থকা ১৮৩ নং ঘোষাৰপৰা ১৮৭

নং ঘোষা ফাঁকিলৈকে ভক্ত কবিৰ আত্মলঘিমা ফুটি উঠিছে। আলোচনাৰ সুবিধাৰ বাবে কেইফাঁকিমান ঘোষা উল্লেখ কৰা হ'ল-

'ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।' (১৮৩)
"হে কৃষ্ণ স্বামী তযু পাৰে আমি
কেৱলে শৰণ চাঞো।' (১৮৪)
"হে যদুপতি মঞি মূঢ়মতি
নাজানো সেৱা তোমাৰ।
কেৱল তোমাৰ চৰণ পংকজে
শৰণ কৰিলো সাৰ।" (১৮৫)
"তযু পাদ পদ্ম মকৰন্দ আশে
শৰণ পশিলো আমি।" (১৮৫)

'নামঘোষা'ত উল্লেখ থকা প্ৰাৰ্থনাৰ অন্তৰ্গত ৩০৩ নং ঘোষাৰপৰা ৩২৬ নং ঘোষালৈকে এই ঘোষা কেইফাঁকিৰ জৰিয়তে মাধৱদেৱৰ আত্মলঘিমা ফুটি উঠিছে। কবিয়ে যাতে ভগৱান বাসুদেৱ কৃষ্ণক সদায় ভজনা বা সেৱা কৰি থাকিব পাৰে, গুণ-কীৰ্তন কৰিব পাৰে, তেনেধৰণৰ অনুগ্ৰহ প্ৰভুৱে কৰিব লাগে। সংসাৰ চক্ৰত পৰি কবিয়ে যাতে পুনৰ নিকাৰ ভুঞ্জিব নালাগে, তাৰ বাবে কবিক এৰি দিব নালাগে বুলি ভগৱানক কাতৰ প্ৰাৰ্থনা জনাইছে-

'দীন দয়াশীল দেৱ দামোদৰ
দীনক নেড়িবা মোক।
হেন কৃপা কৰা তযু পদে মোৰ
সহজ ৰতি মিলোক।' (৩২২)

**উপসংহাৰ ঃ**

এনেদৰে আলোচনা কৰিলে দেখা যায়, নামঘোষাত মাধৱদেৱৰ ভক্ত কাতৰ আকুলতা প্ৰকাশ পাইছে। তেওঁ নিজকে মুখৰমতি, দীন-হীন অনাথ বুলি উল্লেখ কৰিছে। কৃষ্ণভক্তি ৰসেৰে প্লাৱিত, গুৰুৰ প্ৰতি শ্ৰদ্ধাৰে সিক্ত, ৰামকৃষ্ণ নামেৰে মুখৰিত সমগ্ৰ নামঘোষা গ্ৰন্থখন। নামঘোষাৰ পাতে পাতে ব্যাপি আছে একেশ্বৰবাদ। 'মুক্তিতো নিস্পৃহ ভকতক' নমস্কাৰেৰে, ৰসময়ী ভকতিৰ প্ৰাৰ্থনাৰে, দেৱ যদুপতিৰ ভজনাৰে আৰম্ভ হোৱা "নামঘোষাৰ সমাপ্তি ঘটিছে অমৃতময় নাম ৰসত অৱগাহনেৰে, অনিৰ্বচনীয় পৰমানন্দৰ মূৰ্চ্ছনাৰে। ড° বাণীকান্ত কাকতিয়ে কৈছে-নামঘোষা পুথি পঢ়িলে ছন্দৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য, ভাৱৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি মনঃ চক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তি কাতৰ কৰুণ মূৰ্তিত।" আমি দেখোঁ, মাধৱদেৱৰ ধীৰ,সৌম্য, সহিযুঃ, প্ৰশান্ত, একান্ত, গুৰুভক্ত কৃষ্ণনাম ৰত তথাপি হৃদয়ৰ উদ্বেল ভক্তিভাৱত সদায় উদ্বাউল, সীমাবানৰ সীমা লংঘন কৰি পৰম আনন্দ সাগৰে মজি থাকিবলৈ ব্যাকুল।

**সহায়ক গ্ৰন্থ ঃ**


১। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
২। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
৩। হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যৰ দৃষ্টিপাত
৪। কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱৰ সাহিত্য, কলা আৰু প্ৰদৰ্শন
৫। কুসুম চন্দ্ৰ শৰ্মা ঃ বৈষ্ণৱ ভক্তিবাদ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা
৬। ভূপেন্দ্ৰ নাথ ওজা ঃ নামঘোষা বাক্যামৃত
৭। বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য

# আধ্যাত্মিক শিক্ষাৰ প্ৰাসংগিকতা

দেৱাশিষ তামুলী



বৰ্তমান সময়ত সবাতোকৈ চৰ্চিত আৰু বিতৰ্কিত বিষয়টোৱেই হৈছে যুৱ উশৃংখলতা। এখন সভ্য সমাজৰ কাৰণে এই যুৱ উশৃংখল কাৰণটো ভাবুকি স্বৰূপ হৈ পৰিছে। ফলত উশৃংখল যুৱক বা যুৱতীৰ বাবে সাধাৰণ জীৱন-যাপন প্ৰক্ৰিয়াত প্ৰতিজন সচেতন ব্যক্তিয়েই শংকা, উদ্বিগ্নতা আৰু ভীতিগ্ৰস্ততাত ভুগিব লগা হৈছে। আজিৰ প্ৰজন্মৰ বৰ্দ্ধিত উশৃংখলতাই সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সামগ্ৰিকভাৱে গোটেই পৰিৱেশটোকে প্ৰদূষিত কৰি তুলিছে।


সামগ্ৰিক দৃষ্টি ভংগীৰে যদি গোটেই দিশটোৰ ওপৰত পৰ্যবেক্ষণ কৰা হয়, তেতিয়া এটা কথাই অনুমান কৰিব পাৰি যে যুৱ উশৃংখলতাৰ এটা অন্যতম কাৰণ হ'ল আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ অভাৱ। নৈতিক শিক্ষা আৰু আধ্যাত্মিক শিক্ষাৰ অভাৱে আজিৰ প্ৰজন্মক বস্তুবাদী ভাৱধাৰৰ প্ৰতি অধিক আকৰ্ষিত কৰি তুলিছে। পৰিৱৰ্তন সমাজৰ সকলো ক্ষেত্ৰতে হয়। সেই বুলি সমাজৰ প্ৰচলিত পৰম্পৰাক একেবাৰে উলাই কৰিব নোৱাৰি। অভিভাৱক সকলে শিশু অৱস্থাৰ পৰাই নৈতিকতা, আধ্যাত্মিকতাৰ প্ৰতি শিশুটিক আকৰ্ষিত কৰি তুলিব লাগে। বৰ্তমান সময়ত যুৱক বা যুৱতী সকল পশ্চিমীয়া সভ্যতা, সংস্কৃতি, আচাৰ ব্যৱহাৰ আদিৰ প্ৰতি বেছি আকৰ্ষিত হৈ উঠিছে।

বিশ্ব বিখ্যাত বিজ্ঞানী ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ এ.পি. জে আব্দুল কালামৰ মতে "আধ্যাত্মিক জ্ঞানেই আমাৰ মূল শক্তি। বিপৰীত শক্তিৰ বিভিন্ন ষড়যন্ত্ৰ আৰু ঔপনিবেশিকতা বাবে সংহাৰী প্ৰভাৱৰ পিছতো আমি জাতি হিচাপে জীয়াই আছো কেৱল আধ্যাত্মিক শিক্ষাৰ জৰিয়তে।

গতিকে বৰ্তমান আমাৰ ব্যৱস্থাটোত আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ্থী বা যুৱক-যুৱতী সকলৰ মনত আধ্যাত্মিক আৰু নৈতিকতাৰ ভাৱ জগাই তুলিব পাৰিনেকি, তাৰ বাবে লক্ষ্য কৰিব লাগে। এখন সমাজ সুস্থিৰভাৱে আগবাঢ়ি যাবলৈ সু-শিক্ষাৰ প্ৰয়োজন আৰু সমাজত এই দুইটা দিশে সমাজকো সুস্থভাৱে গঢ় দি তোলে। বৰ্তমান শিক্ষাৰ পাঠ্যক্ৰমত এই দিশ দুটাৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন হৈ পৰিছে। নহ'লে বৰ্তমান যুৱ সমাজ প্ৰতিযোগিতামুখী হৈ পৰিছে। নৈতিকতা, মানৱীয় প্ৰমূল্যবোধ আদি গুণসমূহৰো বহু দূৰত ৰৈ গৈছে। ধ্বংসৰ কাষেৰেও কেতিয়াবা সৃষ্টিয়ে বাট গৰকে। একৈশ শতিকাৰ যুৱ প্ৰজন্মক বিয়োগাত্মক দিশৰ পৰা যোগাত্মক দিশলৈ আনিবলৈ হ'লে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত এই দুয়োটা দিশৰ অতি প্ৰয়োজন হৈ পৰিছে। অভিভাৱক সকলেও নিজৰ শিশুটিক নৈতিক আৰু আধ্যাত্মিক চিন্তাৰে উদ্বুদ্ধ হ'বলৈ শিকোৱা উচিত।

স্বামী বিবেকানন্দৰ মতে, "নতুন প্ৰজন্মই আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হৈ নিজৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল আৰু আন ধৰ্মকো সন্মান কৰিবলৈ শিকিব লাগিব। যি জাতিৰ যুৱ শক্তিৰ মন, শৰীৰ দৃঢ়, শক্তিশালী আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত, সেই জাতিয়ে শিৰ উন্নত কৰি জীয়াই থাকিব পাৰে।

বৰ্তমান যুৱ প্ৰজন্মই মহান মনিষী সকলৰ মহান বাণীবোৰ অধ্যয়ন কৰিব লাগে আৰু স্বামী বিবেকানন্দ, সৰ্বপল্লী ৰাধাকৃষ্ণণ, ড° এ.পি.জে আব্দুল কালাম আদি ব্যক্তি সকলে দি যোৱা উপদেশবোৰ উপলব্ধি কৰিব লাগে। তেতিয়াহে আজিৰ নব প্ৰজন্মক যুৱ উশৃংখলতাৰ পাক চক্ৰৰ পৰা উদ্ধাৰ কৰিব পৰা যাব।



# স্বামী বিবেকানন্দ ঃ দৃষ্টিৰ পৰা উত্তৰাধিকাৰীলৈ

তৃষ্ণামনি বৰা

**পৰিচয় ঃ**

১৮৬৩ চনৰ ১২ জানুৱাৰীত ভাৰতৰ কলিকতাত নৰেন্দ্ৰনাথ দত্ত হিচাপে জন্ম গ্ৰহণ কৰা স্বামী বিবেকানন্দ এজন দাৰ্শনিক, আধ্যাত্মিক নেতা আৰু পশ্চিমীয়া বিশ্বলৈ বেদান্ত আৰু যোগৰ ভাৰতীয় দৰ্শনৰ পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ ব্যক্তি আছিল। তেওঁৰ জীৱন আৰু শিক্ষাই ভাৰত আৰু বিশ্বব্যাপী আধ্যাত্মিক দৃশ্যপটত এক গভীৰ চাপ পেলাইছিল। এই প্ৰৱন্ধটোত স্বামী বিবেকানন্দৰ প্ৰাৰম্ভিক বছৰৰ পৰা তেওঁৰ স্থায়ী উত্তৰাধিকাৰলৈকে জীৱন আৰু অৱদানৰ অন্বেষণ কৰা হৈছে।

**প্ৰাৰম্ভিক জীৱন আৰু আধ্যাত্মিক অনুসন্ধান ঃ**

বিবেকানন্দৰ জন্ম হৈছিল এটা বঙালী পৰিয়ালত, য'ত আধ্যাত্মিক আৰু সাংস্কৃতিক পৰম্পৰা গভীৰভাৱে নিহিত আছিল। তেওঁৰ লালন-পালনে তেওঁক হিন্দু দৰ্শন আৰু সাহিত্যৰ সমৃদ্ধিৰ সন্মুখীন কৰিছিল, যিয়ে আধ্যাত্মিক জগতৰ বিষয়ে তেওঁৰ কৌতূহল কঢ়িয়াই আনিছিল। সৰুৰে পৰা তেওঁ এক অনুসন্ধিৎসু মন আৰু জ্ঞানৰ বাবে এক অপৰিহাৰ্য তৃষ্ণা প্ৰদৰ্শন কৰিছিল, যাৰ ফলত তেওঁ 'নৰেন' উপাধি লাভ কৰিছিল।

এজন প্ৰাপ্তবয়স্ক হিচাপে নৰেন আধ্যাত্মিক ব্যাকুলতাৰ সৈতে তেওঁৰ বৌদ্ধিক কাম-কাজৰ লগতে মিলা-মিছা কৰাৰ দ্বিধাৰ সন্মুখীন হৈছিল। তেওঁ শ্ৰীৰামকৃষ্ণ পৰমহংসৰ শিষ্য হৈছিল, ৰামকৃষ্ণৰ নিৰ্দেশনাত নৰেনে এক আধ্যাত্মিক পৰিৱৰ্তন ৰক্ষা কৰে আৰু ত্যাগ আৰু মানৱতাৰ সেৱাৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে।

**বিশ্বৰ ধৰ্ম সংসদঃ**

বিবেকানন্দৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ মূহূৰ্ত ১৮৯৩ চনত সংঘটিত হৈছিল, যেতিয়া

তেওঁ চিকাগোত বিশ্বৰ ধৰ্ম সংসদত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। তেওঁৰ বিখ্যাত আৰম্ভণি বাক্য 'আমেৰিকাৰ ভগ্নী আৰু ভাতৃসকল' য়ে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁ হিন্দু ধৰ্মৰ নীতিসমূহ সুস্পষ্টভাৱে বৰ্ণনা কৰে, সাৰ্বজনীন সুহিষ্ণুতা আৰু ধৰ্মৰ সম্প্ৰীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিবেকানন্দৰ ভাষণ পশ্চিমীয়া বিশ্বৰ বাবে এক উন্মোচন আছিল, যি আধ্যাত্মিকতা আৰু নৈতিকতাৰ ওপৰত এক নতুন দৃষ্টিভংগী আগবঢ়াইছিল।

**বেদান্ত আৰু যোগৰ প্ৰচাৰ ঃ**

চিকাগোত তেওঁৰ বিজয়ৰ পিছত বিবেকানন্দই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপ জুৰি কেইবাটাও বক্তৃতা আৰু ভ্ৰমণ আৰম্ভ কৰে। তেওঁ বেদান্তৰ শিক্ষাৰ প্ৰচাৰ কৰিছিল, যিয়ে সকলো ধৰ্মৰ একতা আৰু প্ৰতিজন ব্যক্তিৰ মাজত দৈৱত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ যোগক আধ্যাত্মিক উপলব্ধি আৰু ব্যক্তিগত বিকাশৰ এক ব্যৱহাৰিক পথ হিচাপে পৰিচয় দিছিল। বিবেকানন্দৰ বাৰ্তাটো বহুতৰ সৈতে প্ৰতিধ্বনিত হৈছিল আৰু তেওঁ ১৮৯৪ চনত নিউয়ৰ্ক চহৰত বেদান্ত ছ'চাইটি প্ৰতিষ্ঠা কৰিছিল, যি এই প্ৰাচীন ভাৰতীয় দৰ্শনবোৰৰ অধ্যয়ন আৰু অনুশীলনৰ কেন্দ্ৰ হৈ পৰিছিল।

**উত্তৰাধিকাৰী আৰু সামাজিক সংস্কাৰ ঃ**

বিবেকানন্দৰ প্ৰভাৱ আধ্যাত্মিকতাৰ পৰিসৰৰ বাহিৰত বিস্তাৰিত হৈছিল। তেওঁ স্বীকাৰ কৰিছিল যে আধ্যাত্মিক বিকাশ সামাজিক সংস্কাৰৰ সৈতে একেলগে চলিব লাগে। তেওঁ দলিত লোক সকলৰ উন্নতি, লিংগ সমতা আৰু সকলোৰে শিক্ষাৰ বাবে ওকালতি কৰিছিল। তেওঁৰ শিক্ষাই ভাৰতত বহুতো সামাজিক আৰু শৈক্ষিক পদক্ষেপক অনুপ্ৰাণিত কৰিছিল, যাৰ ভিতৰত আছে ৰামকৃষ্ণ মিছন, যি মিছনে দৰিদ্ৰ লোকসকলক স্বাস্থ্যসেৱা, শিক্ষা আৰু সকাহ প্ৰদান কৰি সমাজৰ সেৱা অব্যাহত ৰাখিছে।

বিবেকান্দৰ দৰ্শনে আত্ম-উপলব্ধি, প্ৰতিজন ব্যক্তিৰ মাহাত্ম্যৰ সম্ভাৱনা আৰু নিস্বাৰ্থ সেৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ শিক্ষাই অগণন ব্যক্তিৰ অৰ্থপূৰ্ণ জীৱন আৰু তেওঁলোকৰ প্ৰকৃত জীৱনৰ গভীৰ বুজাবুজিৰ অন্বেষণত পথ প্ৰদৰ্শন কৰি আহিছে।

**সামৰণিঃ**

শেষত স্বামী বিবেকান্দৰ জীৱন আৰু শিক্ষাই সমগ্ৰ বিশ্বৰ লোকসকলক অনুপ্ৰাণিত কৰি আছে। এজন যুৱসন্ধানীৰ পৰা বিশ্বব্যাপী আধ্যাত্মিক ৰাষ্ট্ৰদূতলৈ তেওঁৰ যাত্ৰা দৃঢ়তা আৰু বিশ্বাসৰ শক্তিৰ প্ৰমাণ। বিবেকানন্দৰ উত্তৰাধিকাৰীয়ে সময় আৰু সীমা অতিক্ৰম কৰে, যি আমাক আধ্যাত্মিকতা, সহিষ্ণুতা আৰু মানৱতাৰ সেৱাৰ সাৰ্বজনীন সত্যৰ কথা সোঁৱৰাই দিয়ে। তেওঁৰ বাৰ্তাটো ঊনবিংশ শতিকাৰ শেষৰ ফালৰ দৰেই আজিও প্ৰাসংগিক হৈ আছে, যিয়ে আভ্যন্তৰীণ জাগৰণ আৰু অধিক সু-সংগতভাৱে পৃথিৱীক পথ প্ৰদৰ্শন কৰিছে। স্বামী বিবেকানন্দৰ জীৱন আৰু অৱদানে পোহৰ হিচাপে কাম কৰে, যিয়ে বিশ্বত আমাৰ স্থানৰ বিষয়ে উচ্চ বুজাবুজিৰ দিশত পথ প্ৰদৰ্শন কৰে।



# মিছাইল মেন ড° এ.পি.জে আব্দুল কালাম

প্ৰণীতা বৰা

এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী ‘মিছাইল’ মানৱ হিচাপে খ্যাত ড° কালামৰ জন্ম হয় ১৯৩১ চনৰ ১৫ অক্টোবৰৰ দিনা ভাৰতৰ দক্ষিণত অৱস্থিত তামিলনাডুৰ ৰামেশ্বৰম নামৰ এটা সৰু দ্বীপ নগৰীত। ড° কালামে ৰামেশ্বৰম প্ৰাথমিক বিদ্যালয়ত তেওঁৰ শিক্ষা জীৱনৰ পাতনি মেলিছিল। ৰামনাথপুৰম শ্বাৰ্টজ হাইস্কুলত স্কুলীয়া শিক্ষা সাং কৰি ১৯৫০ চনত তেওঁ ইন্টাৰমিডিয়েট পঢ়িবলৈ তিৰুচ্চিৰাপল্লীৰ ছেইন্ট জোছেফ কলেজত নাম লগায়। তাৰ পৰা বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ইঞ্জিনীয়াৰিং পঢ়িবলৈ তেওঁ মাদ্ৰাজ ইনষ্টিটিউট অব্ টেকন'ল'জিত নাম লগায়। এম. আই. টিত দ্বিতীয় বৰ্ষত তেওঁ এৰ'নটিকেল ইঞ্জিনীয়াৰিঙক প্ৰধান বিষয় হিচাপে বাছি লয়। এম. আই. টি পঢ়ি থাকোঁতেই বহুকেইজন পণ্ডিতক লগ পাইছিল। এম. আই. টিৰ পৰা বাংগালোৰত অৱস্থিত হিন্দুস্তান এৰ'নেটিকচ লিমিটেড (এইচ. এ. এল) ত প্ৰশিক্ষণ লাভ কৰি ১৯৫৮ চনত এৰ'নটিকেল ইঞ্জিনীয়াৰ হৈ ওলাই আহে আৰু সেই একেটা বছৰতে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনস্থ কাৰিকৰী বিকাশ আৰু উৎপাদন সঞ্চালনত জ্যেষ্ঠ বৈজ্ঞানিক সহকাৰীৰ পদত নিযুক্তি লাভ কৰে। এইখিনি

সময়তে তেওঁ শব্দতকৈও দ্ৰুতগতি সম্পন্ন লক্ষ্য ভেদী বিমান এখনৰ আৰ্হি প্ৰস্তুত কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়।

১৯৮২ চনত মিছাইল উন্নয়ন প্ৰকল্পত কাম কৰি তেওঁ ইন্টিগ্ৰেটেড গাইডেড মিছাইল ডেভেলপমেন্ট আঁচনিৰ অধীনত 'অগ্নি' আৰু 'পৃথি' মিছাইল উৎক্ষেপণ কৰে। ড° কালামৰ তত্ত্বাৱধানতে ১৯৯৮ চনত ভাৰতে এলানি পাৰমাণৱিক বোমাৰ পৰীক্ষামূলক বিস্ফোৰণ ঘটায়।

১৯৯৯ চনৰ নবেম্বৰৰ পৰা ২০০১ চনৰ নবেম্বৰ মাহলৈ তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মুখ্য বৈজ্ঞানিক পৰামৰ্শদাতা হিচাপে কাম কৰে। এইজনা মহামানৱক ১৯৯৭ চনত মাতৃভূমিৰ নিৰাপত্তা দিশত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' সন্মানেৰে সন্মানিত কৰা হয়। ভাৰত মাতৃৰ এইজনা সুযোগ্য সন্তানে ২০০২ চনৰ ২৫ জুলাই তাৰিখে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈ পাঁচটা বছৰ ৰাষ্ট্ৰৰ মুৰব্বী ৰূপে মাতৃভূমিলৈ সেৱা আগবঢ়ায়।

ড° কালাম আছিল উচ্চ গুণসম্পন্ন এক ব্যক্তিত্বৰ গৰাকী। আমাৰ দেশৰ ইতিহাসৰ আটাইতকৈ বেয়া দিনবোৰতো তেওঁ নিজকে সংযত কৰি নিজ লক্ষ্যৰ প্ৰতি আগুৱাই গৈছিল, যাৰ ফলস্বৰূপে আমি লাভ কৰিলোঁ এক উজ্বল নক্ষত্ৰ। ড° কালাম কেৱল এজন ৰাজনীতিবিদে নহয়, তেওঁ একেধাৰে বৈজ্ঞানিক, কবি আৰু সংগীতজ্ঞৰ লগতে এজন সাহিত্যৰ সাধকো আছিল। তেওঁ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবে তেওঁ দেশৰ নৱ-প্ৰজন্মক লৈ সপোন দেখিছিল। কাৰণ আজি শিক্ষিত প্ৰজন্মই কাইলৈ সমাজৰ অংশ হৈ দেশ তথা জাতিক উন্নত কৰি তোলাত অৰিহণা যোগাব পাৰে। তেওঁৰ এই সপোন বাস্তৱায়িত কৰি তোলাই আমাৰ তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব। ড° আব্দুল কালাম আৰু তেখেতৰ মহান সৃষ্টি অনন্ত কাললৈ সকলোৰে বাবে প্ৰেৰণাৰ সুঁতি হৈ ৰ'ব।

**"If you want to shine like a sun, first burn like a sun."**

**-A.P.J. Abdul Kalam**



# অৰণ্য মানৱ যাদৱ পায়েং

সুনিতা দলে

অৰণ্য মানৱ যাদৱ পায়েঙৰ জন্ম হৈছিল ১৯৬৩ চনত যোৰহাট জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মাজৰ বৰঘোগ নামৰ এটা চাপৰিত। পিতৃ লক্ষীৰাম পায়েং আৰু মাতৃ আফলি পায়েং, তেওঁলোকৰ দহোটা ল'ৰা-ছোৱালীৰ মাজৰে এজন আছিল যাদৱ পায়েং। যোৰহাট জিলাৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ ককিলামুখত এসময়ত প্ৰাকৃতিক পৰিৱেশৰে ভৰপূৰ এখন বৃহৎ গাঁও আছিল। গাঁওখনৰ প্ৰতিঘৰতে ধান, মাহ, মাছ, গাখীৰ উভৈনদী। বিভিন্ন সংস্কৃতিৰে মেটমৰা গাঁওখনৰ পুৱা-গধূলি শুনা যায় নিজা নিজা ধৰ্মৰ পৰম্পৰাৰে ভক্তিৰ প্ৰাৰ্থনা। ইয়াৰ মাজতে নৈপৰীয়া মিচিংসকলৰ ঐনিঃতমে ৰজন জনাই আছিল। এনেদৰে ঐতিহাসিক গাঁওখন ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত ক্ৰমান্বয়ে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱা এই গাঁওখনৰ ভিতৰত যাদৱ পায়েঙৰ পৰিয়ালটোও আছিল।

ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত উচন হৈ যোৱা গাঁওখনৰ পৰিয়ালবোৰ অন্য ঠাইলৈ উঠি গ'ল। যাদৱ পায়েঙৰ পৰিয়ালটোৱেও মাজুলীৰ কাৰ্কি গাঁৱত বসবাস কৰিবলৈ ল'লে। লক্ষীৰাম পায়েঙে পৰিয়ালৰ সকলোকে বুকুত বান্ধি কাৰ্কি গাঁৱলৈ গ'ল যদিও যাদৱ পায়েং ককিলামুখ অঞ্চলৰ পৰা যাবলৈ মান্তি নহ'ল। এই ১১-১২ বছৰীয়া শিশুটো সেই সময়ত কিয় মাক-দেউতাকৰ লগত নগ'ল, সিও ৰহস্যৰ বিষয় হৈ থাকিল। শিশুটো বালিগাঁৱৰ অনিল বৰঠাকুৰ নামৰ এজন ব্যক্তিৰ ঘৰত থাকি ওচৰৰ ছয় সাত ঘৰ মানুহৰ ল'ৰা-ছোৱালীৰ সৈতে খেল-ধেমালি কৰি দশম মানতে পঢ়া সামৰি জীৱন নিৰ্বাহৰ বাবে কিবা এটা কাম কৰাৰ কথা চিন্তা কৰিলে। কাম বিচাৰি বালিগাঁৱৰ পৰা এদিন ওলাই গৈ ৰেলত উঠি দিল্লী, কলিকতা আদি স্থান পালেগৈ। কিন্তু গ্ৰাম্যাঞ্চলত থাকি নগৰীয়া যান-যঁট ভাল নাপাই নিজৰ জন্মস্থানলৈ ঘূৰি আহি দিন হাজিৰা কৰিবলৈ ধৰিলে। সকলো মানুহে যে জন্ম স্থান ভাল পায়, সেইটো পায়েঙৰ জীৱনতো প্ৰতিফলিত হৈছে। এসময়ত দিন হাজিৰা কৰা যাদৱে এজনী গাই গৰু কিনি স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিলে। হয়তো তাৰ ফলতেই এদিন যাদৱ পায়েং সমাজৰ এজন স্বাৱলম্বী ব্যক্তিৰূপে পৰিগণিত হ'ব পাৰিছিল।

ব্ৰহ্মপুত্ৰৰ সোঁতৰ গতি প্ৰায়ে সলনি হয়। কেতিয়াবা গাওঁ নদী হয়, কেতিয়াবা নদীও গাঁও হয়। ঠিক তেনেকৈ ব্ৰহ্মপুত্ৰৰ গতি সলনি হৈ সময়ত মূল সুঁতিটো সলনি হ'ল। মূল সুঁতিৰ স্থানত হ'ল এটা এৰা সুঁতি। মাজতে এটা বৃহৎ আকাৰৰ চাপৰি। ব্ৰহ্মপুত্ৰৰ মাজত বৃহৎ আকাৰৰ চাপৰিটোৰ প্ৰতিটো বাৰিষাৰ মাটিকালি বৃদ্ধি হ'বলৈ ধৰিলে। জনশূন্য চাপৰিটোত মানুহ থাকিবলৈও নাই। সময়ৰ আহ্বানে যাদৱক ভাবিবলৈ বাধ্য কৰিলে। ঘনাই মনত পৰি থকা গাঁওখন পুনৰ গঢ়াৰ বাবে যেন যাদৱে সুযোগ পালে। গাইজনীকে সাৰথি কৰি যাদৱে ১৯৭৯

চনত চাপৰিটোৰ মাজলৈ গৈ তাতে এটা জুপুৰি সাজি বৃহৎ মাটিকালিৰ চাপৰিটোৰ গৰাকী হ'ল। লাহে লাহে যাদৱে গাঁও অঞ্চলৰ পৰা বাঁহ, গছ আৰু অতি সহজে হোৱা গছপুলি আনি চাপৰিটোত ৰুবলৈ ধৰিলে। বাঁহগছৰ পৰা ওলোৱা গাজটোৱেই যেন তেওঁৰ বৰ্তমানৰ অৰণ্যখনৰ শুভ প্ৰতীক আছিল। প্ৰতিটো বাৰিষাৰ প্ৰথম ভাগতে গাঁৱৰ পৰা সংগ্ৰহ কৰি অতি সহজে হোৱা শিমলু, আজাৰ আদি গছ ৰুবলৈ আৰম্ভ কৰিলে। কেতিয়াবা নদীৰ সোঁতত উটি অহা গছৰ গুটিসমূহো ধৰি নিৰ্দিষ্ট স্থানত চাব মাৰি পুতি থৈছিল। বছৰ বাগৰাৰ লগে লগে মুলাই পায়েঙৰ সৰু এডৰা বাৰী হৈ পৰিল আৰু গৰুৰ সংখ্যাও বাঢ়িল। গৰুৰ লগতে তেওঁ ম'হো পুঁহিবলৈ ধৰিলে। গৰু ম'হৰ গাখীৰ বিক্ৰী কৰি উৰ্পাজন কৰা পায়েঙে গোবৰবোৰ নি গছৰ গুৰিত সুন্দৰকৈ চপাই দি বাৰীখন আটক ধুনীয়া কৰি তুলিলে। সাধাৰণতে গৰু ম'হৰ গোবৰত অতি সহজে গছ-গছনি গজি উঠাৰ লগে লগে ঠাই টুকুৰা সাৰুৱা হৈ পৰে। বালিময় স্থানত গছ-গছনিবোৰ লাহে লাহে ডাঙৰ হৈ এসময়ত সেইবোৰ বিভিন্ন বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকতিৰ আশ্ৰয়স্থল হৈ পৰিল।

এটা বৃহৎ আকাৰৰ বালিময় চাপৰি ক্ৰমান্বয়ে সেউজীয়া হৈ উঠিল। সেই চাপৰিটোৰ নাম পুৰণা গাঁওখনৰ নামতে ঔৰামুখ চাপৰি হিচাপেই থাকিল। ঔৰামুখ চাপৰি আৰু ইয়াৰে ঔৰামুখ চাপৰিৰ মাটিকালি প্ৰায় পাঁচশ হেক্টৰ। প্ৰকৃতিৰ ৰূপ-লাৱণ্যই শোভাবৰ্ধন কৰা হাবিডৰাত অকলশৰে পায়েঙে পোহনীয়া জীৱ জন্তুবোৰক প্ৰতিপাল কৰি আহিছিল।শৈশৱৰ দুখ-যন্ত্ৰণা পাহৰি জীৱনটো এক নতুন ৰূপ দিবলৈ চিন্তা কৰিলে। ১৯৯৬ চনত বিনীতা পায়েঙৰ লগত বিবাহ পাশত আৱদ্ধ হয়। এনেদৰে প্ৰতিটো বছৰ তেওঁৰ বাবে এক উল্লেখযোগ্য হৈ পৰিছিল। পায়েঙৰ পৰিয়াল বাঢ়ি অহাৰ লগে লগে বালিময় চাপৰিও গেজেপনি মৰা হাবিলৈ পৰিৱৰ্তন হ'ল। পায়েং এগৰাকী কন্যা আৰু দুটা পুত্ৰ সন্তানৰ লগতে পত্নী বিনীতাৰ লগত সেই হাবিতে এটি চাংঘৰ সাজি বাস কৰিছিল। সন্তানৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতৰ চাংঘৰৰ পৰা পাঁচ কিলোমিটাৰ দূৰত্বৰ এখন প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়াৰ ব্যৱস্থাও কৰে। এনেদৰে হাবিৰ মাজতে পৰিয়ালটি জীৱ-জন্তুৰ লগত সহবাস কৰি আহিছিল। মাজে মাজে কাজিৰঙাৰ পৰা বাঘ, হাতী আৰু গঁড় আহি যাদৱ পায়েঙৰ হাবিত থাকিবলৈ ল'লে। মৃত্যুলৈ ভয় নকৰি সন্তান কেইটিৰ লগত বিনীতাই বহুৰাতি উজাগৰেই কটাইছিল। যাদৱৰ পোহনীয়া গৰু, ম'হ, গাহৰি সেই বাঘে সঘনাই লৈ গৈছিল। তথাপিও তেওঁলোক হাবিৰ মাজতে জীৱন নিৰ্বাহ কৰি আছিল।

২০১২ চনৰ ২২ এপ্ৰিলৰ দিনা ধৰিত্ৰী দিসৰৰ লগত সংগতি ৰাখি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগে যাদৱ পায়েঙক সন্মান জনাবলৈ এখন জনসভাৰ আয়োজন কৰে। সেইদিনা তেখেত প্ৰতীকী ৰূপত পাঁচজোপা বৃক্ষৰোপণ কৰে। মেগচেচে বঁটা বিজয়ী, জলমানৱৰূপে খ্যাত ৰাজেন্দ্ৰ সিং আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সুধীৰ কুমাৰ সোপোৰিয়ে অংশ লোৱা এটা প্ৰশ্নোত্তৰ অনুষ্ঠানত পায়েঙে তেখেতৰ অভিজ্ঞতাৰ বৰ্ণনা কৰে। এই অনুষ্ঠানতে উপাচাৰ্য সোপোৰিয়ে তেখেতক ভাৰতৰ 'অৰণ্য মানৱ' আখ্যা দিয়ে। তেওঁক ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰত চৰকাৰৰ তৰফৰ পৰা পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়।

"....এই বিল আৰু সৰোবৰ
বিশাল ঘাঁহনি আৰু নীলা পাহাৰ
তোমাৰ দেহৰ অলংকাৰ
মই খুজি ল'লো বহুবাৰ
তোমাৰ সেউজীয়া..."

- সমীৰ তাঁতী

# Short Biography of Elon Musk

**Partha Protim Bhuyan**





Elon Musk, born on June 28, 1971, in Pretoria, South Africa, is a visionary entrepreneur and inventor known for his groundbreaking work in the fields of technology and space exploration. Musk's life is a story of relentless ambition, innovation, and a commitment to pushing the boundaries of human achievement. Musk's journey began with a passion for computer programming at a young age. He moved to the United States in the early 1990s to attend the University of Pennsylvania, where he earned two bachelor's degrees in economics and physics. Subsequently, he pursued a Ph.D. at Stanford University but left the program after just two days to embark on his entrepreneurial endeavors. In 1995, Musk co-founded Zip2, a software company that provided online business directories and maps for newspapers. The company was eventually sold to Compaq for nearly $300 million, providing Musk with his first taste of success. He

then co-founded X.com, an online payment company, which later became PayPal after a merger. In 2002, eBay acquired PayPal for $1.5 billion and it solidified Musk's reputation as a tech entrepreneur.

However, Musk's true passion lies in revolutionizing space exploration and sustainable energy. In 2002, he founded SpaceX (Space Exploration Technologies Corp.), with the audacious goal of reducing the cost of space travel and ultimately enabling human colonization of other planets. SpaceX achieved numerous milestones, including the first privately funded spacecraft to reach orbit and the development of the Falcon and Dragon spacecraft.

Musk's other groundbreaking venture, Tesla, was founded in 2004 with a mission to accelerate the world's transition to sustainable energy. Tesla has since become a leader in electric vehicle manufacturing, producing popular models like the Model S, Model 3, Model X, and Model Y. Furthermore, Musk founded SolarCity, a solar energy services company, which aimed to make solar power accessible to the masses. Solar City was eventually merged with Tesla to create an integrated sustainable energy company.

Musk's ambitious projects extend beyond space and clean energy. He proposed the Hyperloop concept, a high-speed transportation system, and launched Neuralink, a neurotechnology company aimed at merging the human brain with artificial intelligence. He also ventured into tunnel construction with The Boring Company, aimed at alleviating urban congestion. Despite facing numerous challenges and setbacks along the way, Elon Musk's determination and innovative spirit have propelled him to the forefront of technology and space exploration. His impact on the world extends far beyond business, as he continues to inspire future generations with his vision for a more sustainable and interplanetary future.

Musk's life and career have been marked by his unyielding drive and willingness to take on audacious challenges. He's known for setting ambitious goals and pushing the boundaries of what's possible. Some of his notable accomplishments and projects include:

**1. SpaceX:** Under Musk's leadership, SpaceX has achieved several historic milestones, including the first privately-funded spacecraft to reach orbit, the first privately funded spacecraft to dock with the International Space Station (ISS), and the development of the reusable Falcon 9 rocket. Musk's ultimate goal with SpaceX is to establish a human presence on Mars, making humanity a multi-planetary species.

**2. Tesla:** Tesla's electric vehicles have redefined the automotive industry. Musk's vision for sustainable transportation led to the production of high-performance electric cars that have captivated the market. The company's focus on renewable energy extends to solar panels and energy storage solutions.

**3. SolarCity and Sustainable Energy:** Musk's acquisition of SolarCity and its integration into Tesla has created a one-stop shop for sustainable energy solutions. The Tesla Powerwall and Powerpack allow homes and businesses to store energy from renewable sources, reducing reliance on fossil fuels.

**4. Hyperloop:** Musk proposed the Hyperloop concept, a high-speed transportation system that uses vacuum tubes to transport passengers and cargo at incredible speeds. Although he hasn't spearheaded its development directly, his idea has inspired others to explore this revolutionary mode of transportation.

**5. Neuralink:** Musk's foray into neurotechnology with Neuralink aims to bridge the gap between the human brain and artificial intelligence. The company is developing implantable brain-machine interfaces to enhance human cognition and potentially address neurological disorders.

**6. The Boring Company:** Musk's interest in tunnel construction led to the creation of The Boring Company, which aims to alleviate urban traffic

congestion through the construction of underground transportation tunnels. Projects like the Las Vegas Loop have demonstrated the potential for this technology.

Throughout his career, Musk has faced criticism, financial challenges, and technical obstacles, but his unwavering determination and risk-taking attitude have propelled him forward. He's become one of the world's wealthiest individuals and continues to use his influence and resources to tackle some of humanity's most pressing issues, from climate change to space exploration.

As Elon Musk's journey unfolds, it's important to highlight some of the key moments and challenges he has faced:

**1. Tesla's Electric Revolution:** Tesla's electric vehicles (EVs) have not only challenged the traditional automotive industry but have also accelerated the global shift toward electric transportation. Musk's tireless work to make EVs more affordable and accessible has paved the way for a more sustainable future.

**2. Space Exploration and Mars Colonization:** Musk's aspiration to establish a human presence on Mars is not just a futuristic dream but a well-funded and actively pursued vision. SpaceX's Starship, a fully reusable spacecraft, represents a critical step toward making Mars colonization a reality.

**3. Championing Renewable Energy:** Beyond electric cars, Musk has championed solar energy. Tesla's solar panels and solar roofs offer home-owners and businesses a clean and efficient way to harness solar power, reducing their carbon footprint.

**4. Innovations in Energy Storage:** Tesla's Powerwall and Powerpack energy storage solutions have the potential to revolutionize the energy sector by making renewable energy more reliable and available during peak demand periods.

**5. Challenges and Controversies:** Musk's public persona has sometimes been marred by controversies, including legal battles, Twitter disputes, and concerns about his management style. However, his ability to rally supporters and investors has kept his ventures on track.

**6. Global Influence:** Musk's impact extends far beyond his companies. He has influenced governments and industries to prioritize sustainability, electric transportation, and space exploration. His advocacy for policies supporting clean energy and space exploration has made him a prominent figure on the world stage.

**7. Inspiring Future Generations:** Musk's relentless pursuit of audacious goals has inspired countless individuals to enter the fields of science, engineering, and entrepreneurship. He has become a symbol of what can be achieved through innovation and determination. Elon Musk's biography is still unfolding, with new chapters being written as he continues to innovate and push the boundaries of technology and exploration. His ability to tackle complex and transformative projects has earned him a place in history as one of the most influential figures of the 21st century. Whether it's revolutionizing the auto industry, making space travel more accessible, or addressing climate change, Musk's impact on the world is undeniable, and his story serves as a testament to the power of relentless vision and innovation. Elon Musk's is an ongoing narrative of innovation and ambition, and his impact on technology, transportation, and space exploration is likely to be felt for generations to come.


# খেল হৈছে স্বাস্থ্য ৰক্ষাৰ এক সৰ্বোৎকৃষ্ট মহৌষধ

ডিম্পল নাথ

**স্বা**স্থ্যই পৰম সম্পদ। জীৱন-জীৱিকা তথা শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক আৰু ব্যৱহাৰিক আদি দিশৰ সৰ্বাঙ্গীন বিকাশ বিৱৰ্তন নিৰ্ভৰ কৰে একমাত্ৰ স্বাস্থ্যৰ ওপৰত। এজন লোক যদি চিৰৰুগীয়া স্বাস্থ্যহীন হয়, তেনেহ'লে তেওঁৰ জীৱনৰ সমস্ত আশা-আকাংক্ষা, সকলো কল্পিত অকালতে ম্লান হৈ পৰে। সমস্ত উদ্‌গতিৰ মূল হৈছে এটি সুন্দৰ নিৰুগীয়া স্বাস্থ্য । সুস্বাস্থ্যৰ গৰাকীজনে মন কৰিলেই অসাধ্যকো সাধন কৰি তুলিব পাৰে। চিৰৰুগীয়া বা ভগ্নস্বাস্থ্যৰ লোকে বহু আশা কৰিলেও দুৰ্বাৰ হেঁপাহ বা প্ৰৱল উৎসাহ থাকিলেও ভবা কথা, কল্পিত আকাংক্ষা বাস্তৱত ৰূপায়িত কৰাত অসুবিধা হৈ পৰে।

জীৱ মানেই ৰোগ ব্যাধিৰ কবলত পৰিবলগীয়া হয়। এদিন ভিন ভিন পৰিৱেশৰ প্ৰতিকূলতাত পৰি মানুহৰ





স্বাস্থ্যও ৰুগীয়া হয়, দুৰ্বল আৰু কৰ্মবিমুখ হৈ মৃত্যুক সাৱটি ল'ব লগা হয়। ৰোগ-ব্যাধি আদিবোৰ মানুহৰ মৃত্যুৰ কাৰণ যদিও অকাল আৰু অবাঞ্চিত মৃত্যুৰ পৰা হাত সাৰি থাকিব পৰা, আটিল স্বাস্থ্যৰ গৰাকী হ'ব পৰা কেতবোৰ সহজ আৰু আনন্দময় উপায় আছে। স্বাস্থ্যৰক্ষাৰ এক সহজ উপায় হৈছে, খেলাধূলা।

শৈশৱ আৰু কৈশোৰৰ স্তৰত প্ৰায় সকলোবোৰ ল'ৰা-ছোৱালীয়েই খেলা-ধূলা ভাল পোৱা বা সহজতে খেল-ধেমালিত আকৃষ্ট হৈ পৰা দেখা পোৱা যায়। দৌৰ মৰা, জপিওৱা, ওজন আৰু যাঠি দলিওৱা, স্কীপিং খেলা, খো-খো, কাবাডি, আৰু আজিৰ সবাটোতকৈ জনপ্ৰিয় খেল ক্ৰিকেটকে মুখ্য কৰি নানা তৰহৰ ন ন খেল খেলাটো মানুহৰ স্বাস্থ্যৰ বাবে উপকাৰী। খেলা-ধূলাই মানুহৰ মনৰ মলিনতা আৰু বিষুণ্ণতা বিনাশ কৰি অনাবিল আনন্দ উপভোগ কৰাত সহায় কৰে। নানা তৰহৰ খেলা-ধুলাই খেলুৱৈৰ শৰীৰৰ অংগ প্ৰত্যক্ষবোৰ সবল আৰু সতেজ কৰি তোলে। মাংসপেশীবোৰ আটিল আৰু কৰ্মঠ কৰে, শিৰা উপশিৰাবোৰৰ অলসতা আঁতৰ কৰি সৰ্ব শৰীৰতে সমভাৱে ৰক্ত সঞ্চালন সক্ৰিয় কৰি তোলাৰ লগতে মানুহৰ দেহৰ জঠৰতা আৰু অৱহেলাৰ ভাৱ প্ৰৱণতা নিৰাময় কৰি যিকোনো কামৰ বাবে মনোযোগী কৰি তোলে।

চিৰকালৰ বাবে এটি নিৰোগী আৰু নিঘুণী স্বাস্থ্যৰ আশা কৰি খেলা খেলবোৰ নিতৌ নিয়মীয়া আৰু নিৰ্দিষ্ট সময়-সীমাৰ মাজত আৱদ্ধ থকা হ'ব লাগিব। শৰীৰ মনৰ আলস্যভাৱ আঁতৰ কৰি স্বাস্থ্যৰ অনুকূলে খেলা খেলবোৰ শৰীৰৰ অংগ সঞ্চালন কৰিব পৰা হ'ব লাগিব। আৰু ইয়াৰ কাৰণে নিয়মিত অভ্যাসৰ প্ৰয়োজন। শৰীৰৰ শক্তি প্ৰয়োগ কৰি খেলা-খেলবোৰ যি খেলাই হওঁক কিয়, স্বাস্থ্য অক্ষুণ্ণ ৰাখিবলৈ মাত্ৰ এক ডেৰ ঘন্টা খেলাই যথেষ্ট। নিয়মীয়াকৈ নেখেলি বহুদিনৰ মূৰত এদিন নেৰা-নেপেৰাকৈ খেলিলে জ্বৰ-বিষ আৰু ভাগৰত জৰ্জৰিত হৈ চিকিৎসকৰ কাষ চাপিব লগা হ'লে স্বাস্থ্য ৰক্ষা হোৱাতকৈ স্বাস্থ্য হানি হোৱা সম্ভাৱনাহে প্ৰচুৰ। নিয়মীয়াকৈ অনুশীলন কৰা যিকোনো শাৰীৰিক খেলা-ধূলাই সু-স্বাস্থ্য গঢ়ি তোলাৰ বিশেষ সহায়ক। এই ক্ষেত্ৰত দৃঢ়তা, একাগ্ৰতা তথা সংযমশীলতাৰ প্ৰয়োজন।

যিকোনো খেলা-ধূলাই মানুহক ভোগ দান কৰিব পাৰে, সুখী আৰু মংগলময় পথৰ সন্ধান দিব পাৰে, শাৰীৰিক অক্ষমতা নিৰ্মূল কৰি কাৰ্যক্ষম হোৱাত সহায় কৰিব পাৰে, মানসিক তথা বৌদ্ধিক বিকাৰগ্ৰস্ততাক বিনাশ ঘটাই কৰ্তব্য জ্ঞান, কৰ্মোদ্যমী আৰু উৎসাহী কৰি তুলিব পাৰে। সৰ্বোপৰি মানুহৰ সৰ্বাংগীন বিকাশ সাধন কৰি স্বাস্থ্যৱান তথা বলবীৰ্যবান কৰি গঢ়ি তুলিব পাৰে। সেয়ে খেলা-ধূলাক মানুহৰ স্বাস্থ্যৰক্ষাৰ মহৌষধ বুলি ক'ব পাৰি।

# Cricket

**Bikash Sonowal**

Cricket is the second most popular sport in the world, only behind soccer with over 2.5 billion followers. Cricket was invented in England and is now played around the world predominantly by historically commonwealth countries. It was invented in the 16th century in England, but it was a long time before modern rules were used.

Cricket is played on either circular or oval-shaped grounds. There is a rectangular area in the middle of the ground, called the pitch, which is the most important part of the field. On the pitch, all the bowling and batting takes place. A set of wooden sticks, called stumps and bails, is placed on both ends of the pitch. A cricket ball, made of wood and leather, and a wooden bat are required to play the sport. The batsmen wear a full set of protective gear.

In the traditional form of the game, a match is played between two teams, with 11 players on each team, in an innings format. One team gets to bat while the other team bowls and fields. The collection of all the overs that a team bats for, is called an innings. The team that bats first, tries to score as many runs as possible. After the two teams have played their innings, the team with the most runs is the winner.

Cricket matches are played in several different formats. Generally, the formats are:-

* Limited over format: Each inning is played for a fixed number of overs. A one-day (ODI) format- 50 overs per inning, and a T20 format- 20 overs per inning, are the two types of limited-overs cricket currently played.
* Unlimited overs format: More commonly known as a test match, is an extended form of cricket, where each team gets to play two innings without any overs restriction. A single match can go on for up to 5 days.

Several cricket matches are played all through the year in the form of tours, where one national team travels to another, to play a series in one or more formats of the sport.

Forms of Cricket:

* Test cricket- The longest form of cricket, played over 5 days.
* One-day cricket- A form of cricket in which each team's innings is played for a maximum of 50 overs.
* T20 cricket- A fast-paced limited-over cricket match played 20 overs per team.
* Incloor Cricket: A modified version of cricket played indoors with nets for walls.
* Blind cricket: A modified version of cricket for blind athletes with a larger ball with bells inside.
* Backyard cricket: Informal version of cricket played in yards or streets.

The game started to gain popularity in England in the 10th century. The earliest definite reference to the sport is in a court case of 1598. The Gvildford covrt heard John Derrick, a wroner, that filty years earlier, "he and diverse of his fellows did runs an play (on the common land) at Cricket". Later, the game spread to countries of the British Empire in the 19th and 20th centuries.


Today, it is a popular sport in England, Australia, India, Pakistan, Sri Lanka, Bangladesh, South Africa, New Zealand, west India, and several other countries such as Afghanistan, Ireland, Kenya, Scotland, the Netherlands, and Zimbabwe.

There are only two positions on a cricket field that are different from the rest of the field positions. One is the Bowler: The bowler is the person who throws the ball and tries to hit the wickets to get the batsman out. The bowler is the most important player on the field.

Another is Wicket Keeper: The wicket keeper is like a baseball catcher. He or she wears more protective equipment including a small glove and his/her job is to collect the ball behind the wicket and if necessary do stumpings.

The rest of the field players stand around the outfield of the pitch and try to catch the ball hit to them and prevent it from going outside of a boundary. Depending on where they stand, the players have some position names that can be quite funny. There are many different fielding positions, as seen in the list below:

* First slip
* Second slip
* Third slip
* Long stop
* Third man
* Gully
* Deep Gully
* Silly Point
* Point




* Deep point
* Cover Point
* Extra Cover
* Deep Extra Cover.
* Silly Mid off
* Mid off
* Long off
* Silly Mid on
* Deep Mid wicket.
* Seweeper
* Short square Leg.
* Deep square Leg.
* Leg Gully
* Long leg.
* Leg slip
* Short fine leg
* Deep Fine Leg.



These position names all have different meanings though:

* "Leg" and "On" means the players stand in the circle of the batsmen in the direction they are facing.
* "Off" means behind the batsmen, not on the side where their leg is.
* "Silly" and "Short" both mean close.
* "Mid" means halfway between the boundary and the batman.
* "Long" and "Deep" mean almost on the boundary.
* "Backward" is behind the batsmen.
* "Fine" means close to an imaginary line in the middle of the pitch.
* "Wide" means for away from the imaginary midfield line.

# ৰাভা সমাজত প্ৰচলিত জন্ম সম্পৰ্কীয় লোকবিশ্বাস

তপন শইকীয়া

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম আদিম আৰু থলুৱা জনগোষ্ঠীসমূহৰ ভিতৰত ৰাভা জনগোষ্ঠী অন্যতম। ইণ্ডো-মংগোলীয় নৃ-গোষ্ঠীৰ তিব্বত-বৰ্মী মূলৰ ভাষা-ভাষী ৰাভাসকল। পৰম্পৰাগত সমাজ ব্যৱস্থা অনুযায়ী ৰাভাসকল মাতৃ সূত্ৰীয় আছিল যদিও এই ব্যৱস্থা বৰ্তমান কেৱল গোত্ৰ প্ৰথা (বাৰায়-হুৰি বা মাহাৰী) আৰু ঘৰজোঁৱাই (ঢোকাৰখা) বিবাহ ব্যৱস্থাতহে কথমপি ৰক্ষিত হৈ আছে। সম্পত্তিৰ উত্তৰাধিকাৰ আৰু অন্যান্য ক্ষেত্ৰত পিতৃসূত্ৰীয় সমাজ ব্যৱস্থা পূৰ্ণৰূপে বিদ্যমান। সামাজিক দিশত অৰ্থাৎ সমাজ সংগঠনত পুৰুষ আধিপত্য তুলনামূলকভাৱে বেছি যদিও পাৰিবাৰিক দিশত স্বামী-স্ত্ৰীৰ সমমৰ্যদা আছে। বিশেষকৈ ৰাভসকল নামনি অসমৰ জিলা কেইখনত, অবিভক্ত শিৱসাগৰ, লক্ষীমপুৰ, নগাঁও জিলাত ৰাভাসকলৰ বসতি পোৱা যায়। ইয়াৰ উপৰি, মেঘালয়ৰ পূব আৰু পশ্চিম গাৰো পাহাৰ জিলাত, পশ্চিমবংগৰ কোচবিহাৰ আৰু জলপাইগুৰি জিলাত কেন্দ্ৰীভূত হৈ আছে। বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা এই ৰাভাসকলে স্থান-কাল-গোত্ৰভেদে নিজা নিজা নীতিৰে বিভিন্ন লোকবিশ্বাস সমূহ পালন কৰি আহিছে।

ৰাভাসকলৰ মাজত বংশ ৰক্ষাৰ কাৰণে পুত্ৰ বুলিয়ে নহয়, যিকোনো সন্তানৰহে কাম্য। সেয়েহে ৰাভা সমাজত অপুত্ৰক মাতৃ অৰ্থাৎ পুত্ৰ সন্তানহীন পৰিবাৰ পৰিত্যক্ত নহয়। মায়তৰি ৰাভা নাৰীয়ে পাটগাভৰু কালৰে পৰা বছৰেকৰ বায়খো পূজাত যৌনগন্ধী নৃত্য-গীতত অংশ গ্ৰহণ কৰি আহিছিল আৰু বিবাহ উপযুক্ত হ'লে বায়খো থলীতে মনে মিলা কোনো এগৰাকী পুৰুষলৈ চাপনী চাপি (নোক ধাংকায়) বা সম্ভ্ৰান্ত পৰিয়ালৰ কন্যা হ'লে কোনো এজন সক্ষম যুৱকক নিজ ঘৰতে ৰাখি (জাঙয় খাকায়) সংসাৰ ধৰ্মত প্ৰবৃত্ত হৈছিল। হিন্দুৰ শিৱৰাত্ৰি বা কাৰ্তিক পূজাত ব্ৰত ৰাখি সন্তান কামনা কৰাৰ দৰে ৰাভা নাৰীয়ে আয়া বায়খোৰ উপস্থিতিত মনে মিলা পুৰুষৰ ওচৰত নিজৰ যৌৱন উছৰ্গা কৰি (বায়খো থলীতে যৌন মিলনত লিপ্ত হৈ) সন্তান

ল'ৰা-ছোৱালীক কেঁচুৱাতে ঘৰৰ বাহিৰলৈ নিবলগীয়া হ'লে মাকে লগত সৰু কটাৰী বা দা লৈ যায় তেতিয়া ভূতে নাপায়। সেইদৰে মুখ নালাগিবলৈ কাজলেৰে ফোঁট পিন্ধোৱা ৰীতিৰো প্ৰচলন আছে। নতুন ঘৰলৈ নিলে গৃহস্থই মিঠাতেল কেঁচুৱাৰ তালুত ঢালি দিয়া পৰম্পৰাও আছে, নহ'লে হেনো গৃহস্থৰ ঘৰত নিগনিৰ উপদ্ৰৱ বাঢ়ে।

লাভত কৃতকাৰ্যতা হ'ব পাৰে বুলি বিশ্বাস কৰিছিল।

সেয়ে সকলো ফৈদৰ ৰাভা নাৰীৰ মাজতে যাতে নিঃসন্তান নহয়, তাৰ বাবে শৈশৱৰে পৰা কেতবোৰ লোকবিশ্বাস পালন কৰা দেখা গৈছিল। এই উপলক্ষে তেওঁলোকৰ বাবে কণ নথকা তামোল, গুটি নথকা ফল-মূল আদি খোৱাৰপৰা নতুবা গছৰ ওপৰত, ঘৰৰ চালত, চাইকেলত বা ম'হ-ঘোঁৰাৰ পিঠিত উঠাৰ পৰা পাৰ্যমানে বিৰত থকাটো একপ্ৰকাৰ অলিখিত বিধান স্বৰূপ আছিল। নাৰীয়ে পুৰুষসুলভ আচৰণ (জঁপিয়া-জঁপি, দৌৰা-দৌৰি নতুবা বগৰা-বাগৰি কৰা আদি কাৰ্য) ৰ পৰা সততে বিৰত থাকিছিল। তলপেটত হেঁচা পৰা সাজপাৰ পৰিধান কৰাৰ পৰা বিৰত আছিল। সেয়েহে যৌৱন কালত আৰু সন্তান সম্ভৱা অৱস্থাত বুকুৰ ওপৰত মেথনি (ৰি'ফান) মাৰি নতুবা কাম্বুং ৰিহাৰে বুকু ঢাকি, কঁকালত হেঁচা নপৰাকৈ অতি শিথিলভাৱে ৰুবুক মালাৰে (কঁকালী) গুজি ৰি'ফান পৰিধান কৰিছিল। প্ৰসৱ বেদনাৰ পৰা হাত সাৰিবলৈ বা মৃত সন্তান প্ৰসৱ কৰিবলগীয়া নহ'বলৈ কোনোধৰণৰ ৰছী, জেওৰা-জপনা পাৰ হৈ যোৱা নাছিল। সেইদৰে পথত এৰাল দিয়া গৰু-ছাগলীৰ পঘা দাঙি ধৰি তাৰ তলেদিহে পাৰ হৈছিল। ইয়াৰ অন্যথা কৰিলে গৰ্ভত থকা সন্তানৰ নাই পাক খাই প্ৰসৱত কষ্ট পায় বুলি ভাবিছিল। সেইদৰে নাৰী এগৰাকীৰ গাত সন্তান ধাৰণ কৰিব পৰা বয়সলৈকে যুৰীয়াভাৱে লাগি থকা ফল বিশেষকৈ কল, আম আদি নতুবা দুটাকৈ লাগি থকা আলু আদি খোৱাৰ পৰা সততে বিৰত আছিল, কিয়নো এনে কাৰ্যৰ দ্বাৰা যজা সন্তান গৰ্ভ ধাৰণ কৰাৰ আশংকা থকা সূচাইছিল। তাঁতত জুঁটি থোৱা শালৰ কাপোৰ অইনে কাটি থাকোঁতে যিজনী নাৰীয়ে ওচৰতে থিয় দি তাঁতশালৰ কোনোবাটো সঁজুলি ধৰি থয়, ভৱিষ্যতে তাই ওঁঠ ফটা সন্তানৰ জননী হোৱাৰ সম্ভাৱনা থাকে বুলি ভাবিছিল। খোৱাৰ পিছত বা বহি উঠাৰ পিছত পাৰি লোৱা পীৰাডুখৰি চপাই নোথোৱা অভ্যাস মাকৰ থাকিলে সন্তানে আঁঠু কাঢ়ি বগাবলৈ নিশিকি টিকা চোঁচৰাই বগোৱা অভ্যাস আয়ত্ত কৰে বুলি ভবা হৈছিল। চিৰা আদি খুন্দুতে উৰালৰ তলত পাৰি থোৱা খেৰ যিজনীয়ে আগতে একেকোবে দৌৰি পেলাই থৈ আহে, তেওঁৰ আনজ (কোলাং) ডাঙৰ হয় আৰু যিজনীয়ে লাহে লাহে গৈ পেলাই থৈ আহে, তেওঁৰ আনজ সৰু হয় বুলি বিশ্বাস কৰা হয়। ভূত-প্ৰেতে পায় বুলি গৰ্ভাৱস্থাত অকলে ঘূৰি ফুৰা নাছিল (বিশেষকৈ দুপৰীয়া, কাল সন্ধিয়া বেলিকা নদীৰ ঘাট-শ্মশান আদি নিৰ্জন প্ৰান্তৰত) আৰু সততে নিজৰ ঘৰৰ চালত বা বেৰত সিজু গছৰ ঠানি, বগৰী জেং আদি আঁৰি থৈ দিয়াটো বিধান স্বৰূপ আছিল।

গৰ্ভৱতী অৱস্থাত স্বামী-স্ত্ৰী দুয়ো কেতবোৰ নীতি-নিয়ম মানি চলিবলগীয়া হৈছিল। দুয়ো কোনো প্ৰাণী (বিশেষকৈ সাপ, জীয়া মাছ আদি) হত্যা কৰিব নাপায়, যিকোনো মৰা শৱ চুব বা কঢ়িয়াব নাপায়। গৰ্ভৱতী পত্নীৰ লগতে তেওঁৰ স্বামীয়ে ৰাজহুৱা ভোজৰ কোনো কামতে অংশগ্ৰহণ কৰিব নোৱাৰে। অন্যথা গৃহস্থৰ ভোজৰ ভাত আদি সামগ্ৰীৰ নাটনি হয় বুলি বিশ্বাস চলি আহিছে। গৰ্ভৱতী নাৰীয়ে কোনো বস্তু খাবলৈ মন গ'লেই খাব লাগে, অন্যথা খোৱাৰ পৰা বঞ্চিত মাতৃৰ সন্তানটি লালটি পৰা স্বভাৱৰ হয় বুলি বিশ্বাস কৰা হয়। সেইদৰে চন্দ্ৰ বা সূৰ্য গ্ৰহণৰ সময়ত মাকে আহাৰ গ্ৰহণ কৰিলে বা যিকোনো ধৰণৰ কটা-ছিঙা কাৰ্য কৰিলে বা তাক দৰ্শন কৰিলে সন্তান কণা বা শৰীৰৰ যিকোনো স্থানত অংগক্ষত হয় বুলি ভবা হয়। আদা চুৰ কৰিলে সন্তানবো আঙুলি আদাৰ দৰে পোখা মেলা অৰ্থাৎ ছয়-সাতটা আঙুলি হোৱাৰ ভয় থাকে। পত্নী গৰ্ভাৱস্থাত থাকিলে স্বামীয়ে কেঁকোৰা-কুচিয়াৰ গাতত সোপা দিয়া, টোম খালৈ আদি বওঁতে মোখনি মৰা আদি কাৰ্যৰ পৰা বিৰত থাকিবলগীয়া হয়, অন্যথা মাকৰ প্ৰসৱদ্বাৰ বন্ধ হৈ সন্তানে প্ৰসৱত কষ্ট পায় বুলি বিশ্বাস কৰা হয়। গৰ্ভৱতী নাৰীয়ে কলডিল খাব নাপায়, খালে গৰ্ভস্থ সন্তান নোদোকা হৈ প্ৰসৱত কষ্ট পায়।

ৰাভাসকলৰ মাজত প্ৰচলিত যে যিটো বাৰত বা যেনেকুৱা বতৰত সন্তান জন্ম পায়, মৃত্যুৰ সময়তো সেই একেটা

> সন্তানৰ দাঁত গজা সময়ত ওপৰ পাৰিৰ আগদাঁত প্ৰথমে গজিলে তাক 'আগদান্তীয়া' বোলা হয় আৰু তেনে লোকে যি কয় সিয়ে ফলিয়ায় বা শাও দিলে শাও গাত লাগে বুলি বিশ্বাস।

বাৰ আৰু বতৰেই (জন্মত বৰযুণে দিলে মৃত্যু আৰু বিয়াতো বৰষুণ হোৱা) পৰে। গৰ্ভৱতী মাতৃ শুকাই খীণাই গ'লে নতুবা মাতৃৰ সোঁহাত, সোঁভৰি, মুখ ফুলিলে পুত্ৰ সন্তান লাভৰ আৰু মাতৃ নোদোকা হৈ পৰিলে নতুবা মাতৃৰ বাওঁহাত, বাওঁভৰি, তপিনা ফুলিলে কন্যা সন্তান লাভৰ লক্ষণ বুলি ভবা হয়। সেইদৰে পেটত থকা সন্তানে সোঁফালে লৰ চৰ কৰিলে বা অতিপাত ধৰ্ফৰাই থাকিলে ল'ৰা আৰু বাওঁফালে লৰচৰ কৰিলে বা শান্ত অৱস্থাত থাকিলে ছোৱালী হয় বুলি ভবা হয়। ৰাভাসকলে পূৰ্বজন্ম-পৰজন্ম বিশ্বাস কৰে আৰু ইহকালত পুৰুষ হ'লে পৰজন্মত নাৰী আৰু ইহকালত নাৰী হ'লে পৰজন্মত পুৰুষ হিচাপে জন্ম ধাৰণ কৰিবলগীয়া হয় বুলি মানে। সেইদৰে ইহজন্মত ভাল কাম কৰিলে পৰজন্মত ভাল ফল পায় বুলি ভবা হয়। ইহজন্মত ধাৰ বা বাকী খাই তাক পৰিশোধ নকৰাকৈ মৃত্যু বৰণ কৰিলগীয়া হ'লে পৰজন্মত কুকুৰ হিচাপে জন্ম ধৰি গৰাকীৰ ঘৰত বিনা পাৰিশ্ৰমিক খাটিবলগীয়া হয় বুলি মানি আহিছে। মানুহ মাত্ৰে মৃত্যুৰ পিছতে নৰকুলত জন্ম নাপায়, দুবাৰমান ইতৰ যোনীত জন্ম ধাৰণ কৰিব লাগে। একেৰাহে সাতবাৰ নৰকুলত জন্ম ধৰা লোকেহে দেওধা বা দেওধনী হোৱাৰ যোগ্যতা আহৰণ কৰে। পৰজন্মত যাতে সন্তানৰ ওঁঠ পাতল হয় আৰু স্বগোত্ৰত জন্ম লাভ হয়, তাৰ বাবে যথাক্ৰমে মৃত্যুৰ পিছত আত্মীয়-স্বজনে মৃতকৰ মুখৰ ওপৰত ৰঙা সূতা পাৰি থৈ সৎকাৰ কৰে আৰু শ্মশানৰ পৰা গাঙ্খি কাপোৰ (অস্থিৰ প্ৰতীকি বস্ত্ৰ) ঘৰলৈ লৈ আনি সযতনে সাঁচি ৰাখে। গৰ্ভৱতী মাতৃয়ে কোনো মৃত পূৰ্ব পুৰুষে টালি-টোপোলাৰে তেওঁৰ ঘৰলৈ আলহী খপিবলৈ অহা সপোনত দেখিলে তেৱেঁই সন্তান হিচাপে তেওঁৰ গৰ্ভত থিত লয় বুলি ভবা হয় আৰু জন্মৰ পিছত তেনে শিশুক বিশেষ মান ধৰি থাকিব লাগে ।

সন্তানৰ সুপ্ৰসৱ হ'বলৈ ৰাভাসকলে গৰ্ভ-বেদনা আৰম্ভ হ'লেই 'ৱায়মাবা বায়'ৰ নামত হাঁহ বলি দি পূজে। তৎসত্ত্বেও সন্তান ভূমিস্থ নহ'লে প্ৰসূতিগৰাকীক নিজৰ জ্ঞাতে বা অজ্ঞাতে ঘটা যৌনজনিত পাপ কাৰ্যৰ স্বীকাৰোক্তি কৰিবলৈ কোৱা হয়। এনে ৰীতি অৱলম্বন কৰিলে সন্তান প্ৰসৱ হ'বই হ'ব বুলি মানি আহিছে। সাধাৰণতে অবৃত্তিধাৰী ধায়ে প্ৰসূতিক প্ৰসৱ কাৰ্যত সহায় কৰে। সন্তান প্ৰসৱ হোৱা মাত্ৰকে বাঁহৰ চোঁচেৰে নাই কাটি দিয়ে আৰু ফুল পানী ছিগাবলৈ প্ৰসূতিক খাৰ- পানী খুৱাই দিয়ে। তেনে নকৰিলে বিলম্ব ঘটি গৰ্ভৰ ফুল বুকুৰ ফালে উজাই গৈ প্ৰসূতিগৰাকী মৃত্যুমুখত পৰে বুলি মানি আহিছে। সেইদৰে প্ৰসূতিগৰাকীক জাল খুউওৱাৰো বিধান আছে। সদ্যজাত কেঁচুৱাক মৌ বা মিঠা মদৰ ৰস চেলেকিবলৈ দিয়াটোও আন এটা নিয়ম। কিছুমান প্ৰসূতিয়ে গৰ্ভাৱস্থাত বেৰৰ মাটি, এঙাৰ পৰ্যন্ত খায় আৰু প্ৰসৱৰ সময়ত বাঘ-সিংহৰ দৰে গোঁজৰ মাৰি মানুহক আক্ৰমণ কৰিবলৈ খেদি আহে। 'বাঘিনী প্ৰসূতা' নামৰ এনে ৰোগীক আৰোগ্য কৰিবলৈ বাঘিনীৰ যোনী ধোৱা পানী খুৱাবলগীয়া হয় (বেজ-বেজালি অনুসাৰে)। জন্ম হৈয়ে সন্তানটি মৰিবলৈ ধৰিলে কাঁহী, লোটা আদি বজালে আয়ুস ঘূৰি আহে বুলি বিশ্বাস কৰা হয়। সেইদৰে কোনো কোনো অঞ্চলত জুইত কাঁচি গৰম কৰি নৱজাত সন্তানক চেঙা দিয়া প্ৰথাৰো প্ৰচলন আছে।

কেঁচুৱা জন্ম হোৱাৰ প্ৰকৃতি অনুযায়ী দুই-তিনি প্ৰকাৰৰ কেঁচুৱা থাকে। যিসকলক বিশেষ বিশেষ গুণৰ অধিকাৰী বা দোষৰ ভাগী হয় বুলি বিশ্বাস কৰা হয়। এইবোৰ দোষ খণ্ডন কৰাৰ বাবে প্ৰতিবিধানো আছে। কোনো মাতৃৰ মাহেকীয়া ঋতুস্ৰাৱ নোহোৱাকৈ থিত লোৱা সন্তানক আমু'ন্দা (মগৰীয়া, মোগৰা) বোলা হয় আৰু এনে প্ৰকৃতিৰ সন্তান আসুৰিক প্ৰকৃতিৰ হয় বুলি মনা হয়। এনে সন্তানৰ ভৰিষ্যতে বজ্ৰ ভয় থাকে আৰু তাক দূৰ কৰিবলৈ সততে ৰুবুক মালা (সৰ্পৰ হাড় বা হাতী দাঁতেৰে নিৰ্মিত সাতধাৰি কঁকালী) বা ব-সূতা কঁকালত ধাৰণ কৰিবলৈ দিয়া হয় ।

আনহাতে জন্মৰ সময়ত নাড়ী গোটেই দেহত পাক খাই (সাতপাক পৰ্যন্ত) জন্মলাভ কৰা সন্তানেই ৰাভাত নমু'ন্দা অৰ্থাৎ বামুণীয়া আৰু ইহঁত অতি ধৰ্মিষ্ঠি আৰু শান্ত প্ৰকৃতিৰ হয় বুলি ভবা হয়।

সেইদৰে জন্ম হওঁতে মূৰৰ বিপৰীতে ভৰি আগ কৰি জন্মলাভ কৰা সন্তানে আগঠেঙীয়া (ওভোটা গোৰা, গোজন্মা) আৰু এনে সন্তান কেতবোৰ ৰোগ দূৰ কৰিব পৰা ক্ষমতাৰ অধিকাৰী হয়। সাধাৰণতে খেতিত পাৰ বা মোৱা পোকে আক্ৰমণ কৰিলে এনে লোক পথাৰত নামি বাওঁ ভৰিৰে পানী ছটিয়াই দিলে পাৰ বা মোৱা পোকৰ আক্ৰমণ প্ৰতিহত হয় বুলি বিশ্বাস আছে।

সন্তানৰ মূৰত দুটা চকৰ থাকিলে দুগৰীকা পত্নী হোৱাৰ যোগ, আঙুলিৰ মূৰত ঘূৰণীয়া চকৰ অৰ্থাৎ দোণ বেছি থাকিলে পুত্ৰ সন্তান আৰু দীঘলীয়া চকৰ অৰ্থাৎ কুলা বেচি থাকিলে কন্যা সন্তান লাভৰ যোগ বুলি ভবা হয়।

সন্তানৰ দাঁত গজা সময়ত ওপৰ পাৰিৰ আগদাঁত প্ৰথমে গজিলে তাক 'আগদান্তীয়া' বোলা হয় আৰু তেনে লোকে যি

কয় সিয়ে ফলিয়ায় বা শাও দিলে শাও গাত লাগে বুলি বিশ্বাস। সেয়েহে এনে লোকক বিষমুখীয়া' বুলিও কোৱা হয়। এনে অশুভ লক্ষণযুক্ত সন্তানৰ দাঁত গজা মাত্ৰকে দা ধৰা শাণ-শিলেৰে আগদাঁতখিনি ঘঁহাই তেনে বিষময় ফল খৰ্ব কৰাৰ প্ৰতিবিধান দিয়া হয়।

গৰ্ভাৱস্থাত নিজে কিছুমান গুণ বা দোষৰ অধিকাৰী। উদাহৰণস্বৰূপে, গৰ্ভৱতী নাৰীয়ে সাপ দেখি ভয়তে পেপুৱা লাগি অলৰ-অচৰ হৈ থাকিলে সাপটোৱেও লৰচৰ কৰিব নোৱাৰা হয় বুলি লোকবিশ্বাস আছে। বহুদিনীয়া পুৰণি ৰোগে শাম কটাৰ পিছতো ঘৈণীয়েকৰ গৰ্ভৱতী অৱস্থাত পুনৰ উক দিয়াৰ সম্ভাৱনা থাকে আৰু তেনে অৱস্থাত যদি উক নিদিয়ে, তেন্তে সম্পূৰ্ণৰূপে আৰোগ্য হোৱা বুজায়। যাত্ৰাকালত বিশেষকৈ চিকাৰলৈ যাওঁতে গৰ্ভৱতী নাৰী অমংগলীয়া বুলি ভবা হয়। যদিও চিকাৰত ভাগ লোৱাৰ পিছত চিকাৰ মিলিলে তেওঁ চিকাৰ দুভাগ পায়, কিয়নো চিকাৰলৈ যাওঁতে মৃত্যুমুখত পৰিলে দুটা প্ৰাণীৰ মৃত্যু হোৱা বুলিয়ে গণ্য কৰা হয়।

শিশুৰ যত্ন সম্পৰ্কেও বহু লোকবিশ্বাস জড়িত আছে। শিশুৱে পিন্ধা কাপোৰ কানি বা টাৱেল আদি ধোৱা-পখলা কৰোঁতে মোচৰাই বা আঁটি-আঁটি শুকুৱাব নাপায়, তেনে কৰিলে শিশুৰ গাৰ বিষ উঠে। মাকে সেউজীয়া শাক-পাচলি খাব নাপায়-শিশুৰ শৌচ পনীয়া হয়। মাকে প্ৰথম কেঁচুৱাক পিয়াহ খুউৱাৰ আগে আগে পিয়াহত জমা হোৱা ফেঁহু চেপি উলিয়াই দিব লাগে। পানী কেঁচুৱা শিশুক চুমা খালে ওঁঠত ঘা হয় বুলি চুমা খাবলৈ বাৰণ কৰা হয়। সেইদৰে শুই থকা অৱস্থাত কেঁচুৱাক চুমা খালে কেঁচুৱা এলেহুৱা হয় বুলি ভাবি তেনে কৰাৰ পৰাও বাৰণ কৰা হয়। দাঁত গজোঁতে পলম হয় বুলি ভাবি সৰু ল'ৰা-ছোৱালীৰ মূৰ ফণিয়াই দিয়া নহয়। শিশুক আইনা চাবলৈও দিয়া নহয়, কিয়নো তেনে কৰিলে মংগল চোৱাওঁতে শিশুৰ ৰোগ ধৰা নপৰে বুলি ভবা হয়।

ল'ৰা-ছোৱালীক কেঁচুৱাতে ঘৰৰ বাহিৰলৈ নিবলগীয়া হ'লে মাকে লগত সৰু কটাৰী বা দা লৈ যায়, তেতিয়া ভূতে নাপায়। সেইদৰে মুখ নালাগিবলৈ কাজলেৰে ফোঁট পিন্ধোৱা ৰীতিৰো প্ৰচলন আছে। নতুন ঘৰলৈ নিলে গৃহস্থই মিঠাতেল কেঁচুৱাৰ তালুত ঢালি দিয়া পৰম্পৰাও আছে, নহ'লে হেনো গৃহস্থৰ ঘৰত নিগনিৰ উপদ্ৰৱ বাঢ়ে।

সেইদৰে সন্তানৰ পাচতি অনুষ্ঠান বা অন্নপ্ৰাশনৰ সময়ত আগবঢ়াই দিয়া নৈৱেদ্যৰ যি সামগ্ৰীত সন্তানে হাত দিয়ে, তেওঁ তেনে গুণৰ উত্তৰাধিকাৰী হয় বুলি অন্য লোকৰ দৰে ৰাভাসকলেও বিশ্বাস কৰে। সেই অনুযায়ী তেনে শিল্পকৰ্মত বা বিদ্যাত ভৱিষ্যতে আগবাঢ়িবলৈ দিয়া নিয়মৰ লগতে নতুনকৈ কোষ্ঠী আদি দিয়া পৰম্পৰাৰো প্ৰচলন হ'বলৈ ধৰিছে।


সহায়ক গ্ৰন্থ ঃ

ক) ড° নবীন চন্দ্ৰ শৰ্মা ঃ অসমৰ লোক-সংস্কৃতিৰ আভাস

খ) ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা লোক-সংস্কৃতি

গ) ভোলানাথ ৰাভা (সম্পাঃ) ঃ ৰাভ সমাজৰ বিধি ব্যৱস্থা

ঘ) পুতলী কায়স্থ (সম্পাঃ) ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ

# মিচিং সমাজ জীৱনত
## নৈপৰীয়া পৰিৱেশৰ প্ৰভাৱ

তপন পায়েং

ইতিহাসৰ সাক্ষ্য অনুসৰি মিচিং জনগোষ্ঠীয় লোকসকলে আদিম যুগৰ পৰা নৈ কাষৰীয়া অঞ্চলত চাংঘৰ সাজি বসবাস কৰি আহিছে। প্ৰথম অৱস্থাত খেতি কৰাৰ অৰ্থে নৈৰ পাৰত ঘৰ বান্ধি থাকিবলৈ লৈছিল যদিও কালক্ৰমত এঘৰ দুঘৰকৈ একো একোখন বৃহৎ মিচিং গাঁওলৈ পৰিণত হৈছিল।

ককা আইতাৰ মুখৰ তাহানিৰ কথাবোৰত গম পাওঁ যে, অসমৰ মিচিং সকলে পৰ্বতীয় অঞ্চলৰ পৰা নৈৰ সৈতে আহি আহি ভৈয়ামৰ নৈৰ পাৰত থাকিবলৈ লৈছিলগৈ। নৈৰ পাৰৰ পলসুৱা মাটি খেতিৰ বাবে উপযোগী হোৱা বাবে, এই কথাই মিচিং সকলক বিশেষভাৱে আকৰ্ষিত কৰিছিল। এনেদৰে এটা সময়ত বৰলুইত, সোৱণশিৰি, জীয়াভৰলী, ৰঙানদী, লুইত খাবলু আদি নৈ সমূহ মিচিং লোক সকলৰ পৰম বন্ধু হৈ পৰিছিল। পৰমবন্ধু হ'লেও কিন্তু মাজে সময়ে নিজৰ প্ৰভুত্ব প্ৰকাশ কৰি নৈপৰীয়া জনজীৱনক তচনচ কৰি পেলায়। নৈপৰীয়া মিচিংসকলে নৈৰ পাৰত ঋতু অনুসৰি খাৰিফ আৰু ৰবি শস্যৰ খেতি কৰে। বাও, আহু, শালি এই গোটেই কেইবিধ খেতিয়েই মিচিং সকলে কৰে। শালি খেতি কৰিবলৈ ফাগুন মাহৰ প্ৰথমটো বুধবাৰৰ পৰাই প্ৰস্তুতি আৰম্ভ কৰা হয়। শুকান মাটিৰ চপৰাবোৰ ভাঙি মিহি কৰি শস্যৰ শিপা আলফুলে তললৈ যাব পৰাকৈ তৈয়াৰ কৰাৰ পিছতহে মাটিডৰাত বীজ সিঁচা হয়। জেঠ আহাৰত এই খেতিৰ শস্য চপোৱা হয়।

বৰ্ষাঋতুৰ আগমনৰ লগে লগে দোপাল পিটা বৰষুণৰ আগমন ঘটে, এই বৰষুণৰ পৰশত শস্যডৰাই শ্যামলী ৰূপ ধাৰণ কৰে যদিও কোনো কোনো ঠাইত নদীৰ বাঢ়নী পানীয়ে শস্যডৰা বুৰাই পেলায়, ই-নৈপৰীয়া ৰাইজৰ চিন্তাৰ কাৰণ হৈ পৰে। নৈপৰীয়া পৰিৱেশৰ লগত নিজকে খাপ খুৱাবলৈ মিচিং জনগোষ্ঠীয় লোকসকলে চাংঘৰ নিৰ্মাণ কৰি বসবাস কৰে, যাতে নদীৰ বাঢ়নী পানীয়ে চাংঘৰৰ ওপৰৰ অংশ স্পৰ্শ কৰিব নোৱাৰে। নৈ পানী বাঢ়ি অহাৰ লগে লগে বিপদৰ সংকেত অনুসৰি চাংঘৰ পিছুৱাই অনাৰো উদাহৰণ আছে। এই চাংঘৰ মিচিং সকলৰ বাবে বিশেষ মহত্বপূৰ্ণ, কিয়নো সকলো সকাম নিকামৰ কাৰ্য চাংঘৰৰ ওপৰতেই কৰাৰ নিয়ম পূৰ্ব পুৰুষ সকলৰ পৰায়ে চলি আহিছে।

এইখিনিতে মই মোৰ এটি স্বৰচিত কবিতা আঁওৰাব বিচাৰিছোঁ

পুমি আচিয়া নঃ পুনদাঃকগম পুনঙালামযে  
নঃ ঙলুম মিচিঙৌম নৌৰদাঃকগম নৌঃ ৰালামায়ে  
ঙলু মিচিঙৌঃ চাং অকুম মৌঃলা দুনৌঃ তানিয়ে  
আদৃ বৃদৰদুঃক গকচুলা গুঃদাকগৌম  
চাঃ ৰালামাযে ঙলুক বাংকক অকুম লঃ

অৰ্থাৎ, বাৰিষা নৈ তুমি বাৰিষাৰ গৰা খহনীয়া হৈ আহিলেও উটুৱাই নিব নোৱাৰা আমাৰ মিচিংক, আমি মিচিং চাং সাজি থকা মানুহ। বৰ্ষাঋতুক লগত লৈ বিজুলী-ঢেৰেকনি আমাৰ গাত ছটিয়াব খুজিলেও নোৱাৰা, আমাৰ ঢাল চাংঘৰ।

মিচিং মানুহৰ বাবে নৈখনেই সুখ-দুখৰ আধাৰ, নৈ খনে সুখো দিয়ে, দুখো দিয়ে। নৈখনৰ বাবেই প্ৰেম হয়, নৈখনেই ডেকা-গাভৰুৰ বাবে বিশেষ ঠাই, য'ত মৰমৰ আদান প্ৰদান হয়।

ঙ আনৌঃ ৰুয়িলঃ তয়ালা দুপৌঃ

অৰ্থাৎ- সখী, কাংকানক ক'বাছোন "মই তাইক লগ ধৰিবলৈ নৈৰ পাৰত বাট চাই থাকিম"।

নৈ খন আমাৰ বাবে ভোগৰ উৎস, মাছ-কাচৰ পৰা আৰম্ভ কৰি ঘৰৰ চৌকাৰ জুই ধৰা খৰিডাললৈকে এই চেনেহৰ নৈখনেই যোগান ধৰে। কেতিয়াবা আকৌ এই নৈ খনে নৈপৰীয়া হিয়া ভাঙি দিয়ে, কাৰণ কোনো ৰোগীয়াক নৈ পাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ আগতেই তেওঁৰ মৃত্যু ঘটে। কেতিয়াবা নৈ ৰ প্ৰবল সোঁতত নাওঁ দুৰ্ঘটনা হয়, বহুলোকৰ মৃত্যু হয় বা সন্ধানহীন হয়। আমাৰ ককা আইতাই কৈছিল- "আমি মিচিংসকলে সাহসেৰে নৈৰ পাৰত থাকিব পাৰোঁ, পৰিৱেশৰ লগত সহাৱস্থান কৰিব পাৰোঁ, কিন্তু চিকিৎসক তথা চিকিৎসাকৰ্মী সকল আমাৰ মাজলৈ আহিবলৈ অলপ অসুবিধা পায় বা ভয় কৰে। ইয়াৰ বিপৰীতে আঘোন পুহ মাহত যেতিয়া বিশাল সৰিয়হ ডৰাই হালধীয়া আৱৰণ পিন্ধে, বতাহত হালি-জালি ফুৰফৰীয়া গোন্ধ এটা বিয়পায়, তেতিয়া আমি মিচিংসকলে আনন্দত আত্মাহাৰা হওঁ। কিয়নো এই সৰিয়হ ডৰা, মাটিমাহ ডৰা আমাৰ জীৱন নিৰ্বাহৰ একমাত্ৰ সম্বল। এই খাদ্য সামগ্ৰী বজাৰত বিক্ৰী কৰি পোৱা টকা কেইটাৰে পূৰ্বপুৰুষ সকলৰ সকামৰ পৰা আৰম্ভ কৰি 'আলি আয়ে লৃগাঙ'ৰ সকলো আয়োজন কৰা হয়। নৈপৰীয়া মিচিং সমাজত মাংগলিক অনুষ্ঠান 'ডবুৰ আৰু তাংলৌং উয়ু', 'মিবু দাগনাম' আদি পালন কৰা হয়। যেতিয়া পৰিয়ালৰ কোনোবা এজন সদস্যৰ মৃত্যু হয় বা আত্মহত্যা কৰে, তেখেতসকলৰ আত্মাই কৰিব পৰা অপায় অমংগলৰ পৰা পৰিত্ৰাণ পাবলৈ এই 'মিবু দাগনাম' কাৰ্যটো কৰা হয়। মিবু দাগনাম নদীৰ মাজৰ কোনো দ্বীপ অথবা দ্বীপৰ দৰে মুকলি ঠাইত কৰা হয়, যাতে মৃত্যু হোৱা ব্যক্তিৰ আত্মাই পৰিয়ালৰ কোনো অশান্তি কৰিব নোৱাৰে আৰু তেখেতৰ আত্মাই মুক্তি লাভ কৰে। সেয়েহে এযাৰ প্ৰচলিত কথা ককাৰ মুখত প্ৰায়ে শুনিবলৈ পাওঁ, সেয়া হ'ল- "ৰাতি নোলাবি অ' নাতিহঁত, নদীখনৰ সিপাৰে বৰ বোপাৰ আত্মাই ডাঙৰকৈ চিঞৰে, ৰাতি জোৰকৈ নাকান্দিবা, বৰবোপাৰ আত্মাই আহি তোক লৈ যাবহি।" আচলতে কথাবোৰ সাধু যেন লাগিলেও সত্য। বিশ্বাস কৰা হয় যে এৰি থৈ অহা আত্মাই আত্মীয় স্বজনক মনত পেলাই ভয় লগাকৈ চিঞৰি কান্দে। সেয়েহে এই আত্মাসমূহে কৰিব পৰা অপায় অমংগলৰ পৰা নিজকে বচাই ৰাখিবলৈ বহু মানুহে নাৱেৰে নদী পাৰ হওঁতে তেওঁলোকক সেৱা কৰি পাৰ হয়। মুঠতে নৈপৰীয়া জীৱন নদীৰ পাৰতেই আৰম্ভ হয় আৰু নদীৰ পাৰতেই সমাপ্ত ঘটে। মাজৰ সময়ছোৱাত প্ৰকৃতিৰ লগত একাত্ম হৈ জীৱনটো সুখ দুখৰ মাজেৰে পাৰ হয়। জাক জাক গৰু চৰাই থকা গৰখীয়াজনে অথবা নাৱৰীয়া সকলে ঝাওঁবনৰ তলত বহি নাইবা জিৰণীয়া গছৰ ছাঁত বহি বাৰিষাৰ দুখ-বেজাৰ পাহৰি পানী তোলা কনেঙলৈ চাই ঐনিতম এফাঁকি এনেদৰে গায়-

আনৌ ৰুয়িলঃআছ তনৌঃদৌঃ চেকনৌ  
হেদৌঃ মৃমবৃৰদৌঃ আমিকৌমাং ঙককৌনৌঃ.......  
অসমীয়াত-  
নৈৰ পাৰত পানী তোলাজনী কোননো?  
এই পানী তোলা গাভৰুজনী আনৰে নহয় মোৰহে!

আচলতে নৈপৰীয়া বিমল প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱত বছৰৰ দুখ-বিষাদবোৰ ক্ষণিকতে মোহময় প্ৰশান্তিলৈ ৰূপান্তৰ হয়, যিয়ে আমাক জীয়াই থকাৰ প্ৰেৰণা যোগায়।



# অসমৰ পটভূমিত

# কোচ ৰাজংবশীৰ বিৱৰ্তন

ধীৰাজ কোচ

বৃহত্তৰ অসমীয়া বৰ্ণিল লোক-সংস্কৃতিৰ পূৰ্ণ বৰেণ্য জাতি-জনগোষ্ঠী সমূহৰ মাজৰ এটা অতি প্ৰাচীন জনগোষ্ঠী হ'ল 'কোচ ৰাজবংশী' সকল। কোচ ৰাজবংশী হৈছে এক খিলঞ্জীয়া জনগোষ্ঠী।

অসম, উত্তৰ বংগ, নেপাল, ভূটান, বিহাৰ, মেঘালয় আৰু বাংলাদেশত যি সকল ৰাজবংশী লোক আছে, তেওঁলোকৰ মূল হ'ল কোচ। অসমত সেই কাৰণে তেওঁলোকক কোৱা হয় কোচ ৰাজবংশী। তেওঁলোক হিন্দু ধৰ্মীয় লোক। বহুতে কোচ আৰু ৰাজবংশী সকলক পৃথক পৃথক ভাৱে প্ৰতিষ্ঠা কৰিব বিচাৰে। বহুত ঠাইত অকল কোচ আৰু অকল ৰাজবংশী বুলি লিখে যদিও ৰাজবংশীৰ মূল যে কোচ, সেইটো অস্বীকাৰ কৰা নাযায়। ঠাই বিশেষে তেওঁলোকক কোচ, কোচ ৰাজবংশী, ক্ষত্ৰিয়, বৈৰাগ আদি বুলি জনা যায়।

হাজং, জলধা, ধিমাল, ঝলো, মালো আদি অনেক সৰু সৰু জনগোষ্ঠীৰ লোক সকলে ৰাজবংশী বুলি পৰিচয় দি ধন্য হ'লেও তেওঁলোকৰ বহুতৰে মূল হ'ল কোচ। প্ৰাচীন পণ্ডিত সকলৰ মন্তব্যৰ পৰা আধুনিক কালৰ পণ্ডিত সকলে সিদ্ধান্ত কৰিছে যে কোচ সকল আছিল বৃহত্তৰ তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ লোক। পৰৱৰ্তী সময়ত এওঁলোক নিজৰ সু-প্ৰাচীন ভাষা সংস্কৃতি এৰি আৰ্য ভাষা সংস্কৃতি গ্ৰহণ কৰে। ঐতিহাসিক পণ্ডিত সকলৰ লিখিত ইতিহাসৰ পৰা জানিব পাৰি যে ষোল্ল শতিকাৰ মধ্যভাগত কোচ ৰজা বিশ্ব সিংহৰ নেতৃত্বত কোচসকলে সম্পূৰ্ণৰূপে তেওঁলোকৰ আওপুৰণি ভাষা আৰু ধৰ্ম এৰি হিন্দু ধৰ্ম সংস্কৃতি গ্ৰহণ কৰি ৰাজবংশী হয় আৰু পুৰামাত্ৰাই বৰ্ণ হিন্দুৰ নিচিনা ভাষা ব্যৱহাৰ কৰিবলৈ ধৰে।

**ভাষা আৰু সংস্কৃতি ঃ** জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন আছিল ভাৰতীয় ভাষা সমূহৰ জনক। তেখেতে 'Linguistic Survey of India' গ্ৰন্থত কৈছে, "কোচ ৰাজবংশী সকলৰ মাতৃভাষা ৰাজবংশী ভাষাৰ নিজস্ব শব্দ সম্ভাৰ, সৰ্বনাম, নিজস্ব বাক্য গঠন পদ্ধতি আছে। সেয়েহে এই ভাষা আধুনিক ভাৰতীয় আৰ্য ভাষা সমূহৰ পৰা পৃথক আৰু স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন এটা ভাষা।"

কোচ ৰাজবংশীসকলৰ সু-প্ৰাচীন এটি ভিন্নধৰ্মী উজ্জ্বল চমকপ্ৰদ লোক-সংস্কৃতিৰ দিশৰ পৰা পোছাক-পৰিচ্ছদৰ ভিতৰত মহিলাসকলৰ পাটানী, আগৰণ (তাপৰ), ছেঁউতা; আ-অলংকাৰৰ ভিতৰত- হাতত মুঠাখাৰু, গোটাখাৰু, বাউটি, ৰতনচুৰ, বাজু; ডিঙিত সূৰ্যহাৰ, চন্দ্ৰহাৰ, টাকাচাৰা, মিফিহাৰ, নথ, বালি, নাকফুল আদি। গীতমাতৰ ভিতৰত — ভাওয়াইয়া গান, বিষহৰি পূজাৰ গান, দোতোৰা গান, ৰাবন গান আদি।



সংস্কৃতি পোৱা যায়। আৰ্য ক্ষেত্ৰীয় হিন্দুসকলৰ সংস্কৃতিৰ লগত তেওঁলোকৰ কোনো মিল নাই। বৰ্ণ হিন্দুৰ আচাৰ নীতি গ্ৰহণ কৰিলেও কোচ ৰাজবংশী সকলৰ নিজস্ব আচাৰ সংস্কৃতি, পূজা-পাৰ্বণ, ধৰ্মীয়-বিশ্বাস, খাদ্য-সম্ভাৰ, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ, গীত-মাত আদি বিদ্যমান। ৰাজহুৱা কামত চাউল, কল, কলৰ গছ, নাৰিকল, তামোল-পাণ, পিঠাগুৰি আদি ব্যৱহাৰ লক্ষণীয়। ধৰ্ম পালনৰ বেলিকা বৰ্ণ হিন্দুৰ দেৱ-দেৱীক পূজা-অৰ্চনা, ভক্তি শ্ৰদ্ধা কৰাৰ লগতে তেওঁলোকৰ নিজস্ব বিধিৰে বুঢ়াবুঢ়ী, তিস্তাবুঢ়ী, হুদুম পূজা, গ্ৰাম পূজা, ধাম পূজা আদি পূজা কৰে। ধৰ্মীয় সংস্কাৰৰ ভিতৰত সত্য নাৰায়ণ পূজা, ত্ৰিনাথ পূজা, চড়ক পূজা, যাত্ৰাপূজা, আমতি পূজা আদি কৰে।

**লোক-সংস্কৃতি ঃ** কোচ ৰাজবংশী সকলৰ লোক সংস্কৃতিৰ ভিতৰত সাধাৰণতে নানা বিষয়ক সামৰি লয়। লোক-সংস্কৃতিৰ দিশৰ পৰা পোছাক-পৰিচ্ছদৰ ভিতৰত- মহিলাসকলৰ পাটানী, আগৰণ (তাপৰ), ছেঁউতা; আ অলংকাৰৰ ভিতৰত- হাতত মুঠাখাৰু, গোটাখাৰু, বাউটি, ৰতনচুৰ, বাজু, ডিঙিত সূৰ্যহাৰ, চন্দ্ৰহাৰ, টাকাচাৰা,মিফিহাৰ, নথ, বালি, নাকফুল আদি। গীতমাতৰ ভিতৰত — ভাওয়াইয়া গান, বিষহৰি পূজাৰ গান, দোতোৰা গান, ৰাবন গান আদি।

তেওঁলোকৰ সংস্কৃতি প্ৰাচীন জনজাতীয় বৈশিষ্ট্য উজ্জ্বলভাৱে জিলিকি থকা দেখা যায়। কোচ ৰাজবংশী সকলৰ লোক-সংস্কৃতিৰ ভঁৰাল ইমানেই সমৃদ্ধিশালী যে সৰু পৰিসৰৰ প্ৰবন্ধ এটাত সেই বিষয়ে আলোচনা কৰি শেষ কৰিব নোৱাৰি। তথাপিও কিছু তথ্য বুটলি আনি আলোচনা কৰিবলৈ যত্ন কৰা হ'ল।

# অৰ্কিড

অংকিতা দত্ত



অসমীয়া নাম ঃ কপৌ ফুল
ইংৰাজী নাম ঃ Foxtail Orchid
বৈজ্ঞানিক নামঃ *Rhynchostylis retusa*

কপৌ ফুল আৰু এই জাতীয় আটাইবোৰ ফুলক ইংৰাজীত অৰ্কিড (Orchid) নামেৰে জনা যায়। এই অৰ্কিড শব্দটো গ্ৰীক শব্দ 'অৰ্কিচ' ৰ পৰা উদ্ভৱ হৈছে । কপৌ হৈছে এবিধ ভেন্দা গোটৰ অৰ্কিড প্ৰজাতি। এই অকিৰ্ডৰ ফুল বিলাক প্ৰায় এশতকৈয়ো অধিক বগা ৰঙৰ ওপৰত গুলপীয়া ফুট ফুট থকা ফুলৰ এক সমষ্টিৰ ৰূপত পোৱা যায়।

আমাৰ অতিকৈ আদৰৰ জাতীয় ফুল কপৌ 'ৰিনক'ষ্টাইলিচ' গনৰ অন্তৰ্গত। কপৌফুল সাধাৰণতে ৬০ ছে. মি. লৈকে দীঘল হোৱা দেখা যায়। সুগন্ধি ফুলবোৰ ১ বা ২ ছে. মি. ব্যাসৰ হয়। ই পৰাশ্ৰয়ী হোৱা বাবে আন গছৰ গাত খামোচা মাৰি ধৰি মূল গছজোপাৰ একো ক্ষতি নোহোৱাকৈ জীৱন প্ৰক্ৰিয়া চলাই থাকে। কপৌ ফুলৰ বীজ, পৰাগযোগ আদি প্ৰক্ৰিয়া আন উদ্ভিদতকৈ বেলেগ। কপৌ ফুলক অসম আৰু অৰুণাচল প্ৰদেশৰ ৰাজ্যিক ফুল হিচাপে মান্যতা দিয়া হৈছে। ২০০৩ চনত এই ফুলক অসমৰ ৰাজ্যিক ফুল হিচাপে ঘোষণা কৰা হৈছিল।

**বিস্তৃতি ঃ**

এই অকিৰ্ড অৰ্ধ-পৰ্ণপাতী আৰু নিম্ন উচ্চতাৰ শুকান পৰ্ণপাতী অৰণ্য সমূহত, সাগৰ-পৃষ্ঠৰ পৰা আৰম্ভ কৰি প্ৰায় ১৩০০ মিটাৰ লৈকে পোৱা যায়। ইয়ঁতৰ ভৌগোলিক বিস্তৃতি বাংলাদেশ, ম্যানমাৰ, চীন নেপাল, ইণ্ডোনেছিয়া, থাইলেণ্ড, মালয়েছিয়া, ছিংগাপুৰ, শ্ৰীলংকা আৰু ভিয়েটনামলৈকে বিয়পি আছে।

ভাৰতত এই উদ্ভিদ ঘাইকৈ উত্তৰ পূৰ্বাঞ্চল, উৰিষ্যা, আৰু অন্ধ্ৰ প্ৰদেশত পোৱা যায়। বৰ্তমান সময়ত চোৰাং ব্যৱসায়ীৰ কবলত পৰি এই উদ্ভিদ এতিয়া ভাৰতত লুপ্ত হোৱাৰ পথত।

বিশ্বৰ বিভিন্ন ঠাইত কপৌ ফুলৰ নাম বেলেগ বেলেগ হয়। ফৰাচী ভাষাত নাৰ্ডিলিয়, ইংলেণ্ডত লিন, চীন দেশত লেন বুলি কোৱা হয়। কপৌ ফুল প্ৰেমী বিশ্বৰ লোকসকলৰ ভিতৰত চীনদেশ সৰ্বপ্ৰথম।

**ব্যৱহাৰ ঃ**

অসমৰ কপৌ ফুলৰ সৌন্দৰ্য আৰু মিঠা সুবাসৰ বাবে ইয়াক বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, কইনাৰ কেশসজ্জা, বিয়া বাৰু আদিত ব্যৱহাৰ কৰাৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। তাৰোপৰি কপৌ ফুলৰ পৰা বিভিন্ন চাবোন, প্ৰসাধন সামগ্ৰী, তেল, মলম আদি প্ৰস্তুত কৰি উলিওৱা হয়। ঔষধীয় গুণৰ বাবে এই উদ্ভিদ কটা-চিঙা, ঘা আদিৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়। কান পকিলে বা কাণৰ বিষ হলে বিষ নিৰাময়ৰ বাবে কপৌফুলৰ কেঁচা পাতৰ ৰস এক বা দুইটোপাল ব্যৱহাৰ কাৰ হয়, ইয়াৰোপৰি ইয়াৰ শিপাৰ ৰস হাড়ৰ বেমাৰ, বাতবিষ, স্নায়ৱিক দুৰ্বলতা আদি ৰোগ নিৰাময়তো ব্যৱহাৰ কৰা হয়। বিছা বা এন্দুৰে কামুৰিলে কপৌফুলৰ ৰস লগালে উপশম ঘটে।

বহাগৰ লগত ফুলৰ এক এৰাব নোৱাৰা সম্পৰ্ক মানেই ‘কপৌফুল’ কিয়নো এই ফুল এপ্ৰিল-মে’ মাহত অৰ্থাৎ বহাগ বিহুৰ সময়ত জাতিস্কাৰ হয় বাবে ইয়াৰ আকৰ্ষণীয় সুবাসত মতলীয়া আমাৰ প্ৰত্যেক অসমীয়া। আমাৰ অতিকৈ চেনেহৰ বহাগৰ বিহুটিত তাহানিৰ পৰা কোনোবা বিহুৱা ডেকাই বিহুৱতী নাচনীক মৰমৰ চিনস্বৰূপে এপাহি কপৌফুল গুজি দিয়াৰ পৰম্পৰা আছে। এই উপহাৰতেই লুকাই আছে জীৱনৰ অনেক ৰং, অনেক সপোন, প্ৰেৰণা আৰু উৎসাহ। সেয়ে কপৌ ফুল আৰু বিহুগীতৰ এক মধুৰ সম্পৰ্ক। কপৌ ফুলক লৈ ৰচা দুটামান বিহুগীত এনেধৰণৰ-

ক) “কপৌ ফুলিল তগৰো ফুলিল
বসন্তৰ সুবাস লৈ
কুলি-কেতেকীয়ে গীত জুৰিলে
বহাগৰ বতৰা লৈ। ”

খ) “কপৌফুলৰ বতৰত বিহুটি আহিলে
নেনাচি কেনেকৈ থাকোঁ
হিয়াৰ মৰমবোৰ তোমালৈ বুলিয়ে
সযতনে ৰাখোঁ।”

গ) “অ’ দেহি অ’ লাহতী কপৌ
বহাগৰ বিহুটি পালেহি আকৌ
ঢোলৰ চেওত নাছিবি, পেঁপাৰ সুৰত নাছিবি
মুগাৰ সাজ পিন্ধি লৈ কঁকাল ভাঙি নাছিবি তই।”

ঘ) “পাহাৰ বগাই বগাই কপৌফুল আনিছোঁ
খোপাতে গুজি দিম বুলি
মাৰক ফাঁকি দি বিহুলৈ আহিলি
চেৰেকি আনোঁগৈ বুলি।”

মুঠৰ ওপৰত, কপৌফুল মানেই যেন ৰঙালী বিহু, আৰু ৰঙালী বিহু মানেই কপৌফুল। কপৌফুল ফুলা দেখিলে ল’ৰাৰ পৰা বুঢ়ালৈ প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ উত্ৰাৱল হৈ পৰে। ঘৰৰ পদুলিমুখৰ তামোল গছ কেইজোপাত লমালমে ফুলি ওলমি থকা কপৌফুলবোৰ দেখিলে হিয়া মন জুৰ পৰি যায়।

অসমৰ অৰণ্যসমূহত ৪৫০ তকৈও আধিক অৰ্কিড পোৱা যায়। অৰ্কিডৰ প্ৰাকৃতিক পযোভৰ থকা অঞ্চল সমূহক চিনাক্ত কৰি ‘অৰ্কিড অভ্যয়াৰণ্য’ হিচাপে ঘোষণা কৰিলেহে অৰ্কিডসমূহ বিলুপ্তিৰ গ্ৰাসৰ পৰা মুক্ত হব।

# পৰিৱেশ সংৰক্ষণত নাৰীৰ ভূমিকা

টুইংকল শইকীয়া

আমাৰ চাৰিওফালে থকা বায়ু, পানী, মাটি, পোহৰ, তাপ, উদ্ভিদ আৰু প্ৰাণী আদিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াকে পৰিৱেশ বুলি কোৱা হয়। ফ্ৰান্স শব্দ '**এনভিৰনা**'ৰ অৰ্থ হ'ল '**পৰিৱেশ**' বা আমাৰ '**চৌপাশ**'। ১৯৮৬ চনত গঠন হোৱা '**পৰিৱেশ সুৰক্ষা আইন**' এ পৰিৱেশৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে— পৰিৱেশ হ'ল বায়ু, মাটি, পানী আৰু মানুহকে ধৰি অন্যান্য জীৱিত পদাৰ্থসমূহৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ। এই পাৰস্পৰিক সম্বন্ধৰ বিচ্যুতি ঘটিলেই প্ৰাকৃতিক ভাৰসাম্যতা বিনষ্ট হয়। সেয়েহে প্ৰাকৃতিক ভাৰসাম্যতা অটুট ৰখাতো জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ প্ৰধান কৰ্তব্য। পৰিৱেশক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়— প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট বা কৃত্ৰিম পৰিৱেশ। প্ৰকৃতিয়ে নিজৰ শক্তিৰে সজাই-পৰাই লোৱা পৰিৱেশেই হ'ল প্ৰাকৃতিক পৰিৱেশ। জান-জুৰি, নৈ, বিল, সাগৰ, পৰ্বত-পাহাৰ, হাবি-বননি, মাটি, বায়ু আদি প্ৰকৃতিসৃষ্ট। এইবিলাকৰ লগতে থকা জীৱ-জন্তু, চৰাই-চিৰিকতি, কীট-পতংগ আদি সকলোবোৰ লৈয়েই প্ৰাকৃতিক পৰিৱেশ গঠন হয়। অপৰূপা সেউজী প্ৰকৃতি আমাৰ বাবে দানশীল, উদাৰ বন্ধু। প্ৰকৃতিয়ে আমাক অকৃপণভাৱে বহু মূল্যৱান সম্পদ যোগান ধৰিছে আৰু আমি প্ৰকৃতিৰ অমূল্য সম্পদৰাজি ব্যৱহাৰ কৰিয়েই অৰ্থনৈতিক, সামাজিক জীৱন উন্নত কৰিছোঁ। সেইবাবেই প্ৰকৃতিৰ দান আৰু মানুহৰ সুস্থ জীৱন যাপনৰ হাবিয়াসৰ মাজত এটা এৰাব নোৱৰা সম্পৰ্ক আছে। এই সম্পৰ্কক কটকটীয়া কৰি ৰখাৰ খাতিৰতে আমি প্ৰাকৃতিক পৰিৱেশক সুৰক্ষা দিব লাগে।

> যাক আমি সৃষ্টি কৰিব নোৱাৰোঁ, তাক ধ্বংস কৰিবৰ আমাৰ অধিকাৰ নাই।

মানৱ সভ্যতা-সংস্কৃতিক আগবঢ়াই নিয়া চৌপাশৰ পৰিৱেশৰ প্ৰতি নাৰীৰ সচেতনতাৰ সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে আমি উভতি চাব লাগিব মানুহৰ ক্ৰমবিকাশৰ ইতিহাসলৈ। সভ্যতাৰ আদিম কালৰ পৰাই নাৰীৰ পৰিৱেশৰ সৈতে নিবিড় সম্পৰ্ক, অৰণ্যত বসবাস কৰা সময়ছোৱাতেই নিজৰ সন্তানক ডাঙৰ-দীঘল কৰা, খাদ্য সংগ্ৰহ কৰাৰ উপৰি নিজৰ সন্তানক প্ৰাকৃতিক পৰিৱেশৰ লগত খাপ খোৱাই জীৱন নিৰ্বাহ কৰিবলৈ শিক্ষা দিয়াৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা উল্লেখনীয়। মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ

আৰম্ভণিতেই নখেৰে মাটি চহাই প্ৰথম বীজ অংকুৰিত কৰাত নাৰীয়ে আগভাগ লৈছিল। ভাৰতৰ বিভিন্ন ধৰ্মীয় আখ্যান, মহাকাব্যসমূহতো নাৰী আৰু প্ৰকৃতিৰ মাজত আৱেগিক সম্পৰ্কৰ মনোগ্ৰাহী বৰ্ণনা পোৱা যায়। ৰামায়ণত ৰাৱণে হৰণ কৰি নিয়া সীতাই আশোক বনৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত মুক্তিৰ বাবে ৰামচন্দ্ৰলৈ অধীৰ আগ্ৰহেৰে বাট চাই ৰৈছিল। চিত্ৰকূট বনত বনবাসৰ সময়ছোৱাত অৰণ্যৰ অন্তহীন বিচিত্ৰ সৌন্দৰ্যৰ প্ৰশংসাত পঞ্চমুখ হৈছিল জানকী, বটবৃক্ষৰ তলত থিয় হৈ সীতাই প্ৰাৰ্থনা কৰিছিল, 'হে পৰম পবিত্ৰ বটবৃক্ষ, আশীৰ্বাদ কৰা যেন মোৰ স্বামী তেওঁৰ প্ৰতিজ্ঞা পালনত সফল হয়। আমি যেন পুনৰ মাতৃ কৌশল্যা আৰু সুমিত্ৰাৰ দৰ্শন লাভ কৰোঁ'। কালিদাসৰ 'অভিজ্ঞান শকুন্তলম'ত পৰিৱেশতন্ত্ৰৰ ধাৰণাটো পোৱা যায়। নাটকখনত কালিদাসে মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কৰ যোগেদি প্ৰকৃতিৰ প্ৰতি মানৱ সমাজৰ থাকিবলগীয়া কৰ্তব্যৰ ছবিখন চিত্ৰিত কৰিছে। লগতে শকুন্তলা পতিগৃহলৈ যোৱাৰ সময়ত আশ্ৰমৰ গছ-লতিকা, হৰিণা পোৱালীৰ মানসিক অৱস্থাৰ বৰ্ণনাৰে প্ৰকৃতিৰো যে মানুহৰ প্ৰতি আন্তৰিকতা আছে সেইটো বুজাইছে। অতীজৰে পৰা নাৰীসকলে লোক-সংস্কৃতিৰ মাধ্যমেৰে পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আমাৰ জনজাতীয় জীৱন যাত্ৰাত প্ৰচলিত পৰম্পৰাগত বৃক্ষ পূজা-চাহ জনগোষ্ঠীৰ কৰম পূজাৰ বিশেষত্বই হৈছে বৃক্ষৰোপণ, এই উৎসৱ নাৰীকেন্দ্ৰিক আৰু অসমৰ ব'হাগ বিহু সদৃশ। ঠিক সেইদৰে টুচু পূজাতো নাৰীয়ে প্ৰধান ভূমিকা লয় আৰু ইয়াতো আমগছৰ ডাল, তুলসী পাত, বেলপাত, ফল-মূলৰ প্ৰয়োজন হয়। বড়ো নাৰীয়ে পূজাৰ বাবে সিজু গছ চোতালত ৰুই সুন্দৰভাৱে বেৰি লৈ ভক্তিভাৱেৰে সংৰক্ষণ কৰা দেখা যায়। ঠিক সেইদৰে কাতি বিহুত অসমীয়া নাৰীয়ে তুলসীৰ তলত বন্তি জ্বলাই পথাৰৰ লখিমীক ভঁৰাললৈ অহাৰ বাট দেখুৱাই দিয়ে, ই তুলসী সংৰক্ষণৰ এক পৰম্পৰা। নোৱাই তুলনী বিয়াত নিখুঁত কলপুলি এটাক স্বামীৰূপে সেৱা কৰা, লাগনী গছক উৰ্বৰতাৰ আকাংক্ষাৰে প্ৰণাম কৰা আদিয়েই পৰিৱেশ সংৰক্ষণৰ উৎকৃষ্ট উদাহৰণ। পৰিৱেশ সংৰক্ষণত অসমৰ প্ৰাকৃতিক উৎসৱ 'বিহু'ৰ প্ৰাসংগিকতা অতি তাৎপৰ্যপূৰ্ণ। মাঘ বিহুৰ উৰুকাৰ দিনা ফল-মূল লগা গছ-গছনিত নৰা, খেৰেৰে নাইবা তমালেৰে বান্ধি 'মাঘ নোৱাৰবলৈ নেযাবি, থোপা-থোপে লাগিবি' বুলি কোৱা কথাষাৰত অন্তঃনিৰ্হিত হৈ আছে গছ-গছনিৰ উৰ্বৰতা বৃদ্ধিৰ আশা আৰু সংৰক্ষণ সচেতনতাৰ মনোভাৱ। ব'হাগ বিহুত পৰম্পৰাগত লোকবিশ্বাস অনুসৰি পালন কৰা নীতি-নিয়মসমূহত নাৰীৰ ভূমিকা উল্লেখযোগ্য। গৰু বিহুত খাদ্য হিচাপে ব্যৱহাৰ কৰা এশ এবিধ শাক চিনাক্তকৰণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত পুৰুষতকৈ নাৰীসকল অধিক অভিজ্ঞতাসম্পন্ন বুলি ক'লে নিশ্চয়কৈ বঢ়াই কোৱা ন'হব। আদিম কালৰ পৰাই পুৰুষৰ সৈতে নাৰী খেতি-বাতিৰ লগত জড়িত। ঘৰৰ আগচোতাল ফুলনিৰে, পিছ চোতাল শাকনিবাৰীৰে ভৰপূৰ কৰি তোলা নাৰীৰ জন্মগত প্ৰবৃত্তি। সন্তান জন্ম দিব পৰা শক্তিৰ অধিকাৰিণী নাৰীক বোলা হয় প্ৰকৃতি। নাৰীয়ে নিজ সন্তানক জন্ম দি লালন-পালন কৰাৰ দৰে গছ এজোপাক লালন-পালন কৰি ডাঙৰ কৰা একেই কথা। সেইবাবেই কোৱা হয় 'প্ৰকৃতি সুৰক্ষাৰ মন্ত্ৰ' নাৰীৰ হাততেই। প্ৰকৃতি সুৰক্ষা মন্ত্ৰৰেই এগৰাকী মাতৃয়ে নিজ সন্তানক সৰুৰে পৰা প্ৰকৃতিৰ সৈতে একাত্ম কৰি পৰিৱেশ সুৰক্ষাৰ বিষয়ে জ্ঞান দিয়াতো অতি প্ৰয়োজন। তাহানিৰ আইতাসকলৰ ঘৰৰ চাৰিবেৰৰ ভিতৰতেই হওক বা বাৰীখনৰ ক্ষেত্ৰতেই হওক নাপায় বোলা হকা-বধাৰ অন্তৰালত পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিৱেশ সংৰক্ষণৰ নীতি-নিয়মসমূহ অন্তৰ্নিৰ্হিত হৈ আছিল বুলি ন দি ক'ব পাৰি। মাতৃসকলে ঘৰখনত, শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সচেতন মনোভাৱেৰে গঢ়ি তুলিলেহে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সেউজীয়া পৃথিৱী বৰ্তি থাকিব। প্ৰকৃতি সুৰক্ষাৰ বাবে গাঁৱে-ভূঞে, নগৰে-চহৰে নাৰী সংগঠন গঢ়ি তোলা উচিত। এনে সংগঠনৰ বাবে নাৰীসকল উচ্চশিক্ষিতা হ'বই লাগিব বুলি কোনো ধৰা-বন্ধা নিয়ম নাই। আমি যিহেতু জন্ম লোৱাৰ পৰাই আইৰ আখলতেই (পুৰণি দিনৰ পৰা) সংৰক্ষণৰ ব্যৱস্থা দেখি বা শিকি আহিছোঁ। লাগে মাথোঁ পৰিৱেশ বন্ধুভাৱাপন্ন (Environment friendly) মন। এনে মনোভাৱেৰে আমি নাৰীশক্তি যদি সংঘবদ্ধ হওঁ, তেন্তে আমি পৰিৱেশ সচেতনতা আৰু সংৰক্ষণৰ ক্ষেত্ৰত নতুন দিগন্ত সূচনা কৰিব পাৰিম। পৰিশেষত গুৰু নানকৰ ভাষাৰেই সামৰোঁ—'যাক আমি সৃষ্টি কৰিব নোৱাৰোঁ, তাক ধ্বংস কৰিবৰ আমাৰ অধিকাৰ নাই।'



# গোলকীয় উষ্ণতা বৃদ্ধি

ডলী সোণোৱাল

**আৰম্ভণি ঃ** সাধাৰণতে 'গোলকীয় উষ্ণতা' বুলিলে পৃথিৱী পৃষ্ঠৰ গড় উষ্ণতাৰ ক্ৰমাগত বৃদ্ধি পোৱা অৱস্থাক বুজোৱা হয়। বিস্তৃতভাৱে ক'বলৈ গ'লে, প্ৰাকৃতিক তথা মানুহৰ অবিবেচকী ক্ৰিয়া কলাপৰ ফলত বায়ুমণ্ডলৰ লগতে ভু-পৃষ্ঠত যি উত্তাপ বৃদ্ধি পাইছে, তাক 'গোলকীয় উষ্ণতা বৃদ্ধি' বুলি কোৱা হয়। গোলকীয় উষ্ণতা বৃদ্ধি সাম্প্ৰতিক বিশ্বৰ এক ভয়াবহ সমস্যা। ই পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাই জীৱ জগতৰ অস্তিত্বত ভাবুকিৰ সৃষ্টি কৰি আছে।

গোলকীয় উষ্ণতা বৃদ্ধি হ'ল, পৰিৱেশৰ প্ৰতি এটা ভয়ানক প্ৰত্যাহ্বান। পৃথিৱীৰ জলবায়ু তন্ত্ৰৰ গড় উষ্ণতা দিনক দিনে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

**গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণঃ** বিজ্ঞানীসকলৰ মতে, যোৱা পঞ্চাশ বছৰত পৃথিৱী পৃষ্ঠৰ উষ্ণতা অতি দ্ৰুত গতিত বৃদ্ধি পাই আছে। ইয়াৰ কাৰণ কেইবাটাও যেনে-

**ক) জলীয় বাষ্প ঃ** বায়ুমণ্ডলত প্ৰৱেশ কৰা সূৰ্যৰ পোহৰৰ অৱলোহিত ৰশ্মি জলীয় বাষ্পই শোষণ কৰি লয়। ইয়াৰ উপৰি জলীয় বাষ্পৰ দ্বাৰা গঠন হোৱা মেঘতো সূৰ্যৰ অৱলোহিত ৰশ্মি শোষিত হয়। ফলত ভূ-পৃষ্ঠৰ ওপৰৰ উত্তাপ বৃদ্ধি পায়।

**খ) কাৰ্বন-ডাই অক্সাইড ঃ** বায়ুমণ্ডলত থকা কাৰ্বন-ডাই অক্সাইডেও তাপ শোষণ কৰে। বায়ুমণ্ডলত কাৰ্বন-ডাই অক্সাইডৰ পৰিমাণ যিমানে বৃদ্ধি পায়, সিমানে ভু-পৃষ্ঠৰ উত্তাপ বাঢ়ি যায়। ভূ-পৃষ্ঠত আগ্নেয়গিৰিৰ উদগীৰণ, মটৰ-গাড়ী, কল-কাৰখানা আদিৰ পৰা নিৰ্গত হোৱা ধোঁৱা, ছাই বায়ুমণ্ডলৰ লগত



মিহলি হৈ বায়ুত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বৃদ্ধি কৰি গোলকীয় উষ্ণতা বৃদ্ধিত ইন্ধন যোগায়।

**গ) অ'জন গেছঃ** বায়ুমণ্ডলত থকা অজন গেছেও সূৰ্যৰ পৰা অহা অৱলোহিত ৰশ্মি শোষণ কৰি গোলকীয় উত্তাপ বৃদ্ধি কৰে।

সম্প্ৰতি বিজ্ঞানীসকলে প্ৰমাণ পাইছে যে টি, ভি, কম্পিউটাৰ আদি অহৰহ চলি থকা সময়তো বন্ধ কোঠাত অজন গেছ উৎপন্ন হয়।

**ঘ) নাইট্ৰাছ অক্সাইডঃ**- নাইলনৰ সামগ্ৰী তথা বয়-বস্তু, কয়লাৰ দহন, নাইট্ৰজেনযুক্ত সাৰৰ বিয়োজন আদিৰ উৎসৰ পৰা নাইট্ৰাছ অক্সাইড উৎপন্ন হয়। ইয়াৰ অনুয়ে তাপ শোষণ কৰি গোলকীয় উত্তাপ বৃদ্ধিত অৰিহণা যোগায়।

**গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়াবহতা ঃ**

গোলকীয় উষ্ণতা বৃদ্ধিয়ে বহু ধৰণৰ সমস্যাৰ সৃষ্টি কৰে-

ক) গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ বিশাল বৰফস্তূপৰ গলন আৰম্ভ হৈছে। বিজ্ঞানীসকলে সমীক্ষাত প্ৰকাশ কৰিছে যে বায়ুমণ্ডলৰ উত্তাপ ২-৩ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পালে উত্তৰ আৰু দক্ষিণ মেৰুত জমা হৈ থকা বৰফস্তূপবোৰ গলি যাব। ফলত সমুদ্ৰ পৃষ্ঠ ওপৰলৈ উঠি আহিব। তেনে অৱস্থাত সাগৰ মহাসাগৰত থকা বহু দীপৰ লগতে বহুকেইখন দেশ পানীৰ তলত ডুব যাব। ফলত মানৱ জাতিৰ অস্তিত্বলৈ চৰম দুৰ্যোগ নামি আহিব।

খ) গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত পৃথিৱীৰ জলবায়ুৰ পৰিৱৰ্তন হয়। জলবায়ুৰ পৰিৱৰ্তন হ'লে কোনো কোনো ঠাইত-বৃষ্টিপাতৰ পৰিমাণ অতিৰিক্ত হ'ব আৰু কোনো কোনো ঠাই অনাবৃষ্টিৰ ফলত মৰুভূমিত পৰিণত হ'ব।

গ) অপ্ৰতিহত অভাৱনীয় তাপ প্ৰবাহ বৃদ্ধিৰ ফলত মানুহৰ মৃত্যুৰ হাৰ বৃদ্ধি পাব।

ঘ) খাদ্য শস্য উৎপাদনৰ পৰিমাণ হ্ৰাস পাব। ফলত মানৱ জাতি খাদ্য সংকটত পৰিব।

ঙ) বায়ুমণ্ডলত বিষাক্ত গেছ যেনে কাৰ্বন ডাই অক্সাইড, নাইট্ৰাছ অক্সাইড, অ'জন গেছ আদিৰ পৰিমাণ বৃদ্ধি পাব আৰু অক্সিজেনৰ পৰিমাণ হ্ৰাস পাব। ফলত প্ৰাণী জগতৰ অস্তিত্বত ভাবুকিৰ সৃষ্টি হ'ব।

**গোলকীয় উষ্ণতা বৃদ্ধি ৰোধৰ উপায় ঃ**

গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে মানৱ জাতিয়েই দায়ী। মানৱ জাতিৰ অবিবেচকী কাৰ্যকলাপৰ বাবেই গোলকীয় উষ্ণতা দ্ৰুতগতিত বৃদ্ধি পাই আছে। সেয়ে অতিশীঘ্ৰে ইয়াক ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ বাবে আমি তলত উল্লেখ কৰা উপায়সমূহ গ্ৰহণ কৰিব পাৰোঁ।

ক) বায়ুমণ্ডলত অক্সিজেন আৰু বৰষুণৰ পৰিমাণ বৃদ্ধিৰ বাবে অধিক গছ-গছনি ৰোপণ কৰিব লাগিব আৰু অৰণ্য অঞ্চলৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব।

খ) কল-কাৰখানাৰ ব্যৱহাৰ সীমিত কৰিব লাগিব।

গ) আনৱিক বিস্ফোৰণ বন্ধ কৰিব লাগিব।

ঘ) খেতি-পথাৰত ৰাসায়নিক সাৰৰ প্ৰয়োগ বন্ধ কৰি নাইট্ৰাছ অক্সাইডৰ উৎপাদন হ্ৰাস কৰিব লাগিব। ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ ব্যৱহাৰৰ প্ৰতি জনগণক সচেতন কৰিব লাগিব।

ঙ) ধোঁৱা নিৰ্গত হোৱা যান-বাহনৰ ব্যৱহাৰ হ্ৰাস কৰিব লাগিব বা পৰিৱেশ অনুকূল বিকল্প ইন্ধনৰ আৱিস্কাৰ কৰিব লাগিব।

**সামৰণি ঃ**

গোলকীয় উষ্ণতা বৃদ্ধি কোনো এক বিশেষ অঞ্চল বা কোনো বিশেষ ৰাষ্ট্ৰৰ সমস্যা নহয়। ই সমগ্ৰ বিশ্বৰ, সমগ্ৰ মানৱ জাতিৰ সমস্যা। সেয়ে ইয়াক ৰোধ কৰাৰ বাবে বিশ্বৰ প্ৰতিজন ব্যক্তি, পৰিৱেশ সচেতন হ'ব লাগিব আৰু বিশ্বৰ ৰাষ্ট্ৰসমূহে একত্ৰিত হৈ উমৈহতীয়া প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব। অন্যথা সন্নিকট ভৱিষ্যতে মানৱ জাতিলৈ চৰম দুৰ্যোগ নামি আহিব।

# স্বদেশ ৰক্ষাৰ আমি একতাৰ যুঁজাৰু

মেৰী কলিতা



সৃষ্টিকৰ্তাৰ অপূৰ্ব সৃষ্টি মোৰ দেশ ভাৰতভূমি,
হেৰৌ বিপ্লৱী
দেখা নাই জানো এই দেশৰ
এতিয়াৰ শতৰুৰ নৱ ধ্বনি।
নে বুজা নাই বিপ্লৱৰ মৰ্ম...
শতৰুৰ ধ্বনি নেওচি মোহাৰি
দেশৰ চৌদিশত উঠিছে বাজি
অগ্নিকবিৰ গান,
তই সাজু হ, সাজু হ, নৱজোৱান।
হুংকাৰি উঠিল মুক্তি যুঁজাৰু
ওলাই আহিল অসমী গাভৰু
মৃত্যুবিজয়ী গাঁৱৰ জীয়ৰী,
মূলাগাভৰু, কনকলতা আমাৰ দেশৰ মান,
বীৰ লাচিত, অশোক প্ৰতাপ
তোমাৰেই সন্তান।
শংকৰ-মাধৱ এই দেশৰ
ধৰ্ম একতাৰ গৌৰৱ
নামৰ মাজেৰে, অংকীয়া নাটেৰে
দেশত বিলাইছিল সৌৰভ।
এই দেশৰ
গান্ধী, নেহৰু, বসুৰ আদৰ্শ
বুকুত লৈ যাম আগুৱাই
তুমিয়েই মোৰ ভাৰত জননী
প্ৰণাম জনাইছোঁ আই।

মুক্তি বিচৰা ভাৰতে আজি
ধৰিছে নতুন গান,
বিশ্বমেলত ঠাই বিচাৰিছে
জাগিছে দেশত প্ৰাণ।
তোমাৰ স্বাৰ্থতে কতজন শ্বহীদে
কৰিলে উচৰ্গা প্ৰাণ
মৰণ নহয়, ই যেন তোমাৰ
মৰমৰ প্ৰতিদান।
শোষিত, নিষ্পেষিত ভাৰতৰ গ'ল
মৰটোপনি ভাগি
উঠে আজি নৱভাৰতৰ
নবীন শক্তি জাগি।
আজি চিঞৰি ক'ম,
হেৰৌ বিপ্লৱী
ব'লা হাতে হাত ধৰি
খোজ মিলাই যাম স্বজাতিৰ স্বাৰ্থত
ব'লা, একেলগ হৈ থিয় দিম
স্বদেশৰ খাতিৰত।
ব'লা... ।

# জীৱনৰ গতি আৰু শান্তি

কৃষ্ণ দাস

আমি প্ৰতিদিনে পাওঁ নতুনত্বৰ সন্ধান
পুৰাৰ পৰা গধূলিলৈকে আমি দৌৰি থাকোঁ।
জীৱনৰ দৌৰত, সূৰ্য বিচাৰি আমি
হাতত গেজেট, পৰ্দাবোৰ জিলিকি থকা,
আমি য'ত যাব লাগে তাত নেভিগেট কৰোঁ।
মাত্ৰ এটা ক্লিকৰ সৈতে কৰা সংযোগসমূহ,
তথাপিও কেতিয়াবা বাস্তৱ জীৱন পিছলি যাব পাৰে।
এই হুলস্থুলত আমি প্ৰায়ে পাহৰি যাওঁ
আমি পাব পৰা সহজ আনন্দবোৰ।
পাৰ্কত খোজকাঢ়ি, হৃদয়স্পৰ্শী কথা,
মুহূৰ্ত আন প্লাগ, য'ত আমি আনলক কৰিব পাৰোঁ।
জীৱনৰ গতি, ই বাঢ়িব পাৰে
কিন্তু আভ্যন্তৰীণ শান্তি পাহৰি নাযাওঁ।
আধুনিকতা আৰু বাস্তৱৰ কি ভাৰসাম্য ৰক্ষা কৰা,
এই ঘূৰ্ণীবতাহত আমি এতিয়াও সুস্থ হৈ উঠিব পাৰোঁ।
উশাহ ল'বলৈ সময় উলিয়াওক, দৃশ্য উপভোগ কৰক,
জীৱনটো পুৰণি আৰু নতুন দুয়োটা মুহূৰ্তৰ কথা
গতিকে, এই নিত্য পৰিৱৰ্তিত দৃশ্যটোত
ভাৰসাম্য বিচাৰি উলিয়াওক, নিশ্চিন্ত হৈ থাকক।



# ব্যৰ্থতা

হাৰুণ আলী

সুৰুযমুখীৰ আজি ডেউকা ভঙা !
ভগ্ন হৃদয়ৰ মৌন ভাষাৰে আজি ক্লান্ত
অৱকাশৰ সীমনা ভাঙি যুঁজাৰ হাবিয়াস আৰু নাই।
অদম্য উৎসাহৰ যেন পৰিসমাপ্তি
অব্যক্ত ঠিকনা বিচাৰি ভাৰাক্ৰান্ত
হেঁপাহবোৰ যেন আজি ধূলিময় ফাগুন।
উজাগৰী নিশাবোৰ স্মৃতিৰ কোলাত
নিঃ পালি।
নিশব্দ নিৰ্বণ আজি স্বপ্ন তুলিকাৰ বিনোদন।
ব্যৰ্থতাৰ উন্মাদনাত উথলি নুঠিল হাঁহিবোৰ
হেঁপাহবোৰ বৈ গ'ল, সপোনবোৰ শুই পৰিল
এৰি গ'ল বিশ্বাস নামৰ প্ৰত্যাশাটো।

# মোৰ প্ৰথম প্ৰেম দেউতা

মেৰী কলিতা

তোমাৰ উৎসাহ, তোমাৰ আশাবোৰে
বুকুত গুজি দিয়ে মোক
অজস্ৰ সপোনৰ ন- কুঁহিপাত।
দিনৰ শেষত ক'ৰবাত
ক্লান্ত তোমাৰ মুখ
অথচ, তোমাক কোৱা নহয়।
তুমি আছা বাবেই
সাহ আছে মোৰ
তুমি আছা বাবেই
নিৰ্ভয়ে থাকো
তুমি মোৰ প্ৰথম প্ৰেম দেউতা
অথচ, তোমাৰ সন্মুখত যেন
এবাৰলৈও কোৱা নহয়
ভালপাওঁ তোমাক বহুত
এই যে প্ৰথমবাৰেই মাত্ৰ
মই কান্দি উঠাৰ লগে লগে
বিৰিঙিছিল তোমাৰ ওঁঠৰ হাঁহি।
লাহে লাহে খোজকঢ়া, দৌৰা।
প্ৰতিযোগিতা
পাছে পাছে তুমি আহা
অনেক ব্যস্ততাৰ মাজতো
মোৰ বিশেষ বন্ধু হৈ পৰা
তুমি দেউতা....




কেতিয়াও কোৱা নহয়,
কিমান তোমাক ভালপাওঁ মই দেউতা
জানো দেউতা,
শেষ ৰক্ত দিওঁ তুমি যুঁজিবা
তোমাৰ সন্তানৰ বাবে
তুমি আছা বাবেই
তুমি আছা বাবেই দেউতা,
মোৰ পৃথিৱীখনো সুকীয়া।

# চেনেহৰ আই

হেনাশ্ৰী দত্ত

হায়! তোমাৰ সেই গভীৰ ক'লা চকুযুৰি
এই পৰোঁ, এই পৰোঁ কৈ থকা
অশ্ৰুকণাৰে সুশোভিত
চকুযুৰিৰ বাৰে বাৰে
প্ৰেমত পৰোঁ।
তুমি আমাৰ কাৰণে কৰা
কষ্টসাধ্যবোৰ
চিন্তাত উজাগৰী ৰাতি পাৰ কৰা তোমাৰ চকুযুৰিৰ
প্ৰেমত পৰোঁ বাৰে বাৰে।
তোমাৰ প্ৰেমত যেন অনাপৰিভ্ৰমিত হ'ব
পৃথিৱীৰ পৰিভ্ৰমণ
তোমাৰ মৰমৰ, ত্যাগৰ
আৰু এসাগৰ ভালপোৱাত
আসন্ন মোৰ বহ্নিত হৃদয়।
আস...! তোমাৰ হাতৰ
পৰশতে যেন মৃত্যু হয়
মোৰ দেহৰ কোটি কোটি বিষাক্ত বীজাণু।
প্ৰাণ পাই উঠে পুনৰ
সঞ্জীৱনী সুধাই।
তোমাৰ প্ৰেমৰ মালিতা
গাঁঠি শেষ কৰিব
বিচাৰোঁ মোৰ হৃদয়ৰ
প্ৰেমৰ কৰণি।
তোমাৰ প্ৰেমতে আসন্ন
ডুব যাব বিচাৰোঁ প্ৰতিপল
কিয়নো তুমি যে
মমতাময়ী
মোৰ মা।





# সেউজ

মানৱজ্যোতি নাথ

বিধ্বংসী সেউজ কোমল আঁচল
বনকুঁৱৰীৰ চিঞৰ; কান্দোন
কোলাহল চৌপাশে
তিক্ততাই টৌ খেলা সময়
নির্জনতাৰ সেউজ বননিৰ ঠাইত
বহি আছে আজি শুকান ভূমিয়ে
চৌপাশে বিস্তাৰিত উটৰ ছাঁ।

# আপোন মহাবিদ্যালয়খনি

পিংকী কুলী

আজাৰফুলীয়া জাক জাক পখিলাৰ শাৰী
মৌপান কৰি নাচি বাগি থাকে
বৌদ্ধিক ৰসৰ মৌচাক যেন
মৰমৰ এল.টি.কে মহাবিদ্যালয়খনি।
যিসকলে আমাক কৰিলে জ্ঞানী
তাৰ বাবে তেওঁলোক চিৰপূজনীয়,
বছৰে বছৰে আহে এক ন-প্ৰজন্ম
ওলাই যায় প্ৰবীণ প্ৰজন্ম
এইদৰে চলি যায়
আপোন মহাবিদ্যালয়খনি।
এইদৰে আগুৱাই যাওঁক মহাবিদ্যালয়খনি
এল.টি. কে মহাবিদ্যালয় তুমি মহান
তোমাৰ জ্ঞানৰ আভাই
আলোকিত কৰি, চৌদিশে কৰিছে জাতিস্কাৰ।

# মা

প্ৰণৱজ্যোতি মুছাহাৰী



মা, তুমিয়েই দিলা জনম
বিশাল এই ধৰণীত,
তুমিয়েই কৰিলা লালন-পালন
তোমাৰ মৰমৰ কোলাটিত।
মা, তুমিয়েই শিকালা মোক
জীৱনৰ প্ৰথমটি খোজ,
তুমিয়েই বুজালা সদায়
কৰি যাবলৈ জীৱনৰ যুঁজ।
মা তুমিয়েই দিলা জ্ঞান
আন্ধাৰ আঁতৰাই পোহৰক সাৱতি ল'বলৈ।
তুমিয়েই দিলা সাহস।
অন্যায়ক প্ৰতিবাদ কৰি
ন্যায়ক আগুৱাই নিবলৈ,
মা তুমিয়েই দিলা প্ৰেৰণা।
দুখ পাহৰি সুখৰ অনুভৱ কৰিবলৈ,
তুমিয়েই শিকালা ধৈৰ্য
বিপদক ভয় নকৰি
হেলাৰঙে থিয় দিবলৈ।

# চকুপানী


ছোনীয়া দাস

শূন্য জন পথত
অকলশৰীয়া যাত্ৰী মই,
দৰিদ্ৰতাৰ পাহাৰ বগাব বিচৰা
আজি অকলশৰীয়া যোদ্ধা মই।
মোৰ শব্দ নাই এই অনন্ত পথত
মাথোঁ আগুৱাব শিকিছোঁ,
অনাই বনাই পাৰ বিচাৰি বিচাৰি
এই যাত্ৰাত আছে অনেক জন।
কোনো অচিন দেশত
নিৰূপায়, নিৰুদ্দেশ,
চকুৰে মনিব নোৱাৰা ওখ পাহাৰ
বগাবলৈ শিকিছোঁ মই,
মাথোঁ অন্তহীন যাত্ৰী হৈ।

# জীৱন মায়া

মধুস্মিতা চেতিয়া

মৰুভূমিৰ তপত বালিত
মৰীচিকাই খেদি ফুৰা
ক্লান্ত পথিক মই,
মন মোৰ ভোকাতুৰ
জানো নাহে কোনো
আজি মোৰ হৃদয়ৰ
জোৱাৰক শান্ত কৰিবলৈ।
নাহে কোনো মোৰ অন্তৰৰ
মাজত অমৃতৰ ঢল বোৱাবলৈ,
তথাপিও আশাহত হোৱা নাই
জীৱনটো জীয়াব খুজিছোঁ
আজি জোনাকীৰ কোলাত
সূৰুযৰ ৰাঙলী আভাত
উদ্ভাসিত মোৰ জীৱন আজি।
তৃষ্ণাতুৰ জীৱনে বিচাৰিছে মাথোঁ।
আজি দুবৰিৰ মালাগঁথা নিয়ৰৰ টোপাল
জীৱনৰ সন্ধানত
যদিওবা মহাসাগৰৰ মাজত মেলি দিলোঁ
মোৰ টুলুঙা নাওখনি।



# অৰ্থ

পাৰ্থ দাস

জীৱনৰ শেষ অৰ্থ কি?
ৰক্তময় হৃদয়ৰ শেষ প্ৰশ্ন মোক,
জন্মৰ শেষ অৰ্থ কি?
ৰঙাতেজৰ বিলাসিতা জীৱনৰ
শেষ অৰ্থ কি?
তেজৰ সাগৰত কৰ্মৰ হিমালয়,
তথাপিও প্ৰশ্ন মোৰ শেষ অৰ্থ কি?
তেজৰ সাগৰৰ আকাশ চুমি জোৱাৰ,
কৰ্মৰ হিমালয়ৰ শেষ শীৰ্ষ।
তথাপিও নাই শেষ অৰ্থ কি?
আন্ধাৰ কক্ষত, হৃদয়ৰ একোণত
জীৱনৰ শেষ অৰ্থ মই।
অপ্ৰিয় হলেও সত্য
মৃত্যু মই।।

# ৰণুৱা

হিৰন্ময় দাস

হেৰৌ ৰণুৱা, তই আহিছ কিয় পিছুৱাই
কৰিম বুলি ভাবিছ নেকি ?
জাতিক লাঞ্চিত, ভূমিৰ পৰাও বঞ্চিত
যদিহে আছে তোৰ সাহ
আগবাঢ়ি যা, আগবাঢ়ি যা।
তই নাহিবি পিছুৱাই
নকৰিবি এনে ভুল
শত্ৰুটোক নিধন কৰ।
গাই যা জয়গান
তোৰ ব্ৰজ নিনাদত
শত্ৰু হ'ব তেতিয়া কম্পমান
তোৰ স্বদেশত ভাঁহিব
তেতিয়া জয়ৰ প্ৰতিধ্বনি
হেৰৌ ৰণুৱা, তই নাহিবি পিছুৱায়।



# বন্ধু

কুন্তল দত্ত

হতাশ হলে কেতিয়াবা
তই আহিবি! সাহস দিবিহি।
জীৱনৰ তাগিদাই দূৰ কৰি ৰাখিলেও
ঐ বুলি দূৰৈৰ পৰা মাতিলেও এবাৰ ঘূৰি চাবি।
বিশ্বাস কৰোঁ
সুখতো একেলগে থাকিম
দুখতো একেলগে থাকিম
কথা দিলোঁ।
তহঁত আছ বাবেই জীৱন ইমান সুন্দৰ,
তহঁত আছ বাবেই বন্ধুত্ব ইমান শক্তিমান,
কিমাননো দূৰ জীৱনৰ বাট
কিমান নো টান দুখৰ বাট
শুভেচ্ছা তোলৈ, শুভেচ্ছা সকলোলৈ
এয়াই হৈছে বন্ধুত্বৰ এনাজৰী।

# শব্দ কথাৰে

কৌশিক দত্ত



মাজনিশা নিস্তব্ধতাৰ জাল ফালি
ওলাই আহিব খোজে
নিস্তেজ হৈ পৰা কিছুমান শব্দ...
যিবোৰে হেৰুৱাই আছে
ইতিমধ্যেই নিজৰ
স্বকীয়তা...
যাৰ অৱস্থিতি এতিয়া
মাথোঁ সংকটময়
তাহানিৰ দৰে এতিয়া
ঋষি নাই
নাই সেই অভিশাপ,
মৰম, ভালপোৱা, ক্ৰোধ
হৃদয়ৰ অনুভূতিবোৰ মূল্যহীন
দুৰ্বল হৈ পৰিছে
অৰ্থহীন হৈ ৰৈ আছে
আমাৰ কাষত
হৃদয়ৰ কোনোবা এটা চুকত
এনেই পৰি ৰৈছে।
একো কাম নথকাত ইহঁত
নষ্ট চৰিত্ৰ হৈ পৰিছে,
তথাপি হৃদয়ৰ দুৱাৰ-খিৰিকী ভাঙে
এনে কিছুমান শব্দই।
শব্দৰ মাজতেই শব্দৰ যোৱা
অহৰহ যেন কিবা এটা বিচাৰি থকা হয়,
সেই শব্দৰ মাজতেই
কিছুমান শব্দ যে তেনেই নিৰ্লজ্জ....
সিহঁতৰ যাত্ৰা
অন্য দিশে।

এখন মোৰ প্ৰতিযোগিতা
সফল আৰু অসফল
শব্দৰ মাজত
কোনেও নাজানে কোনবোৰ শব্দ
সফল আৰু অসফল।
সফল, বিজয়ী সেই শব্দবোৰেহে
শাসন চলায় সেই
অসফল শব্দবোৰৰ ওপৰত
তথাপি মানি চলা হয়
সিহঁতৰ শাসন,
নিষ্প্ৰভ শব্দ কিছুমানে
নিসংগতাৰ মুহূৰ্তত মোক
বৰকৈ আমনি কৰে...
নীৰৱে নিস্তব্ধতাত ওলমি ৰৈছোঁ
কিছুমান শব্দলৈ চাই চাই
শব্দৰ অন্তৰালত
মাথোঁ শূন্যতা।

# এটি ভাল লগা সপোন

ৰবী নাথ

এটি ভাল লগা সপোন
স্বাৰ্থৰ অবিহনে কোনো কাৰো নহয় আপোন।
সম্পৰ্ক যিয়েই নহওঁক, মাথোঁ বিভেদৰ নাচোন।
সম্বন্ধবোৰ এখন ঠুনুকা দাপোণ।
সময়বোৰৰ সাজোন কাচোন
হাঁহিৰ সলনি মুখত আজি চকুপানীৰ বোল।
ধূসৰিত আজি সেই মধুৰ স্মৃতিবোৰ।
উন্মুক্ত দুবাহুৰ বহল বক্ষত
নিঃশব্দে বন্দী জীৱন্ত ছবি।
বিপৰ্যয় ভাৰাক্ৰান্ত মনৰ স্বীকাৰোক্তি
নিসংগতাৰ কালগ্ৰহত হৃদয়ৰ সমস্ত অনুভূতি।
আত্মীয় স্বজন কিম্বা আপোন মোৰ
আজি নিজ স্বাৰ্থৰ পৰিপন্থী।
আঁউসীৰ আন্ধাৰত বাট হেৰুওৱা দিশহাৰা পক্ষী।
জোনটিয়ে ও হাঁহে দেখোন নিৰিবিলি জোনাক ৰাতি।
ফৰকাল আকাশৰ ৰং সলালে কলিয়া ডাৱৰে আহি।
ভাগি গ'ল ডেউকা মনৰ পক্ষী থানবান কৰি।
শেষ দিনৰ অপেক্ষাত দিনান্তৰ উদাসে আগুৰি ধৰে
ধূসৰিত প্ৰতিটো সন্ধিয়াত আহি।



# জীৱনৰ সংজ্ঞা

পল্লৱী বৰা

বিষাদৰ নৈখন বৈ যায়
হৃদয়ৰ বক্ষৰে নিৰৱচ্ছিন্নতাৰে
প্ৰাপ্তি নামৰ সীমনা বিচাৰি।
ছায়াচন্ন কেঁকুৰিবোৰত
অদৃশ্য হৈ যায় প্ৰাপ্তিৰ নাম দিয়া অপ্ৰাপ্তিবোৰ।
বিষাদবোৰ যে বদহজম
ছন্দহীন জীৱনটোৰ হাজাৰটা ধুমুহা
জোকাৰি যায় হৃদয়ৰ শেতেলী।
ৰঙীন পৃথিৱীৰ মাদকতা, ৰামধেনুৰ ৰঙৰ আবিৰ
সনা সপোনবোৰতো যেন বিষাদৰ মেৰপাক।
জীৱনে শিকাই যায় হেজাৰটা নতুন কথা
বুকু ভেদি ফুটি উঠে জীৱন জীওৱাৰ আশা।
কোনে জানে বিষাদে গ্ৰাস কৰা জীৱনৰ সংজ্ঞা
সীমাহীন বিষাদেৰে ভৰা
নিৰৱ-নিস্তব্ধ বুকুৰ অলিন্দত
হাঁহি হাঁহি জীৱনৰ সংজ্ঞা।

# হে নাৰী

জিম্পী বৰা

ফুলৰ দৰে গোন্ধাইছা তুমি
মোৰ এই ঘৰ
গোটেই পৃথিৱীখন
ৰঙীন পোহৰেৰে পোহৰাই
জীৱনৰ কঠিন বাটত।
তুমি শস্য শ্যামলা এখন পথাৰ হৈ নাচি আছা
গছে-বিৰিখে ৰ'দৰ ছায়া হৈ ৰৈ আছা
এজাক বগলী হৈ উৰি গৈছা আকাশলৈ
বৰষুণ হৈ সৰি পৰিছা ধৰাৰ বুকুত
মাটিয়ে মাটিয়ে বৈ আছে তোমাৰ কৰুণ গাঁথা
তুমি আছা বাবেই মই আছোঁ
মই যদি দুখত কান্দিছো
তুমি মোক নিচুকনি গীত গাই চকুলোঁ মোহাৰিছা
হে নাৰী,
এই বিশ্ব-ব্ৰহ্মাণ্ডৰ ৰূপকাৰ তুমি
হেজাৰ বছৰ ধৰি লালিত-পালিত মই
চিৰদিন তোমাৰেই ঋণী হৈ ৰ'ম।
হে নাৰী, তোমাৰেই জয়গান গাম
মোৰ জীৱনৰ শেষ মুহূৰ্তলৈ।



# জীৱন

জ্যোতিষ্ময় কুমাৰ নাথ

কহুৱা কোমল জোনাকৰ
স্নিগ্ধ পোহৰৰ আলমত
নিয়ৰ সিক্ত দুৱৰিৰ দলিচা পাৰি
অদিতিয়ে আদৰিছে,
শেৱালী অনামী সুবাস বিয়পি থকা
শৰতৰ এক মাতাল ৰজনীক...
মোৰ কলমৰ আগত প্ৰাণ পাই উঠিছে
জীৱনৰ মৰ্মাৰ্থ।
জীৱন মানেই এক সংগ্ৰাম
হাঁহি, কান্দোন, সুখ, দুখেৰে সংমিশ্ৰিত
এক অলিখিত, অব্যাখ্যায় সংগ্ৰাম।
আৰু আমি! আজীৱন শেষ নোহোৱা
এক সংগ্ৰামৰ নিৰ্ভীক ৰণুৱা..
দুখ যদি আজি আমাৰ ঠিকনা হয়
চকুলো হ'ব পৰিচয়..
তথাপিও ল'ব লাগিব
ভীতিগ্ৰস্তহীন হৈ লক্ষ্যপ্ৰাপ্তিৰ
ব্ৰজকঠোৰ সংকল্প।
যুঁজি যাম আমি, যুঁজি যাম আমৰণ
শৰীৰৰ শেষ টোপাল ৰক্তৰে লিখি যাম
মৌনভাষাৰ বিভ্ৰান্তময় জীৱনৰ
স্পষ্ট তেজৰঙা ডায়েৰী।

# দুখৰ সময়

দেৱজিত বৰা

সময়ে সময়ৰ আহ্বানত
আমাক পুতলা সজাই
পুতলা নাচ নাচি আমি যান্ত্ৰিক হওঁ
চাবিত চলে হাত আৰু ভৰি,
চাবিতে বন্ধ হয় মন আৰু মগজু।
সময় নিদাৰুণ হ'লে
বোৱঁতী নৈ হৈ পৰে এৰা সুঁতি
পথাৰৰ চিৰাল ফাঁটত
উজুটিয়াই বাগৰে
খেতিয়কৰ সপোন
আলচা কথা আলচতে ৰয়
বিনা মেঘত হয় বজ্ৰপাত,
সময়ৰ হাতোৰাত
সোমাই ৰায় বৰপিতাইৰ সপোন
ভোকাটোৰ পেটৰ মেলা।



# ফাগুনৰ অনুভৱ

তনয়া বৰা

ফাগুন এটি সুমধুৰ গীতৰ গুণগুননি
ফাগুন মানেই কোমল বতাহজাকে
কঁপাই যোৱা হৃদয়ৰ কঁপনি।
ফাগুন তুমি শীতৰ লঠঙাবোৰ আঁতৰাই
গছ বিৰিখৰ ডালে ডালে
সেউজীয়া ৰং বুলাই দিয়া।
ফাগুন যেন এখনি ধূলিয়ৰি ভাৱনা আকাশ,
ফাগুন মানেই শিমলু, মদাৰ পলাশৰ
তল সৰা ৰঙীন দলিচা।
ফাগুনে কঢ়িয়াই আনে প্ৰেমৰ বতাহজাক
ফাগুনে পৰিস্কাৰ কৰে হৃদয়ৰ কলুষিতা
হে ফাগুন, ভালপাওঁ তোমাক।

# ফাগুন

জয়শ্ৰী শইকীয়া

যোৱাবাৰ কৈছিলা
ফাগুনত আকৌ আহিম বুলি
কিন্তু...
কিন্তু ফাগুন আহিল
নাহিলা মাথোঁ তুমি
সকলোৱে কয় ফাগুনে আনে প্ৰেমৰ বতৰা
কিন্তু এইবাৰ ফাগুনে
মোক দি গৈছে
মাথোঁ এচপৰা বিষাদৰ বেদনা
ফাগুনৰ মলয়া বতাহ জাকে
যেন মোক দি যায়
তুমি নহাৰ বতৰা,
লঠঙা গছৰ পাতবোৰ
সৰি পৰিছে।
তোমাৰ বাবে ৰৈ থকা মোৰ মনৰ
পদূলিটো আজি যেন নিশ্চুপ হৈ ৰৈছে।

# শৰতৰ আগমন

মৃদুস্মিতা ভূঞা

কুঁৱলীৰ আচল টানি
ধৰালৈ নামিছে শাৰদী ৰাণী
শ্যামলী পাতৰ উৰণি গুচাই
শেৱালি পাহিয়ে মাৰিছে হাঁহি,
বতাহে বতাহে শাৰদী সুৰভি
হালি জালি নাচিছে কহুৱা বননি
চিনাকি ছন্দেৰে
হৃদয়ত বাজিছে সুললিত ধ্বনি।
সেউজীয়া পথাৰত আশাৰ ৰেঙণি
পক্ষীৰ কাকলিৰে মুখৰিত ধৰণী
গছে বনে সজীৱতা, ভোমোৰাৰ গুঞ্জন
নিৰ্মল আকাশত নাচোন তৰালিৰ।
ৰিব্ ৰিব্ সমীৰণ, শাঁত পৰে দেহ মন
দুচকুত ভাঁহি উঠে সোণসেৰীয়া সপোন
শ্যামলিমা আবিৰ সানি শৰতৰ আগমন
হে ঋতুৰাণী, তোমাক স্বাগতম।

# শিক্ষাগুৰু

সন্তোষ সোণোৱাল



অজ্ঞানীৰ পৰা জ্ঞানী বনাই
জ্ঞানৰ চাকি জ্বলায়
উজ্বলাই ৰাখিছে ছাত্ৰ সমাজক।
বহুমুখী প্ৰতিভাৰে সজীৱ কৰি তুলিছে
আমাৰ নৱ প্ৰজন্মক।
সততাৰে ৰঙীণ কৰায়,
জ্ঞানৰ পৰিধি বঢ়ায়,
ছাত্ৰ সমাজক পোহৰাই তুলিছে।
শাৰীৰিক, মানসিক আৰু নৈতিক শিক্ষাৰে
আমাক উজ্বলাব খুজিছে
নিজৰ জ্ঞানৰ অফুৰন্ত শক্তিৰে
অজ্ঞানৰ আন্ধাৰ ভেদিছে।
জীৱন যুদ্ধত সফল হোৱাৰ পথ দেখুৱাই
আমাক সবল কৰি তুলিছে।
সু-শিক্ষা দান কৰি সুস্থ সমাজ গঢ়ি
অন্ধকাৰ পৃথিৱীক দিছে জ্ঞানৰ ৰেঙণি।
অশান্ত সমাজখনক কৰিছে
শান্তিৰে শুৱনি।
সৰ্বাংগ সুন্দৰ কৰি আমাৰ
জীৱন গঢ়ি দিয়ে
আমাক জীপাল কৰি তোলে
মহান শিক্ষকে।
চিৰকৃতজ্ঞ হৈ ৰ'ম শিক্ষাগুৰুৰ চৰণত
আমাক ঘৰৰ পৰা তুলি আনি
বিদ্যালয় নামৰ পথাৰত ৰোপণ কৰে।
বিদ্যালয়ত কঠিয়া ৰুই ফল ধৰাৰ
সপোন দেখে।
সেই অসংখ্য গছৰ মাজৰ কিছু গছে
ফুল সৰি ফল ধৰে।
তাকে দেখি শিক্ষাগুৰুৰ মুখত
আনন্দৰ বিশাল হাঁহি বিয়পি পৰে।

# মোৰ দেশ

মাইকেল পেগু

এইখন মোৰ দেশ
অতি চহকী এই দেশ
যি দেশত মই জনম ল'লো
ইয়াতে ৰচোঁ ভৱিষ্যতৰ সপোন
এই দেশ মোৰ দেশ, আমাৰ দেশ
অতি চেনেহৰ এই ধুনীয়া দেশ
অতি চেনেহৰ দেশৰ লোক, দেশৰ মাটি
এই মাটিৰ গোন্ধই
মোক মনত পেলাই দিয়ে কতৰ্ব্য আমাৰ
এয়া মোৰ দেশ, আমাৰ দেশ।



# নাৰী

গীতিকা বৰা

নাৰী তুমি কৰুণাময়ী
তুমিয়েই শক্তি
অযুত যুগৰ নিযুত কথাত
নোহোৱা তুমি দুৰ্বল।
তুমি ক্ষমাময়ী, তুমি দয়াময়ী
তুমি জগতৰ হাৰ
শত শত উশাহৰ পৰিচয় তুমি
তোমাৰ মহিমা অপাৰ।
তুমি হৰ্ষ, তুমি বিষাদ
নানা ৰূপে নানা আকাৰ
তুমি আকাশ, তুমি সেউজীয়া
তুমিয়েই সন্মান সেৱাৰ
তুমি দুৰ্গা, তুমি কালী
তুমিয়েই মানৱী ধৰম
ঈশ্বৰৰ শক্তিতুল্য নাৰী
তোমাক শতকোটি প্ৰণাম।

# বতাহজাক আহে

জুবিন কলিতা

দিনৰ ক্লান্ত প্ৰান্তে
সূৰ্যৰ অস্তাদয়ৰ সময়ে
আবেলিৰ ক্ষন্তেকে
মৃদু মলয়া বতাহজাক আহে।
ৰাতিৰ শেষত পোহৰ আহে
ৰাতিপুৱাতে চকুযোৰ মেলে,
প্ৰকৃতিৰ নিয়ম অনুযায়ী
প্ৰতি প্ৰভাতে বতাহজাক আহে।
যেতিয়া দুপৰ ৰাতি
সকলোৱে নিদ্ৰাত ডুবে
তেতিয়া শান্ত পৰিৱেশৰ আমন্ত্ৰণে
একান্তে বতাহজাক আহে।
ভাৰৰীয়া গগণৰ ক'লা মোহ
আৰু বৰষুণৰ স্বাগতমে
আবেগিকময় হৃদয় লৈ
প্ৰেমৰ দৰে বতাহজাক আহে
কেতিয়াবা আকৌ মধ্য দুপৰীয়া,
আনন্দৰ সৈতে দুডানা মেলি
আমাক উপহাৰ দিবলৈ
নতুন ৰূপে বতাহজাক আহে
সুখ-দুখৰ সমভাগীৰে
মোক আগুৱাই যোৱাৰ অনুপ্ৰেৰণাৰে
হৃদয়খন শান্ত কৰি
আকোঁৱালি ল'বলৈ বতাহজাক আহে।



# শিক্ষক

সন্তোষ সোণোৱাল

মানৱ সম্পদ গঢ়াৰ
তুমিয়েই বন্তি,
বিদ্যা মন্দিৰৰ
তুমিয়েই সৰ্বোচ্চ,
ভৱিষ্যত জীৱন গঢ়াৰ
তুমিয়েই কিৰণ,
তোমাৰ অবিহনে
অন্ধকাৰ চৌপাশ।
ভৱিষ্যত জীৱন গঢ়াত
তুমিয়েই সম্বল,
তোমাৰ চৰণত কৰোঁ
শতকোটি প্ৰণাম।।

# Lessons from Therapy

Amlan Jyoti Gogoi



I am in the habit of loving people
Who reminds me of fire
You see, that way I have no one
but myself to become when I am burned
If you see the wildfire approach
and do not step out of its way
You can say you knew what was going to happen
It is easy to trick yourself into believing
Familiar pain is the same as comfort
We choose the heartbreak
We already know over the possibility
Of new heartbreak often
Knowing the damage
Knowing the brutal cost

# The world

Amlan Jyoti Gogoi

The sky is never
the same shade twice
and neither is your heart.
The moon has never apologised
for hiding some nights
and neither should you
The stars have never stopped shining
because someone wanted them to
and neither should you
The earth has never stopped
Moving,  growing, envolving for anyone
and neither should you.

# My LTK College

Sumi Borah

On the edge at North Lakhimpur, so fair and wide,
Lies LTK College, with its academic stride.
A place of learning, a sacred strive of knowledge,
Where students' dreams in vibrant colors shine.

Amidst the green, where nature's beauty thrines,
LTK College, a beacon of knowledge arrives.
Its hallowed halls, where wisdom takes its light,
Illuminating minds with a radiant light.

From science to arts, and all fields between
In LTK college, aspirations are seen,
Professors, mentors, guiding each young soul
Towards cultures bright, making their dreams whole.

With libraries vast and classrooms abloom,
Where ideas flourish and intellects groom,
In every lecture and every discourse
LTK College stands as a powerful force.

The camaraderie, the friendships that grow,
Within the walls, or the winds gently blow,
A community bounded, strong and true,
In LTK College, dreams take shape and accrue.

In sports and culture, it excels with grace,
Fostering talents in every single space,
A place where passions freely unfold,
In LTK College, the stories are told.

So here's to LTK, it's legacy grand,
In North Lakhimpur's unable, verdant laud
A place of promise, where futures unfurl
LTK College, the pride of the Lakhimpur.



# Mother

Jashmina Begum

In a world of love and grace, she stands,
A beacon of warmth, with gentle hands.
Her smile, a sunbeam in the darkest night,
Guiding us through life's uncertain flight.

With every heartbeat, her love does flow,
A river of devotion that endlessly grows.
She sacrifices, nurtures, and understands,
In her tender embrace, we find our sands.


Through trials and tears, she remains strong,
A lighthouse of hope when things go wrong.
Her wisdom, a compass in life's vast sea,
Leading us to the shores where we're meant to be.

Her love is boundless, her heart so pure,
A mother's love, forever secure.
In her embrace, we find our home,
A love that will never cease to roam.

So here's to mothers, so kind and true,
For all that they are and all they do.
In their love, we find our greatest worth,
A treasure that's cherished from birth to rebirth.

# Life

Palash Gogoi



Life is a boat, we sail on,
Life is a festival, we celebrate,
Life is a flower, we bloom and die,
Life is of God, he made them all,
Today is going to be a great day,
I can handle more than I think I can,
Things do not get better by worrying about them,
I can satisfied if I try to do my best,
There is always something to be happy about,
I am going to make someone happy today,
It is good to be down.
Last Yesterday, somewhere between sunrise and sunset,
Two golden hours, each set with sixty diamond minutes,
No reward is offered, because they are gone forever
Life is great, make the most of it.

# First love

Shaswati Boruah

There's no love like mother's
Her heart is filled with care
The warm tight hug,
Feeling protection around her
Teach us the actual meaning of love.
No plant grows without water
No flower blossoms without sunlight
Likewise, a mother's nourishment for her child
Is the same as the sunflower standing
with confidence towards the world
Mother's love provides us strength.

# शायद तुम्हें पता नहीं

शायद तुम्हे पता नहीं, लेकीन तुम मेरे ख्यालों में हर दम नहीं आते शायद तुम्हे पता नही, लेकीन
तुम हर रोज मेरे सपनो में नही आते
तुम्हारा हाथ हर घड़ी मेरे हाथों में नहीं होता
शायद तुम्हे ये भी पता नहीं की
मेरी आंखे हरपल तुम्हारे आंखो से गुफ्तगू नही करते शायद तुम्हे यह भी पता नही की
तुम पास न होने पर एक अधूरापन महसूस होता है ना रात पूरी होती, ना दिन ढलती है।
ना धूप सर्दियों सा महसूस होता है
ना बारिश गर्मियों सा
शायद यह सब तभी अच्छा लगता है
जब तुम्हारी बंधी हुई जुल्फे मेरे कंधो से टकराते है
शायद यह सब तभी अच्छा लगता है।
जब तुम्हारी उंगलियां मेरे उंगलियों से टकराके एक उम्मीद दे जाती है।
तुम्हारी हाथों में मुझे हमारा आज महसूस होता है और
तुम्हारी आंखों में मुझे हमारा कल दिखता है।
मगर इन सब सपनो, ख्वाहिसो, ख्वाबों को बुनने का भी क्या फायदा
शायद मेरी आंखो में तुम्हे प्यार नही दिखता है।
पर तुमसे भी क्या शिकायत करना
जबकी दस्तूर-ए-दुनिया ही है
की जो दिखता है आखिर वही तोह बिकता है

Amarjyoti Dutta

# মৰমৰ মা

ইলু বৰুৱা

'মা' শব্দটোৱেই হৈছে পৃথিবীৰ মধুৰতম শব্দ। নিজৰ মনতে কেইবাৰমান আওৱাই চালেই গম পোৱা যায়, সঁচাকৈয়ে কিমান মিঠা এই শব্দটো। ইমান সৰু শব্দটোতেই সোমাই আছে তেওঁৰ অন্তহীন মৰম, তেওঁৰ বহুতো কষ্ট, তেওঁৰ বহুতো ত্যাগ জড়িত হৈ আছে। মা মানেই পৃথিবী, মা মানেই শিক্ষক, মা মানেই বন্ধু, মা মানেই নিঃস্বাৰ্থ ভালপোৱা, মা মানেই জীয়াই থকাৰ প্ৰেৰণা। মা যিমানেই শিক্ষিত হওঁক বা নহওঁক জীৱনৰ প্ৰথম শিক্ষা মাৰ পৰাই আৰম্ভ হয়। মা বুলি ক'লেই এটি হাঁহি বিৰিঙে মুখত, মা বুলি ক'লেই এটি সাহস জাগি উঠে মনত, মা বুলি ক'লেই সকলো ভয় নাইকিয়া হৈ যায় মনত। সঁচাকৈয়ে মাৰ মৰম-স্নেহবোৰ পৃথিৱীৰ কোনো মানুহৰে লগত তুলনা কৰিব নোৱাৰি। সংসাৰৰ মহৎ জ্ঞানবোৰ মাৰ পৰাই শিকা হয়। যেতিয়া এখন কুটীৰ চাৰি টুকুৰাহে হয়গৈ আৰু খোৱা মানুহ পাঁচজন হয় তেতিয়া মোৰ ভোক নাই বুলি নোখোৱা গৰাকী কেৱল 'মা' হে হয়। যিখন ঘৰত মা আছে, তাত ভগৱান আছে। মাৰ মমতাতকৈ বিশাল এই পৃথিৱীত একো নাই। একমাত্ৰ মায়েই আছে, যি কাষত থাকিলে জীৱনৰ কোনো দুখে জুৰুলা কৰিব নোৱাৰে। পৃথিৱীখনে সংগ দিয়ক বা নিদিয়ক, মা ৰ প্ৰেম কেতিয়াও কম নহয়। গোটেই দিনটোৰ কাম কৰি ভাগৰি পৰিলেও সন্তানৰ মুখখন দেখাৰ লগে লগেই মাৰ সকলো ভাগৰ হেৰাই যায়। যেতিয়া আমি কথা ক'বই নাজানিছিলোঁ, তেতিয়া আমাৰ সকলো কথা একমাত্ৰ মায়েই বুজি পাইছিল। কিন্তু এতিয়া ডাঙৰ হৈ আমি কওঁ মায়ে একো নুবুজে। ওঁঠত কেতিয়াও সন্তানৰ বাবে বেয়া শব্দ এটাও নোলায়। যি সন্তানক লৈ কেতিয়াও অভিযোগ নকৰে, তেওঁ কেৱল মা হয়। হাজাৰটকীয়া নোটবোৰে কেৱল প্ৰয়োজনবোৰ পূৰ কৰে, কিন্তু মায়ে দিয়া সেই খুচুৰা টকাবোৰে হেঁপাহবোৰ পূৰ কৰে। প্ৰতিটো নামঘৰ, প্ৰতিটো মন্দিৰ, প্ৰতিটো মজজিদ, প্ৰতিটো গীৰ্জাত মূৰ দোৱালেও, আশাবোৰ তেতিয়াহে পূৰ হয় যেতিয়া মাৰ ভৰিত মূৰ থওঁ। লক্ষ্যস্থান বহু দূৰ, আশাও অলেখ আছে, সৰু জীৱনটোক লৈ চিন্তাও অলেখ আছে এই পৃথিৱীত কেতিয়া মৃত্যু হ'ব লগা আছে নাজানো ! কিন্তু মাৰ আশীৰ্বাদ সদায় লগত আছে। মা জীয়াই থকা অৱস্থাত কোনোদিনেই উদাস আৱেগে জুৰুলা কৰিব নোৱাৰে। পৃথিৱীখন সন্তানৰ লগত থাকক বা নাথাকক, কিন্তু মায়ে দিয়া মৰম কেতিয়াও কম হৈ নাযায়। ফুল কেতিয়াও দুবাৰ নুফুলে, জন্ম কেতিয়াও দোনাই পোৱা নাযায়। জীৱনত হাজাৰজন লগ পাবা, কিন্তু হাজাৰটা ভুলক ক্ষমা কৰি দিব পৰা মা-দেউতা এবাৰেই পাবা। প্ৰতিজন মানুহৰ জীৱনত তেওঁ সকলোতকৈ বিশেষ হয়। দূৰত থাকিও হৃদয়ৰ আটাইতকৈ কাষত তেওঁৱেই থাকে যাৰ ওচৰত মৃত্যুৱেও মোৰ দোৱাই থৈ যায়, তেওঁৱেই 'মা' হয়। পৃথিৱীৰ সকলো বস্তু, সকলো সম্পদ বিক্ৰী হৈ যাব পাৰে, কিন্তু মাৰ মমতা ইমানেই অমূল্য যে কোনোদিনে কোনোকালে বিক্ৰী হ'বও নোৱাৰে, কিনিবও নোৱাৰে। জীৱনত সুখী হ'বলৈ মা-দেউতাৰ

পৰা আশীৰ্বাদ প্ৰয়োজন, মা-দেউতাই আশীৰ্বাদ দিলে গোটেই জীৱন সুখী হ'ব পাৰি। আমাৰ জীৱনৰ এনে এটা দিন নাযায়, যিদিনা মুখেৰেই হওঁক বা মনতেই হওঁক আমি মা শব্দটো এবাৰৰ বাবে হ'লেও উচ্চাৰণ নকৰোঁ। সুখ-দুখ, হাঁহি-কান্দোন সকলো সময়তে আমি অজানিতে হ'লেও মাক বিচাৰোঁ। কেৱল সুখ আনন্দৰ সময়তে নহয়, দুখ-কষ্ট, বিষাদৰ মাজতো আমাৰ মুখেৰে ওলায় মা শব্দটো। অন্তৰত আঘাত পালে, উজুতি খালে, ক'ৰবাত দুখ পালে মাক মাতোঁ, মাক ওচৰত বিচাৰোঁ। অসুখ-বিসুখ হলে, খাওঁতে জ্বলা পালে, কাইটে বিন্ধিলে, হঠাতে ভয় খালে মুখেৰে ওলায় কেৱল 'মা'। 'মা' মানেই যেন ত্যাগ। গোটেই জীৱন মায়ে দেখোন ত্যাগেই কৰিলে। সেই যে বিয়া হোৱা দিন ধৰি। এদিন নিজৰ ঘৰখন ত্যাগ কৰি ওলাই আহিছিল। তাৰ পাছত কেৱল ত্যাগ আৰু ত্যাগ। স্বামীৰ বাবে, নিজৰ নতুন ঘৰখনৰ বাবে, পাছলৈ সন্তানৰ বাবে কেৱল ত্যাগ। ঘৰখন এৰি অহাৰ পাছত ত্যাগ কৰিলে নিজৰ উপাধি আৰু পাছলৈ ত্যাগ কৰিলে নিজৰ নামটোও। চৰকাৰী কাম-কাজৰ বাহিৰে আন কামত হেৰাই থাকিল মাৰ নামটো। প্ৰথমতে অমুকৰ পত্নী। আমাৰ জন্মৰ পাছত অমুকৰ মা, তমুকৰ মা। কেৱল সেয়াইতো নহয়, মাই ত্যাগ কৰিলে নিজৰ হবি। ত্যাগ কৰিলে নিজৰ ভালপোৱা, বেয়াপোৱা। নিজৰ ভালপোৱা, বেয়া পোৱা বুলি যে কিবা আছিল, সেই কথাটোকেই পাহৰি থাকিল। আনকি নিজে কি খাই ভাল পাইছিল, কি খাই বেয়া পাইছিল সেই কথাও যেন পাহৰি থাকিল। বিয়াৰ পাছতে স্বামীয়ে (অৰ্থাৎ দেউতাই) কি খাই ভাল পাইছিল, আৰু পাছলৈ নিজৰ সন্তানে কি খাই ভাল পাওঁ সেইবোৰ লৈয়েইতো গোটেই জীৱন ব্যস্ত থাকিল।মোৰ কেতিয়াবা ভাবিলে আচৰিত লাগে, মাকবোৰৰ কোনো নিজা পছন্দ-অপছন্দ নাথাকে নেকি? আমাৰ বাবে চিন্তা কৰোঁতে নিজৰ ভালপোৱাবোৰ, নিজৰ পছন্দ-অপছন্দবোৰ যেন হেৰাই থাকিল।

সেইবোৰ কৰি স্বীকৃতি পালেনে? নাপালে। স্বীকৃতিও ত্যাগ কৰিলে। সঁচাকৈয়ে 'মা' শব্দটো যেনেদৰে পৃথিৱীৰ মধুৰতম শব্দ একেদৰে প্ৰতিগৰাকী মায়েই কিজানি নিজৰ সন্তানৰ বাবে পৃথিৱীৰ আটাইতকৈ ধুনীয়া নাৰী। কেৱল শাৰীৰিক আৰু মুখৰ সৌন্দৰ্যই এগৰাকী নাৰীক ধুনীয়া নকৰে। সন্তানৰ প্ৰতি থকা মাতৃৰ মমতাইহে মাতৃগৰাকীক ধুনীয়া কৰি তোলে। সঁচাকৈয়ে মা যেন এক ঐশ্বৰ্য, এক চমৎকাৰ। সন্তান যিমানেই ডাঙৰ নহওঁক কিয়, মাকৰ চকুত সদায় সৰুৱেই হয়।

গোটেই জীৱন মাই আমাক কেৱল দিলেহে। আমি কি দিলোঁ? আমাৰ পৰা কি বিচাৰিলে। একো নিবিচাৰিলে। কেতিয়াবা কিবা সৰু-সুৰা বস্তু দিলেও কয়- 'কিয়নো আনিলি ইমান দাম দি। মোৰ আছেই।' কোনোদিন কোনো দাবী নাই। মাতৃ দিৱসৰ দিনাও মায়ে আমাৰ পৰা নিবিচাৰে কোনো কাৰ্ড, নিবিচাৰে অলংকাৰ, নিবিচাৰে ফুলৰ থোপা। নিবিচাৰে হোটেলত এসাঁজ খাবলৈ। তাৰ সলনি নিজ হাতেৰে এসাঁজ ৰান্ধি খুৱাবলৈহে বিচাৰে। পৃথিৱীত সকলোৰে কৰ্ম বিৰতি থাকিলেও মা ৰ কোনো দিনেই কৰ্ম বিৰতি নাই।

আজি কালি বাতৰিকাকতত বা টিভিত কিছুমান বাতৰি পঢ়ি বা দেখি বহুত দুখ লাগে। এচাম লোকে নিজৰ জন্মদাত্ৰী মাতৃক (বা পিতৃক) অৱহেলা কৰে, মানসিক আৰু শাৰীৰিক নিৰ্যাতন কৰে, ভালকৈ খাবলৈ নিদিয়ে, আনকি ঘৰতো ৰাখিব নোখোজে। আৱৰ্জনা জ্ঞান কৰি মাতৃক বৃদ্ধাশ্ৰমত ৰখা, চল-চাতুৰিৰে ক'ৰবালৈ নিম বুলি কৈ অচিনাকি ঠাই বা ষ্টেচনত এৰি থৈ অহা, বা জীৱন্ত অৱস্থাতে শ্মশানত এৰি থৈ অহাৰ দৰে ঘটনা আমাৰ সমাজতে ঘটিব ধৰিছে। সেইচাম মানুহক মানুহৰ শাৰীত থবলৈও আমি লাজ পাওঁ।

আমি ব্যক্তিগতভাৱে অনুভৱ কৰোঁ, মাতৃ যেন সন্তানৰ মূৰৰ ওপৰত থকা এডাল বৃহৎ বৃক্ষ। সেই বৃক্ষই ছাঁ দিব জানে, সুৰক্ষা দিব জানে, মৰম দিব জানে, হিত চিন্তা কৰিব জানে। কিন্তু কোনোদিনে প্ৰতিদান নিবিচাৰে।

মোৰ অনুভৱেৰে কওঁ- বছৰৰ এটা মাত্ৰ দিন আমাক মাতৃ দিৱস কিয়নো লাগে। প্ৰতিটো দিনেই আমাৰ বাবে মাতৃ দিৱস হোৱা উচিত। মা সদায় মায়েই। কাৰ মা সেইটো ডাঙৰ কথা নহয়। বিখ্যাত ব্যক্তিৰ বাবেও মা মাৰ দৰে, সাধাৰণ এজন ব্যক্তিৰ মাকো মাৰ দৰেই।

ৰুডিয়াৰ্ড কিপলিঙে কৈছিল- God could not be everywhere and therefore he made Mothers । মাৰ বিষয়ে ভাবিলে এই বাক্যটোৱেই প্ৰথম মোৰ মনলৈ আহে। মাৰ বিষয়ে জানিবলৈ, মাৰ বিষয়ে ভাবিবলৈ বা মাক বৰ্ণনা কৰিবলৈ ইয়াতকৈ সুন্দৰ বাক্য আৰু কি থাকিব পাৰে এটা মাত্ৰ বাক্য অথচ সেই বাক্যতেই যেন মাৰ বিষয়ে সকলো বৰ্ণনা সম্পূৰ্ণ।

# সোণালী দিনৰ সোঁৱৰণ

পুৰবী দত্ত

২০১২ চনৰ এটা বিশেষ দিনত প্ৰথমবাৰৰ বাবে ভৰি থৈছিলোঁ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ প্ৰাংগণত। সেই দিন ধৰি বৰ্তমান সময়লৈকে এক বুজাব নোৱাৰা আবেগ জড়িত হৈ আছে মহাবিদ্যালয়খনৰ লগত। আজাদ অঞ্চলৰ চিনাকি এই মহাবিদ্যালয়খন বৰ্তমান সময়ত অসমৰ প্ৰায়বোৰ মানুহৰে চিনাকি যেন হৈ পৰিছে। মহাবিদ্যালয়খনৰ এই যাত্ৰা কিন্তু একেবাৰেই সহজ নাছিল। আমি অধ্যয়ন কৰি থকা সময়ত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি ইমান উন্নতমানৰ নাছিল যদিও ইয়াত কোনো দিনে শিক্ষা দানৰ ক্ষেত্ৰত কোনো শিক্ষাগুৰু বৈ যোৱা নাছিল বা পিছ পৰা নাছিল।

শিক্ষা ব্যৱস্থাৰ ষান্মাসিক ব্যৱস্থাত অধ্যয়ন কৰাৰ প্ৰথম সুযোগ লাভ কৰিছিলোঁ আমাৰ সময়ৰ পৰাই। 'ষান্মাসিক' পৰীক্ষাৰ বিষয়ে আমাৰ একোৱেই ধাৰণা নাছিল যদিও আমাৰ শিক্ষাগুৰু সকলে বৰ সুন্দৰ আৰু সহজভাৱে কথাবোৰ বুজাই দিছিল। যাৰ বাবে আমাৰ মনৰ পৰা ভয়ৰ ভাৰ একেবাৰেই আঁতৰি গৈছিল। কেনেকৈ চকুৰ পলকতে তিনিটা বছৰ পাৰ হৈ গ'ল, একো যেন গমেই নাপালোঁ।

মই সন্মানীয় বিষয় হিচাপে নিৰ্বাচন কৰি লৈছিলোঁ অসমীয়া বিষয়ক। অসমীয়া বিভাগৰ ছালেমা বাইদেউ, মীনা বাইদেউ, ভাস্কৰ ছাৰৰ তত্ত্বাৱধানত অসমীয়া ভাষা সাহিত্যৰ সাগৰখনত নিজকে বিচাৰি পাইছিলোঁ। বিভাগৰ সকলো কামতে আমি জড়িত হৈ পৰিছিলোঁ। সঁচাকৈ বৰ মধুৰ আছিল সেই দিনবোৰ। এই মহাবিদ্যালয়খনেই আমাক শিকালে নিজকে চিনি পাবলৈ, উৎসাহ দিলে নিজৰ ভৰিৰ ওপৰত নিজেই থিয় দিবলৈ। কেতিয়াবা কিবা বিপদ হ'লে আমি সদায় আমাৰ শিক্ষাগুৰু সকলক আমাৰ কাষত পাইছিলোঁ। মহাবিদ্যালয়ৰ প্ৰতিটো পৰ্বতে আমি পাৰ্যমানে সহযোগ কৰিছিলোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'যুৱ মহোৎসৱত' আমি মহাবিদ্যালয়ৰ হৈ এটি বিহুনাচৰ দলে প্ৰতিনিধিত্ব আগবঢ়াইছিলোঁ। স্থান লাভ কৰিবলৈ সক্ষম নহ'লো যদিও সেই দুই তিনিদিন আমাৰ জীৱনৰ বাবে সদায় বিশেষ দিন হৈ থাকিল।

আচলতে মহাবিদ্যালয়ৰ দিনবোৰৰ কথা লিখিবলৈ বা ক'বলৈ গ'লে হয়তো শব্দৰ অভাৱ হৈ পৰিব, কিন্তু আৱেগ-অনুভূতিৰ নহয়। গতিকে আলোচনীৰ সীমাবদ্ধতালৈ লক্ষ্য ৰাখি আমাৰ লেখনি আৰু বেছি দীঘলীয়া নকৰোঁ। শেষত মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ আমাৰ ছাত্ৰ জীৱনটি ইমান সুন্দৰ কৰি তোলাৰ বাবে। লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰক বিশেষভাৱে ধন্যবাদ জনাইছোঁ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন ইমান সুন্দৰভাৱে আগুৱাই নিয়াৰ বাবে।

একেবাৰে শেষত হীৰেন গোঁহাইৰ এটি গীতৰ কলি আগবঢ়াইছোঁ—

"হেৰুৱা দিনৰ সোণালী সপোন
সময় নদীৰ ঢৌত উটি গ'ল
সোঁৱৰণি মুকুতাবোৰ
বালি চাপৰিত মাথোঁ পৰি ৰ'ল।"

# মোৰ দৃষ্টিত
## মহাবিদ্যালয়খন

দেৱজানি গঁগৈ

অসম ৰাজ্যৰ লক্ষীমপুৰ জিলাত অৱস্থিত এখন বিশেষ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান হিচাপে পৰিচিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। লক্ষীমপুৰ জিলাৰ তিনিটা মৌজাক সামৰি থকা সোৱণশিৰি নদীৰ পাৰত অৱস্থিত এই মহাবিদ্যালয়খনে ১৯৭৭ চনত জন্ম লাভ কৰিছিল বিশেষ কেইজনমান সচেতন শিক্ষাবিদ সমাজকৰ্মীৰ পৰশত। জন্মৰ পৰা সুদীৰ্ঘ ৪৬ বছৰ অতিক্ৰম কৰি অহা এই মহাবিদ্যালয়খনে সোৱণশিৰি নদীৰ দুয়োপাৰৰ তথা সমগ্ৰ লক্ষীমপুৰ জিলাৰ লোকসকলক শিক্ষাৰ পোহৰ বিলাই আহিছে। তদুপৰি এই শিক্ষানুষ্ঠানটিয়ে লক্ষীমপুৰ জিলাৰ বিশেষকৈ তিনি মৌজা ক্ৰমে লক্ষীমপুৰ, তেলাহী, কমলাবৰীয়াৰ সমাজখনত এক শিক্ষিত লোকৰ সুস্থিৰ বাতাৱৰণ গঢ়ি তোলাত বিশেষভাৱে অৰিহণা যোগাই আহিছে।

লক্ষীমপুৰ জিলাৰ লক্ষীমপুৰ, তেলাহী, কমলাবৰীয়া, এই তিনিটা মৌজাক সাঙুৰি লোৱা আজাদ অঞ্চলত অৱস্থিত এই মহাবিদ্যালয়খনে সুদীৰ্ঘ ৪৬ বছৰে জ্ঞানৰ পোহৰ বিলাই এখন শিক্ষাৰে আলোকিত সমাজৰ গঢ় দিছে। মোৰ সৌভাগ্য ঘটিছিল ২০১৬ চনত।ময়ো আজাদ একাডেমীৰ পৰা হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষাত উত্তীৰ্ণ হৈ আহি এই মহাবিদ্যালয়ত স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্ত্তি কৰিছিলোঁ। পোন প্ৰথমে পাঠ্যক্ৰমৰ প্ৰতি কোনোধৰণৰ মনোযোগ বঢ়াব পৰা নাছিলোঁ কাৰণ উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমৰ লগত স্নাতকৰ পাঠ্যক্ৰমৰ বৰ বিশেষ সাদৃশ্য নাছিল। তদুপৰি মই যিহেতু সৰু তথা জুনিয়ৰ কলেজত পঢ়ি আছিলো। গতিকে মেজৰ ক্লাছৰ বাহিৰে অন্যান্য বিষয়ৰ ক্লাছৰুম বৰ ভালদৰে চিনিব নোৱাৰিছিলোঁ। সেয়েহে প্ৰায় দুই তিনি দিন মান মেজৰৰ বাদে অন্য কোনো ক্লাছ কৰিবলৈ ক্লাছ ৰূম বিচাৰি নাপাইছিলোঁ। লাহে লাহে দিনবোৰ বাগৰাৰ লগে লগে কলেজখনৰ সকলোবোৰ বিভাগ, ক্লাছৰুম, অফিচ, গ্ৰন্থাগাৰ আদিৰ লগত চিনাকি হৈ পৰিলোঁ। আমি পঢ়ি থকা সময়ত কলেজত বৰ্তমানৰ নতুন বিল্ডিংটো নিৰ্মাণ কৰা হোৱা নাছিল। বৰ্তমানৰ নতুন বিল্ডিংৰ পাছফালৰ সৰু কোঠাকেইটাই আমাৰ ৰাজনীতি বিজ্ঞান বিভাগটো আছিল। আমি আমাৰ বিভাগটোক North East বুলি কৈছিলো কাৰণ সাধাৰণতে বিভাগবোৰৰ ওচৰতে ক্লাছৰূমবোৰ আছিল। কিন্তু আমাৰ বিভাগ শ্ৰেণী কোঠাৰ পৰা দূৰত আছিল যেনেকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ভাৰতৰ মূল সুঁতিৰ পৰা অলপ আঁতৰত অৱস্থিত ঠিক তেনেদৰে। অৱশ্যে এই North East নামটো আমাৰ অগ্ৰজ দাদা-বাইদেউসকলৰ পৰাহে শুনিহে আমি প্ৰচলন কৰিছিল। যেতিয়া আমাৰ বিভাগবোৰৰ মাজত প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা হয়, তেতিয়া প্ৰায়ে আমি বিভাগত প্ৰাচীৰ পত্ৰিকা কাম কৰি, সকলোয়ে চাহ মিঠাই খাইছিলোঁ। তদুপৰি বিভাগীয় ছাৰ-বাইদেউসকল ক্ৰমে সোনেশ্বৰী শইকীয়া বাইদেউ, প্ৰফুল্ল নাথ ছাৰ, দেৱৰাজ দত্ত

ছাৰ, কাকলি বাইদেউ, ৰিমলী বাইদেউ, বিস্মিতা বাইদেউ, শ্যামলীমা বাইদেউ, ফুলকন ছাৰ সকলোকে এই লেখাটিৰ জৰিয়তে বহু ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি শিক্ষাবিভাগৰ সম্পূৰ্ণা চলিহা বাইদেউ, জ্যোতি বাইদেউ, শিলাদিত্য ছাৰ, দেৱযানী বাইদেউকো এই আপাহতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ লগতে ভাস্কৰ ছাৰ, বিনীতা বাইদেউ, বিজু ছাৰকো ধন্যবাদ জনাইছোঁ। এওঁলোকৰ অশেষ পৰিশ্ৰম আৰু তেওঁলোকৰ জ্ঞান প্ৰদানৰ ফলশ্ৰুতিতে আজি আমি শিক্ষিত মানৱ হিচাপে সমাজখনত মূৰ তুলি জীয়াই থাকিব পাৰিছোঁ। ইয়াৰ লগতে মই এই মহাবিদ্যালয়খনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সকলো কৰ্মচাৰী বৃন্দক ধন্যবাদ জনাইছোঁ। বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰক অশেষ ধন্যবাদ জনাইছোঁ। তেওঁ এই মহাবিদ্যালয়খনক এক উচ্চস্থানত প্ৰতিষ্ঠাৰ বাবে অশেষ কষ্ট কৰি আহিছে, সেয়া অতি প্ৰশংসনীয়। তেওঁৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য শিক্ষকবৃন্দৰ যি কষ্ট, সেয়া মই ছাত্ৰ-অৱস্থাৰ পৰাই দেখি আহিছোঁ। আৰু সেই কষ্টৰ বলতেই আমাৰ কলেজ B+ পৰা B++ পাবলৈ সক্ষম হৈছে, তদুপৰি পূৰ্বৰ সমগ্ৰ লক্ষীমপুৰ বাসীৰ মাজত পৰিচিত 'ঢেকীয়ানীৰ' এল. টি. কে. কলেজ এখন উন্নত আন্তঃগাৰ্থনিযুক্ত, বিভিন্ন পাঠ্যক্ৰমৰ দ্বাৰা সমাহিত কলেজ হিচাপে সমগ্ৰ লক্ষীমপুৰ তথা অসমতে পৰিগণিত হৈছে।



# টিমিৰ টেক যাত্ৰা- সমস্যা সামাধানৰ পৰা বিশ্ব সলনি কৰালৈকে

কৃষ্ণ দাস



এসময়ত এখন সৰু চহৰত টিমি নামৰ এজন সৰু ল'ৰা বাস কৰিছিল। টিমি প্ৰযুক্তিৰ প্ৰতি, বিশেষকৈ কম্পিউটাৰৰ প্ৰতি আকৰ্ষিত হৈছিল। কেৱল সেইবোৰে কেনেকৈ কাম কৰে চাবলৈ সি বস্তুবোৰ আঁতৰাই পুনৰ একেলগে ৰাখি ভাল পাইছিল। এদিন টিমিৰ স্কুলত চিকচিকিয়া নতুন কম্পিউটাৰেৰে কম্পিউটাৰ লেব এটা পালে। টিমি ৰোমাঞ্চিত হৈ পৰিল। প্ৰতিটো আজৰি মুহূৰ্ত লেবত কটালে। কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ শিকি সি কিমান সোনকালে কম্পিউটাৰৰ দক্ষতা তুলি লৈছিল, তাক লৈ শিক্ষকসকল আচৰিত হ'ল।

এদিন দুপৰীয়া টিমিয়ে এটা কম্পিউটাৰৰ সমস্যাৰ কথা আৱিষ্কাৰ কৰিলে। ই অন নোহোৱা হ'ল। সি জনা সকলো চেষ্টা কৰিলে, কিন্তু একোৱেই কামত নাহিল। সি নিজৰ শিক্ষয়িত্ৰী মিচেচ জনছনৰ পৰা সহায় বিচাৰিবলৈ সিদ্ধান্ত ল'লে। জনছনৰ দক্ষতাৰ লগত পৰিচিত আছিল তাৰ।

মিচেচ জনছনে ওচৰলৈ আহি কম্পিউটাৰটো পৰীক্ষা কৰিলে। তেখেত টিমিক সুধিলে যে সি এতিয়ালৈকে কি চেষ্টা কৰিছে? টিমিয়ে সি কৰা সকলো কথা বুজাই দিলে, পাৱাৰ কাৰ্ড চেক কৰাৰ পৰা আৰম্ভ কৰি পাৱাৰ বুটামটো একাধিকবাৰ টিপোৱালৈকে।

মিচেচ জনছনে হাঁহি হাঁহি ক'লে, 'টিমি, তুমি সমস্যা সমাধানৰ ক্ষেত্ৰত বহুত ভাল কাম কৰিছা। কিন্তু কেতিয়াবা সমস্যাটো উপৰিভাগত নহয়। কম্পিউটাৰৰ ভিতৰত হ'ব পাৰে।

তেখেতে কম্পিউটাৰৰ কেচটো খুলিলে, তাত তাঁৰ আৰু উপাদানৰ জঞ্জাল দেখা গ'ল।

কম্পিউটাৰৰ ভিতৰৰ ফাল দেখি টিমি মুগ্ধ হৈ পৰিল। মিচেচ জনছনে প্ৰতিটো অংশ ভালদৰে পৰীক্ষা কৰি থকাটো সি চাই থাকিল। কেইমিনিটমানৰ পাছত তেখেতে এটা ঢিলা সংযোগ বিচাৰি পালে। তেখেতে তাঁৰডাল পুনৰ সংলগ্ন কৰি কেচটো বন্ধ কৰি পাৱাৰ বুটামটো টিপিলে। কম্পিউটাৰটো জীপাল হৈ উঠিল। টিমিয়ে বিশ্বাস কৰিব পৰা নাছিল। মিচেচ জনছনে কেনেকৈ কেৱল তাঁৰ এডাল পুনৰ সংযোগ কৰি কম্পিউটাৰটো ঠিক কৰি দিলে, তাক লৈ সি আচৰিত হৈ পৰিল। সি তেওঁক সুধিলে যে তেখেতে কেনেকৈ জানিলে কি কৰিব লাগে!

মিচেজ জনছনে বুজাই দিলে যে সি কম্পিউটাৰৰ বিষয়ে আৰু ই কেনেকৈ কাম কৰে, সেই বিষয়ে জানিব পাৰিছো। এই দক্ষতাসমূহ যিকোনো ব্যক্তিয়েই অনুশীলন আৰু ধৈৰ্য্যৰে শিকিব পাৰে বুলিও কয় মিচেজ জনছনে। টিমি, মিছেচ জনছৰ দৰে কম্পিউটাৰ বিশেষজ্ঞ হ'বলৈ বদ্ধপৰিপক্ক আছিল।

সেইদিনাৰ পৰা টিমিয়ে কম্পিউটাৰ লেবত আৰু অধিক সময় কটালে। সি কিতাপ পঢ়িছিল, অনলাইন টিউটৰিয়েল চাইছিল আৰু মিচেচ জনছনৰ পৰা পথ প্ৰদৰ্শন বিচাৰিছিল। সি স্কুলত কম্পিউটাৰৰ সমস্যাৰ বাবে হৈ পৰিছিল গ' টু পাৰ্চন। বছৰবোৰ পাৰ হৈ গ'ল, টিমিৰ প্ৰযুক্তিৰ প্ৰতি থকা আকৰ্ষণ আৰু অধিক শক্তিশালী হৈ উঠিল। সি কম্পিউটাৰ বিজ্ঞানত কেৰিয়াৰ গঢ়িবলৈ সিদ্ধান্ত লয়। স্কুলত কঠোৰ পৰিশ্ৰম কৰিছিল আৰু এখন প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিছিল।

কলেজত থাকোঁতে টিমিয়ে প্ৰগ্ৰেমিং, নেটৱৰ্কিং আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে শিকিছিল। পঢ়া শুনাত সি পাৰদৰ্শিতা দেখুৱাই আনকি নিজাকৈ টেক প্ৰজেক্টতো কাম আৰম্ভ কৰিছিল। তাৰ সপোন আছিল এনেকুৱা কিবা এটা সৃষ্টি কৰা, যিয়ে পৃথিৱীখনক এখন উন্নত ঠাই কৰি তুলিব।

এদিন টিমিৰ এটা নতুন এপৰ ধাৰণা আহিল, যিয়ে মানুহক তেওঁলোকৰ স্থানীয় সম্প্ৰদায়ত স্বেচ্ছাসেৱীৰ সুযোগ বিচাৰি উলিয়াবলৈ সহায় কৰিব পাৰে। তেওঁ অক্লান্তভাৱে কাম কৰিছিল, এপটোৰ ক'ডিং আৰু ডিজাইন কৰিছিল, কেইবামাহো কষ্টৰ অন্তত অৱশেষত সি আৰম্ভ কৰিলে।

"Volunteer connection" নামৰ এই এপটোৱে এক বৃহৎ সফলতা লাভ কৰে। সমগ্ৰ দেশৰ মানুহে ইয়াক ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ স্বেচ্ছাসেৱী কাম বিচাৰিছিল। তাৰ প্ৰযুক্তিয়ে ইতিবাচক প্ৰভাৱ পেলোৱাত টিমিয়ে আনন্দত আত্মহাৰা হৈ পৰিছিল।

বছৰবোৰ পাৰ হৈ যোৱাৰ লগে লগে টিমিয়ে উদ্ভাৱন আৰু নতুন টেক সমাধান সৃষ্টি কৰি থাকিল। মিচেচ জনছনৰ পৰা শিকি অহা শিক্ষাটো তেওঁ কেতিয়াও পাহৰা নাছিল যে নিষ্ঠা আৰু শিকিবলৈ ইচ্ছা থাকিলে যিকোনো ব্যক্তিয়েই প্ৰযুক্তি বিদ্যা আয়ত্ব কৰিব পাৰিব আৰু সেইবাবেই, প্ৰযুক্তিৰ জগতখনত টিমিৰি যাত্ৰা অব্যাহত থাকিল, তাৰ আবেগ, জ্ঞান আৰু প্ৰযুক্তিয়ে পৃথিৱীখনক ভালৰ দিশত সলনি কৰিব পাৰে বুলি বিশ্বাসেৰে ভৱিষ্যতক গঢ় দিলে।

# আপোন মহাবিদ্যালয়খনৰ চমুকৈ একলম

মেৰী কলিতা

মহাবিদ্যালয়ৰ বাটচ'ৰা  
দীঘল পদূলি  
কৃষ্ণচূড়া আজাৰৰ শাৰী  
কাষতে সোমদিৰি নৈ  
জিৰি জিৰি..।

প্ৰাথমিক পৰ্যায়ৰ পৰা বৰ্তমানলৈ শিক্ষা জীৱনৰ ক্ষুদ্ৰতম পুথিখনৰ এটা অতি মূল্যৱান পৃষ্ঠা লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। গুৰু শিষ্যৰ মনোৰম মিলনভূমি এই মহাবিদ্যালয় মোৰ বাবে ভৱিষ্যতৰ সপোন গঢ়াৰ এক উৎকৃষ্ঠ ঠাই।

ইংৰাজী ১৯৭৭ চনৰ ২২ আগষ্টত জন্মলাভ কৰা আপোন মহাবিদ্যালয়খনে ২০০২ চনত ৰূপালী জয়ন্তী বৰ্ষ পূৰ্ণ কৰে। মহাবিদ্যালয়খন গঢ় দিয়াৰ ক্ষেত্ৰত যিসকল স্বনামধন্য ব্যক্তিয়ে কায়িক, শাৰীৰিক আৰু আৰ্থিক সাহাৰ্য্য আগবঢ়াইছিল, তেওঁলোকৰ সেই অৱদান মহাবিদ্যালয়ৰ বাবে সদায়েই যাউতিযুগীয়া হৈ ৰ'ব।

অধ্যক্ষ মহোদয়ৰ তত্বাৱধানত সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ সু-প্ৰচেষ্টাত লগতে ছাত্ৰ-ছাত্ৰীৰ সঠিক কৰ্মৰাজিৰ জৰিয়তে লক্ষীমপুৰ জিলাৰ প্ৰায় ভিতৰুৱা অঞ্চলৰ এই মহাবিদ্যালয়খন আজি কলা আৰু বিজ্ঞান শাখাত যথেষ্ট আগুৱাই যাবলৈ সক্ষম হৈছে। প্ৰায় পোন্ধৰটা বিভাগেৰে সৈতে এই মহাবিদ্যালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য, শৈক্ষিক পৰিৱেশ অতি মনোমোহা আৰু প্ৰশান্তিময়। ভিন্ন প্ৰতিভাসম্পন্ন বহুতো ছাত্ৰ-ছাত্ৰীয়ে জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে মহাবিদ্যালয়লৈ সু-নাম কঢ়িয়াবলৈ সক্ষম হৈছে। বৰ্তমানৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলে প্ৰতিদিনে ন-ন চিন্তাৰে ছাত্ৰ ছাত্ৰীৰ প্ৰগতিৰ লগতে অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মোৰ এই আপোন মহাবিদ্যালয়খনে ভৱিষ্যতে অসমৰ ভিতৰতে এক গৌৰৱোজ্জ্বল অধ্যায়ৰ সূচনা কৰক, তাৰবাবে আন্তৰিকতাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ অনুভৱৰ একলম সামৰণি মাৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।



# ফেঁহুজালি

ঋতুপৰ্ণা দত্ত

**চৰিত্ৰসমূহ ঃ**

কাশ্যপ ঃ এটা কাৰ্যালয়ৰ সভাপতি আৰু লেখক, বয়স ৪১

ৰাগিনী ঃ এজনী সেৱিকা, বয়স ৩১

বিদ্যুৎ ঃ ৰাগিনীৰ বন্ধু (একেটা কাৰ্যালয়ৰ সদস্য), বয়স ৩২

প্ৰণিতা ঃ ৰাগিনীৰ বন্ধু (একেটা কাৰ্যালয়ৰ সদস্য), বয়স ৩১

[মঞ্চ নিৰ্দেশনাঃ এখন অনাথ আশ্ৰমৰ কাৰ্যালয়। তাত যাৱতীয় চকী-মেজ, ফাইল আদিৰে কোঠাটো সজ্জিত হৈ আছে। সেই কাৰ্যালয়ত কাশ্যপ আৰু ৰাগিনী একেলগে বহি কথা পাতি আছে]

ৰাগিনী ঃ কি? কি ক'লে কাশ্যপ দা?

কাশ্যপ ঃ কিয়? কিবা আপত্তি আছে নেকি ৰাগিনী?

ৰাগিনী ঃ আপত্তি তেনেই নথকা নহয়। মোৰ নামটোৰে আপোনাৰ নাটকৰ মুখ্য নায়িকাৰ নামকৰণ নকৰিলে নহ'বজানো কাশ্যপ দা।

কাশ্যপ ঃ আপত্তি কৰাৰ অধিকাৰ হয়তো তোমাৰ থাকিব পাৰে, কিন্তু মই নিৰুপায়।

ৰাগিনী ঃ কিয়?

কাশ্যপ ঃ তোমাক লৈয়ে নাটক লিখিছোঁ যেতিয়া তোমাৰ নামটো ধাৰ নকৰিলে কেনেকৈ হ'ব কোৱা?

ৰাগিনী ঃ মোক লৈ নাটক লিখিছে?

কাশ্যপ ঃ ওঁ।

ৰাগিনী ঃ মোক লৈ সকলোৰে টনা-আজোঁৰা কিয় কৰে বুজি নাপাওঁ।

কাশ্যপ ঃ কাৰণ তুমি সাধাৰণ নহয়, অসাধাৰণ।

ৰাগিনী ঃ ধন্যবাদ। আপোনাৰ মুখত মোৰ প্ৰশংসা শুনি ভাল লাগিছে। কিন্তু কওঁকচোন, মোক অসাধাৰণ বুলি কিয় ক'লে।

কাশ্যপ ঃ তোমাৰ দৰে লিখা পঢ়া কৰা বুদ্ধিমতী নাৰী আমাৰ সমাজত সতকাই পোৱা টান। তদুপৰি।......

ৰাগিনী ঃ তদুপৰি মই এজনী বিধৱা হৈও বগা সাজযোৰৰ পৰিৱৰ্তে ৰঙীন কাপোৰ পিন্ধো। মই গান গাওঁ, নাচোঁ, কবিতা লিখোঁ। নহয়জানো?

কাশ্যপ ঃ আৰু ....

ৰাগিনী ঃ আৰু এতিয়া স্বামী নথকা স্বত্বেও অকলশৰে ওলাই আহিছো সমাজৰ হকে কাম কৰিববৈলে। মই জানো এই কাৰণেই আপোনাৰ মোৰ ওপৰত চকু। সেই কাৰণে আপুনি মোৰ বিষয়ে নাটক লিখিববৈলে ওলাইছে। কিন্তু কিমানখিনি জানে মোক? মোৰ মনৰ কথাবোৰৰ কিবা ভু ৰাখে নে আপোনালোকে? আপোনাৰ এই নাটকত হয়তো শেষত গৈ মোকেই সকলোবোৰ দোষৰ ভাগি কৰিবগৈ। মই ভালদৰে জানো, মোৰ প্ৰতি কাৰো সহানুভূতি নাই। মোৰ মুখৰ এই হাঁহিটোৰেই সকলোৰে মনত ডাঙৰ কথা হৈছে। মই কিমানখিনি কষ্টত আছোঁ, সেই কথা হয়তো ভাৰি চাববৈলে কাৰো অৱকাশ হোৱা নাই।

কাশ্যপ ঃ মোক সহানুভূতিহীন বুলি ভৱাটো তোমাৰ পক্ষে বৰ উচিত হোৱা নাই। মইতো এজন নিঃ কিন লেখক মোৰ কিতাপৰ নায়ক নায়িকাৰ প্ৰতি অবিচাৰ কৰিবৰ দুঃসাহস মোৰ নাই। সৰুতেই তোমাৰ বিয়া হৈছিল। বিয়াৰ এবছৰৰ পাছতেই তোমাৰ স্বামীৰ মৃত্যু হৈছিল। সমাজৰ মতে তুমি তেওঁৰ মৃত্যুৰ কাৰণ। ইমানবোৰ কষ্টৰ পাছতো এতিয়া তুমি বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী পাইছা। আৰু আমি সকলোৰে জানো যে, এতিয়া তুমি নিজকে দেশ তথা সমাজসেৱাৰ কামত আত্মনিয়োগ কৰিবা। গতিকে ইমানখিনি ধৈৰ্য্য, সহ্য আৰু তোমাৰ সাধনাৰ কথা জানিববৈলে আমাৰ মনত কৌতুহল জগাতো স্বাভাৱিক নহয় জানো?

ৰাগিনী ঃ আৰু সেইকাৰণেই হবলা মোক আপোনাৰ নাটকৰ নায়িকা কৰিছে, যাতে শ্ৰোতাৰ মনত তেনে কৌতুহল জগাই আপোনাৰ নাটকখনক সাৰ্থক ৰচনা কৰি তুলিব পাৰে।

কাশ্যপ ঃ তুমি অকল মোৰেই নহয়, সকলো লেখকৰ দুৰ্বলতাখিনিক আঙুলিয়াইছা।

ৰাগিনী ঃ আপুনি মোৰ সৰুতে বিয়া হোৱা কথা কৈছে। কিন্তু তাৰ বাবে মই দায়ী নহয়। সৰুতেই বিয়া নোহোৱা হ'লে আজি মোৰ এই অৱস্থা নিশ্চয় নহ'লহেঁতেন।

প্ৰণিতা ঃ ৰাগিনী কি কৈ আছ' তই এইবোৰ, সিটো ৰুমৰ পৰা শুনিহে আছোঁ সকলো...

ৰাগিনী ঃ তোৰ এই স্বভাৱটো সলনি নহ'ল আৰু। ভাল নাপাওঁ মই এনেকৈ কোনোবাই কথা শুনি থাকিলে।

প্ৰণিতা ঃ অ' এতিয়া ময়ো কোনোবাহে হলোঁগৈ। হ'ব যাওঁ দে মই।

ৰাগিনী ঃ সেই এইজনী হ'ব এতিয়া মুখ ফুলাব নালাগে, বহ চোন।

প্ৰণিতা ঃ হুহ , হ'ব।

বিদ্যুৎ ঃ ৰাহ, আজি সকলো একেলগে যে কিবা গভীৰ আলোচনা চলিছে যেন পাওঁ। পিছে কাশ্যপ, আগন্তুক পৰিকল্পনা কি? ভাল কিবা এটা লিখা আকৌ।

কাশ্যপ ঃ লিখিম লিখিম, কিয় নিলিখিম? তাৰেই এটা প্ৰচেষ্টাত লাগি আছোঁ আৰু।

বিদ্যুৎ ঃ অ' হয় নেকি? পিছে কেনেকুৱা ধৰণৰ কাহিনী লিখিবা এইবাৰ।

কাশ্যপ ঃ কাহিনী নহয়, এইবাৰ মই এখন বেলেগ ধৰণৰ নাটক লিখিব ওলাইছোঁ।

বিদ্যুৎ ঃ অহ, সেইখন আকৌ কেনেকুৱা নাটক?

ৰাগিনী ঃ সেইখন তেওঁ বেলেগ বুলি কৈছে, কাৰণ তাৰ কাহিনীটো এটা জীয়া কাহিনী।

প্ৰণিতা ঃ মানে কাৰোবাৰ সঁচা কাহিনী লিখিছে নেকি আপুনি?

কাশ্যপ ঃ উম এটা সঁচা কাহিনীক নাটকলৈ ৰূপান্তৰ কৰিছোঁ মই। আৰু সেই কাহিনীটোৰ মুখ্য নায়িকা হ'ল এগৰাকী সাহসী নাৰী। মানে আমাৰ ৰাগিনী। মন নাযায় জানো তোমালোকৰ ৰাগিনীৰ বিষয়ে জানিবলৈ।

বিদ্যুৎ ঃ অহ, মন যায়, কেনেকৈ ইমান আত্মবিশ্বাসী তুমি ৰাগিনী, কোৱা চোন আমি সকলোৱে শুনো।

ৰাগিনী ঃ শুনিব বিচাৰিছা যেতিয়া আজি কওঁ শুনা। আজিৰ পৰা প্ৰায় পোন্ধৰ বছৰ আগত মই এখন সম্ভ্ৰান্ত ঘৰত কাম কৰিছিলোঁ। তেতিয়া মোৰ বয়স আছিল মাত্ৰ বাৰ বছৰ। মই ঘটি অনা পইচা কেইটা তেওঁ মদ খাবলৈ লৈ গৈছিল-

প্ৰণিতা ঃ তেওঁ, তেওঁ বুলি তই কাৰ কথা কৈছ ৰাগিনী?

ৰাগিনী ঃ সেইজন পুৰুষৰ কথা কৈছোঁ, যাক মই দেউতা বুলি মাতিছিলোঁ।

প্ৰণিতা ঃ তই এনেকৈ কৈছ যে?

ৰাগিনী ঃ (কান্দি) অ' মই এনেকৈ কৈছোঁ। কাৰণ, এদিন তেওঁ মদৰ নিচাঁত নিজেই কৈছিল, অই ছোৱালী তই বেছি কথা নকবি। মই জাৰবৰ পৰা উঠাই ননা হ'লে সেই নিশা তাতেই মৰিলি হয়। চুপ চাপ পইচাকেইটা দে; এনেকৈ, এনেকৈ মোৰ হাতৰ পৰা পইচাকেইটা লৈ গৈছিল। আৰু সেই নিশাই তেওঁ কৈছিল যে অপেক্ষা মাথোন উচিত সময়ৰ। তেওঁ কোৱা সেই উচিত সময়তো মই সেইদিনাহে ধৰিব পাৰিছিলোঁ, যিদিনা মোক তেওঁ এজন মানুহৰ হাতত এৰি দি কৈছিল - যা সি যি কৰিব কয় তাকেই কৰিবি। যি খুৱাই তাকেই খাবি। মই ভাৰিছিলো, সেইদিনাৰ পৰা মই মুক্ত হ'লো। এতিয়াৰ পৰা আৰু মোৰ কোনো চিন্তা নাই। আজিৰ পৰা মই ভালদৰে পঢ়িব পাৰিম, নিজৰ কামবোৰ ভালদৰে কৰিব পাৰিম। কিন্তু সেই অভিশপ্ত নিশাটোৱে মোৰ সকলো শেষ কৰি পেলালে। তেতিয়াৰ পৰা তেওঁৰ অত্যাচাৰ আৰু বাঢ়িবলৈ ধৰিলে। তেতিয়ালৈকে মই ধৰিব পাৰিছিলোঁ যেমোৰ মূল্য কিমান? যিহেতু এটা মদাহীয়ে মদৰ বাবে আন এটা মদাহীৰ হাতত মোক গতাইছিল। দৈনন্দিন জীৱন এনেদৰে চলি আছিল। প্ৰায় এবছৰ দিন পাৰ হৈছিল, তেনেতে এদিন গম পালোঁ যে এখন ট্ৰাকৰ তলত পৰি তেওঁৰ মৃত্যু হৈছে। সেইদিনাই জন্ম হ'ল এই ৰাগিনীৰ।

বিদ্যুৎ ঃ ৰাগিনী.....

ৰাগিনী ঃ আৰু সমাজে কোৱাৰ দৰে মই কেতিয়াও নিজক বিধৱা বুলি নাভাবো। কাৰণ সেই পুৰুষজনৰ লগত মোৰ বিয়াই হোৱা নাছিল। হয়তো কেইদিনমান সময় লাগিব, কিন্তু এদিন এই অনাথ আশ্ৰমখন ভালদৰে গঢ়ি তুলিম।

প্ৰণিতা ঃ (চকুপানী মচি) ওম, য'ত থাকিব তোমাৰ মোৰ দৰে, পিতৃ মাতৃহীন ল'ৰা-ছোৱালী।

কাশ্যপ ঃ বেয়া নাপাবা ৰাগিনী, কিন্তু এই কাহিনীটো সমাজে জনাৰ প্ৰয়োজন আছে। পৰিস্থিতি লাগিলে যিমানেই বেয়া নহওঁক নিজৰ ধৈৰ্য্য এৰি নিদি, বিবেকেৰে কাম কৰাটো যথেষ্ট প্ৰয়োজন।

বিদ্যুৎ ঃ হয়, কাশ্যপ দা। আপুনি ঠিক কথা কৈছে। আমাৰ ৰাগিনীৰ দৰে বুদ্ধিমতী, আত্মবিশ্বাসী নাৰী আমাৰ সমাজৰ বাবে এক আদৰ্শ।

কাশ্যপ ঃ আচল কথাটো কি জানা, কেতিয়াবা আমাৰ জীৱনত আন্ধাৰ বোৰো লাগে। পাছফালে আন্ধাৰ আছে বাবেহে জোনটো ইমান উজ্বল। যদি সদায় পোহৰেই হৈ থাকিল হয়, জোনৰ চোন অস্তিত্বই নাথাকিলহেঁতেন। কেতিয়াবা উজ্বল হবলৈ আন্ধাৰত থকাটো জৰুৰী। দুখ কষ্ট যন্ত্ৰণা এইবোৰ সকলো একেই। জীৱনে কেতিয়াবা আমাক জোন হৈ জিলিকাবলৈও এন্ধাৰৰ মাজত ৰাখে। কষ্টৰ শেষত মৰা হাঁহিটোৰ নিচিনা সৌন্দৰ্য ক'তো নাই। সেয়ে কৈছোঁ সময়ক বিশ্বাস কৰক, সময়ে সময়ত সকলো দিয়ে। আমি নজনাকৈ আমাৰ কাহিনী কোনোবাই লিখি থাকে, সেয়া লাগিলে ঈশ্বৰে হওঁক বা সময়েই; প্ৰয়োজন মাত্ৰ অলপ ধৈৰ্য্য আৰু আত্মবিশ্বাসৰ।


(সকলোৱে কাশ্যপৰ মুখলৈ একেঠৰে চাই ৰয় আৰু চকুত এক আশাৰ ৰেঙণি দেখিবলৈ পোৱা যায়।)

সমাপ্ত

# মনোমোহা শ্বিলঙত এদিন

অনুপম বৰুৱা

আমি ১৪-০৯-২০১৮ তাৰিখে এল.টি.কে মহাবিদ্যালয়ৰ পৰা শ্বিলঙলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে এটি ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰিছিলোঁ। আমি আবেলি ৪.৩০ বজাত মহাবিদ্যালয়ৰ পৰা হাৰমতী ট্ৰেইন ষ্টেচনলৈ মনত অপাৰ আনন্দ লৈ যাত্ৰা কৰিছিলোঁ। আমাৰ গোটত ভূগোল বিভাগৰ ২৯ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু তিনি গৰাকী শিক্ষক-শিক্ষয়িত্ৰী আছিলোঁ। আমাৰ ট্ৰেইন আছিল ৰাতি ৭.৩০ বজাত। আমি নিৰ্দিষ্ট সময়তকৈ বহু আগতেই ষ্টেচনত উপস্থিত হলোঁ। কাৰণ সদায় সময় আগত ৰাখি কাম কৰিব লাগে। নিৰ্দিষ্ট সময়ত ট্ৰেইন আহি পোৱাত আমি লৰালৰিকৈ ট্ৰেইনত উঠিলো। দিগন্ত শইকীয়া চাৰে আমাক নিৰ্দিষ্ট কৈ চিটবোৰ ভগাই দিলে। পুৱা ৪.৩০ বজাত আমি গুৱাহাটী পালোঁগৈ। হোটেল সুখমনিত গা-পা ধুই দীপক ৰেষ্টুৰেন্টত ভাত পানী খাই আমি পুনৰ শ্বিলঙলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। গোটেই দিনটোত বৰাপানী Thangkhorang Park, V shape পাহাৰ আদি চাই বাটত আহি থাকোতে Seven sister false, Mawsmi Cave, eco park আদি চাই ৰাতি ১২.০০ বজাত গুৱাহাটী পালোঁহি। পিছদিনা পুৱাতেই উঠি গা পা ধুই মা কামাখ্যা মন্দিৰলৈ ৰাওনা হ'লোঁ, দেৱী দৰ্শন কৰি,



বালাজী মন্দিৰ, আঞ্চলিক বিজ্ঞানকেন্দ্ৰ আৰু শেষত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চাই অলপ বজাৰ কৰিলোঁ। আবেলি ৫.০০ বজাত আমি হোটেল এৰি কামাখ্যা ষ্টেচনলৈ ৰাওনা হ'লো। আমাৰ ট্ৰেইন ৮.৩০ বজাত আছিল। আমি সকলোৱে শ্বিলং, গুৱাহাটীৰ বিভিন্ন ঠাইৰ মনোৰম স্মৃতি ৰোমন্থন কৰি আমাৰ ওভতনি যাত্ৰা আৰম্ভ কৰি পুৱা ৪.৩০ বজাত লক্ষীমপুৰ পালোঁহি। আমি ভ্ৰমণ কৰা ঠাইসমূহৰ বিষয়ে তলত বৰ্ণনা কৰা হ'ল—

**বৰাপানী ঃ** বৰাপানীত এটা বিদ্যুৎ উৎপাদন প্ৰকল্প আছে। এই অঞ্চলটো মূল পথৰ পৰা দেখিবলৈ এটা দ্বীপীয় অঞ্চলৰ দৰে। বৰ মনোমোহা অঞ্চলটোত মানুহৰ যথেষ্ট সমাগম দেখিবলৈ পোৱা যায়। এই ঠাইডোখৰ মোৰ বৰ ভাল লাগিল।

**'V' ঃ** এই ঠাইডোখৰ দুখন বৃহৎ পাহাৰে ইংৰাজী বৰ্ণমালা 'V' ৰ ৰূপ লোৱাৰ বাবে ইয়াক 'V' shape বোলা হয়। এই অঞ্চলটো সম্পূৰ্ণ সেউজীয়া পাহাৰৰ ঢালেৰে সৰু সৰু নদী আৰু জলপ্ৰপাতৰ ৰূপত বৈ অহা পানীৰ ৰূপ আৰু শব্দই মানুহৰ মন পুলকিত কৰে।

**Thangkharang park ঃ** বাংলাদেশৰ সীমাৰ একেবাৰে ওচৰতে থকা Thangkharang park খন পাহাৰৰ বহু উচ্চতাত অৱস্থিত। পাহাৰখন যথেষ্ট ওখোৰা মোখোৰা আৰু বিভিন্ন প্ৰকাৰৰ গছ-গছনিৰে ভৰপূৰ। এই ঠাইত বহুতো জলপ্ৰপাত দেখা পোৱা যায়। লগতে কুঁৱলীয়ে সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰে।

**Seven sister waterfull ঃ** এই জলপ্ৰপাতটো সাতটা সৰু বৰ জলপ্ৰপাতেৰে গঠিত হৈছে। সেইবাবে Seven sister waterfull বুলি কোৱা হয়। বাৰিষা সময়ত এই waterfull ৰ নান্দনিক দৃশ্যই সকলোকে আকৰ্ষণ কৰে।

**Mawsmai Caves ঃ** মৌচুমী গুহা বৰ বৃহৎ আৰু গুহাটোৰ ভিতৰভাগ আন্ধাৰ হোৱাৰ বাবে লাইটৰ ব্যৱস্থা আছে। গুহাটো চুনশিলৰ দ্বাৰা গঠিত, চুনশিলবোৰ বিভিন্ন আকৃতিৰ, গুহাটোলৈ বহু ঠাইৰ পৰা পৰ্যটক আহে। গুহাটোৰ ভিতৰত ওপৰৰ পৰা টোপ টোপ কৈ পানী পৰি থাকে। ওচৰতে এখন বজাৰ বহে। এইখন বজাৰত বহুতো ধুনীয়া ধুনীয়া বাঁহ-বেতৰ সামগ্ৰী পোৱা যায়।

**Eco park ঃ** Eco park খন পাহাৰৰ ওপৰৰ দাঁতিত অৱস্থিত, ইয়াৰ পৰা পাহাৰৰ তলৰ বহু মনোৰম ঠাই দেখিবলৈ পোৱা যায়। খুউব ধুনীয়া পৰিৱেশ দেখি আপ্লুত হ'লো।

**কামাখ্যা মন্দিৰ ঃ**

কামাখ্যা মন্দিৰলৈ যোৱা পথটো অকোৰা-পকোৰা। নীলাচলৰ উচ্চ শিখৰত অৱস্থিত মন্দিৰটোত পুৱাৰ পৰাই অগনন ভক্তৰ আগমন হয়। কামাখ্যা মন্দিৰৰ আশে পাশে পূজাৰ সামগ্ৰী বিক্ৰী কৰা দোকান পোহাৰ বহুত আছে। মন্দিৰটোত য'তে ত'তে শিলত খোদিত কৰা মূৰ্তি আছে। লগতে সৰু সৰু পুখুৰী দুটাও আছে।

**বালাজী মন্দিৰ ঃ**

বালাজী মন্দিৰটো বগা ৰঙৰ, দেখাৰ লগে লগে মনটো পৱিত্ৰতাৰে ভৰি যায়। গোটেই মন্দিৰটোত ভগৱানৰ সৰু ডাঙৰ বিভিন্ন মূৰ্তি আছে। মন্দিৰৰ এলেকাৰ ভিতৰত এখন বাগিছা আছে। তাত খেজুৰ গছ বহু পৰিমাণে আছে।

**আঞ্চলিক বিজ্ঞান কেন্দ্ৰ ঃ**

কেন্দ্ৰটোত বিজ্ঞানৰ সকলো ধৰণৰ সা-সামগ্ৰী আছে। চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ আদি চাব পৰা ব্যৱস্থা আছে। কেন্দ্ৰটোৰ বাহিৰত এখন ডাঙৰ বাগিছা আছে আৰু ফুলনিৰ মাজে মাজে মহৎলোকৰ মূৰ্তি আৰু বিজ্ঞানৰ বিভিন্ন বস্তু সজাই থোৱা আছে।

**কলাক্ষেত্ৰ ঃ**

কলাক্ষেত্ৰত এখন আটকধুনীয়া পাৰ্ক আছে। সৰু ল'ৰা-ছোৱালীয়ে খেলিব পৰা সকলো ধৰণৰ ব্যৱস্থা ইয়াত আছে। পুখুৰীবোৰৰ কাষে কাষে ৰাস্তা দিয়া আছে। তাত ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতি নামেৰে এটা প্ৰেক্ষাগৃহ আছে। তাত পুখুৰীৰ ওপৰত এখন সৰু দলং আছে। পুখুৰীত মাছো আছে।

আমাৰ এই ভ্ৰমণ কালত মই লগৰীয়াসকলৰ লগত যথেষ্ট ফুৰ্তি কৰিলোঁ, শ্বিলঙৰ অকোৰা পকোৰা পথ, শাৰী শাৰী পাহাৰ, ওখ ওখ পাইন, গছৰ লগতে বিভিন্ন ধৰণৰ অৰ্কিড দেখি অভিভূত হ'লোঁ। শ্বিলঙৰ যি সেউজ পৰিৱেশ, জলপ্ৰপাতৰ মোহনীয়া দৃশ্য, ৰিমঝিম বৰষুণৰ টোপাল, কুঁৱলী আৱৰণ মোৰ জীৱন ভৰি স্মৃতিৰ পাতত জিলিকি থাকিব। নিকা ৰাস্তা পথ, সেৰেঙা জনবসতি, সু-স্বাস্থ্যৰ গৰাকী খাঁচী, জয়ন্তীয়া, গাৰো জনগোষ্ঠী লোক সকলে শ্বিলঙক এটা নতুন মাত্ৰা দিছে। গুৱাহাটী মহানগৰখনো চাৰিওফালে পাহাৰে আগুৰা, বহুলোকে পাহাৰ কাটি ঘৰ সাজিছে, এনে কাৰ্য কিন্তু পৰিৱেশৰ ভাৰসাম্যৰ প্ৰতিকূল।

শেষত ইয়াকে কওঁ, ভ্ৰমণে মানুহৰ জ্ঞান বঢ়ায়, সকলোৱে সৈতে মিলিব শিকায়। এই ছেগতে আমাৰ শিক্ষাগুৰু তথা ভ্ৰমণৰ তত্ত্বাৱধায়ক দুগৰাকীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

# TRAVELOGUE

Koustav Borah

Suddenly I wake up with a start. It was 4:58 AM, still 2 minutes left for my alarm to ring. The last night I couldn't sleep due to the thoughts that were coming into my mind. The strong desire for the tour to Ujjani Miri VIllage with my classmates did not let me sleep well. I was planning how I'm going to spend all day with them, what we will do, and what type of fun we can do? etc etc. While thinking all this, I heard someone knocking at my door. "Oii! Wake up. Don't you remember you have a tour day?". " I'm already awake Maa", I answered. I wake up from my lying position and sit and rub my eyes. It is a typical winter morning. I feel the cold outside and reluctantly leave the warmth and coziness of my bed. After stretching for a bit, I'm ready for the day.

At 7:00 AM, I left for my college. Almost everyone is already there and some are fighting for the window seats. Somehow, I manage to get a window seat and then our journey begins. One of our teachers stands up, gives instructions about the survey and shares the purpose of the educational tour. At that time I was daydreaming about the village and its people, and thinking about how they would react to our survey. The village is not far enough. We are almost there. The wind coming through the windows is freezing everyone. So, to warm up our bodies and also to escape from boredom, we start singing songs. Some are clapping and some are moving their hands and heads with rhythm. The bus takes a right turn from N.H 15 to Pohumara - Kimin road. After a while, we reach the Satajan Bird Sanctuary. I get out of the bus and feel the warm and tender rays of the sun on my face. Though Satajan is not far from my home, but this is my first experience of coming here in winter. The songs of the birds are clearly audible. One can easily be pleased by the view of playing birds in the Satajan Lake. I feel a kind of peace and harmony here as if I am a part of Nature. We gathered on the bank of Satajan and one of our teachers started delivering some data about the Satajan Bird Sanctuary. Satajan Bird Sanctuary or Satajan Wetland is a unique habitat of aquatic flora and fauna with as many as 34 species of local birds and 13 species of migratory birds arriving here every winter, located about 8 K.M in the junction of N.H 15 and Deeju- Kimin road. This wetland is also a breeding ground for the whistling Hen and Bronze-winged Jacana. It is also the nesting ground for the Indian Purple Moorhen and coots and a visiting site of the endangered white-eyed Pochard, a migratory bird from Pacific Siberia.

After enjoying the mesmerizing view of the Stajan wetland, we reach the Ujjani Miri Village. It is a village

inhabited by the Samuguria Misiry community. Though they are converted to Assamese, but at the same time they don't forget their root culture. The village looks like a typical Mising village. Their houses are mainly Chang Ghar as it is a flood-prone area. And under each Chang, there are pigs and chickens. The villagers are very friendly. They help us to tour their village. The exact day is also a funeral ceremonial day organized by one of the villagers. In the local language, they call it Doutgang. He invited us to the ceremony and offered us rice, pork and aapong.

It is almost 12:30 noon, the sun is on our heads. One of the villagers leads us to a holy place which they call Kesaikhati Aai Than. I bow my head and enter the Than. The Than is crowded. A banyan tree is worshiped here. The tree looks old enough. I take out the packet of Agarbatti and Earth lamp, light them up and pray. I feel like my wishes are going to be fulfilled. We ask a priest about the history of the Than. According to the priest and local people, the Than was established in the year 1922, in the month of Bohag. The Than was made with Deo Bani and since they believe that Devi only drinks raw blood, so the name of the Than is Kesaikhati Aai Than. In the year 1922, Magh, a girl was having chicken pox which is called as "Aai Utha" in Assamese. While she was suffering from 'Aai', she roamed here and there in pain. She had lots of prediction power, all the villagers were engaged in worshiping her. After a few days, she went to a banyan tree and said she would stay in that tree forever. People should offer raw blood to Devi every day. After her death, people recognised that place as Aai and worshipped it as Kesaikhati Aai Than. For the people of Lakhimpur, the Than has been a most powerful worshiping place since then. People believe whatever people wish there in devotion, it will come true.

Now, it's time for us to return back. On the way back, sitting on the seat, I started to think about the day, about the village people. How simply they live, how sweet those people are. Even though we are strangers, they treat us so well. To say, I am very much touched by their hospitality. Ohh! What a great day! I can never forget this day. Thank you, Thank you from the bottom of my heart. A smile comes out of my mouth. Finally, we reach our college and the journey is over.

# Kedarnath: A Sacred Pilgrimage in the Himalayas

**Nilutpal Dutta**

Nestled in the majestic Himalayan mountains of northern India, Kedarnath is a place of profound spiritual significance and natural beauty. This remote town, situated in the state of Uttarakhand, is renowned for its ancient temple dedicated to Lord Shiva and is a destination that attracts pilgrims, trekkers, and nature enthusiasts alike. A brief idea about the Kedarnath place was discussed in terms of the following points:

a. **Spiritual Significance:** The Kedarnath Temple, an architectural marvel made of stone, stands as a symbol of devotion and faith. It is one of the 12 Jyotirlingas, which are sacred shrines dedicated to Lord Shiva. The temple's history dates back over a thousand years, and it has weathered many natural disasters, including the catastrophic floods in 2013. The unwavering faith of devotees has seen it rise from the ruins and continue to be a site of religious pilgrimage.

b. **The Pilgrimage:** Reaching Kedarnath is an adventure in itself. The journey begins in the town of Gaurikund, from where pilgrims have to trek for approximately 16 kilometers to reach the temple. The trail passes through breathtaking landscapes, dense forests, and the Mandakini River. For those unable to trek, mules and palanquins are available, making the journey accessible to people of all ages.

c. **Natural Beauty:** Beyond its spiritual significance, Kedarnath is a haven for nature lovers. The region is adorned with lush meadows, snow-capped peaks, and pristine rivers. The Chorabari Tal, also known as Gandhi Sarovar, is a glacial lake situated near Kedarnath and offers a serene spot for reflection amidst the Himalayan grandeur.


d. **Adventure Awaits:** For trekkers and adventure seekers, Kedarnath serves as a gateway to several trekking routes, including the famous Kedarnath – Badrinath trek. This expedition takes you to Badrinath, another prominent pilgrimage site, and offers a glimpse of the diverse flora and fauna of the region.

e. **Conservation Efforts:** Kedarnath is not without its challenges. The fragile ecosystem faces threats from over-tourism and environmental degradation. Efforts are being made to preserve the natural beauty and cultural heritage of the area through responsible tourism practices and strict regulations.

In conclusion, Kedarnath is a place where spirituality and nature converge. It is a testament to the enduring power of faith and a reminder of the breathtaking beauty of the Himalayas. Whether you seek a pilgrimage, adventure, or simply a retreat into nature, Kedarnath has something profound to offer to every traveller.

# The enchanting Natural Beauty of Khonsa

Preety Chetry



**Introduction:**

Khonsa, a hidden jewel in the north-eastern state of Arunachal Pradesh. If a place where the embrace of nature's grandeur takes our breath away. Tucked away in the easternmost part of India, the Pristine town is a testament to the unspoiled beauty of the Eastern Himalayas.

**Lush Green Forests:**

One of the most striking aspects of khonsa's natural beauty is its lush green forests. These evergreen expanses, blanketed in diverse flora, create a landscape that is nothing short of enchanting. The forests are home to a myriad of plant species, including towering trees like oak

and bamboo, and colorful rhododendrons. As we venture into these verdant woods, we will be enveloped in a rich tapestry of green, a soothing balm for the soul.

**Snow-Capped Peaks:**

The Eastern Himalayan range cradles khonsa, providing a stunning backdrop of snow-capped peaks that glisten in the winter months. These towering mountains, including the prominent Daphabhum and Hiombhong peaks, are seen to touch the heavens. The sight of these majestic summits against the clear blue sky is awe-inspiring, invoking a sense of wonder and humility in those who gaze upon them.

**Glistening Rivers**

Khonsa is blessed with pristine rivers, most notably the Kameng and Dikrong Rivers. These water bodies meander gracefully through the landscape, their crystal clear waters reflecting the surrounding greenery. Beyond the visual appeal, these rivers play a vital role in the lives of the local communities, providing sustenance and opportunities for activities such as angling and boating.

**Enchanting Waterfalls:**

The region surrounding khonsa is adorned with enchanting waterfalls, each with its unique charm. The Namdopha waterfall and kheti waterfall, for instance, cascade gracefully down the hillsides, creating a mesmerizing spectacle. These natural wonders not only offer a visual treat but also provide a serene spot for relaxation, meditation and reflection.

**Biodiversity Haven:**

Arunachal Pradesh is renowned for its rich biodiversity, and khonsa is no exception. The forests surrounding the town are a haven for rare and endangered species like the red panda and the majestic show leopard. Birdwatchers are also in for a treat, as the region is home to a diverse avian population, making it a paradise for ornithologists and nature enthusiasts.

**Botanical Extravagonza:**

The nearby Mishmi Hills are famous for their
vibrant orchids and rhododendrons. These colorful blooms add splashes of colour to the landscape, creating a kaleidoscope of natural beauty.

**Conclusion:**

Khonsa, Arunachal Pradesh, is a destination where nature's grandeur is on full display. Its lush green forests, snow-capped peaks, glistening rivers, enchanting waterfall, and rich biodiversity combine to create a captivating canvas of natural beauty. It is a reminder that three are still pristine pockets of wilderness on our planet, placed where the beauty of the natural world remains untamed and awe-inspiring khonsa, with its unspoiled landscapes, is one such place, a sanctuary for both the soul and the senses.

# অণুগল্প

## স্বস্তিৰ নিশ্বাস

উফ্ কি যে গৰম, গোপগোপীয়া গৰম সহ্য কৰিব নোৱাৰি ভীমকান্তই এহাতে বিছনী মাৰি গালি পাৰি পাৰি ওলাই গ'ল। বাহিৰত হঠাৎ আকাশখনলৈ চকু পৰাত তাৰ সেমেকা মনটো উজ্বল হৈ পৰিল। বগা আকাশখনত ক'লা ডাৱৰবোৰ আহি থোপা পাতিছেহি। গোমা হৈ থকা আকাশখন দেখি তাৰ ইমান দিনৰ খংটো যেন পলকতে নোহোৰা হ'ল। বৰষুণ এজাকৰ অপেক্ষাত থাকোঁতে থাকোঁতে আহি শাওনৰ শেষ পালেহি। আজি এমাহ বৰষুণ নাই। ইফালে পথাৰৰ মাটি চিৰাল ফাঁট দিছে। যদি এইবাৰ খেতি কৰিব নোৱাৰে, কেৱল খেতি কৰিব জীৱন নিৰ্বাহ কৰা পৰিয়ালটোৰে কেনেকৈ বছৰটো পাৰ কৰিব, তাৰ চিন্তাত যেন পেটতে হাত ভৰি লুকাল। অৱশেষত চিন্তাৰ অন্ত পৰিল। ডাৱৰৰ মাজেৰে এজাক বৰষুণ নামি আহিল। তেওঁ শান্তিৰে উশাহ ল'লে।

নিলুৎপল দত্ত

## বেদনা

পদূলিৰ মুখত চিঞৰ বাখৰ শুনি হঠাৎ ৰিমঝিমে উচপ খাই উঠিল। সময় ৯ বাজি ৩০ মিনিট পাৰ হৈছে কিজানি। মনত পৰিল আজি মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ কথা। অলপ আগতে দূৰত শুনা সেই চিঞৰ বাখৰৰ দলটো আহি ৰিমঝিমৰ ঘৰৰ চোতাল পালেহি। বাহিৰলৈ বুলি ওলাই যাওঁতেই দলটোৱে চাৰিওফালৰ পৰা তাইক হেঁচা মাৰি ধৰি কোলাত উঠাই ল'লে আৰু গামোচাৰে অভিনন্দন জনালে। তেতিয়াও আচলতে কি হৈ আছে, তাই ধৰিব নোৱৰিলে। কাষতে দুই এজনীয়ে কৈ থকা শুনিলে- পৰীক্ষাৰ চাৰিমাহ মানৰ আগত ধৰ্ষিতা হোৱা ছোৱালীজনীয়ে যে ষ্টেণ্ড কৰিব, কোনে জানিছিল? ষ্টেণ্ড কৰাৰ কথাটো শুনি তাইৰ সপোন সপোন লাগিল যদিও অন্য এটা বিষে বুকুখন গধুৰ কৰি তুলিলে।

নিলুৎপল দত্ত

## মৰ্মান্তিক

এসময়ত এই ঠাইখিনি এটা সৰু জুপুৰি আছিল। এতিয়া এই ঠাইখিনিতে এটা প্ৰকাণ্ড আৰ. চি. চি.। সেই ভঙা জুপুৰিটো আৰু নাই। আৰ. চি.চি. টোৰ সন্মুখৰ পদপথতে পৰি থাকে এজনী অসহায় বুঢ়ী। বুঢ়ীজনীৰ মৰমৰ একমাত্ৰ পুত্ৰ, সেই বৃহৎ আৰ. চি. চি. টোৰ মালিক আৰু বুঢ়ীজনীৰ এতিয়া একমাত্ৰ সম্বল চকুলো।

প্ৰণৱজ্যোতি মুছাহাৰী

# চফ্‌ট লেণ্ডিং

অনন্যা সেনাপতি

যোৱা ৰাতিৰ কথা। চন্দ্ৰযান- ৩ য়ে চন্দ্ৰত গৈ থিতাপি লোৱাৰ পিছত গগনৰ পেহীয়েকে সন্ধিয়া টি.ভি.ত চফ্‌ট লেণ্ডিঙৰ কথা শুনি তাৰ মানেনো কি গগনক সুধিলে। কাৰণ তাৰ ইংৰাজীৰ দখলটো ভাল। গতিকে সি ভালদৰে সেইখিনি অসমীয়াত বুজাই দিব পাৰিব। পেহীয়েকৰ প্ৰশ্ন শুনি তাৰ পণ্ডিত পণ্ডিত ভাৱটো অলপ বেছিকৈ জাগি উঠিল। সেয়ে সি ভাবিলে কথাখিনি বুজোৱা যাওক আৰু তাকে ভাবি আৰম্ভ কৰিলে-

চফ্‌ট লেণ্ডিং মানে উদাহৰণ স্বৰূপে মায়ে যেতিয়া সন্ধিয়া ওলাই যোৱা দেউতাক ঘৰৰ দৰকাৰী বস্তু আনিবলৈ বা সোনকালে ঘৰলৈ আহিব কয় আৰু কোৱাৰ পিছতো দেউতাই ডবাখেলত ডুবি থাকি, নিশা এঘাৰ বজাত ঘৰৰ গেট পাই মনত পৰে যে ৰাতিৰ সাজৰ দৰকাৰী বস্তু এটা আনিবলৈ কোৱাৰ পিছতো তেখেতে পাহৰিলে আৰু তেতিয়া মনত পৰাৰ লগে লগে ঘৰৰ পদূলি মুখৰ পৰা বাইকৰ ষ্টাট বন্ধ কৰি লাইট অফ্‌ কৰি লাহে লাহে ঠেলি আনি গেৰেজত গৈ হাতত বাইকৰ চাবি লৈ সৰু সৰু খোজ দি পাকঘৰৰ দুৱাৰমুখ পাৰ হৈ আমাৰ কোঠাত প্ৰৱেশ কৰি মুখত আঙুলি দি মনে মনে মনে থাকিবলৈ ইংগিত দিয়ে আৰু ফুচফুচাই সোধে, মায়ে খং কৰি আছে নেকি আৰু আমি যেতিয়া নাই ঠিকেই আছে বুলি কওঁ, তেতিয়া লাহেকৈ গৈ নিজৰ ৰুমত সোমাই হাত ভৰি ধুই মাৰ বাবে বিচনা পাৰি, আঁঠুৰা তৰি ফোনটো দুৰৈত থৈ শান্ত ল'ৰাৰ দৰে মাৰ পাকঘৰৰ ৰাতিৰ লেতেৰা বাচনবোৰ ধুবলৈ লয় আৰু মায়ে একো নকৈ শান্ত হৈ থাকে, তাকে চফ্‌ট লেণ্ডিং বুলি কয়। এইখিনি কৈ পেহীয়েকক আৰু অলপ জ্ঞান দিবলৈ পুনৰ ক'লে—

আৰু কেতিয়াবা যে মায়ে এনে কিবা খণ্ডত অগ্নি শৰ্মা হৈ দেউতাক গালিৰে ধুই পেলায়, তেতিয়া ৰাফ লেণ্ডিং বুলি কয়, যিটো চন্দ্ৰযান ২ ক্ষেত্ৰত হোৱাৰ কথা কালি আলোচনাৰ প্ৰসংগত আপুনি শুনিছিল আৰু যাৰ ফলত সেইখন ধ্বংস হৈছিল।

# আঁঠুৰা

অনন্যা সেনাপতি

নমস্কাৰ ৰাইজ। মোৰ নাম আঁঠুৰা। সদ্যহতে মোক আপোনালোকে লগ পাব বেডৰুমত। বহুতে কয়, বাহিৰৰ পৃথিৱীত যিমানেই শান্তি বা অশান্তি নহওঁক কিয়, আঁঠুৰা তলৰ একান্ত পৃথিৱীখনত শান্তি হ'লেহে কিন্তু জীৱনটো সুখৰ হয়। তথাপিও হ'লে মোৰ তিলমানো গৰ্ব-অহংকাৰ নাই দেই।

ৰ'ব-ৰ'ব। বৰ্তমান পিছে ফিটাহি দুটামানে (গুডনাইট, কচুৱা) মোৰ পজিচন ল'বলৈ যি হেতা-ওপৰা লগাইছে, তথাপিও পিছে মোক এতিয়াও আপোনালোকৰ মাজৰ পৰা আঁতৰাই দিব পৰা নাই। মোৰ জন্ম কথা ক'লে, বুৰঞ্জীৰ পাতত কপাহী সূতাৰে নিৰ্মিত অৱস্থাত পোৱা গৈছিল বুলি জানো। কিন্তু লাচিতৰ দিনত মোক ব্যৱহাৰ কৰিছিল নাই সেই সম্পৰ্কে বুৰঞ্জীও নিমাত। আজিলৈ ইয়াতে সামৰিছোঁ দেই, লগ পাম আকৌ বেডৰুমত।

# Avengers: Infinity War-
# A Critical Analysis

**Santosh Sonowal**

The Russo Brothers' "Avengers: Infinity War" is a superhero picture that was released in 2018 and takes place in the Marvel Cinematic Universe (MCU). This film represents the climax of a journey that has spanned ten years in the Marvel Cinematic Universe (MCU), bringing together a large number of well-liked characters from earlier films to take on their most formidable adversary to date: Thanos. Thanos, the Mad Titan, is on a mission to collect all six of the Infinity Stones, which will provide him with unfathomable power and the capacity to change the very nature of reality. He is under the impression that by eradicating fifty percent of all life in the cosmos, he will be able to restore equilibrium and stop the growth of the human population. The movie set the stage for an epic clash between Thanos and the Avengers, the Guardians of the Galaxy, Doctor Strange, Spider-Man, and any number of other heroes who have banded together to defeat Thanos and rescue the universe.

The movie is an adrenaline rush packed with heart-pounding action, intense feelings, and high-stakes drama. The Avengers have been split up into several smaller organisations, and each of these groups has been entrusted with preventing Thanos from gaining one of the Infinity Stones. In the meantime, Thanos continues to work tirelessly towards his objective, even if it means betraying people he cares about most. As Thanos' drive for dominance reaches its height, the movie is punctuated with moments that will break your heart, including the passing of various characters that you have grown attached to. The shocking conclusion of the movie shows Thanos achieving his goal of collecting all of the stones and then using the combined power of those stones to wipe out half of all life in the universe with the

snap of his fingers. The audience is left speechless and anxiously anticipates the next chapter in the epic as many of their favourite heroes are reduced to dust during the course of the story. The cinematic experience that is "Avengers: Infinity War" is spectacular and emotionally intense, leaving fans both exhilarated and heartbroken as they witness the Avengers suffer their greatest loss at the hands of the powerful Thanos.

The film "Avengers: Infinity War" was met with a great deal of praise from audiences as well as film critics, however much like any other movie, it was also met with some criticism. The following are some of the more widespread criticisms:

**a. Complication and Pacing:** Some viewers thought the movie to be too complicated, and they believed that it had difficulty striking a balance between its vast ensemble cast and its many different plotlines. Some members of the audience found the pacing to be a little bit overwhelming because of the frequent swings between different groups of characters. This made it difficult to connect with all of the characters on an emotional level.

**b. Character Deaths:** While the stakes and emotional effect of character deaths were recognised by a large number of viewers, several critics believed that the deaths were handled in a way that made it evident that they would likely be reversed in the upcoming film, "Avengers: Endgame." Some viewers reported that this made them feel as though there was less of a meaningful consequence.

**c. The intentions of Thanos**: Although Thanos is frequently lauded as one of the most intriguing antagonists in the Marvel Cinematic Universe (MCU), some commentators have found fault with his intentions. They contended that his plan to eradicate half of all life in the cosmos in order to avert overpopulation was extremely basic and had not been adequately researched, which led to doubts over the plan's practicability and ethi cs .

**d. Lack of Character Development:** Due to the big ensemble cast, some of the characters did not receive as much screen time or development as other characters did. This led to a lack of character development. This resulted in concerns that certain characters were underutilised, and their story arcs were partly overlooked in favour of the primary storyline.

In conclusion, "Avengers: Infinity War" is a monumental entry in the Marvel Cinematic Universe. It brings together a vast array of fan-favorite characters and delivers an intense, action-packed narrative that examines the consequences of power as well as the sacrifices that are required to confront an unstoppable force. The film's jaw-dropping conclusion sets the stage for the highly anticipated sequel, "Avengers: Endgame," in which the remaining heroes will make one final, desperate attempt to repair the damage wreaked by Thanos and restore balance to the universe. The film's climax sets the setting for the highly anticipated sequel, "Avengers: Endgame." Fans of superhero movies absolutely have to see this movie because it features some of the most nuanced and interesting characters yet seen in a Marvel Cinematic Universe episode, in addition to some very breathtaking special effects.




কুইন সোণোৱাল

ক) বিয়নী মেল এতিয়া হ'ল বোলে অতীত
সকলো বিজি ৰং, ৰেঙনি টি ভি.ত,
ৰাজকুমাৰী অম্রপালি আৰু নাহৰ,
সকলোবোৰ মহিলা সন্থাৰ বৰ মৰমৰ।
কাৰেন্ট গ'লেও ডন্টকেয়াৰ,
দিনত আকৌ দিয়ে যে চব ৰিপিট।

খ) এল. টি. কে. মহাবিদ্যালয়ৰ হোষ্টেলৰ সন্মুখত,
এতিয়া বেষ্ট চেলাৰ জুবিন দাৰ ধাবা,
ত্রিশ টকাত তিনিওজনে পেট ভৰাবলৈ পাবা।
ধাবালৈ সেয়ে মানুহৰ তামাম সোঁত বয়।
ধাবাত হেনো লিখা আছে,
৩০ টকাত খাই বৈ এমাহ বাচন ধুৱা।

# FRIENDSHIP FOR LIFE

Debajit Borah

Some people you meet leave a lasting impression

Some pass through without even a mention

The ones that stand out Leave us no doubt

Friendships for life are without exception.

ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অসমৰ এগৰাকী শিক্ষাবিদ, গৱেষক, জনপ্ৰিয় বিজ্ঞান লেখক, শ্ৰদ্ধাৰ ড° অমিয়া ৰাজবংশী বাইদেউৰ কৰ্মৰাজি সকলোৰে পাথেয়স্বৰূপ। তেখেতৰ গুৰু গম্ভীৰ ব্যক্তিত্ব, তীক্ষ্ণ বাক্‌পটুতা, ভাষণৰ শ্ৰুতি মধুৰ শৈলীয়ে সকলোকে আকৰ্ষণ কৰে। তেখেতৰ এটি সাক্ষাৎকাৰ পাঠক সমাজলৈ আগবঢ়ালোঁ।

# সাক্ষাৎকাৰ



প্ৰশ্ন ১ ঃ বাইদেউ, আপোনাৰ জন্ম আৰু শৈক্ষিক জীৱন সম্পৰ্কে আমাক জনাবচোন।

উত্তৰ ঃ মোৰ জন্ম হৈছিল ১৯৪৯ চনৰ জানুৱাৰী মাহত ঢকুৱাখানাৰ ওচৰৰ শালকটা নামৰ ঠাইত। দেউতা ফৰেষ্ট ডিপাৰ্টমেন্টৰ মানুহ আছিল কাৰণে, পৰিয়ালটো দেউতাৰ লগে লগে ঘূৰি ফুৰিছিলোঁ। স্কুললৈ মই ঢাৰি লৈ যোৱা মনত আছে, কিন্তু স্কুলবোৰৰ নাম মনত নাই। তৃতীয় শ্ৰেণী পঢ়িছিলোঁ নগাঁও জিলাৰ মাজবাটৰ এল.পি. স্কুলত, এটা ডাঙৰ স্কুলঘৰ, কোঠা নাই- আটাইকেইটা শ্ৰেণী তাতে বেলেগে বেলেগে বহে। এজন শিক্ষক বগা ধুতি-পাঞ্জাৱী পিন্ধা ধুনীয়া মানুহজন, ঁভগীৰথ শৰ্মা মোৰ মনত থকা প্ৰথমজন শিক্ষাগুৰু। মই এল.পি. বৃত্তি পৰীক্ষা নগাঁওত চাৰৰ ঘৰত থাকি দিছিলোঁ। নৰ্থ জামুগুৰি হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি প্ৰিইউনিভাৰ্চিটি আৰু বি, এছ, চি কটন কলেজত পঢ়িছিলোঁ কটন গাৰ্লছ হোষ্টেলত থাকি। এম, এছ, চি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। পি. এইচ. ডি. হাইদৰাবাদৰ ওছমানিয়া ইউনিভাৰ্চিটিৰ জন্মতত্ব বিভাগত। ড° ৰাজবংশীয়ে গৱেষণা তাতে কৰাৰ কাৰণেময়ো গৈছিলোঁ, কিন্তু মই চাবমিট কৰিছিলোঁহি গুৱাহাটী বিশ্ববিদ্যালয়ত।

প্ৰশ্ন ২ ঃ আপুনি চিকিৎসা বিজ্ঞানত আসন লাভ কৰিও প্ৰাণীবিজ্ঞান বিভাগত অধ্যয়ন কৰাৰ কাৰণ সম্পৰ্কে কওকচোন।

উত্তৰ ঃ চিকিৎসা বিজ্ঞানত আসন লাভ কৰাৰ খবৰ ওলাওতে দেৰি হয়। সেয়েহে কটন কলেজতে প্ৰাণীবিজ্ঞানত অনাৰ্চ লৈ পঢ়ি আছিলোঁ। প্ৰাণীবিজ্ঞান বিভাগৰ দেবী মহন্ত, মাধৱ দাস, শ্ৰীজীৱ চক্ৰবৰ্তী, যশোৱন্ত ভট্ট-এই ছাৰ সকলে ইমান মৰম দিলে যে, মই প্ৰাণী বিজ্ঞান এৰি যাব নোৱাৰিলোঁ। অৱশ্যে ইতিমধ্যে বিষয়টো ভাল লাগি আহিছিল।

প্ৰশ্ন ৩ ঃ আপোনাৰ শিক্ষকতা জীৱনৰ অভিজ্ঞতাৰ বিষয়ে জনাওকচোন।

উত্তৰ ঃ লক্ষীমপুৰৰ ছোৱালী মই। M.Sc. ৰ ৰিজাল্ট ওলোৱাৰ আগতে নিজৰ কলেজখনতে অভিজ্ঞতাৰ কাৰণে পঢ়াইছিলোঁ। অধ্যক্ষ আছিল ঁ যোগানন্দ বৰগোঁহাই, মোৰ ডাঙৰ মামাৰ বন্ধু। লক্ষীমপুৰত পঢ়া নাছিলোঁ, কিন্তু মোৰ ৰিজাল্ট ওলাওঁতে লক্ষীমপুৰৰ মানুহে "আমাৰ ছোৱালীয়ে ইমান ভাল ৰিজাল্ট কৰিছে" বুলি ঠায়ে ঠায়ে ইমান সন্মান

জনালে মোক- বন্দী হৈ গ'লোঁ। মই B.Sc. আৰু M.Sc. দুয়োটাতে অসমৰ ভিতৰত প্ৰথম আছিলোঁ, Gold Medalist। যোৰহাট এগ্ৰিকালছাৰ ইউনিভাৰ্চিটি, গুৱাহাটী ইউনিভাৰ্চিটি আৰু অন্য বহুতো চাকৰি পাইছিলোঁ। দায়বদ্ধতা অনুভৱ কৰিলোঁ- "নিজৰ ল'ৰাছোৱালীবোৰকে নপঢ়াও কিয়? থাকি গ'লো লক্ষীমপুৰ কলেজতে। শিক্ষকতাত সমৰ্পন কৰিলোঁ নিজকে। ইমান ভাল লাগে পঢ়াই। মোৰ লক্ষ্য আছিল কেনেকৈ এগৰাকী ভাল শিক্ষক হ'ব পাৰোঁ। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বোৰ শিক্ষকতাৰ সম্পদ। উপাধ্যক্ষ হৈ থাকোঁতেও মই ক্লাছ লৈছিলোঁ আৰু এতিয়া জিনিয়াছ একাডেমীতো মই দিনে এটাকৈ ক্লাছ লওঁ।

প্ৰশ্ন ৪ ঃ বাইদেউ, বিজ্ঞানৰ সৈতে জড়িত হ'বলৈ আৰু দীৰ্ঘদিন কাম কৰি যাবলৈ আপুনি কিদৰে অনুপ্ৰাণিত হৈছিল?

উত্তৰ ঃ বিজ্ঞানৰ প্ৰতি জড়িত হোৱাৰ অনুপ্ৰেৰণা পাইছিলোঁ বিজ্ঞানীৰ জীৱনী অধ্যয়নৰ পৰা। তাৰোপৰি দেউতাৰ সিদ্ধান্ত আছিল, মোক মেডিকেল পঢ়োৱাৰ। মোৰ মাজু মামাও ডিব্ৰুগড় মেডিকেল কলেজৰ অধ্যাপক আছিল। পিছলৈ মনটোৱেও বিশ্লেষণাত্মক জ্ঞানক আকোঁৱালি লৈছিল।

প্ৰশ্ন ৫ ঃ ২০২০ চনত কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ে আপোনাক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে, এই ক্ষেত্ৰত আপোনাৰ অনুভৱ কেনেধৰণৰ?

উত্তৰ ঃ মই লাভ কৰিছিলোঁ ২০১৯ চনৰ বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা। প্ৰদান কৰিছিলে ২০২০ চনৰ ২৮ ফেব্ৰুৱাৰীত। ১৯৭৮ চনৰ পৰা এই বঁটা প্ৰদান কৰি আহিছে প্ৰতিবছৰে ২৮ ফেব্ৰুৱাৰীত চাৰ চি, ভি, ৰমনৰ 'ৰমণ প্ৰক্ৰিয়া' আৱিস্কাৰৰ দিনটো চিৰস্মৰণীয় কৰাৰ উদ্দেশ্যেৰে। ৰাষ্ট্ৰীয় পুৰস্কাৰৰ কাৰণে আবেদন কৰিব লাগে। মোৰ ইচ্ছা আছিল। মোৰ স্বামী ড° মুকুন্দ ৰাজবংশী আৰু পুত্ৰসম অধ্যক্ষ ড° বুবুল শইকীয়াই প্ৰায় সদায়েই কৈ আছিল আবেদন জনাবলৈ। ২০১৮ চনলৈকে অসমৰ বাৰ জন পুৰুষে এই বঁটা লাভ কৰিছে, কোনো মহিলাই পোৱা নাছিল। মই দুবাৰ আবেদন জনাইছিলোঁ, প্ৰথম বাৰত নাপালোঁ। ২০২০ চনৰ ২৯ জানুৱাৰী মোৰ জীৱনৰ স্মৰণীয় দিন। সন্ধ্যা ৫.৩০ বজাত মোলৈ এটা ফোন আহিল- "I am Akhilesh Gupta, from Ministry of Science & Technology, Delhi. Congratulations, you are selected for the National Award." মই তেওঁক কৃতজ্ঞতা জনাইয়েই আছো, মানুহজনেও গম পাইছে হতভম্ব হৈছোঁ। মই ধৰিব পৰা নাই, কি কৰোঁ, কাক জনাওঁ, দুগালেদি ধাৰাসাৰ চকুলো বৈছে। ওচৰতে থকা মোৰ স্বামীৰ ভৰি দুটাত সাবতি ধৰিছিলোঁ, যিজনৰ অবিৰত অনুপ্ৰেৰণাৰ অবিহনে এইটো সম্ভৱ নহ'লহেঁতেন। ২০২০ চনৰ ২৮ ফেব্ৰুৱাৰীত, দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰপতি ৰামনাথ কবিন্দৰ পৰা মই পুৰস্কাৰটো গ্ৰহণ কৰিছিলোঁ। মোৰ জীৱনৰ এটা স্মৰণীয় মুহূৰ্ত, মই যেন জীৱনৰ সৰ্বোত্তম পুৰস্কাৰটো লাভ কৰিলোঁ। Science & Technology Minister হৰ্ষবৰ্দ্ধনো আছিল। বঁটা প্ৰদান কৰি ৰাষ্ট্ৰপতিয়ে মোক কৈছিল "আপুনি দুটা পুৰস্কাৰ লাভ কৰিছে একেলগে- বিজ্ঞানী হিচাপে আৰু মহিলা হিচাপে।" ১০.৩০ বজাৰ পৰা ১১.৩০ বজালৈ এঘন্টীয়া কাৰ্যক্ৰম বৰ পৰিপাটী। এইবাৰ ভাৰতৰ মুঠ ৮ জনে ২০১৯ চনৰ বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা পাইছিল ৬ টা কেটেগৰীত। প্ৰথমজন উৰিষ্যাৰ সূৰ্যমনি বেহেৰা, তেওঁৰ ৪০ খনতকৈ বেছি কিতাপ, দ্বিতীয় মই। ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত আমাক পুৰস্কাৰ ল'বলৈ কেনেকৈ যাম, কেনেকৈ ল'ম, তাৰ ট্ৰেইনিং দিছিল। ২৮ তাৰিখে ৮.৩০ বজাতে গৈছিলোঁ ফাইনেল ৰিহাৰ্চেলৰ কাৰণে। প্ৰশিক্ষণৰ সময়ত মাত্ৰ পুৰস্কাৰপ্ৰাপ্ত আৰু প্ৰশিক্ষক কেইজনৰ বাহিৰে কাকো সোমাবলৈ নিদিয়ে, বৰ কঠোৰ নিয়ম-কানুন।

প্ৰশ্ন ৬ ঃ বাইদেউ, আপুনি অসম বিজ্ঞান লেখক সংস্থাৰ লগত বহুদিনৰ পৰা ওতঃপ্ৰোত ভাৱে জড়িত বুলি সকলোৱে জানে, অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰতি আপোনাৰ মতামত কি?

উত্তৰ ঃ অসম বিজ্ঞান লেখক সংস্থা আৰম্ভ হৈছিল ১৯৯৯ চনত ড° দীনেশচন্দ্ৰ গোস্বামীৰ পৌৰহিত্যত। মই বিজ্ঞানৰ কৰ্মশালা বোৰত যোগদান কৰোঁ আৰু সেই কৰ্মশালটো আছিলোঁ, যোৰহাটৰ RRL ত অনুষ্ঠিত হৈছিল। দীনেশদা আৰু ক্ষীৰধৰ বৰুৱা কটনত মোতকৈ একক্লাছৰ ওপৰত আছিল। ২০১০-২০১২ চনলৈ এই দুবছৰীয়া কাৰ্যকালৰ প্ৰেচিডেন্ট মই আৰু সম্পাদক আছিল ড° বুবুল শইকীয়া। ক্ষীৰধৰ বৰুৱাই মোলৈ (২০০৯)ত এদিন ফোন কৰিলে,

আপোনাক আমি ASWA ৰ President ৰ দায়িত্ব দিছোঁ বুলি। মই হতভম্ব হৈছিলোঁ। তেওঁলোকৰ মোৰ ওপৰত বিশ্বাস আছিল। আমাৰ দ্বি-বাৰ্ষিক কাৰ্যকালত জনসাধাৰণৰ মাজত বৈজ্ঞানিক স্বাক্ষৰতা আৰু সচেতনতা বৃদ্ধিৰ কাৰণে কেইবাখনো কৰ্মশালা, প্ৰশিক্ষণ কাৰ্যসূচী, জনপ্ৰিয় বক্তৃতা আৰু আলোচনাচক্ৰ অনুষ্ঠিত কৰা হৈছিল। অৰণ্যমানৱ যাদৱ পায়েঙক আনিছিলোঁ। লক্ষীমপুৰ জিলাৰ লেচাই গাঁৱত, বান্ধৱ নাট্য সংঘৰ মঞ্চত যোৰহাট টিয়কৰ প্ৰশান্ত দাস আৰু সংগীবৃন্দৰ দ্বাৰা বিজ্ঞান ভিত্তিক 'পুতলানাচ' প্ৰদৰ্শন কৰি প্ৰচুৰ সঁহাৰি পোৱা গৈছিল। গ্ৰন্থও দুখন প্ৰকাশ কৰা হৈছিল। অসম বিজ্ঞান লেখক সংস্থা এটা বিজ্ঞানৰ লেখক গঢ়া অনুষ্ঠান। যিহেতু বৰ্তমানৰ যুগটো বিজ্ঞান আধাৰিত যুগ, জনসাধাৰণৰ মাজত জনপ্ৰিয় বিজ্ঞানৰ লেখনিৰে স্বাক্ষৰতা গঢ়া অতি প্ৰয়োজন। প্ৰণালীবদ্ধভাবে বিজ্ঞান লিখিবলৈ প্ৰশিক্ষণৰ প্ৰয়োজন আছে। বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে, সমাজৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আঁতৰাই বিজ্ঞান মানসিকতা গঢ়িবলৈ বহুত বিজ্ঞান লেখকৰ প্ৰয়োজন। সেয়েহে মই ভাবোঁ, 'অসম বিজ্ঞান লেখক সংস্থা' এটা অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান।

প্ৰশ্ন ৭ ঃ বৰ্তমান সময়ত অসমত বিজ্ঞান প্ৰসাৰ যথেষ্ট হৈছে যদিও আমি এতিয়াও কু- সংস্কাৰ-অন্ধবিশ্বাস আদিৰ পৰা মুক্ত হ'ব পৰা নাই, এই ক্ষেত্ৰত আপুনি কি ক'ব বিচাৰে?

উত্তৰ ঃ বৰ্তমান সময়ত বিজ্ঞানৰ সামগ্ৰীবোৰহে প্ৰসাৰণ ঘটিছে সকলোৰে হাতে হাতে। বিজ্ঞান প্ৰযুক্তিৰ অপপ্ৰয়োগ হৈছে কাৰণ বিজ্ঞান স্বাক্ষৰতা, বিজ্ঞান মানসিকতা গঢ়ি উঠা নাই। কিছুমান অন্ধবিশ্বাস, কুসংস্কাৰৰ লগত বিজ্ঞান জড়িত হৈ আছে- সেইবোৰ আমি যুক্তিৰে ফঁহিয়াই দিছোঁনে? ঋতুস্ৰাৱ হ'লে জিৰণি লাগে, আনৰ সংস্পৰ্শত আহিলে সংক্ৰমণ হ'ব পাৰে। সেয়েহে আগতে আচুতীয়াকৈ থকাৰ ব্যৱস্থা আছিল। আজিকালি কি হৈছে- প্ৰায়বোৰ ছোৱালীৰে পেটৰ বিষ, অৱশ্যে আজিকালি শাৰীৰিক পৰিশ্ৰমো কম কৰে ছোৱালীবোৰে। আহাৰ সাত লাগে, প্ৰকৃতিক অত্যাচাৰ কৰিব নালাগে- বিজ্ঞান আছে। অৱশ্যে সৰু বিয়া আৰু ডাইনী হত্যা, এইবোৰ পৰম্পৰা আৰু সম্পত্তি লোভৰ বহিঃপ্ৰকাশহে। তথাপিও বিজ্ঞান মানসিকতা গঢ়ি তুলিবলৈ আৰু প্ৰচেষ্টাৰ প্ৰয়োজন আছে। শিক্ষিত সকলে এইটো দায়বদ্ধতা বুলি ল'ব লাগিব।

প্ৰশ্ন ৮ ঃ নৱ প্ৰজন্মক বিজ্ঞানৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আপোনাৰ ভৱিষ্যত পৰিকল্পনা কেনেধৰণৰ?

উত্তৰ ঃ নৱ প্ৰজন্মক বিজ্ঞানৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মোৰ কোনো পৰিকল্পনা নাই। বিজ্ঞান লাগে, বিশ্লেষণাত্মক দৃষ্টিভংগীৰ বিকাশৰ কাৰণে। বিজ্ঞানৰ জ্ঞানে, বিজ্ঞানৰ আৱিষ্কাৰ সমূহৰ শুদ্ধ প্ৰয়োগত সহায় কৰি সমাজলৈ শৃংখলাবদ্ধতা আনে। প্ৰকৃতিজাত বস্তুবোৰৰ প্ৰতি সহমৰ্মিতা থকাটোও অত্যন্ত প্ৰয়োজনীয়। ভৱিষ্যতে ডাক্তৰ, ইঞ্জিনিয়াৰ হ'ম বুলি বিজ্ঞান পঢ়াৰ মই পক্ষপাতি নহয়। বিজ্ঞান পঢ়ি বিজ্ঞানৰ প্ৰসাৰ-প্ৰচাৰেৰে নিজৰ আৰু সমাজৰ প্ৰয়োজনীয় সম্পদ হোৱাৰ মানসিকতাৰে বিজ্ঞান পঢ়াৰ প্ৰয়োজনীয়তা বহুত আছে।

প্ৰশ্ন ৯ ঃ বৰ্তমান বিশ্বায়নৰ যুগত যুৱপ্ৰজন্মৰ ওপৰত আপোনাৰ মতামত জনাবচোন।

উত্তৰ ঃ বৰ্তমান বিশ্বায়নৰ যুগত যুৱপ্ৰজন্ম একো একোটা ৰবটলৈ ৰূপান্তৰিত হৈছে। বিজ্ঞানৰ উদ্ভাৱনসমূহে তেওঁলোকক গ্ৰাস কৰিছে। উদ্ভাৱনসমূহৰ সুপ্ৰয়োগেৰে সুস্থচিন্তাৰ, সুস্থব্যক্তি হিচাপে আজিৰ যুৱ প্ৰজন্মক গঢ়ি তোলাৰ প্ৰয়াস কিন্তু থাকিব লাগিব, আমাৰ দায়বদ্ধতা আছে।"Teaching is a very noble profession, that shapes the character caliber and future of an individual" - এ.পি.জে আব্দুল কালামে কোৱা এই কথাষিনি মই বিশ্বাস কৰোঁ।

প্ৰশ্ন ১০ঃ বাইদেউ, আপুনি এতিয়াও সুস্বাস্থ্যৰ গৰাকী হৈ আছে । এই ক্ষেত্ৰত আপুনি যোগ-ব্যায়াম বা ধ্যানৰ সহায় লৈছে নেকি?

উত্তৰ ঃ মই প্ৰাণায়াম আৰু ধ্যান অলপ সময় কৰোঁ ৰাতিপুৱা। কিন্তু সেইখিনিয়েই সুস্বাস্থ্যত অৰিহণা যোগাবলৈ যথেষ্ট বুলি মই নাভাবোঁ। মনটো অনবৰতে ভাল চিন্তাৰে সমৃদ্ধ হৈ থকাটোৱে আৰু কৰ্মব্যস্ত জীৱনে হয়তো প্ৰভাৱ পেলাব পাৰে।

# কাৰ্টুন

পাৰ্থ প্ৰতীম শইকীয়া



# কাৰ্টুন

পাৰ্থ প্ৰতীম শইকীয়া



# সভাপতিৰ প্ৰতিবেদন



"সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে..."
- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

গৌৰৱোজ্বল ৰূপালী জয়ন্তীৰে গৰকা উত্তৰ লক্ষীমপুৰ চহৰৰ আজাদ অঞ্চলত অৱস্থিত এল. টি. কে মহাবিদ্যালয়খনি অসমৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিচিত। প্ৰতিবেদনৰ আৰম্ভণিতে এই অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱা মহান মনিষীসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। দুচকুত অলেখ সপোন আৰু বুকুত অদম্য হেঁপাহ লৈ নতুনৰ পম খেদি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিত প্ৰতিনিধিত্ব কৰি সকলোৰে সহায়-সহযোগিতা আৰু আশীৰ্বাদত জয় লাভ কৰোঁ আৰু লাহে লাহে মোৰ সপোনবোৰ ঠন ধৰিবলৈ লয়। মহাবিদ্যালয়ৰ নিৰ্বাচনত সভাপতি হিচাপে জয় লাভ কৰি মহাবিদ্যালয় ছাত্ৰ সমাজৰ বাবে কাম কৰাৰ সুবিধা লাভ কৰোঁ।

**পেইনটিং ফেচষ্টিভেল ঃ** সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি আমাৰ প্ৰথম কাম আছিল অসমৰ বিখ্যাত চিত্ৰকাৰ নীলপ্ৰৱণ বৰুৱাৰ সোঁৱৰণত পেইন্টিং ফেষ্টিভেল অনুষ্ঠিত কৰা। অসমৰ আন এগৰাকী বিখ্যাত চিত্ৰশিল্পী নীলিম মহন্ত আৰু টিম লিভিং আৰ্টৰ তত্ত্বাৱধানত আৰু ছাত্ৰ একতা সভাৰ সহযোগিতাত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠানটি সাফল্যমণ্ডিত ভাৱে অনুষ্ঠিত কৰা হয়।

**সৰস্বতী পূজা ঃ** যা কুন্দেন্দু তুষাৰহাৰাধবলা যা শ্বেত পদ্মাসনা।
যা বীণা বৰদণ্ড মণ্ডিত কৰা যা শুভ্ৰবস্ত্ৰাবৃতা।।
যা ব্ৰহ্মাচ্যুত শঙ্কৰ প্ৰভূতিভিৰ্দেবৈঃ সদা বন্দিতা।।
সামাং পাতু সৰস্বতী ভগৱতী নিঃশেষজাড্যাপহা।

নৱনিৰ্বাচিত ছাত্ৰ একতা সভাৰ দ্বিতীয়টো গতানুগতিক কাৰ্যসূচী হ'ল বিদ্যাৰ অধিষ্ঠাতী দেৱী শ্ৰী শ্ৰী সৰস্বতী পূজা ভাগ ছাত্ৰ একতা সভা আৰু বিভাগীয় তত্ত্বাৱধায়ক সকলৰ পূৰ্ণ সহযোগত অনুষ্ঠানটি সুন্দৰভাৱে আয়োজন কৰা হৈছে।

**মহাবিদ্যালয় সপ্তাহ ঃ** মহাবিদ্যালয় সপ্তাহ হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ মাজত থকা সুপ্ত প্ৰতিভা বিকাশৰ এক অন্যতম প্ৰচেষ্টা। ছাত্ৰ ছাত্ৰীসকলক বৌদ্ধিক, মানসিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভা বিকাশৰ হেতু বিগত বৰ্ষৰ দৰে এইবছৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** মহাবিদ্যালয়ত নতুনকৈ ২০২৩-২৪ শিক্ষাবৰ্ষত নামভৰ্ত্তি কৰা শিক্ষাৰ্থীসকলক আদৰিবৰ উদ্দেশ্যে ২২ আগষ্ট ২০২৩ তাৰিখে নৱাগত আদৰণি সভাখনি অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটিত সভাপতিত্ব কৰে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয়

অধ্যক্ষ শ্ৰীযুত বুবুল কুমাৰ শইকীয়া দেৱে। মুকলি সভাত উদ্বোধকৰ আসন অলংকৃত কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° অমিয়া ৰাজবংশী মহোদয়াই। মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰা হৈছিল ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজা দেৱক। সভাখনৰ সাংস্কৃতিক অনুষ্ঠানত কেইবাজনো নৱাগতয়ে গীত আৰু নৃত্য প্ৰদৰ্শন কৰাৰ লগতে এল টি. কে সুৰ সমলয় দলৰ দ্বাৰা জনগোষ্ঠীয় নৃত্য আৰু লোকবাদ্যৰ সমাহাৰেৰে অনুষ্ঠান পৰিৱেশন কৰা হয়।

**সফলতা-বিফলতা ঃ** সভাপতিৰ পদত কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয়ৰ বিভিন্ন বিষয় তথা কৰণীয় সমূহত অগ্ৰসৰ হোৱাত চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ পৰা প্ৰেৰণ কৰা কেইবাগৰাকী ছাত্ৰই ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ আৰু আন্তঃ মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাত বিভিন্ন বিভাগত অংশ গ্ৰহণ কৰি পদক আঁজুৰি আনিবলৈ সক্ষম হৈছিল। আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ পৰিদৰ্শন কৰিবলৈ অহা NAAC ৰ দলৰ দ্বাৰা B++ গ্ৰেড পাবলৈ সক্ষম হৈছিলোঁ। তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলে আঙুলিয়াই দিয়া সমস্যাৰ বিষয়ে বুজ লৈ মহাবিদ্যালয়ৰ আন আন সমস্যা সম্বলিত এটি প্ৰস্তাৱ অধ্যক্ষ মহোদয়ক প্ৰদান কৰোঁ। এই ক্ষেত্ৰত কিছু কামত সফলতাৰ মুখ দেখিছিলোঁ। কিন্তু এতিয়াও বহুতো কাম আধৰুৱা হৈ আছে। সেয়েহে পৰৱৰ্তী সম্পাদক সকলে কিছু গুৰুত্ব আৰোপ কৰিব বুলি আশা ৰাখিলোঁ।

**কৃতজ্ঞতা জ্ঞাপন ঃ** সৰ্বপ্ৰথমে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া দেৱক। লগতে মোৰ প্ৰতিটো কামতে মোৰ ছাঁ দৰে থকা তত্বাৱধায়ক ভাস্কৰ ছাৰ আৰু বসন্ত ছাৰৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতে অংশ গ্ৰহণ কৰি সফল ৰূপায়ণ কৰাত মুখ্য ভূমিকা লোৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ হিয়াভৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ এই বৰ্ণিল যাত্ৰাত সকলো কামতে সহায় আগবঢ়োৱা সকলো বন্ধু-বান্ধৱী তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত অজ্ঞাতে বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ-

"ভালে থাকক দিনবোৰ
ভালে থাকক সময়।
ভালে থাকক মানুহৰ শোভাযাত্ৰা
জয় আৰু বিজয়।"

— সনন্ত তাঁতী

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

সেৱাব্ৰত দত্ত
সভাপতি

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনিৰ যিসকল বৰেণ্য ব্যক্তিৰ কষ্ট, ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত প্ৰতিষ্ঠা হৈ বৰ্তমান অৱস্থাত এক মহান শিক্ষানুষ্ঠানৰূপে পৰিগণিত হৈছে, তেখেত সকললৈ লগতে অৱসৰ শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক সেৱা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ উপ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰোঁ আৰু কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ পৰিৱেশ বজাই ৰাখিবলৈ ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে ওতঃপ্ৰোতভাৱে জড়িত হ'ম বুলি আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হকে সেৱা আগবঢ়াম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ। উপ-সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা পাছত আমি সাধ্যানুসাৰে মহাবিদ্যালয়ৰ সকলোবোৰ কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ যত্ন কৰিছিলোঁ। আমাৰ কামত প্ৰতিটো সময়তে সু-দিহাপৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰ প্ৰমুখ্যে সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভা তথা মোৰ সহপাঠী সদস্যবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে এখনি মহান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে সেৱা আগবঢ়াবলৈ পাই মই অতি গৌৰাৱান্বিত। অনাগত দিনত মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যই প্ৰতিভাশালী মনোভাৱেৰে অন্তৰৰ মহান প্ৰতিভাবোৰ উজাৰি দি সাহসেৰে সময়ৰ লগত খোজ মিলাই অসমবাসীৰ গৌৰৱৰ বাবে নতুন সপোন লৈ ওলাই আহক, তাৰ বাবে সকলোলৈকে শুভেচ্ছা জনাইছোঁ।

সদৌ শেষত অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু কৰ্মচাৰীসকল তথা ছাত্ৰ-ছাত্ৰীসকলৰ মনত কিবা আঘাত দিছিলোঁ যদি তাৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

ববী নাথ
উপ সভাপতি

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰাৰম্ভতে যি সকল মহান ব্যক্তিয়ে অক্লান্ত প্ৰচেষ্টাৰে গৌৰৱোজ্জল ইতিহাসৰ সাক্ষী তথা স্বকীয় গৰিমাৰে মহিমা মণ্ডিত বৰ্তমানৰ এল. টি. কে. মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিছিল, সেই প্ৰতিষ্ঠাপক তথা শুভাকাংক্ষীসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে যিসকল ব্যক্তিয়ে অসীম সাহসেৰে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে সেউজীয়া বুকু ৰাঙলী কৰি প্ৰাণ আহুতি দিলে, সেই শত সহস্ৰ বীৰলৈ জনাইছোঁ সশ্ৰদ্ধ প্ৰণিপাত।

কলমে প্ৰাণ দিয়া কৃতজ্ঞতা প্ৰকাশৰ সফলতা কিমান নাজানো, তথাপি প্ৰতিবেদনৰ আৰম্ভণিতে সোঁৱণশিৰি পাৰৰ ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদয়া, জ্ঞান-পোহৰৰ বাট দেখুওৱা পৰম পূজনীয় শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, মমৰ দৰে গলি আনক পোহৰ বিলোৱা অৱসৰ প্ৰাপ্ত শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ প্ৰতিজন কৰ্মচাৰীবৃন্দ, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল, তথা মোৰ সতীৰ্থবৃন্দ আৰু অনুজ সকললৈ বয়স অনুপাতে মৰম আৰু কৃতজ্ঞতা সেৱা আগবঢ়ালোঁ।

**মহাবদ্যিালয়ৰ নিৰ্বাচন ঃ**

১৬/০৯/২০২২ তাৰিখটো মোৰ মনত সদায় স্মৰণীয় হৈ ৰ'ব। সেই পৱিত্ৰ দিনটোতে ২০২২-২৩ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজক প্ৰতিনিধত্ব কৰাৰ এক সোণালী সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**দায়িত্ব তথা কাৰ্যবিৰৰণী ঃ**

মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মই দায়িত্বভাৰ গ্ৰহণ কৰোঁ। কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা নতুন উদ্যম আৰু সাহসেৰে মহাবিদ্যালয়ৰ স্বাৰ্থ হকে কাম কৰাৰ অজুত হেপাঁহ বুকুত বান্ধি, ছাত্ৰ একতা সভাৰ প্ৰতিটো কামত ওতঃপ্ৰোতভাৱে জড়িত হ'ম বুলি, প্ৰতিজন প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰেৰণা আৰু উৎসাহেৰে একেলগে হাতে হাত ধৰি খোজ দিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ।

**মহাবিদ্যালয়ৰ দেৱাল অংকণ ঃ**

২০২২-২৩ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে আমি মহাবিদ্যালয়ৰ সন্মুখৰ দেৱাল সমূহৰ লগতে মহাবিদ্যালয়ৰ ভিতৰৰ কিছু কিছু দেৱালত চিত্ৰ অংকণৰ এক কাৰ্যসূচী হাতত লওঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ওচৰৰ কিছু কিছু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত লুকাই থকা দেৱাল অংকণৰ যি প্ৰতিভা, সেই প্ৰতিভা সমূহ বিকাশ কৰিবৰ বাবে অসমৰ জনপ্ৰিয় চিত্ৰশিল্পী নীলিম মহন্তৰ নেতৃত্বত ২৯/১০/২০২২ তাৰিখে দেৱাল অংকণৰ

এক মুকলি প্ৰতিযোগিতা আয়োজন কৰোঁ। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত উক্ত অনুষ্ঠানটি সফল ৰূপায়ণ কৰাত সফল হ'লোঁ।

**সৰস্বতী পূজা ঃ**

নৱ নিৰ্বাচিত ছাত্ৰ-একতা সভাৰ এক গতানুগতিক কাৰ্যসূচী হ'ল পৱিত্ৰ জ্ঞান মন্দিৰত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী "শ্ৰী শ্ৰী সৰস্বতী পূজা" আমাৰ কাৰ্যকালত সকলোৰে সহায়-সহযোগিতা আৰু দিহা পৰামৰ্শত ২৬/০১/২০২৩ তাৰিখৰ পৰা ২৯/০১/২০২৩ তাৰিখলৈ প্ৰতিমা আনয়ন, প্ৰতিমা স্থাপন তথা পুষ্পাঞ্জলি অৰ্পণ, অতিথি আপ্যায়ন, সৃষ্টিশীল নৃত্য আৰু মিচ এল. টি. কে প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন আৰু প্ৰতিমা বিসৰ্জন আদি কাৰ্যসূচীৰে সৰস্বতী পূজাখনি অনুষ্ঠিত কৰাত সফল হ'লোঁ।

**NAAC Peer team (17, 18/02/2023) ঃ** মোৰ সৌভাগ্য, মই ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ পৰিচালনা কৰি থকা সময়ত এল. টি. কে মহাবিদ্যালয়ত NAAC peer team ৰ দৰ্শন হৈছিল। মহাবিদ্যালয়খনক এখোজ আগুৱাই নিয়াৰ মনোভাৱেৰে মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ সপোনক বাস্তৱায়িত কৰিবৰ বাবে বৰ্তমানৰ সমস্যা সমূহক NAAC peer team ৰ আগত উপস্থাপন কৰিবলৈ সুযোগ-সুবিধা লাভ কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

বিগত বছৰবোৰৰ দৰেই এই বছৰতো ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে চাৰি দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আয়োজন কৰা হয়। ২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত মহাবিদ্যালয়ত NAAC peer team দৰ্শন হোৱাৰ বাবে সঠিক সময়ত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আয়োজন কৰিব নোৱাৰিলোঁ। শেহতীয়াকৈ হ'লেও ১০/০৪/২০২৩ তাৰিখৰ পৰা ১৩/০৪/২০২৩ তাৰিখলৈকে চাৰিদিনীয়া কাৰ্যসূচীৰে এক নতুন উদ্যমেৰে ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক, বৌদ্ধিক, মানসিক, দৈহিক তথা সাংস্কৃতিক দিশত বিকাশৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় সপ্তাহটি সফলৰূপে ৰূপায়ণ কৰা হয়।

**শিক্ষক দিৱস ঃ**

সমাজখনক যদি পোহৰাই তুলিছে, ই কেৱল শিক্ষাগুৰু। শিক্ষাগুৰু অবিহনে কেতিয়াও সমাজখন শুদ্ধ চিতলৈ আগবাঢ়ি যাব নোৱাৰে। শিক্ষাগুৰুক সন্মান আৰু শ্ৰদ্ধা জনাবলৈ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ এটা দিনৰ প্ৰয়োজন নাই বুলি ভাৱো। তথাপি ছাত্ৰ-ছাত্ৰী সকলে আনুষ্ঠানিক ভাৱে শিক্ষকৰ প্ৰতি থকা মৰম, শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শনৰ বাবে ০৫/০৯/২০২৩ তাৰিখে 'শিক্ষক দিৱস' দিনটি উদ্‌যাপন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহায়-সহযোগিতা, শিক্ষাগুৰু সকলৰ উপস্থিতিয়ে উক্ত অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিলে।

**গুৰুজনাৰ তিৰোভাৱ তিথি ঃ**

বিগত বৰ্ষবোৰৰ দৰেই এই বছৰো আমাৰ কাৰ্যকালত, 'শ্ৰী শ্ৰীশংকৰদেৱ'ৰ তিথি ভাগ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ভকত বৈষ্ণৱ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহায়-সহযোগিতাত তিথিভাগ সফলভাৱে ৰূপায়ণ হয়।

**নৱাগতা আদৰণি সভা আৰু প্ৰতিষ্ঠা দিৱস ঃ** বিগত বছৰবোৰৰ দৰে এই বছৰো ২২ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দিনজোৰা কাৰ্যসূচীৰে নৱাগতা আদৰণি সভাৰ আয়োজন কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰঃ**

সোঁৱণশিৰি উত্তৰ পাৰৰ ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে এখনি মহান তথা আগশাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ পাই মই অতি গৌৰৱান্বিত। এই অভাজনক ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচপে নিৰ্বাচন কৰি মহাবিদ্যালয়খনৰ সকলো দিশতে সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে সমূহ সতীৰ্থবৃন্দ, অনুজসকল তথা মোৰ শুভাকাংক্ষী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা সেৱা আগবঢ়াইছোঁ।

মোৰ এই সাধাৰণ সম্পাদকৰ এবছৰীয়া যাত্ৰাত মই অকলে সফল সমাপ্তি ঘটোৱা নাছিলোঁ। প্ৰতিটো কামতে সৎ দিহা পৰামৰ্শ দি সহায়ৰ হাত আগবঢ়োৱা সন্মানীয় অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰ, উপাধ্যক্ষ বিদ্যুৎ চুতীয়া ছাৰ, উপাধ্যক্ষ ৰুমী দত্ত বাইদেউ, ছাত্ৰ একতা সভাৰ উপদেষ্টা শ্ৰদ্ধাৰ ড° ভাস্কৰজিত বৰা ছাৰ, বসন্ত দত্ত ছাৰ লগতে শ্ৰদ্ধাৰ বিজু সোণোৱাল ছাৰলৈ মোৰ সেৱা আৰু আপোনাসবৰ চৰণত কৌটি কৌটি প্ৰণিপাত জনাইছোঁ। মোৰ কাৰ্যকালত যিকোনো এটা অনুষ্ঠান আয়োজন কৰোঁতে সফল পৰিসমাপ্তি হোৱাত সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ যথেষ্ট অৰিহণা আছে। এইখিনিতে মহাবিদ্যালয়ৰ প্ৰতিজন কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জনালোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাসৰ আৱাসীসকললৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। ইয়াৰোপৰি মোৰ এই সাধাৰণ সম্পাদকৰ এবছৰীয়া যাত্ৰাত প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়োৱা প্ৰিয় সতীৰ্থবৃন্দ, অনুজ সকলৰ লগতে ছাত্ৰ একতা সভাৰ সকলো সম্পাদক-সম্পাদিকালৈ মোৰ মৰম আৰু আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

**ক্ষমা প্ৰাৰ্থনা ঃ**

সদৌ শেষত, মোৰ এই এবছৰীয়া যাত্ৰাত অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু সতীৰ্থসকলৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী। মহাবিদ্যালয়খন ভৱিষ্যতত গঠনমূলক পৰামৰ্শ আৰু সমালোচনাৰে সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। এটি অধ্যায়ৰ সফল পৰিসমাপ্তি। এই সময়ে শিকাই গ'ল নতুন নতুন অভিজ্ঞতাৰ লগতে দি গ'ল বহুজনৰ সান্নিধ্য। শেষত সকলোলৈকে ধন্যবাদ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

মানস ৰঞ্জন বৰুৱা
সাধাৰণ সম্পাদক

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাযুক্ত সেৱা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মৰম তথা শুভেচ্ছা যাঁচিলো।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে পবিত্ৰ শিক্ষা মন্দিৰত ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে যিবোৰ প্ৰত্যক্ষ সেৱা আগবঢ়াবৰ সুবিধা দিলে, তাৰ বাবে মহাবিদ্যালয়ৰ পৰিয়ালৰ ওচৰত মই চিৰকৃতজ্ঞ। এনে এখন মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আকাংক্ষাক প্ৰতিনিধিত্ব কৰা আৰু মহাবিদ্যালয়খনত সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে স্মৰণীয়।

**কাৰ্যভাৰ গ্ৰহণঃ**

২০২২ বৰ্ষৰ ছেপ্তেম্বৰৰ ১৬ তাৰিখে ছাত্ৰ একতা সভাৰ নৱ নিৰ্বাচিত সদস্য-সদস্যাই এক নতুন উদ্যম লৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ। এই দিনটোতে মনত দৃঢ় সাহসেৰে মহাবিদ্যালয়খনি সৰ্বতো প্ৰকাৰে সুন্দৰ কৰাৰ লক্ষ্যলৈ নিজকে প্ৰস্তুত কৰাৰ লগতে শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ ধাৰাবাহিকতা বজাই ৰখাৰ গুৰু দায়িত্ব লৈ নিজকে মহাবিদ্যালয়ৰ সেৱাত উৎসৰ্গা কৰোঁ।

**কাৰ্যাৱলী ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এগৰাকী সদস্য হিচাপে মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, আন্তৰ্জাতিক নাৰী দিৱস, শংকৰদেৱৰ তিথি লগতে বাকী অনুষ্ঠানসমূহত মোৰ ফালৰ পৰা যিমানদূৰ পাৰছিলোঁ, সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। মোৰ কাৰ্যকালত সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, তথা শিক্ষা গুৰুসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। শেষত আমাৰ কাৰ্য কালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয়ন্ত মাধৱ গোঁহাই

সহকাৰী সাধাৰণ সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিবেদন



**পাতনি ঃ**

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ, যিসকলে নিঃস্বাৰ্থ প্ৰচেষ্টা আৰু হাড়ক মাটি আৰু তেজক পানী কৰি ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় বৰ্তমান এই অৱস্থা পাইছেহি।

**এল. টি. কে মহাবিদ্যালয় ঃ এক হেঁপাহৰ নাম-**

ঘৰৰ পৰামৰ্শ অনুসৰি জুন ২০২১ তাৰিখে ইংৰাজীক গুৰু বিষয় হিচাপে লৈ মহাবিদ্যালয়খনৰ এজন সক্ৰিয় সদস্য হ'বলৈ নামভৰ্ত্তি কৰিছিলোঁ। নতুন পৰিৱেশ এটাত কেনেকৈ মহাবিদ্যালয়খনৰ লগতে বিভাগটো হিয়াৰ আমঠু হৈ পৰিলোঁ, সেয়া এক বৰ্ণাতীত কথা। নামভৰ্ত্তি নকৰা আগতে কেৱল মহাবিদ্যালয়খনৰ গৌৰৱৰ কথা শুনিবলৈহে পাইছিলোঁ। কিন্তু বৰ্তমান মহাবিদ্যালখনৰ এটা অংশ হৈ নিজকে গৌৰৱ অনুভৱ কৰিছোঁ।

**ছাত্ৰ-একতা সভা আৰু নিৰ্বাচনী প্ৰচাৰ ঃ**

এল. টি. কে মহাবিদ্যালয়ৰ অংগ হোৱাৰ পাছতেই আছিল ছাত্ৰ একতা সভাৰ নিৰ্বাচন। নিৰ্বাচন বুলিলে যেনেকুৱা এটা পৰিৱেশ সৃষ্টি হ'ব লাগিছিল, তেনেকুৱা পৰিৱেশৰ সৃষ্টি নহ'ল। কাৰণ সেইবাৰৰ নিৰ্বাচনত বিৰোধী পক্ষৰ প্ৰাৰ্থী নাছিল। গতিকে সেইবাৰৰ নিৰ্বাচনত আমি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলোঁ।

**সাহিত্য আৰু আলোচনী সম্পাদক পদ আৰু মই ঃ**

এল. টি. কে. মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে গৌৰৱোজ্জ্বল ইতিহাসত নিজৰ নাম খোদিত কৰিব পাৰি নিজকে ধন্য মানিছিলো। লগতে সন্মুখত আহিবলগীয়া সমূহ প্ৰত্যাহ্বানক প্ৰতিহত কৰিবলৈ মানসিকভাৱে চেষ্টা চলাইছিলো। এই ক্ষেত্ৰত ছাত্ৰ-একতা সভাৰ সম্পাদক-সম্পাদিকা একগোট হৈ প্ৰতিটো কাৰ্যসূচীকে সফলভাৱে ৰূপায়ণ কৰিবলৈ সক্ষম হওঁ। তাৰে ভিতৰত যদি ক'বলৈ যাওঁ, NAAC Peerm Team ৰ সেই দুটা দিন (১৭, ১৮ ফেব্ৰুৱাৰী) ৰ কথাকে ক'ব পাৰি। মহাবিদ্যালয়খনৰ এটা ভাল গ্ৰেডৰ বাবে আমি ছাত্ৰ একতা সভাৰ ফালৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। ইয়াৰে ভিতৰত নীলিম মহন্তদেৱৰ তত্ত্বাৱধানত আৰু ছাত্ৰ-একতা সভাৰ সহযোগত অনুষ্ঠিত তিনিদিনীয়া Wall painting কাৰ্যসূচীৰ কথাকে ক'ব পাৰি।

**কাৰ্যসূচী খতিয়ান ঃ**

এল. টি. কে মহাবিদ্যালয়ৰ আলোচনী আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাপে

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিছু কাম কৰাৰ মনোভাৱ আছিল। প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয়ৰ সপ্তাহটি সুন্দৰকৈ আৰু সফলভাৱে অনুষ্ঠিত কৰা। যদিও নিৰ্দিষ্ট সময়ত মহাবিদ্যালয় সপ্তাহটি অনুষ্ঠিত নহ'ল, তথাপিও সফলভাৱে তাৰ পৰিসমাপ্তি ঘটিল। উল্লেখ্য যে সৰস্বতী পূজাকে আদি কৰি সাহিত্য বিভাগৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ এক প্ৰয়াস কৰিছিলোঁ। আনহাতে বিভিন্ন সময়ত বিভিন্নজন বিশিষ্ট ব্যক্তিৰ অনুষ্ঠানে মহাবিদ্যালয়খনিৰ এক সুস্থ বাৰ্তাবৰণ সৃষ্টি কৰিছিল।

**কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ প্ৰণিপাত ঃ**

সৰ্বপ্ৰথমে মই বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক। লগতে মোৰ প্ৰতিটো কামত ছাঁৰ দৰে থকা মোৰ তত্ত্বাৱধায়ক ড° বিনীতা চহৰীয়া বাইদেউ আৰু জুলি গোঁহাই নেওগ বাইদেউক। তেখেতসকলৰ পৰা মহাবিদ্যালয়ৰ কাম-কাজ সমূহ নিয়াৰিকৈ কৰাৰ বাবে যথেষ্ট সহায় আৰু জ্ঞান লাভ কৰিছোঁ। মোৰ বিভিন্ন কাম-কাজত দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ বিজু কুমাৰ সোণোৱাল ছাৰক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

এল. টি. কে মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলক তেওঁলোকৰ পদত জয়ী কৰোৱাই বৰ্ষটোলৈ সুকলমে কাম-কাজ সমূহ নিয়াৰিকৈ চলাই নিয়াত সৰ্বতো প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা সমূহ বিভাগৰ ছাত্ৰ-ছাত্ৰী, বিভাগীয় প্ৰতিনিধি তথা ছাত্ৰাধীক্ষক আৰু ছাত্ৰীধীক্ষাৰ লগতে সমূহ অৱসৰ আৱাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত অজ্ঞাতে বৈ যোৱা সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**ক্ষমা প্ৰাৰ্থনা ঃ**

এই এবছৰীয়া কাৰ্যকালত ভুল-ত্ৰুটিৰ অৱকাশ নথকা নহয়। মানুহ মাত্ৰেই ভুল। মানুহ মাত্ৰে ভুলৰ সমষ্টি। আমাৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে যদি ভুল কৰিছোঁ আৰু সেই ভুল যদি অক্ষমনীয় নহয়, তেন্তে ক্ষমা বিচাৰিছোঁ। ভৱিষ্যতে গঠনমূলক পৰামৰ্শ আৰু সমালোচনাৰে আৰু আত্মবিশ্লেষণৰ পথেৰে আমাৰ মহাবিদ্যালয়খনক প্ৰকৃতাৰ্থতে উৎকৰ্ষতাৰ বিন্দুস্বৰূপে গঢ় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ আহক।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

দেৱজিত বৰা

সম্পাদক

সাহিত্য আৰু আলোচনী বিভাগ



# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিয়ে আপ্ৰাণ প্ৰচেষ্টা, শ্ৰম আৰু অসীম ত্যাগৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ সমন্বয়ৰ থলী লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ জন্ম লাভ কৰি সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিবলৈ সক্ষম হ'ল, সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ যাচিছোঁ সশ্ৰদ্ধ প্ৰণাম।

**গুৰুক্ৰীড়া সম্পাদক হিচাপে মোৰ কাৰ্যকালৰ বিৱৰণ ঃ**

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈয়ে এই বিদ্যালয়ৰ প্ৰতি থকা মোৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰি যাম বুলি সংকল্প গ্ৰহণ কৰিছিলোঁ। ছাত্ৰ-একতা সভাৰ সদস্য হিচাপে থকা অৱস্থাত যদিও মোৰ বিভাগটো খেলৰ লগত জড়িত আছিল তথাপিও মই কেৱল খেল বিভাগতে সীমাবদ্ধ নাথাকি ছাত্ৰ-একতা সভাৰ অন্যান্য সদস্য সকলক সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ আটাইতকৈ জাকত জিলিকা অতি জনপ্ৰিয় তথা আকৰ্ষণীয় অনুষ্ঠান মহাবিদ্যালয়ৰ খেলবোৰ। ২০২২-২০২৩ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ মোৰ বিভাগত অনুষ্ঠিত খেলবোৰ হ'ল- ক্ৰিকেট, দৌৰ, হাই জাম্প, লং জাম্প, চট ফুট থ্ৰ, ডিচকাচ থ্ৰ, জেৰলিন থ্ৰ আদি খেল।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতেই দিহা পৰামৰ্শ, সহায়ৰ হাত আগবঢ়োৱা অধ্যক্ষ শ্ৰদ্ধাৰ ড° বুবুল কুমাৰ শইকীয়া, উপাধ্যক্ষ ৰুমী দত্ত লগতে বিভাগীয় তত্ত্বাৱধায়ক বিজু কুমাৰ সোণোৱাল আৰু সমূহ শিক্ষাগুৰুলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। প্ৰতিটো কামতে উৎসাহ যোগোৱা সদস্যবৃন্দৰ লগতে মনলৈ অহা অনেক জনক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত, অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলক মনত কিবা আঘাত দিছিলোঁ যদি তাৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত প্ৰতিবেদন আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়পাল পেগু
সম্পাদক
গুৰু ক্ৰীড়া বিভাগ

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



'সাহিত্য এটা জাতিৰ দাপোণ' সাহিত্যৰ জৰিয়তে লিপিবদ্ধ হয় জাতি এটাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত। তৰ্ক হৈছে, সত্য বিশ্লেষণৰ এক আহিলা আৰু সাহিত্যৰ এক ধাৰাপাত। মানৱীয় চিন্তা, নিদৰ্শন প্ৰমূল্যবোধক তৰ্কৰ জৰিয়তে আমি সংশোধন কৰোঁ। যাক দাৰ্শনিক চক্ৰেটিছৰ ভাষাত 'ট্ৰিপল ফিল্টাৰ' বুলি কোৱা হয়। য'ত তথ্য বা কথা এটাৰ সত্যক প্ৰথমে অনুধাৱন কৰা হয়। দ্বিতীয়তে, ভাল বা ইতিবাচক চিন্তা কৰা হয়। বৰ্তমান সময়ত আমি সকলো চিন্তা কৰ্ম দৰ্শন অনুধাৱনত কেৱল ভাল, ভাল কথা, ভাল আচৰণ অথবা ভাল জীৱনৰ সন্ধান কৰোঁ। এই ভাল শব্দটোৱেই এক ইতিবাচক চিন্তা, সুখী জীৱনৰ সপোন আৰু তৃতীয়তে দহৰ উপকাৰ। আমি নিজৰ লগতে সমাজৰো উপকাৰ কৰিব পৰা কৰ্মক নিজৰ জীৱনৰ লক্ষ্য হিচাবে ল'ব লাগে। সেয়েহে আমাৰ কাৰ্যকালত যদি সামান্য সত্য, ভাল আৰু উপকাৰী কোনো সফলতা তৰ্ক শাখাই মহাবিদ্যালয়খনলৈ কঢ়িয়াই আনিব পাৰিছে বা পাৰিলোঁ, তেন্তে সেয়া সম্ভৱ হৈছে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সমূহ অগ্ৰজ শিক্ষাগুৰু সকল তথা বন্ধুবৰ্গৰ সহযোগিতাতহে।

**সম্পাদক হিচাপে কাৰ্যকাল ঃ**

১৬ ছেপ্টেম্বৰ ২০২২ তাৰিখৰ দিনা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ে আনুষ্ঠানিক ভাৱে মোক তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাবে দায়িত্বভাৰ অৰ্পণ কৰে। ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই প্ৰতিদ্বন্দিতা আগনবঢ়োৱা কৈয়ে উক্ত পদটিৰ বাবে মোক নিৰ্বাচিত কৰা হয়। সেইবাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক এই প্ৰতিবেদনৰ জৰিয়তে শতবাৰ প্ৰণাম জনালোঁ।

**কাৰ্যাৱলীৰ বিৱৰণ ঃ**

সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰে পৰা মহাবিদ্যালয়ৰ সকলো কাম অত্যন্ত গুৰুত্ব সহকাৰে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিলোঁ। পোন প্ৰথমে মহাবিদ্যালয়ত নিমন্ত্ৰিত বিশিষ্ট চিত্ৰ শিল্পী নীলিম মহন্ত দেৱৰ তত্বাৱধানত তিনিদিনীয়া Painting festival ছাত্ৰ একতা সভাৰ সহযোগত আয়োজন কৰিবলৈ সক্ষম হওঁ। আৰু তাৰ সমসাময়িক ভাৱে মহাবিদ্যালয়ৰ কুইজৰ দলটিয়ে অসম সাহিত্য সভাৰ নাৰায়ণপুৰ অধিৱেশনৰ দ্বাৰা অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে আয়োজন কৰাৰ লগতে তেওঁলোকৰ বিভাগৰ প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সহপাঠী সম্পাদক সকলক সহায় হাত আগবঢ়াওঁ। আমাৰ কাৰ্যকালৰ সময়ত মহাবিদ্যালয়লৈ "NAAC" ৰ তিনিজনীয়া দলটিৰ আগমন ঘটিছিল। উক্ত দুটা দিনত সম্পাদক হিচাবে কৰিবলগীয়া মোৰ দায়িত্ব শৃংখলাবদ্ধভাৱে পালন কৰিছিলোঁ।

সম্পাদক হিচাপে মোৰ কাৰ্যকাল এবছৰীয়া যদিও চৰকাৰী চাকৰিত নিযুক্ত

হোৱাৰ বাবে মই মোৰ কাৰ্য্যকাল ছয়মাহত সামৰণি মাৰিব লগা হৈছিল। এই ছমাহ সময়ত যিখিনি পাৰোঁ, মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ এই সম্পাদকীয় চমু কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° বুবুল কুমাৰ শইকীয়া ছাৰ আৰু মোৰ প্ৰতিটো কামত মোৰ ছাঁ হৈ থকা মোৰ বিভাগীয় তত্বাৱধায়ক মানসপ্ৰতীম বৰা ছাৰক বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ বিভাগীয় কাৰ্যসমূহ নিয়াৰিকৈ পালন কৰাৰ ক্ষেত্ৰত উচিত দিহা পৰামৰ্শ আগবঢ়োৱা সমূহ শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। প্ৰতিটো কামতে উৎসাহ উদ্দীপনাৰে সাহস দিয়া ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ লগতে মোৰ মৰমৰ দাদা, বাইদেউ সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত কাৰ্যকালৰ সময়ত অজ্ঞাতে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদন ইমানতে সামৰণি মাৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

নিলুৎপল দত্ত
সম্পাদক
তৰ্ক আৰু আলোচনী বিভাগ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত যিসকল জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদে বুকুৰ শোণিতেৰে অসমী আইৰ চৰণ ধুৱালে, তেখেতসকললৈ মই মোৰ সহস্ৰ প্ৰণাম জনোৱাৰ লগতে যিসকল মহান শিল্পীয়ে সাংস্কৃতিক পথাৰখন চিৰসেউজ কৰি ইহ সংসাৰ পৰিত্যাগ কৰি গ'ল, সেই সকললৈয়ো মই মোৰ শ্ৰদ্ধা নিবেদিছোঁ। লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ- ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে মোক বাছনি কৰি এই মহান অনুষ্ঠানটোৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমূহ সন্মানীয় শিক্ষাগুৰুলৈ মই মোৰ শ্ৰদ্ধা কৃতজ্ঞতা ও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কোনো এটা জাতিৰ প্ৰাণ হ'ল সেই জাতিটোৰ কৃষ্টি-সংস্কৃতি। এই কৃষ্টি সংস্কৃতি নহ'লে জাতি জীয়াই থকা অসম্ভৱ। জাতিৰ পৰিচয় তাৰ কৃষ্টি-সংস্কৃতিৰ জৰিয়তে পাব পাৰি। নৃত্য-গীত, সুকুমাৰ কলা আদি হ'ল জাতিৰ স্বাক্ষৰ বহনকাৰী প্ৰতীক, গতিকে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ কৃষ্টি সংস্কৃতিৰ প্ৰতি সচেতন হোৱা উচিত।

ছাত্ৰ অৱস্থাতে অধ্যয়নৰ উপৰিও তেওঁলোকে সংগীত চৰ্চা কৰাটো নিতান্তই প্ৰয়োজনীয়।

সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মোৰ আগত এটি ডাঙৰ প্ৰত্যাহ্বানে ধৰা দিয়ে। সেইয়া আছিল মহাবিদ্যালয়লৈ NAAC ৰ আগমন। সেই হেতু এটি আটকধুনীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিব লগা হ'ল তেওঁলোকৰ আগত পৰিৱেশনৰ বাবে। সাংস্কৃতিক অনুষ্ঠানটো মোৰ বাবে এই কাৰণেই প্ৰত্যাহ্বান মূলক আছিল, কিয়নো সাংস্কৃতিক ক্ষেত্ৰত আগৰণুৱা বা পাৰদৰ্শিতা থকা ছাত্ৰ ছাত্ৰীৰ সংখ্যা আছিল আঙুলিৰ মূৰত লেখিব পৰা। সেই নূন্যতম ল'ৰা-ছোৱালী লৈ এটি ইমান ডাঙৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব পৰাটো মুঠেও সম্ভৱপৰ নাছিল। তথাপিও বুকুত অদম্য সাহ লৈ আগবাঢ়িছিলোঁ ল'ৰা-ছোৱালী গোটাবলৈ। যেতিয়া ব্যক্তিগতভাৱে মই ছাত্ৰ-ছাত্ৰী সকলক অংশগ্ৰহণ কৰাৰ কথা কৈছিলোঁ, তেতিয়া নকৰোঁ বুলি কোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই আছিল সৰহ। তাৰ পিছত প্ৰতিটো বিভাগৰ শিক্ষাগুৰুসকলক অনুৰোধ কৰিলোঁ যে তেওঁলোকৰ নিজা নিজা বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলক যাতে অনুষ্ঠানটোত অংশগ্ৰহণ কৰিবলৈ কয়। সৌভাগ্যবশতঃ প্ৰথম দিনা অনুশীলনৰ বাবে প্ৰায় ৩০ গৰাকীৰ উৰ্দ্ধৰ ছাত্ৰী একত্ৰিত হয়। তাৰ পিছত লাহে লাহে এজন-দুজনকৈ ছাত্ৰ-ছাত্ৰী গোট খাই প্ৰায় ৭০ উৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰে এটি স্মৰণীয় তথা লেখত ল'বলগীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয় NAAC ৰ সদস্য সকলৰ আগত, যিটো সাংস্কৃতিক অনুষ্ঠানৰ কথা প্ৰশংসাৰে উপচাই পেলাইছিল তেওঁলোকে। অনুষ্ঠানটোত নৃত্য নিদেৰ্শনা কৰি প্ৰশংসনীয় কৰি তোলা ব্যক্তিগৰাকী আছিল নৃত্যশিল্পী ময়ূৰী দত্ত। তাৰোপৰি সাংস্কৃতিক বিভাগৰ বিভাগীয় তত্বাৱধায়ক শ্ৰী ৰুমী দত্ত বাইদেউ আৰু দিগন্ত শইকীয়া ছাৰ, লগতে সমূহ শিক্ষাগুৰুৰ অৱদান লেখতল'বলগীয়া। এই ছেগতে সকলোলৈকে মই ধন্যবাদ জনাইছোঁ।

NAAC ৰ বাবে অনুশীলন চলি থকাৰ মাজতেই খবৰ আহিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ কথা। সাংস্কৃতিক সম্পাদক হিচাপে যুৱ মহোৎসৱত মহাবিদ্যালয়খনৰ নাম ৰখাটোও আছিল মোৰ বাবে এটি গুৰুত্বপূৰ্ণ দায়িত্ব। সেই হেতু এটি দল উলিওৱাৰ সিদ্ধান্ত কৰিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ NAAC ৰ অনুষ্ঠানৰ বাবে সকলো ব্যস্ত হৈ থকাৰ হেতু এটি দল উলিয়াব পৰা নগ'ল। সেইহেতু মই অকলেই কলেজখনক প্ৰতিনিধিত্ব কৰিম বুলি থিৰাং কৰিলোঁ। পিছত মোৰ লগত সহযোগ কৰিবলৈ সুকুমাৰ কলা বিভাগত ওলাল মোৰ ভাতৃপ্ৰতীম অলকেশ চায়েঙীয়া। আমি দুয়ো মিলি অধ্যক্ষ মহোদয়ক যুৱমহোৎসৱলৈ যাম বুলি জনালোঁ আৰু অধ্যক্ষ মহোদয়েও সহমত প্ৰকাশ কৰি আমাক অনুমতি দিলে। ব্যস্ত থকাৰ বাবে আমাৰ লগত কোনো যাব নোৱাৰিব বুলি আমাক জনালে। শেষত পৰমপিতা পৰমেশ্বৰৰ আশীৰ্বাদ লৈ আমি যুৱ মহেৎসৱলৈ বুলি ওলালোঁ। হয়তো তেৰাই তেওঁৰ আশীষ আমাক প্ৰদান কৰিলে। যাৰ ফলস্বৰূপে, মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ২০২২-২০২৩ বৰ্ষত আমাৰ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তিনিটাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। এটি সোণৰ পদক, এটি ৰূপৰ পদক আৰু এটি ব্ৰঞ্জৰ পদক।

যুৰ মহোৎসৱৰ পিছতেই বিগত বছৰৰ দৰে মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয় মহাবিদ্যালয় সপ্তাহ। সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হয়। কিন্তু দুই এটি প্ৰতিযোগিতাৰ বাহিৰে বাকীবোৰত প্ৰতিযোগীৰ সংখ্যা তেনেই কম আছিল। আশাকৰোঁ, পৰৱৰ্তী পৰ্যায়ত ছাত্ৰ-ছাত্ৰী সকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰিব।

শেষত সকলোকে ধন্যবাদ জনাই মোৰ অজানিতে হৈ যোৱা ভুলবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু মহাবিদ্যালয়খনৰ উজ্বল ভৱিষ্যতৰ কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

এঞ্জেল শংকৰ দাস
সম্পাদক
সাংস্কৃতিক বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শিক্ষাগুৰুবৃন্দলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ আৰু লগতে মোৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন স্থাপিত হৈ বৰ্তমান শিক্ষা, সংস্কৃতি, সাহিত্য, সমাজসেৱা, ক্ৰীড়া আদি বিভিন্ন দিশত প্ৰতি বছৰে সফলতাৰ দিশে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। এনে এখন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ। কিন্তু তাতকৈ বেছি মই আনন্দ অনুভৱ কৰিছোঁ যে এনে এখন মহাবিদ্যালয়ত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ পায়।

মোৰ কাৰ্যকালত শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতাত ছাত্ৰী জিৰণীকোঠাৰ কামসমূহ কৰাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰীসকলৰ অভাৱ পূৰাবৰ বাবে মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক অৱগত কৰিছিলোঁ। মোৰ কাৰ্যকালত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ পৰা কেৰম, চালাড, ৰংগুলি, মিছ. এল.টি.কে., নাৰীৰ সৌন্দৰ্যৰ ওপৰত এটি টোকা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সকলো প্ৰতিযোগিতা পৰিচালনা কৰাত মোক সহযোগ কৰা মোৰ তত্ত্বাৱধায়ক ৰশ্মিৰেখা দত্ত বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে দিহা পৰামৰ্শ দিয়া সকলো শিক্ষাগুৰুলৈ মোৰ ফালৰ পৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ। মোৰ প্ৰতিটো কামত সহায়

কৰা বিভাগীয় সদস্যবৃন্দলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত মোৰ অতি মৰমৰ মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

ৰবী নাথ
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা বিভাগ



# লঘু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, যিসকলৰ নিঃস্বাৰ্থ প্ৰচেষ্টা আৰু অশেষ ত্যাগৰ দ্বাৰা ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনি বৰ্তমান এই অৱস্থা পাইছেহি। লগতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, যি সকলে দেশ, স্বজাতি তথা সাহিত্যৰ সংস্কৃতিৰ হকে যুঁজ দি স্বৰ্গগামী হ'ল।

ঐতিহ্যমণ্ডিত এল. টি. কে. মহাবিদ্যালয়ৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই নিজকে বহুত গৰ্ব কৰোঁ। এনে এখন মহাবিদ্যালয়ৰ হকে যিবোৰ প্ৰত্যক্ষ সেৱা আগবঢ়াবৰ সুবিধা দিলে, তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ পৰিয়ালৰ ওচৰত মই চিৰকৃতজ্ঞ।

**কাৰ্যকালৰ খতিয়ান ঃ**

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মই মহাবিদ্যালয়ৰ প্ৰতি মোৰ দায়িত্ব আৰু কৰ্তব্য সততাৰে পালন কৰি যাম বুলি সংকল্প গ্ৰহণ কৰিছিলোঁ। লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই বেডমিন্টন, ভলীবল, কাবাডী, আদি খেল সমূহ খেলাব লগা হৈছিল। নিজৰ বিভাগীয় কামসমূহ নিয়াৰিকৈ পালন কৰাৰ উপৰিও যিমান পাৰোঁ অন্য বিভাগীয় কাম-কাজ সমূহতো সহযোগ কৰিব বিচাৰিছিলোঁ আৰু সেইমতে কৰিছিলোঁ। কাৰ্যকালত থকা অৱস্থাত মোৰ বিভাগীয় খেল সমূহ অনুষ্ঠিত হোৱাত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলেও সহায় কৰিছিল। ইয়াৰ কাৰণে মই সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। হয়তো  আপোনালোকে মোক সহায় নকৰা হ'লে মোৰ বিভাগীয় কাম সমূহ সম্পাদন কৰিব নোৱাৰিলোহেঁতেন।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয়ৰ লগতে উপাধ্যক্ষ মহোদয় তথা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ। প্ৰতিটো কামতে উৎসাহ উদ্দীপনাৰে সাহস দিয়া ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দৰ লগতে মোৰ বন্ধু-বান্ধৱী সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, অজানিতে মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী সকলক যদি মনত কিবা আঘাত দিছিলোঁ, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত প্ৰতিবেদন আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

মনজিৎ দত্ত
সম্পাদক
লঘু ক্ৰীড়া বিভাগ



# ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুঁৱৰিব খুজিছোঁ সেইসকল মনীষীক, যিসকলৰ আপ্ৰাণ প্ৰচেষ্টা, শ্ৰম আৰু ত্যাগৰ বিনিময়ত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছে। মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কাৰ্যালয়ৰ সমূহ কৰ্মচাৰী, মৰমৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, যিসকলে ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ সুযোগ দিলে, তেওঁলোক সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ ছাত্ৰ জিৰণি কোঠা বিভাগৰ দায়িত্ব গ্ৰহণ কৰোঁ। ছাত্ৰ জিৰণি কোঠাটি পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে সদায় যত্নপৰ হৈছিলোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ ছাত্ৰ জিৰণি কোঠাৰ লগত সংগতি থকা প্ৰতিখন খেল ভালদৰে অনুষ্ঠিত কৰিব চেষ্টা কৰিছিলোঁ। ছাত্ৰ জিৰণি কোঠাৰ বিভিন্ন খেল যেনে- ডবা খেল, কেৰম, মিষ্টাৰ এল.টি. কে. আদি অনুষ্ঠিত কৰিছিলোঁ।

মোৰ কাৰ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মোৰ বিভাগৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ বীৰেণ কাকতি ছাৰ লগতে দিগন্ত শইকীয়া ছাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিটো কামতে উৎসাহ-উদ্দীপনাৰে সাহস দিয়া ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ লগতে মোৰ মৰমৰ সহপাঠী আৰু ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ছেগতে অম্লানজ্যোতি, নিলুৎপল, জয়পাল- সেইসকল বিশেষ বন্ধুক ধন্যবাদ জনাইছোঁ, যি

সকলৰ সহযোগত জীৱনত এক নতুন অভিজ্ঞতা পাবলৈ সক্ষম হ'লোঁ।

শেষত, অজানিতে মোৰ কাৰ্যকালত যদি কিবা ভুল-ক্ৰটি ৰৈ গৈছে, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছোঁ। মোৰ প্ৰিয় মহাবিদ্যালয়খন চিৰ সেউজীয়া হৈ থাকক, তাৰে কামনা কৰি মোৰ প্ৰতিবেদনখন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

মৃণাল পেগু
সম্পাদক
ছাত্ৰ জিৰণি কোঠা বিভাগ

# মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ ফলাফলসমূহ
# (২০২২-২০২৩ বৰ্ষ)

**গুৰু ক্ৰীড়া বিভাগ ঃ**

**১০০ মিটাৰ দৌৰ (ল'ৰা)**

প্ৰথম স্থান ঃ মানসজ্যোতি পেগু

দ্বিতীয় স্থান ঃ ভক্তৰাম পাৰমে

তৃতীয় স্থান ঃ ভাৰতজ্যোতি শইকীয়া

**১০০ মিটাৰ দৌৰ (ছোৱালী)**

প্ৰথম স্থান ঃ প্ৰিয়ংকা টাইড

দ্বিতীয় স্থান ঃ মুন শইকীয়া

তৃতীয় স্থান ঃ বৰ্ণালী পাৰে

**২০০ মিটাৰ দৌৰ (ল'ৰা)**

প্ৰথম স্থান ঃ লক্ষীৰাম মিলি

দ্বিতীয় স্থান ঃ মানসজ্যোতি পেগু

তৃতীয় স্থান ঃ চায়েদ আদিব আফ্ৰিদি

**২০০ মিটাৰ দৌৰ (ছোৱালী)**

প্ৰথম স্থান ঃ প্ৰিয়ংকা টাইড

দ্বিতীয় স্থান ঃ মুন শইকীয়া

তৃতীয় স্থান ঃ আৰপি সোণোৱাল

**৪০০ মিটাৰ দৌৰ (ল'ৰা)**

প্ৰথম স্থান ঃ লক্ষীৰাম মিলি

দ্বিতীয় স্থান ঃ মানসজ্যোতি পেগু

তৃতীয় স্থান ঃ চায়েদ আদিব আফ্ৰিদি

**৪০০ মিটাৰ দৌৰ (ছোৱালী)**

প্ৰথম স্থান ঃ প্ৰিয়ংকা টাইড

দ্বিতীয় স্থান ঃ উপাসনা সোণোৱাল

তৃতীয় স্থান ঃ নিৰঞ্জনা দলে।

**৮০০ মিটাৰ দৌৰ (ল'ৰা)**

প্ৰথম স্থান ঃ ভক্তৰাম পাৰমে

দ্বিতীয় স্থান ঃ লক্ষীৰাম মিলি

তৃতীয় স্থান (যুটীয়া ভাৱে) ঃ

বিপ্লৱ গগৈ, নিলুৎপল দত্ত

**৮০০ মিটাৰ দৌৰ (ছোৱালী)**

প্ৰথম স্থান ঃ প্ৰিয়ংকা টাইড

দ্বিতীয় স্থান ঃ নিৰঞ্জনা দলে

তৃতীয় স্থান ঃ ডলি সোণোৱাল

**চট্‌ফুট (ল'ৰা)**

প্ৰথম স্থান ঃ গৌগোম ব্ৰহ্ম

দ্বিতীয় স্থান ঃ বিতোপন গগৈ

তৃতীয় স্থান ঃ পৱন চেত্ৰী

**চট্‌ফুট (ছোৱালী)**

প্ৰথম স্থান ঃ উপাসনা সোণোৱাল

দ্বিতীয় স্থান ঃ তচ্‌লিমা বেগম

তৃতীয় স্থান ঃ প্ৰিয়ংকা টাইড

**ডিচ্‌কাচ থ্ৰ' (ল'ৰা)ঃ**

প্ৰথম স্থান ঃ গৌগোম ব্ৰহ্ম

দ্বিতীয় স্থান ঃ পৱন চেত্ৰী

তৃতীয় স্থান ঃ বিতোপন গগৈ

**ডিচ্‌কাচ থ্ৰ' (ছোৱালী) ঃ**

প্ৰথম স্থান ঃ উপাসনা সোণোৱাল

দ্বিতীয় স্থান ঃ বৰ্ণালী পাৰে

তৃতীয় স্থান ঃ মুন শইকীয়া

**লং জাম্প (ল'ৰা) ঃ**

প্ৰথম স্থান ঃ মানসজ্যোতি পেগু

দ্বিতীয় স্থান ঃ লক্ষীৰাম মিলি

তৃতীয় স্থান ঃ বিপ্লৱ গগৈ

**লং জাম্প (ছোৱালী) ঃ**

প্ৰথম স্থান ঃ প্ৰিয়ংকা টাইড

দ্বিতীয় স্থান ঃ বৰ্ণালী পাৰে

তৃতীয় স্থান ঃ উপাসনা সোণোৱাল।

**হাই জাম্প (ল'ৰা) ঃ**

প্ৰথম স্থান ঃ মৃণাল পেগু

দ্বিতীয় স্থান ঃ ভাৰতজ্যোতি শইকীয়া
তৃতীয় স্থান ঃ লক্ষীৰাম মিলি

**হাই জাম্প (ছোৱালী)**

প্ৰথম স্থান ঃ মুন শইকীয়া
দ্বিতীয় স্থান ঃ নিৰঞ্জনা দলে
তৃতীয় স্থান ঃ বৰ্ণালী পাৰে

**জেভলিন থ্ৰ' (ল'ৰা)**

প্ৰথম স্থান ঃ গৌগোম ব্ৰহ্ম
দ্বিতীয় স্থান ঃ লক্ষীৰাম মিলি
তৃতীয় স্থান ঃ ভাৰতজ্যোতি শইকীয়া

**জেভলিন থ্ৰ' (ছোৱালী)**

প্ৰথম স্থান ঃ অনন্যা সেনাপতি
দ্বিতীয় স্থান ঃ উপাসনা সোণোৱাল
তৃতীয় স্থান ঃ প্ৰিয়ংকা টাইড

**ক্ৰিকেট চেম্পিয়ন ঃ** পদাৰ্থবিজ্ঞান বিভাগ
**ৰাণাৰ্চআপ্ ঃ** ইংৰাজী বিভাগ
**শ্ৰেষ্ঠ ক্ৰিকেটাৰ ঃ** মৃণাল পেগু (ইংৰাজী বিভাগ)
**শ্ৰেষ্ঠ খেলুৱৈ** (পুৰুষ শাখা) ঃ লক্ষীৰাম মিলি
(মহিলা শাখা) ঃ প্ৰিয়ংকা টাইড

**লঘু ক্ৰীড়া বিভাগঃ**

**বেডমিণ্টন প্ৰতিযোগিতা (একক)**

বিজয়ী ঃ লক্ষীৰাম মিলি
ৰাণাৰ্চ আপ ঃ ভক্তৰাম পাৰমে

**বেডমিন্টন প্ৰতিযোগিতা (যুটীয়া)**

বিজয়ী ঃ লক্ষীৰাম মিলি, ভক্তৰাম পাৰমে
ৰাণাৰ্চ আপ ঃ গৌগোম ব্ৰহ্ম, নিলুৎপল দত্ত

**টেবুল টেনিছ (ল'ৰা) ঃ**

প্ৰথম স্থান ঃ অলকেশ চায়েংগীয়া
দ্বিতীয় স্থান ঃ জীৱন জ্যোতি সোণোৱাল
তৃতীয় স্থান ঃ গৌগোম ব্ৰহ্ম

**ছোৱালী বেডমিন্টন প্ৰতিযোগিতা ঃ**

বিজয়ী ঃ ডলি সোণোৱাল
ৰাৰ্ণাচ আপ ঃ শিল্পা দাস

**শৰীৰ চৰ্চা**

**ওজন ঃ ৫০ ৰ তলত**

প্ৰথম স্থান ঃ মানস ৰঞ্জন বৰুৱা
দ্বিতীয় স্থান ঃ ৰমেন হাজৰিকা
তৃতীয় স্থান ঃ প্ৰিন্স হাজৰিকা

**৫০ ৰ পৰা ৬০**

প্ৰথম স্থান ঃ ভাৰতজ্যোতি শইকীয়া
দ্বিতীয় স্থান ঃ পলাশ বুঢ়াগোঁহাই

**৬০ ৰ পৰা ৭০**

প্ৰথম স্থান ঃ জীৱনজ্যোতি সোণোৱাল
দ্বিতীয় স্থান ঃ কৌস্তভ বৰা
তৃতীয় স্থান ঃ গৌৰাংগ নাথ

**৭০ ৰ পৰা ৮০**

প্ৰথম স্থান ঃ বিতোপন গগৈ
দ্বিতীয় স্থান ঃ অম্লানজ্যোতি গগৈ
তৃতীয় স্থান ঃ অনুপম কোঁৱৰ।

**৮০ উৰ্ধৰ**

প্ৰথম স্থান ঃ সুৰুজজ্যোতি সোণোৱাল
দ্বিতীয় স্থান ঃ গুগোম ব্ৰহ্ম

**তৰ্ক আৰু আলোচনা বিভাগঃ**

**তৰ্ক প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অৰুণজ্যোতি নাথ
দ্বিতীয় স্থান ঃ ৰিচভ কোঁৱৰ
তৃতীয় স্থান ঃ সঞ্জীৱ বৰুৱা, হোমেন দাস (যুটীয়া ভাৱে)

**কুইজ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ তিলক গগৈ, হেনাশ্ৰী দত্ত
দ্বিতীয় স্থান ঃ অৰুণজ্যোতি নাথ, ভুৱন গগৈ, টুঞ্জন দত্ত
তৃতীয় স্থান ঃ হোমেন দাস, পাৰ্থপ্ৰতীম শইকীয়া
নিচুকণি বঁটা ঃ মানস ৰঞ্জন বৰুৱা, নিপুন নাথ

**সাহিত্য আৰু আলোচনী বিভাগ ঃ**

**প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা**

ক) সম্পাদকীয়- ৰাজনীতি বিজ্ঞান বিভাগ
খ) বেটুপাত - উদ্ভিদ বিজ্ঞান বিভাগ
গ) অলংকৰণ ঃ গণিত বিভাগ
ঘ) কবিতা ঃ'নাৰী তোমাক শতকোটি প্ৰণাম'- গীতিকা বৰা
ঙ) গল্প - 'বিধৱা' - হিতেন্দ্ৰ পায়েং
চ) প্ৰৱন্ধ - (যুটীয়াভাৱে)-
ক) 'অসমৰ বাদ্যযন্ত্ৰ'- নিবেদিতা শইকীয়া, অসমীয়া বিভাগ

খ) 'Women Empowerment'- দেৱজিৎ বৰা, ইংৰাজী বিভাগ

**ছ) শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা**

প্ৰথম স্থান - উদ্ভিদ বিজ্ঞান বিভাগ

দ্বিতীয় স্থান- ৰাজনীতি বিজ্ঞান বিভাগ

তৃতীয় স্থান (যুটীয়াভাৱে)- ভুগোল বিজ্ঞান বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ

**গ্ৰন্থ সমালোচনা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কৃষ্ণা বৰা

দ্বিতীয় স্থান ঃ প্ৰণীতা বৰা

তৃতীয় স্থান (যুটীয়া ভাৱে) ঃ

ক) হীমাশ্ৰী কলিতা

খ) পাৰ্থ প্ৰতীম শইকীয়া

**থিতাতে লিখা কবিতা (অসমীয়া মাধ্যম)**

প্ৰথম স্থান ঃ মেৰী কলিতা

দ্বিতীয় স্থান ঃ হেনাশ্ৰী দত্ত

তৃতীয় স্থান যুটীয়া ভাৱে ঃ

ক) সুস্মিতা বৰা

খ) শান্তি বৰুৱা

**থিতাতে লিখা কবিতা (ইংৰাজী মাধ্যম)**

নিচুকণি বঁটা ঃ শ্বাশ্বতী বৰুৱা

**থিতাতে লিখা গল্প প্ৰতিযোগিতা (অসমীয়া মাধ্যম)**

প্ৰথম স্থান ঃ মেৰী কলিতা

দ্বিতীয় স্থান (যুটীয়াভাৱে) ঃ

ক) মানসজ্যোতি গোঁহাই বৰুৱা

খ) হেনাশ্ৰী দত্ত

তৃতীয় স্থান (যুটীয়া ভাৱে) ঃ

ক) পাৰ্থ প্ৰতীম শইকীয়া

খ) হাৰুণ আলি

**থিতাতে লিখা গল্প প্ৰতিযোগিতা (ইংৰাজী মাধ্যম)**

নিচুকণি বঁটা ঃ শ্বাশ্বতী বৰুৱা

**থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা (অসমীয়া মাধ্যম)**

প্ৰথম স্থান ঃ হেনাশ্ৰী দত্ত

দ্বিতীয় স্থান (যুটীয়া ভাৱে) ঃ

ক) ভুবন গগৈ

খ) তনয়া বৰা

তৃতীয় স্থান (যুটীয়া ভাৱে) ঃ

ক) মেৰী কলিতা

খ) ইন্দ্ৰাণী ফুকন

নিচুকণি বঁটা ঃ ছোনীয়া দাস

**থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা (ইংৰাজী মাধ্যম)**

নিচুকণি বঁটা : চুমি বৰা

**চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ পাৰ্থ প্ৰতীম খনিকৰ

দ্বিতীয় স্থান ঃ অলকেশ চায়েংগীয়া

তৃতীয় স্থান ঃ ইন্দ্ৰাণী ফুকন, শ্বাশ্বতী বৰুৱা

**অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সঞ্জীৱ বৰুৱা

দ্বিতীয় স্থান ঃ বিতোপন গগৈ

তৃতীয় স্থান ঃ ডলী সোণোৱাল

**ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ শ্বাশ্বতী বৰুৱা

দ্বিতীয় স্থান ঃ চুমী বৰুৱা

তৃতীয় স্থান ঃ অলকেশ চায়েঙ্গীয়া

**অসমীয়া বাতৰি পঠন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বিতোপন গগৈ

দ্বিতীয় স্থান ঃ সঞ্জীৱ বৰুৱা

তৃতীয় স্থান ঃ মেৰী কলিতা।

**ইংৰাজী বাতৰি পঠন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ মেৰী কলিতা

দ্বিতীয় স্থান ঃ বিতোপন গগৈ

তৃতীয় স্থান ঃ ইন্দ্ৰাণী ফুকন

**ছাত্ৰী জিৰণি কোঠা বিভাগ ঃ**

**ৰংগুলী গ্ৰুপ ঃ**

প্ৰথম বিজয়ী দল ঃ হিমাশ্ৰী কলিতা, ৰাজমিন আখতাৰ বেগম, পৰিস্মিতা ফুকন

দ্বিতীয় বিজয়ী দল ঃ ইন্দ্ৰাণী ফুকন, জিম্পী বৰা, অনন্যা সেনাপতি

তৃতীয় বিজয়ী দল ঃ শ্বাশ্বতী বৰুৱা, চুমী বৰুৱা, পুৰবী নাথ

**ছালাড প্ৰতিযোগিতা ঃ**

প্ৰথম বিজয়ী দলঃ ইন্দ্ৰাণী ফুকন
জিম্পী বৰা
অনন্যা সেনাপতি

দ্বিতীয় বিজয়ী দল ঃ ৰাজমিন আখতাৰ বেগম
হিমাশ্ৰী ফুকন

তৃতীয় বিজয়ী দল ঃ চুমী বৰুৱা
শ্বাশ্বতী বৰুৱা

**কেৰম ঃ**

চেম্পিয়ন ঃ ৰাজমিন আখতাৰ বেগম
ৰাণাৰ্চ আপ ঃ উপাসনা সোণোৱাল

**ছাত্ৰ জিৰণি কোঠা বিভাগ ঃ**

**কেৰম ঃ**

প্ৰথম স্থান (যুটীয়া) ঃ দেৱাশিষ ভাগৱতী
চঞ্চল হাজৰিকা

দ্বিতীয় স্থান (যুটীয়া) ঃ নিলুৎপল দত্ত,
মানৱ কল্যাণ গগৈ

**ছেচঃ**

প্ৰথম স্থান ঃ সৌৰভজ্যোতি ফুকন
দ্বিতীয় স্থান ঃ চিমন্ত বৰা

**সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফলঃ**

**পাৰ্বতী প্ৰসাদৰ গীতঃ**

প্ৰথম স্থান ঃ দ্বীপশিখা দাস
দ্বিতীয় স্থান ঃ বিপ্লৱ গগৈ
তৃতীয় স্থান ঃ শ্বাশ্বতী বৰুৱা

**ৰাভা সংগীত ঃ**

প্ৰথম স্থান ঃ দ্বীপশিখা দাস
দ্বিতীয় স্থান ঃ মনোৰঞ্জন বৰা, বিপ্লৱ গগৈ
তৃতীয় স্থান ঃ সুস্মিতা বৰা

**ভূপেন্দ্ৰ সংগীত ঃ**

প্ৰথম স্থান ঃ মনোৰঞ্জন বৰা
দ্বিতীয় স্থান ঃ দ্বীপশিখা দাস
তৃতীয় স্থান ঃ বিপ্লৱ গগৈ

**জ্যোতি সংগীত ঃ**

প্ৰথম স্থান ঃ বিপ্লৱ গগৈ
দ্বিতীয় স্থান ঃ দ্বীপশিখা দাস, সুস্মিতা বৰা
তৃতীয় স্থান ঃ মনোৰঞ্জন বৰা

**জয়ন্ত সংগীতঃ**

প্ৰথম স্থান ঃ বিপ্লৱ গগৈ
দ্বিতীয় স্থান ঃ সুস্মিতা বৰা
তৃতীয় স্থান ঃ মনোৰঞ্জন বৰা

# স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল
# (২০২২-২০২৩ বৰ্ষ)

## বিজ্ঞান শাখা ঃ

| | |
|---|---|
| 1. Azaharuddin Ahmed | Zoology |
| 2. Anandaram Payeng | Zoology |
| 3. Angel Shankar Das | Zoology |
| 4. Bhaktaram Permey | Zoology |
| 5. Bidyajyoti Permey | Zoology |
| 6. Bidyut Dutta | Zoology |
| 7. Gwamswar Ramchiary | Zoology |
| 8. Haren Pegu | Zoology |
| 9. Lakhiram Mili | Zoology |
| 10. Lakhyajit Chutia | Zoology |
| 11. Manoj Dangi | Zoology |
| 12. Pranab Baishnab | Zoology |
| 13. Pranab Jyoti Mandal | Zoology |
| 14. Prince Saikia | Zoology |
| 15. Purandra Sonowal | Zoology |
| 16. Ritupan Baruah | Zoology |
| 17. Satyajit Saikia | Zoology |
| 18. Arpee Sonowal | Zoology |
| 19. Hasna Begum | Zoology |
| 20. Hewali Taid | Zoology |
| 21. Jina Lahon | Zoology |
| 22. Jinturani Payeng | Zoology |
| 23. Janmoni Saikia | Zoology |
| 24. Monjuri Pegu | Zoology |
| 25. Prabhati Dhanowar | Zoology |
| 26. Renuki Doley | Zoology |
| 27. Sabina Yesmin | Zoology |
| 28. Sirumoni Medhi | Zoology |
| 29. Susmita Pegu | Zoology |
| 30. Toslima Begum | Zoology |
| 31. Nirmali Das | Zoology |

| | |
|---|---|
| 32. Nihar Rajan Kalita | Chemistry |
| 33. Khagendra Ba Magar | Chemistry |
| 34. Subham Bhakh | Chemistry |
| 35. Bhargab Hazarika | Chemistry |
| 36. Shraban Kr. Nath | Chemistry |
| 37. Subrmabhakh Jyoti Nath | Chemistry |
| 38. Indrajyoti Borah | Chemistry |
| 39. Nizara Pegu | Chemistry |
| 40. Dhrubajyoti Doley | Chemistry |
| 41. Rantu Saikia | Chemistry |
| 42. Pranjal Pegu | Chemistry |
| 43. Anupam Saikia | Chemistry |
| 44. Bitu Doley | Chemistry |
| 45. Barnali Miri | Chemistry |
| 46. Baba Pegu | Chemistry |
| 47. Priyanka Doley | Chemistry |
| 48. Devajit Pegu | Chemistry |
| 49. Nasir Ali Hazarika | Physics |
| 50. Bitupan Gogoi | Botany |
| 51. Partha Pratim Saikia | Botany |
| 52. Bhaskar Dutta | Botany |
| 53. Amlan Jyoti Goswami | Botany |
| 54. Binapani Doley | Botany |
| 55. Homen Das | Botany |
| 56. Swraj Jyoti Sonowal | Botany |
| 57. Mitu Nath | Botany |
| 58. Ananta Saikia | Botany |
| 59. Parishmita Dutta | Botany |
| 60. Sangeeta Gohain | Botany |
| 61. Nupur Dutta | Mathematics |
| 62. Hemanta Sut | Mathematics |
| 63. Priyobrat Gogoi | Mathematics |
| 64. Jonardon Borah | Mathematics |
| 65. Pabitra Doley | Mathematics |
| 66. Niranjan Borhgohain | Mathematics |
| 67. Manjit Chutia | Mathematics |

**কলা শাখা ঃ**

| | |
|---|---|
| 1. Monuj Gogoi | Assamese |
| 2. Himashree Das | Assamese |
| 3. Champak Kalita | Assamese |
| 4. Karishna Nath | Assamese |
| 5. Debajit Saikia | Economics |
| 6. Himanku Borah | Economics |
| 7. Bhabanda Nath | Education |
| 8. Manuj Chutia | Education |
| 9. Ramen Hazarika | Education |
| 10. Ranjan Paban Hazarika | Education |
| 11. Debika Borah | Education |
| 12. Dharitri Saikia | Education |
| 13. Geetimoni Saikia | Education |
| 14. Jimpy Hazarika | Education |
| 15. Jyotishree Gogoi | Education |
| 16. Lucky Saikia | Education |
| 17. Lipi Saikia | Education |
| 18. Priyanka Saikia | Education |
| 19. Silpa Nath | Education |
| 20. Sibani Sonowal | Education |
| 21. Tajmal Hussian | Geography |
| 22. Jharnali Sonowal | English |
| 23. Kundan Borah | English |
| 24, Akshay Pegu | English |
| 25. Priyam Pegu | English |
| 26. Binisha Gogoi | Home Science |
| 27. Bulbuli Saikia | Home Science |
| 28. Kasmiri Borah | Home Science |
| 29. Krishna Borpatra Gohain | Home Science |
| 30. Nipul Nath | Political Science |
| 31. Dulumoni Gogoi | Political Science |
| 32. Jayanta Dutta | Philosophy |
| 31. Mintu Nath | Philosophy |
| 32. Gorisankar Sharma | Sociology |
| 33. Ejaz Ali | Sociology |
| 34. Saddam Ali | Sociology |
| 35. Juri Saikia | Sociology |

# লেখক পৰিচিতি

জ্যোতিস্ময় কুমাৰ নাথ

- পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

জোনমনি নাথ

- পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

ছোনীয়া দাস

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

কৰিস্মা কলিতা

- প্ৰথম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

উদেষ্ণা শইকীয়া

- তৃতীয় ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

পল্লৱী বৰা

- পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

নিৰ্মালী নাথ —

- তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

জুনমি দত্ত

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

পলি বৰা

- তৃতীয় ষান্মাসিক, সামূহিক বিজ্ঞান বিভাগ

শান্তি বৰুৱা

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

ঝৰণা বৈৰাগী

- প্ৰথম ষান্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

জ্যোতি ভূএগ্ৰ

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

অংকিতা দত্ত

- পঞ্চম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

যোগানন্দ হাজৰিকা

- তৃতীয় ষান্মাসিক, বুৰঞ্জী বিভাগ

পল্লৱী বৰা

- পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

জ্যোতি ভূএগ্ৰ

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

অৰূপ নাথ

- একাদশ শ্ৰেণী, কলা শাখা

ৰাজীৱ ঘৰ

- প্ৰথম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

জয়শ্ৰী কলিতা

- প্ৰথম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দেৱাশিষ তামুলী

- প্ৰথম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

মানস ৰঞ্জন বৰুৱা

- পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

জিম্পী বৰা

- পঞ্চম ষান্মাসিক, গণিত বিভাগ

মৃগাংক বৰা

- তৃতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

প্ৰিয়ংকা শইকীয়া

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

লিপিকা শইকীয়া

- প্ৰথম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দ্বীপশিখা দাস

- পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

মানস ৰঞ্জন বৰুৱা

- পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ইন্দ্ৰাণী ফুকন

- পঞ্চম ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

ছোনীয়া দাস

- পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

ৰশ্মিৰেখা দাস

- পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

জ্যোতি ভূঞা
- পঞ্চম যান্মাসিক, শিক্ষাতত্ব বিভাগ

বৰষা বৰা
- পঞ্চম যান্মাসিক, শিক্ষাতত্ব বিভাগ

শ্বাশ্বতী বৰা
- তৃতীয় যান্মাসিক, ইংৰাজী বিভাগ

অবিনাশ হাজৰিকা
- প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

পূজা বৰুৱা
- পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মেৰী কলিতা
- পঞ্চম যান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

পলিজা বৰা
- পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

হেনাশ্ৰী দত্ত
- পঞ্চম যান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

ভূৰন গগৈ
- পঞ্চম যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

পল্লৱী বৰা
- পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ভাৰতজ্যোতি শইকীয়া
- পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মানস ৰঞ্জন বৰুৱা
- পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ভাগ্যশ্ৰী কাকতি
- ষষ্ঠ যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

জিম্পী বৰা
- পঞ্চম যান্মাসিক, গণিত বিভাগ

পাৰ্থ প্ৰতীম শইকীয়া
- ষষ্ঠ যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

কৃষ্ণা বৰা
- ষষ্ঠ যান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

প্ৰণীতা বৰা
- তৃতীয় যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

হীমাশ্ৰী কলিতা
- তৃতীয় যান্মাসিক, অৰ্থনীতি বিভাগ

হেনাশ্ৰী দত্ত
- পঞ্চম যান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দ্বীপশিখা দাস
পঞ্চম যান্মাসিক, অসমীয়া বিভাগ

অৰুণজ্যোতি নাথ
- তৃতীয় যান্মাসিক, অসমীয়া বিভাগ

দেৱাশিষ তামুলী
- তৃতীয় যান্মাসিক, শিক্ষাতত্ব বিভাগ

তৃষ্ণামনি বৰা
- তৃতীয় যান্মাসিক, শিক্ষাতত্ব বিভাগ

প্ৰণীতা বৰা
- তৃতীয় যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

সুনিতা দলে
- পঞ্চম যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

পাৰ্থ প্ৰতীম ভূঞা
- প্ৰথম যান্মাসিক, ভূগোল বিভাগ

ডিম্পল নাথ
- তৃতীয় যান্মাসিক, অসমীয়া বিভাগ

বিকাশ সোণোৱাল
- প্ৰথম যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

তপন শইকীয়া
- তৃতীয় যান্মাসিক, অসমীয়া বিভাগ

তপন পায়েং
- ষষ্ঠ যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

ধীৰাজ কোচ
- প্ৰথম যান্মাসিক, ভূগোল বিভাগ

অংকিতা দত্ত
- পঞ্চম যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

টুইঙ্কল শইকীয়া
- তৃতীয় যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

ডলী সোণোৱাল
- পঞ্চম যান্মাসিক, ভূগোল বিভাগ

মেৰী কলিতা
❍ পঞ্চম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
কৃষ্ণ দাস
❍ প্ৰথম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ
হাৰুণ আলী
❍ পঞ্চম ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
মেৰী কলিতা
❍ পঞ্চম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
হেনাশ্ৰী দত্ত
❍ পঞ্চম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
মানৱজ্যোতি নাথ
❍ তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
পিংকী কুলী
❍ পঞ্চম ষান্মাসিক, বুৰঞ্জী বিভাগ
প্ৰণৱজ্যোতি মুছাহাৰী
❍ পঞ্চম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ
ছোনীয়া দাস
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
মধুস্মিতা চেতিয়া
❍ তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
পাৰ্থ দাস
❍ প্ৰথম ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
হিৰন্ময় দাস
❍ একাদশ শ্ৰেণী, বিজ্ঞান শাখা
কুন্তল দত্ত
❍ প্ৰথম ষান্মাসিক, ভূগোল বিভাগ
কৌশিক দত্ত
❍ দ্বাদশ শ্ৰেণী, বিজ্ঞান শাখা
ৰবী নাথ
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
পল্লৱী বৰা
❍ পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ
জিম্পী বৰা
❍ পঞ্চম ষান্মাসিক, গণিত বিভাগ
জ্যোতিৰ্ময় কুমাৰ নাথ
❍ পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ
তনয়া বৰা
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
দেৱজিত বৰা
❍ পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ
জয়শ্ৰী শইকীয়া
❍ তৃতীয় ষান্মাসিক, সামূহিক বিজ্ঞান বিভাগ
মৃদুস্মিতা ভূঞা
❍ তৃতীয় ষান্মাসিক, দৰ্শন বিভাগ
সন্তোষ সোণোৱাল
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
মাইকেল পেগু
❍ দ্বাদশ শ্ৰেণী, বিজ্ঞান শাখা
গীতিকা বৰা
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
জুবিন কলিতা
❍ প্ৰথম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
সন্তোষ সোণোৱাল
❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ
অম্লানজ্যোতি গগৈ
❍ পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ
চুমি বৰা
❍ তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ
জেচমিনা বেগম
❍ পঞ্চম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
পলাশ গগৈ
❍ প্ৰথম ষান্মাসিক, গণিত বিভাগ
শ্বাশ্বতী বৰুৱা
❍ তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ
অমৰজ্যোতি দত্ত
❍ প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ
ইলু বৰুৱা
❍ তৃতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

পুৰবী দত্ত

❍ প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

দেৱজানি গগৈ

❍ প্ৰাক্তন ছাত্ৰী, ৰাজনীতি বিজ্ঞান বিভাগ

কৃষ্ণ দাস

❍ প্ৰথম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

মেৰী কলিতা

❍ পঞ্চম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

ঋতুপৰ্ণা দত্ত

❍ প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ

অনুপম বৰুৱা

❍ তৃতীয় ষান্মাসিক, ভূগোল বিভাগ

কৌস্তভ বৰা

❍ তৃতীয় ষান্মাসিক, ভূগোল বিভাগ

নিলোৎপল দত্ত

❍ ষান্মাসিক, ইংৰাজী বিভাগ

প্ৰীতি চেত্ৰী

❍ পঞ্চম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

নিলুৎপল দত্ত

❍ পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ

প্ৰণৱজ্যোতি মুছাহাৰী

❍ পঞ্চম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

অনন্যা সেনাপতি

❍ পঞ্চম ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

কুইন সোণোৱাল

❍ তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

দেৱজিত বৰা

❍ পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ

সন্তোষ সোণোৱাল

❍ পঞ্চম ষান্মাসিক, শিক্ষাতত্ব বিভাগ

পাৰ্থপ্ৰতীম শইকীয়া

❍ ষষ্ঠ ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ





মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দ



মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ






মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ কৰ্মচাৰী সকলৰ একাংশ




মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়কসকল




মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল

## মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল, ২০২২-২৩ বৰ্ষ



মেৰী কলিতা
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



বিপ্লৱ গগৈ
শ্ৰেষ্ঠ কণ্ঠশিল্পী



অৰুণজ্যোতি নাথ
শ্ৰেষ্ঠ তাৰ্কিক



কৃষ্ণা বৰা
শ্ৰেষ্ঠ গ্ৰন্থ সমালোচক



প্ৰিয়ংকা টাইড
শ্ৰেষ্ঠ খেলুৱৈ(ছোৱালী)



লক্ষীৰাম মিলি
শ্ৰেষ্ঠ খেলুৱৈ ( ল'ৰা)




সুস্মিতা বৰা
মিছ এল.টি. কে



ডলি সোণোৱাল
বেডমিণ্টন চেম্পিয়ন



ৰাজমিন আখতাৰ বেগম
কেৰম চেম্পিয়ন



অলকেশ চায়েঙ্গীয়া
টেবুল টেনিছত বিজয়ী



সৌৰভজ্যোতি ফুকন
ছেচ প্ৰতিযোগিতাত বিজয়ী



মৃণাল পেগু
শ্ৰেষ্ঠ ক্ৰিকেটাৰ

# 'NAAC Peer Team' ৰ দ্বাৰা মহাবিদ্যালয় পৰিদৰ্শনৰ কেইটিমান স্মৰণীয় মুহূৰ্ত


















# ২০২২-২০২৩ বৰ্ষত আয়োজিত মহাবিদ্যালয় অনুষ্ঠানৰ কিয়দংশ
























# ২০২২-২০২৩ বৰ্ষত আয়োজিত মহাবিদ্যালয় অনুষ্ঠানৰ কিয়দংশ





















# ২০২২-২০২৩ বৰ্ষত আয়োজিত মহাবিদ্যালয় অনুষ্ঠানৰ কিয়দংশ























राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

**NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL**

*An Autonomous Institution of the University Grants Commission*

# Certificate of Accreditation

The Executive Committee of the
National Assessment and Accreditation Council
is pleased to declare

L. T. K. College

Azad, North Lakhimpur, Dist. Lakhimpur, affiliated to Dibrugarh University,
Assam as

Accredited

with CGPA of 2.92 ... point scale
at B++ grade
valid up to February 19, 2028

S.C. [signature]
Director

Date : February 20, 2023

28405

EC(SC)/145/3rd Cycle/ASCOGN11964



লক্ষীমপুৰ তেলাহী কমলাবৰীয়া
মহাবিদ্যালয় আলোচনী
২০২১-২০২২ বৰ্ষ
পাৰ্থ প্ৰতীম খনিকৰ
পৰিস্মৃতা দত্ত


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া
মহাবিদ্যালয় আলোচনী
২০১৫-১৬ – ২০১৬-১৭ বৰ্ষ


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া
মহাবিদ্যালয় আলোচনী


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী
LAKHIMPUR TELAHI KAMALABARIA COLLEGE
MAGAZINE


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী
LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE
SESSION 2006-07-08


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী


লক্ষীমপুৰ তেলাহী কমলাবৰীয়া
মহাবিদ্যালয়ৰ আলোচনী